৬৯ সংখ্যক

# নলবাৰী মহাবিদ্যালয় আলোচনী



সম্পাদক

নীলোৎপল ডেকা

৬৯ সংখ্যক নলবাৰী মহাবিদ্যালয় আলোচনী

সম্পাদক : নীলোৎপল ডেকা

বেটুপাতৰ ছবিখন-

বৰ্তমানৰ সমাজ জীৱনত দেখা দিয়া যুক্তিবাদী চিন্তা, সামাজিক ঘটনা প্ৰৱাহৰ নিৰ্ভুল বিচাৰ-বিশ্লেষণ, নীতি নৈতিকতা, সৃজনশীলতা, মূল্যবোধ ইত্যাদি বৌদ্ধিক সচেতনশীলতাৰ অৱক্ষয়ক মিলটোৰ শিল্পৰ মাধ্যমেৰে প্ৰকাশ কৰাৰ প্ৰয়াস বেটুপাতৰ ছবিখনৰ মূল বিষয়বস্তু। পোৰামাটিৰ এই বিনিৰ্মাণত দেখুওৱা মগজুৰ ইমেজটো সমগ্ৰ সমাজখনৰ বোধৰ উপমাৰূপে দেখুওৱা হৈছে। বৰ্ণ বৈষম্য, যৌতুক বিবাদ, ধৰ্মীয় সংঘাত ইত্যাদি সাম্প্ৰদায়িক খাদ-শৃংখলাৰ পৰা মুক্ত হ'ব নোৱাৰা অৱস্থাটোক সামন্তৰ তৰোৱালেৰে প্ৰকাশ কৰা হৈছে। আত্মপুৰ্ণি পৰম্পৰাগত চিন্তাৰ তৰোৱালখন আজিও আমাৰ মগজুত সোমাই আছে। দিনে দিনে মগজুটোৰ পচন আৰম্ভ হৈছে আৰু মগজুটোত গজি উঠিছে মুখজীৱি, যোৱা একবিংশ শতিকাৰ আধুনিক সমাজখনত প্ৰচলিত অন্ধবিশ্বাস, ধৰ্মীয় সংকীৰ্ণতা, অস্পৃশ্যতা ইত্যাদিৰ প্ৰতীকিৰূপ। বৌদ্ধিকভাৱে পিছপৰা সমাজে কেতিয়াও সামাজিক, সাংস্কৃতিকভাৱে দায়বদ্ধ আৰু সংগ্ৰামকাৰী প্ৰজন্ম এটা দিব কৰাব নোৱাৰে। তাৰ পৰিবৰ্তে সমাজে নিজৰ বুকুতে প্ৰতিপালন কৰে এনে এটা সুবিধাবাদী আৰু স্বাৰ্থপৰ শ্ৰেণীক যি সমাজৰ কৌটিলীয়া ভেটিটোকে অনবৰত দবাইচৈ থাকি দিয়ে। এই শ্ৰেণীটোৰ ছিৰপতে ছদ্মবেশে সোমাই থাকে লেখক, গায়ক, সাংবাদিক, সমাজকৰ্মী, অভিনেতা, ৰাজনৈতিক নেতা ইত্যাদি। বিনিৰ্মাণখনত থকা কীটবোৰে যেনে এটা শ্ৰেণীৰ উপস্থিতিৰ ইংগিত বহন কৰিছে।

দেশত হৈছিল স্বাধীনতাৰ উন্মাদনা।
ইতিমধ্যেই 'নলবাৰী সংস্কৃত কলেজ'
প্ৰতিষ্ঠা কৰা নলবাৰীৰ শৈক্ষিক সমাজে
সাধাৰণ শিক্ষাৰ পূৰ্ণ পৰ্যায়ৰ কলেজ এখন
স্থাপন কৰিবলৈ মন মেলিছিল। আনহাতে
আৰু অতিৰিক্ত নলবাৰীৰ শৈক্ষিক সমাজ
একত্ৰিত হ'ল, জ্ঞানবৃদ্ধি মিলন পথ সৃষ্টি
হোৱা নব-প্ৰাণৰে আগুৱাই এক
ভূমিকাৰেই নলবাৰী কলেজ প্ৰতিষ্ঠা
হোৱাৰ বাট মুকলি হ'ল। পৰিস্থিতিৰ সমস্ত
প্ৰতিকূলতা আৰু সীমাবদ্ধতাক নেওচি নব
আৰম্ভণ কৰাৰ আগে আগে ১৯৪৫ চনৰ ৪
জুলাই তাৰিখে [illegible]
[illegible] কলেজ হিচাপে নলবাৰীয়েই জ্ঞান
বিস্তাৰৰ নতুন দিগন্তটি মুকলিলৈ
আগবঢ়াই দিলে।



নলনিৰ মাজতে পাহলি মেলিলে
জ্ঞান বিলিব আকাশ সিলাই
কোনোবা জনাৰে গঢ়ি গঢ়ি গঢ়ি
জনতাৰ আহ্বান আঁচলেই
নবীনৰ নতুন বেলি পথ নিৰ্দেশ
হজাৰ হেৰিছা মেলি নলবাৰী কলেজ

— [illegible] কুমাৰ শৰ্মা





বিদ্যাৰ মহান পবিত্ৰ [illegible] নলবাৰী কলেজ স্থাপন হৈছিল
[illegible] মূৰ্তিমন্ত।

# নলবাৰী মহাবিদ্যালয় আলোচনী

৬৯ সংখ্যক নলবাৰী মহাবিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

সম্পাদক

নীলোৎপল ডেকা



# নলবাৰী মহাবিদ্যালয় আলোচনী ঃ নলবাৰী মহাবিদ্যালয়, নলবাৰী বছৰেকীয়া প্ৰকাশ

**Nalbari College Magazine : The Annual Publication of Nalbari College Nalbari, Vol.-LXIX**


## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক ঃ হিতেশ ঠাকুৰীয়া

শিক্ষক সদস্য ঃ ড° সুব্ৰত বৰ্মন
ড° ৰঞ্জনা ভট্টাচাৰ্য্য
ড° প্ৰদ্যুম্ন শৰ্মা

সম্পাদক ঃ নীলোৎপল ডেকা


ছাত্ৰ সদস্য ঃ প্ৰিয়ংকা শৰ্মা
ঈষা পৰাশৰ
সোণমনি কলিতা
ভাৰ্গৱ কমল বৈশ্য

বেটুপাত ঃ প্ৰিয়ম আদিত্য

আৰ্হি চিত্ৰ ঃ জংকি শৰ্মা, ভাৰ্গৱ কমল বৈশ্য

কেলিগ্ৰাফী ঃ জংকি শৰ্মা

মুদ্ৰণ ঃ অংকিতা কম্পিউটাৰ প্ৰেছ, পল্লা ৰোড, নলবাৰী




# নলবাৰী মহাবিদ্যালয় আলোচনী

৬৯ সংখ্যক প্ৰকাশ

## উছৰ্গা

সাগৰসম কাব্যিক চেতনাৰে
অসমীয়া কবিতাক সমৃদ্ধ কৰা
জ্ঞানপীঠ বঁটা বিজয়ী কবি
**নীলমণি ফুকন** ছাৰৰ হাতত ...

জাতি আৰু সমাজলৈ অসীম অৱদান
আগবঢ়াই যিসকলে ইতিহাসৰ পাতত
লিখি থৈ গ'ল নিজৰ সোণালী নাম,
সেই প্ৰতিগৰাকী মহাত্মালৈ আমাৰ

একাঁজলি
শ্ৰদ্ধাঞ্জলি

যাক আমি পাহৰিব নোৱাৰোঁ

**ড° সূৰ্য্যকান্ত হাজৰিকা**
**সভাপতি**

**অসম সাহিত্য সভা**

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰংঘৰা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লখীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লখীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতি ভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অমৃত-নিবেদিতা মেধি ভৱন, জাগীৰোড-৭৮১০২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫



# শুভেচ্ছাবাণী

নলবাৰী মহাবিদ্যালয়ে বিগত কেবাদশক ধৰি শৈক্ষিক, সামাজিক দিশত প্ৰভূত বৰঙণি আগবঢ়াই আহিছে আৰু শিক্ষাৰ বন্তিগছি অহৰহভাৱে জ্বলাই ৰাখিছে নলবাৰী জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত। পোহৰাই তুলিছে মহাবিদ্যালয়ৰ চৌপাশ।

শিক্ষানুষ্ঠানখনৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ ওলাইছে বুলি জানিবলৈ পাই সুখী হৈছোঁ। যিকোনো শিক্ষানুষ্ঠানৰ বছৰেকীয়া আলোচনীত সেই শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰী আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ চিন স্পষ্টভাৱে জিলিকি উঠে। প্ৰকাশ হ'বলগীয়া আলোচনীখনত আমি তাকেই দেখিবলৈ পাম বুলি আশা কৰিলোঁ।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ হৈ পাঠক সমাজৰ সমাদৰ অৰ্জন কৰক—এই কামনাৰে মই সম্পাদনা সমিতিৰ আটাইলৈ পুনৰবাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

**(ড° সূৰ্য্যকান্ত হাজৰিকা)**
**সভাপতি**
**অসম সাহিত্য সভা**
**গুৱাহাটী, ০৪ এপ্ৰিল, ২০২৩ খ্ৰীষ্টাব্দ**

বাসগৃহৰ ঠিকনা ঃ চন্দ্ৰকান্ত প্ৰেম ভৱন, ১, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই-মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com





# অধ্যক্ষৰ কলম

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দুবছৰ পূৰ্বেই অৰ্থাৎ ১৯৪৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰতিস্থিত হৈছিল ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়। বিভিন্ন ইতিহাস সমৃদ্ধ এই মহাবিদ্যালয়খনিয়ে বৰ্ণিল যাত্ৰা আৰম্ভ কৰি আজি মহাৰজত জয়ন্তী বৰ্ষ পালন কৰিছে। মহাবিদ্যালয়ৰ আলোচনীখনে ১৯৫১ চনত প্ৰথম সংখ্যা প্ৰকাশৰ পৰা আজি ৬৯ সংখ্যক সংখ্যা প্ৰকাশৰ যোগেদি সুদীৰ্ঘ বছৰ জুৰি ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ কঠিয়াতলী হিচাপে পৰিগণিত হৈ আহিছে। ছাত্ৰ-ছাত্ৰীসকলৰ একান্ত সাধনা আৰু নিৰবচ্ছিন্ন অনুশীলনেৰে মহাবিদ্যালয়ৰ আলোচনীত আৰম্ভ কৰা সাহিত্য সংস্কৃতিৰ চৰ্চাই এদিন তেওঁলোকক প্ৰতিষ্ঠিত কবি-সাহিত্যিকত পৰিণত কৰি অসমী আই তথা ভাৰত মাতৃৰ সু-সন্তান হিচাপে স্বীকৃতি দিব। আমাৰ ভৱিষ্যৎ উন্নতিত সহায়ক হোৱাকৈ মহাবিদ্যালয় আলোচনীত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক কৰ্মচাৰীৰ ইতিহাস সমৃদ্ধ লিখনিৰ প্ৰয়োজন। আজিৰ ছাত্ৰ-ছাত্ৰী দেশৰ ভৱিষ্যৎ নাগৰিক। তেওঁলোকৰ হাততেই আছে দেশৰ আৰু জাতিৰ প্ৰগতি। মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলে সেয়েহে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে সততে দৃষ্টি ৰাখে। বৃহত্তৰ নলবাৰী অঞ্চলৰ সমাজ সচেতন নাগৰিকসকলৰ যোগাত্মক সহাঁৰি আমাৰ সততে কাম্য। সময়ৰ বিৱৰ্ত্তনৰ লগত খোজ মিলাই আমিও অগ্ৰসৰ হৈছো। আমাৰ যাত্ৰা পথত ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাত্মক প্ৰগতি আমাৰ লক্ষ্য।

অনাগত দিনত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত হৈ বিজয় ধ্বজা উৰুৱাব বুলি আশা কৰিলো। মহাবিদ্যালয়ৰ আলোচনীখন সুন্দৰ হোৱাৰ কামনাৰে-

(ড° কমল নয়ন পাটোৱাৰী)
অধ্যক্ষ
নলবাৰী মহাবিদ্যালয়, নলবাৰী

# ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়কৰ একলম



পোন প্ৰথমে সগৌৰৱে মহাৰজত জয়ন্তী উদযাপন কৰিবলৈ সক্ষম হোৱা নলবাৰী কলেজৰ প্ৰতিষ্ঠাকালৰ সেই মহান মণিষী সকলক সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। প্ৰাক-স্বাধীনতা কালতে প্ৰতিষ্ঠা হোৱা ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ২০২১-২২ বৰ্ষৰ তত্বাবধায়কৰ দায়িত্ব গ্ৰহণৰ সুযোগ দিয়াৰ বাবে কলেজ কৰ্তৃপক্ষৰ লগতে পৰিয়ালবৰ্গক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছাত্ৰ একতা সভাৰ জৰিয়তে বছৰটোত পালন কৰিব লগা বিভিন্ন কাৰ্য্যসূচীত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া,শিক্ষক তত্বাৱধায়ক সকল, শিক্ষক - শিক্ষয়িত্ৰী তথা অনা-শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰী সকলে যি ধৰণে সহায় সহযোগিতা আগবঢ়ালে সি সঁচাই প্ৰসংশনীয়।

বিগত সময়ছোৱাত ক'ভিড অতিমাৰীয়ে আমাৰ শৈক্ষিক বৰ্ষৰ সময়সূচী ওলট - পালট কৰাৰ সমান্তৰালকৈ ছাত্ৰ একতা সভাৰ কাৰ্য্যসূচীটো যোৱা বছৰটোত কিছু প্ৰভাৱ পেলায়, সেয়েহে কিছু কাৰ্য্যসূচী সময়ৰ অভাৱত বাতিল কৰিব লগা হয়। এনেধৰণৰ আশংকা পুনৰাবৃত্তি নহয় বুলিয়েই আমাৰ দৃঢ় বিশ্বাস। বিভিন্ন বাধা বিঘিনি তথা সীমিত সা- সুবিধাৰ মাজেৰে ২০২১-২২ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে বৰনগৰ মহাবিদ্যালয়ত আয়োজন কৰা যুৱ মহোৎসৱৰ মাণ্ডুলিক প্ৰতিযোগিতাত অংশ গ্ৰহন কৰি বিভিন্ন শিতানত ২৫টা আৰু কেন্দ্ৰীয় প্ৰতিযোগিতাত ১৫টাকৈ পদক অৰ্জনেৰে মহাবিদ্যলয় খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা আমাৰ ছাত্ৰ-ছাত্ৰীসকলক এই চেগতে অভিনন্দন জনাইছোঁ। ভৱিষ্যতে আমাৰ ছাত্ৰ ছাত্ৰী সকলৰ আৰু উন্নত প্ৰদৰ্শনৰ বাবে আমি সকলোৱে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।

ক'ভিড কালীন জটিলতা আৰু অন্যান্য পৰিস্থিতিয়ে আমাৰ মহাবিদ্যালয় আলোচনী খনৰ প্ৰকাশৰ ক্ষেত্ৰত কিছু বাধাৰ সৃষ্টি কৰিছিল। এই আলোচনীখনৰ প্ৰকাশৰ বাবে বিভাগীয় সম্পাদক নিলোৎপল ডেকাৰ নেৰানেপেৰা চেষ্টাক শলাগ লৈছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ- একতাসভাৰ সভাপতি সম্পাদককে মুখ্য কৰি সকলো বিষয় ববীয়াই তত্বাৱধায়কসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি সুকলমে কাৰ্য সম্পাদন কৰাৰ বাবে ধন্যাবাদৰ পাত্ৰ। অধ্যক্ষ সমন্বিতে প্ৰতিগৰাকী তত্বাৱধায়কক এই চেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত নলবাৰী মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি সকলোকে পুনৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

'জয়তু নলবাৰী মহাবিদ্যালয়'

**ড° বিষ্ণু ভট্টাচাৰ্য**
তত্বাৱধায়ক
ছাত্ৰ একতা সভা, ২০২১-২২ বৰ্ষ

# সম্পাদকীয়

## মানুহ - অমানুহ, শিক্ষা - অশিক্ষা, গতি - দুৰ্গতি

*"But at my back I always hear*
*Time's winged chariot hurrying near"*
- Andrew Marvel

**প্ৰ**তিপল সম্প্ৰসাৰিত এই বিশ্ব-ব্ৰহ্মাণ্ড, সমন্তৰালকৈ মানৱ সভ্যতা। এফালে ক্ৰমবিকাশৰ দৌৰত উৰাদিহ নোপোৱা জীৱন-শৈলী আনফালে বৌদ্ধিক, সাংস্কৃতিক সংঘাতৰ দপ্‌দপনিত উশাহহীন হৈ ৰৈ যোৱা কিছু নৈতিকতা, আদৰ্শ অথবা সত্যতা ।আমি দেখিছো চকুৰ পলকতে সলনি হোৱা বুৰঞ্জী, ভৌগোলিক অবয়ব, ৰাজনৈতিক আদৰ্শ, বৈজ্ঞানিক মানসিকতা আৰু তাৰ লগে লগেই আদৰণিৰ বাটত কিছু নতুন পদ্ধতি, কৌশল, মনোভাৱ;হেৰাই যোৱাৰ বাটত কিছু জাতি, ভাষা, ঐতিহ্য- পৰম্পৰা। এন্দ্ৰীউ মাৰ্ভেলে কোৱাৰ দৰে সময় পাখি লগা ঘোঁৰাৰ দৰেই উৰি যায় অহৰ্নিশে -যাৰ আছে অবাধ গতি। সময়ৰ এই অবাধ গতিক প্ৰশ্ন কৰাৰ আমাৰ ধৃষ্টতা নাই, হাবিয়াসো নাই নতুবা কাৰোবাৰ সময়ো নাই। সময় কি ? সেই প্ৰশ্নৰ উত্তৰো আমাৰ হাতত নাই ।সময়ক পৰাজিত কৰাৰ অত্যাধিক প্ৰচেষ্টাই আমাৰ ভৱিষ্যত নিৰ্মাণ কৰিছে অতীতৰ প্ৰাচীন ধ্বংসস্তুপৰ ওপৰত। এহাতে সভ্যতাৰ শিখৰত নিজকে প্ৰতিষ্ঠা কৰাৰ দুৰ্দান্ত হেঁপাহ আনহাতে সমান্তৰালকৈ অতীতক এলাগী কৰি নিজকেই সৰ্বোচ্চ বুলি ঘোষণা কৰা আমাৰ নিৰ্লজ্জ স্বভাৱ। প্ৰবাহিত সময়,সময়ৰ অস্তিত্ব আৰু অবান্তৰ সপোনে আচলতে আমাক ঠেলি নিচে অন্ধকাৰ, অনিশ্চিত ভৱিষ্যতলৈ। আৰু আমি সপোনৰ শিখৰত বহি তথা লাগি চাই আছো আমাৰেই ধ্বংসস্তুপ একোজন প্ৰত্যক্ষ কাৰক নতুবা মূৰ্খ নীৰৱ দৰ্শক হৈ।

পৰিৱৰ্তনেই হৈছে মানৱ জীৱন ধাৰণৰ মূখ্য কাৰক। এই আপেক্ষিক সত্যক সৰোগত কৰি আশা - নিৰাশা, স্বপ্ন - বাস্তৱ, সৃষ্টি - বিনাশৰ মাজতেই দোলা দি সৃষ্টি হৈছে সাহিত্য, কলা, নৱ - নৱ সংস্কৃতি আৰু নতুন প্ৰজন্মৰ মানসিকতা। এই পৰিৱৰ্তনৰেই সাক্ষী হৈ আৰম্ভ হৈছে একবিংশ শতিকাৰ তৃতীয়টো শতক। লগতে আৰম্ভ হৈছে বহু আশা, কল্পনা, ৰিজলিউশ্যন ।বিশ্বায়নৰ এই দশকটোত এক সংঘবদ্ধ মানৱজাতিৰ উদাহৰণ দি আমি বহুদূৰ আগুৱাই আহিলো। এই সংঘবদ্ধ যাত্ৰাত আমাক এনাজৰীৰ দৰে এক কৰি ৰাখিছে আমাৰ কলা-সংস্কৃতি, সাহিত্য, লোকপৰ্ব তথা পৰম্পৰাই। এই কথাটোৱে যদিওঁ বিভিন্ন ক্ষেত্ৰত বৈজ্ঞানিকভাৱে কোনো অৰ্থ বহন নকৰে বা তাৰ কোনো বৈজ্ঞানিক যুক্তি দিব পৰা নাযায় তথাপি আমাৰ জাতি, সমাজক এক কৰি ৰখা এই এনাজৰীডাল দৃঢ় কৰি ৰখাৰ সম্পূৰ্ণ দায়িত্ব, কৰ্তব্য কেৱল আৰু কেৱল নতুনকৈ উঠি অহা নৱ প্ৰজন্মৰ ।কিন্তু এটা কথা ঠিক যে এই ক্ষেত্ৰত বৰ্তমানৰ সময়ত কংক্ৰিটৰ মাজত হেৰাই পৰা বিশ্বাস আৰু অতীতৰ ধ্বংসস্তুপে কঢ়িয়াই অনা অন্ধবিশ্বাসৰ মাজত এক নিৰাপদ দূৰত্ব আজিৰ প্ৰজন্মই বৰ্তাই ৰাখিব লাগিব। যেতিয়াই এই বিশ্বাসে অন্ধবিশ্বাসৰ ৰূপ লব তেতিয়াই সৃষ্টি হব সংঘাত, যি সংঘাতৰ প্ৰভাৱ হব যথেষ্ট ভয়াৱহ, যি সংঘাতে নিমিষতে শেষ কৰি পেলাব আধুনিক সাহিত্য, শিল্প-কলাৰ মানসিকতা আৰু আধুনিক সভ্য সংস্কৃতি। এই সংঘাতৰ সুযোগ লৈয়েই শ্ৰেণীবিভাজনৰ ৰাজনৈতিক ধাৰাই ব্যৱহাৰ কৰিব একেখন সমতলত একগোট হৈ থকা সাহিত্যিক, শিল্পী, চিন্তাবিদ আৰু ছাত্ৰশক্তিক। গতিকে সেয়া নহবৰ বাবে কিছুক্ষেত্ৰত

যেতিয়াই এই বিশ্বাসে অন্ধবিশ্বাসৰ ৰূপ লব তেতিয়াই সৃষ্টি হব সংঘাত, যি সংঘাতৰ প্ৰভাব হব যথেষ্ট ভয়াৱহ, যি সংঘাতে নিমিষতে শেষ কৰি পেলাব আধুনিক সাহিত্য, শিল্প-কলাৰ মানসিকতা আৰু আধুনিক সভ্য সংস্কৃতি। এই সংঘাতৰ সুযোগ লৈয়েই শ্ৰেণীবিভাজনৰ ৰাজনৈতিক ধাৰাই ব্যৱহাৰ কৰিব একেখন সমতলত একগোট হৈ থকা সাহিত্যিক, শিল্পী, চিন্তাবিদ আৰু ছাত্ৰশক্তিক....

সচেতন হোৱাৰ দৰকাৰ আৰু এই সচেতনতাৰ দিশটোতেই আমি পিছ পৰি ৰৈছো পশ্চিমৰ দেশৰ তুলনাত। আমি আমাৰ নিজস্বতাক এৰি দিব নালাগিব, নিজস্বতাক ধৰি ৰাখি শিকিব লাগিব আধুনিকতা। যি নহওঁক, সামাজিক মাধ্যম নতুবা ৰংচঙীয়া পৃথিৱীত বিভোৰ হৈ থকা নৱপ্ৰজন্মৰ এই পৰিবৰ্তনেই হওঁক জীৱন ধাৰনৰ মূল কাৰক।

২০১৯ চন মানৱ জাতিৰ ইতিহাসৰ এক অভিশপ্ত বৰ্ষ হিচাপে চিহ্নিত হৈ ৰব চিৰকাল। যিখিনি সময়ত অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱন অচল আৰু অস্থিৰ হৈ আছিল, যিখিনি সময়ত অসমৰ সাহিত্য, কলা-সংস্কৃতিক ৰাজপথত নাঙঠ ভৰিৰে খোজ কঢ়িওৱা হৈছিল, সেই সময়তে সমগ্ৰ মানৱ জাতিলৈ নামি আহিছিল চূড়ান্ত স্তব্ধতাৰ ছাঁ। অতি কম সময়ৰ ভিতৰতে কাল ৰূপ ধাৰণ কৰা ক'ৰনাৰ প্ৰত্যাহ্বানত হেৰুৱাই পৰিছিল চিনাকি - অচিনাকি লক্ষ্যাধিক মুখ। মাহজোৰা লকডাউনে জুৰুলা কৰিলে সৰ্বস্বান্ত জনতাক। অচল পৰিবহন, অপৰিপক্ক ব্যৱস্থাপনা আৰু জনতাৰ কাৰ্ফিউৰ ফলত পদপথ শ্ৰমিকৰ তেজেৰে ৰাঙলী হ'ল। অৰ্থনৈতিক বিপৰ্য্যয় আৰু মূল্যবৃদ্ধিয়ে কোঙা কৰিলে সাধাৰণ জনতাক। শৈক্ষিক অনুষ্ঠানৰ অচলাৱস্থাই ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত অন্ধকাৰৰ মাজলৈ ঠেলি দিলে। অনলাইন মাধ্যমত শিক্ষা ব্যৱস্থাই ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশ এখনত সুদূৰপ্ৰসাৰী টেলিফোন নেটৱৰ্কৰ অভাৱ, দুখীয়া ছাত্ৰ ছাত্ৰীৰ স্মাৰ্টফোনৰ অভাৱে ছাত্ৰ ছাত্ৰীৰ মাজত 'ডিজিটেল ডিভাইড'ৰ সৃষ্টি কৰিলে। বহু মেধাৱী ছাত্ৰ ছাত্ৰী কিংকৰ্তব্যবিমূঢ় হৈ পৰিল আৰু বহুতেই শৈক্ষিক জীৱন সিমানতেই সামৰিবলৈ বাধ্য হল। যিখন দেশত প্ৰাথমিক পৰ্যায়ত বিনামূলীয়া শিক্ষা প্ৰদান কৰা হয় সেইখন দেশত অনলাইন মাধ্যমত শিক্ষাদান কিমানদূৰ সফল সেয়া সহজেই অনুমেয়। পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ পৰা অনলাইন মাধ্যমলৈ হঠাতে হোৱা এই পৰিবৰ্তনত অনভ্যস্ত শিক্ষাৰ্থী আৰু শিক্ষক সকলেওঁ উৰাদিহ হেৰুৱালে। সম্পূৰ্ণ নতুনকৈ পাঠ্যক্ৰম পৰিকল্পনা, পাঠ্যক্ৰমৰ হ্ৰাস তথা শিক্ষাৰ্থী আৰু শিক্ষকৰ মাজত আহি পৰা অনাৱশ্যক দূৰত্বৰ ফলত শিক্ষাবৰ্ষ চলি থাকিলেও শিক্ষাৰ্থী সমাজ বহুত পিছপৰি ৰ'ল। ইয়ে শিক্ষাৰ্থীৰ মনত এক অকল্পনীয় মানসিক চাপৰ সৃষ্টি কৰিলে। চৰকাৰৰ অদূৰদৰ্শিতা আৰু ক্ষমতাৰ লোভে তেতিয়া চূড়ান্ত পৰ্যায় পালে যেতিয়া নিৰ্বাচনৰ নামত হকে বিহকে নিৰ্বাচনী সভা, সমদলৰ ফলত ক'ভিড প্ৰটকল ধোঁৱাচাঙত উঠিল আৰু ক'ভিডৰ প্ৰথমতকৈও ভয়াবহ দ্বিতীয়টো ঢৌৰ বাট কাটিলে। এই স্তব্ধতাই অকল শিক্ষা, অৰ্থনৈতিক, সামাজিক দিশতেই নহয় বৰ্তমান নতুন জেনেৰেশ্বনটোক ধাৰাবাহিক জেনেৰেশ্বনটোৰ পৰা দূৰত্ব বঢ়াই দিলে। যাৰ ফলত সৃষ্টি হোৱা জেনেৰেশ্বনত গ্যাপে পূৰ্বৰ পৰা চলি অহা সাহিত্যৰ ধাৰাটোক কোনোবাখিনিত হলেওঁ নতুন প্ৰজন্মৰ পৰা দূৰলৈ লৈ গ'ল। এনে এক পৰিস্থিতিত তথা নিবনুৱা সমস্যাত ককবকাই থকা বৰ্তমানৰ উঠি অহা প্ৰজন্মটোৱে গভীৰ অধ্যয়নৰ যোগেদি সাহিত্য চৰ্চাত নিজকে কিমানদূৰ মনোনিৱেশ কৰাব পাৰিব সেয়া সঁচাকৈয়ে এক ভয়লগা প্ৰশ্নৰ বিষয়। ক'ভিড কালৰ পিছত প্ৰথমবাৰৰ বাবে প্ৰকাশ হবলগীয়া নলবাৰী মহাবিদ্যালয়ৰ এই বৰ্ষৰ আলোচনীখনৰ গুৰুত্বও এইখিনিতে বুলি অনুধাৱন কৰো। এক দ্ৰুত পৰিবৰ্তনৰ জীৱন্ত ছবি এই আলোচনীখনত প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে।

ভাষা, জাতিৰ সংকটপূৰ্ণ এনেহেন সময়ত মন, মগজুত কোনো প্ৰতিচ্ছবি নৰখাকৈ আঁতৰি যায় খবৰবোৰ আৰু তাৰ মাজতে মনত সাঁচ বহুৱাই যায় দুই এটা বাতৰিয়ে, যিবোৰে দ-কৈ আকঁ বহুৱাই কৈ থাকে সেইবোৰৰ মৰ্মকথা। তেনে এক খবৰ হ'ল তামিলনাডুৰ বিত্তমন্ত্ৰীয়ে ৰাজ্যখনৰ সকলো কাম কাজৰ লগতে বেংক বিষয়াসকলক তামিল

ভাষা ব্যৱহাৰ কৰিবলৈ দিয়াৰ ঘটনা। মনলৈ আহিছে বিত্তমন্ত্ৰী গৰাকীয়ে তামিল লোকক আহ্বান জনাইছিল কেনেদৰে সামাজিক মাধ্যমতো তামিল ভাষাতেই লিখা মেলা কৰি ভাষাটো গোটেই বিশ্বতে প্ৰভাৱশালী ভাষা হিচাপে আৰু আগলৈ উধাব পাৰি। আনফালে আমাৰ অসমৰ চৰকাৰে কেন্দ্ৰৰ কথাত নেগুৰ পেলাই প্ৰাথমিক পৰ্য্যায়ত গণিত আৰু বিজ্ঞান বিষয়ৰ সকলো অধ্যয়ন ইংৰাজী ভাষাত কৰিবলৈ ওলাইছে। সচাঁকৈ আজি অসমীয়া ভাষা, সাহিত্য সংকটত। অকল অসমীয়া ভাষায়েই নহয় অসমৰ আন আন জনগোষ্ঠীয় ভাষা সমূহো হেৰাই যোৱাৰ দুৱাৰ দলিত। আলোচনীখন সম্পাদনা কৰাৰ বিভিন্ন সময়ত বিচাৰ কৰোতে মহাবিদ্যালয়খনত বড়ো ভাষা শুদ্ধকৈ লিখিব পৰা এজনো ছাত্ৰ বিচাৰি নাপালো। ই সচাঁকৈয়ে এক অতি ভয়লগা কথা। জীৱন-জীৱিকাৰ সৈতে ভাষা এটাৰ যোগসূত্ৰক অস্বীকাৰ কৰিলে যিকোনো ভাষাই ক্ৰমশঃ সমাধিস্থলীলৈ ধাবিত হয়। ভাষাৰ অৰ্থনীতি (Economics of Language) সম্পৰ্কে শূন্য জ্ঞান থকা আমি অসমীয়াই নিজক আইৰ ভাষাটোক দপদপাই জীয়াই ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিবই লাগিব। আমাৰ ভাষাই নিজেই নিজৰ সুৰক্ষাৰ বাবে প্ৰায় দুই শতিকাজুৰি নিজৰ স্থানত সুৰক্ষিত হৈ থাকিবৰ বাবেই যুঁজি আহিব লগা হৈছে, আগলৈ খোজ পেলোৱাৰ কথা ভাবে কোন স'তে ১৮৫৫ চনতে অৰুনোদই সংবাদপত্ৰত সকীয়াই দিয়া হৈছিল এনেদৰে - "জাৰ বিবেচনা শক্তি থাকে, তেওঁ তেতিখনে বুজিব, জে আপোনাৰ দেসৰ ভাসাৰে প্ৰথমে বিদ্যা সিকা উচিত,কিয়নো আন ভাসাতকৈ সিঘ্ৰে আমি আপোন দেসৰ ভাষা সিকিব আৰু বুজিব পাৰো। এতেকে অচমিয়া মানুহসকলে প্ৰথমে অচমিয়া ভাসা সিকি, পাচে আন ভাসা সিকিবলৈ জতন কৰা উচিত।" মেটাফ'ৰ জৰিয়তে সেই তাহানিতে সকীয়াই দিয়া কথাষাৰে আজি বাস্তৱ ৰূপ লোৱা নাইনে? গতিকে ক্ৰমাৎ মুখৰ পৰা আঁতৰিব ধৰা আমাৰ ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে প্ৰশাসনৰ এক দৃঢ় ভূমিকা লাগিবই।

যৌৱন কাল নতুন চিন্তা, নতুন সৃষ্টিৰ সময়। এই সময়ত সৃষ্টি হোৱা সাহিত্যই এটা যুগৰ সাহিত্য কেনে হব পাৰে, তাক নিৰূপন কৰিব। গতিকে অজস্ৰ যৌৱনেৰে ভৰপূৰ হৈ থকা মহাবিদ্যালয় এখনৰ আলোচনী এটা প্ৰজন্মৰ চিন্তাৰ প্ৰতিফলন। সেই আলোচনীখন সম্পদনা কৰিব পৰাকৈ সম্পাদক জনৰো গভীৰ অধ্যয়ন, উপলব্ধিৰ প্ৰয়োজন। এক নূন্যতম জ্ঞান লৈ এটা প্ৰজন্মৰ সপোন , চিন্তা, উপলব্ধিক এক গোট কৰি এটা অঞ্চলৰ নতুন প্ৰজন্মৰ সাহিত্য হিচাপে তুলি ধৰিবলৈ মোৰ যথেষ্টই অসুবিধা হৈছিল। আলোচনীখনত নলবাৰী মহাবিদ্যালয়ৰ লগতে দেশ আৰু পৃথিৱীৰ দ্ৰুত পৰিৱৰ্তনৰ পৰিক্ৰমাক স্থান দিবলৈ যত্ন কৰা হৈছে। মহামাৰীৰ পিছত প্ৰকাশিত প্ৰথম আলোচনীখন 'post pandemic literature' ৰ এক উৎকৃষ্ট নিদৰ্শন হব বুলি আশা কৰিছো। আলোচনীখনৰ প্ৰত্যেকটো প্ৰকাশে ছাত্ৰ ছাত্ৰী সকলৰ নিৰ্ভীক মনৰ পৰিচয় বহন কৰে। এই ক্ষেত্ৰত হোৱা সহস্ৰ ভুলৰ ক্ষমা মাগি আলোচনীখন ৰুচিসম্পন্ন পাঠক সমাজলৈ আগবঢ়ালো।লগতে আলোচনীখন সম্পূৰ্ণ কৰি তোলাত সহায় কৰা সকলোলৈকে মই কৰযোৰে ধন্যবাদ জনালো।

সামৰণিত মানৱ সভ্যতাৰ এই কঠিনতম ইতিহাসত ধৈৰ্য্য, মানবীয়তাৰ পৰীক্ষাত মাৰ বান্ধি একগোট হৈ সাহিত্য, কলা - সংস্কৃতিৰ বাবে জীৱন - মৰণ এক কৰি দিয়া সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু সেৱা জনালোঁ। তেখেতসকলৰ বাবেই এই বিমূৰ্ত সময়তো দেহৰ একোণত বৈ আছে গভীৰ আশাৰ তীব্ৰ সোঁত। এই আশাবাদেই আমাক নিষ্ঠুৰ সময়ৰ পৰা উলিয়াই আনি নতুন ভাল দিনৰ পথ প্ৰদৰ্শক হ'ব।

নীলোৎপল ডেকা

# সূচী



## নলবাৰী মহাবিদ্যালয়- কথন


**নলবাৰী কলেজ ঃ জন্মলগ্নৰ এটি দুটি কথা**
ড° ৰঞ্জনা ভট্টাচাৰ্য্য ।। ১


## শিক্ষাৰ্থী বিশেষ


**ছাত্ৰ-ছাত্ৰীৰ যোগাভ্যাসৰ প্ৰয়োজনীয়**
ভাৰনা দেৱী।। ৩৮
**সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা আৰু বৰ্তমানৰ শিক্ষাৰ্থী সমাজ**
পাৰ্থ প্ৰতীম ডেকা।। ৩৯
**সমস্যা**
সোণমণি কলিতা।। ৭২
**A memoir of the days in Delhi**
Ivan Baruah ।। ৮৬
**A way towards positivity**
Himashri Devi ।। ৮৭
**Happiness-Chance or Choice?**
Ananya Barman ।। ৯১
**Optimisim and Toxic optimism**
Dhritismita Talukdar ।। ৯২


## বিজ্ঞান-পৰিৱেশ-পৰ্যটন


**বিজ্ঞান আৰু নাৰী**
নৱাৰুণ কাশ্যপ।।১৯
**Plastisphere : An Ecosystem Constructed out of our Trash**
Dhritashri Das ।। ৭৪
**Darwin's work on Galapagos Island**
Bidyut Bikash Sarma ।। ৯৪
**Svante Paabo : The Nobel Prize in Physiology or Medicine 2022**
Kaushik Kumar Das ।। ১০৩
**বিহংগ**
অংশুমিতা দাস ।। ৫৮
**পৰ্যটন আৰু অসম**
দীপজ্যোতি তালুকদাৰ।। ৬৯


## বাৰ্তা-লাপ


ড° হীৰেণ গোঁহাই ।। ১০৭
অনুৰাধা শৰ্মা পূজাৰী।। ১০৯
মনোৰম গগৈ।। ১১৩





## সমাজ-ভাষা-সাহিত্য-সংস্কৃতি


**অনুবাদতত্ত্ব আৰু ৰামায়ণী সাহিত্য**
বন্তি প্ৰভা শৰ্মা।। ৩
**এটি শক্তিশালী কলমৰ পৰ্যালোচনা**
ঈষা পৰাশৰ।। ৮
**তুলনামূলক সাহিত্য আৰু স্বৰূপ**
কৃতিকা গোস্বামী।। ১৫
**আইৰ মুখৰ ভাষাৰ আঁচলত ধৰি**
ময়ূৰপঙ্খী শইকীয়া।। ২৮
**ভাৰতীয় ভাষাত 'অনুবাদ' শব্দ বিশ্লেষণ**
চুম্পী কলিতা। ৬২
**Importance of language in Nationalism**
Niranku Barman ।। ৭৭
**আজিৰ সমস্যা আৰু ধৰ্মৰ প্ৰাসংগিকতা**
বিকাশ দাস।। ২২
**সাম্প্ৰতিক সময়ত সাংবাদিকতাৰ ধাৰা আৰু কিছু চিন্তা**
প্ৰিয়ংকা শৰ্মা।। ৩৫
**সাম্প্ৰতিক সময়ছোৱাত অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাণত নাৰীৰ বলিষ্ঠ ভূমিকা**
অৰ্ণৱজ্যোতি তালুকদাৰ।। ৪২
**জাতীয়তাবাদত ভাষাৰ প্ৰাধান্য**
নেহা আফ্ৰিন।। ৪৫
**অসমৰ সামাজিক লোকাচাৰ**
প্ৰশস্তি বৰকাকতি।। ৪৭
**অসমৰ লোকনৃত্য ঃ অসমীয়া সংস্কৃতিৰ মন্ত্ৰমুগ্ধ প্ৰকাশ**
আকাশদ্বীপ দাস।। ৫১
**অসমৰ লোকনাট্য-পৰম্পৰাগত ওজাপালি**
পৰিণীতা কলিতা।। ৬৫
**My opinion on social media**
Poli Deka ।। ৭৯
**Population and proverty-In India's context**
Malabika Bharadwaj ।। ৮০
**Sub-Groups of the Rabha Tribe**
Pankaj Priyam Dobakhal ।। ৮২
**The unspoken mess**
Ranggita Saroj Lahkar ।। ৮৯
**Women's empowerment**
Dibakshi Bhattacharyya ।। ১০১


## ক্ৰীড়া-শিক্ষা-ৰাজনীতি


**জাতি আৰু ৰাজনীতি**
মনস্বিনী এইচ শৰ্মা।। ২৬
**শাৰীৰিক প্ৰতিবন্ধকতা বনাম ক্ৰীড়াক্ষেত্ৰত খেলুৱৈৰ সফলতা**
মনস্বিতা শৰ্মা।। ৩০
**শিক্ষা আৰু মূল্যবোধ**
দীপাংকৰ শৰ্মা।। ৪১
**ৰাষ্ট্ৰসংঘ**
বিপাশা বি শৰ্মা।। ৫৩
**অনুপ্ৰেৰণাৰ অন্য নাম বিৰাট কোহলী**
অলকেশ হালৈ।। ৫৬
**শিক্ষা বনাম মানৱতা**
জিণ্টু কলিতা।। ৬১
**Public Interest Litigation (PIL)**
Bagmita Deka ।। ৭৫
**The Ideology of Marx**
Abhilasha Sharma ।। ৮৪
**A Juxtaposition of constitution and Religion in India**
Dikshita Das ।। ৯৮
**National Education Policy, 2020**
Nishita Deka ।। ১০০



গল্প


**জীৱনৰ ভিন্ন ৰং**
ড° নৰজ্যোতি ডেকা।। ১১৭
**বজাৰত গোপাল**
অৰ্ণৱজ্যোতি আৰ্য ।। ১২০
**বন্ধ সপোনৰ দুৱাৰ**
পৰিণীতা কলিতা।। ১২৫
**হেঙুল বিলাপ**
মৃদুল বৈশ্য ।। ১২৭
**জীৱন সংগ্ৰামৰ এক প্ৰেৰণাদায়ক কাহিনী**
প্ৰান্তিকা ৰাজবংশী।। ১২৯
**বোপাই! তই কিয় সলনি হ'লি?**
নিশিতা চৌধুৰী।। ১৩১
**টানেল নং ৪৯**
পিযুষ বৰ্মন।। ১৩৩
**তথাপি জীৱন বয়....**
ঈষা পৰাশৰ।। ১৩৬
**মুখাৰ আঁৰৰ মুখ**
নেহা ভাগৱতী।। ১৩৯
**অপেক্ষাৰ ফল**
কাকলি মজুমদাৰ।। ১৪০





**সংস্কৃত সাহিত্য।।** ১৫৮-১৬২


কবিতা


অৰ্ণৱজান তালুকদাৰ, জংকি শৰ্মা, বনদ্বীপ শৰ্মা, পৰিনীতা কলিতা, মমিনুৰ ৰহমান, জুৰি দত্ত, ধৃতিস্মান ডেকা, চিন্ময় ভৰালী, ধৃতিস্মীতা দত্ত, সৰুকন দাস, নয়না বৰুৱা, শিৱানী কলিতা, হিমাক্ষী শৰ্মা, ভাস্বতী বৰুৱা, মনস্বিতা শৰ্মা।। ১৪৮-১৫৭


নিয়মীয়া শিতান


**ভিন্ন তথ্য**
কুলদ্বীপ কলিতা।। ১৬৩
**মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠসকলৰ অনুভৱ।।** ১৬৪
**বিভাগীয় সম্পাদকৰ প্ৰতিবেদন।।** ১৬৫-১৭২



তথ্য আৰু চিন্তনে চুইচ্ অন্
কৰি দিয়া বৌদ্ধিক বাল্বটোৰ
নামেই প্ৰবন্ধ




# নলবাৰী কলেজ ঃ জন্মলগ্নৰ এটি দুটি কথা

**ড° ৰঞ্জনা ভট্টাচাৰ্য্য**
*সহযোগী অধ্যাপিকা (ইংৰাজী বিভাগ)*

"নলনিৰ মাজতে গজালি মেলিলে
জ্ঞানৰ বিৰিখ আকাশ ধিয়াই
কোনেনো জ্বলালে গছি গছি বন্তি
হৃদয়ৰ আন্ধাৰ আঁতৰাই
নৱদ্বীপৰ নতুন বেলি গগণ নির্মেঘ
প্রজ্ঞাৰ ডেউকা মেলি নলবাৰী কলেজ"

- প্রণৱ কুমাৰ বৰ্মন

নলবাৰী অঞ্চলৰ প্ৰায় আশীবিঘা মাটিৰে আগুৰা নল খাগৰিৰে ভৰা জাপাৰকুছি বিলৰ বুকুত প্ৰাণ পাই উঠিছিল এজোপা জ্ঞানৰ বৃক্ষ, যি বৃক্ষৰ ফল খাই,যাৰ সুশীতল ছাঁত জিৰাই,ঠন ধৰি উঠাৰ সুবিধা পাইছিল নামনি অসমৰ জাক জাক জ্ঞানসন্ধানী যুৱক-যুৱতীয়ে। এই জ্ঞানবৃক্ষজোপা ফলে ফুলে সুশোভিত হৈ আজি পয়সত্তৰ বছৰীয়া পৰিক্ৰমা অতিক্ৰম কৰি এজোপা বিশাল বোধিদ্ৰুমৰূপে ঐশ্বৰ্য্যময় অতীত পৰম্পৰাৰ বিশ্বস্ত সাক্ষী হৈ স্বাভিমানেৰে নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰি আছে।যাৰ নাম-নলবাৰী কলেজ।

'বিদ্যয়া বিন্দতে অমৃতম্' এই মহান বাণী সৰোগত কৰি নলনিৰ জা-জাবৰ আঁতৰাই পাগলাদিয়াৰ পাৰৰ এমুঠি আলোকসন্ধানী লোক সমবেত হৈছিল আপোন হাতেৰে ৰোপন কৰিবলৈ এই জ্ঞানবৃক্ষৰ পুলিটো।সেয়া আছিল ১৯৪২ চনৰ ১০ আগষ্ট তাৰিখ।অতীত খুচৰিলে পোৱা তথ্য অনুসৰি সেই সমবেত লোকসকলৰ সভাখনত সভাপতিত্ব কৰিছিল শ্ৰীকান্ত চৌধুৰীদেৱে। সেই সভাখনতেই অংকুৰিত হোৱা বীজটো গজালি মেলিবলৈ সময় লাগিছিল প্ৰায় এবছৰ। ১৯৪৩ চনৰ ২১ আৰু ২২ অক্টোবৰ তাৰিখে সেই পুলিটো ৰোপণ কৰাৰ ঠাই নিৰ্বাচন,তাৰ বাবে প্ৰয়োজনীয় পুঁজি সংগ্ৰহ আদি সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই উৎসাহী নলবৰীয়াসকলে হাতে হাতে ভিক্ষা পাত্ৰ লৈ পুঁজি সংগ্ৰহ অভিযান আৰম্ভ কৰিছিল।প্ৰথম অৱস্থাত প্ৰায় ত্ৰিছ হাজাৰ টকা অৰ্থ সংগ্ৰহেৰে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত ১৯৪৫ চনৰ ৪ জুলাই তাৰিখে এই জ্ঞানবৃক্ষৰ পুলিটো 'নলবাৰী কলেজ' নামাকৰণেৰে ৰোপণ কৰা হৈছিল। ৰাইজৰ দৃঢ় মনোবল আৰু আশাশুধীয়া প্ৰচেষ্টা আছিল সেই পুলিটোত যোগান ধৰা প্ৰয়োজনীয় সাৰ-পানী।প্ৰথম অৱস্থাত ছয়গৰাকী শিক্ষক নিযুক্তিৰে আৰু খ্যাতনামা সাহিত্যিক ত্ৰৈলোক্যনাথ গোস্বামীক আমন্ত্ৰণমূলকভাৱে অধ্যক্ষৰ আসনত অধিষ্ঠিত কৰি 'নলবাৰী

কলেজ'ৰ শুভাৰম্ভণি কৰা হৈছিল।২৮ গৰাকী ছাত্ৰৰ অন্তৰ্ভুক্তি হৈছিল প্ৰথম বৰ্ষত।শিক্ষকসকল আছিল একাদিক্ৰমে- ত্ৰৈলোক্যনাথ গোস্বামী, ভৱানন্দ দত্ত,কামাখ্যা প্ৰসাদ পণ্ডিত,ক্ষিতীশ চন্দ্ৰ পাল, লক্ষ্মীকান্ত সাহা আৰু বঙ্কিম চন্দ্ৰ সাহা।' নলবাৰী কলেজ'ত শিক্ষাগ্ৰহণ কৰি স্নাতক ডিগ্ৰী লাভ কৰা প্ৰথম গৰাকী ছাত্ৰ আছিল বংকিম চন্দ্ৰ শৰ্মা। 'নলবাৰী কলেজ'ৰ জন্মলগ্নৰ লগত ওত:প্ৰোতভাৱে জড়িত বিদ্যোৎসাহী ব্যক্তিসকল আছিল হৰিচৰণ পাঠক,প্ৰভাত চন্দ্ৰ গোস্বামী,হৰেকৃষ্ণ গোস্বামী,ঈশ্বৰ চন্দ্ৰ বৰুৱা আদি। উল্লেখযোগ্য যে নলবাৰী চহৰত ব্যৱসায় সূত্ৰে বসতি স্থাপন কৰা মাৰোৱাৰী সম্প্ৰদায়ৰ বিদ্যানুৰাগী ব্যক্তি কেদাৰমল বাজাজ আৰু বিলাস ৰায় ভাৰতীয়াই আৰ্থিক সহযোগিতা আগবঢ়াই শ্ৰেণীকোঠা আৰু ছাত্ৰাবাসৰ ভৱন নিৰ্মাণ কৰি দিছিল। 'ৰাতিৰাম-দণ্ডিৰাম ফাৰ্মছে' ছয়হেজাৰ টকা অনুদানেৰে সহায় কৰিছিল। এনেদৰে নলবাৰীৰ অনেক জন সুপুৰুষৰ শুভ চিন্তা,উৎসাহ, পৰিশ্ৰম, দান-বৰঙণিৰে 'নলবাৰী কলেজ' নামৰ বোধিদ্ৰুম জোপা জ্ঞান-বিজ্ঞান চৰ্চাৰ কেন্দ্ৰত পৰিণত হৈছিল আৰু বিশ্ববিদ্যালয়ৰ শৈক্ষিক ডিগ্ৰী প্ৰদানেৰে ছাত্ৰ-ছাত্ৰীসকলক উচ্চতম শিক্ষাৰ দুৱাৰডলিলৈ আগবঢ়াই দিছিল।কৰ্মসংস্থানেৰে প্ৰতিষ্ঠা লাভ কৰি জীৱন বাটত অগ্ৰসৰ হোৱাৰ সপোন বাস্তৱ হৈছিল অনেকজনৰ। সাহিত্য-সংস্কৃতিলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই নলবাৰী কলেজৰ ঐতিহ্যময় পৰম্পৰাৰ সৃষ্টি কৰিছিল প্ৰতিভাধৰ সকলে। নলবাৰী কলেজত শিক্ষাদানৰ সমানুপাতে ৰাজনীতি,অৰ্থনীতি, বিজ্ঞান, সাহিত্য আদি দিশত শিক্ষকসকলে স্মৰণীয় অৱদান আগবঢ়াই সমগ্ৰ অসমত সুপৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছিল।তাৰ ভিতৰত ত্ৰৈলোক্যনাথ গস্বামী, কুবেৰনাথ ৰয়, ড° হৰিদত্ত শৰ্মা,শশী শৰ্মা, প্ৰভাত চন্দ্ৰ শৰ্মা, ৰমণী বৰ্মন, মহানন্দ চক্ৰৱৰ্তী,যামিনী কান্ত শৰ্মা,দীনেশ্বৰ ভট্টাচাৰ্য, হৰেন্দ্ৰ নাথ শৰ্মা,ড° বসন্ত কুমাৰ ভট্টাচাৰ্য, ড°কৈলাশ শৰ্মা, সন্তৰাম কাকতি, ড° ৰত্নেশ্বৰ শৰ্মা,কেশৱ তালুকদাৰ, গিৰীশ দত্তবৰুৱা, মইনুদ্দিন আহমেদ,ভবেন্দ্ৰ নাথ ভট্টাচাৰ্য আদি শিক্ষকসকলৰ নাম ল'ব লাগিব। স্বনামধন্য অগ্ৰজ শিক্ষকসকলৰ গ্ৰন্থ প্ৰণয়নৰ ধাৰাবাহিকতা অটুট ৰাখি বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও এই দিশত আগবাঢ়ি অহাটো শুভলক্ষণ। সমাজ-ৰাজনীতিক্ষেত্ৰত ৰমণী বৰ্মনে সক্ৰিয় অংশ গ্ৰহণ কৰি ৰাজ্যিক মন্ত্ৰীহিচাপে সেৱা আগবঢ়াৰ সুযোগ পাইছিল। অভিনয়ৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা সীমা বিশ্বাস নলবাৰী কলেজৰ প্ৰাক্তন ছাত্ৰী।নিজৰ মেধা আৰু প্ৰতিভাৰ উৎকৰ্ষতাৰে নলবাৰী কলেজৰ যশ-খ্যাতি বৃদ্ধি কৰা অনেক শিক্ষাৰ্থী কলেজখনৰ গৌৰৱ। স্থানাভাৱত আৰু সকলোৰে নাম লোৱা অসম্ভৱবাবে কোনো এজনৰ নাম উল্লেখ কৰা নহ'ল।

প্ৰথম অৱস্থাত কলা শাখাৰে শ্ৰেণী আৰম্ভ হোৱা নলবাৰী কলেজত কালক্ৰমত বিজ্ঞান শাখা সংযোজিত হ'ল।বিভিন্ন বিভাগৰ অনাৰ্ছ পাঠ্যক্ৰমৰ লগতে অসমীয়া আৰু ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ শিক্ষাৰ সুবিধা ছাত্ৰ ছাত্ৰীসকলে গ্ৰহণ কৰিব পৰা হ'ল।শাৰীৰিক শিক্ষা,কম্পিউটাৰ শিক্ষাৰ সুবিধাও বৰ্তমান নলবাৰী মহাবিদ্যালয়ত উপলব্ধ। উচ্চমানৰ মূল পুথিভঁৰালৰ লগতে বিভাগীয় পুথিভঁৰালসমূহৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈ আহিছে।'কাব্য আৰু দৰ্শন কেন্দ্ৰ','তথ্য আৰু প্ৰয়োগ কেন্দ্ৰ' আৰু 'ভাষা আৰু ভাষাবিজ্ঞান কেন্দ্ৰ' নামেৰে তিনিটা স্বতন্ত্ৰ কেন্দ্ৰই বিদ্যায়তনিক কৰ্মসূচীৰ সমান্তৰালকৈ কিছু সহ-পাঠ্যক্ৰম কাৰ্য্যসূচী,গ্ৰন্থ-প্ৰণয়ন,শিক্ষক- প্ৰশিক্ষণ,ভাষা বিষয়ক কৰ্মশালা, বক্তৃতানুষ্ঠান, কাব্য দিৱস আদি উদযাপন, গ্ৰন্থ সংগ্ৰহ আৰু সংৰক্ষণৰ দৰে উদ্যোগ গ্ৰহণ কৰি নলবাৰী কলেজৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত এক অনন্য আৰু তাৎপৰ্য্যপূৰ্ণ মাত্ৰা প্ৰদান কৰিছে।

স্বাধীনতাৰ পূৰ্বতে স্থাপিত হোৱা নলবাৰী কলেজে একবিংশ শতিকাৰ দুটা দশক অতিক্ৰম কৰিছে। প্লেটিনাম বৰ্ষও ইতিমধ্যে পাৰ হৈ গৈছে। আজি উচ্চশিক্ষাৰ অনুষ্ঠানসমূহ বিভিন্ন প্ৰত্যাহবানৰ সন্মুখীন হোৱা দেখা গৈছে।এয়া সময়ৰ প্ৰত্যাহ্বান।সময়ৰ লগত খোজ মিলাবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰ্য্যদক্ষতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। সেয়েহে 'দক্ষতা বিকাশ'ৰ বিভিন্ন পাঠ্যক্ৰম নলবাৰী কলেজৰ বুকুত সংৰচনা হোৱাটো সাম্প্ৰতিক সময়ত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰিব লাগে। কলা-সংস্কৃতিৰ গৱেষণামূলক চৰ্চা আৰু অধ্যয়নৰ কেন্দ্ৰ ৰূপে 'নলবাৰী কলেজে' এক পৰিচয় লাভ কৰিছেই।এই সুনাম বৃদ্ধি হ'ব বুলি আমি আশাবাদী। বিদ্যায়তনিক পাঠ্যক্ৰম সমূহৰ উন্নত মানৰ শিক্ষণ পদ্ধতিৰে নলবাৰী কলেজে বিগত বৰ্ষকেইটাত উন্নত মানৱ সম্পদ সৃষ্টি কৰিছেযে সেয়া অনস্বীকাৰ্য। বিজ্ঞান-প্ৰযুক্তিৰ ন-ন উদ্ভাৱনৰ আলোকত পদ্ধতিগত গৱেষণাৰ পৰিৱেশ নলবাৰী কলেজে প্ৰতিপালন কৰাত আৰু অধিক গুৰুত্ব প্ৰদান কৰিব লাগে। নতুন শিক্ষানীতিয়ে সামৰি লোৱা ন-ন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে দীক্ষিত আৰু সুযোগ্য শিক্ষাৰ্থীৰ পছন্দৰ অনুষ্ঠান কৰি ৰাখিব পৰাটোৱে হৈছে কলেজ পৰিয়ালৰ মূল লক্ষ্য আৰু উদ্দেশ্য। আশা কৰোঁ,অতীতৰ গৰিমাৰে প্ৰেৰণালব্ধ হৈ বৰ্তমানৰ প্ৰত্যাহবানসমূহ ইতিবাচক মানসিকতাৰে গ্ৰহণ কৰি পোহৰমুখী ভৱিষ্যতৰ দিশে অগ্ৰসৰ হৈ থাকিব আমাৰ জ্ঞানৰ বৈকুণ্ঠপীঠ 'নলবাৰী কলেজ'

'জয়তু নলবাৰী কলেজ' ■

যোগাযোগৰ মাধ্যম ৰূপে অনুবাদৰ গুৰুত্ব অপৰীসীম, কিন্তু এই অনুবাদ এক কঠিন কৰ্ম। মহাকবি ভাৰ্জিলৰ মতে, হাৰকিউলিছৰ গদা কাঢ়ি অনাতকৈও অনুবাদ কৰাটো টান। সাম্প্ৰতিক কালত অনুবাদৰ বিস্ফোৰণ ঘটিছে .....

# অনুবাদতত্ত্ব আৰু ৰামায়ণী সাহিত্য

**বন্তি প্ৰভা শৰ্মা**
*সহকাৰী অধ্যাপিকা (অসমীয়া বিভাগ)*



**অনুবাদ মূলত ঃ** এক সঙ্কৰ বা সংমিশ্ৰিত সংস্কৃতি (Cross or hybrid culture) । অনুবাদে বিভিন্ন ভাষা-ভাষী লোকৰ মাজত সুসম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে সাহিত্য-সংস্কৃতিৰ বিভিন্ন ধাৰণবোৰ, বাদ (ism) বোৰ বিশ্বত বিয়পি পৰি আহিছে অনুবাদৰ জড়িয়তেই। সংস্কৃত ভাষাৰ পৰা লোৱা অনুবাদ (অনুৰদ্যতে ইতি অনু ✓ৰদ্ + ঘঞ্ ইতি অনুবাদ) শব্দৰ বুৎপত্তিগত অৰ্থ পুৰ্ণঃ কথন অৰ্থাৎ এবাৰ কোৱাৰ পিছত পুনৰ কোৱা। অনুবাদৰ ইংৰাজী প্ৰতিশব্দ 'Translation' শব্দটো মূল লেটিন ভাষাৰ 'Translatum' (Trans + latum) শব্দৰ পৰা আহিছে Trans মানে আনফালে আৰু latum মানে লৈ যোৱা।

বিংশ শতিকাৰ আৰম্ভণিৰ পৰা ''অনুবাদ' সম্পৰ্কীয় গভীৰ আলোচনাৰ সূচনা হৈছিল আৰু কলা-বিজ্ঞান-শিল্প - এই আটাইকেইটা দিশৰ পৰাই অনুবাদৰ চৰ্চ্চা হ'বলৈ ধৰিছে।

অনুবাদৰ বিভিন্ন প্ৰকাৰসমূহ তলত উল্লেখ কৰা হ'ল -

সাহিত্যৰূপৰ আধাৰত- ক) পদ্যানুবাদ আৰু খ) গদ্যানুবাদ

সাহিত্য বিভাগৰ আধাৰত-ক) কবিতাৰ অনুবাদ, খ) নাটকৰ অনুবাদ, গ) উপন্যাসৰ অনুবাদ, ঘ) চুটিগল্পৰ অনুবাদ, ঙ) জীৱনীৰ অনুবাদ ইত্যাদি।

সাহিত্যৰ বিষয়ৰ আধাৰত- ক) কাৰ্যালয়ী সাহিত্যৰ অনুবাদ, খ) সংবাদ সাহিত্যৰ অনুবাদ, গ) বৈজ্ঞানিক সাহিত্যৰ অনুবাদ

অনুবাদৰ প্ৰকৃতিৰ আধাৰত- ক) মূলানুগ অনুবাদ, খ) মুক্ত অনুবাদ

অৰ্থতত্ত্বৰ আধাৰত- ক) শব্দানুবাদ বা শাব্দিক অনুবাদ, খ) ভাবানুবাদ, গ) ছায়ানুবাদ, ঘ) সাৰানুবাদ, ঙ) ব্যাখ্যানুবাদ, চ) ৰূপান্তৰনানুবাদ , ছ) আক্ষৰিক অনুবাদ, জ) সংক্ষিপ্ত অনুবাদ

লিখিত আৰু মৌখিক ৰূপ আধাৰত- ক) লিখিত অনুবাদ,

খ) মৌখিক অনুবাদ

পাঠ্যবিস্তাৰৰ আধাৰত- ক) পূৰ্ণ অনুবাদ খ) আংশিক অনুবাদ

ভাষান্তৰৰ আধাৰত অনুবাদ - ক) সমগ্ৰ অনুবাদ, খ) সীমিত অনুবাদ, গ) জতুৱা অনুবাদ

শ্ৰেণী বা পৰ্য্যায়ৰ আধাৰত - ক) মুক্ত অনুবাদ, খ) শাব্দিক অনুবাদ, গ) মধ্যমমাৰ্গী অনুবাদ

মূলৰ বিষয়বস্তু আৰু অনুবাদকৰ দৃষ্টিভংগীৰ আধাৰত - ক) ভাষামূলক অনুবাদ, খ) তথ্যমূলক অনুবাদ, গ) সংস্কৃতিমূলক অনুবাদ, ঘ) সৌন্দৰ্যমূলক অনুবাদ

অনুবাদকৰ সংখ্যাৰ আধাৰত- ক) একক অনুবাদ, খ) দলীয় অনুবাদ

অনুবাদকৰ শ্ৰেণীৰ আধাৰত - ক) মানৱকৃত অনুবাদ, খ) যান্ত্ৰিক অনুবাদ

অনুবাদকৰ সৃষ্টিধৰ্মীতাৰ আধাৰত - ক) পুনঃ সৃজন বা অনুসৃষ্টি, খ) ভাষান্তৰণ

মূলৰ লগত সাদৃশ্য-বৈসাদৃশ্যৰ আধাৰত - ক) অনুগত অনুবাদ (Faithful Translation), খ) মধ্যমমাৰ্গী বা অনুকূলৰ অনুবাদ (adaptation or transadaptation), গ) বিচ্যুতিমূলক অনুবাদ (Skewing transalation), ঘ) ভ্ৰমাত্মক অনুবাদ (Mis-translation or mis interpretation), ঙ) লিপ্যন্তৰণ (Transliteration), চ) বিভ্ৰান্তিমূলক অনুবাদ

এই শ্ৰেণীৰ অনুবাদত অনুবাদ যোগাত্মক (Positive) আৰু নঞাৰ্থক (Negative) দিশত অসীমলৈ গতি কৰিব পাৰে।

অনুবাদ প্ৰকৃতিৰ বৈশিষ্ট্য বা গুণৰ আধাৰত কৰা অনুবাদ- ক)সমধৰ্মী অনুবাদ (Hamogerour translation), খ) বিষমধৰ্মী অনুবাদ (heterogeneous translation)

অনুবাদ প্ৰকৃতিৰ আৰু দুটা প্ৰক্ৰিয়া দেখা যায়- ক) পুনৰ অনুবাদ (Re-translation), খ) পশ্চ - অনুবাদ (back- translation)

অনুবাদ নতুন বিষয় নহয়, ই লিখিত সাহিত্যৰ সমানেই পুৰণি। অৱশ্যে অনুবাদৰ প্ৰথম নিদৰ্শন কি আছিল সেই কথা ঠাৱৰ কৰা সম্ভৱপৰ নহয়। গিলগমেছ ত্ৰপিক (Gilgamesh epic) ৰ অনুবাদ চাৰি-পাঁচটা এছীয় ভাষাত খ্ৰী. পূ. দ্বিতীয় মিলেনিয়ামতে পোৱা গৈছিল বুলি উল্লেখ আছে। গ্ৰীকসকলে অনুবাদতকৈ সৃষ্টিশীল সাহিত্যৰ অধিক গুৰুত্ব দিছিল। ইয়াৰ বিপৰীতে ৰোমানসকলে গ্ৰীকৰ পৰা কিছু অনুবাদ কৰিছিল। কিছুমান পণ্ডিতৰ মতে 'অনুবাদ' ৰোমাণ সকলৰে আৱিস্কাৰ। ধ্ৰুপদী বিশ্ব (classical World) ত প্ৰথম উল্লেখণীয় অনুবাদ কৃতি হ'ল ইহুদীসকলে বাইবেলৰ পৰা কৰা (Septuagint) ৰ অনুবাদ। দৰাচলতে গহীন অনুবাদ কৰ্মত প্ৰথমে আৰৱীসকলে হাত দিছিল বুলি জনা যায়। বাইবেলৰ অনুবাদৰ বাবে পৃথিৱীত বহু মানুহে জীৱন দিব লগা হৈছিল। বাইবেলৰ এটা বাক্য বা খণ্ডবাক্য বিতৰ্কমূলক ভাৱে অনুবাদ কৰিলেই প্ৰাণদণ্ড পৰ্যন্ত শাস্তি পাব লগা হৈছিল। কিন্তু সকলো বাধা নেওচি সময়ৰ গতিত এতিয়া সৰ্বাধিক অনূদিত গ্ৰন্থৰ মৰ্য্যাদা লাভ কৰিছে বাইবেল গ্ৰন্থই।

ভাৰতত প্ৰথম অনুবাদ বুলিলে সংস্কৃত নাটকত প্ৰয়োগ হোৱা বিভিন্ন চৰিত্ৰসমূহৰ মুখত দিয়া প্ৰাকৃতৰ পৰা সংস্কৃতৰ অনুবাদসমূহকে বুজোৱা হয়। গুনাঢ্যৰ 'বড্ডবাহা' ৰ অনুবাদ সংস্কৃতত ক্ষেমেন্দ্ৰৰ বৃহৎ কথামঞ্জৰী, সোমদেৱৰ "কথাসৰিৎ সাগৰ" আদি অনুবাদ গ্ৰন্থৰ নাম এই ক্ষেত্ৰত উল্লেখনীয়। পালিভাষাৰ গ্ৰন্থসমূহ তিব্বতী ভাষালৈ অনুবাদ কৰা হৈছিল। পিছত পালিভাষাৰ গ্ৰন্থসমূহ হেৰাই যোৱাত তিব্বতীভাষাৰ পৰা সংস্কৃত ভাষালৈ সেই গ্ৰন্থসমূহ পুনৰ অনুবাদ কৰা হৈছিল।

প্ৰাচীন চীনা ভাষা অনুবাদ সাহিত্যত অতিকৈ চহকী আছিল। প্ৰাচীন ভাৰতীয় গ্ৰন্থসমূহ বিশেষকৈ সংস্কৃত ভাষাৰ তথা পালিভাষাৰ বিভিন্ন গ্ৰন্থ যত্নেৰে চীনা ভাষালৈ অনুবাদ কৰা হৈছিল। খৃষ্টাব্দ দশম একাদশ শতিকাত ভাৰতবৰ্ষত নব্যভাৰতীয় ভাষাৰ উত্থানৰ লগে লগে অনুবাদৰ জোৱাৰ উঠিছিল। ৰামায়ণ, মহাভাৰত,বেদ, উপনিষদ, পুৰাণ, উপপুৰাণ তথা লৌকিক কাব্য, নাটক, নীতি-শাস্ত্ৰ আৰু অলংকাৰ শাস্ত্ৰসমূহৰ অনুবাদ এইছোৱা সময়তে হ'বলৈ ধৰিছিল। এই প্ৰসংগতে মধ্যযুগত সমগ্ৰ ভাৰতব্যাপী সৃষ্টি হোৱা নৱ বৈষ্ণৱ আন্দোলনে প্ৰভূত বৰঙণি যোগাইছিল। এনে অনুবাদে নব্য ভাৰতীয় ভাষাসমূহক সমৃদ্ধ কৰিছিল। যোগাযোগৰ মাধ্যম ৰূপে অনুবাদৰ গুৰুত্ব অপৰীসীম, কিন্তু এই অনুবাদ এক কঠিন কৰ্ম। মহাকবি ভাৰ্জিলৰ মতে, হাৰকিউলিছৰ গদা কাঢ়ি অনাতকৈও অনুবাদ কৰাটো টান। সাম্প্ৰতিক কালত অনুবাদৰ বিস্ফোৰণ ঘটিছে। অনুবাদ অবিহনে আজিৰ পৃথিৱী এখোজো আগ বাঢ়িব নোৱাৰা হৈছে। সকলো দিশতে আৰু সকলো ক্ষেত্ৰতে ইয়াৰ প্ৰসাৰ ঘটিছে। অনুবাদৰ জৰিয়তে ঐক্য আৰু সংহতিৰ দুৱাৰ মুকলি হয়। সেয়ে অনুবাদৰ সমাদৰ বিশ্বৰ সকলো উন্নত ৰাষ্ট্ৰৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। বিশেষকৈ ভাৰতৰ দৰে এখন বহুভাষিক ৰাষ্ট্ৰ অনুবাদৰ অবিহনে অচল বুলিব পাৰি।

ৰামায়ণী সাহিত্য আৰু অনুবাদ ভাৰতীয় সাংস্কৃতিক জীৱনত ৰামায়ণ আন্তৰ্দেশীয় মৰ্য্যাদাপ্ৰাপ্ত এক মহৎ সাহিত্য কৃতি। স্কন্দপুৰাণত কোৱা হৈছে-

নাস্তি গঙ্গাসমো তীৰ্থং নাস্তি মাতৃসমো গুৰুঃ।
নাস্তি বিষ্ণুসমো দেৱো নাস্তি ৰামায়নাৎ পৰম।।

(ৰামায়ণ মাহাত্ম্য ৫/ ২০)

ত্ৰিকালদৰ্শী ব্ৰহ্মাই মহৰ্ষি বাল্মীকিক ৰামায়ণ ৰচনা কৰিবলৈ পৰামৰ্শ দি কৈছিল -

যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।

তাৱৎ ৰামায়ণ কথা লোকেষু প্ৰচৰিস্যতি ।।

(ৰামায়ণ ১/ ২/ ৩৬)

অৰ্থাৎ পৃথিৱীত পৰ্বতমালা আৰু নদীসমূহ যেতিয়ালৈকে থাকিব তেতিয়ালৈকে ৰামায়ণৰ কথা লোক সমাজত প্ৰচলিত থাকিব। - সৃষ্টিকৰ্তা ব্ৰহ্মাৰ এই ভৱিষ্যতবাণী এতিয়ালৈকে আখৰে আখৰে ফলিয়াইছে। "ৰামায়ণ" আদিকাব্য আৰু প্ৰণেতা মহৰ্ষি বাল্মীকি "আদি কবি" ৰূপে ভাৰতীয় ঐতিহ্যত পৰিচিত। বাল্মীকি প্ৰচেতসৰ পুত্ৰ কাৰণে প্ৰাচেতস নামেৰেও পৰিচিত। "অধ্যাত্ম ৰামায়ণ"ৰ মতে বাল্মীকিৰ ব্ৰাহ্মণ বংশত জন্ম হ'লেও জীৱনৰ আদিছোৱাত দুৰ্দান্ত দস্যু আছিল, নাম আছিল ৰত্নাকৰ। কোনো এক ঋষিৰ সংস্পৰ্শত দস্যুবৃত্তি পৰিত্যাগ কৰি ৰামনাম স্মৰণ কৰি বহুকাল তপস্যাত থাকে। তপস্যাৰ সময়ত তেওঁৰ শৰীৰত বাল্মীকিক (উইঁ -হাঁফলু) উঠি শৰীৰ ঢাকি পেলায়। পাছত ৰামনাম দাতা ঋষিয়ে তেওঁক তপস্যাৰ পৰা জগাই মহৰ্ষি বাল্মীকিৰূপে স্বীকৃতি দিছে। "অধ্যাত্ম - ৰামায়ণ" এই কাহিনী বাল্মীকি ৰামায়ণত পাবলৈ নাই, পৰবৰ্তী সংযোজন। ড° সুকুমাৰ সেনে তেখেতৰ 'ৰাম-কথাৰ ইতিহাস' নামৰ পুথিত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে যে ৰামায়ণ কবি ভৃগুবংশীয় চ্যৱনৰ পুত্ৰ বা বংশধৰ আৰু চ্যৱনৰ বাল্মীকত্বৰ আধাৰত তেওঁকো বাল্মীকি বোলা হৈছে। অৱশ্যে এই বক্তব্যৰ পৰা বাল্মীকিৰ লগত চ্যৱনৰ সম্পৰ্ক স্পষ্টভাৱে দেখুৱাব পৰা হোৱা নাই। বৰ্তমান যি সাতকাণ্ড ৰামায়ণ পোৱা যায় সেই ৰামায়ণ গ্ৰন্থ খৃষ্টীয় দ্বিতীয়-তৃতীয় শতিকাৰ পৰাই প্ৰচলিত যদিও উত্তৰাকাণ্ডৰ সমস্ত আৰু আদিকাণ্ডৰো সৰহভাগ সৰ্গ পাছত প্ৰক্ষিপ্তভাৱে সংযোজন কৰি দিয়া হৈছে।

বাল্মীকিৰ দ্বাৰা ৰচিত ৰামায়ণৰ কাহিনী বাল্মীকিৰ কল্পনা প্ৰসূত নে তেওঁৰ পূৰ্বৰ পৰা প্ৰচলিত ৰামসীতা সম্বন্ধীয় কোনো লোককথাক তেওঁ মহাকাব্যৰ ৰূপ দান কৰে সেই সম্পৰ্কে পণ্ডিতসকলে বিস্তৰ আলোচনাৰ অৱতাৰনা কৰিছে। ৰাম-সীতাৰ কাহিনীৰ সৈতে সাদৃশ্য থকা বহু কাহিনী প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন জাতি আৰু ভাষাত প্ৰচলন থকাৰ কথা জানিব পৰা যায়। ৰামকথাৰ বিভিন্ন স্ৰোতৰ পৰা পণ্ডিতসকলে এই সিদ্ধান্ত গ্ৰহণ কৰিছে যে বাল্মীকিৰ উদ্ভৱৰ আগৰে পৰা প্ৰচলিত হৈ থকা বিভিন্ন ৰামকথাৰ কোনো এটি ধাৰাক আদি কবি বাল্মীকিয়ে নিজস্ব প্ৰতিভাৰে পৰিমাৰ্জিত আৰু কাব্যিক সৌন্দৰ্যৰে বিভূষিত কৰি আদৰ্শাত্মক 'ৰামায়ণ' মহাকাব্য ৰচনা কৰে। মহাকাব্য ৰামায়ণৰ ৰচনাকাল সম্পৰ্কতো পণ্ডিতসকলৰ মাজত মতভেদ পোৱা যায় কিন্তু সহজভাগ পণ্ডিতৰ মত অনুসৰি ৰামায়ণৰ ৰচনা খৃঃ পূঃ ৪ৰ্থ শতিকাৰ পৰা খৃষ্টীয় দ্বিতীয় শতিকামানৰ ভিতৰত সম্পূৰ্ণ হয়। প্ৰথম অৱস্থাত বাল্মীকিৰ দ্বাৰা ৰচিত হ'লে ৰামায়নে লিপিবদ্ধৰূপে বহু পাছতহে লাভ কৰাৰ ফলত ৰামায়ণৰ তিনিটা পাঠ (recensions) বিভিন্ন অঞ্চলত গঢ় লৈ উঠিছিল।

ক) গৌড়ীয় বা প্ৰাচ্য (Eastern)

খ) উদীচ্য বা পশ্চিমোত্তৰ (North western)

গ) দাক্ষিনাত্য (Southern)

তিনিওটা পাঠৰ মাজত সৰহভাগ কাহিনী আৰু শ্লোকৰ মিল লক্ষ্য কৰা যায়। প্ৰাচ্য আৰু পশ্চিমোত্তৰ পাঠৰ কিছু প্ৰভেদ থাকিলেও মিলন মাত্ৰা সৰ্বাধিক। দাক্ষিনাত্যৰ পাঠৰ লগত বাকী দুটা পাঠৰ অমিলৰ মাত্ৰা বেছি। বৰোদা বিশ্ববিদ্যালয়ে তিনিওটা পাঠ মিলাই পাঠ সমীক্ষাৰ আধাৰত এটা প্ৰামানিক সংস্কৰন প্ৰকাশ কৰি ঠাইবিশেষে পাঠ-ভেদ দেখুৱাইছে।

ৰামায়নী-সাহিত্যৰ মূল উৎস বাল্মীকিৰ ৰামায়ন। "ৰাম নৌ জন্মতেই ৰামায়নৰ জন্ম" বুলি এটি প্ৰবাদ বাক্য আমাৰ দেশত প্ৰচলিত। এই উক্তিৰ কোনো প্ৰামানিক ভিত্তি আছে নে মাথো এক লোকপৰম্পৰাহে সেয়া গৱেষণাৰ বিষয়। অৱশ্যে ৰামায়নৰ আদিকাণ্ডতে ৰামৰ জীৱনকালতে যে ৰামায়ণ ৰচিত হৈছিল তাৰ স্পষ্ট উল্লেখ পোৱা যায়। আদিকাণ্ডৰ চতুৰ্থ সৰ্গত ৰামায়ণৰ কাণ্ড, সৰ্গ আৰু শ্লোকৰ সংখ্যাৰ উল্লেখ পোৱা যায়-

চতুৰ্বিংশ সহস্ৰাণি শ্লোকানামুক্তৱান ঋষিঃ।

তথা সৰ্গ শতান্ পঞ্চ ষট্‌কাণ্ডাপি তথোত্তৰম্।। ১/৪/২

অৰ্থাৎ ৰামায়ণত সাতোটা কাণ্ড, পাঁচশ সৰ্গ আৰু চৌবিশ হেজাৰ শ্লোক আছে। অৱশ্যে ৰামায়ণৰ পাঠভেদে প্ৰত্যেক কাণ্ডৰ সৰ্গসংখ্যা আৰু শ্লোকসংখ্যাৰ মাজত সামান্য তাৰতম্য লক্ষ্য কৰা গ'লেও মোটামুটি ভাৱে প্ৰায় চৌব্বিশ হেজাৰ শ্লোক প্ৰত্যেক পাঠতে পোৱা যায়। বাল্মীকিৰ ৰামায়ণ মহাকাব্যৰ কাব্যিক সৌষ্ঠৱ আৰু মূল্য নিহিত আছে ইয়াৰ মহত্ব আৰু বিৰাত্বত। আদিকাণ্ড আৰু উত্তৰ কাণ্ডৰ প্ৰক্ষিপ্ত অংশ বাদ দিলেও এই কথা সত্য বুলি পৰিগণিত। ৰামায়ণ মহাকাব্যৰ আবেদন মূলতঃ মানবীয় আবেদন। এই গ্ৰন্থ প্ৰাচীন ভাৰতৰ মহৎ আদৰ্শ তথা সভ্যতা-সংস্কৃতিৰ আধাৰ স্বৰূপ। বাল্মীকিয়ে এটা পাৰিবাৰিক ঘটনাক বিশ্বজনীন আবেদন দান কৰি জগতৰ অন্যতম শ্ৰেষ্ঠ মহাকাব্য ৰূপে প্ৰতিষ্ঠা কৰিছে।

ৰামায়ন কৰুণ ৰসাত্মক কাব্য। বাল্মীকিৰ শোকৰ স্বচ্ছন্দ প্ৰবাহত শ্লোকছন্দৰ উদ্ভৱ এই শ্লোকছন্দতেই মহাকাব্য ৰামায়ণৰ অধিকসংখ্যক বৰ্ণনা প্ৰকাশ কৰা হৈছে। ক্ৰৌঞ্চমিথুনৰ বিয়োগজনিত দুখে কবিৰ হৃদয় বেদনাসিক্ত কৰি তোলা বাবে 'মা নিষাদ' শ্লোক কবিৰ মুখৰ পৰা ওলাইছিল। যি হওক ক্ৰৌঞ্চ বিয়োগৰ শোকেই ৰামায়ণ মহাকাব্যৰ মূল চাবিকাঠি কিয়নো

ৰামায়ণৰ মূল ৰস কৰুণ।

খৃষ্টীয় চতুৰ্থ-পঞ্চম শতিকামানৰ পৰা দ্বাদশ-ত্ৰয়োদশ শতাব্দীলৈকে বৈষ্ণৱ, শৈৱ, শাক্ত, সৌৰ, গণপত্য আদি বিভিন্ন ধৰ্ম সম্প্ৰদায়ে তেওঁলোকৰ স্বধৰ্মীয় মতৰ আধাৰত ৰচনা পুৰাণসমূহৰ প্ৰতিপত্তিৰ যুগতে 'শ্ৰীৰাম' বিষ্ণুৰ অৱতাৰ ৰূপে পূজিত হৈছিল। সূৰ্যবংশৰ প্ৰখ্যাত ৰজাৰূপে আৰু বিষ্ণুৰ অৱতাৰ ৰূপে বহুতো পুৰাণত ৰামৰ কাহিনী পোৱা যায়, আনকি শৈৱ-শক্তি মাৰ্গী পুৰানতো ৰামৰ কাহিনী পোৱা যায়। ইতিহাস - পুৰানৰূপে প্ৰচলিত মহাভাৰতৰ উপৰি হৰিবংশপুৰাণ, বিষ্ণু পুৰান, ভাগৱত পুৰান, কুৰ্ম- পুৰান, অগ্নিপুৰান, বামন পুৰান, বহ্নি বা আগ্নেয় পুৰাণ, শিৱপুৰান, দেবী ভাগৱত, মহাভাগৱত পুৰাণ, কালিকা পুৰাণ, বৃহদ্ধৰ্মপুৰাণ, জৈমিনি মহাভাৰতকে ধৰি সাম্প্ৰদায়িক পুৰাণবোৰে ৰামসীতা কাহিনী বিভিন্ন উপলক্ষ্যত বৰ্ণোৱা পৰিলক্ষিত হয়।

পুৰাণ সমূহৰ উপৰি দশম শতাব্দীমানৰ পৰাই ৰামকথাক প্ৰধান অৱলম্বনৰূপে লৈ দাৰ্শনিক দৃষ্টিৰে অনেক নতুন ৰামকথা সংস্কৃত ভাষাত ৰচিত হয়। সেই ৰাম কথাসমূহৰ ভিতৰত ১১ শ শতাব্দীত ৰচিত যোগবাশিষ্ঠ ৰামায়ণ, ১৩ শ শতাব্দীত ৰচিত অধ্যাত্ম ৰামায়ণ, ১৫ শ শতাব্দীত অদ্ভূত ৰামায়ন, ১৬ শ শতাব্দীত আনন্দ ৰামায়ণ, ১৭শ শতাব্দীত তত্ত্ব সংগ্ৰহ ৰামায়ণ আদি প্ৰধান।

তদুপৰি ৰামায়ণৰ কাহিনী বা ঘটনাক কেন্দ্ৰ কৰি বিভিন্ন সময়ত বিভিন্ন মহাকাব্য, খণ্ডকাব্য, নাটক আৰু চম্পু সংস্কৃত আৰু প্ৰাকৃত ভাষাত ৰচিত হয়। আলংকাৰিসকলৰ সংজ্ঞাঅনুসাৰে ৰামায়ণ বিষয়ক প্ৰথম মহাকাব্য হ'ল - মহাকবি কালিদাসৰ ৰঘুবংশম্। প্ৰৱৰ সেনৰ 'সেতুবন্ধ' বা ৰাৱনবহ পোন্ধৰটা সৰ্গত বিভক্ত মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচনা কৰা মহাকাব্য। ভট্টি নামৰ কবিয়ে ভট্টিকাব্য নামে এখনি ৰামকথা ৰচনা কৰিছিল। কবি কুমাৰ দাসে জানকীহৰণ নামে এখনি মহাকাব্য ৰচনা কৰিছিল। কবি অভিনন্দই এখনি 'ৰামচৰিত' নামে কাব্য ৰচনা কৰে। ইয়াৰ উপৰি ক্ষেমেন্দ্ৰৰ ৰামায়ণ - মঞ্জৰী, মল্ল নামৰ কবিয়ে উদাৰ ৰাঘৱ, গৌড়ীয় কবি সন্ধ্যাকৰ নন্দীৰ ৰামপাল চৰিত, বেদান্ত দেশিকৰ হংসসন্দেশ আৰু ৰঘুবীৰ গদ্য, ৰুদ্ৰ বাচস্পতিৰ ভ্ৰমৰ দূত, অখ্যাত কবিৰ কপিদূত, ভেঙ্কটাচাৰ্যৰ কোকিল সন্দেশ আৰু কৃষ্ণচন্দ্ৰ তৰ্কালঙ্কাৰৰ চন্দ্ৰদূত আদি চম্পুকাব্য প্ৰধান। গদ্যকাব্যৰ ভিতৰত দেৱবিজয়গনীৰ ৰামচৰিত প্ৰধান। গীতিকাব্যৰ ভিতৰত অখ্যাত কবিৰ ৰামগীত গোবিন্দ, শ্ৰীকৃষ্ণ ভট্টই ৰাঘৱ গীতম, হৰিশংকৰৰ গীতৰাঘৱ, হৰ্যাচাৰ্যৰ জানকীগীতা, বিশ্বনাথ সিংহৰ সংগীত ৰঘুনন্দন, প্ৰভাকৰৰ গীতৰাঘৱ আদি প্ৰধান। দৃশ্যকাব্যৰ ভিতৰত ভাসৰ প্ৰতিভা আৰু অভিযেক, ভৱভূতিৰ মহাবীৰ চৰিত আৰু উত্তৰ ৰামচৰিত, অনঙ্গহৰ্ষৰ 'উদাত্ত ৰাঘৱ', দিঙনাগ নামৰ কবিৰ কুন্দমালা, মূৰাৰি নামৰ কবিৰ অনৰ্ঘ - ৰাঘৱ, ৰাজশেখৰৰ বালৰামায়ণ, দামোদৰ মিশ্ৰ (মধু সুদন) ৰ মহানাটক বা হনুমান্নাটক বা হনুমন্তী কাব্য, কবি জয়দেৱৰ প্ৰসন্ন - ৰাঘৱ আদি নাট প্ৰধান।

হিন্দু শাস্ত্ৰ বা হিন্দু কাব্য নাটৰ উপৰি বৌদ্ধ আৰু জৈন কবিসকলৰ ৰচনাতো ৰামকথাই সমল যোগোৱা পৰিলক্ষিত হয়। বৌদ্ধসকলৰ বিশেষকৈ হীনমানী বৌদ্ধ সম্প্ৰদায়ৰ সাহিত্যৰ মাধ্যম আছিল পালি ভাষা আৰুমহাযানী মৌদ্ধ সম্প্ৰদায়ৰ সাহিত্যৰ মাধ্যম আছিল সংস্কৃত ভাষা। মহাযানী বৌদ্ধ সম্প্ৰদায়ৰ ৰচনাত ৰামকথাৰ প্ৰয়োগ দেখিবলৈ পোৱা নাযায় কিন্তু হীনযানী সকলে পালি ভাষাত ৰচনা কৰা জাতক মালাত ৰাম কথাই স্থান পাইছে। জৈনসকলে ৰামৰ কাহিনীৰ ভিত্তিত বহুতো পুৰাণ আৰু কাব্য ৰচনা কৰিছিল। তেওঁলোকে 'ৰাম' নামতো দুই-এখন গ্ৰন্থত ব্যৱহাৰ কৰিছে যদিও সৰহভাগ ৰচনাত পদ্ম বা পৰ্ডম নামটোহে ব্যৱহাৰ কৰে। খৃষ্টীয় চতুৰ্থ শতিকামানত 'বিমল সূৰি' ৰচিত প্ৰকৃত কাব্য 'পৰ্ডম চৰিত' প্ৰাচীনতম ৰচনা। জৈন সাহিত্যত ১২/ ১৪ খন মান গ্ৰন্থত ৰামকথাৰ বৰ্ণনা পোৱা যায়। জৈন-সাহিত্যৰ দৰে বৌদ্ধ সাহিত্যত ৰামকথাৰ প্ৰসাৰতা বিশেষ দেখা নগ'লেও জাতকৰ গল্পত ৰামসম্বন্ধীয় কাহিনী পোৱা যায়। সেইফালৰ পৰা বৌদ্ধ সাহিত্যৰ কাহিনী পোৱা যায়। সেইফালৰ পৰা বৌদ্ধ সাহিত্যৰ তুলনাত জৈন সাহিত্য ৰামকথাত অধিক চহকী। বিমল সূৰি, ৰবিসেন, জিনসেন, গুনভদ্ৰ, স্বয়ম্ভূ, পুষ্পদত্ত আদি লেখকে সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাত ৰামকথা ৰচনা কৰি গৈছে।

খৃষ্টীয় দশম-একাদশ শতিকা মানৰ পৰা প্ৰাচীন ভাৰতীয় আৰ্য-ভাষাই প্ৰাকৃত আৰু অপভ্ৰংশ স্তৰ অতিক্ৰম কৰি আধুনিক ভাৰতীয় আৰ্য ভাষাৰ স্তৰলৈ ৰূপান্তৰিত হ'বলৈ ধৰে। তুলনামূলকভাৱে দ্ৰাবিড়ী ভাষা সম্ভূত ভাষা চাৰিটা আৰ্য ভাষাসম্ভূত ভাষাবোৰতকৈ প্ৰাচীন। ইয়াৰ ভিতৰত তামিল সকলোতকৈ প্ৰাচীনতম। উড়ীয়া ভাষাত পঞ্চদশ শতিকাতে সৰলা দাসে ৰামায়ন ৰচনা কৰিছিল। যদিও বৰ্তমানে সেই ৰামায়নখন পোৱা নাযায়। বলৰাম দাসে ষোড়শ শতিকাত এখনি ৰামায়ন ৰচনা কৰে। নাগচন্দ্ৰই কন্নড় ভাষাত দ্বাদশ শতিকাত বিমল সুৰি আৰু ৰবিসেনৰ জৈন ৰামায়ণৰ ভিত্তিত ৰামকথা ৰচনা কৰিছিল। বাল্মীকি ৰামায়ণৰ অনুকৰণত ষোড়শ শতিকাত নৰহৰিয়ে কন্নড় ভাষাত ৰামায়ণ ৰচনা কৰিছিল। কাশ্মীৰি ভাষাত ১৮৪৩ খৃষ্টাব্দত শংকৰ নামৰ এগৰাকী লেখকে শংকৰ-ৰামায়ণ ৰচনা কৰিছিল। গুজৰাটী ভাষাত পঞ্চদশ-ষোড়শ শতিকাত ভলন নামৰ এগৰাকী কবিয়ে 'ৰাম বাললীলা' নামৰ এখনি ৰামকথা ৰচনা কৰে। উনবিংশ শতাব্দীত কবি ভানুভক্ত উপাধ্যায়ে নেপালী ভাষাত ৰামায়ণ ৰচনা কৰিছিল। তামিল ভাষাত কম্বনে খৃষ্টীয় নৱম-দশম শতিকাতে 'ইৰামাৱদাৰম' নামৰ ৰামায়ণ ৰচনা কৰে। পাঞ্জাবী

ভাষাত শিখধৰ্মৰ দশম আৰু শেষ গুৰু গোবিন্দ সিঙে ১৭৫৫ খৃষ্টাব্দত 'ৰামাৰতাৰ' নামৰ এখনি ৰামায়ণ ৰচনা কৰে। পঞ্চদশ শতিকাত কৃত্তিবাসে বঙলা ভাষাত এখনি ৰামায়ণ ৰচনা কৰে। অষ্টাদশ শতিকাত গৰিবনিবাজ নামৰ ৰজাৰ ৰাজত্বকালত অঙ্গোম গোপী নামৰ এগৰাকী মনিপুৰী কবিয়ে মনিপুৰী ভাষাত ৰামকথা ৰচনা কৰে। মাৰাঠী সাহিত্যত একনাথে ষোড়শ শতিকাৰ শেষ ভাগত 'ভাবাৰ্থ-ৰামায়ণ' নামৰ এখনি ৰামায়ন ৰচে। হিন্দীভাষাত গোস্বামী তুলসীদাসে ষোড়শ শতিকাত 'ৰামচৰিতমানস' নামৰ এখনি ৰামায়ণ ৰচে। চৰ্তুদশ শতিকাত অসমীয়া ভাষাত মাধৱ কন্দলীয়ে এখনি ৰামায়ন ৰচনা কৰে। এই বোৰৰ উপৰিও চাওতাল, বৈগাভূমিয়া, কাৰ্বি আদি জনজাতীয় ভাষাতো ৰামায়ণ ৰচনা হয়।

**সামৰণি ঃ** প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ এখনি স্বচ্ছ দাপোনস্বৰূপ ৰামায়ণ গ্ৰন্থক এক মহৎ সাহিত্য কৃতিৰূপে প্ৰায় দুহেজাৰ বছৰ ধৰি পৃথিৱীৰ বিদ্বান সমাজ আৰু জনতাই সন্মান দি আহিছে। ৰামায়ণৰ জনপ্ৰিয়তাৰ বাবেই ভাৰতৰ বাহিৰেও পৃথিৱীৰ অন্য প্ৰান্তৰ বিভিন্ন ভাষালৈ 'ৰামায়ণ' গ্ৰন্থৰ অনুবাদ হৈছে। সেয়ে 'ৰামায়ণ'ৰ জনপ্ৰিয়তা বঢ়াৰ লগে লগেই বিভিন্ন ভাষালৈ হোৱা অনুবাদত ৰামায়ণৰ কাহিনী ক্ষেত্ৰত অনেক পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। বহুত কবি-সাহিত্যিকে নিজৰ নিজৰ সমাজৰ ৰুচি অভিৰুচি মতে এনে পৰিৱৰ্তনক নিজৰ ৰচনাত স্থান দিছিল। এই বোৰৰ মূল উৎস বহুত সময়ত নিৰ্ণয় কৰাটো টান হৈ পৰে। ই যি নহওঁক 'ৰামায়ণ' গ্ৰন্থৰ ব্যাপক জনপ্ৰিয়তা আৰু পৰিৱৰ্তন কেৱল অনুবাদ প্ৰক্ৰিয়াৰ বাবেই সম্ভৱপৰ হৈ উঠা বুলিব পাৰি।

**সহায়ক গ্ৰন্থ ঃ**

শৰ্মা, মদন - অনুবাদ অধ্যয়ন তত্ত্ব আৰু প্ৰয়োগ, বান্ধৱ, পানবজাৰ গুৱাহাটী - ১ (২০১৭)

শৰ্মা, সত্যেন্দ্ৰনাথ - ৰামায়ণৰ ইতিবৃত্ত, বীনা লাইব্ৰেৰী, গুৱাহাটী ১৯৮৪ (২০১৩) ■



# এটি শক্তিশালী কলমৰ পৰ্যালোচনা

## (ড° ৰীতা চৌধুৰীৰ দহখন উপন্যাসৰ ব্যক্তিগত বিশ্লেষণ)

**ঈষা পৰাশৰ**
প্ৰাক্তন ছাত্ৰী

**যা**ৰ লেখাই পাঠকক বাৰে বাৰে ওভতাই আনে নিশ্চিত মৃত্যুৰ অটল গহ্বৰৰ পৰা সহজ জীৱনলৈ, নৰকৰ পুতিগন্ধময় পৰিৱেশৰ পৰা বকুল গছৰ প্ৰশান্ত ছাঁ লৈ, ৰাজহাড় নোহোৱা এটি অস্তিত্বৰ পৰা চকুত চকু থৈ সত্য উদঙাই দিব পৰা এটি শক্তিলৈ তেনে এগৰাকী বলিষ্ঠ লেখকৰ লেখাৰ বিষয়ে লিখিবলৈ ল'লৈই শব্দবোৰে দিক্-বিদিক্ হেৰুৱাই দিক্‌ভ্ৰান্ত হৈ পৰে, সংকুচিত হৈ আহে মোৰ অনভিজ্ঞ দুহাত। যি কলমে নিৰ্ভীকভাৱে উদঙাই দিয়ে সাহিত্য আৰু সংবাদ জগতৰ এন্ধাৰকোণত সযত্নে প্ৰতিপালিত হোৱা ঘিনলগা তথ্যবোৰ, নব্বৈ দশকৰ ৰাজনীতিৰ ভিতৰ চ'ৰাৰ কথাবোৰ, অসমৰ ৰাজনীতিৰ দীঘলীয়া ভিতৰ চ'ৰাৰ কথাবোৰ, অসমৰ ৰাজনীতিৰ দীঘলীয়া গণসংগ্ৰামৰ পিছৰচোৰাৰ হতাশা, দুখ, ক্ষোভবোৰ, সাধাৰণ মানুহৰ চকুৰ সমুখতে নষ্ট হৈ যোৱা 'সোণৰ অসম' গঢ়াসকলৰ প্ৰতিশ্ৰুতিবোৰ তেনে এক লেখকৰ শব্দৰ থুপবোৰক বাক্যৰ সমষ্টিবোৰক বিশ্লেষণ কৰাতো অতি কষ্টসাধ্য আৰু কোনো কোনো দৃষ্টিকোণৰ পৰা প্ৰায় অসম্ভৱ

কাম হয়, তেখেত ৰীতা চৌধুৰী। ৰীতা চৌধুৰীৰ জন্ম হৈছিল ১৯৬০ চনৰ ২০ আগষ্টত অৰুনাচল প্ৰদেশৰ টিৰাপত। উজনি হাফলং প্ৰাথমিক বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা লাভ কৰি উঠি মাৰ্ঘেৰিটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পৰৱৰ্তী সময়ত ৰাজনীতি বিজ্ঞান আৰু অসমীয়া সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা চৌধুৰীয়ে সমসাময়িকভাৱে আইনৰ ডিগ্ৰী আৰু ৰাজনীতিবিজ্ঞান বিষয়ত ডক্টৰেট উপাধিও লাভ কৰে। অসম আন্দোলনৰ সময়ত জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সক্ৰিয় নেত্ৰী চৌধুৰীয়ে গুৱাহাটী আৰু ডিব্ৰুগড়ত কাৰাবাসো খাটে। তেখেতে ‘অবিৰত যাত্ৰা উপন্যাসৰ যোগেদি সাহিত্যিক জীৱনৰ আৰম্ভণি ঘটায়। পিছলৈ তেওঁৰ সাহিত্য প্ৰতিভাক স্বীকৃতি দি অসম সাহিত্য সভা বঁটা (১৯৮১), কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা (২০০৬) সাহিত্য অকাডেমী বঁটা (২০০৮), অসম উপত্যকা সাহিত্য বঁটা তেওঁক প্ৰদান কৰা হয়। নেচনেল বুক ট্ৰাষ্ট, ভাৰতৰ সঞ্চালকৰূপে কাৰ্যনিৰ্বাহ কৰা ৰীতা চৌধুৰীৰ কবিতা পুথি হ’ল - সুদূৰ নক্ষত্ৰ, বনৰীয়া বতাহৰ সুহুৰি, অলপ পোহৰ অলপ এন্ধাৰ, বগা মাটিৰ তুলসী। মনজিৎ মহন্তৰ লগত হোৱা এটি সাক্ষাৎকাৰত তেওঁ কৈছিল যে তেওঁ আচলতে কবি। ঘটনাক্ৰমেহে তেওঁ উপন্যাস লিখা আৰম্ভ কৰিছিল। কিন্তু যেতিয়াই অনুভৱ কৰে তেওঁৰ ক’বলগীয়াখিনি প্ৰকাশ কৰিবলৈ গল্প অথবা উপন্যাসৰ পৰিসৰ সীমিত তেতিয়াই তেওঁ কবিতাৰ ওচৰ চাপে। সেই সাক্ষাৎ কাৰতেই তেখেতে কৈছিল যে মানুহৰ মাজত থাকি মানুহৰ বাবে কাম কৰিবলৈ ইচ্ছা থকাৰ বাবেই তেখেতে পথ হিচাপে কলমটো বাছি লৈছিল আৰু তেনে এগৰাকী অসাধাৰণ নাৰীক হৃদয়ৰ এক সুকীয়া স্থানত প্ৰিয় সাহিত্যিকৰ অভিধাৰে অভিহিত কৰি স্থান দি তেখেতৰ দহখন উপন্যাসক ব্যক্তিগত দৃষ্টিভঙ্গীৰে বিচাৰ কৰি চোৱাৰ এক ক্ষুদ্ৰ প্ৰয়াস কৰিছোঁ -

অবিৰত যাত্ৰা- প্ৰকাশক - নগেন শৰ্মা, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ - মে’ ১৯৮১, মূল্য - ১৫০ টকা

অবিৰত যাত্ৰা চৌধুৰীৰ প্ৰথমখন উপন্যাস। ১৯৭৯ চনৰ শেষৰফালে সমগ্ৰ অসমজুৰি বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান বিচাৰি আৰম্ভহয় অসম আন্দোলন। মূলতঃ আত্মৰক্ষাৰ বাবে কৰা এই আন্দোলনে জাতীয় তথা সামাজিক জীৱনত বিভিন্ন প্ৰতিক্ৰিয়াৰ জন্ম দিয়ে। অসমৰ সেই পৰিৱৰ্তিত তথা বিশৃংখলিত পটভূমিত লিখা উপন্যাসৰ এটি প্ৰতিযোগিতাৰ প্ৰস্তাৱ দি ডিব্ৰুগড়ৰ ‘বাণী মন্দিৰে’ শ্ৰেষ্ঠ প্ৰতিযোগীক পুৰস্কৃত কৰিবলৈ পাঁচশ টকা সভালৈ আগবঢ়োৱাৰ আগ্ৰহ প্ৰকাশ কৰে লগতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান পোৱা পাণ্ডুলিপি কেইটা প্ৰকাশৰ দায়িত্বও ল’বলৈ আগবাঢ়ি আহে। অসম সাহিত্য সভাৰ কাৰ্যনৰ্বাহক সমিতিয়ে অনুভৱ কৰে যে অসমৰ পৰিৱৰ্তিত সামাজিক পটভূমিত লিখিত প্ৰশংসাযোগ্য উপন্যাস কেইবাটাওফালৰ পৰা বৈশিষ্ট্যপূৰ্ণ হ’ব - প্ৰথমতে, অসমত হোৱা জনজাগৰণৰ ঐতিহাসিক পটভূমি ধৰি ৰাখিব; দ্বিতীয়তে, সমকালীন মানুহৰ দৃষ্টিভংগীৰ ভিন্নতা আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ভিন্নতাৰ আভাস দিব আৰু তৃতীয়তে, - অসমৰ মানুহক ভাৰতীয় হৈও অসমীয়া হিচাপে জীয়াই থকাৰ প্ৰেৰণা দিব (অবিৰত যাত্ৰা, প্ৰথম সংস্কৰণত অসম সাহিত্য সভাৰ একাষাৰ)। এই প্ৰতিযোগিতাখনত পোৱা চৌৱন্নটি পাণ্ডুলিপিৰ ভিতৰত ৰীতা চৌধুৰীৰ ‘অবিৰত যাত্ৰা’ শ্ৰেষ্ঠ নিৰ্বাচিত হয়।

অবিৰত যাত্ৰাৰ কাহিনীভাগ আৰম্ভ হয় এগৰাকী লব্ধ প্ৰতিষ্ঠ সাহিত্যিক মৰিয়ম বেগমৰ চ’ৰাঘৰত। কাহিনীক গতি দিবলৈ গৈ ঔপন্যাসিক মৰিয়ম বেগমক ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ চলা সেই অদমনীয় গণসাংগ্ৰামৰ ভিত্তিত এখন উপন্যাস লিখাৰ অচিলাৰে লৈ যায়, সেই জুই হেন দিনবোৰলৈ, য’ত পৃথিৱী চলিহা, অশান্ত বৰুৱা, সমুদ্ৰ ফুকন, বিজু, যোচেফ, বাসৱ আনকি মৰিয়ম বেগম নিজেও আছিল। সেই সময়ত ৰাজ্যৰ জনগনে লাহে লাহে বুজি পাইছিল তেওঁলোকৰ পৰা এদিন বিদেশীয়ে কাঢ়ি লৈ যাব আইৰ মুখৰ ভাষা, পিতাইৰ ভেঁটি। তেনে এক সংকটৰ সময়তে পৃথিৱী, অশান্তহঁতে অহিংস পথেৰে নিজৰ পৰিচয়ৰ সুৰক্ষা দিবলৈ জন্ম দিয়ে ‘মাতৃসংঘ’ৰ। নিজৰ জন্মভূমি আৰু পৰিচয়ক আনৰ তীক্ষ্ণ হাতোৰাৰ পৰা ৰক্ষা কৰিবলৈ কৰা সংগ্ৰামখন কোনোফালৰ পৰাই উজু নাছিল। ৰীতা চৌধুৰীয়ে লিখিছিল সংগ্ৰামলৈ অহা প্ৰত্যাহ্বানবোৰৰ কথা, কৰ্মীসমলক নিঃশেষ কৰি দিবলৈ দীঘল হৈ অহা নখবোৰৰ কথা, ৰাষ্ট্ৰযন্ত্ৰৰ উচ্ছিষ্টভোগীসকলে মা-ভনীৰ সতীত্ব কাঢ়ি নিয়া ৰাতিবোৰৰ কথা, নিজৰ ভনীয়েকৰ সতীত্ব কাঢ়ি নিয়াৰ পিছত হাতত বন্দুক লৈ অৰণ্যমুখী হোৱা বাসৱহঁতৰ কথা, কেতিয়াও হাৰ নমনা, পথ নসলোৱা পৃথিৱী, অশান্ত যোচেফহঁতৰ কথা, কাঁইটীয়া পথতো অমলিন হৈ থকা পৃথিৱী, অশান্তৰ সৰল ভালপোৱাৰ কথা। উপন্যাসৰ আৰম্ভণিতে গনসংগ্ৰামৰ ভিত্তিত লিখা এটি কবিতা আছে -

চকুলো বোৱাই জুই নুনুমাবি  
গুচক তমসা ঘোৰ  
লুইতৰ আকাশত  
তৰাৰ তৰাৱলী  
পাৰত দীপাৱলী  
তেজেৰে মোৰ  
আই নাকান্দিবি  
থাপনাত তেজেৰে

বন্তি দিছেহি
সন্তানে আজি তোৰ।

চৌধুৰী এই আন্দোলনৰ সক্ৰিয় অংশীদাৰ আছিল বাবে অবিৰত যাত্ৰাত সুন্দৰভাৱে উপস্থাপিত হয় অসম আন্দোলনৰ জন্মৰ আৰু মাজৰ কালছোৱা। উপন্যাসখন শেষ হয় মাতৃসংঘৰ সদস্যসকলৰ অপৰিসীম কষ্টক মৰিয়মে সোঁৱৰি থকা কোনো এক ক্ষনত, য'ত ৰাষ্ট্ৰৰ অত্যাচাৰ সহিসহি হেৰাই গৈছিল অশান্ত, সমুদ্ৰ, বিজুহঁত হয়তো বাসৰো। মাত্ৰ সেই সময়খিনিৰ সমাজে দেখা দৃষ্টিৰ বাহিৰতো থকা অলেখ ঘটনা বুকুত সামৰি ভগ্নাৱশেষ হৈ থাকি যায় মৰিয়ম, পৃথিৱী আৰু পংগু যোচেফ।

ঔপন্যাসিকৰ প্ৰথমখন উপন্যাস হিচাপে গন-সংগ্ৰামৰ পটভূমিত লিখা কাহিনীভাগক এক মসৃণ গতি দিয়াত চৌধুৰী সফল। কিন্তু একেখনেই উপন্যাস বৰ্তমান সময়ত লিখা হ'লে চৌধুৰীৰ সাহিত্যিকভাৱে পৰিপক্কতা প্ৰকাশী উঠিলহেঁতেন।

পপীয়া তৰাৰ সাধু, প্ৰকাশক - জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ - ১৯৯৮, মূল্য - ২৪০ টকা

'পপীয়া তৰাৰ সাধু' সাহিত্য আৰু সাংবাদিকতাৰ জগতখনত প্ৰতিষ্ঠাৰ লোভ দেখুৱাই সৰল প্ৰতিভাবোৰক নিঃশেষ কৰি দিব বিচৰা হাতোৰাবোৰৰ সত্য উদঙাই দিয়াৰ স্বাৰ্থতে তুলি লোৱা এপাট শক্তিশালী অস্ত্ৰ। উপন্যাসখনৰ মূল চৰিত্ৰ জেউতি যি এখন মফচলীয়া চহৰৰ বাসিন্দা। জেউতিয়ে নিজৰ ঠাইৰে সন্তান অপৰ্নাই হাজাৰ প্ৰতিবন্ধকতা আৰু মানুহৰ শালি ধৰা মন্তব্যবোৰ, তীক্ষ্ণ শেলবোৰ নেওচি সাহিত্য আৰু সাংবাদিকতাৰ জগতত যি এক সন্মানীয় আসন লাভ কৰে সেই শৃংগ দেখি নিজেও তেনে এক নক্ষত্ৰ হোৱাৰ সপোন দেখে। সেই সপোন সাকাৰ কৰাৰ অজুহাত লৈয়েই মহানগৰীলৈ গুচি অহা জেউতি নক্ষত্ৰৰ পৃথিৱীৰ বাসিন্দা হ'বলৈ গৈ সুবিমল ফুকন, অলকা হাজৰিকা, মনোৰমা বৰুৱা, উৎপল বৰবৰা, প্ৰীতম পৰাশৰ আদিৰ দৰে ছদ্মবেশত থকা একোজন নৰপিশাচৰ সান্নিধ্যহে পায়, যিয়ে পিছলৈ জেউতিক, নৰকৰ বাটবোৰহে পৰিচয় কৰাই দিয়ে। শুভ্ৰ, নবাৰুণ, অপূৰ্ব, অপৰ্ণাহঁতে বাবে বাৰে জেউতিক পোহৰৰ পৃথিৱীলৈ আনিবলৈ চেষ্টা কৰা সত্বেও জেউতি পৰি থাকে অন্ধকাৰ কোণত। সেইখনেই তাই নক্ষত্ৰৰ পৃথিৱী বুলি ভাবে। নক্ষত্ৰ হোৱাৰ সপোন দেখা জেউতিয়ে কবিতাত লিখে-

জন্মদিন,
মই যিদিনা জন্ম হৈছিলোঁ -
হয়তো আকাশৰ ক'ৰবাত এটা নক্ষত্ৰৰ মৃত্যু হৈছিল।
তাৰ আত্মা আহি থিতাপি লৈছিল মোৰ শৰীৰত,
অথবা হৃদয়ত, শোণিতত অথবা নয়নত।
সেই কাৰণেই হয়তো মই ইমানকৈ ভালপাওঁ আকাশক।
সেইকাৰণেই হয়তো মই ইমানকৈ ভালপাওঁ নক্ষত্ৰক।
(১৬০ পৃষ্ঠা)

নক্ষত্ৰৰ পৃথিৱীৰ বাসিন্দা হ'বলৈ গৈ শেষত নৰকৰ পুতিগন্ধময় পৰিৱেশত অকালতে নুমুৱাই যোৱা একুৰা নিৰুত্তাপ জুই জেউতি আচলতে যশস্যা আৰু খ্যাতিৰ বাট হেৰুওৱা প্ৰতিভাবোৰৰ প্ৰতীক। কিন্তু কাহিনীৰ শেষ হয় ঔপন্যাসিকে জেউতিৰ মৃত্যুক ন্যায় দিবলৈ গৈ অপূৰ্বৰ কলমৰ যোগেদি সুবিমল ফুকনহঁতৰ মুখা খুলি দিব বিচৰা যুঁজখনৰ জৰিয়তে।

ৰীতা চৌধুৰীৰ অন্যতম জনপ্ৰিয় উপন্যাসখন সাহিত্য আৰু সংবাদ জগতলৈ আহিব বিচৰা প্ৰতিগৰাকী তৰুন-তৰুণীয়ে পঢ়া উচিত। অদম্য সাহসেৰে লিখা উপন্যাসখনৰ কাহিনীভাগ কাল্পনিক হ'লেও ইয়াৰ পটভূমি বাস্তৱৰ কঠিন মাটিৰ সৈতে মিহলি হৈ আছে।

দেওলাংখুই, প্ৰকাশক- নগেন শৰ্মা, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ - ফেব্ৰুৱাৰী, ২০০৫, মূল্য - ২৫০ টকা

দেওলাংখুই গ্ৰন্থৰ বাবে ২০০৮ চনত ৰীতা চৌধুৰীয়ে সাহিত্য অঁকাডেমী বঁটা লাভ কৰে। জোঙাল বলহু নামৰ প্ৰখ্যাত তিৱা বীৰ ৰজাজনৰ ইতিহাস তথা তেওঁৰ চৰিত্ৰটিক উপস্থাপনৰ উদ্দেশ্যৰে তেওঁৰ পূৰ্বজৰ ইতিহাসৰ কথাৰে উপন্যাসখন আৰম্ভ কৰি শেষ কৰিছে জোঙাল বলহুৰ মৃত্যুৰ সময়ত। উপন্যাসখন আৰম্ভ হৈছে পিতৃ-পৰিচয়ৰ বিষয়ে অজ্ঞাত জোঙাল বলহুয়ে তেওঁৰ পিতৃ আৰিমত্তক হত্যা কৰি আত্মগ্লানিত দগ্ধ হোৱাৰ সময়ত আবি (আইতা) কনচাৰীয়ে তেওঁক পিতৃ পৰিচয়ৰ কথা ক'বলৈ গৈ অতীত ৰোমন্থন কৰা মুহূৰ্তত। কাহিনীয়ে গতি লোৱাৰ লগে লগে মুকলি হৈ পৰে আবি কনচাৰীৰ পূৰ্বৰ প্ৰতাপ চন্দ্ৰৰ ৰাজমহিষী চন্দ্ৰ প্ৰভা বুলি থকা পৰিচয়, আৰ্য পুৰুষৰ গৰ্ব আৰু ঔদ্ধত্যৰ পৰম্পৰাৰ বিপৰীতে অনাৰ্য ৰজা সাধুকুমাৰৰ উদাৰতা, মহানতা, সোনজিৰা-চামলৰ আন্তৰিকতা, আৰিমত্ত - গংগাৰতীৰ অবিমিশ্ৰ ভালপোৱা, নীলকান্ত, ৰত্নাৱলী, ফিংগুৱা কোঁৱৰৰ বিশ্বাসঘাতকতা, ৰত্নসিংহৰ ক্ষোভ, জোঙালৰ দ্বিগ্বিজয়ী মন, সুকোমলা-দ্বিধা - সংশয়। কিন্তু অতবোৰ ভঙা-গঢ়া, উত্থান-পতনৰ কাহিনী সামৰি ইতিহাসৰ তথ্যসমৃদ্ধ কাহিনীভাগৰ সমাপ্তিত লিখকে লিখে প্ৰচণ্ড আশাৰ বাণী-

"জীৱনৰ জানো সমাপ্তি আছে?
জীৱন প্ৰবাহৰ জানো বিৰতি আছে?
আশাৰ জানো অন্ত আছে?
গছ মৰি যায়।
পুলি হৈ আকৌ গজি উঠে।
মানুহ মৰি যায়।
জীৱনৰ অভীপ্সা থৈ যায় উত্তৰ পুৰুষৰ হাতত।

জোঙালেও থৈ গৈছে।
যেনেকৈ তাক থৈ গৈছিল আৰিমত্তই।
যেনেকৈ আৰিমত্তক থৈ গৈছিল প্ৰতাপ চন্দ্ৰই।
এই অকমানি বুবাউটো

এই ফুলকলিটোৰে ভাঙো ভাঙো হৈ পৰা জীৱন নামৰ দুৰ্গটো এতিয়াও দুহাতেৰে ধৰি ৰাখিছে।"

লেখকে জোঙাল বলহুৰ বংশ শতিকাৰ কাহিনীভাগক মৰ্যাদাসহকাৰে জীয়াই ৰখাৰ স্বাৰ্থতে যি অপূৰ্ব শব্দচয়ন তথা জনজাতীয় শব্দ প্ৰয়োগ কৰিছে সেয়া অতুলনীয়। গভীৰ জীৱনবোধেৰে প্ৰতিটো চৰিত্ৰক ন্যায় দিছে, চৰিত্ৰসমূহৰ ক'ব লগীয়া খিনি কোৱাৰ সুযোগ দিছে। চৌধুৰীয়ে তীক্ষ্ণ অন্তৰ্দৃষ্টিৰ সুপ্ৰয়োগ কৰি লিখা 'দেওলাংখুই'য়ে সেইবাবেই আজুৰি আনিছে সাহিত্য ক্ষেত্ৰৰ সন্মানীয় পুৰস্কাৰ।

মাকাম, প্ৰকাশক- নগেন শৰ্মা, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, এপ্ৰিল-২০১০, মূল্য - ২৫০ টকা

১৯৬২ চনৰ চীন-ভাৰত যুদ্ধৰ সময়ত তিনিচুকীয়া জিলাৰ মাকুমৰ পৰা বন্দী কৰি ৰাজস্থানলৈ লৈ যোৱা ১৫০০ জন চীনা - ভাৰতীয় লোকৰ দুখ-দুৰ্দশাৰ কাহিনী ইয়াত বৰ্ণিত হৈছে। সেই সময়ৰ নেফাৰ সীমা অতিক্ৰম কৰি ব্ৰহ্মপুত্ৰ উপত্যকাত উপস্থিত হোৱা চীনা সৈন্যৰ আক্ৰমণৰ সমান্তৰালভাৱে ভাৰত চৰকাৰে দেশখনত কেইবা পুৰুষো পাৰ কৰা চীন বংশোদ্ভৱ লোকসকলক অমানবীয়ভাৱে আটক কৰি প্ৰথমে ৰাজস্থান আৰু পৰৱৰ্তী পৰ্যায়ত ইয়াৰে কিছু সংখ্যকক সমুদ্ৰ পথেৰে চীনলৈ বিতাড়িত কৰা হৈছিল। এই ঘটনাৰ পটভূমিত ৰচিত হৈছিল 'মাকাম'। কাহিনীৰ আৰম্ভণিতে অৰুনাভ বৰা নামৰ লেখকজনৰ সমুখত লাইলিনে মুকলি কৰি দিয়ে এজাক চীনা বংশোদ্ভৱ মানুহে ভাৰতকে নিজৰ জন্মভূমি বুলি ধৰি লোৱাৰ পিছত তেওঁলোকক বিদেশী বুলি নিৰ্বাসিত কৰি দিয়া সেই বীভৎস দিনবোৰৰ কথা। লাইলিনে খুলি দিয়া দুৱাৰেদি সোমাই আহিছিল পুলক, মেইলিনহঁতৰ জীৱনবোৰ, শৰনাৰ্থী শিবিৰৰ বৰ্ণনাতীত জঘন্য দিনবোৰ, মৃত্যু নৌহওঁতেই পুতি থোৱা সৰু ছোৱালীজনীৰ চিঞৰটো। সীমাৰ পৰিধি ছিঙি কেৱল মানৱতাবাদৰ কথা ক'বলৈ গৈ লেখকে উপন্যাসখনত লিখিছে - " বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা স্বদেশ আক্ৰান্ত হ'লে মানুহৰ কি ভাব হয় মই জানো। জানো কেনেকৈ দেশৰ প্ৰতি ভালপোৱাত উদ্বেলিত হৈ উঠে স্বদেশৰ নাগৰিক। কেনেকৈ সৈনিকে আগবঢ়ায় নিজৰ জীৱন। কেনেকৈ দেশৰ কাৰণে হত্যাকাৰী হৈ পৰে সৈনিকৰ পোছাক পিন্ধা সহজ মানুহ। মই জানো কেনেকৈ যুদ্ধই গণতন্ত্ৰক কৰি তোলে মানৱ অধিকাৰক গচকি পেলোৱা নিৰ্দ্দয় কৰ্তৃত্ববাদী - যি ভাঙি পেলায় ঘৰ, কাঢ়ি ৰাখে সম্পদ। মই জানো কেনেকৈ মানুহ হৈ পৰে ৰাষ্ট্ৰনায়ক সকলৰ পাশাখেলৰ গুটি।"

মাকামৰ উল্লেখযোগ্য সফলতা হৈছে পটভূমি নিৰ্বাচন। মাকুমৰ সেই চীনা বংশোদ্ভৱসকলৰ কৰুণ কাহিনীক মাটি খান্দি উলিয়াই আনি সমাজৰ আগত কৈ দিব পৰা সাহসিকতা প্ৰশংসনীয়। সমান্তৰালভাবে সত্য আৰু শুদ্ধ তথ্যৰ ব্যৱহাৰ লেখকৰ অধ্যয়নপুষ্ট মনৰ প্ৰতীক। এটি সত্য ঘটনাক তথ্যৰ সহায়েৰে সাৱলীলভাৱে বৰ্ণনা কৰি গঢ়ি তোলা বিশ্ব সাহিত্যৰ উল্লেখনীয় গ্ৰন্থ 'মাকাম' ৰীতা চৌধুৰীয়ে নিজেই 'Chinatown Days' নামেৰে অনুবাদ কৰিছে। ২০১৭ চনত মেকমিলান প্ৰকাশনে অনুদিত সংস্কৰণটো প্ৰকাশ কৰিছে। উপন্যাসখন বড়ো ভাষালৈ সোণালী বড়ো আৰু মাৰাঠী ভাষালৈ বিদ্যা শৰ্মাই অনুবাদ কৰিছে।

এই সময় সেই সময়, প্ৰকাশক- নগেন শৰ্মা জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ - এপ্ৰিল, ২০১০, মূল্য - ২৫০ টকা

এই উপন্যাসখনৰ জুমুঠিটো তৈয়াৰ কৰা হৈছে 'অসমীয়া খবৰ'ৰ দেওবৰীয়া সংখ্যাত ধাৰাবাহিকভাৱে প্ৰকাশিত 'তীৰ্থ ভূমি' নামৰ উপন্যাসখনৰ যোগেদি। উপন্যাসখন অসম আন্দোলন আৰু আন্দোলনৰ ভিত্তিত গঢ়ি উঠা ৰাজনৈতিক দল অসম গণ পৰিষদৰ অসম সমাজ জীৱনৰ ওপৰত প্ৰভাৱ আৰু তাৰ পৰৱৰ্তী প্ৰজন্মৰ জাতি, জন্মভূমি তথা সমাজ সম্পৰ্কে দৃষ্টিভংগী আদি বিষয় সামৰি তৈয়াৰ কৰা এখন সামাজিক দলিল। উপন্যাসখনৰ মুখ্য চৰিত্ৰ অদিতি চৌধুৰীয়ে এটি আন্তঃৰাষ্ট্ৰীয় প্ৰকল্পৰ অধীনত অসম আন্দোলনক কেন্দ্ৰ কৰি নিৰ্সিত হোৱা অসমৰ সামগ্ৰিক সামাজিক, ৰাজনৈতিক পৰিৱৰ্তন আৰু আন্দোলনৰ পৰৱৰ্তী সনয়ত যুৱ প্ৰজন্ম আৰু সমাজৰ ওপৰত ইয়াৰ কাহিনীকাৰে বিশ্লেষণ কৰিলে প্ৰভাকৰ, নিভা, চন্দন, অবিনাশহঁতৰ দৰে আন্দোলনকাৰীৰ পৰিৱৰ্তিত মানসিকতা, শুভংকৰ, বলোভদ্ৰহঁতৰ দৰে আদৰ্শক খামুচি থকা সতীৰ্থৰ সুগভীৰ মনবোৰ, অদিতিৰেই সন্তান কাজৰি আৰু কস্তুৰীৰ লগতে সিহঁতৰ বন্ধু বিক্ৰম, অমিত, বাবী, সুকন্যাহঁতৰ সমাজ ব্যৱস্থা, ৰাজনীতি, শোষণ সম্পৰ্কে গঢ়ি উঠা অভিমতবোৰ। অদিতি চৌধুৰীৰ অতীত ৰোমন্থনৰ জৰিয়তে অসম আন্দোলনে মূলসুঁতিৰ পৰা গতি সলোৱাৰ সময়খিনি, পৰিৱৰ্তনৰ কেঁকুৰিবোৰ দেখুৱাবলৈ চেষ্টা কৰা হৈছে। মানৱেন্দ্ৰ, ৰুবেনহঁতৰ দৰে আন্দোলনৰ প্ৰত্যক্ষ অংশীদাৰ নহ'লেও জাতীয়তাবাদী বতাহজাকে কোবাই যোৱা দূৰন্ত তৰুণৰ অভিমতো লেখকৰ তীক্ষ্ণ চকুৰ পৰা সাৰি যোৱা নাই। তৰুণ বৰাৰ দৰে মুখৰ লেকামহীন মন্ত্ৰীৰ যোগেদি প্ৰকাশ হৈছে ৰাজনৈতিক দলটোৰ ভিতৰত হোৱা ক্ষমতাৰ ঘিন লগা ৰাজনীতি, আদৰ্শ পাহৰি পেলোৱা ক্ৰমাৎ স্খলিত ৰাজনৈতিক ব্যৱস্থা। উপন্যাসখনত এনে একক্ষণ শেষ হয় য'ত ক্ৰমাৎ জীৱনৰ সৈতে বিচ্ছিন্ন হৈ

যাব ধৰা এচাম মানুহে জীৱনটা সুস্থিৰ কৰি তোলাৰ কায়দাবোৰ শিকি বলৈ ধৰে। এক শুভবোধৰ ধাৰণাত শেষ হোৱা উপন্যাসখনত এই সময় আৰু সোঁৱৰণি হৈ পৰা আৱেগ, যুক্তিৰ এচোৱা সময় একাকাৰ হৈ গৈছিল।

অসমৰ এচোৱা গুৰুত্বপূৰ্ণ সময়ৰ সামাজিক, ৰাজনৈতিক ইতিহাস (!) লিখিবলৈ গৈ এটা সুবৃহৎ জাতীয়তাবাদী গন সংগ্ৰাম আৰু তাৰ ভিত্তিত গঢ়ি উঠা ৰাজনৈতিক দলটোৰ ইমান নিৰ্মোহ তথা সাৱলীল বিশ্লেষণ শলাগিবলগীয়া। প্ৰায় নিশ্চিহ্ন হৈ যাব ধৰা এচোৱা সময়ক ধৰি ৰখাৰ প্ৰয়াস কৰা ৰীতা চৌধুৰীয়ে গ্ৰন্থখনৰ সপ্তম সংস্কৰণত লিখিছে- " এই সময় সেই সময় ইতিহাস নহয়। ই অচলায়তন কালৰ এক অংশত উপস্থিত থকা জনজীৱনৰ খণ্ডচিত্ৰ। যি জনজাতীয় সাঙোৰ খাই আছে ধূলিয়ৰি দিনবোৰৰ সৈতে। এই সময় সেই সময়' সৃষ্টি কৰিছে এক নিৰ্মোহ আৰু স্বাধীন কলমে। এই কলম বিচাৰক নহয়। তত্ত্বদৰ্শীও নহয়। দৰ্শক মাত্ৰ। ই মাত্ৰ পোহৰ পেলাই চাইছে সমাজৰ ইফালে-সিফালে। অহা-যোৱা কৰিছে এই সময়ৰ আলি গলিয়েদি। এই দেখা সম্পূৰ্ণ নহয়। সামগ্ৰিকতাৰ এক ভগ্নাংশ মাত্ৰ।"

জাহ্নৱী, প্ৰকাশক - নগেন শৰ্মা, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০০৬, মূল্য - ৬০ টকা

জাহ্নৱী উপন্যাসখনৰ পটভূমি মূলতঃ স্বাধীন অসমৰ দাবীৰে সৰৱ হৈ উঠা সংযুক্ত মুক্তি বাহিনী অসম নামৰ সশস্ত্ৰ দলটোৰে পৰ্যায়ক্ৰমে এটা সন্ত্ৰাসবাদী সংগঠনলৈ এটা হত্যাকাৰী সংগঠনলৈ ৰূপান্তৰিত হোৱা এচোৱা বিভীষিকাময় সময়, য'ত জয়া বৰুৱাই তেওঁৰ পুত্ৰক সশস্ত্ৰ সংগঠনটোৰে দাবী কৰা ধন নিদিয়াৰ পৰিনামত হত্যা কৰাৰ পিছতো সংগঠনৰে এগৰাকী নেতাৰ পূৰ্ণগৰ্ভা পত্নীক তেওঁৰ সতীৰ্থসহ নিজৰ ঘৰত আশ্ৰয় দি নিশ্চিত মৃত্যুৰ পৰা বচাইছিল, সংগঠনৰ নৃশংসতাৰ বলি হৈ স্বামী আৰু সন্তানক হেৰুৱাই মানসিকভাৱে অসুস্থ হৈ পৰা নীলাক্ষিয়ে সেই সংগঠনৰে নেতাৰ পত্নী আৰু সদস্যসকলক সুৰক্ষা দিবলৈ ধুই পেলাইছিল অতদিনে বিশ্বাসৰ বশৱৰ্তী হৈ লৈ থকা সেন্দুৰ, খুলি থৈছিল উজ্জ্বল গহনা। গ্ৰন্থখনত মূলতঃ মনুষ্যত্বৰ জয়গান গোৱা হৈছে যদিও আলফা নামৰ সশস্ত্ৰ বিপ্লৱ খনৰ সেই কেঁকুৰিবোৰো প্ৰতিফলিত কৰা হৈছে য'ৰ পৰা তেওঁলোক গনবিচ্ছিন্ন হ'বলৈ,স্বাধীনতাকামী এটা সংগঠনৰ পৰা এটা হত্যাকাৰীৰ সংগঠনলৈ ৰূপান্তৰিত হ'ব ধৰিছিল। গ্ৰন্থখনৰ শেষৰফালে সংগঠনটোৰ নেতাৰ পত্নীয়ে কোৱা কথাবোৰ প্ৰকৃততে অসমৰ জনগণৰ সংগঠনটোৰ প্ৰতি থকা ক্ষোভৰ বৰ্হিপ্ৰকাশ, ৰাইজে কৰিব বিচৰা প্ৰশ্নৰ সমষ্টি। সংগঠনটোৰ সদস্যৰ মাজত আত্মবিশ্লেষনৰ এক পৰিৱেশ গঢ়ি তোলা এটি পোহৰ পোহৰ সময়ত শেষ হোৱা উপন্যাসখনত ৰীতা চৌধুৰীয়ে সামাজিক অৱক্ষয়ৰ এচোৱা কালক ফুটাই তুলিবলৈ প্ৰয়াস কৰিছে যদিও ব্যক্তিগত দৃষ্টিভংগীৰে অনুভৱ হয় যে তেখেতে জনগনৰ আবেগ আৰু ক্ষোভক সম্পূৰ্ণৰূপে ফুটাই তোলাত কিছু পৰিমাণে ব্যৰ্থ হৈছে। ইয়াৰ কাৰণ হিচাপে মূলতঃ তুলনামূলকভাৱে দুৰ্বল শব্দৰ ব্যৱহাৰকেই ক'ব পাৰি। তথাপিও অসমৰ সামাজিক পট পৰিৱৰ্তনৰ সময়চোৱাৰ খণ্ডচিত্ৰ পৰৱৰ্তী প্ৰজন্মসমূহক জনোৱাৰ উদ্দেশ্যত তেওঁ নিঃ সন্দেহে একক আৰু অনন্য।

মায়াবৃত্ত - প্ৰকাশক - জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ - ডিচেম্বৰ-২০১২, মূল্য - ৩২০ টকা

ৰীতা চৌধুৰীয়ে এটি সাক্ষাৎ কাৰত কৈছিল, মই মানুহক যিখিনি কল্যাণৰ কথা, মহাজীৱনৰ কথা, মানৱতাৰ কথা ক'ব বিচাৰো সেই সমস্তখিনিক থূপ খুৱাই মায়াবৃত্ত লিখিছোঁ। ইয়াৰ পিছত মোৰ কলম বন্ধ হৈ গ'লেও মোৰ কোনো আক্ষেপ নাথাকিব। মায়াবৃত্ত এনে এখন উপন্যাস যিয়ে মহত্ত্বৰ জীৱনৰ কথা কয়, কেৱল আৰু কেৱল কল্যানৰ কথা কয়, সুদীৰ্ঘ নিঃসংগতাক জয় কৰি সহজ জীৱনলৈ ঘূৰি অহাৰ কথা কয়, আনে মাৰি পেলাব বিচাৰিলেও দৃঢ় সংকল্প লৈ জীয়াই থকাৰ বাট বিচাৰি উলিওৱাৰ কথা কয়, ওখ গছ হোৱাৰ কথা কয়। মানুহক হাতত ধৰি মৃত্যুৰ দুৱাৰদলিৰ পৰা জীৱনমুখীতালৈ বাৰে বাৰে ওভতাই আনিব পৰা গ্ৰন্থখনৰ কেন্দ্ৰীয় চৰিত্ৰ নীৰা (পুতি) জীৱনমুখীতাৰ প্ৰতীক, যুদ্ধভূমিৰ পাকৈত যোদ্ধাৰ প্ৰতীক যিয়ে কেতিয়াবা পাঠকক চক্ৰবেহু ভঙাৰ কৌশল শিকাইছে, কেতিয়াবা তেজীমলা হৈ জীয়াই থাকিব বুলি বদ্ধপৰিকৰ হোৱাৰ কথা কৈছে, কেতিয়াবা প্ৰকৃতি হৈ গছ-লতা, তৰু-তৃণ, প্ৰাণীকুলক ৰক্ষা কৰাৰ কথা কৈছে। নাৰীক শৈশৱতে কল্যাণৰ পথৰ কথা কোৱা তাই সখা সুবৰ্ণ আৰু নাৰীক শৈশৱতে কল্যাণৰ পথৰ কথা কোৱা তাই সখা সুবৰ্ণ আৰু নাৰীৰ নিৰ্ভেজাল বন্ধুত্ব (ভালপোৱা) উপন্যাসখনৰ মূল বিষয় বস্তু। প্ৰখ্যাত সাহিত্যিক নীৰাই গংগা নদীৰ উৎপত্তিস্থল গোমুখলৈ যোৱা এটি দীঘলীয়া যাত্ৰা, যাত্ৰাৰ সহযোগীসকলৰ জীৱনৰ ঘটনা প্ৰৱাহ আৰু নীৰাৰ অতীত সোঁৱৰণৰ সময়- চোৱাক সামৰি 'মায়াবৃত্ত' খন ৰচনা কৰা হৈছে। সুযোগ বুজি লেখকে টেহৰী বান্ধ আৰু ইয়াৰ ফলত উচ্ছেদিত লোকৰ দুৰ্দশা, চিপ্‌কো আন্দোলন, খাপ পঞ্চায়ত আদিৰ দৰে সামাজিক সমস্যাও বিশদভাৱে উপস্থাপন কৰিছে। সাহিত্যিক হিচাপে চৌধুৰীৰ অন্যতম শ্ৰেষ্ঠতা হৈছে তেওঁৰ কলম সামাজিক সমস্যাসমূহৰ বিৰুদ্ধাচাৰণ কৰিবলৈ সংকুচিত নহয়। উপন্যাসখনৰ পাতে পাতে আছে সাহিল, নীহাৰ, বান্টি, সঞ্জুহঁতৰ দৰে পাহাৰপ্ৰেমী এজাক অৰুণৰ জীৱনবোধ, সশস্ত্ৰ সংগ্ৰামীয়ে নৃশংসবাৰে হত্যা কৰা অমৃতাৰ যন্ত্ৰণা, আৰ্ণণ্ডে দেৱভূমি হিচাপে ভাৰতবৰ্ষক কৰা বিশ্বাস, সনাতন ভাৰতীয় প্ৰমূল্যবোধৰ যুক্তিনিষ্ঠ বিশ্লেষণ, সুবৰ্ণৰ

আজ্ঞাবাহী সুহৃদ ৰাজৰ্ষিৰ নীৰাৰ প্ৰতি থকা আন্তৰিকতা, ডেনিয়েলৰ সুগভীৰ বন্ধুত্ব, ব্ৰজেনে গঢ়ি দিব বিচৰা প্ৰাচীৰবোৰ, সেই প্ৰাচীৰভেদি বুকুত হীৰকখণ্ড লৈ ওলাই অহা অদম্য সাহসী নীৰা, সঞ্জীৱনী সুধা ৰোহী আৰু জিৰিৰ অনেক সজীৱ তথা ক্লেদান্ত মুহূৰ্তবোৰ। যাত্ৰাৰ শেষত গোমুখত উপস্থিত হৈ শৈশৱৰ সপোন পূৰ কৰাৰ ক্ষণতে এই উপন্যাসখন শেষ হৈছে। পোহ নমনা, মাত্ৰ স্বাধীনভাৱে জীয়াই থাকিব বিচৰা, মহাজীৱনৰ পথিক হ'ব বিচৰা নীৰাই লিখিছিল- " আকৌ যাত্ৰা আৰম্ভ হৈ গ'ল বেলি বুৰ যাওঁ যাওঁ পৰত।

আজি জোনাকৰ মধ্য ৰাতি। আজি জীৱনৰ উৎসৱ.
মোৰ কোনো উপহাৰ নাই জীৱনক দিবৰ বাবে।
আছে যদি, যদি কবা আছে
গৰ্ভৰ অন্ধকাৰত ফচিল হৈ যোৱা এক স্বপ্ন।
এই ফচিল মই কঢ়িয়াওঁ লৈ ফুৰোঁ, লৈ ফুৰোঁ
বেদুইন মানুহৰ বাধাহীনতাৰ সতে সলনি কৰিম বুলি
স্বাধীন দেশৰ বন্ধুবোৰৰ পৰা খুজিম বুলি
দুটোপাল মহাৰ্ঘ সঞ্জীৱনী।" (২৬৮-২৬৯ পৃষ্ঠা)

"জীৱন জানো তুচ্ছ কষ্টত নষ্ট হোৱা বিষয়?" (১৫১ পৃষ্ঠা) বুলি জীৱনৰ উপাসনা কৰা ড° চৌধুৰীৰ মায়াবৃত্তই যুগৰ পিছত যুগ ধৰি মানুহক কল্যাণৰ পথৰ কথা ক'ব।

হৃদয় নিৰুপায়, প্ৰকাশক - জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, মে', ২০০৩, মূল্য - ৯০ টকা

এই উপন্যাসখন ১৯৯৬ চনত 'জনমভূমি কাকত'ৰ পূজা সংখ্যাৰ আলোচনীত প্ৰকাশিত হৈছিল অন্তঃস্ৰোতা নামেৰে। 'হৃদয় নিৰুপায়' তাৰেই এক পৰিবৰ্দ্ধিত ৰূপ। উপন্যাসখনৰ কাহিনীভাগ আৰম্ভ হয় মধ্যবিন্দুত য'ৰ পৰা লেখকে সত্যৰ পোহৰ পেলাই চায় সুশৃংখলিত হৈ থকা তিনিটা সুন্দৰ, নিষ্পাপ জীৱন কিদৰে তচ্ নচ হৈ গৈছিল আকাংক্ষাৰ ধূলি-ধুমুহাত আৰু কিদৰে ওৰেটো জীৱন দুজন মেডিকেল কলেজৰ ছাত্ৰই কটাইছিল অৰ্ন্তদহনত। লেখকে উপন্যাসখন আৰম্ভ কৰিছে মেডিকেল কলেজৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ অমলৰ অৰ্ন্তদহনৰ কোনো এক জটিল সন্ধিক্ষণত। তাৰ পিছত তেখেতে বৰ্ণনা কৰে কিদৰে ইপ্সিত প্ৰেম নাপায় কৈশোৰ অমল হিংস্ৰ হৈ পৰে, কিদৰে সৌৰীণৰ দেউতাকৰ অবৈধ সম্পৰ্কৰ ফচল মলয়াক সৌৰীণৰ প্ৰেমৰ পাত্ৰী বুলি ভুল কৰি প্ৰতিহিংসাৰ জুইত দগ্ধ হৈ মলয়াক ধৰ্ষণ কৰে আৰু পৰৱৰ্তী সময়ত পিতৃত্বৰ বোজা ল'বলৈ অপাৰগ হৈ ফিটেক্স জেলীৰ খালী টিউবেৰে অবৈধ গৰ্ভপাত কৰাই তাইক মৃত্যু উপত্যকালৈ ঠেলি দিয়ে, কিদৰে পিছত মলয়াৰ শৰীৰটো এনাটমী হলত জ্ঞান আহৰণৰ মাধ্যম হিচাপে লোৱাৰ পিছত তাইৰ হেড, নেক, থ'ৰাক্স, আপাৰ এব্‌ড'মেন, নাৰ্ভ, ভেইন, লিগামেন্ট আদি কাটিবলৈ লৈ অমল বিভ্ৰান্ত হৈ পৰে, কিদৰে এজন প্ৰখ্যাত ডাক্তৰ হৈও অমলে গোটেই জীৱন ধৰ্ষনকাৰীৰ মনোকষ্ট কঢ়িয়াই ফুৰে, কিদৰে সৌৰীনে প্ৰকৃত সত্য জানিব নোৱাৰি এটা বেহিচাপী জীৱন কটায়। উপন্যাসখনৰ জৰিয়তে ঔপন্যাসিকে এজন ধৰ্ষণকাৰীৰ মনস্তত্ত্বৰ ওপৰত ৰেখাপাত কৰিববলৈ এক ক্ষুদ্ৰ চেষ্টা চলাইছে। মোৰ দৃষ্টিত কিতাপখনৰ সকলোতকৈ আকৰ্ষণীয় দিশটো হৈছে মধ্যবিন্দুৰ পৰা জন্ম হোৱা কাহিনীভাগ, য'ৰ পৰা লেখকে অতীতৰ পৰা ভৱিষ্যতলৈ কৰা এক দীঘলীয়া যাত্ৰাৰ যোগেদি সমস্ত ঘটনা বিৱৰিত্ত শেষ শাৰীটো পৰ্যন্ত পাঠকৰ উৎকণ্ঠা বৰ্তাই ৰাখিব পাৰিছে। মেডিকেল কলেজৰ পৰিসীমাৰ অন্তৰ্ভুক্ত নোহোৱা পাঠকৰ বাবেও মেডিকেল কলেজৰ পটভূমিত ৰচিত উপন্যাসখন বোধগম্য কৰি তুলিব পৰাটোৱেই চৌধুৰীৰ সাহিত্যিক দক্ষতাৰ আকৰ।

বিভ্ৰান্ত বাস্তৱ, প্ৰকাশক - দ্যপেন, মূল্য - ২০০ টকা

বিভ্ৰান্ত বাস্তৱো লেখকৰ অন্য কিতাপৰ দৰেই এখন জীৱনমুখী কিতাপ। কিতাপখনত গায়ত্ৰী নামৰ এজন সাধাৰণ ছোৱালীৰ অসাধাৰণ উত্তৰণ আৰু জীৱনক জয় কৰাৰ অদম্য শক্তিক হৃদয়স্পৰ্শী ৰূপত উপস্থাপন কৰা হৈছে। উপন্যাসখনত মফচলীয়া চহৰত মাক-দেউতাক আৰু আত্মীয়ৰ প্ৰশংসাৰে ধন্য হোৱা, সৰু সৰু কথাতে হাঁহিত ফাটি পৰা অথবা কান্দোনত জঁয়পৰি যোৱা ছোৱালী গায়ত্ৰী কেন্দ্ৰীয় চৰিত্ৰ; যাক যৌৱনৰ প্ৰাক্‌ক্ষণতে এটি প্ৰতিশোধ পৰায়ণ মনে ঠেলি দিছিল নৰকৰ এন্ধাৰ সুৰং-গলৈ। এটি অসভ্য, মুখৰোচক কাহিনীৰ কেন্দ্ৰীয় চৰিত্ৰ হৈ পৰা গায়ত্ৰীৰ সেই ক্লেদাক্ত সময়খিনিতে এটি ভেঁটিহীন পৰিচয় গঢ় লৈ উঠে। এই যুদ্ধৰ দিনবোৰতে গায়ত্ৰীৰ হাতত সন্দীপনে দি গৈছিল ভাল পোৱাৰ মহাসাগৰখন, যিয়ে পিছলৈ গায়ত্ৰীক দিছিল জীৱনীশক্তি। বিচ্ছিন্ন হৈও সন্দীপন থাকি গৈছিল গায়ত্ৰীৰ মনৰ ওচৰত, আমেৰিকা বহুদূৰ হৈও সন্দীপন তেনেই ওচৰেৰে আছিল। যুদ্ধৰ দিনবোৰ নিপুন সৈনিকৰ দৰে পাৰ কৰি গায়ত্ৰী হৈ পৰিছিল উচ্চপদস্থ পুলিচ বিষয়া, প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক তথা তাইৰ দৰেই ষড়যন্ত্ৰৰ বলি হোৱা মানুহক জীৱনহীনতাৰ পৰা জীৱনলৈ ঘূৰাই আনিব পৰা জীৱনলৈ ঘূৰাই আনিব পৰা এগৰাকী অভিভাৱক। সেই সূত্ৰেই কাহিনীলৈ শিখাৰ আগমন। শিখাও আহিছিল বিপ্লৱ কৰিববলৈ সপোন দেখুৱাই তাইক নষ্ট কৰি পেলোৱা ঘৃণনীয় অতীত লৈ। শেষত শিখাই হাতত তুলি লয় পোহৰৰ পতাকা আৰু আৰম্ভ কৰে পোহৰৰ যজ্ঞ। মঞ্জুও এই এন্ধাৰৰ পথেৰেই আহিছিল। উপন্যাসখনত গায়ত্ৰীয়ে নিজৰ জীৱনক লৈ এখন চিনেমা বনোৱাৰ প্ৰসংগক লৈ কাহিনীভাগ আগবাঢ়িছে। এটা ৰাতি গায়ত্ৰীয়ে অতীতলৈ ঘূৰি যোৱাৰ সময়তে আৰম্ভ হোৱা উপন্যাসখন শেষ হৈছিল পিছদিনা

প্ৰায় আবেলি সময়ত গায়ত্ৰীৰ অতীত আৰু বৰ্তমানৰ অনেক উত্থান-পতনৰ ইতিহাসৰ সাক্ষী সময়বোৰ সামৰি। অথচ চিনেমাখনত উপস্থাপিত হোৱা নাছিল বাস্তৱৰ আঁৰৰ বাস্তৱবোৰ মুখাৰ আৰৰ মুখবোৰ, সত্যৰ আৰৰ সত্যবোৰ। চিনেমাখনত গায়ত্ৰীয়ে মাত্ৰ দাঙি ধৰিছিল সনাতন প্ৰমূল্যবোধ, মানবীয়তাৰ আখ্যান, মমতাৰ বাণী। এখন আধৰুৱা চিনেমাৰ স্ক্ৰীপ্ট, জীৱনৰ নিৰ্মম বাস্তৱ আৰু বিষময় অতীতৰ পৰা অবিমিশ্ৰ ভালপোৱাৰে সাফল্য শিখৰলৈ যোৱা এটা জীৱনৰ কথাৰে লিখা উপন্যাসখন ভাষাতীতভাৱে ধুনীয়া।

ৰীতা চৌধুৰীৰ কলমে সদায়ে পোহৰৰ কথা কয়, অদম্য জীৱনমুখীতাৰ কথা কয়, নিজৰ ঊৰ্ধ্বলৈ যোৱা ভালপোৱাৰ কথা কয়, আত্মবিশ্বসৰ কথা কয়, ক্ষমাৰ কথা কয়, মানবীয়তাৰ কথা কয় আৰু সেইবাবেই হয়তো পাঠকৰ বাবেও তেখেতৰ কাৰণে হৃদয়ৰ এচুকত ঘৰ সাজিবলৈ সহজ হয়।

মহাজীৱনৰ আধাৰশিলা, প্ৰকাশক- জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ - ১৯৯৩, মূল্য - ১০০ টকা

'মহাজীৱনৰ আধাৰশিলা' 'দৈনিক অসম' কাকতৰ দেওবৰীয়া সংখ্যাত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। সমাজে নিয়মৰ শিকলি পিন্ধাই ডাষ্টবিনলৈ দলিয়াই দিয়া পাঁচজন পথচ্যুত তৰুণ আৰু তেওঁলোকক শুদ্ধ পথলৈ ওভতাই অনাৰ সংগ্ৰামত ব্ৰতী হোৱা অদম্য সাহসী নাৰী বৰষা, যাক সমাজে সাহসিকতাৰ পুৰস্কাৰ হিচাপে নিৰ্বাসিত কৰিছিল সমাজৰ পৰা; সেই সংগ্ৰাম আৰু সেই মানুহকেই গৰাকীৰ জীৱনৰ আধাৰশিলা'। অসম আন্দোলনৰ মোহভংগ আৰু তাৰপৰৱৰ্তী সময়ত সশস্ত্ৰ বিপ্লৱৰ নতুন ধাৰাই মানুহৰ মাজত জন্ম দিয়া উন্মাদনা, দ্বিধা - সংকোচ, তৰুণৰ ওপৰত ইয়াৰ প্ৰভাৱ আদি বিষয়ক অতি সুন্দভাৱে তুলি ধৰা হৈছে। স্খলিত তৰুণক স্খলনৰ অতি স্পৰ্শকাতৰ কাৰণসমূহ বিশ্লেষণ কৰাৰ ক্ষেত্ৰত চৌধুৰীৰ দক্ষতা অতুলনীয়। চৌধুৰীয়ে মহাজীৱনৰ আধাৰশিলা গ্ৰন্থখনৰ জৰিয়তে প্ৰকৃত বিপ্লৱৰ সংজ্ঞা বুজাব বিচাৰিছে যেন মোৰ ভাব হয়। যি বিপ্লৱে কেৱল আত্মকেন্দ্ৰিক নহৈ মানুহক আনৰ কথা ভাবিবলৈ বাধ্য কৰায়, যি বিপ্লৱ কৰিবলৈ কোনো অত্যাধুনিক মৰণাস্ত্ৰৰ, কোনো দীঘল শোভাযাত্ৰাৰ প্ৰয়োজন নহয়, যি বিপ্লৱ দশকৰ পিছত দশক ধৰি মানুহৰ বুকুৰে বুকুৰে চলি থাকে তেনে এক বিপ্লৱৰেই পোষকতা উপন্যাসখনে কৰিছে। বৰষা নামৰ শক্তিশালী নাৰী গৰাকীৰ হাতত ঔপন্যাসিকে তুলি দিছে সেই যুগজয়ী বিপ্লৱৰ পতাকা। হৃদয়ৰ পৰা সঁচা বিপ্লৱ সংঘটিত হোৱাৰ পোষকতা কৰাৰ অজুহাত লৈয়েই লেখকে লিখিছে - "জীৱনক জানিবৰ কাৰণে অজুহাত লৈয়েই লেখকে লিখিছে - "জীৱনক জানিবৰ কাৰণে মই এদিন ঘৰৰ চাৰিসীমা পাৰ হৈ বাটৰুৱা মানুহৰ অসহজ জীৱন গ্ৰহণ কৰিছিলো। জীৱন নামৰ এই অনন্ত ব্যাপ্তিৰ সীমা জুখিবলৈ গৈ মানুহে হাতত সোণ লৈছে, অস্ত্ৰ লৈছে, শৰীৰ লৈছে। কিছু দূৰ গৈ পথহীনৱৰ্তত বন্দী হৈ গৈছে মানুহ। হৃদয়ক হাতত লৈ মই সেই সীমা বিচাৰি গৈছিলো। সীমা দেখিলো নিজৰ বুকুৰ ভিতৰত সেই আকাশ, সেই ব্যাপ্তি। সেই আকাশৰ তলত মানুহৰ ঘৰ। ঘৰ তেজত নাই, ঘৰ সোনত নাই, ঘৰ যুদ্ধত নাই। ঘৰ ইয়াত বুকুৰ ভিতৰত। সকলোৱে য'ৰ পৰা আৰম্ভ কৰিছে তাৰ শেষ ঠাই এই বুকুখন। সকলো যাত্ৰা সমাপ্ত কৰি, সকলো স্বপ্ন শেষ কৰি বুকুৰ ঘৰলৈ মানুহ এদিন উভতি আহিবই লাগিব। বুকুৰ ভিতৰত যে হৃদয়, হৃদয়ৰ ভিতৰত যে আকাশ, আকাশৰ তলতেই যে হৃদয়, হৃদয়ৰ ভিতৰত যে আকাশ, আকাশৰ তলতেই যে মানুহৰ পৃথিৱী।" চৌধুৰীয়ে বুকুত কঢ়িয়াই লৈ ফুৰা মহাজীৱনৰ সপোন প্ৰতিজন পাঠকৰ চকুতো ৰোপিত কৰাৰ স্বাৰ্থতেই তেওঁ তুলি লৈছিল কলম আৰু লিখিছিল মহাজীৱন গঢ়াৰ দস্তাবেজ।

ৰীতা চৌধুৰীৰ অগতানুগতিক প্ৰকাশ শৈলী, কাব্যসুবাসী গদ্যৰীতি, বৈচিত্ৰ্যপূৰ্ণ আঙ্গিকৰ ব্যৱহাৰে তেখেতৰ প্ৰতিখন উপন্যাসকে এক সুকীয়া স্থানলৈ লৈ গৈছে। তেখেতৰ প্ৰতিখন গ্ৰন্থৰে বিষয়বস্তু নিৰ্বাচন সঁচা অৰ্থত শলাগিবলগীয়া। সমাজৰ ৰ'দ নপৰা ঠাইত শেলুৱৈ গজি উঠিব ধৰা সত্যবোৰক তেখেতৰ কলমে নিৰ্ভীকভাৱে দাঙি ধৰিব পাৰে আৰু এগৰাকী সাহিত্যিকৰ সফলতাৰ মাপ ইয়াতেই নিৰ্ণিত হয়। সামাজিক সমস্যা তথা অৱক্ষয়ৰ বিৰুদ্ধাচাৰণেই হওঁক, অথবা নিৰ্মোহ, সামাজিক, ৰাজনৈতিক তথা ঐতিহাসিক বিশ্লেষণেই হওঁক অতি নিখুঁতভাৱে পাৰিপাৰ্শ্বিকতাৰ লগত সংগতি মিলাই চৌধুৰীয়ে উপন্যাসত বৰ্ণাব পাৰে। যিহেতু ৰীতা চৌধুৰী মূলতঃ কবি সেয়েহে তেখেতৰ উপন্যাসত প্ৰায়ে টুকুৰা-টুকুৰ কবিতা দৃষ্টিগোচৰ হয়। কিন্তু চৌধুৰীৰ কলমে কাহানিও একনায়কত্ববাদী শাসনকৰ্তাৰ দৰে নিজৰ বিচাৰ পাঠকক জাপি দিব বিচৰা নাই। তেখেতে পাঠকক স্বনিৰ্বাচনৰ স্বাধীনতা দিছে। তেওঁ মাত্ৰ পথ প্ৰদৰ্শকহে, নিদেৰ্শক নহয়। অসমীয়া পাঠকক দশকৰ পিছত দশক ধৰি মোহাচ্ছন্ন কৰি ৰখা ৰীতা চৌধৰীৰ কলমৰ চিঞাহীয়ে সদায়ে, পোহৰৰ, জীৱনৰ, অদম্য সাহসৰ, আত্মবিশ্বাসৰ, প্ৰকৃতিৰ, নিজৰ ঊৰ্ধ্বলৈ যোৱা ভালপোৱাৰ উপাসনা কৰক, সেয়াই কাম্য।■

# তুলনামূলক সাহিত্য আৰু স্বৰূপ

**কৃতিকা গোস্বামী**
*স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

তুলনাত্মক সাহিত্য শব্দটি ইংৰাজী Comparative Literatureৰ সমাৰ্থক হিচাপে গ্ৰহণ কৰা হৈছে। তুলনামূলক সাহিত্য হ'ল সাহিত্য বিচাৰৰ এটা পদ্ধতি। এই পদ্ধতিৰে সাহিত্যক বিচাৰ



কৰিলে, সেই সাহিত্যৰ বিষয়ে স্পষ্ট ধাৰণাৰ সৃষ্টি হয়। অৰ্থাৎ কোনো এটা বিষয় সম্পৰ্কে স্পষ্টতা আহে তুলনাৰ দ্বাৰা। অৱশ্যে তুলনামূলক সাহিত্যৰ কোনো এটা নিৰ্দিষ্ট সংজ্ঞা নাই বা এতিয়ালৈকে সংজ্ঞা নিৰূপণৰ বাবে কোনোৱে প্ৰয়াসো কৰা নাই। ইয়াৰ লক্ষণ, প্ৰয়োজনীয়তা, ইতিবাচক দিশ আদিৰ আলোচনাৰ যোগেদি তুলনামূলক দৃষ্টিভংগীটোৰ প্ৰাসংগিকতা বিচাৰ কৰি অহা হৈছে।

দুটা ভিন্ন বা একে সাহিত্য কৰ্মক শৃংখলাবদ্ধভাৱে তুলনা কৰা হয় তাক তুলনামূলক সাহিত্য বোলে। তুলনামূলক সাহিত্য চুটিগল্প, উপন্যাস, নাটক, কবিতা আদিৰ দৰে কোনো সৃষ্টিশীল সাহিত্যৰ বিভাগ নহয়। সাদৃশ্য আৰু ভিন্নতা প্ৰদৰ্শনৰ বাবে এটা ভাষা বা জাতিৰ সাহিত্যৰ লগত আন এটা ভাষা বা জাতিৰ সাহিত্যৰ তুলনা নাইবা এজন লেখকৰ সাহিত্য কৰ্মৰ সংস্পৰ্শলৈ যোবা আন এজন লেখকৰ সাহিত্য কৰ্মৰ তুলনা আদিয়ে এই তুলনামূলক সাহিত্য অধ্যয়নৰ মূল বিষয়। এই সাহিত্যৰ মূল ভেটি তুলনা। ই হঠাৎ হোৱা তুলনা নহয়, এটা সৃজনৰ দ্বাৰা হোৱা তুলনাহে।

তুলনামূলক সাহিত্য বিষয়টোৱে ইউৰোপত জন্মলাভ কৰিছিল। ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিতহে এক সুকীয়া বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল যদিও ষষ্ঠদশ শতিকাতে তুলনামূলক সাহিত্যৰ বীজ ৰোপিত হৈছিল। এই সময়ছোৱাত বেপাৰ বাণিজ্যৰ খাতিৰত পৃথিৱীৰ ইখন ঠাইৰ পৰা সিখন ঠাইলৈ ঘূৰিবলৈ লোৱা ইউৰোপীয় জাতিসমূহে ভাৰত, চীন, জাপান আদি পূব এছিয়াৰ দেশসমূহৰ সংস্পৰ্শত এই দেশসমূহৰ জ্ঞান ৰাশিৰ সম্ভেদ লাভ কৰে। দ্বিতীয়তে, পৃথিৱীৰ বিভিন্ন ভাষা সমূহৰ বিষয়ে কৰা অধ্যয়ন তথা গৱেষনাই ইন্দো ইউৰোপীয় ভাষা পৰিয়ালৰ তথ্য যোগান ধৰাৰ লগতে এই বৃহৎ ভাষা পৰিয়ালৰ অন্তৰ্গত হোৱা সূত্ৰে ইউৰোপৰ ভাষা আৰু ভাৰতৰ সংস্কৃত ভাষা একেমূলীয় হোৱাৰ দৰে তথ্য আৱিস্কৃত হ'ল। তৃতীয়তে বিশ্বৰ বৈজ্ঞানিক আৱিস্কাৰসমূহে পৃথিৱীৰ মানুহক ওচৰ চপাই আনিবলৈ সক্ষম হ'ল। গতিকে যিকোনো সত্যৰ সাৰ্বজনীনতা সহজবোধ্য হ'বলৈ

ধৰিলে।

'তুলনামূলক সাহিত্য' এই পৰিভাষা মেথিউ আৰ্নল্ডয়েই ১৯৪৮ চনত প্ৰথমে ব্যৱহাৰ কৰিছিল যদিও ১৮১৬ চনত ফৰাচী সাহিত্য সমালোচকসকলে সাহিত্যৰ পাঠ্যক্ৰমৰ কাৰণে"দ্য লিটাৰেচাৰ কথেপয়াৰি" নামৰ এটি সংবাদন প্ৰকাশ কৰিছিল। ইয়াৰ পাছত ১৮২৭ চনত এবেল ফ্ৰেমকাজ ভিলে মেইনে ফৰাচী ভাষাত তুলনামূলক পৰিভাষাটো প্ৰয়োগ কৰে। এই ফৰাচী পদটোক ১৮৪৮ চনত মেথিউ আৰ্নল্ডে ভনীয়েকলৈ লিখা এখন ব্যক্তিগত চিঠিত এই পৰিভাষাটো প্ৰয়োগ কৰে। জৰ্জ ছেইনবেৰীলে আনৰ্ল্ডেক তুলনামূলক সাহিত্যৰ গুৰুত্ব অনুধাবন কৰা প্ৰথমজন সমালোচক বুলি স্বীকৃতি দিছে। তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ অৱ পয়েট্ৰি হিচাপে প্ৰদান কৰা প্ৰথম বক্তৃতাত উল্লেখ কৰিছিল-

"কোনো একক পৰিঘটনা অথবা একক সাহিত্যকতাৰ লগত সম্পৰ্কিত আন পৰিঘটনা অথবা সাহিত্যৰ পৰা নিলাগাই বিচাৰ কৰিলে, তাক যথাৰ্থৰূপত অনুধাবন কৰিব নোৱাৰি।"

ইয়াৰ পিছত তুলনামূলক সাহিত্যৰ অধ্যয়নত অৰিহণা যোগালে এইচ এম পচনেটে ১৮৮৬ চনত গ্ৰন্থ প্ৰকাশৰ জৰিয়তে। তাৰ পিছত বিংশশতিকাৰ প্ৰথমাৰ্ধত এই বিষয়টোৱে বিস্তৃতি লাভ কৰিছে।

তুলনামূলক সাহিত্য বিদ্যায়তনিক অনুশাসন। চিন্তা জগতলৈ অহা এনে পৰিবৰ্তনে ইউৰোপীয়সকলৰ মাজত তিনি ধৰণৰ ধাৰণাৰ বিকাশ ঘটালে -

ক) পৃথিৱীৰ সমগ্ৰ মানৱ জাতি এক

খ) ইউৰোপৰ বাহিৰৰ পৃথিৱীৰ অন্যান্য ঠাইবোৰতো অধ্যয়ন, আলোচনা কৰিব পৰা বিষয় আছে।

গ) সাহিত্যৰ সাৰ্বজনীন আবেদন আছে।

এনে ধাৰণাসমূহৰ পৰিণতিস্বৰূপে ইউৰোপৰ সাহিত্য অধ্যয়নৰ ব্যৱহাৰিক জগতলৈ পৰিৱৰ্তন আহিল। তেওঁলোকৰ সাহিত্য অধ্যয়নৰ দৃষ্টিভংগীৰ ক্ষেত্ৰলৈ অহা কেইটামান পৰিৱৰ্তন এনে ধৰণৰ-

ক) সাহিত্য হৈছে সাৰ্বজনীন মানৱীয় ভাব অনুভূতিৰ প্ৰকাশ

খ) সাৰ্বজনীন অনুভূতি ব্যক্ত হোৱা হেতুকে সাহিত্য মাত্ৰেই এক। সাহিত্যক ভৌগলিক, ভাষিক অথবা ৰাষ্ট্ৰীয় সীমাৰে আবদ্ধ কৰি ৰখা অযুক্তিকৰ।

গ) সাহিত্য সম্পৰ্কীয় অধ্যয়ন একো একোটা ভাষিক অথবা ৰাষ্ট্ৰীয় পৰম্পৰাৰ বাহিৰলৈও বিস্তৃত হোৱা উচিত।

এনে পৰিবৰ্তিত দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত ইউৰোপীয়সকলে প্ৰথমে বিভিন্ন ইউৰোপীয় সাহিত্য (যেনে-ফ্ৰান্স, জাৰ্মেনি ইংলেণ্ড, ইটালি আদিৰ ভাষাৰ সাহিত্য) ক এক সাহিত্য বুলি ধৰি লৈ সাহিত্যৰ তুলনামূলক অধ্যয়নৰ গুৰুত্ব প্ৰদান কৰিলে। এনেদৰে ইউৰোপৰ বিভিন্ন সাহিত্যিক পৰম্পৰা সম্পৰ্ক জড়িত কৰি অধ্যয়ন কৰাৰ পৰাই তুলনামূলক সাহিত্যৰ ধাৰণাৰ আৰম্ভণি ঘটে।

বৰ্তমান তুলনামূলক সাহিত্যই এক স্বতন্ত্ৰ বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। আমেৰিকাৰ কাৰনেলবিশ্ববিদ্যালয়ত পৃথিৱীৰ ভিতৰত প্ৰথমবাৰৰ বাবে উনবিংশ শতিকাৰ তৃতীয় দশকত তুলনামূলক সাহিত্যৰ সুকীয়া বিভাগ প্ৰতিষ্ঠা কৰা হয়। লগে লগে বিষয়টোৱে স্বতন্ত্ৰ বিষয় হিচাপে প্ৰতিষ্ঠা লাভ কৰে। পৰৱৰ্তী কালত পৃথিৱীৰ বিভিন্ন দেশ একাধিক বিশ্ববিদ্যালয়ত সুকীয়া বিভাগ হিচাপে অন্তৰ্ভুক্ত হৈ বিকাশ আৰু সমৃদ্ধি লাভ কৰিছে।

১৯০৭ চনত ভাৰতীয় সাহিত্য পৰিষদে ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা "Comparative Literature " শীৰ্ষক ভাষণ প্ৰদান কৰোৱাইছিল। তেওঁ "Comparative Literature "ৰ ঠাইত "বিশ্বসাহিত্য" শব্দৰ প্ৰয়োগ কৰে।

১৯৫৬ চনত কলিকতাৰ যাদবপুৰ বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক বিশিষ্ট নগেন শইকীয়াৰ উদ্যোগত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত তুলনামূলক সাহিত্য অন্তৰ্ভুক্ত হয়।

১৯৮৯ চনত প্ৰকাশ পোৱা গুৱাহাটী বিশ্বব্যিালয়ৰ অধ্যাপক প্ৰফুল্ল কটকীৰ "তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ" শীৰ্ষক গ্ৰন্থখন হৈছে অসমীয়া ভাষাত প্ৰকাশিত তুলনামূলক সাহিত্য সম্পৰ্কীয় প্ৰথমখন তাত্ত্বিক গ্ৰন্থ।

বৰ্তমান সময়ত পৃথিৱীৰ বিভিন্ন দেশলৈ তুলনামূলক সাহিত্যৰ চিন্তা-চৰ্চা প্ৰসাৰিত হৈছে।

তুলনামূলক সাহিত্য হ'ল প্ৰকৃতাৰ্থত সাহিত্যক উপলব্ধি কৰিবৰ বাবে কৰা এক অধ্যয়ন পদ্ধতি। এনে অধ্যয়নৰ যোগেদি পৃথিৱীৰ বিভিন্ন সাহিত্যকৰ্মৰ পৰম্পৰ সাদৃশ্য, বৈসাদৃশ্য আদি সম্পৰ্কে অধ্যয়নৰ লগতে পৃথিৱীৰ অন্তৰৰ সাহিত্য সম্পৰ্কে সম্যক জ্ঞান লাভ কৰাৰ উপৰিও তেনে সাহিত্য সমূহৰ ৰসাস্বাদনো কৰিব পাৰি। কবিতা, চুটিগল্প, উপন্যাস, এখন ছবি, সংস্কৃতি আদি যিকোনো বিষয়েই তুলনামূলক সাহিত্যৰ বিষয় হ'ব পাৰে। দৰাচলতে তুলনামূলক সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত কোনো বাধ্য-বাধকতা নাথাকে।

তুলনামূলক সাহিত্য অনুষ্ঠানটিৰ বিকাশৰ ইতিহাসত সময় আৰু ভৌগলিক ব্যৱধানে তত্ব আৰু প্ৰয়োগৰ দিশত কেতবোৰ বিশিষ্ট লক্ষণ প্ৰকট কৰি তুলিছে। এনেবোৰ বৈশিষ্ট্যৰ ভিত্তিতে তুলনামূলক সাহিত্য অধ্যয়নৰে বিভিন্ন স্কুল বা শাখা গঢ় লৈ

উঠিছে। ফ্ৰান্স, জাৰ্মান, ফৰাচী, আমেৰিকান, কানাডিয়ান, চীন, ৰুচ আদি ভাষাত তুলনামূলক সাহিত্য অধ্যয়নৰ স্কুল স্থাপিত হৈছে। তুলনামূলক সাহিত্যৰ ধাৰাটোক এক বিদ্যালয়তনিক অনুশাসন ৰূপে প্ৰতিষ্ঠা কৰাত এই স্কুলসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে-

**ফ্ৰান্স জাৰ্মান সংহতি ঃ** ফ্ৰান্স জাৰ্মান সংহতি বুলি যিটো সংহতি বা সম্প্ৰদায়ৰ কথা বুজোৱা হয় সেই সংহতিৰ দৃষ্টিভংগীৰ বিকাশত ইটালীৰ দৰে দেশৰো অৱদান আছে। এই সংহতি দৰাচলতে ইউৰোপত বিকাশ লাভ কৰা সাহিত্য অধ্যয়নৰেই নতুন দৃষ্টি ভংগীৰ এক ফলশ্ৰুতি। এই সংহতিয়ে আমেৰিকা, ৰাছিয়া আদিৰ বিশ্ববিদ্যালয়সমূহকো আকৰ্ষিত কৰিছে। Burnel, Pichais, Van Teghem, Robert Jauss, Fernand Baldensperger, Rene Eticmble আদি ফ্ৰান্স জাৰ্মান শাখাৰ আগশাৰীৰ প্ৰবক্তা।

**মাৰ্কিন সংহতি ঃ** তুলনামূলক সাহিত্যক আগবঢ়াই নিয়া শাখাসমূহৰ ভিতৰত মাৰ্কিন সংহতি অন্যতম। এই সংহতিৰ বৈশিষ্ট্য চিন্তাৰ মুক্ততাত, নান্দনিকতাৰ অনুসন্ধানত আৰু দৃষ্টিভংগীৰ বিশ্বায়নত। এই শাখাৰ উল্লেখযোগ্য পণ্ডিসকল হ'ল- Rene Wellek, Austin Waren, Harry Lovin, H.H. Henry Remak, Poul Werner Freedrich, Owen Alridge আদি।

**চীনা সংহতি ঃ** বিংশ শতিকাত তৃতীয় দশকত চীন দেশত তুলনামূলক সাহিত্যই এক বিদ্যায়তনিক অনুশাসন হিচাপে গুৰুত্ব লাভ কৰে। বেইজিঙৰ Qinghua বিশ্ববিদ্যালয়ক ১৯২৯ চনৰ পৰা ১৯৩১ চনলৈ দুটা বিশেষ পাঠ্যক্ৰমেৰে তুলনামূলক সাহিত্যৰ বিভাগটো খোলাৰ পিছত চীনৰ চিন্তাবিদসকলৰ দৃষ্টি এই দিশত প্ৰসাৰিত হয়। চীনা তুলনামূলক সাহিত্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান হ'ল ইয়াৰ চিন্তাৰ নতুনত্বত।

**ৰুছ সংহতি ঃ** স্তালিনৰ সময়ত তুলনামূলক সাহিত্যক বুজোৱা সাৰ্বজনীনতাবাদৰ এক অন্য ৰূপ বুলি গণ্য কৰা হৈছিল আৰু দ্বিতীয় মহাযুদ্ধই ছেদেলি ভেদেলি কৰা ইউৰোপৰ ঔদ্যোগিক পুজিপতিসকলক এক কৰাৰ স্বাৰ্থত এনে মতাদৰ্শৰ বিকাশ হোৱা বুলি ঠাৱৰ কৰা হৈছিল।

**কানাডিয়ান সংহতি ঃ** কানাডাৰ বিদ্যায়তনিক জগতত তুলনামূলক সাহিত্যই বহু পলমকৈ স্থান লাভ কৰে। ১৯৬১-৬২ চনতহে পোন প্ৰথমে কানাডৰ Alberta বিশ্ববিদ্যালয়ত তুলনামূলক সাহিত্যৰ এটা স্বতন্ত্ৰ বিভাগ প্ৰতিষ্ঠা কৰা হয়। কানাডাৰ বেছিভাগ মানুহেই বিভিন্ন ৰাষ্ট্ৰৰ পৰা পোৱা বেছিভাগ মানুহেই বিভিন্ন হেতুকে তেওঁলোকৰ দৃষ্টিভংগীত ভিন্ন দেশৰ প্ৰভাৱ বিদ্যমান। এনে ভিন্ন দৃষ্টিভংগীয়ে তুলনামূলক সাহিত্যৰ বিস্তাৰৰ বাবে এক নিৰ্দিষ্ট পদ্ধতি গ্ৰহণ কৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। এই দিশটোৰ প্ৰতি উল্লেখযোগ্য অৱদান আগবঢ়োৱা তুলনাবিদসকলৰ ভিতৰত - Northop Frye, Eugene Joliat, Victor Graham, Paul Zumthor, D.M. Hayne, D.G. Jones, M.D. Dimic, E. D. Blodgett, philip Startford অন্যতম।

**ভাৰতীয় সংহতি ঃ** ভাৰতীয় সাহিত্যত তুলনামূলক সাহিত্য অধ্যয়নৰ ধাৰনাটো প্ৰৱেশ কৰাৰ পিছতেই ভাৰতীয় প্ৰেক্ষাপটত ভাৰতীয় সাহিত্যিক মূল্যায়নৰ ৰীতি আৰম্ভ হ'ল। ভাৰতবৰ্ষৰ সংস্কৃতি বাৰেবৰণীয়া সংস্কৃতি। সেইদৰে ভাৰতবৰ্ষত বহুতো আঞ্চলিক ভাষা কোৱা লোক আছে। ভিন্ন মনৰ ভিন্ন সংস্কৃতিৰ মানুহৰ ভাষিক বৈচিত্ৰতাই তুলনামূলক সাহিত্যৰ অধ্যয়নৰ অধ্যাপনাৰ ক্ষেত্ৰত ভালেমান সমস্যাৰ সৃষ্টি কৰে। তুলনামূলক সাহিত্য ক্ষেত্ৰত ভাৰতীয় সংহতিৰো এক সুকীয়া মূল্য আছে।

তুলনামূলক সাহিত্যই প্ৰয়োগ কৰা অধ্যয়ন পদ্ধতিসমূহ হ'ল- সাদৃশ্য সম্বন্ধাত্মক পদ্ধতি, পৰম্পৰা অধ্যয়ন পদ্ধতি, প্ৰভাৱ অধ্যয়ন পদ্ধতি, সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতি, স্বীকৃতি অধ্যয়ন পদ্ধতি, তুলনামূলক পদ্ধতি।

তলত এইবোৰৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল -

**সাদৃশ্য সম্বন্ধাত্মক পদ্ধতি** - কোনো ধৰণৰ পাৰম্পৰিক প্ৰভাৱ বা সম্বন্ধেৰে সম্পৰ্কিত নোহোৱা একাধিক গ্ৰন্থ বা সাহিত্যিকৰ সাদৃশ্যমূলক অথবা বৈষম্যমূলক আলোচনা কৰা পদ্ধতিকে সাদৃশ্য সম্বন্ধমূলক পদ্ধতি আখ্যা দিয়া হয়। এই পদ্ধতিত একে ধৰণৰ ঐতিহাসিক বা সামাজিক পৰিৱেশত ৰচিত ভিন ভিন সাহিত্যক একে পৃষ্ঠভূমিত লৈ বিচাৰ বিশ্লেষণ কৰা হয়।

**পৰম্পৰা অধ্যয়ন পদ্ধতি** - এই পদ্ধতিত একে পৰম্পৰাৰ অন্তৰ্গত একাধিক গ্ৰন্থ অথবা লেখকৰ সৃষ্টিৰ বিষয়ে অধ্যয়ন কৰা হয়। এই পদ্ধতিয়ে সাহিত্যৰ মাজত প্ৰতিফলিত ভিন ভিন সামাজিক, সাংস্কৃতিক, ধৰ্মীয় পৰম্পৰাসমূহৰ বিচাৰ বিশ্লেষণ আগবঢ়াবলৈ চেষ্টা কৰে। এনে আলোচনাত ৰাষ্ট্ৰীয় অথবা আন্তৰাষ্ট্ৰীয় বিষয়ক সমান গুৰুত্ব প্ৰদান কৰি দুই বা তাতোধিক কৃতিৰ মাজত ঐতিহাসিক, কালানুক্ৰমিক বা বিধিগত দৃষ্টিৰে তুলনা কৰি কোনো সিদ্ধান্ত লোৱাৰ প্ৰয়াস কৰা হয়।

**প্ৰভাৱ অধ্যয়ন পদ্ধতি** - প্ৰভাৱ অধ্যয়ন পদ্ধতিত যিকোনো লেখা বা লেখকৰ ওপৰত আন লেখকৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হয়। কেতিয়াবা কোনো লেখক, লেখা অথবা সাহিত্যিক আন্দোলন আন লেখক, লেখা বা আন্দোলনৰ দ্বাৰা প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে প্ৰভাৱিত হয়। এনে ক্ষেত্ৰত দুজন লেখকৰ ভিতৰত কাৰ ওপৰত কোনে প্ৰভাৱ বিস্তাৰ কৰিছে,

প্ৰভাৱক লেখকজনে প্ৰভাবিত লেখকজনৰ ওপৰত কেনেকৈ প্ৰভাৱ পেলাইছে, এনে প্ৰভাৱৰ ৰূপ মাত্ৰা আদি সম্পৰ্কে এই পদ্ধতিত আলোচনা আগবঢ়োৱা হয়।

**স্বীকৃতি অধ্যয়ন পদ্ধতি ঃ** এই অধ্যয়ন পদ্ধতিয়ে কোনো গ্ৰন্থৰ যিকোনো ধৰনৰ স্বীকৃতি বা প্ৰসিদ্ধি লভা আৰু তাৰ জৰিয়তে অন্য সাহিত্যৰ ক্ষেত্ৰত বিস্তাৰ কৰা প্ৰভাৱ সম্পৰ্কে আলোচনা কৰে। এই পদ্ধতিক প্ৰভাৱমূলক অধ্যয়ন পদ্ধতিৰে বিস্তাৰিত ৰূপ আখ্যা দিব পাৰি। অৱশ্যে এই পদ্ধতিত আলোচনা কেৱল প্ৰভাৱক বা প্ৰভাবিতৰ মাজতে সীমাবদ্ধ নহৈ অন্যান্য প্ৰাসঙ্গিক দিশসমূহো সামৰি লোৱাৰ  চেষ্টা কৰা হয়।

**সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতি** - সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতিয়ে জ্ঞানৰ অন্যান্য অনুশাসন অথবা বিভাগৰ সহযোগত সাহিত্যৰ তুলনামূলক বিচাৰ কৰাৰ প্ৰয়াস কৰে। জ্ঞানৰ অন্যান্য শাখা বুলি কওঁতে জীৱনৰ লগত সম্পৰ্কযুক্ত বিবিধ দিশ যেনে - ধৰ্ম, দৰ্শন, ইতিহাস, ৰাজনীতি, সমাজবিজ্ঞান, মনোবিজ্ঞান আদিৰ কথা ক'ব পাৰি। এই পদ্ধতিয়ে জ্ঞানৰ এনে বিভিন্ন শাখাৰ লগত থকা সাহিত্যৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে পদ্ধতিগতভাৱে আলোচনা দাঙি ধৰি ইয়াৰ জৰিয়তে সাহিত্যৰ আলোচনাক গতিশীল, মনোগ্ৰাহী তথা তথ্যসমৃদ্ধ কৰি তোলাৰ প্ৰয়াস কৰা হয়।

**তুলনামূলক পদ্ধতি ঃ** তুলনামূলক পদ্ধতিক আলোচক সকলে তুলনামূলক সাহিত্য অধ্যয়নৰ মূল পদ্ধতি আখ্যা দিছে। এই পদ্ধতি সাধাৰণ তুলনাৰ পৰা পৃথক। এই পদ্ধতিৰ আলোচনাত প্ৰণালীবদ্ধভাৱে দুজন লোক বা লেখক বা দুই ধৰণৰ সাহিত্য কৃতিৰ তুলনামূলক বিচাৰ বিশ্লেষণ আগবঢ়োৱা হয়। এই ক্ষেত্ৰত দুই ধৰণৰ কৃতি অথবা কৃতিকাৰৰ সৃষ্টিৰ মাজত অন্তৰ্নিহিত সৌন্দৰ্য আৰু ৰহস্যৰ সন্ধান কৰাৰ লগতে জ্ঞানৰ অন্যান্য শাখাসমূহৰ জৰিয়তেও ইয়াৰ অধ্যয়নক বিস্তৃতি প্ৰদান কৰা হয়। গতিকে তুলনামূলক সাহিত্যই এই পদ্ধতিসমূহৰ প্ৰয়োগৰ জৰিয়তে সাহিত্য সম্পৰ্কীয় অধ্যয়ন আগবঢ়াই নিয়ে।■


# বিজ্ঞান আৰু নাৰী

**নৱাৰুণ কাশ্যপ**
*চতুৰ্থ ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*

**বিজ্ঞানৰ গতিধাৰা ঃ**

মোৰ মায়ে যেতিয়া ৰান্ধনি শালত জুইৰ লগত খেলা কৰি ভাত ৰান্ধে, সেয়া ৰসায়ন বিজ্ঞান। যেতিয়া সূতা কাটে, সেয়া পদাৰ্থ বিজ্ঞান। যেতিয়া মোৰ বেমাৰ হ'লে মোক দৰৱ আনি খুৱায়, সেয়া চিকিৎসা বিজ্ঞান। আচলতে বিজ্ঞানৰ গতিধাৰাটো এনেকুৱা। সেই দৃষ্টিভংগীৰ পৰা চাবলৈ গ'লে আমাৰ প্ৰত্যেকৰে মা একো একোগৰাকী বিজ্ঞানী। আমাৰ ওচৰ চুবুৰীয়া প্ৰত্যেক গৰাকী নাৰীয়েই একো একো গৰাকী বিজ্ঞানী। আচলতে, এইবোৰ আৱেগিক কথা। এতিয়া আহিছো তথ্যলৈ -

ৰুচিয়ান মহাকাশ বিজ্ঞানী ভেলেন্টিনা তেৰেস্কোভাই কৈছিল - "যেতিয়ালৈকে মহিলাসকলে ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ নিজৰ অনুসন্ধিৎসু মনটোক শিকলিৰে বান্ধি থ'ব, তেতিয়ালৈকে বিজ্ঞান আৰু



প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰখন সমগ্ৰ নাৰী সমাজৰ বাবে এক নুবুজা সাঁথৰ হৈ ৰ'ব।" তেৰেস্কোভাৰ কথাখিনিৰ গূঢ়াৰ্থ বুজিলে এয়া স্পষ্ট হৈ পৰে যে বৰ্তমানৰ সমাজ খনে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰ খনত নাৰী সমাজক এতিয়াও এশ শতাংশ স্বাধীনতা প্ৰদান কৰাত ব্যৰ্থ হৈছে। বিশ্ব প্ৰেক্ষাপটত প্ৰতিষ্ঠা লাভ কৰা মহিলা বিজ্ঞানীসকলে অশেষ ত্যাগ, কষ্ট আৰু এশ একুৰি প্ৰত্যাহ্বান নেওঁচি নিজৰ সপোনবোৰক বাস্তৱায়িত কৰি তুলি বিজ্ঞানৰ পৃথিৱীখনত বিচৰণ কৰিবলৈ সক্ষম হৈছে।

বিশ্বৰ বিজ্ঞানৰ ক্ষেত্ৰখনত মহিলাসকল - পোন প্ৰথমেই আহিছো মেডাম কুৰীৰ কথালৈ। যদি মেডাম কুৰীয়ে নিজকে সমগ্ৰ জীৱন জুহালতেই ব্যস্ত কৰি ৰাখিলে হেঁতেন, ঘৰৰ চাৰি বেৰৰ মাজতেই নিজৰ পৰিচয় সীমাবদ্ধ কৰি ৰাখিলে হেঁতেন তেন্তে মেডাম কুৰী ন'বেল বঁটা লাভ কৰা প্ৰথম গৰাকী মহিলা আৰু দুবাৰকৈ ন'বেল বঁটা লাভ কৰা একমাত্ৰ মহিলা গৰাকী হ'ব নোৱাৰিলেহেঁতেন। এই ক্ষেত্ৰত স্বামী পিয়েৰ কুৰীৰ পৰা লাভ কৰা সমৰ্থনো উল্লেখনীয়। মহিলা সকলক আগুৱাই যোৱাৰ ক্ষেত্ৰত কিছু কিছু ক্ষেত্ৰত আমাৰ সমাজখনত পুৰুষ সকলে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰা দেখা যায়।

১৯০৭ চনত আমেৰিকাৰ পিট্‌ছবাৰ্গৰ উপকণ্ঠ স্প্ৰিং ডেলত এগৰাকী কন্যা সন্তানৰ জন্ম হৈছিল। কালক্ৰমত কন্যা সন্তান গৰাকী একোলা-দুকোলাকৈ বাঢ়ি আহিছিল। যি সময়ত সমনীয়া ল'ৰা-ছোৱালী বোৰে খেলা-ধূলা, নাচ-বাগ কৰাত ব্যস্ত আছিল, সেই সময়তেই সেই কন্যা সন্তান গৰাকী প্ৰকৃতিক লৈ ব্যস্ত হৈ পৰিছিল। মাত্ৰ এঘাৰ বছৰ বয়সতেই প্ৰকৃতিৰ বিষয়ে লিখিবলৈ হাতত কলম তুলি লোৱা সেই ছোৱালী জনীয়ে সমগ্ৰ বিশ্বতেই নিজৰ পৰিচয় দাঙি ধৰিছিল বিশ্ব পৰিৱেশ আন্দোলনৰ হোত্ৰী ৰাছেল কাৰ্ছন হিচাপে। যদি কাৰ্ছনে নিজৰ অনুসন্ধিৎসু মনটোক ভেলেন্টিনা তেৰেস্কোভাই কোৱাৰ লেখীয়াকৈ শিকলিৰে বান্ধি থ'লে হেঁতেন, তেন্তে হয়তো তেওঁ নিজৰ পৰিচয় পৰিৱেশ বিজ্ঞানীৰ ৰূপত গঢ়ি তুলিব নোৱাৰিলেহেঁতেন।

তৃতীয়তে আহিছো সকলোৰে পৰিচিত কল্পনা চাওলাৰ কথালৈ। যদি কল্পনা চাওলাই নিজকে মহিলা বুলি দোহাই দি পিছুৱাই থাকিলহেঁতেন তেন্তে হয়তো বিশ্ব প্ৰেক্ষাপটত কেতিয়াও সুনীতা উইলিয়াম্‌ছৰ দৰে মহাকাশ বিজ্ঞানীৰ নাম উজলি নুঠিলহেঁতেন।

চতুৰ্থতে আহিছো তিয়াৰা গুইন নামৰ ২১ বছৰীয়া মহিলা বিজ্ঞানী গৰাকীৰ কথালৈ। গুইনে কলেজীয়া শিক্ষা সম্পূৰ্ণ নোহোৱাকৈয়ে ৰকেট বিজ্ঞানৰ ক্ষেত্ৰত যি অভূতপূৰ্ব অৰিহণা আগ বঢ়ালে, সেয়া সমগ্ৰ নাৰী জাতিৰ বাবে আদৰ্শৰ স্তম্ভ হৈ সজীৱৰূপত থাকি যাব। গুইনে কৈছিল, "You have to look forward to your dream and you cannot let anybody get in the way of it, No matter how tough it may be, no matter how many tears you might cry, you have to keep pushing, and you have to understand that nothing comes easy. keeping yours eyes on the prize, tou can succeed." প্ৰকৃতাৰ্থত যদি সপোনবোৰ হৃদয়ৰ গভীৰতাৰ পৰা দেখা হয় তেন্তে তাক দিঠকলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত লিংগভিত্তিক বৈষম্য কেতিয়াও বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে।

পঞ্চমতে দুগৰাকী চিকিৎসা বিজ্ঞানৰ লগত জড়িত মহিলাৰ কথালৈ আহো। চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনতো বিশ্ব প্ৰেক্ষাপটত মহিলাসকল পিছ পৰি থকা নাই। আমেৰিকাৰ জৰান এ. বেটইট্‌জ নামৰ মহিলা চিকিৎসা বিজ্ঞানী গৰাকীয়ে আমেৰিকাৰ চিকিৎসা বিজ্ঞানৰ ন'বেল ৰূপে পৰিগণিত লাস্কেৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। আকৌ, ক্লাৰা মাছ নামৰ আমেৰিকাৰ নাৰ্ছ এগৰাকীয়ে হালধীয়া জ্বৰ (Yellow fever) নিৰ্মূলকৰণৰ গৱেষণাৰ কামত নিজকে এনেদৰে নিয়োজিত কৰিছিল যে অৱশেষত ক্লাৰা মাছে মৃত্যুক সাৱটি ল'ব লগা হৈছিল। ক্লাৰা মাছৰ বলিদানে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰ খনত এক নতুন মাত্ৰা দিছিল যাৰ বাবে তেওঁ চিৰদিনৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

ষষ্ঠতে আহো গণিতৰ ক্ষেত্ৰ খনলৈ। সততে এক ধাৰনাত আমাৰ সমাজখনে অৱস্থান কৰে য'ত ভৰা হয় যে গণিতৰ ক্ষেত্ৰখনত মহিলা সকল যথেষ্ট পিছপৰা। বহুতে আনকি 'Long hair, Short brain' বুলি কৈও মহিলা সকলক উপলুঙা কৰা দেখা যায়। কিন্তু যদিও সঁচাকৈয়ে দীঘল চুলি থকা মহিলা সকলৰ মগজবোৰ চুটি হ'লহেঁতেন তেন্তে মাৰয়াম মিৰ্জাখনিৰ দৰে মহিলা গণিতজ্ঞই গণিতৰ ন'বেল ৰূপে জনাজাত ফিল্ড মেডেলৰ দৰে সন্মানেৰে বিভূষিত নহ'লহেঁতেন।

মুঠৰ ওপৰত এনে ধৰণে বিশ্ব প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে বিজ্ঞানৰ ক্ষেত্ৰখনলৈ অপৰিহাৰ্য অৱদান আগবঢ়োৱা বহু সংখ্যক মহিলাৰ নাম শুনিবলৈ পাম। ইয়ে স্পষ্টভাৱে প্ৰমাণ কৰে যে যি সকল মহিলাই সমস্ত প্ৰতিবন্ধকতা নেওঁচি আগুৱাই আহিছে, অশেষ কষ্ট কৰিছে এদিন নহয় এদিন সেই মহিলা সকলে সমগ্ৰ বিশ্ব জিনিছে, বিশ্ব বিজ্ঞানৰ ইতিহাসত নিজৰ নাম সোণালী আখৰেৰে লিপিৱদ্ধ কৰিছে।

**ৰাষ্ট্ৰীয় প্ৰেক্ষাপট-** এতিয়া আহিছো ভাৰতৰ প্ৰেক্ষাপটলৈ। এইখন ভাৰতবৰ্ষতেই নাৰীক পূজাও কৰা হয় আৰু এইখন ভাৰতবৰ্ষকেই দামিনী, নিৰ্ভয়া আদিৰ দৰে ভয়াবহ ধৰ্ষণকাণ্ডই জোঁকাৰিও থৈ যায়। যি খন ভাৰতবৰ্ষত নিশাৰ

অন্ধকাৰত নাৰী অসুৰক্ষিত বুলি গণ্য কৰা হয়, সেই খন ভাৰতবৰ্ষতেই কিন্তু বিজ্ঞানৰ ক্ষেত্ৰখনত নাৰীসকল সৰ্বতোপ্ৰকাৰে পিছ পৰি থকা নাই।

পোন প্ৰথমে আহিছো গগনদীপ কাংগৰ কথালৈ। এসময়ত সমগ্ৰ বিশ্বতেই শিহৰণৰ সৃষ্টি কৰিছিল ৰোটা ভাইৰাছে। গগনদীপ কাংগৰ দৰে ভাৰতীয় মহিলা বিজ্ঞানী গৰাকীয়ে ৰোটা ভাইৰাছ ভেকছিন আৱিস্কাৰ কৰাৰ ক্ষেত্ৰত অনবাদ্য ভূমিকা পালন কৰিলে, সেই সফলতাই সমগ্ৰ ভাৰত বৰ্ষকেই বিশ্ব দৰবাৰত গৌৰৱান্বিত কৰিলে।

দ্বিতীয়তে আহিছো কুশানা ৰাজেন্দ্ৰন নামৰ মহিলা ভূ-বিজ্ঞানী গৰাকীৰ কথালৈ। উল্লেখনীয় যে ৰাজেন্দ্ৰনে ২০১৮ চনত প্ৰথম ভাৰতীয় মহিলা বিজ্ঞানীৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

তৃতীয়তে ল'ব লাগিব অৰ্চনা শৰ্মাৰ নাম। যি গৰাকী মহিলা বিজ্ঞানীয়ে 'Higgs Boson' আৱিষ্কাৰৰ ক্ষেত্ৰত গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰিছিল। তদুপৰি অৰ্চনা শৰ্মাৰ ব্যক্তিগত N. G. O.ৰ দ্বাৰা ভাৰতবৰ্ষৰ পিছ পৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞান শিক্ষা দিয়াৰ পোষকতা কৰা হয়। এই কৰ্মৰ মহানতাই আমাৰ দৰে ভাৰতীয়ৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে। নিজে আগুৱাই গৈও আন দহজনক অনুপ্ৰাণিত কৰি সেই ক্ষেত্ৰখনলৈ আগুৱাই লৈ যোৱা প্ৰচেষ্টা শলাগিবলগীয়া।

চতুৰ্থতে চন্দ্ৰমা চাহাৰ নাম ল'ব লাগিব। চন্দ্ৰমা চাহা Indian National Science Academy ৰ প্ৰথম গৰাকী মহিলা অধ্যক্ষ।

ওপৰোক্ত আলোচনাৰ পৰা এয়াও স্পষ্ট হৈ পৰে যে ভাৰতীয় মহিলা সকলেও বিজ্ঞানৰ ক্ষেত্ৰখনত পিছ পৰি থকা নাই। এইক্ষেত্ৰত সুযোগ্যা অসম সন্তান, তিনিচুকীয়াৰ জীয়ৰী ISRO ৰ বিজ্ঞানী, চন্দ্ৰযান-২ ৰ বিজ্ঞানীৰ দলটোৰ সদস্যা নিধি শৰ্মাৰ নামটোও উল্লেখযোগ্য।

বিজ্ঞানৰ ক্ষেত্ৰখনত নাৰী সমাজ পিছ পৰি আছে কিয় ?

অপ্ৰিয় হ'লেও সত্য যে বিজ্ঞানৰক্ষেত্ৰখনত পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা যথেষ্ট তাকৰ। এইক্ষেত্ৰত ১৯৭৩ চনত গঠিত Indian woman scientist Assaociationয়ে চলোৱা এক সমীক্ষা মতে ভাৰতবৰ্ষত মহিলাসকলে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনত আগবাঢ়ি আহিবলৈ পৰিয়ালৰ পৰা উচিত সমৰ্থন নাপায়। এই কথা আনকি ২০১৩ চনত মংগলযান অভিযানৰ প্ৰকল্প সঞ্চালিকা অনুৰাধা টি. কে. ই এক ব্যক্তিগত সাক্ষাৎকাৰত উল্লেখ কৰিছিল যে , "I did not get full support from my husband to come in this field."

২০১৮ চনত She the people নামৰ টি. ভি. চেনেলটোৰ জৰিয়তে পূৰ্বী গুাই চলোৱা এক সমীক্ষামতে ভাৰতবৰ্ষত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰ খনৰ লগত মাত্ৰ ১৪ শতাংশ মহিলা কৰ্মী নিযুক্ত। মুঠৰ ওপৰত বিভিন্ন ৰাষ্ট্ৰীয়, আন্তৰাষ্ট্ৰীয় সংস্থাই যথেষ্ট তাকৰ সংখ্যক মহিলা বিজ্ঞানৰ ক্ষেত্ৰখনৰ লগত জড়িত থকাৰ কথা স্পষ্ট কৰি আহিছে।

এই ক্ষেত্ৰত কিছু বিশ্লেষণৰ প্ৰয়োজন-


ক) পৰিয়াল তথা সমাজৰ উচিত সমৰ্থন- বিজ্ঞানৰ ক্ষেত্ৰখনত মহিলা সকল আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত পৰিয়াল বা সমাজখনে মহিলাসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰি তুলিব লাগিব। সৰুৰে পৰা এক বিজ্ঞান সন্মত মানসিকতাৰে মহিলা সকলক শিক্ষিত কৰি তোলাৰ পোষকতা কৰিব লাগিব। তেন্তে মহিলাসকল আৰু বেছি আগবাঢ়ি যাবলৈ সাহসী হ'ব।

খ) অন্ধবিশ্বাস আৰু কু সংস্কাৰ- বৰ্তমান শতিকাতো আৰু বিজ্ঞান - প্ৰযুক্তি দ্ৰুত গতিত সম্প্ৰাৰিত হৈ থকা সময়তো অন্ধবিশ্বাসৰ কৰাল গ্ৰাসত আমাৰ সমাজখন কিছু কিছু ক্ষেত্ৰত ডুব গৈ থকা পৰিলক্ষিত হৈছে। বৰ্তমান সময়তো ডাইনী হত্যাৰ দৰে নিৰ্লজ্জ ঘটনা এইখন সমাজতেই সংঘটিত হয়। অতি পৰিতাপৰ কথা যে মহিলা সকলৰ ঋতু চক্ৰৰ প্ৰক্ৰিয়াটোকো সম্পূৰ্ণ বিজ্ঞান সন্মত দৃষ্টিভংগীৰে আমাৰ সমাজখনে চাবলৈ শিকা নাই। 'সন্ধিয়াৰ সময়ত গৰ্ভৱতী মহিলা ঘৰৰ বাহিৰলৈ ওলালে সন্তান বিকলাংগ হয়' - আদিৰ দৰে হাস্যকৰ কথাও এইখন সমাজতেই প্ৰচলিত হয়।

গতিকে, বিজ্ঞানৰ ক্ষেত্ৰখনত নাৰীসকলক আগুৱাই নিয়াৰ প্ৰাকক্ষণত আমি অন্ধবিশ্বাস আৰু কু সংস্কাৰৰ শিকলিৰে বান্ধি থোৱা নাৰী সমাজক মুক্ত কৰিব লাগিব।

গ) চৰকাৰী পদক্ষেপ - এই ক্ষেত্ৰত বহু পৰিমাণে চৰকাৰেও গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে। গৱেষণাৰ ক্ষেত্ৰখনত মহিলা সকলক আগ্ৰহী কৰাৰ অৰ্থে শিক্ষাৰ উপযুক্ত আঁচনিৰ প্ৰয়োজন, মহিলাৰ বাবে গৱেষণাত বিশেষ আসন সুৰক্ষিত কৰিলেও এই ক্ষেত্ৰত যথেষ্ট লাভজনক হ'ব।

"বিজ্ঞানে আনিব জোঁৱাৰ
নাৰীয়ে ভেদিব বন্দীত্বৰ দুৱাৰ,
সত্যই নাশিব সমাজৰ অন্ধকাৰ
হে নাৰী, তুমি জাগ্ৰত হোৱা।"■



# আজিৰ সমস্যা আৰু ধৰ্মৰ প্ৰাসংগিকতা

**বিকাশ দাস**
*চতুৰ্থ ষাণ্মাসিক, গণিত বিভাগ*

"গ'ল গ'ল জহন্নামলৈ গ'ল" ৰাৱ তুলিলেই সমাজৰ ক্ষতস্থান নিৰাময় হৈ নাযায়। সমাজৰ বুকুত ক্ৰমে ক্ৰমে যি চূড়ান্ত অধপতন দেখা দিছে তাৰ কাৰণ উদ্‌ঘাটন কৰি নিৰাকৰণৰ চেষ্টা নকৰিলে সমস্যা সমাধান নহয়। সমাজৰ বহু জ্ঞানীগুনী পণ্ডিত ব্যক্তিও আজিকালি সাধাৰণ কথাতেই কৈ উঠে "গ'ল গ'ল দেশখন উচ্ছন্ন গ'ল"। ল'ৰা ছোৱালীবোৰ উশৃংখল হৈ পৰিছে। পিতা-মাতা গুৰুজনক নমনা হৈছে। ন্যায়-নীতি বোধ নোহোৱা হ'ল, আচাৰ-ব্যৱহাৰ নমনা হ'ল, মান-সন্মান বোধ লুপ্ত হ'ল। অৰাজকতাৰ ৰাজত্ব চলিছে। মানুহ ক্ৰমে বিপথগামী হৈ পৰিল। কি কাল যে পৰিল?

দেশত যিবোৰ কাণ্ড ঘটি আছে এই কাণ্ডৰ বাবে বৰ্তমান কালটোকেই ব্যক্তিবিলাকে যেন দায়ী কৰিব খোজে। আজি সমাজৰ এই পৰিণতি একেদিনাই হোৱা নাই। এই ৰোগ নিৰ্মূল কৰি সুন্দৰ, সুস্থ সমাজ গঢ়ি তোলাৰ চেষ্টা নকৰিলে সকলোৰেই অৱস্থা শোচনীয় হৈ পৰিব। দীৰ্ঘদিন ধৰি বিধিবদ্ধ আইন লঙ্‌ঘন কৰি আহিলেই যি পৰিণতি হয় আজি সেয়ে হৈছে। ফলত ধংসৰ তাণ্ডৱ নৃত্য আৰম্ভ হৈছে।

আজিৰ সমস্যা বুলি কওঁতে খাদ্য সমস্যা, নিৰনুৱা সমস্যা, অৰ্থনৈতিক সমস্যা, জাতি, বৰ্ণ ভাষাৰ নামত

সাম্প্ৰদায়িক সমস্যা, সামাজিক আৰু ৰাজনৈতিক বহুতো সমস্যা আহি পৰে। এই সকলো সমস্যাকে ফেৰ মাৰি গৈছে জাতিৰ নৈতিক মানদণ্ডৰ অৱনতিৰ সমস্যাই।

অসমৰ বৰ্তমান বাতৰিকাকতবোৰ লুটিয়ালে চকুত পৰে সমাজখনৰ নৈতিক অধঃ পতন আৰু মানৱজাতিটোৰ ভীষণ অৱক্ষয়ৰ কথা। যিবোৰ সমস্যা কেইবছৰমান আগলৈকে পশ্চিমীয়া দেশবিলাকত আৰু ভাৰতৰ আন আন ৰাজ্যতে সীমাবদ্ধ আছিল আমি বাতৰিৰ যোগেদি পাই আছিলো। এই ভয়াবহ বেমাৰটোৱে যে এদিন আমাৰ গোটেই সমাজখনকে আঘাত হানিব পাৰে এই বিষয়ে সচেতন নাছিলো। সচেতন থাকিলেও ব্যক্তিস্বাৰ্থৰ উৰ্দ্ধত গৈ এই বিষয়ে চিন্তা - চৰ্চা কৰাৰ প্ৰয়োজনবোধ কৰা নাছিলো।

ইতিমধ্যে সমাজৰ সমস্যাবোৰক লৈ অসমৰ বুদ্ধিজীৱিসকলক চিন্তিত যেন লাগে। কাকতৰ যোগেদি "আক্ষৰিক" কিছুমান প্ৰতিবাদৰ বাহিৰে বাস্তৱ মনোবিজ্ঞানসন্মত কোনো আঁচনি হাতত লোৱা নাই। সমস্যা এটা এদিন, এমাহ বা এবছৰতে সৃষ্টি হোৱা নাই আৰু এইটোও ঠিক যে বৰ্তমানে চলি থকা ৰাজনৈতিক, সামাজিক আৰু ৰাষ্ট্ৰীয় সমস্যাবোৰৰ ঘাই সুঁতিয়েই হ'ল ব্যক্তি। উচ্চ হাৰত জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত দেশত নানা সমস্যাৰ উদ্ভৱ হৈছে। সেই সকলোবোৰৰ ভিতৰত খাদ্য, কাপোৰ, বাসস্থান আদি নিত্য প্ৰয়োজনীয় বস্তুসমূহৰ নাটনি, খেতিৰ মাটি, বনভূমি আৰু অন্য প্ৰাকৃতিক সম্পদৰ ওচৰত হেঁচা বৃদ্ধি, স্বাস্থ্য, শিক্ষা, পৰিবহন আদিৰ ব্যৱস্থাসমূহত মানুহৰ ভিৰ বৃদ্ধি, নিবনুৱাৰ সংখ্যা বৃদ্ধি, ভোগৰ বাবদ পৰিয়াল সমূহৰ আৰু চৰকাৰৰ খৰচ বৃদ্ধিৰ ফলত হোৱা মূলধন গঠনৰ মন্থৰ গতি আদি বিশেষভাৱে উল্লেখ কৰিব পাৰি। সমাজৰ এশ একুৰি সমস্যাৰ সমাধানৰ কাৰণে সমাজবিদ, ৰাষ্ট্ৰনেতা সকলে সততে চিন্তা-চৰ্চা গৱেষণা চলাই আছে কিন্তু জীৱনৰ কোনো পথেই কুসুম পাহিৰ দৰেই কোমল নহয়। প্ৰতি ক্ষেত্ৰতেই আছে বাধা, নানা ৰকম সংঘাত। এইবিলাকক জয় কৰি লক্ষ্যত উপনীত হ'ব লগীয়া হয়।

মানুহ সৃষ্টিৰ সৰ্বশ্ৰেষ্ঠ জীৱ। জীৱ মাত্ৰেই বিচাৰে জীৱন আৰু বৃদ্ধি, এইটো জীৱৰ স্বাভাৱিক ধৰ্ম। জীয়াই থকাৰ লগতে বিচাৰে শক্তি আৰু স্বস্তি। পেটে ভাতে খাই থাকিও সন্তুষ্ট নহয়, জীৱনৰ তাগিদাত ঘৰ - সংসাৰ কৰিহে অৰ্থ উপাৰ্জন কৰিছে। সদায় বিচাৰি ফুৰিছে নিৰবচ্ছিন্ন সুখ আনন্দৰ অধিকাৰী হ'বলৈ। আকাংক্ষা পৰিপূৰণ কৰিবলৈ গৈ পৰ্বতৰ উচ্চ শিখৰত আৰোহণ কৰিছে। সমুদ্ৰৰ অতল জলধিৰ মাজতো ডুব দি ক'ত কি যে কৰিব ধৰিছে। লক্ষ্যত উপনীত হ'বলৈ অহৰ্নিশে সংগ্ৰাম কৰি পৃথিৱী তোল পাৰ কৰিছে।

এই লক্ষ্যত উপনীত কৰাবলৈ মৰ্ত্ত্যভূমিত নৰদেহে অৱতৰণ কৰিছিল বুদ্ধ, যীশু, মহম্মদ, কবীৰ, শংকৰদেৱ আদি যুগবতাৰসকলে আমাক যি অমৃত লাভৰ বাৰ্তা দৃঢ়স্বৰে একে সুৰতে দি গৈছে, সেইমতে চলিলেহে গন্তব্যত উপনীত হ'ব পাৰিম।

ব্যক্তিক লৈয়ে সমাজ গঠন। উন্নত ব্যক্তিলৈয়ে উন্নত সমাজ আৰু সেই উন্নত সমাজে যদি ৰাষ্ট্ৰক নেতৃত্ব দিয়ে সেইৰাষ্ট্ৰ উন্নত ৰাষ্ট্ৰ বুলি জনজাত হয়। আজিৰ উন্নত সমাজৰ সংজ্ঞা নিৰূপণ হয় ভোগ সামগ্ৰীৰ ব্যৱহাৰৰ ওপৰত। ভোগসামগ্ৰী ব্যৱহাৰত যি সমাজ যিমান উন্নত, সেই সমাজকহে উন্নত সমাজ বুলি অৰ্থ-নীতিবিদসকলে ধৰি লয় আৰু সেই দেশকে উন্নত দেশ বুলি গন্য কৰা হয়। গতিকে এনেহেন সমাজ গঠন প্ৰক্ৰিয়াত ভোগবাদৰ প্ৰাবল্যই যে মুখ্য ই ধ্ৰুৱসত্য আৰু লগে লগে এই অনিয়ন্ত্ৰিত ব্যৱস্থায়েই এই শতিকাৰ সমাজ অৱক্ষয়ৰ এটা মূল কাৰণ তাক কোনোৱে নুই কৰিব নোৱাৰে। ভোগসামগ্ৰী উৎপাদন আৰু ব্যৱহাৰ জানিলেই নহয়, ইয়াৰ ওপৰত ব্যক্তিৰ নিয়ন্ত্ৰণ ক্ষমতা কিমানখিনি সেইটোহে বিবেচ্য। অনিয়ন্ত্ৰিত ভোগে ধ্বংসকেই উদ্‌গনি দিয়ে।

সমাজ গঠনৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা গুৰুত্বপূৰ্ণ কিন্তু আজিৰ বাস্তৱ চিত্ৰটো বিপৰীত যেন লাগে। সাহিত্যৰ মুখ্য চৰিত্ৰ হ'ল "সু" অস্তিবৃদ্ধি সুচাৰুৰূপে বাচি থকা আৰু মানসিক গুনবিলাকৰ বিকাশ ঘটোৱা। যথাৰ্থভাৱে মানুহ বাচি থকা আৰু বৃদ্ধি পোৱাৰ অৰ্থে ভাৱ ভাষা আৰু অক্ষৰৰ মাধ্যমেদি যি ৰচনা কৰা হয় তাকেই সাহিত্য বুলি উল্লেখ কৰিব পাৰি।

চাৰিশতক আগতে সাহিত্যৰ যি সজীৱতা আছিল, আজি আৰু নাই। কিছুমান সামাজিক সমস্যাক ৰহন সানি পৰিবেশন কৰিলেই তাক সাহিত্য নকয় সমস্যাৰ সমাধানো তাত নিশ্চিত কৰিব লাগে। ধ্ৰুপদী সাহিত্যবোৰ আজিও যুগমীয়া হৈ আছে। আজিৰ সাহিত্য Commercial বা বাণিজ্যিক বহুতৰ পেশা। নাম যশ, প্ৰচাৰ, ধন অৰ্জন কৰাই সাহিত্যৰ লক্ষ্য হ'লে আচৰিত কথা নহয়। ব্যক্তি উন্নয়নৰ ক্ষেত্ৰত সু-সাহিত্যৰ অভাৱো এটা সমস্যা। ৰামায়ণ, মহাভাৰত, গীতা, নামঘোষা, কীৰ্তনঘোষা, কোৰান, বাইবেল, ত্ৰিপিটকৰ দৰে ধ্ৰুপদী সাহিত্য আজিও বিৰল।

বৰ্তমান যি অৱক্ষয়ৰ অৱস্থা এনে অৱস্থা যে আগতেও আছিল তাক বুৰঞ্জীয়ে সাক্ষ্য দিয়ে। যীশু, মহম্মদ, বুদ্ধকে আদি কৰি চৈতন্য, শংকৰদেৱ, ৰামকৃষ্ণদেৱৰ যুগতো এই খেলখন চলি আহিছে। পৰিৱেশত পৰিস্থিতি অনুসৰি ইয়াৰ ৰূপ বেলেগ বেলেগ হ'ব পাৰে। এই মহাত্মা সকলেও ব্যক্তি চৰিত্ৰৰ উন্নয়নৰ ওপৰতহে বেছি গুৰুত্ব দিছে। তেওঁলোকে নিজৰ চলন চৰিত্ৰৰ যোগেদি গোটেই সমাজ আৰু ৰাষ্ট্ৰক যিদৰে উজ্জীৱিত কৰিব পাৰিছিল

আজিৰ তথাকথিত সমাজবিদসকলে পাৰিবনে?

সমাজজীৱন পৰিবাৰজীৱন, ৰাষ্ট্ৰজীৱন আৰু দাম্পত্য জীৱন নিৰ্ভৰ কৰে ব্যক্তিৰ জীৱনধাৰাৰ ওপৰত। আধ্যাত্মিক গুৰুসকলে বাৰে বাৰে কৈ থৈ গৈছে যে জীৱনবাদেই মানুহৰ 'মূলবাদ'। তেওঁলোকৰ জীৱন বাণীৰ অমিয়সুৰে শান্তিৰ স্বৰগ সৃষ্টি কৰিছিল। যেনেকৈ কাশ্মিৰৰ আপেল, অসমৰ চাহ, মালদাহৰ আম উৎকৃষ্ট বুলি আমিও কওঁ। এই 'ভাল' বুলি প্ৰসংশা পত্ৰখন মানুহে এনেয়ে দিয়া নাই। বহু বছৰৰ বস্তুৰ গুণাগুণ নিৰ্ণয় কৰিহে দিছে। মানুহে ভাল বস্তু বিচাৰে, কিন্তু ইয়াক পাবলৈ হ'লে যি বীজ, মাটি, পৰিবেশ আৰহাওৱাৰ প্ৰয়োজন সেই বিষয়ে নাভাবে।

পিতৃ-মাতৃৰ যোগেদি ব্যক্তি জন্ম লয়। সুপিতা আৰু সুমাতা অবিহনে সুসন্তান পোৱা অসম্ভৱ। স্বামীৰ চলন চৰিত্ৰই যিদৰে স্ত্ৰীক আকৰ্ষণ কৰে, স্বামীৰ প্ৰতি স্ত্ৰীৰ যেনে শ্ৰদ্ধা অনুগত্য, প্ৰতিবোধ থাকে তাৰ ওপৰত ভিত্তি কৰিহে সন্তানৰ চৰিত্ৰ নিৰ্দ্ধাৰণ কৰা হয়। উদাহৰণস্বৰূপে আমি ৰামায়ণ, মহাভাৰতৰ চৰিত্ৰবোৰ ল'ব পাৰো। মুনি বিশ্ৰবাক শ্ৰদ্ধাহীন আৰু কামভাৱেৰে গ্ৰহণ কৰাৰ কাৰণে সুমালীকন্যা নিকয়াই ৰাৱনৰ দৰে দৃষ্টি ধ্বংসকাৰী পুত্ৰ জন্ম দিছিল। ধৃতৰাষ্ট্ৰৰ প্ৰতি অশ্ৰদ্ধাৰ হেতুকে গান্ধাৰীয়ে বিধ্বংসী শত পুত্ৰৰ জন্ম দিছিল। আকৌ ধ্ৰুৱ, প্ৰহ্লাদ, বিদুৰ, হনুমানৰ জন্ম ইতিহাসত আমি পাঁও সাধী নাৰীৰ স্বামীৰ প্ৰতি শ্ৰদ্ধাপ্লুত টান। আজিৰ সময়ৰ বিবেকানন্দ, ৰবীন্দ্ৰনাথ, এওঁলোকো সুন্দৰ, সুস্থ বৈজ্ঞানিক প্ৰজনন বিজ্ঞানৰ উন্নতম সৃষ্টি।

সু-সন্তান অবিহনে পৰিৱেশ সমাজ তথা দেশৰ মুখ উজ্বল নহয়, সেয়ে সুসন্তান পাবলৈ আমি কিমান সচেতন?

বৰ্তমান সমস্যা বুলিলে চাৰিওপিনে দেখা যায় অনিশ্চয়তাৰ পৰিৱেশ। সমাজৰ এমুঠি চিন্তাশীলব্যক্তিয়ে মহাভাৰতৰ বিদুৰে চিৎকাৰ কৰাৰ দৰে কেৱল চিৎকাৰ কৰিছে। পুৰণি আৰু নতুন সমস্যা ব্যৱস্থাৰ ক্ৰান্তিৰ সময়ছোৱাত আমি যোড়শ শতিকালৈ উভতি যাবলগীয়া হৈছে। অসমৰ বুৰঞ্জীত হয়তো সেই শতিকাটোৱেই আছিল অন্ধকাৰৰ শতাব্দী আৰু সেই শতিকাতে প্ৰতিভাত হৈছিল প্ৰগতিৰ ৰশ্মি যাৰ পোহৰেৰে আমি বৰ্তমান সমাজখন পোহৰাই তুলিব পাৰিম। ইয়াতেই আহি পৰিছে মহাপুৰুষ শকৰদেৱৰ প্ৰাসঙ্গিকতা। সমস্যা জৰ্জৰিত বৰ্তমান সমাজত শংকৰদেৱৰ দৰে এজন মহাপুৰুষৰ প্ৰয়োজন হৈ পৰিছে। যিজনে মূলসূতিৰ পৰাই হেৰাই যাব খোজা, অসমীয়া জাতিটোক একতাৰ ডোলেৰে বান্ধি এক সুস্থিৰ আৰু সুপৰিকল্পিত ভাৱে আগবঢ়াই নিয়াত সহায় কৰে আৰু সকলোৱে যাতে সুখে শান্তিৰে জীয়াই থাকিব পাৰে। শংকৰদেৱে সমাজৰ সকলো শ্ৰেণীৰ লোকক এডাল সূতাৰে বান্ধি এখন বৃহৎ সমাজ ৰচনা কৰাৰ কাৰণে নাম-ঘৰ, সত্ৰৰ সৃষ্টি কৰিছিল। য'ত মানুহবোৰ একগোট হৈ মানসিকভাৱে এক হোৱাৰ প্ৰেৰণা পায়। গীত, পদ, নাট, ভাওনা ৰচনা কৰি জনসাধাৰণক গোৱাই সমাজৰ মন জয় কৰিছিল। সেয়েহে মহাত্মাগান্ধীয়ে কৈছিল "যি ধৰ্ম অৱলম্বন কৰি মই ৰামৰাজ্য কল্পনা কৰিছিলো, তাতোকৈ সুন্দৰ আৰ্হি শ্ৰীশংকৰদেৱে অসমবাসীক দি গৈছে।" ৰামৰাজ্যৰ অৰ্থ হিন্দু ৰাজ্য নহয়। য'ত জনসাধাৰণে স্ব-অধিকাৰ সাব্যস্ত কৰি সুখে সন্তোষে থাকিব পাৰে, য'ত চিৰ শান্তি বিৰাজ কৰে সেয়াই ৰামৰাজ্য। সকলো ধৰ্মৰ সাৰ কথা হ'ল মানৱতাবাদ। জীৱৰ শ্ৰেষ্ঠ মানুহ বুলি কোৱা হয়। অথচ এই মানুহেই কেতিয়াবা জ্ঞানৰ অভাৱত পশুতুল্য হয়। মানৱ সমাজত হাহাকাৰ সৃষ্টি হয়। সেই কাৰণেই যুগে যুগে মানুহৰ সমাজখন ধৰি ৰখাৰ কাৰণে ধৰ্ম প্ৰচাৰৰ বাবে তেতিয়াই সেই যুগৰ ত্ৰান কৰ্ত্তাই কৃপা কৰি আহি সমাজৰ গ্লানি মোচনৰ উদ্দেশ্যে ধৰাধামত অৱতীৰ্ণ হয়। সেয়ে গীতাত শ্ৰীকৃষ্ণই কৈছে।

যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানম ধৰ্মস্য তদাত্মানং সৃজাম্যহম্।।
পৰিত্ৰানায় সাধূনাং বিনাশায় চ দুস্কৃতাম।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।

শংকৰদেৱ কিন্তু মানুহৰ মাজতে সীমাবদ্ধ নাছিল। জীৱ-জগতৰ সকলো জীৱকেই ভগৱানৰ ক্ষুদ্ৰ অংশ বুলি জ্ঞান কৰি সকলোৱে প্ৰতি ভক্তিভাৱ আৰু আস্থা ৰাখিবলৈ সকিয়াই দিছিল। সেয়ে শংকৰদেৱৰ ভাষাত য'ত জীৱ জন্ম কীত পতঙ্গম, অগনগ জগ তেৰি কায়া।

শংকৰদেৱৰ নামঘৰত যি সংস্কৃতিৰ বৰপীৰা আছে পৃথিৱীৰ ক'তো নাই। আজি শংকৰদেৱ নাই কিন্তু অসমৰ গাঁৱে গাঁৱে নাম ঘৰ আছে। গাঁৱৰ মানুহ ঐক্যবদ্ধ হৈ মানসিক বান্ধোন দৃঢ় হোৱাৰ কি সাংঘাটিক উপায়। পৃথিৱীৰ ক'তো এনেকুৱা মানৱী ঐক্যৰ নমুনা নাই। শংকৰদেৱৰ সকলো কায্যই নৱ মূল্যায়নৰ দ্বাৰা আমি এখন বৃহৎ সোণৰ পৃথিৱী ৰচনা কৰিব পাৰো।

আদৰ্শহীনতা তথা ধৰ্মৰ খণ্ডবাখ্যাৰ ফলত মানুহে বৰ্তমান ধৰ্মক কামত নলগা অবান্তৰ বিষয়বস্তু বুলি ভাৱে। এনে মানসিক প্ৰৱনতা খুৱেই ভয়াবহ আৰু এই মানসিকতা মানুহৰ মাজত অব্যাহত ৰাখিলে হাতৰ কুঠাৰ ভৰিত মৰাব নিচিনা। যি আদৰ্শই মানুহক ঐশ্বৰিকভাৱত আপ্লুত কৰি ৰাখি চৰম মানসিকতাৰ উৎকৰ্ষ সাধন কৰে, কেতিয়াও সি সমাজলৈ উশৃংখলতা, ধৰ্মান্ধতা, গোড়ামি, সাম্প্ৰদায়িকতা আদি আনিব নোৱাৰে। বৰং ধৰ্মাদৰ্শৰ চেতনাই মানুহৰ মাজলৈ শান্তিৰ প্লাৱনহে বোৱাই আনে। সেয়ে মহাপুৰুষ শ্ৰী মাধৱদেৱে গাইছে।

হৰিত আশ্ৰয় জানিবা নিশ্চয়
সুখৰ মূল কাৰণ।
হৰিত বিমুখ দুখৰ কাৰণ।

জানিবা নিষ্ঠ বচন।। (২৪৯ নাম ঘোষা)

জনসাধাৰণ যদি কোনো নিৰ্ভূল বিশ্বজনীন জীৱন্ত আদৰ্শত যুক্ত নহয়, তেন্তে মানৱ সমাজত পশুত্বৰ আধিপত্য বিস্তাৰ ঘটিবই ই অৱশ্যম্ভাবী আৰু সাম্প্ৰতিক সমাজত এইবোৰ প্ৰতিভাত নোহোৱাকৈ থকা নাই। মানুহৰ অনিয়ন্ত্ৰিত আচাৰ-ব্যৱহাৰ, তথা কাৰ্য্যকলাপে সমাজৰ বৰ ভেটি উৰলি গ'লে, ধৰ্মই তাক পুনশ্চ উজ্জীৱিত কৰি তুলিবলৈ সক্ষম নহয়।

এখন সুস্থ, সুসংগঠিত, সু-শৃংখলিত ৰাষ্ট্ৰৰ আমি সদায়ে কামনা কৰো, কিন্তু সেই আশাৰ মূৰত আমিয়ে চেঁচা পানী বাকী দিও ঠন ঠন মদন গোপাল হৈ হাতদুখন সাৱটি বহি থাকি শান্তিৰ স্বৰগ কামনা কৰো। পিছে নকৰাকৈ পাব বিচৰা আৰু বাঁজী গাইৰ গাখীৰ আশা কৰা একেই সমাৰ্থক বোধক। ইয়াৰ বাবে আদৰ্শতযুক্ত হ'ব লাগিব কাৰণ ধৰ্মক বাদ দি ধৰ্মহীন ৰাজনীতিৰে দেশত শান্তিৰ স্থাপন হ'ব জানো?

বহুতে ধৰ্ম আৰু ৰাজনীতিক লৈ সনা পিটিকা কৰাতো পছন্দ নকৰে। ধৰ্মৰ লগত ৰাজনীতিৰ কোনো সম্পৰ্ক নাই বুলি ভাৱে। ৰাজনীতি যদি মানুহৰ সাৰ্বিক মঙ্গলৰ বাবে হয়, তেন্তে ৰাজনীতি আৰু ধৰ্মৰ মাজত কোনো পৃথকতা থাকিব নোৱাৰে। এই দুটা বিষয়বস্তুৰ প্ৰতি আমি যি আন্তৰিকতাৰ দৃষ্টিভঙ্গীৰে গ্ৰহণ কৰিব লাগিছিল তাক আমি গ্ৰহণ কৰাত ব্যৰ্থ হৈছো। বৰ্তমান সমাজত ৰাজনীতিৰ প্ৰকৃত ধাৰণাক বিকৃত কৰি প্ৰয়োগ কৰা বাবে বিষময় পৰিণতিয়ে দেখা দিছে।

সেইদৰে আধুনিক বিজ্ঞানেও ধৰ্মক আন্তৰিকতাৰে গ্ৰহণ কৰাত বিমূখ হৈ পৰিছে। অথচ ধৰ্মৰ গৰ্ভৰ পৰাই বিজ্ঞান সম্ভূত। বিজ্ঞানে ধৰ্ম অবিহনে পূৰ্ণতা লাভ কৰিব নোৱাৰে। বৰ্তমান বিজ্ঞানৰ লগত ধৰ্মৰ কোনো সম্পৰ্ক নাই বুলি কোৱা হৈছে, অথচ ধৰ্মৰ প্ৰতিটো তত্ত্ব, প্ৰতিটো আচৰণ, দেখ-দেখকে বৈজ্ঞানিক ভিত্তিত সুপ্ৰতিষ্ঠিত। বাস্তৱিকতে ধৰ্মক অগ্ৰাহ্য কৰি বিজ্ঞানক এটা পূৰ্ণাঙ্গ বিষয় হিচাপে লোৱা বাবে এই বিয়াগোম ক্ৰুটিপূৰ্ণ ধাৰনাটো মানুহৰ মাজত সোমাই পৰিছে।

মাক্স প্লেংক, হেনৰী, আইনষ্টাইন আদি বিশ্ববন্দিত বৈজ্ঞানিক সকলেও ধৰ্মক অস্বীকাৰ কৰা নাই। জাৰ্মাণীৰ পদাৰ্থ বিজ্ঞানী অধ্যাপক মাস্কপ্লেংকৰ মন্তব্য এছোৱা এই সন্দৰ্ভত অতি প্ৰাসঙ্গিক যেনে - " I regard conscslousess as fundamental I regard matter as derrivative from consclouseness there can never be any real oppostion between scince and religion for one is the complement of the other " অৰ্থাৎ "মোৰ বিবেচনাত চৈতন্যই মালিক কিন্তু চৈতন্যৰ পৰাই উদ্ভুত। বিজ্ঞান আৰু ধৰ্মৰ লগত কোনো বিৰোধিতা নাই। এটা আনটোৰ পৰিপূৰক।"

সেইদৰে মাৰ্কিন পদাৰ্থবিজ্ঞানী অধ্যাপক হেনৰীৰ মন্তব্যও উল্লেখযোগ্য - "The person who thinks there can be any real conflict between science and religion must be either very young in science or very ignarant in religion. " অৰ্থাৎ "যিয়ে বিজ্ঞান আৰু ধৰ্মৰ মাজত কোনো প্ৰকৃত বিৰোধিতা থকা বুলি ভাৱে, তেওঁ বিজ্ঞান জগতত নিতান্তই শিশু অথবা ধৰ্ম জগতত অত্যন্ত অজ্ঞ।"

যান্ত্ৰিকতাই বিজ্ঞান নহয়। বিজ্ঞানৰ মহৎ লক্ষ্যত উপনীত হবলৈ হ'লে বিজ্ঞান চৰ্চাকাৰীসকলে আদৰ্শ কেন্দ্ৰীক হোৱাৰ লগতে বিজ্ঞান আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব। অন্যথা বিজ্ঞান, গতিৰোধক নোহোৱা মটৰ গাড়ীৰ দৰে হ'ব।■

# জাতি আৰু ৰাজনীতি

**মনস্বিনী এইচ শৰ্মা**
*দ্বিতীয় যাণ্মাসিক, ৰাজনীতি বিভাগ*

**ভা**ৰতীয় জাতি ব্যৱস্থাৰ মূল ভিত্তি হিন্দুধৰ্ম যদিও ই প্ৰাচীন কালৰে পৰাই ৰাজনীতিৰ লগতো সম্পৰ্ক ৰক্ষা কৰিছে। ভাৰতৰ ৰজা-মহাৰজাসকলৰ দিনতো জাতি ব্যৱস্থাৰ লগত ৰাজনীতিৰ সম্বন্ধ আছিল। ভাৰতীয় পৰম্পৰাগত জাতি ব্যৱস্থাৰ বিশেষ পৰিৱৰ্তনৰ সূচনা হৈছিল ঔপনিৱেশিক কালতেই। ব্ৰিটিছসকলে আৰম্ভনিৰে পৰা শাসনৰ সুবিধা আৰু জ্ঞান আহৰণৰ বাবে জাতি ব্যৱস্থাৰ ওপৰত অধ্যয়ন কৰিছিল। জাতিৰ বিষয়ে তথ্য সংগ্ৰহ কৰিবলৈ ১৮৬০ চনতে প্ৰথম লোকপিয়ল আৰম্ভ কৰা হৈছিল আৰু ১৮৮১ চনৰ পৰা এই লোকপিয়লৰ প্ৰতি দহবছৰৰ মূৰে মূৰে নিয়মীয়াকৈ কৰা হৈছিল। ১৯১০ চনত হাৰ্বাট ৰিজলীৰ তত্ত্বাৱধানত যি জৰীপ হৈছিল সি উল্লেখনীয়। এই জৰীপত সকলো ধৰ্ম আৰু নৃ-গোষ্ঠীয় লোকৰ সামাজিক স্থান অনুসৰি পুংখানুপুংখ তথ্য সংগ্ৰহকৰা হৈছিল। এই জৰীপৰ জৰিয়তে ভাৰতীয় প্ৰায়বোৰ জাতিৰে অস্তিত্ব, সামাজিক স্থান, আৰু পৰিচয় পোৱা গৈছিল।সেই সময়ত বহুতো লোকে নজৰ অস্তিত্বৰ বাবে সামাজিক উচ্চস্থান দাবী কৰি তথ্য অনুসৰি উচ্চ জাতিৰ বুলি লোকপিয়ল আয়ুক্তৰ ওচৰত আবেদন জনাইছিল। এইদৰে পোন পটীয়াকৈ জাতিৰ ওপৰত কৰা অধ্যয়নে জাতি ব্যৱস্থা পূৰ্বতকৈ জটিল আৰু গোড়া কৰি পেলালে। যাৰ ফলত আইন আৰু ৰাজনৈতিক হস্তক্ষেপৰ ফলত জাতিবোৰে স্পষ্ট ৰূপ পালে আৰু বিভিন্ন জাতিৰ মাজৰ পাৰ্থক্য বৃদ্ধি পাবলৈ ল'লে। এনে পাৰ্থক্যৰ ফলত উচ্চ আৰু



নীচ জাতিৰ মাজত প্ৰভেদ প্ৰকট হৈ পৰিল। চৰকাৰীভাৱে (ৰাজনৈতিক পদ্ধতিৰে) পীড়িত নিম্নশ্ৰেণীৰ উন্নয়নৰ কাৰণে আঁচনি গ্ৰহণ কৰিছিল। ১৯৩৫ চনত ভাৰত চৰকাৰে কিছুমান জাতিৰ উন্নতি কৰিবৰ বাবে আইন প্ৰনয়ন কৰিছিল। কিছুমান জাতিক উন্নয়নৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰাৰ ফলত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আদিৰ সৃষ্টি হ'ল। এইদৰে ঔপনিৱেশিক কালত জাতি ব্যৱস্থাৰ ওপৰত পৰিৱৰ্তনকামী ৰাজনৈতিক হস্তক্ষেপৰ সূচনা হ'ল।

স্বাধীনতাৰ পাছতো দেশত জাতি ব্যৱস্থাৰ লগত ৰাজনৈতিক সম্পৰ্ক থাকিল। দেশৰ নিৰ্বাচনতো জাতি ভিত্তিত যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। প্ৰাৰ্থী নিৰ্বাচন বা জনপ্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত জাতিসমূহে এতিয়াও প্ৰভাৱ বিস্তাৰ কৰে। দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে চৰকাৰী চাকৰিত মকৰলৰ বাবে সংৰক্ষণ (Quota) ব্যৱস্থা, পদোন্নতিৰ ব্যৱস্থা, কিছুমান দিশত বয়সৰ সীমা, মানদণ্ড বা উপযুক্ততা, শিক্ষা আৰু অৰ্হতা আদিত শিথিলতা আদিৰ দৰে ব্যৱস্থাসমূহে জনজাতীয় লোকৰ পক্ষে ধনাত্মক হোৱাৰ বিপৰীতে সাধাৰণ শ্ৰেণীৰ পক্ষে এঘৰীয়া কৰাৰ লেখীয়া পৰিস্থিতিৰ পোষকতা কৰিছে।

ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হোৱাৰ পাচতো পৰোক্ষভাৱে জাতি ব্যৱস্থাক স্বীকৃতি প্ৰদান কৰি সংবিধানত জাতিভিত্তিক সংৰক্ষণ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলবোৰত অনুসূচিত জাতি আৰু জনজাতিৰ লোকৰ বাবে আসন সংৰক্ষণ কৰাটোৱে ইয়াৰ জলন্ত প্ৰমান। আনহাতে, অন্যান্য পিছপৰা শ্ৰেণীৰ লোকৰ বাবেও সংৰক্ষণৰ ব্যৱস্থা আছে। সংবিধানে প্ৰদান কৰা বিভিন্ন সুবিধাসমূহৰ সুৰক্ষাৰ বাবে আসন সংৰক্ষণ কৰাটোৱে ইয়াৰ জলন্ত প্ৰমাণ। আনহাতে, অন্যান্য পিচপৰা শ্ৰেণীৰ লোকৰ বাবেও সংৰক্ষণৰ ব্যৱস্থা আছে। সংবিধানে প্ৰদান কৰা বিভিন্ন সুবিধাসমূহৰ সুৰক্ষাৰ বাবে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ আয়ুক্তৰ কাৰ্য্যালয়ৰ ব্যৱস্থা, বিহাৰ, ওড়িশা, মধ্যপ্ৰদেশ, অসমকে ধৰি বিভিন্ন ৰাজ্যত অনুসূচিত জাতি জনজাতিৰ সমস্যা সমাধানৰ বাবে মন্ত্ৰালয়ৰ ব্যৱস্থাই তাকেই প্ৰমান কৰি আহিছে। ২০২০ চনলৈ বৰ্ধিত ম্যাদ লাভ কৰা এই সংৰক্ষণ নীতি ভাৰতবৰ্ষৰ ৰাজনৈতিক বিতৰ্কৰ মূল কাৰণ।

বিশেষকৈ সময়ৰ লগত জাতি আৰু ৰাজনীতি ইমানেই ওতঃপ্ৰোতভাৱে সংলগ্ন হৈ পৰিছে যে ইয়াকে লৈ একাংশই ৰাজনীতি কৰিবলৈ সুবিধাকণ পাইছে। যাৰ বাবে ভুক্তভোগী হৈছে সাধাৰণ শ্ৰেণীৰ লোক। স্বাধীনতাৰ পিছত ভাৰতৰ বিশৃংখলতাক থিতাপি লগাবলৈহে আম্বেদকাৰ ডাঙৰীয়াই চৰকাৰীভাৱে পদক্ষেপ ল'বলৈ সংবিধানত অনুসূচীত জাতি, জনজাতিৰ বাবে বিশেষ কিছুমান ব্যৱস্থা বা দঁফা সন্নিৱিষ্ট কৰিবলৈ কৈছিল। (নিৰ্দিষ্ট কাললৈহে এই ব্যৱস্থা ল'বলৈ কৈছিল) কিন্তু, ইয়াক ৰাজনৈতিক নেতাসকলে ভোটৰ বাবে ব্যৱহাৰ কৰিবলৈহে ল'লে নিৰ্দিষ্ট কালৰ পৰা অনিৰ্দিষ্ট কাললৈ জনজাতিক সুবিধা প্ৰদান কৰিবলৈ সুযোগ কণ দিলে। যাৰ ফলত সাধাৰণ শ্ৰেণীৰ লোকে নিজৰ প্ৰাপ্যৰ বাবে বহু যুঁজ দিবলগীয়া পৰিস্থিতি আহি পৰিছে। এইয়ো এক প্ৰকাৰ সামাজিক অসমতা তথা বিশৃংখলতাৰ সৃষ্টি কৰিবলৈ ধৰিছে। সংবিধান প্ৰণেতাৰ ভালচিন্তাক একাংশ প্ৰভাৱশালী নেতাই দুঃ চিন্তা লৈ ৰূপান্তৰ কৰিলে বুলি ক'লেও ভূল কোৱা নহ'ব।

এতিয়া সময় সলনি হ'ল সকলোৱে নিজৰ জাতিটোৰ একেবাৰে নিম্নবৰ্গৰ মানুহজনে নিৰ্দিষ্ট জাতীয়তাবাদৰ কিমানখিনিক প্ৰতিনিধিত্ব কৰিব পাৰিছে তাক এবাৰ চালিজাৰি চোৱাৰ প্ৰয়োজন আছে। (এন্টনিঅ' গ্ৰামচিৰ চাবঅলটাৰ্নবাদ)। সকলোকে লৈ একেলগে আগবাঢ়ি যোৱাৰ মনোভাৱ পোষণ কৰা মানুহৰ পয়োভৰ কিমান সেয়াও বিচাৰ বিশ্লেষণ কৰি চাব।

আত্মপক্ষ সমৰ্থনৰ বাবে বিবেকক বন্ধকত থৈ অনেকেই নিজৰ অস্তিত্ব জাহিৰ কৰিবৰ বাবে ৰাজনৈতিক দলৰ শ্লোগান আওঁৰাব পাৰে। কিন্তু, এবাৰ আপোনালোকে নিজক প্ৰশ্ন কৰি চোৱাৰ থল আছে। আপোনালোকৰ জাতি উচ্চ নে নিম্ন তাকে লৈ আপোনাক বিশেষ সুবিধা কিয় লাগে? আপুনি যদি শিক্ষাগত অৰ্হতাৰে কোনো পদৱীৰ বাবে যোগ্য তেন্তে আ পোনাৰ প্ৰাপ্যক কোনেও হস্তক্ষেপ কৰিব নোৱাৰে। আপুনিও দেশৰ সম্পদ, শিক্ষাগত অৰ্হতাৰে আপুনিও উচ্চ পদবীৰ দাবীদাৰ তেন্তে আপোনাক চৰকাৰৰ পুতৌৰ প্ৰয়োজন কিয়?

বৰ্তমান যুগত উচ্চ-নীচ জাতিৰ ভিত্তিত নহয় তেওঁৰ কৰ্ম, দক্ষতা তথা অৰ্হতাৰ ভিত্তিতহে নিৰ্ধাৰণ কৰা হয়। গতিকে, চৰকাৰৰ পুতৌৰ সলনি নিজৰ শিক্ষাগত অৰ্হতাক উন্নত কৰাৰ প্ৰতিহে আপোনালোক সজাগ হোৱা উচিত। কিয়নো, আমি সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য ভাৰতবৰ্ষ প্ৰতিষ্ঠা কৰিম বুলি দৃঢ় সংকল্পবদ্ধ। ■



# আইৰ মুখৰ ভাষাৰ আঁচলত ধৰি

**ময়ুৰপঙ্খী শইকীয়া**
*ইংৰাজী বিভাগ, স্নাতকোত্তৰ ৪ৰ্থ ষাণ্মাসিক*

ভাষা এটা জাতিৰ দাপোনস্বৰূপ। কোনো এটা জাতিৰ কৃষ্টি-সংস্কৃতি, সাহিত্য, পৰম্পৰা, ইত্যাদি সকলোবোৰ প্ৰকাশ পায় সেই জাতিৰ ভাষাৰ জৰিয়তে। জাতীয়তাবাদো ইয়াৰ ব্যতিক্ৰম নহয়; জাতীয়তাবাদৰ উপাদানবোৰৰ অন্যতম হ'ল ভাষা। জাতীয় ভাষা যি জাতিয়ে জীয়াই ৰাখিব নোৱাৰে সেই জাতিয়ে সদায় অস্তিত্বৰ সংকটত ভুগে। জাতীয়তাবাদ হ'ল এক অলৌকিক ধাৰণা; একোটা অঞ্চলত বসবাস কৰা মানুহে কালক্ৰমত নিজা নিজা কৃষ্টি-সংস্কৃতি ইত্যাদি ধৰি ৰাখি 'আমি একেটা জাতিৰেই অন্তৰ্গত'- এনে যি ভাৱ এটাৰ উৎপত্তি হয় আৰু যি চেতনা শক্তিয়ে নিজৰ জাতিটোক, তথা জাতীয় ভাষা আৰু সংস্কৃতিক জীয়াই ৰখাৰ শক্তিৰে উদ্বুদ্ধ কৰি ৰাখে তেনে মতবাদকে জাতীয়তাবাদ বুলি আখ্যা দিয়া হয়।

জাতীয়তাবাদক বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি - সুস্থ জাতীয়তাবাদ, (Democratic nationalism) উগ্ৰ জাতীয়তাবাদ (fuedalistic nationalism), ভাষিক জাতীয়তাবাদ, ইত্যাদি...

ভাষিক জাতীয়তাবাদৰ প্ৰাধান্য ভাৰতবৰ্ষত সাধাৰণতে বহু বেছি পৰিমাণে দেখা যায়। অসমৰ প্ৰেক্ষাপটতো জাতীয়তাবাদৰ ক্ষেত্ৰত বহুতো আন্দোলনৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। কিন্তু, বৰ্তমান সময়ত

দেখা গৈছে যে জাতীয়তাবাদ নামৰ শব্দটোহে বাচি আছেগৈ, জাতীয়তাবাদৰ গইনা লৈ গা কৰি উঠিছে মূলতঃ ধৰ্মকেন্দ্ৰীক ৰাজনৈতিক শক্তি। শংকৰ-আজানৰ অসমদেশ আৰু লাচিতৰ সোণৰ অসমত বৰ্তমান সময়ত "আমি অসমীয়া"ৰ সলনি সৃষ্টি হৈছে হিন্দু-মুছলমান, ব্ৰাহ্মণ-ক্ষত্ৰিয়, কোচ-কলিতা-বড়ো, ইত্যাদি মনোভাৱৰ। অসমীয়া বুলি পৰিচয় দিয়াৰ আগতে অসমীয়া মানুহে নিজৰ ধৰ্ম আৰু জাতৰহে পৰিচয় দিয়াৰ ক্ষেত্ৰতহে তৎপৰ হোৱা দেখা গৈছে। আৰু এই মনোভাৱৰ বাবে আজি অসমীয়া জাতিৰ অস্তিত্ব যে সংকটৰ পংকিলতাত সোমাই পৰিছে সেইটো সঁচা।

জাতীয়তাবাদী মনোভাৱ অসমৰ দৰে ৰাজ্য এখনত তেতিয়াহে সম্ভৱ হ'ব যেতিয়া জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে "আমি অসমীয়া, নহওঁ দুখীয়া" মনোভাৱ লৈ বিশ্বৰ দৰবাৰত চিনাকি দিব পাৰিব।

ভাষা জাতীয়তাবাদী মনোভাৱ গঠনকাৰী প্ৰধান উপাদান হোৱা হেতুকে অসমীয়া জাতিৰ লোকে নিজ মাতৃভাষাক যদি উপযুক্ত সমাদৰ দিব পাৰে তেতিয়াহে অসমীয়া জাতি অন্যতম শক্তিশালী জাতি হিচাপে মূৰ তুলি জীয়াই থাকিব পাৰিব। বৰ্তমান বিশ্বায়নৰ যুগত ইংৰাজী ভাষা আৰু আমাৰ ৰাষ্ট্ৰভাষা হিন্দী জনাৰ যে যথেষ্ট প্ৰয়োজনীয়তা আছে সেইটো নুই কৰিব নোৱাৰি। কিন্তু, যদি তাকে কৰিব গৈ আমি আমাৰ নিজৰ জাতীয় ভাষা অসমীয়াক এলাগী কৰো তেতিয়া সাধুত পঢ়িব পোৱাৰ দৰে শালিকাই ৰাজহাঁহৰ খোজ শিকিব গৈ নিজৰ খোজ পাহৰাৰ দৰে অৱস্থা যে এদিন আহিব সেয়া নিশ্চিত। বৰ্তমান সময়ত দেখা গৈছে যে বৰ্তমান প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে অসমীয়া ক'ব নাজানে, লিখিব নাজানে আৰু তাকে লৈ তেওঁলোকৰ অভিভাৱকেও প্ৰায় এক প্ৰকাৰৰ গৰ্ব কৰাৰ দৰেই মনোভাৱ পোষণ কৰাও দেখা যায়। যদি আমি আমাৰ প্ৰজন্মক আমাৰ জাতীয় ভাষাটোকেই ক'বলৈ বা লিখিবলৈ শিকাব নোৱাৰো তেনেস্থলত কিদৰে আশা কৰিব পাৰিম যে সিহঁতে জাতীয়তাবাদী মনোভাৱৰ গৰাকী হৈ জাতিৰ হকে কাম কৰিব। জাতীয়তাবাদী ভাৱ কেৱল তেতিয়াহে সম্ভৱ যেতিয়া আমি নিজা জাতীয় ভাষা জীয়াই ৰাখিব পাৰিম। কাৰণ, ভাষা অবিহনে এটা জাতি নিঃস্ব। শূন্যৰ পৰা যিহেতু একো পাব নোৱাৰি, জাতীয় ভাষাশূন্য জাতি এটাৰ পৰাও সাহিত্য, সংস্কৃতিৰ আশা কৰিব নোৱাৰি। বিভিন্ন জাত আৰু বৰ্ণৰ লোকৰ বাসভূমি হ'লে অসমত তেওঁলোকক যিয়ে একতাৰ দোলেৰে বান্ধি ৰাখিছে সেইয়া হ'ল অসমীয়া ভাষা। যদি এই এনাজৰীডালেই চিঙি যায় তেনেহ'লে বৃহত্তৰ অসমীয়া জাতি গুচি সকলো মাত্ৰ হৈ পৰিব - হিন্দু-মুছলমান, ব্ৰাহ্মণ-ক্ষত্ৰিয়, বড়ো-ৰাভা-কাৰ্বি-কোচ-কলিতা, তাত অসমীয়া জাতি বুলি একো নাথাকিব, নাথাকিব জাতীয়তাবাদো। যিহেতু ভাষাই জাতীয়তাবাদৰ মূল উপাদান সেয়ে প্ৰথমে জাতীয় ভাষাটোক সকলো সমস্যা আৰু সংকটৰ পৰা আঁতৰাই আনি অসমৰ একচত্ৰী ভাষা হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব। নহ'লে-গহৰা গজাৰ দৰে অসম ভূমিত গজি উঠা ইংৰাজী ভাষাৰ আগ্ৰাসনত অসমীয়া ভাষাই অস্তিস্ব হেৰুৱাই পেলাব। আৰু যদি জাতীয় ভাষাই নাথাকে তেতিয়া নাথাকিব কোনো জাতীয় চেতনা উদ্বুদ্ধ কৰিব পৰা সাহিত্য, সংস্কৃতি আৰু নাথাকিব অসমীয়াৰ জাতীয়তাবাদী মনোবৃত্তিও। এইয়া অকল অসমৰ প্ৰেক্ষাপটৰেই নহয়, অসমৰ দৰে আন আন ৰাজ্যতো দেখা দিয়া সমস্যা। ত্ৰিপুৰাৰ ক্ষেত্ৰত কবি চন্দ্ৰকান্ত মুৰাসিঙয়েও একেই মনোভাৱকেই ব্যক্ত কৰিছে তেওঁৰ বিখ্যাত "Slumber" নামৰ কবিতাটোত। তদুপৰি মণিপুৰী কবি Robin S. Ngangan য়ে এইক্ষেত্ৰত একে মন্তব্য প্ৰদান কৰিছে। মুৰাসিঙে তেওঁৰ জন্মভূমি ত্ৰিপুৰাত বঙালী ভাষীৰ অগ্ৰাসনত ত্ৰিপুৰাৰ থলুৱা ভাষা - কক্‌বৰোকে কিদৰে সংকটৰ সন্মুখীন হৈছিল সেই কথা "Slumber" কবিতাটোত দাঙি ধৰিছে।

একেদৰে, অসমতো উনবিংশ শতিকাৰ চতুৰ্থ দশকত অসমীয়া ভাষা অসমতে এলাগী হৈ পৰিছিল। সেই পৰিস্থিতিৰ আকৌ সন্মুখীন হ'ব লাগিব যদিহে অসমৰ অসমীয়াৰ সলনি ইংৰাজী ভাষাই স্থান লয়। চৰকাৰী ভাষা হিচাপে ইংৰাজী ব্যৱহাৰ হ'লেও যাতে ইংৰাজী ভাষাৰ অগ্ৰাসনে অসমীয়াক শ'লঠেকত নেপেলাই সেইটোও সমানেই লক্ষ্য ৰাখিব লাগিব। তেতিয়াহে, জীয়াই থাকিব অসমীয়া ভাষা, অসমীয়া জাতি-সাহিত্য-সংস্কৃতি, আৰু জাতীয়তাবাদী মনোভাৱ। অসমৰ তুলনাত ভাৰতবৰ্ষৰ আন আন ৰাজ্যত এই জাতীয়তাবাদী মনোভাৱটো বহু বেছি পৰিমাণে পৰিলক্ষিত হয়। তামিলনাডু, উৰিষ্যা, কেৰালা আদি ৰাজ্যৰ মানুহৰ মাজত নিজৰ ভাষা আৰু জাতিৰ প্ৰতি যি জাতীয়তাবোধৰ ভাৱ আছে সেইয়া আমাৰ বৰ্তমান সময়ৰ অসমীয়া সমাজতকৈ অলপ হ'লেও বেছি। আনৰটো বা বৈদেশিক বস্তু বা ধৰণ সোনকালে আয়ত্ত কৰি ভাল পোৱা অসমীয়া জাতিয়ে বহিঃৰাজ্যৰ মানুহৰ যি জাতীয়তাবাদী মনোভাৱ সেইয়া যদি অলপ হ'লেও আয়ত্ত কৰিব পাৰে তেন্তে বিশ্বত এনে কোনো শক্তি নাই যিয়ে অসমীয়া জাতিক বিশ্বৰ দৰবাৰত সু-প্ৰতিষ্ঠিত আৰু অন্যতম শক্তিশালী জাতি হিচাপে প্ৰতিষ্ঠিত হোৱাত বাধা দিব পাৰিব। তাৰ বাবে প্ৰয়োজন মাঁথো "আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম / সকলো আছিল, সকলো আছে নুশুনো নলওঁ গম মনোভাৱৰ। কিয়নো, অসমীয়া জাতি নিজা সাহিত্য, সাংস্কৃতিত অতীতৰ পৰাই চহকী, যদি অসমীয়া ভাষাক উচিত সমাদৰ আৰু স্থান দিব পাৰে তেতিয়া এই জাতীয়তাবোধ হ'ব সবাতোকৈ চহকী। ■

# শাৰীৰিক প্ৰতিবন্ধকতা
# বনাম ক্ৰীড়াক্ষেত্ৰত খেলুৱৈৰ সফলতা

**মনস্বিতা শৰ্মা**
*ষষ্ঠ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ*



"I do not have a disability. I have a gift! others may see it as a disability, but I see it as a gift beacause I have to become stronger to get around it, and smarter to figure out how to use it. others should be so lucky."

- নিজৰ শাৰীৰিক প্ৰতিবন্ধকতাৰ কথা লিখিবলৈ লওঁতে বিখ্যাত লেখক শ্বেন ই ব্ৰান (Shane E. Bryan) ৰ কাপেৰে নিগৰিছিল ওপৰোক্ত কথাষাৰ।

প্ৰতিবন্ধকতা (Disability) হৈছে যিকোনো প্ৰকাৰৰ শাৰীৰিক, সংজ্ঞানাত্মক, মানসিক, সংবেদনাত্মক, বিকাশজনিত অথবা

এই বোৰৰ সংমিশ্ৰিত বিকাৰজনিত সমস্যা। প্ৰতিবন্ধকতা জন্মগতভাৱে বা বিভিন্ন সময়ত, বিভিন্ন কাৰণত ব্যক্তিৰ জীৱন কালত দেখা দিব পাৰে। সমীক্ষা অনুসৰি আমাৰ দেশৰ শাৰীৰিক অথবা মানসিক বাধাগ্ৰস্ততা থকা লোকৰ সংখ্যা মুঠ জনসংখ্যাৰ প্ৰায় ২.২১%। পূৰ্বতে শাৰীৰিক প্ৰতিবন্ধকতা লৈ জন্ম গ্ৰহণ কৰা শিশুসকলক সমাজৰ লগতে বহু ক্ষেত্ৰত নিজ পিতৃ-মাতৃয়েও বোজাৰ চকুৰে চাইছিল। সমাজৰ কপটতা কুটিলতাই অন্ধকাৰৰ দিশে ঠেলি পঠিয়াইছিল তেনে শিশু সকলৰ ভৱিষ্যত। কিন্তু সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে মানুহৰ দৃষ্টিভংগী তথা মানসিকতা সলনি হৈ আহিছে। বিশেষভাৱে সক্ষম লোকসকলৰ সুবিধাৰ্থে নিঃ স্বাৰ্থভাৱে সহায়ৰ হাত আগবঢ়াইছে বহুজনে, তেওঁলোকৰ অধিকাৰ যাতে কোনেও কাঢ়ি নিব নোৱাৰে তাৰ বাবে আগবাঢ়ি আহিছে কেইবাটাও চৰকাৰী অথবা বেচৰকাৰী সংগঠন। ফলশ্ৰুতিত শাৰীৰিক প্ৰতিবন্ধকতা এতিয়া উন্নতিৰ পথত হেঙাৰ হৈ থকা নাই, হৈ থকা নাই লক্ষ্যপ্ৰাপ্তিৰ ক্ষেত্ৰখনত অভেদ্য প্ৰাচীৰ। ষ্টিফেন হ'কিঙ, হেলেন কেলাৰ, সুধা চন্দ্ৰনকে ধৰি বহু বিখ্যাত ব্যক্তিয়ে প্ৰৱল আত্মবিশ্বাস, কঠোৰ অনুশীলনৰ বলত অন্ধকাৰৰ কৱলৰ পৰা নিজকে মুক্ত কৰি প্ৰতিভাৰ পোহৰেৰে পোহৰাই তুলিছে সমগ্ৰ বিশ্ব।

অন্য ক্ষেত্ৰ সমূহৰ দৰে ক্ৰীড়াক্ষেত্ৰ খনতো বহুজন বিশেষভাৱে সক্ষম খেলুৱৈয়ে নিজৰ প্ৰতিভাৰে চমক সৃষ্টি কৰিছে। বিভিন্ন ধৰণৰ শাৰীৰিক অক্ষমতা থকা সত্বেও তেওঁলোকে কঠোৰ সাধনা, দীৰ্ঘদিনীয়া অনুশীলন, গঢ়িবলৈ সক্ষম হৈছে, খেল জগতৰ একো একোজন নক্ষত্ৰ হিচাপে পৰিগণিত হৈছে। অতুলনীয় প্ৰতিভাৰ অধিকাৰী এইসকল খেলুৱৈয়ে ক্ৰীড়জগতক নতুন গতি আৰু ছন্দ প্ৰদান কৰিছে। নিজৰ অক্ষমতাই তেওঁলোকক নিৰাশ কৰিব পৰা নাই। মানসিক দৃঢ়তা কিম্বা সংগ্ৰামৰ অন্তত বিশ্ব অভিলেখ পংগুত্বক তেওঁলোক অভিশাপ নহয়, আৰ্শীবাদ হিচাপেহে যেন গ্ৰহণ কৰিছে। জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ হাবিয়াসে প্ৰতিপল তেওঁলোকক জাগ্ৰত কৰি ৰাখিছে, সাহসী কৰি তুলিছে। সফলতাৰ শিখৰ স্পৰ্শ কৰাৰ সপোন দেখিয়েই তেওঁলোক ক্ষান্ত থকা নাই, সেই শিখৰলৈ উঠিব পৰা জখলা সজোৱাত নিমগ্ন হৈ পৰিছে প্ৰত্যেকেই। ফলত নিজ নিজ ক্ষেত্ৰত তেওঁলোক উজ্বলি উঠিছে হীৰাৰ লেখীয়াকৈ। কোনোবাই বিশ্ব চেম্পিয়ন হৈছে, কোনোবাই ৰানাৰ্ছ আপৰ খিতাপ অৰ্জন কৰিছে। কোনোবাজনে সোণ, কোনোবাজনে ৰূপৰ পদক অৰ্জন কৰি বিশ্ববাসীক গৌৰৱান্বিত কৰিছে। আনৰ পুতৌৰ পাত্ৰ হৈ থকাৰ পৰিৱৰ্তে ক্ৰমশঃ সৰু-বৰ সকলোৰে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে তেওঁলোক। 'পংগুত্ব' শব্দটো প্ৰকৃততে স্ব-মহিমাৰে বন্দিত সেই সকল সফল ব্যক্তি কিম্বা খেলুৱৈৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নে জন্ম লগ্নৰে পৰা সম্পূৰ্ণ সুস্থ-সৱল শৰীৰৰ অধিকাৰী হৈও বিভিন্ন অজুহাতত শাৰীৰিক পৰিশ্ৰম কৰাৰ পৰা নিজক বিৰত ৰাখি শুই-বহি কটোৱা লোকসকলৰ ক্ষেত্ৰত বেছি ভালদৰে প্ৰযোজ্য হ'ব সেয়া সাম্প্ৰতিক সময়ৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন।

বিশেষভাৱে সক্ষম লোকসকলে যাতে নিজক লৈ হীনমান্যতাত ভুগিবলগীয়া নহয় লগতে প্ৰতিভা বিকাশৰ যাতে এখন মঞ্চ লাভ কৰে, তাৰ বাবে বিভিন্ন সময়ত বিভিন্ন ব্যক্তি বা অনুষ্ঠান- প্ৰতিষ্ঠান আগবাঢ়ি অহাটো আমাৰ পৰিলক্ষিত হৈছে। তেনে এক মহৎ উদ্দেশ্য আগত ৰাখিয়েই জন্ম হৈছিল 'পেৰালিম্পিক' নামৰ এটা আন্তৰ্জাতিক বহু ক্ৰীড়া প্ৰতিযোগিতাৰ। প্ৰতি চাৰি বছৰৰ মূৰে মূৰে অনুষ্ঠিত হৈ অহা বিশ্বৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ অলিম্পিকৰ সমান্তৰালভাৱে আয়োজিত হোৱা বাবেই এইখন প্ৰতিযোগিতাৰ নাম পেৰালিম্পিক। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ মাজতো যে ক্ৰীড়া প্ৰতিভা লুকাই থাকিব পাৰে সেই কথা ভালদৰে হৃদয়ংগম কৰিব পাৰিছিল এজন জাৰ্মান চিকিৎসকে। লুডৱিগ গুটমেন নামৰ চিকিৎসকজনে দ্বিতীয় বিশ্বযুদ্ধত আঘাতপ্ৰাপ্ত ব্ৰিটিছ সৈনিকসকলৰ মাজত ১৯৪৮ চনত এখন ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। ইন্টাৰনেচনেল হুইলচেয়াৰ গেমচ্ (International Wheelchair Games) নামেৰে অনুষ্ঠিত এই প্ৰতিযোগিতাখনেই পিছলৈ শাৰীৰিকভাৱে অক্ষম ব্যক্তিসকলৰ বাবে প্ৰেৰণাৰ অমল উৎস হৈ পৰিছিল। ১৯৭২ চনলৈকে এই প্ৰতিযোগিতাত কেৱল হুইলচেয়াৰত বহা খেলুৱৈয়েহে অংশ গ্ৰহণ কৰিছিল। কিন্তু ১৯৭৬ চনৰ পৰা বিভিন্ন ক্ষেত্ৰত বাধা গ্ৰস্ত (দৃষ্টিহীন, মূক-বধিৰ, হাত-ভৰি নথকা ইত্যাদি) খেলুৱৈ সকলেও অংশগ্ৰহণৰ সুবিধা পায়। উল্লেখ্য যে শাৰীৰিকভাৱে বাধাগ্ৰস্ত খেলুৱৈৰ বাবে গঠিত প্ৰথমটো সংস্থা হৈছে "ইন্টাৰনেচনেল স্পোৰ্টচ্ অৰগেনাইজেচন ফৰ ডিজেবল্ড' (International sports organanization for disabled) ১৯৬৪ চনত গঠিত এই সংস্থাটোৱেই আছিল পেৰালিম্পিকৰ গৱৰ্নিং ব'ডি। সেইদৰে ১৯৮২ চনত "ৱৰ্ল্ড স্পোৰ্টচ্ অৰগেনাইজেচন ফৰ ডিজেবল্ড" (World sports organization for the disabled) নামৰ আন এটা সংগঠনৰ জন্ম হয়। দুয়োটা সংগঠন আন্তৰ্জাতিক সমন্বয়ৰক্ষী সমিতি হিচাপে পেৰালিম্পিক আয়োজনত আন্তৰ্জাতিক অলিম্পিক সমিতিক সহায় কৰিছিল। অৱশ্যে ১৯৮৮ চনৰ ছিউল অলিম্পিকৰ পিছত এটা স্বতন্ত্ৰ সংস্থা গঠনৰ প্ৰয়োজনীয়তা আহি পৰাত ১৯৮৯ চনত গঠন কৰা হয় আন্তৰ্জাতিক পেৰালিম্পিক সমিতি। জাৰ্মানীৰ ব'নত অৱস্থিতি আন্তৰ্জাতিক পেৰালিম্পিক সমিতিৰ বৰ্তমান সদস্য ৰাষ্ট্ৰ সংখ্যা ১৭৪। ভাৰতো ইয়াৰ অন্যতম সদস্য। পেৰালিম্পিক খেলৰ মূল মন্ত্ৰ হৈছে স্পিৰিট অফ্‌মোচন (spirit

of motion)। শাৰীৰিক বাধাগ্ৰস্তসকলৰ বাবে সুকীয়াকৈ পেৰালিম্পিক অনুষ্ঠিত হয় যদিও তেনে বহু খেলুৱৈয়ে মূল অলিম্পিকৰ প্ৰতিযোগিতাসমূহতো অংশ গ্ৰহণ কৰাৰ উদাহৰণ ক্ৰীড়া ইতিহাসৰ পাতত লিপিৱদ্ধ হৈ আছে। এইখিনিতে বিখ্যাত আমেৰিকান লেখক জয় ৰেইমেন (Joey Reiman) এ লিখা এযাৰ কথা উল্লেখ কৰিবই লাগিব। ৰেইমেনে তেখেতৰ কোনোবা এটা লিখনিত লিখিছিল, "What I learned was that these atheletes were not disabled, they were super abled. the olympic is where heores are made. the paralympics is where heores come."

নিজৰ শাৰীৰিক প্ৰতিৱন্ধকতাকো নেওচি, জীৱন বাটৰ নানা বাধা-বিঘিনি অতিক্ৰম কৰি পেৰালিম্পিককে ধৰি বিভিন্ন ৰাষ্ট্ৰীয়, আন্ত ঃ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত জয়লাভৰ জৰিয়তে সফলতাৰ দুৱাৰত টোকৰ মাৰিবলৈ সক্ষম হোৱা বিশ্বৰ খেলুৱৈৰ তালিকাখন যথেষ্ট দীঘলীয়া। তেওঁলোকৰ মাজৰে কিছুসংখ্যকৰ উদাহৰণ তলত দাঙি ধৰা হ'ল -

১) মাৰ্ক স্মিথ (Mark Smith) ঃ সুদীৰ্ঘ ১০ বছৰ বৃটিছ সেনা হিচাপে সেৱা আগবঢ়োৱাৰ পাছত অগ্নি প্ৰশিক্ষণৰ কালছোৱাত দুৰ্ঘটনাত পতিত হৈ মাৰ্ক স্মিথৰ সোঁ ভৰিখন নষ্ট হোৱাৰ লগতে কান্ধৰ কিছু অংশও নষ্ট হয়। বহুদিন ধৰি চিকিৎসাধীন হৈ থাকিবলগীয়া হোৱাত হতাশাই তেওঁক কোঙা কৰি পেলাইছিল যদিও নিজৰ সন্তানৰ বাবে হ'লেও জীয়াই থকাৰ মনোবল গোটাই শৰীৰ চৰ্চা আৰম্ভ কৰে। তাৰ ফলস্বৰূপে ২০১৫ চনত আমেৰিকাত অনুষ্ঠিত ফিল্ হিথ্ (Phil Heath) ক্লাছিক খিতাপ অৰ্জন কৰে। তাৰোপৰি ২০১৭ চনত শাৰীৰিক অক্ষম লোকৰ আৰ্নল্ড ক্লাছিক খিতাপ অৰ্জন কৰিবলৈও সক্ষম হয়।

২) কেমিল্ল ৰড্ৰীকছ (Camille Rodrigues) ঃ ২৫ বৰ্ষীয় ৰড্ৰীকছ এগৰাকী ব্ৰাজিলিয়ান সাঁতোৰবিদ আৰু মডেল। মেক্সিকোৰ পেৰালিম্পিকত তেওঁ চাৰিটা মেডেল অৰ্জন কৰে।

৩) মেলিছা ষ্টকৱেল (Melissa Stockwell) ঃ আমেৰিকাৰ মিচিগানৰ ৩৭ বৰ্ষীয় মেলিছাই সৈন্য বাহিনীত ভৰ্ত্তি হোৱাৰ পিছতেই ইৰাকত হোৱা এখন যুদ্ধত বাওঁভৰিখন হেৰুৱাবলগীয়া হৈছিল। এখন ভৰিৰেই ২০০৮ চনৰ পেৰালিম্পিকত তেওঁ সাঁতোৰত অংশগ্ৰহণ কৰে।

তেওঁ লোকৰ উপৰিও অস্কাৰ পিষ্টোৰিয়াছ (oscar Pistorius), জিমএব'ট (Jim Abbott), গ্লেন কানিংহাম (Glenn Cunningham) ইত্যাদি খেলুৱৈৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ভাৰতীয় খেলুৱৈসকলো অৱশ্যে এই ক্ষেত্ৰত বহুদূৰ আগুৱাই যোৱা পৰিলক্ষিত হৈছে। নিজৰ প্ৰতিৱন্ধকতাকো নেওচি চমৎকাৰ খেল প্ৰদৰ্শনেৰে ক্ৰীড়াপ্ৰেমীক মুগ্ধ কৰি ৰাখিছে দেশখনৰ বহু কেইগৰাকী প্ৰতিভাৱান খেলুৱৈয়ে। তেওঁলোকৰ সুনাম ভাৰততেই সীমাৱদ্ধ হৈ থকা নাই, ই দূৰ দিগন্তলৈ প্ৰসাৰিত হৈছে। ভাৰত তথা সমগ্ৰ বিশ্বৰ ক্ৰীড়াক্ষেত্ৰক নতুন ৰঙেৰে ৰঙীন কৰি তোলা এনে কিছুসংখ্যক খেলুৱৈৰ উদাহৰণ তলত দাঙি ধৰা হ'ল -

১) অৰুনিমা সিন্হা (Arunima Sinha) ঃ ২০১১ চনত হোৱা এক ভয়াবহ ৰে'ল দুৰ্ঘটনাত নিজৰ এখন ভৰি চিৰদিনলৈ হেৰুৱাবলগীয়া হোৱা অৰুনিমা সিন্হাই ধৈৰ্য্য, একাগ্ৰতা আৰু মনোবলৰ সহায়ত শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি সুউচ্চ মাউন্ট এভাৰেষ্ট বগোৱা প্ৰথমগৰাকী বিশেষভাৱে সক্ষম ভাৰতীয় হিচাপে স্বীকৃতি লাভ কৰে। উল্লেখ্য যে ২০১৫ চনত তেওঁ পদ্মশ্ৰী বঁটাও লাভ কৰিবলৈ সক্ষম হয়।

২) মেজৰ ডি পি সিঙ (Major DP Singh) ঃ ১৯৯৯ চনত কাৰ্গিলত হোৱা এক দুৰ্ঘটনাত ভাৰতীয় সেনা ডিপি সিঙ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। চিকিৎসকে তেওঁক প্ৰথমাৱস্থাত মৃত বুলি ঘোষণা কৰে যদিও সৌভাগ্যৱশতঃ তেওঁলোকে সিঙক বচাবলৈ সক্ষম হয়। সেই দুৰ্ঘটনাৰ দহ বছৰ পিছত অৰ্থাৎ ২০০৯ চনৰ পৰা সিঙে কৃত্ৰিম ভৰিৰেই ইখনৰ পিছত সিখনকৈ মাৰাথন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ লয়। কৃত্ৰিম ভৰিৰেই দহখনতকৈ অধিক মাৰাথন প্ৰতিযোগিতাত দৌৰি তেওঁ অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হয়।

৩) দীপা মালিক (Deepa Malik) ঃ দীপা মালিক পেৰালিম্পিকত পদক অৰ্জনকাৰী প্ৰথমগৰাকী ভাৰতীয় মহিলা খেলুৱৈ। ২০১৬ চনৰ গ্ৰীষ্মকালীন পেৰালিম্পিকত তেওঁ শ্বট পুতত ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়।

৪) বীৰেন্দৰ সিঙ যাদৱ (Virender Singh Yadav) ঃ কাণেৰে নুশুনা ৩৬ বৰ্ষীয় খেলুৱৈ গৰাকীয়ে ডেফলিম্পিক (Deaflympic) ৰ ৰেষ্টলিঙ শাখাত লাভ কৰিছে কেবাটাও পদক।

৫) শাৰদ কুমাৰ (Sharad Kumar) ঃ পাটনাৰ এইগৰাকী খেলুৱৈয়ে নিজৰ শাৰীৰিক প্ৰতিবন্ধকতাকো নেওচি হাই জাম্পত ইতিমধ্যে কেইবাটাও পদক লাভ কৰিছে।

৬) দীপক শৰ্মা (Deepak Sharma) ঃ ২০১৪ চনত হোৱা এক দুৰ্ঘটনাত এখন ভৰি হেৰুৱাবলগীয়া হোৱা শৰ্মাই পৰৱৰ্ত্তী সময়ত কৃত্ৰিম ভৰিৰেই দৌৰৰ অনুশীলন চলাই যায়। কঠোৰ সাধনা আৰু পৰিশ্ৰমৰ অন্তত তেওঁ পেৰালিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰে।

৭) বৰুণ সিঙ ভাটী (Varun Singh Bhati) ঃ শৈশৱত পলিঅ' ৰোগত আক্ৰান্ত হোৱা ২৫ বৰ্ষীয় ভাটীয়ে নিজৰ

মনোবলেৰে হাই জাম্পত ২০১৬ চনৰ গ্ৰীষ্মকালীন পেৰালিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰাৰ উপৰিও বিভিন্ন প্ৰতিযোগিতাত বিভিন্ন পদক লাভ কৰিবলৈ সক্ষম হয়।

৮) গিৰিশ শৰ্মা (Girish Sharma) ঃ দিব্যাংগ বেডমিন্টন খেলুৱৈ গিৰিশ শৰ্মাই ২ বছৰ বয়সতে হোৱা এক ৰে'ল দুৰ্ঘটনাত নিজৰ এখন ভৰি হেৰুৱাবলগীয়া হয়। তাৰ পিছত তেওঁ এখন ভৰিৰেই ক্ৰিকেট, ফুটবল, বেডমিন্টন আদি খেলিবলৈ লয়। নিজক আনতকৈ কোনো ক্ষেত্ৰতেই পৃথক বুলি নভবা শৰ্মাই ধৈৰ্য্য আৰু কষ্টৰ পৰিণতিত পেৰালিম্পিকৰ বেডমিন্টনত স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰোপৰি ইজৰাইল, জাৰ্মানী, থাইলেণ্ড আদি বিভিন্ন ঠাইত অনুষ্ঠিত আন্তঃ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাবোৰক ভাৰতক প্ৰতিনিধিত্ব কৰি দেশবাসীক গৌৰৱান্বিত কৰি তোলে।

উল্লেখযোগ্য যে এওঁলোককে ধৰি বহু ভাৰতীয় খেলুৱৈ ২০২০ চনৰ ২৫ আগষ্টৰ পৰাই ৬ ছেপ্তেম্বৰলৈ জাপানৰ ট'কিঅ' চহৰত অনুষ্ঠিত হ'বলগীয়া গ্ৰীষ্মকানীল পেৰালিম্পিকৰ বাবে বৰ্তমান অনুশীলনত ব্যস্ত।

জীৱন বাটৰ অক্লান্ত পথিক, ক্ৰীড়প্ৰেমীৰ মহাসম্পদ, প্ৰতিভাৰ সৌৰভেৰে বন্দিত এই খেলুৱৈ সকলক সফলতাৰ খবৰ যেতিয়া বাতৰি কাকতৰ পৃষ্ঠাত বৰ বৰ হৰফেৰে প্ৰকাশ পাই, প্ৰতিগৰাকী দেশপ্ৰেমী ব্যক্তিৰ গৌৰৱত বুকু ওফন্দি উঠে স্বতঃ স্ফূৰ্তভাৱে। অলপতে ভাৰতীয় দিব্যাংগ ক্ৰিকেট দলটোৱে 'ফিজিকেল ডিচএবিলিটি ৱৰ্ল্ড ক্ৰিকেট চিৰিজ, ২০১৯ " (Physical Disability World Cricket Series, ২০১৯) ৰ ফাইনেল খেলখনত ইংলেণ্ডক ৩৬ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হোৱা বাতৰিটোৱে ক্ৰীড়াপ্ৰেমীক যথেষ্ট উৎফুল্লিত কৰে। উল্লেখ্য যে দলটোৰ প্ৰতিগৰাকী সদস্যকে বি চি চি আই (BCCI) য়ে ৩ লাখলৈ টকাৰে পুৰস্কৃত কৰাটো নিঃ সন্দেহে এক প্ৰশংসনীয় পদক্ষেপ। অধিনায়ক বিক্ৰান কেনী (Vikran Keni) ৰ নেতৃত্বাধীন দলটোৱে চমকপ্ৰদ প্ৰদৰ্শনেৰে দেশবাসীৰ হৃদয়ত সঞ্চাৰিত কৰিছে নতুন আশাৰ, জোৱাৰ তুলিছে নতুন কল্পনাৰ।

মহাৰাষ্ট্ৰৰ মুম্বাই স্থিত "অল্ ইণ্ডিয়া ক্ৰিকেট এচ'ছিয়েচনে ফৰ্ দ্য ফিজিকেলী চেলেঞ্জড" (All India Cricket Association for the Physically challenged), "অল্ ইণ্ডিয়া ক্ৰিকেট এচ'ছিয়েচন অৰ দ্য ডেফ" (All India Cricket Association of the deaf) ইত্যাদি সংস্থাবোৰে দেশৰ বহু প্ৰতিভাৱান খেলুৱৈক বিশ্বদৰবাৰত প্ৰতিষ্ঠি কৰাইছে। বিশেষভাৱে সক্ষম বহু খেলুৱৈয়ে আজি পোহৰমুখী যাত্ৰা আৰম্ভ কৰিবলৈ লৈছে, নতুন জীৱনৰ সপোন দেখিবলৈ লৈছে তাৰ অন্তৰালতেই নিহিত হৈ আছে এনে ধৰণৰ সংস্থাসমূহৰ সহায়-সহযোগিতা। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই সংস্থাসমূহৰ সমান্তৰালভাৱে প্ৰতিখন ৰাজ্যতো ক্ৰমাৎ গঢ় লৈ উঠিছে দিব্যাংগ লোকৰ সুবিধাৰ্থে বিভিন্ন সংস্থা কিম্বা অনুষ্ঠান-প্ৰতিষ্ঠানৰ। অসমো এই ক্ষেত্ৰত পিছ পৰি থকা নাই। দিব্যাংগ ক্ৰিকেট খেলুৱৈৰ অসমত গঠন হৈছে " ডিফাৰেন্টলি এবলড্ ক্ৰিকেট এচ'ছিয়েচন অৱ আসাম" (Differently abled Cricket Association of Assam) চমুকৈ। DACAA হেমেন বৰ্মনৰ নেতৃত্বাধীন দলটোৱে ইণ্ডিয়ান দিব্যাংগ চেলেঞ্জাৰচ্ ট্ৰফী, ২০১৮ Indian Divyang challengers Trophy, ২০১৮) কে ধৰি বিভিন্ন ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত ভাগ লৈ অসমলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অলপতে অনুষ্ঠিত হৈ যোৱা বীৰ লাচিত দিব্যাংগ নেচনেল ক্ৰিকেট টুৰ্নামেন্ট (Bir Lachit Divyang Naltional Cricket Tournament)ত অসমৰ দলটোৰ দুগৰাকী সদস্য কামেশ্বৰ দাস আৰু আলি আকবৰৰ দুৰ্দান্ত প্ৰদৰ্শনে দৰ্শকক মুগ্ধ কৰে। টুৰ্নামেন্টখনত ১৮ ৰাণৰ ব্যৱধানত অসম কৰ্ণাটকৰ হাতত পৰাস্ত হয় যদিও দুৰ্দান্ত বলিঙ প্ৰদৰ্শনৰ হাতত পৰাস্ত হয় যদিও দুৰ্দান্ত বলিঙ প্ৰদৰ্শনৰ বাবে দাসক বেষ্ট বলাৰৰ বঁটা আগবঢ়োৱাৰ লগতে সুন্দৰ বেটিঙ প্ৰদৰ্শনৰ বাবে আলি আকবৰলৈ আগবঢ়োৱা হয় 'মেন অৱ দ্য চিৰিজ' বঁটা।

ইয়াৰোপৰি উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাসত পোন প্ৰথমবাৰৰ বাবে ২০১৮ বৰ্ষত গৌহাটী বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত হয় বিশেষভাৱে সক্ষম লোকৰ টি. টুৱেন্টী ক্ৰিকেট। DACAA এ অনুষ্ঠিত কৰা প্ৰতিযোগিতাখনত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ছখন ৰাজ্যৰ সৰ্বমুঠ ৯৫ গৰাকী খেলুৱৈয়ে অংশ গ্ৰহণ কৰাটো নিশ্চিতভাৱে সমগ্ৰ দেশৰ ক্ৰীড়াজগতৰ বাবেই এক সুখবৰ। বহুজনৰ দ্বাৰা উপেক্ষিত হৈয়ো অদমনীয় দলটোৰ সদস্যসকল বৰ্তমান ব্যস্ত আগন্তুক হাৰিয়ানা দিব্যাংগ প্ৰিমিয়াৰ লীগৰ অনুশীলনত।

ভাৰতে বৰ্তমান আন আগশাৰীৰ ৰাষ্ট্ৰবোৰৰ লেখীয়াকৈ বিশেষভাৱে সক্ষম লোকৰ মাজত ক্ৰীড়া জাগৰণৰ, ক্ৰীড়া পৰিৱেশ ৰচনাৰ যি প্ৰয়াস কৰিছে, সেয়া সঁচাকৈ প্ৰশংসনীয়। তথাপিও যেন অন্য ৰাষ্ট্ৰৰ সমকক্ষ হ'বলৈ ভাৰতক এতিয়াও প্ৰয়োজন যথেষ্ট সময়ৰ। দেশত উন্নত ক্ৰীড়া নীতি, আঁচনি, পৰিকল্পনা গ্ৰহণৰ এইয়া উপযুক্ত সময়। ঠিক সেইদৰে ভাৰতৰ আন আগ শাৰীৰ ৰাজ্যবোৰৰ তুলনাত অসমৰ ক্ৰীড়াক্ষেত্ৰৰ অৱস্থা অধিক পুতৌলগা। যোল্লশ শতিকাত এছিয়াৰ প্ৰথমটো ক্ৰীড়া পেভিলিয়ন 'ৰংঘৰ'ৰ নিৰ্মাণে অসমৰ ক্ৰীড়া-ঐতিহ্যৰ কথাকেই সোঁৱৰাই দিয়ে। আজি সেই ঐতিহ্য বৰ্তাই ৰখাৰ ক্ষেত্ৰত যেন বিফল হৈছে অসম। অসমত ক্ৰীড়াৰ আন্ত- গাঠনি উন্নত কৰাৰ

প্ৰয়োজন আছে। সাম্প্ৰতিক সময়খিনিত বিভিন্ন ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাবোৰত এচাম ধাৰে লোৱা বহিঃ ৰাজ্যৰ খেলুৱৈৰে ক্ৰীড়া সংগঠকসকলে সুনাম কিনিব খোজাৰ দৃষ্টান্তই অসমৰ ক্ৰীড়াক্ষেত্ৰক বাৰুকৈয়ে লজ্জাজনত কৰিছে। অসমত প্ৰতিভাৰ অভাৱ নাই। মাথোঁ সেই প্ৰতিভাসমূহ চিনাক্ত কৰি উলিয়াবলৈ তৃণমূল পৰ্যায়ৰ পৰাই বিভিন্ন পদক্ষেপ হাতত ল'ব লাগিব। প্ৰথমে প্ৰতিখন বিদ্যালয়ৰ পৰা ভাল খেল প্ৰদৰ্শন কৰা অথবা খেলৰ প্ৰতি ধাউতি থকা ছাত্ৰ-ছাত্ৰীসকলক বাছনি কৰি উলিয়াব লাগিব। তাৰ পিছত আগবাঢ়িব লাগিব পৰ্যায়ক্ৰমে। দিব্যাংগ শিশুসকলৰ প্ৰতিও আমাৰ দায়িত্ব আছে অপৰিসীম। তেওঁলোকক বিভিন্ন ক্ষেত্ৰত সুগঠিত কৰি তোলাত অভাৱ হ'ব নালাগিব আমাৰ সংবেদশীল মনোভাৱৰ। ক্ৰীড়াৰ ক্ষেত্ৰত প্ৰতিভা থকা সকলক নিজৰ প্ৰতিৱন্ধকতাক পাহৰি আগুৱাই যোৱাৰ ক্ষেত্ৰত উৎসাহিত কৰিব লাগিব, মনোবল দিব লাগিব আমিয়েই। বিশেষভাৱে সক্ষম খেলুৱৈ সকলে তেওঁলোকৰ লক্ষ্যপথত থকা ওখ পাহাৰখন অতিক্ৰম কৰিবলৈ যুঁজাৰু মানসিকতাৰে খেলিব লাগিব, জাগিব লাগিব, যুঁজিব লাগিব আৰু তাকে কৰিবলৈ যাওঁতে তেওঁলোকৰ ওচৰত সাহস হৈ থিয় দিব লাগিব আমি। চৰকাৰৰো অৱশ্যে যথেষ্টখিনি কৰণীয় আছে এই ক্ষেত্ৰত। মন্ত্ৰী আমোলা, উচ্চ পদস্থ বিষয়াসকলে কেৱল মাথোঁ ক্ৰীড়া সংগঠক পদবীত থাকিয়েই নিজৰ দায়িত্ব সামৰিলে নহ'ব। উৎসাহ-উদ্দীপনাৰ সমান্তৰালভাৱে আৰ্থিক সাহায্যও খেলুৱৈসকলৰ বাবে নিত্যান্তই প্ৰয়োজনীয়। জগত জিনিবলৈ বদ্ধপৰিকৰ এইসকল প্ৰতিভাবান যুৱ-প্ৰজন্মৰ প্ৰতিনিধিক অন্ধকাৰ কোঠালিৰ চৌবেৰৰ পৰা মুকলি আকাশৰ তললৈ, খেলপথাৰৰ মাজলৈ উলিয়াই অনাৰ ক্ষেত্ৰতো প্ৰধান নেতৃত্ব চৰকাৰেই ল'ব লাগিব। অৱশ্যে ক্ৰীড়াক্ষেত্ৰখনৰ সাম্প্ৰতিক অৱস্থাৰ বাবে আমি চৰকাৰ অথবা প্ৰশাসনকেই দোষাৰোপ কৰি নিজে 'ধোৱা তুলসীৰ পাত' হৈ হাত - সাৱটি বহি থাকিলেও নহ'ব নিশ্চয়। পংগু সকলৰ প্ৰতি থকা অৱহেলাৰ মনোভাৱ পৰিত্যাগ কৰাটোৱেই বৰ্তমান আমাৰ প্ৰধান কৰ্তব্য। আমাৰ অকণমান মৰম তথা সহায়ে তেওঁলোকক জীৱন যুদ্ধত জয়ী হোৱাৰ অনুপ্ৰেৰণা যোগাব। প্ৰতিপল আমি তেওঁলোকক সোঁৱৰাই থাকিব লাগিব কোনো প্ৰখ্যাত ব্যক্তিয়ে কৈ যোৱা এষাৰ কথা - "Abled Doesnot mean enabled. Disabled doesnot mean less abled." চৰকাৰ আৰু সাধাৰণ জনতা একত্ৰিত হৈ বৰ্তমানৰ ভগ্ন প্ৰায় ক্ৰীড়া পৰিৱেশ সুগঠিত কৰাৰ পথ মুকলি কৰিব পাৰিলে লগতে শাৰীৰিক বাধাগ্ৰস্ততা থকা বা নথকা প্ৰতিজনকেই নিজৰ প্ৰতিভা বিকাশৰ এখন মঞ্চ দিব পাৰিলে আমাৰ বোধেৰে বিশ্বৰ অন্য আগশাৰীৰ দেশবোৰৰ সৈতে খোজ মিলাবলৈ অসম তথা ভাৰতক বৰ দীঘলীয়া সময়ৰ প্ৰয়োজন নহ'ব। ■



# সাম্প্ৰতিক সময়ত সাংবাদিকতাৰ ধাৰা আৰু কিছু চিন্তা

**প্ৰিয়ংকা শৰ্মা**
*স্নাতক তৃতীয় বৰ্ষ, নলবাৰী কলেজ*

**"সাংবাদিকতা"**- সভ্য পৃথিৱীৰ দৈনন্দিন জীৱনৰ এটা খুৱেই পৰিচিত শব্দ। "সাংবাদিকতা মানে হৈছে উপস্থাপন, প্ৰকাশ আৰু সম্প্ৰচাৰৰ বাবে সামগ্ৰী সংগ্ৰহ আৰু সম্পাদনা কৰা কাৰ্য"- ৱেবষ্টাৰৰ তৃতীয় আন্তঃৰাষ্ট্ৰীয় অভিধানত এই সংবাদ মাধ্যম আৰু সাংবাদিক হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ, জনতাৰ বাৰ্তাবাহক, সাধাৰণ আৰু খাটি খোৱা শ্ৰেণীৰ মুখৰ মাত। যিকোনো পৰিস্থিতিতে সাংবাদিকৰ প্ৰধান কৰ্তব্য হ'ল সামাজিক দায়বদ্ধতাৰে আৰু সততাৰে সত্যক উন্মোচিত কৰা। আমেৰিকাৰ বিখ্যাত সাংবাদিক বিল




কোভাচ আৰু টম ৰোজেনষ্টিয়েলে বিখ্যাত গ্ৰন্থ 'এলিমেন্টচ্ অফ জাৰ্ণলিজম'-ত সাংবাদিকসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত যথেষ্ট তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। সেই মৰ্মে সাংবাদিকতাৰে প্ৰথম আনুগত্য নাগৰিকসকলৰ প্ৰতি হোৱা উচিত। সাংবাদিকসকল সত্য ক'বলৈ বাধ্য আৰু তেওঁলোকে সমাজৰ শক্তিশালী ব্যক্তিও প্ৰতিষ্ঠাসমূহৰ এক স্বতন্ত্ৰ নিৰীক্ষক হিচাপে কাম কৰিব লাগিব, তথা নাগৰিকসকলক নিৰ্ভৰযোগ্য তথ্য-প্ৰমাণ প্ৰদান কৰিব লাগিব।

'হাজাৰ তৰোৱালতকৈ কলম শ্ৰেষ্ঠ'- কোন তাহানিতেই ফৰাচী মহাবীৰ নেপোলিয়নে কৈ যোৱা এষাৰী অমৰ বাক্য। কলমৰ শক্তিয়ে এখন সমাজৰ প্ৰাণশক্তি উজ্জীৱিত কৰে, চেতনা জাগ্ৰত কৰে, দৃষ্টিভংগীৰ সম্প্ৰসাৰণ ঘটাই জনমত গঢ়ি তোলাত ইন্ধন যোগায়। ১৭৮০ চনৰ জেমছ হিকীৰ 'বেংগল গেজেটৰ যোগেদি আৰম্ভ হৈ ভাৰতবৰ্ষৰ ইতিহাসৰ প্ৰতিটো ক্ষণ, গণতন্ত্ৰ প্ৰতিষ্ঠাৰ প্ৰতিটো খোজৰ পৰা বৰ্তমানলৈকে কলমৰ শক্তিক সঁচা প্ৰমাণিত কৰি সংবাদ মাধ্যম আৰু সাংবাদিকসকলে জনগণৰ অধিকাৰৰ সুৰক্ষা আৰু জনসজাগতা সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বৰ্তমান অসমৰ সবাতোকৈ শীৰ্ষস্থানীয় বাতৰি কাকত 'দ্য

আছাম ট্ৰিবিউন'-ৰ মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদীয়ে কৈছিল- আমি যেতিয়া উশাহ লৈ থাকোঁ, তেতিয়া অক্সিজেনৰ মূল্য বুজি নাপাওঁ। আমি কিদৰে উশাহ লওঁ, ক'ৰ পৰা উশাহ লওঁ এবাৰো ভাবি নাচাওঁ। কিন্তু খন্তেকৰ বাবে কিবা কাৰণত উশাহ বন্ধ হ'লেহে আমি অক্সিজেনৰ গুৰুত্ব বুজি পাওঁ। আমাৰ গণতান্ত্ৰিক বিচাৰ ব্যৱস্থাত সংবাদ মাধ্যম একপ্ৰকাৰ অক্সিজেনৰ দৰে।

অসমৰ প্ৰেক্ষাপটত প্ৰাক স্বাধীন কালৰে পৰা সাম্প্ৰতিক সময়লৈকে অসমৰ বাতৰিকাকতসমূহে সমকালীন ঘটনাৰাজি, সমস্যাৰ উপস্থাপন, বিশ্লেষণ, সমালোচনা তথা অনুসন্ধানমূলক প্ৰতিবেদন আদিৰ যোগেদি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভাষা আন্দোলন, বিদেশী বহিষ্কাৰৰ আন্দোলনৰ পৰা আৰম্ভ কৰি বিভিন্ন দুৰ্নীতি-কেলেংকাৰিৰ ন ন তথ্য উন্মোচন; তেল শোধনাগাৰ, কাগজ কলৰ পৰা বৃহৎ নদীবান্ধলৈ; অসম চুক্তি, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণেই হওঁক বা বৰ্তমান অতি বেছি চৰ্চাত থকা ধৰ্মীয় সংখ্যালঘু শৰনাৰ্থীক নাগৰিকত্ব প্ৰদান কৰিব খোজা আইনৰ কথাই হওঁক; এই প্ৰতিটো ক্ষেত্ৰতে জনগণৰ চিন্তাৰ প্ৰচাৰ আৰু জনমত তৈয়াৰ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে গ্ৰহণ কৰা ভূমিকা অপৰিসীম। সময়ৰ সৈতে খোজ মিলাই প্ৰযুক্তি, আৰ্থ-সামাজিক দিশৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি আজিৰ সংবাদ মাধ্যমে নিজৰ গতি, প্ৰকৃতিৰ লগতে লক্ষ্য, উদ্দেশ্যৰো দিশ সলনি কৰিছে। ছপা আৰু ইলেকট্ৰনিক মাধ্যমৰ সমান্তৰালকৈ সামাজিক মাধ্যমসমূহেও জনপ্ৰিয়তা অৰ্জন কৰি ই 'ফ্ৰন্টলাইন জাৰ্নেলিজিম'-ৰ আসনত অধিষ্ঠিত হোৱাৰ দিশে অগ্ৰসৰ হৈছে।

পিছে অতি সম্প্ৰতি 'গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ' বোলা সংবাদ মাধ্যমৰ এই অৱধাৰণাটি লাহে লাহে ম্লান হ'বলৈ লৈছে। লবীকেন্দ্ৰিক চিন্তা-চৰ্চা আৰু নিকৃষ্ট ৰাজনীতিৰ মেৰপেঁচত বন্দী হৈ সাংবাদিকতাৰ প্ৰকৃত লক্ষ্য-উদ্দেশ্যই যেন দিক্ বিদিক্ হেৰুৱাইছে। অধিক টি.আৰ.পিৰ আশাত অতিৰঞ্জিত মচলাযুক্ত বাতৰি পৰিৱেশন কৰাৰ অবিবেচকী কাৰ্য তচ্ নচ্ কৰিবলৈ লৈছে প্ৰকৃত সাংবাদিকতাৰ নিকা ভাৱমূৰ্তি। সাম্প্ৰতিক অসমৰ সাংবাদিকতাৰ যিখন প্ৰতিচ্ছবি, তাৰ পৰিপ্ৰেক্ষিতত মানুহৰ মনত সাংবাদিকৰ প্ৰতি থকা আশা-আস্থা লাহে লাহে লোপ পাবলৈ লৈছে যেন অনুভৱ হয়, বৰং দ্বিধা সংশয়ৰ এক বিশাল আয়তনে অধিকাৰ কৰিছে সৰ্বসাধাৰণৰ মন-মগজু। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ তিনিটা স্তম্ভ বিধায়িনী, কাৰ্যপালিকা আৰু ন্যায় ব্যৱস্থাক ক্ষয়িষ্ণু, দুৰ্বল, বিকাৰগ্ৰস্ত অৱস্থাৰ পৰা উদ্ধাৰ কৰিব পৰা একমাত্ৰ আহিলা সংবাদ মাধ্যমৰ ওপৰত জনতাৰ এই অবিশ্বাস সমগ্ৰ সমাজৰ বাবেই এক অশুভ সংকেত। এই কথা অনুধাৱন কৰি কিদৰে সংবাদ মাধ্যমে হৃত গৌৰৱ উদ্ধাৰ কৰি পুনৰাই জনগণৰ ভৰষাৰ পাত্ৰত পৰিণত হব, সেয়া এক গুৰুত্বপূৰ্ণ ও বিচাৰ্য বিষয়।

বৰ্তমান সময়ত সংবাদ মাধ্যমৰ আৰু ইয়াৰ লগত জড়িত ক্ষেত্ৰসমূহক একেলগে 'গণ মাধ্যম আৰু বিনোদন উদ্যোগ' (Media and entertainment Industry) বুলি আখ্যা দিয়া হৈছে। ভাৰতীয় অৰ্থনীতিৰ এটা বিশাল অংশ এই উদ্যোগে ইতিমধ্যেই অধিকাৰ কৰি লৈছে। 'কমফেডাৰেশ্যন এব ইণ্ডিয়ান ইণ্ডাষ্ট্ৰি' (চি আই আই)ৰ তথ্য মতে ভাৰতত ইং ২০২৫ চনৰ ভিতৰত ১০০ বিলিয়ান ডলাৰ (৬৫০,০০০ কোটি টকা) উদ্যোগত পৰিণত হ'ব। কেৱল জাতীয় প্ৰেম,

**অসমৰ প্ৰেক্ষাপটত প্ৰাক স্বাধীন কালৰে পৰা সাম্প্ৰতিক সময়লৈকে অসমৰ বাতৰিকাকতসমূহে সমকালীন ঘটনাৰাজি, সমস্যাৰ উপস্থাপন, বিশ্লেষণ, সমালোচনা তথা অনুসন্ধানমূলক প্ৰতিবেদানৰ আদিৰ যোগেদি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে.....**

সামাজিক দায়বদ্ধতা আদিয়ে এখন বাতৰিকাকত বা এটা টি.ভি. চেনেলক জীয়াই ৰাখিব নোৱাৰে। বিশ্বায়নৰ ধামখুমীয়া মাজত মাধ্যমটো আৰু ইয়াৰ লগত জড়িত ব্যক্তিসকলৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে ব্যৱসায় আৰু বিনিয়োগৰ দিশটোত গুৰুত্ব দিয়াটো অতীব প্ৰয়োজন। গতিকে অৱধাৰিতভাৱে নিজৰ টি ভি চেনেল বা বাতৰিকাকত বা আন মাধ্যমসমূহক জনপ্ৰিয় কৰি তোলাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই বিভিন্ন কৌশল ৰচনা কৰি আহিছে। কিন্তু ব্যৱসায়িক মুনাফা আদায়ৰ স্বাৰ্থত কেৱল বিনোদন, তেনেই অপ্ৰাসংগিক শাক খোৱা, ভাত খোৱা কথা বা কেতিয়াবা অতি আক্ৰোশমূলক আৰু নেতিবাচক মন্তব্য, সাম্প্ৰদায়িক কথা-বতৰাৰে পৰিৱেশ বিনষ্টকাৰী অনুষ্ঠান পৰিৱেশন কৰাটো উদ্বেগৰ বিষয়। সংবাদ মাধ্যমৰ স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু এই স্বাধীনতাৰ অবাধ প্ৰয়োগে বা অপপ্ৰয়োগে যদি কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। নিজৰ লক্ষ্য আৰু প্ৰকৃত উদ্দেশ্যৰ পৰা বিচ্যুত সংবাদ মাধ্যমৰ এই ৰূপ আমাৰ বাবে অসহনীয়।

সংবাদ মাধ্যমৰ অদূৰদৰ্শিতাই সমাজত কিমান নেতিবাচক প্ৰভাৱ পেলাব পাৰে তাক বুজিবলৈ এটা উদাহৰণ লোৱা যাওঁক। ১৯ শতিকাৰ শেষ দশকত আমেৰিকাৰ নিউয়ৰ্ক চহৰত 'নিউয়ৰ্ক ৱৰ্ল্ড' আৰু 'নিউয়ৰ্ক জাৰ্ণেল' নামৰ দুখন বাতৰি কাকতৰ মাজত গ্ৰাহকক আকৰ্ষণ কৰিবলৈ এনে তুমুল প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হৈছিল। স্বনামধন্য সাংবাদিক জোছেফ পুলিৎজাৰৰ 'নিউয়ৰ্ক ৱৰ্ল্ড' কাকতৰ জনপ্ৰিয়তাক ফেৰ মাৰিবলৈ সেই সময়ৰ বিখ্যাত বাতৰি কাকত প্ৰকাশক ৱিলিয়াম ৰেনডল্ফ হাৰ্টছে 'নিউয়ৰ্ক জাৰ্ণেল' নামৰ কাকত খন আৰম্ভ কৰিছিল। দুয়োখন কাকতে উত্তেজক, অতিৰঞ্জিত আৰু আকৰ্ষণীয় অথচ ভিত্তিহীন বাতৰি প্ৰকাশ কৰি নিজৰ নিজৰ কাকতৰ গ্ৰাহক বৃদ্ধি কৰাৰ চেষ্টা কৰিছিল। এই প্ৰতিদ্বন্দিতাৰ ফলত সংবাদৰ গুণগত মান নিম্নগামী হৈছিল আৰু সাধাৰণ মানুহৰ সংবাদ মাধ্যমৰ ওপৰত থকা নিম্নগামী হৈছিল আৰু সাধাৰণ মানুহৰ সংবাদ গুণগত মান নিম্নগামী হৈছিল আৰু সাধাৰণ মানুহৰ সংবাদ মাধ্যমৰ ওপৰত থকা বিশ্বাস অৱনমিত হৈছিল। এই দুখন কাকতত পোৱা উত্তেজক, অতিৰঞ্জিত আৰু লোমহৰ্ষক বাতৰিবোৰৰ কাৰণেই স্পেনিছ - আমেৰিকান যুদ্ধ সংঘটিত হোৱা বুলি কোৱা হয়। স্পেনিছ উপনিৱেশ কিউবাত থকা লোকসকলৰ জীৱন যাপনৰ মান অতি দুখজনক বুলি কিছুমান ভিত্তিহীন বাতৰি প্ৰকাশ হোৱাৰ ফলশ্ৰুতিতে এই যুদ্ধ খন হৈছিল। তেতিয়াৰ পৰাই গ্ৰাহকক উত্তেজক আৰু অতিৰঞ্জিত বাতৰিৰে আকৃষ্ট কৰিবলৈ সংবাদ মাধ্যমে লোৱা এনে প্ৰচেষ্টাক বুজাবলৈ 'ইয়েল্লো জাৰ্ণেলিজম' বা 'হালধীয়া সাংবাদিকতা' বোলা অভিধাৰ প্ৰচলন আৰম্ভ হয়।

হালধীয়া সাংবাদিকতাৰ ক্ৰমবৰ্দ্ধমান প্ৰৱণতা সমাজৰ বাবে কেঞ্চাৰস্বৰূপ। সঠিক খবৰ নোহোৱাকৈয়ে মাত্ৰ অনুমানৰ ওপৰত কিছুমান ভিত্তিহীন বাতৰি প্ৰচাৰ কৰি পাঠক আৰু দৰ্শকক বিভ্ৰান্ত কৰা কাৰ্য্যই সাধাৰণ মানুহক বিভ্ৰান্ত কৰে, অনৰ্থক উত্তেজনা আৰু ক্ষোভৰ সৃষ্টি কৰি সামাজিক পৰিৱেশ বিনষ্ট কৰাত ইন্ধন যোগায়। "এক্সক্লুচিত প্ৰতিবেদন'ৰ নামত তিলটোকে তাল কৰি বা মূল বিষয়ৰ পৰা ফালৰি কাটি প্ৰচাৰ কৰা বাতৰিবোৰে সমাজ ধ্বংস কৰাত অৰিহণা যোগায়। আকৌ, বৰ্তমান সময়ত একাংশ সংবাদ মাধ্যমে শাসকগোষ্ঠীৰ মুখপাত্ৰ হিচাপে কাম কৰা পৰিলক্ষিত হয়। তেওঁলোকে কেতিয়াও সাহস নকৰে, বৰং চৰকাৰৰ প্ৰত্যেকটো কথাৰেই গুণগান কৰাটোৰেই পৰম দায়িত্ব আৰু কৰ্তব্য হিচাপে পালন কৰে। আকৌ চৰকাৰবিৰোধী ব্যক্তিৰ মালিকানাধীন সংবাদগোষ্ঠী সমূহো হোৱাই নোহোৱাই অপপ্ৰচাৰত লিপ্ত হোৱাৰ উদাহৰণো আমাৰ সমাজতেই আছে। সেইদৰে শীত-তাপ নিয়ন্ত্ৰিত কোঠা এটাত সোমাই কেৱল মাথো বোকা চটিয়াই চিঞৰি থকাটোৰেই কোন দিনাৰ পৰা সাংবাদিকতা হ'ল সেয়াও বিচাৰ্য বিষয়।

সংবাদ মাধ্যম এটা জাতিৰ, এখন সমাজৰ অভিভাৱকৰ দৰে। সাংবাদিকসকলেই জনতাৰ ভৰসাৰ স্থল। সেয়েহে ব্যাৱসায়িক দিশ জড়িত থাকিলেও সংবাদ মাধ্যম কেৱল ভোগবাদৰ আহিলা হ'ব নোৱাৰে। ৰাজনৈতিক আৰু সামাজিক অশুভ শক্তিসমূহৰ কৰাল গ্ৰাসৰ পৰা মুক্ত হৈ ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ বাবে শুদ্ধ খবৰ প্ৰচাৰ তথা সুস্থ জনমত গঠন কৰাটো সংবাদ মাধ্যমৰ মূল লক্ষ্য হোৱা উচিত। সংবাদ ক্ষেত্ৰখনৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিয়েই কলুষিত হোৱাৰ পৰা উদ্ধাৰ কৰা উচিত। চেতনাৰ স্ৰোত সামাজিক কল্যাণমুখী হোৱা উচিত। জাতিটোৰ বাবে, গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে সুস্থ, সবল আৰু নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰি মানুহৰ পৰ্বতসম প্ৰত্যাশা পূৰণ কৰিব পৰাটোতেই সাংবাদিকতাৰ সাৰ্থকতা।■

# ছাত্ৰ-ছাত্ৰীৰ যোগাভ্যাসৰ প্ৰয়োজনীয়তা

**ভাৰনা দেৱী**
*ৰাজনীতি বিজ্ঞান বিভাগ, চতুৰ্থ ষাণ্মাসিক*



বৰ্তমান সময়ত সমাজত যি প্ৰদূষিত বাতাবৰণ চলিছে এই পৰিৱেশত বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল কোন দিশে ধাৱিত হৈছে সহজে অনুমান কৰিব পাৰি। বিজ্ঞান- প্ৰযুক্তিৰ দিনত সহজতে পোৱা সুবিধাখিনি বৰ্তমানৰ ছাত্ৰ সমাজে ভোগ কৰিবলৈ যাওঁতে জীৱনটোৰ গতিপথ আগবাঢ়িছে নানান অনাচাৰ, ব্যাভিচাৰৰ ফালে। শৃংখলাৱদ্ধ জীৱন কটোৱাৰ পৰা তেওঁলোকে বঞ্চিত হৈছে তদুপৰি নিজে শাৰীৰিক আৰু মানসিকভাৱেও দুৰ্বল হৈ গৈছে। কিন্তু, এই পৰিৱেশৰ পৰা তেওঁলোকক উদ্ধাৰ কৰাৰ প্ৰয়োজন আছে। নহ'লে ছাত্ৰ সমাজ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশত আগবাঢ়িব নোৱাৰিব। যিমানেই বিজ্ঞান প্ৰযুক্তিগত দিশত সমাজ আগবাঢ়িব ছাত্ৰ সকলো সিমানেই বৌদ্ধিক দিশত আগবাঢ়িব লাগিব। ইয়াৰ বাবে ভাৰতবৰ্ষৰ প্ৰাচীন সংস্কৃতি যোগচৰ্চা অপৰিহাৰ্য্য। যোগৰ অন্যতম দিশ হ'ল ব্যক্তিৰ ব্যক্তিত্ব বিকাশ কৰা। গতিকে আজিৰ ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিত্ব বিকাশৰ বাবে নিয়মিত যোগ অভ্যাসৰ প্ৰয়োজন আছে। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশত আসন, প্ৰাণায়াম, ধ্যান অন্যতম। ধ্যানৰ বাবে নিচেই পুৱাৰ সময়খিনি বাছি ল'ব পাৰি। ধ্যানে মানসিক শক্তি আৰু স্মৃতি শক্তি বৃদ্ধি কৰাৰ উপৰিও একাগ্ৰতা আৰু বিষয়বস্তুৰ ওপৰত মনোযোগ বৃদ্ধিত সহায় কৰে।


নিয়মিত আসন, প্ৰাণায়াম, ধ্যানৰ জৰিয়তে দেহৰ নিৰ্মান কাৰ্য চলে আৰু স্বাস্থ্যও সুৰক্ষিত হয়। তাৰ লগে লগে মানসিক গঠনো ঠিক হয়। কেতিয়াবা ছাত্ৰসকলক বিভিন্ন দিশৰ ফালে মনে টানি নিব খোজে কিন্তু যোগাভ্যাসৰ জৰিয়তে মন কিছু নিয়ন্ত্ৰণ কৰি মনৰ ভাৰসাম্য বজাই ৰাখিব পাৰিলে মন চঞ্চল নহয়। কাৰণ,যোগাভ্যাসৰ জৰিয়তে মনৰ এক অদম্য শক্তি আহৰণ কৰিব পাৰি; মন শান্ত আৰু স্থিৰ হয়। মন যদি স্থিৰ হয় তেতিয়া জীৱনৰ সকলো কাৰ্য শৃংখলাবদ্ধ হয়। সৃষ্টিমূলক কাম হয়।

ছাত্ৰ-ছাত্ৰীসকল হ'ল ভৱিষ্যত নাগৰিক। তেওঁলোকক এক সুস্থ পৰিৱেশৰ প্ৰয়োজন নিশ্চয় আছে। আজিকালি দেখা যায় ছাত্ৰ-ছাত্ৰীসকল অধ্যয়নত যিমানেই অধিক অনুৰাগী হয় সিমানেই তেওঁলোকক স্বাস্থ্যৰ প্ৰতি বেছিকৈ অমনোযোগী হোৱা চকুত পৰে। ফলত স্বাস্থ্য ঘূণীয়া হ'বলৈ ধৰে। গতিকে শিক্ষাৰ্থীসকলৰ অধ্যয়নৰ লগতে শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে যোগাভ্যাসৰ প্ৰয়োজন আছে। মনত ৰখা উচিত যে শৰীৰতহে সুস্থ মনৰ জন্ম আৰু সুস্থ মন থাকিলেহে সুস্থ সমাজ গঠনৰ কথা মনলৈ আহিব। নিজকে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যোগাত্মক চিন্তা মনলৈ আহিব। তাৰ বাবে একমাত্ৰ বিজ্ঞানসন্মত পদ্ধতিটোৱে হৈছে যোগাভ্যাস। প্ৰণালীবদ্ধ বিজ্ঞানসন্মত যোগশিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মন সংযমী কৰে। যোগ শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ নিঃসৰিত হোৱা হৰম'ন বিলাকৰো সমতা ৰক্ষাত সহায় কৰে। ছাত্ৰ-ছাত্ৰীসকলে মুদ্ৰা অভ্যাস কৰাও প্ৰয়োজন। ষট, কৰ্ম, আসন, প্ৰাণায়াম, মুদ্ৰা মিলি দেহৰ নিৰ্মাণ কাৰ্য্য চলে আৰু স্বাস্থ্যও সুৰক্ষিত হয়। তদুপৰি অহিংসা, সত্যবাদিত্য, ঐশ্বৰ্য্য, আত্মসংযম আৰু ব্যক্তিৰ মাজত এক সুন্দৰ সম্বন্ধ তৈয়াৰ হয়। ব্যক্তিৰ চৰিত্ৰ বিশেষভাৱে সুন্দৰ কৰি গঢ় দিয়ে। ব্যক্তিসমষ্টিৰ আচৰণেই সামাজিক সৌন্দৰ্য্য নিৰ্মাণ কৰে। ব্যক্তিৰ ব্যক্তিত্ব গঠনত দেহ আৰু মনৰ শুদ্ধতাৰ প্ৰয়োজন। তাৰ বাবে উপযোগী হ'ল নিয়মিত যোগাভ্যাস।■

# সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা আৰু বৰ্তমানৰ শিক্ষাৰ্থী সমাজ

**পাৰ্থ প্ৰতীম ডেকা**
*স্নাতক প্ৰথম যাণ্মাসিক, ইংৰাজী বিভাগ*

আমাৰ দেশ ভাৰতবৰ্ষৰ আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ কঠিন পৰীক্ষাটোৱেই হ'ল ইউ. পি. এচ. চি। য'ত অৱতীৰ্ণ হোৱাৰ ইচ্ছা আৰু তাত উত্তীৰ্ণ হোৱাৰ সপোন প্ৰত্যেকজন ভাৰতীয়ৰ মনলৈ এবাৰ হ'লেও আহে।
কিন্তু আমাক সৰুৰে পৰাই এই পৰীক্ষাটোৰ বিষয়ে একেবাৰে অৱগত কৰোৱা নহয়। য'ত নেকি বিহাৰত স্কুল যোৱাৰ পৰাই এইটো মনত সুমুৱাই দিয়া হয় যে পাছত ইউ. পি. এচ. চি দিব লাগিব। ইউ. পি. এচ. চি শব্দটো  প্ৰাইমেৰী স্কুল, হাইস্কুল, কলেজ সকলোতে মুখে মুখে। পঢ়াত অলপ ভাল মানে ইউ. পি. এচ দিব। আৰু সেই হিচাপত, তাক লক্ষ্য হিচাপে ৰাখিয়ে স্কুলৰ পৰা পঢ়াই যায়। পাছত ইউ. পি. এচ. চি ৰ বাবে কি মূল শিক্ষ্য লাগে তাক স্কুলৰ পৰা শিক্ষকে কৈ যায়, পঢ়াই যায়।



ইউ. পি. এচ. চি. ৰ বাবে প্ৰস্তুতি কৰি থাকোঁতে যদি অন্য চাকৰি পায় তেন্তে সেই চাকৰিবোৰো কৰে কাৰণ সকলোৰে ঘৰৰ আৰ্থিক অৱস্থা একেই নহয়। পঢ়িবও লাগিব ঘৰ চলাবও লাগিব। যিহেতু চাকৰি এটা কৰি থাকিলে দৰমহা এটাও পাই থকা হয়, পইচাৰ টেনশ্যনো নাই আৰু নিশ্চিত হৈ ইউ. পি. এচ. চিৰ প্ৰস্তুতি চলাবও পাৰে। চাকৰি এটা পাই গ'ল বুলিয়ে তেওঁলোকৰ এইটো অৰ্থ নহয় যে তেওঁ তেওঁৰ আচল লক্ষ্য পাহৰি যাব। তেওঁৰ আচল লক্ষ্য ইউ. পি. এচ. চিয়ে। মাজত কৰা চাকৰিটো পাৰ্ট টাইমহে চলি থাকিবলৈ।

যদি এনেকুৱা মানসিকতা লৈ সৰুৰে পৰা পঢ়ে তেন্তে ১০০০ জনে প্ৰস্তুতি চলালে তাৰে ২-৪ জনে নিৰ্বাচিত হোৱাটোনো কি ডাঙৰ কথাঙ্গ কিছু ক্ষেত্ৰত এনেকুৱা লাগে আমি যিবোৰ কথা বৰ্তমানে শিকি আছোঁ সেই সকলোবোৰ কথা বিহাৰৰ মানুহবিলাকে দহ বছৰমান আগতে শিকিছে। সেয়েহে বিহাৰ আমাতকৈ কিছু ক্ষেত্ৰত উন্নত। আমাৰ অসমত আমাক সৰুৰে পৰাই ডাক্তৰ আৰু ইঞ্জিনীয়াৰ হোৱাৰ সপোন দেখুৱায়। পাছতহে গম পাওঁ ডাক্তৰ, ইঞ্জিনীয়াৰ, শিক্ষক, বেংক মেনেজাৰ সকলোৱে ইউ. পি. এচ. চি পৰীক্ষাত অৱতীৰ্ণ হয়। তেওঁলোকৰ শেষ লক্ষ্য ডাক্তৰ, ইঞ্জিনীয়াৰ, শিক্ষক বা বেংক মেনেজাৰ নহয়। শেষ লক্ষ্য ইউ. পি. এচ. চিত উত্তীৰ্ণ হোৱা। মানে আমি সৰুৰে পৰা জীৱনৰ সঠিক গাইড নাপাওঁ। আজিকালি দেখা যায়, যিসকলৰ পিতৃ-মাতৃয়ে ইতিমধ্যে ইউ. পি. এচ. চি বা ৰাজ্যৰ লোকসেৱা আয়োগত উত্তীৰ্ণ হৈ বিভিন্ন বিভাগত চাকৰি কৰি আছে তেওঁলোকৰ সন্তানে আকৌ ইউ. পি. এচ. চি বা ৰাজ্যৰ লোকসেৱা আয়োগত উত্তীৰ্ণ হৈছে। কাৰণ তেওঁলোকে সৰুৰে পৰা সেই গাইড পাইছে কেনেকৈ এই পথেৰে যাত্ৰা কৰি সফল হ'ব পাৰি।

আমাৰ অসমত গুৱাহাটীৰ কোচিং চেন্টাৰ কেইটাৰ বাদে স্থানীয় স্কুল - কলেজবোৰত ইউ. পি. এচ. চি বা ৰাজ্যৰ লোকসেৱা আয়োগৰ আভাষ একেবাৰে দিয়া নহয়। দিবলৈ সেই বিষয়ে জানিব লাগিব, খবৰ কৰিব লাগিব। অতিৰিক্ত পৰিশ্ৰম কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীক যদি আভাষ দিবলৈ এইবোৰৰ বিষয়ে খবৰ কৰে হয়তো এনে হৈ যাবও পাৰে শিক্ষকজনে নিজেই এই পৰীক্ষাবোৰৰ প্ৰতি আগ্ৰহী হৈ যাবও পাৰে। আৰু আগ্ৰহী হোৱা ভাল কথা। তেওঁ নিজেও প্ৰস্তুতি চলাওক আৰু ছাত্ৰ-ছাত্ৰীকো অলপ গাইড কৰক।

বিহাৰত প্ৰায় সকলোৰে এটাই সপোন কেনেকৈ এজন আই. এ. এচ বিষয়া হৈ দেশৰ নাম আৰু নিজৰ সপোনক বাস্তৱ ৰূপ দিব পাৰি। তাৰ ছাত্ৰ-ছাত্ৰীসকল ইমানেই কষ্টসহিষ্ণু যে আনৰ পৰা কিতাপ বা টোকাবহী আনি ৰাতিৰ ৰাতিটো সেইবোৰ লিখে, ৰাতি ৰাষ্টাৰ লাইটৰ পোহৰত পঢ়িও প্ৰশাসনিক পৰীক্ষণৰ বাবে প্ৰস্তুতি কৰে। ১৫ ৰ পৰা ১৮ ঘন্টালৈ একেৰাহে পঢ়ি পিছত সফলতাৰ হাঁহি মাৰে।

অসমৰ প্ৰায়বোৰ কাৰ্য্যালয়তে বিহাৰী বিষয়া পোৱা যায়। বিশেষকৈ আৰক্ষীৰ ওপৰৰ বিষয়াসকল। আজিৰ দিনত ইউ. পি. এচ. চিৰ সফলতা মানে বিহাৰৰ ছাত্ৰ-ছাত্ৰীসকল।

গোটেই ভাৰতত যিমানবোৰ আই. এ. এচ বিষয়া আছে তাৰ সকলোতকৈ বেছি আই. এ. এচ বিষয়া উত্তৰ প্ৰদেশ আৰু বিহাৰৰ। ইয়াৰ প্ৰধান কাৰণ হ'ল তেওঁলোকক সৰুৰে পৰা প্ৰতিযোগিতামূলক এই পৰীক্ষাটোৰ দিশে ধাউতি বঢ়োৱাৰ চেষ্টা কৰা হয়। আমাৰ অসমত হয়তো সঠিক গাইডৰ অভাৱ নহ'লে প্ৰস্তুতি চলোৱাত অসুবিধা নহ'ব।

ঘৰৰ ওচৰতে শিক্ষকৰ চৰকাৰী চাকৰি এটা পালেই আৰামত জীৱনটো পাৰ হৈ যাব মানসিকতা এইটোও এটা কাৰণ হ'ব পাৰে। কাৰণ আমি সৰুৰে পৰা এনে এটা মানসিকতা লৈয়ে ডাঙৰ হৈছোঁ। আমাৰ দেউতা, খুড়া, বৰদেউতাহঁতে ঘৰৰ পৰা অহা যোৱা কৰিয়ে চাকৰি কৰিলে। আমি জানো পাৰিম নিজৰ ঠাই এৰি সেই ডাঙৰ ডাঙৰ চাকৰিবোৰ কৰিবলৈ। এই ভাবিয়েই প্ৰস্তুতি চলোৱাৰ আগতেই আমি হাৰি যাওঁ। কিন্তু আমাৰ পৰিয়াল, আগন্তুক প্ৰজন্মক এখন বেলেগ আৰু উচ্চ সমাজলৈ নিবলৈ আমি অলপ বহলকৈ ভাবিব লাগিব, ডাঙৰ আশা মনত বান্ধি লৈ আগুৱাই যাব লাগিব। আমি পাৰিম; সঠিক গাইড, অনুশীলন আৰু কষ্ট কৰিলে নিশ্চয় পাৰিম। তাৰ বাবে আগ্ৰহ লাগিব, পঢ়িব লাগিব, দূৰৰ পৰা চাই থাকিলে নহ'ব। সেয়েহে এবাৰ যত্ন কৰি চোৱাত আপত্তি কিহৰঙ্গ যিহেতু চেষ্টাৰ অসাধ্য একো নাই।

বিখ্যাত ৰোমৰ কবি ভাৰ্জিলৰ মতে,

"যিয়ে পাৰিম বুলি বিশ্বাস কৰে তেওঁহে
জয়লাভ কৰিব পাৰে।"

প্ৰতিযোগিতামূলক পৰীক্ষাত অৱত্তীৰ্ণ হোৱাৰ পৰিৱেশ পালে আৰু নিজৰ মনৰ আশা, সপোন আৰু উদ্যম থাকিলে আৰু আত্মবিশ্বাসক সাৰথি কৰি ল'লে আমাৰ নতুন প্ৰজন্মৰ প্ৰতিনিধিসকলে অকল ইউ. পি. এচ. চিয়ে নহয় সৰ্বভাৰতীয় স্তৰৰ যিকোনো পৰীক্ষাত সফলতা অৰ্জন কৰিব পাৰিব যে সেয়া নিশ্চিত।■

# শিক্ষা আৰু মূল্যবোধ

**দীপাংকৰ শৰ্মা**
*চতুৰ্থ যাণ্মাসিক, সংস্কৃত বিভাগ*

গ্ৰীক দাৰ্শনিক প্লেটোৰ মতে "শিক্ষা হ'ল - সুখ - দুখ অনুভৱ কৰিব পৰা ক্ষমতা। যিয়ে ছাত্ৰৰ দেহ আৰু আত্মাৰ সকলো সৌন্দৰ্য্যৰ বিকাশ আৰু সম্ভাব্য পূৰ্ণতা আনি দিয়ে।" অৰ্থাৎ শিক্ষা হ'ল মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। শিক্ষাই এজন ব্যক্তিক তথা একোখন সমাজক অজ্ঞানতাৰ ঘোৰ অন্ধকাৰৰ পৰা মুক্ত কৰাই শিক্ষাৰ ৰঙীন পোহৰেৰে পোহৰাই তোলে।

প্ৰাচীন কালত গুৰুগৃহত থাকি শিষ্যই শিক্ষা লাভ কৰিছিল। প্ৰাচীন ভাৰতীয় শিক্ষা বুলি কলে বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ কথাই কব পাৰি। বৈদিক শিক্ষাৰ মূল ভেটি হ'ল বেদ। বৈদিক শিক্ষা ব্যৱস্থাত প্ৰধানকৈ নৈতিক, আধ্যাত্মিক আৰু ধৰ্মীয় দিশৰ উৎকৰ্ষ সাধনত গুৰুত্ব দিয়া হৈছিল। বৈদিক যুগৰ জীৱন দৰ্শন আছিল আত্ম-উপলব্ধি আৰু আত্মশুদ্ধি। আত্মাৰ উৎকৰ্ষ সাধন, ধাৰ্মিক আৰু আধ্যাত্মিক মূল্যবোধৰ বিকাশ চৰিত্ৰ গঠন, ব্যক্তিত্বৰ বিকাশ সাধন, কৰ্মমুখী শিক্ষা প্ৰদান কৰাই আছিল বৈদিক শিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য।

বৈদিক শিক্ষা ব্যৱস্থাৰ পিছতেই আধুনিক শিক্ষা ব্যৱস্থাৰ সূচনা হয় আৰু ভাৰতত এই আধুনিক শিক্ষা ব্যৱস্থাৰ সূচনা বৃটিছৰ দিনতেই আৰম্ভ হৈছিল। অৰ্থাৎ ১৮৩০ চনত লৰ্ড থমাচ বাবিংটন মেকলেই ইংৰাজী ভাষাটো ভাৰতলৈ আনিছিল আৰু শিক্ষাৰ পাঠ্যক্ৰম বিজ্ঞান, গণিত, ভাষা, বুৰঞ্জী, ভূগোল আদিতে সীমিত ৰাখিছিল। পৰৱৰ্তী সময়ত পশ্চিমীয়া শিক্ষা আৰু পৌৰানিক জ্ঞানগৰ্ভ শিক্ষাৰ সংমিশ্ৰণ ঘটাই ভাৰতীয় যুব-মানসত শিক্ষাৰ ন-ৰূপৰ সঞ্চাৰ কৰিছিল। বৰ্তমানে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থালৈ মন কৰিলে প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ আধুনিকীকৰণ, ন-ৰূপত পাঠ্যক্ৰম, বিজ্ঞান শিক্ষাৰ সংযোগীকৰণৰ দ্বাৰা ভাৰতবৰ্ষৰ শৈক্ষিক হাৰ বৃদ্ধি হৈছে।

শিক্ষাৰ পিছতেই একোজন ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ মূল হ'ল মূল্যবোধ। প্ৰাচীন ভাৰতীয় শিক্ষা ব্যৱস্থাত শিষ্যক মূল্যবোধৰ শিক্ষা প্ৰদান কৰা হৈছিল বাবে শিষ্যই গুৰুগৃহৰ পৰা ওলাই অহাৰ পিছত কোনো ধৰণৰ অসুবিধা বা জীৱন যাপনত বিসংগতি হোৱা নাছিল। কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থাত মূল্যবোধৰ শিক্ষা প্ৰদান কৰা হয় যদিও বাস্তৱিক ক্ষেত্ৰত এই শিক্ষাৰ অভাৱ থকা দেখা যায়। মূলবোধ মানে হৈছে - মানুহৰ জীৱনৰ কিছুমান নিৰ্দেশিকা নীতি, যিবোৰ মানুহৰ দৈহিক, মানসিক উন্নতি তথা সমাজ কল্যাণৰ বাবে হিতকৰ। সমাজত প্ৰচলিত ধৰ্মীয় বিশ্বাস, জীৱন দৰ্শন, নৈতিক আদৰ্শ, ৰাজনৈতিক আদৰ্শ, আচাৰ ব্যৱহাৰ, দৈনন্দিন জীৱনৰ কাৰ্যাৱলী এই সকলোবোৰ মূল্যবোধে সামৰি লয়।

বৰ্তমান সমাজত শিক্ষিতৰ হাৰ বৃদ্ধিয়ে সমাজখনক অধিক আধিপত্যশীল আৰু প্ৰভাৱশালী কৰি তুলিছে। কিন্তু ইয়াৰ বিপৰীতে কিছুমান অমানবীয় ঘটনা ঘটাও পৰিলক্ষিত হৈছে। আজিৰ সমাজৰ শিক্ষিত ব্যক্তিসকলৰ ভিতৰত কিছুসংখ্যকৰ মূল্যবোধৰ অভাৱে কিছুমান অসামাজিক, অমানবীয় ঘটনা ঘটাবলৈ কুণ্ঠাবোধ নকৰে। নিজ পিতৃ-মাতৃৰ প্ৰতি থকা দায়িত্ব পাহৰি বৃদ্ধাশ্ৰমৰ আশ্ৰয় দিবলৈও কুণ্ঠাবোধ নকৰে আজিৰ একছাম শিক্ষিত পুত্ৰই যাৰ ফলত শিক্ষাৰ প্ৰকৃত অৰ্থ আৰু মৰ্যাদা তেনে ব্যক্তি বিশেষৰ ক্ষেত্ৰত লোপ পায়।

শিক্ষাই মানুহৰ জ্ঞানৰ জ্যোতি বিলাই দিয়ে আৰু মূল্যবোধে মানুহক জীৱনৰ দায়িত্ব আৰু আদৰ্শসমূহ সোঁৱৰাই দিয়ে। গতিকে ছাত্ৰ জীৱনৰ পৰাই শিক্ষা আৰু মূল্যবোধৰ জ্ঞান দুয়োটাই সুন্দৰভাৱে আয়ত্ব কৰিব পাৰিলে সমাজত কোনো বৃদ্ধাশ্ৰম নাথাকিব, কোনো ধৰণৰ অমানবীয় ঘটনা নঘটিব আৰু জীৱন সুন্দৰ হৈ পৰিব। প্ৰতিগৰাকী ছাত্ৰ তথা ব্যক্তিয়ে নিজৰ দায়িত্ব আদৰ্শ পালন কৰি সমাজখন সুশৃংখল আৰু শান্তিপূৰ্ণ কৰি গঢ়ি তোলক।■

# সাম্প্ৰতিক সময়ছোৱাত অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাণত নাৰীৰ বলিষ্ঠ ভূমিকা

**অৰ্ণৱজ্যোতি তালুকদাৰ**
*ষষ্ঠ যাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*

**প্ৰাক্কথন ঃ**

"The idea is to write it so that people hear it and it slides through the brain and goes straight to the heart." - Maya Angelou.

স্বামী বিবেকানন্দই কৈছিল পুৰুষ আৰু নাৰী এটি চৰাইৰ দুখন পাখি সদৃশ। এখন পাখি অবিহনে যিদৰে চৰাই উৰিব নোৱাৰে, ঠিক একেদৰে পুৰুষ-নাৰীৰ সমসহযোগিতা অবিহনেও সমাজ সুন্দৰ হ'ব নোৱাৰে। এই কথাষাৰ সাহিত্যৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য। চিন্তাৰ থল আৰু দৃষ্টিকোণ আটাইৰে বেলেগ। সাহিত্যৰ পথাৰটো নাৰীয়ে ৰোপণ কৰা বীজ পুৰুষতকৈ ভিন্ন, যিয়ে সাহিত্যৰ ভঁৰাল অনন্যভাৱে টনকিয়াল কৰে। এই ৰচনাখনিৰ যোগেদি অসমীয়া সাহিত্যৰ ভেঁটি সৱলীকৰণত সাম্প্ৰতিক কালৰ নাৰীয়ে কেনেকুৱা ভূমিকা বহন কৰিছে, কিদৰে পাঠকক ন-চিন্তাৰ খোৰাক দিছে- সেই বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰিছোঁ।

**সাম্প্ৰতিক সময়ছোৱাৰ অসমীয়া সাহিত্যত নাৰীৰ বলিষ্ঠ ভূমিকাঃ**

**অনুৰাধা শৰ্মা পূজাৰী ঃ** শ্ৰদ্ধাৰ হোমেন বৰগোহাঞি ছাৰৰ অনুৰোধত লেখা-মিলা কৰিবলৈ আৰম্ভ কৰা অনুৰাধা শৰ্মা পূজাৰীৰ প্ৰথমখন উপন্যাস হ'ল 'হৃদয় এক বিজ্ঞাপন'। 'ইয়াত এখন অৰণ্য আছিল' গ্ৰন্থৰ বাবে তেখেতে এই বৰ্ষৰ সাহিত্য অকাডেমি বঁটা লাভ কৰা কথাটোৱে অসমীয়া সাহিত্যত নাৰীৰ বলিষ্ঠ ভূমিকাক আকৌ এবাৰ প্ৰতীয়মান কৰিলে। নৱপ্ৰজন্মৰ মাজত বহুলভাৱে জনপ্ৰিয় শৰ্মা পূজাৰীৰ লিখনিসমূহত মানৱ সমাজৰ পৰস্পৰ সংঘাত আৰু নাৰীবাদী চিন্তাধাৰা প্ৰায়েই পৰিলক্ষিত হয়। লগতে অংকিত হয় সাম্প্ৰতিক কালৰ সম্বন্ধসমূহত বৃদ্ধি পোৱা দূৰত্বৰ চিত্ৰ। 'কাঞ্চন'ৰ পাতে পাতে পোৱা যায় এগৰাকী নাৰীক কৰা শাৰীৰিক-মানসিক অত্যাচাৰৰ কথা। 'নাহৰৰ নিৰিবিলি ছাঁ' হ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আধাৰত ৰচিত এখন মনোগ্ৰাহী 'কেম্পাছ উপন্যাস'। 'এজন ঈশ্বৰৰ সন্ধানত', 'বসন্তৰ গান', 'কেথেৰিনৰ সৈতে এটি নিৰ্জন দুপৰীয়া', 'অটোগ্ৰাফ' ইত্যাদি হ'ল তেখেতৰ কিছু সংখ্যক উপন্যাস, চুটিগল্প



আৰু জীৱনীমূলক গ্ৰন্থ।

উল্লেখযোগ্য যে অনুৰাধা শৰ্মা পূজাৰীয়ে কেৱল অসমীয়া সাহিত্যৰ ভেটি সৱলীকৃত কৰাই নহয়, অসমীয়া সাংবাদিকতাকো এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। 'সাদিন'ৰ সম্পাদক এইগৰাকী

... পুৰুষ আৰু নাৰী এটি চৰাইৰ দুখন পাখি সদৃশ। এখন পাখি অবিহনে যিদৰে চৰাই উৰিব নোৱাৰে, ঠিক একেদৰে পুৰুষ-নাৰীৰ সমসহযোগিতা অবিহনেও সমাজ সুন্দৰ হ'ব নোৱাৰে। এই কথাষাৰ সাহিত্যৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য। চিন্তাৰ থল আৰু দৃষ্টিকোণ আটাইৰে বেলেগ। সাহিত্যৰ পথাৰটো নাৰীয়ে ৰোপণ কৰা বীজ পুৰুষতকৈ ভিন্ন, যিয়ে সাহিত্যৰ ভঁৰাল অনন্যভাৱে টনকিয়াল কৰে....

লেখিকাই সাদিনৰ পাতত যুৱ প্ৰজন্মৰ লিখনি প্ৰকাশ কৰি ন-ন সাহিত্যিক জন্ম দিয়াৰ ক্ষেত্ৰতো প্ৰচেষ্টা অব্যাহত ৰাখিছে। অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাণত ই এক অভিনৱ পদক্ষেপ।

**ড° ৰীতা চৌধুৰী ঃ** 'নেশ্বনেল বুক ট্ৰাষ্ট'ৰ বৰ্তমানৰ সঞ্চালক, সাহিত্য অকাডেমি বঁটা বিজয়ী অধ্যাপিকা ড° ৰীতা চৌধুৰী হৈছে সাম্প্ৰতিক কালত অসমীয়া সাহিত্যক মজবুত কৰা নাৰী সাহিত্যিকসকলৰ ভিতৰত অন্যতম। অসম আন্দোলনৰ পটভূমিত ৰচিত 'অবিৰত যাত্ৰা' আৰু 'এই সময়, সেই সময়' দুখন বহুলসমাদৃত আৰু বহুলপঠিত উপন্যাস। এয়া হ'ল অচলায়তন কালৰ এক অংশত উপস্থিত থকা এক জনজীৱনৰ খণ্ডচিত্ৰ। যি জনজীৱন সাঙোৰ খাই আছে ধূলিয়ৰী দিনবোৰৰ সৈতে। 'হৃদয় নিৰুপায়', 'ৰাগ মালকোশ', 'বিভ্ৰান্ত বাস্তৱ' ড° চৌধুৰীৰ কিছু উচ্চমান বিশিষ্ট গ্ৰন্থ। তেখেতৰ বুৰঞ্জীমূলক গ্ৰন্থ 'দেওলাংখুই' ২০০৮ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা লাভ কৰা কথাটোৱেও অসমীয়া সাহিত্যৰ ভেঁটি দৃঢ় কৰাত নাৰীৰ অবিচ্ছেদ্য ভূমিকাৰ কথাই সোঁৱৰাই দিয়ে। তদুপৰি তিৱা আৰু চাহ জনগোষ্ঠীৰ ওপৰত কৰা অধ্যয়নেও অসমীয়া গৱেষণাত্মক সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

**মণিকুন্তলা ভট্টাচাৰ্য ঃ** সাম্প্ৰতিক সময়ৰ পৰিচিত এইগৰাকী প্ৰতিভাশালী লেখিকাই তাকৰ সময়ৰ ভিতৰতে ভালেমান ব্যতিক্ৰমধৰ্মী উপন্যাস লিখি উলিয়াইছে। লেখনিৰে বিষয়, কাহিনী বিন্যাস, গঠনৰীতি সকলো দিশতে সফল ভট্টাচাৰ্য বিজ্ঞ মহলত আলোচিত নাম। ২০০০ চনত কবিতাৰে আত্মপ্ৰকাশ কৰা ভট্টাচাৰ্যৰ প্ৰথমখন গ্ৰন্থই মুনীন বৰকটকী বঁটা লাভ কৰে। ২০০৮ চনত তেখেতৰ ভ্ৰাম্যমাণ ভিত্তিক উপন্যাসে লাভ কৰে অসম সাহিত্য সভাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা। কেইবাটাও গল্প-উপন্যাস অন্য ভাষালৈ অনুদিত হোৱা ভট্টাচাৰ্যৰ কৰ্মৰাজিয়ে অসমীয়া সাহিত্যক ন-ৰূপত যে প্ৰতিষ্ঠা কৰিছে, সেই সম্পৰ্কে দ্বিমত নাই। 'প্ৰস্তৰ কন্যা', 'অৰুন্ধতী', 'সন্ধ্যা', 'মুক্তি', 'চামিয়ানা', 'বৰদোৱানী' ইত্যাদি তেখেতৰ ৰচিত কিছু গল্পপুথি আৰু উপন্যাস। শিশু সাহিত্যৰ ক্ষেত্ৰতো অৱদান আগবঢ়োৱা ভট্টাচাৰ্যৰ দুখন শিশু উপন্যাস হ'ল 'শান্ত পাপুহঁতৰ কথাৰে' আৰু 'ঈশ্বু'।

**ড° মালিনী ঃ** ড° মালিনীৰ প্ৰকৃত নাম ড° নীলিমা শইকীয়া। উত্তৰ-পূৱ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° মালিনীয়ে ইতিমধ্যে ৰামায়ণী সাহিত্যত এখন সুকীয়া স্থান দখল কৰিছে। ৰামায়ণ আৰু মহাভাৰতৰ কেইটামান নাৰী চৰিত্ৰৰ ওপৰত উপন্যাস সৃষ্টি কৰি পাঠক সমাজৰ দ্বাৰা প্ৰশংসিত হৈছে। 'যাজ্ঞসেনী', 'বিদেহ নন্দিনী', 'উৰ্বশী', 'শকুন্তলা' দৰে উচ্চমানৰ গ্ৰন্থৰ লগতে 'মন্দোদৰী' উপন্যাসৰ বাবে ২০১২ চনত অসম সাহিত্য সভাৰ কুমাৰ কিশোৰ সাহিত্য বঁটা লাভ কৰে। ড° মালিনীয়ে শিশু আৰু বিজ্ঞান সাহিত্যৰ ভেঁটিও সবল কৰিছে। 'সাধুৰ ছলেৰে বিজ্ঞান' গ্ৰন্থৰ বাবে ১৯৯১ চনত ৰাষ্ট্ৰীয় বঁটা লাভ কৰা কথাটোৱে তাকেই প্ৰমাণিত কৰে।

**ড° অৰূপা পটংগীয়া কলিতা ঃ** উপন্যাস অথবা গল্পৰ পৃথিৱীত প্ৰায়েই চৰ্চিত নাম হ'ল ড° অৰূপা পটংগীয়া কলিতা। ভাৰতীয় ভাষা পৰিষদৰ পুৰস্কাৰপ্ৰাপ্ত 'অয়নান্ত'ত বৰ্ণিত হৈছে নাৰী নিৰ্যাতনৰ লগতে সমাজৰ অন্ধবিশ্বাস, সংকীৰ্ণ আৰু ৰক্ষণশীল মনোবৃত্তি, পৰাধীনতাৰ গ্লানি ইত্যাদি মৰ্মস্পৰ্শী বিষয়। নলিনীধৰ ভট্টাচাৰ্যৰ মতে সেয়া 'ইতিহাস, ঐতিহ্য আৰু বৰ্তমানৰ সাৰ্থক সংমিশ্ৰণ'। সাহিত্য অকাডেমি পুৰস্কাৰেৰেও সন্মানিত এইগৰাকী লেখিকাৰ অন্যান্য পঠনযোগ্য গ্ৰন্থ হ'ল 'মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা', 'মৃগনাভি', 'ফেলানী' ইত্যাদি। 'কথানদী' চলচ্চিত্ৰৰো সংলাপ ৰচনা কৰা ড° কলিতা যে বৰ্তমানৰ অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাণকাৰীসকলৰ ভিতৰৰ এক এৰাব অংশ সেয়া অনস্বীকাৰ্য।

**মাইনী মহন্ত ঃ** জনপ্ৰিয় মহিলা আলোচনী 'নন্দিনী'ৰ সম্পাদক মাইনী মহন্ত

ইলেকট্ৰনিক মাধ্যমৰো এগৰাকী সফল সাংবাদিক। আশীৰ দশকত আত্মপ্ৰকাশ কৰা এইগৰাকী গল্পকাৰৰ এতিয়ালৈকে প্ৰকাশিত গ্ৰন্থসমূহ হৈছে- 'শেতেলী পৰৰ সাধু', 'নৈ শব্দত তেওঁ আৰু জয়া', 'প্ৰিয়বন্ধু তোমালৈ', 'ড্ৰিমলেণ্ড এপাৰ্টমেণ্ট', 'অকলে' ইত্যাদি। গল্পৰ পথাৰত মাইনী মহন্তৰ এক বিশেষ সমাদৰ আছে। দৈনন্দিন জীৱনৰ এটি ক্ষুদ্ৰ ঘটনাক সামৰি লৈ গল্প লিখনৰ শৈলী সঁচাকৈ আদৰণীয়। 'এয়াৰ পিউৰিফায়াৰ' আৰু 'খিৰিকী' তেখেতৰ দুটি উচ্চমানৰ গল্প।

**ড° জয়শ্ৰী গোস্বামী মহন্ত ঃ** পদ্মশ্ৰী সন্মানেৰে বিভূষিত ড° মহন্তই ২০১৯ চনত 'চাণক্য' উপন্যাসখনৰ বাবে অসমীয়া ভাষাৰ সাহিত্য অকাডেমি বঁটা লাভ কৰে। 'দ্ৰোণাচাৰ্য', 'অসম আন্দোলন ঃ যুগমীয়া চিন্তাৰ এক প্ৰতিফলন', 'একুঁকি ধেমেলীয়া সাধু' তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থ। পৌৰাণিক কাহিনী আৰু চৰিত্ৰক লৈ ৰচিত গ্ৰন্থসমূহ নিঃসন্দেহে অসমীয়া সাহিত্যৰ অমূল্য সম্পদ।

**মৈত্ৰেয়ী পাটৰ ঃ** সাম্প্ৰতিক সময়ছোৱাত অসমীয়া গীতিসাহিত্যক এক অন্য স্তৰলৈ লৈ যোৱা গীতিকাৰ গৰাকীয়ে হ'ল মৈত্ৰেয়ী পাটৰ। 'নীলাঞ্জনা', 'বাৰ্তালাপ', 'জাকৰুৱা', 'অলকানন্দা', 'মৌ-পিয়া' ইত্যাদি হৈছে তেখেতৰ দ্বাৰা ৰচিত গীত, যিবোৰৰ সমাদৰ প্ৰকৃতাৰ্থত অতুলনীয়। শ্ৰুতিমধুৰ এই গীতবোৰৰ শব্দচয়ন, উপস্থাপনশৈলী আৰু উপমা মনকৰিবলগীয়া। তেখেতৰ 'মোৰ কলমৌ দিনৰ সোণালী বাট' আৰু 'ডিঙিত গজা পানী মঙহ' শীৰ্ষক কাব্যগ্ৰন্থ দুখনতো ভাষাৰ লালিত্য আৰু ছন্দৰ মাধুৰ্য পোৱা যায়।

**কৰবী ডেকা হাজৰিকা ঃ** এগৰাকী প্ৰসিদ্ধ অসমীয়া কবি আৰু সাহিত্যিক হ'ল কৰবী ডেকা হাজৰিকা। কবিতাৰ লগতে গীতি সাহিত্য, উপন্যাস, শিশু সাহিত্য, সাহিত্য সমালোচনা, ভ্ৰমণ সাহিত্যৰ জৰিয়তেও অসমীয়া সাহিত্যৰ ভেঁটি সবল কৰা এইগৰাকী লেখিকাৰ এটি প্ৰখ্যাত কবিতা হ'ল 'চুলি নাবান্ধিবা যাজ্ঞসেনী'। কবিতাটোত যাজ্ঞসেনীৰ জৰিয়তে সমগ্ৰ নাৰী জাতিটোকে প্ৰতিনিধিত্ব কৰিছে। নাৰীৰ ক্ষোভ, লাঞ্ছনা, অপমান কবিতাটিত প্ৰকাশ পোৱাৰ লগতে মৰ্যাদাবোধ আৰু অস্তিত্ব ৰক্ষাৰ বাবে এক বৈপ্লৱিক জাগৰণৰ প্ৰয়োজনৰ কথাও কোৱা হৈছে। 'সাহিত্যৰ চিন্তা-ছায়া', 'জুনুকাৰ এৰাতি', 'চিকমিকাৰ কাহিনী' হ'ল তেখেতৰ লেখতল'বলগীয়া কিছু উপন্যাস আৰু শিশু উপন্যাস।

অসীম দৃষ্টি আৰু বোধিৰে ৰচিত বৰ্তমানৰ অসমীয়া সাহিত্যত পোৱা যায় নিৰ্মোহ আৰু স্বাধীন কলমৰ বিচৰণ। এই কলম বিচাৰক অথবা তত্ত্বদৰ্শী নহয়, ই দৰ্শক মাত্ৰ। পোহৰ পেলাই চায় সমাজৰ ইফাল-সিফাল। সমাজ বাস্তৱতাক শব্দৰূপ দিবলৈ যাওঁতে সাম্প্ৰতিক সময়ৰ লেখিকাৰ কলমে কেতিয়াবা তীক্ষ্ণাগ্ৰ শেষ হৈ বিন্ধে- কেতিয়াবা লৈ যায় আনন্দ, আশা, আস্থা, বিশ্বাসৰ ৰ'দজালিলৈ। যদিওবা ভালেখিনি নাৰী সাহিত্যিকে অসমীয়া সাহিত্যত বৰ্তমান অৰিহণা যোগাই আছে, ওপৰত আঙুলিৰ মূৰত লেখিব পৰা সাহিত্যিক অথবা সাহিত্যানুৰাগীৰ বিষয়েহে উল্লেখ কৰা হৈছে।

**উপসংহাৰ ঃ** নিচেই সীমিত অভিজ্ঞতা আৰু নিৰ্দিষ্ট পৰিসৰৰ ভিতৰত 'সাম্প্ৰতিক সময়ছোৱাত অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাণত নাৰীৰ বলিষ্ঠ ভূমিকা' সম্বন্ধে বিশদভাৱে দাঙি ধৰিবলৈ যোৱাটো মোৰ বাবে ধৃষ্টতা মাথোঁ, তথাপি সাধ্যানুসাৰে দুই-এটি কথাৰ অৱতাৰণা কৰা হৈছে।

পদ্মপ্ৰিয়া আইৰ পৰা আৰম্ভ কৰি ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° ইন্দিৰা গোস্বামী হৈ নিৰুপমা বৰগোহাঞিৰ মাজেৰে অসমীয়া সাহিত্যই আজিৰ ৰূপ পাইছে, য'ত অসমীয়া নাৰীৰ বলিষ্ঠ ভূমিকা যুগে যুগে দৃষ্টান্তমূলক। গল্প, কবিতা, উপন্যাস, উপন্যাসিকা, গীতি সাহিত্য, বিজ্ঞান সাহিত্য, শিশু সাহিত্য, কল্পবিজ্ঞান ইত্যাদি সৰ্বত্ৰে নাৰীৰ দুৰন্ত কাপৰ প্ৰবাহে অসমীয়া সাহিত্যক গতিশীল কৰি তোলাই নহয় সাম্প্ৰতিক সময়ৰ অসমীয়া সাহিত্যৰ ভেঁটি সবলকৰণৰ বহুল অৰ্থকো চৰিতাৰ্থ কৰিছে।■



# জাতীয়তাবাদত ভাষাৰ প্ৰাধান্য

**নেহা আফ্ৰিন**
*এম.এ., চতুৰ্থ যাণ্মাসিক*

“আহা পাঞ্জাৰী, আঁহা, মাদ্ৰাজী, বিহাৰী
উৰিয়া, বঙ্গালী
আঁহা গুজৰাটী, সিন্ধি, মৰাঠী, ৰাজস্থানী
ভোট, নেপালী
ভাৰতবৰ্ষৰ চেনেহৰ দুহিতা
পূৰ্ব প্ৰান্তৰ অসমী আই
ডঃ অম্বিকাগিৰি ৰায় চৌধুৰী

বিশ্বৰ সৰ্বত্ৰাত নিৰ্দিষ্ট ভাষা কোৱা লোকসকলে সেই ভাষাৰে পৰিচয় ডাঙি ধৰি আহিছে। “এক জাতি-এক ভাষা”ৰে উদ্বুদ্ধ হৈ জাতীয়চেতনা গঢ়ি তুলিছে। নিজ নিজ ভাষাৰে পৰিচয় দাঙি ধৰিব খোজা প্ৰৱণতাই গঢ়িত জাতীয়তাবাদ” নামৰ ৰাজনৈতিক ধাৰনাটোৱে ভাৰতবৰ্ষৰ দৰে বিভিন্ন ভাষা-ভাষীৰ দেশত ঋনাত্মক প্ৰভাৱ পেলাইছে বুলি বহুতো লোকে ক'ব খোজে। যি কি নহওঁক, “ভাষা অবিহনে জাতি অস্তিত্বশূন্য”। সাম্যবাদী নেতা ষ্টেলিনৰ মতে, জাতি এটা গঠন হ'বলৈ চাৰিটা উপাদানৰ প্ৰয়োজন - এটা নিৰ্দিষ্ট অঞ্চল, এটা অঞ্চলত বসতি কৰা মানুহ, অৰ্থনীতিৰ লগত জড়িত সংস্কৃতি, আৰু উমৈহতীয়া ভাষা। নিজ নিজ জাতিৰ সংস্কৃতি, ভাষা, ৰাজনীতি, সামাজিক, অৰ্থনীতিৰ প্ৰতি সচেতনতাই যদি জাতীয়তাবাদ হয়, তেন্তে ভাষাৰ প্ৰাধান্য আছে।

এটা কথা মানিবই লাগিব যে, জাতীয়তা এটা ৰাজনৈতিক ধাৰনা। সদৃশ জীৱন-প্ৰণালীৰ ব্যক্তিসমূহক একেলগে কৰি জাতীয় পৰিচয়েৰে বান্ধি নিৰ্দিষ্ট জাতিটোৰ উন্নতিৰ হকে কাম কৰাটোৱেই হ'ল “জাতীয়তাবাদ”ৰ লক্ষ্য আৰু উদ্দেশ্য। স্বাধীনতাৰ সময়ছোৱাত “জাতীয় কংগ্ৰেছ” নামৰ সংগঠনটোৱে জাতীয়তাবাদৰ মনোভাৱেৰে ভাৰতবৰ্ষৰ লোকসকলক একত্ৰিত কৰিব বিচাৰিছিল। নিজ নিজ ভাষা সংস্কৃতিৰ প্ৰতি সচেতন হৈও এক দেশৰ উন্নতিৰ হকে কাম কৰাটোক বুদ্ধিজীৱিসকলে “জাতীয়তাবাদ” আখ্যা দিব খোজে। ভাৰতবৰ্ষৰ দৰে দেশৰ

জাতীয়তাবাদ বাখ্যা দিয়াটো জটিল। সেয়ে “জাতীয়তাবাদ” আৰু “ৰাষ্ট্ৰীয়তাবাদ” দুইটা পৃথক ধাৰণাৰ জন্ম হৈছে। বঙালী মাৰাঠী, পাঞ্জাৰী, অসমীয়া ইত্যাদি ভাষাৰ লোকসকলে নিজ নিজ ভাষাৰ প্ৰতি সচেতনাক “জাতীয়তাবাদ” বুলি অভিহিত কৰিব খোজে। আনহাতে, ফ্ৰান্স, ইংলেণ্ড, জাৰ্মান আদি দেশসমূহত ভাষা এক নাইবা সদৃশ হোৱা হেতুকে “জাতীয়তাবাদ” আৰু “ৰাষ্ট্ৰীয়তাবাদ” বুলি পৃথক ধাৰনা নাই।

ভাষাৰ ভিত্তিত দেশ গঠন, ভাৰতবৰ্ষত ভাষাৰ ভিত্তিত ৰাজ্য গঠন প্ৰক্ৰিয়াই জাতীয়তাবাদ ভাষাৰ গুৰুত্ব বহন কৰে। উমৈহতীয়া ভাষা এটা কেৱল যোগাযোগ, বা ভাৱ আদান প্ৰদানৰেই মাধ্যম হৈ নাথাকে। একে ভাষী লোকসকলৰ মাজত ভাতৃত্ববোধৰ সম্পৰ্ক স্থাপন কৰে, আপোনা-আপুনি পৰস্পৰে পৰস্পৰৰ মাজত চেনেহৰ, বন্ধুত্বৰ ভাৱ গঢ়ি তোলে। বন্ধুত্ব প্ৰায় সেইসকলৰ লগতহে স্থাপন হয়, য'ত মনৰ ভাৱৰ লগতে জীৱন প্ৰণালীও একে হয়। এনেদৰে এটা জাতিৰ মাজত জাতীয়তাবাদ গঢ়ি তোলে। ই ৰাজনৈতিক ধাৰণা হৈ নাথাকি আবেগিক ধাৰ্ণালৈও গতি কৰে।

উল্লেখ কৰিবলগীয়া যে, শক্তিশালী জাতীয়তাবাদে শক্তিশালী দেশ এখনৰ জন্ম দিয়ে। ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত বিবেচনা কৰিলে, শক্তিশালী ভাষিক গোষ্ঠীৰ উন্নতি মনকৰিবলগীয়া, উদাহৰণস্বৰূপে তামিল, বঙালী, ভাষাই সাহিত্য, সংস্কৃতি সুৰক্ষিত কৰি ৰাখে। কিয়নো সাহিত্য সংস্কৃতিৰ আধাৰ হ'ল - ভাষা। ভাষাক উপলুঙা কৰি কোনো জাতি জীয়াই থাকিব নোৱাৰে, জাতীয় অস্তিত্ব লোপ পায়। ভাষাই বহুক্ষেত্ৰত ৰাজ্য অথবা দেশপ্ৰেমৰ অৰ্থনীতিত সহায় কৰে। নিজৰ মাজতে সংস্কৃতিৰ ব্যৱসায় চলি গৈ থাকে।

উগ্ৰ জাতীয়তাবাদে বহু সময়ত জাতি এটাৰ ক্ষতি কৰিব পাৰে। বহু সময়ত জাতীয়তাবাদে উগ্ৰতাৰ ৰূপ পায়, যাৰ ফলত যুদ্ধ বিগ্ৰহ হোৱা দেখা যায়। আনহাতে বহুতো জাতিয়ে পৃথক ৰাষ্ট্ৰৰ দাবী কৰি ৰাষ্ট্ৰৰ অহিতকৰ পৰিপন্থা অৱলম্বন কৰে। বিভিন্ন ধৰণৰ মৌলবাদী সন্ত্ৰাসৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে অসমৰ আলফা। ভাষিক সচেতনাই ৰাজ্যৰ ভিতৰতে বিদ্ৰোহ কৰা পৰিলক্ষিত হয়, যেনে অসমৰ বড়ো-জনগোষ্ঠী। ভাষিক সচেতনাই দেশখনক সৰু সৰু ভাগত বিভক্ত কৰি গৈ থাকে, কেতিয়াবা একে জীৱন প্ৰণালীৰ গোষ্ঠীসমূহেও পৃথক হোৱাৰ দাবী কৰে। এনেদৰে ভৌগলিকভাবে নহ'লেও সমাজ ব্যৱস্থা ভাঙি পৰে।

ঋনাত্মকতা থাকিলেও “জাতীয়তাবাদ” ভাষা অবিহনে প্ৰতিষ্ঠিত হ'ব নোৱাৰে। “ভাৰতীয়” বুলি কোনো ভাষা নাই। সেয়ে ভাৰতৰ জাতীয়তাবাদ জাতিসমূহৰ নিজ জাতিৰ প্ৰতি মৰম ভালপোৱা, সচেতনাৰ ওপৰত গঢ় লৈ উঠিছে। সেয়ে নিজ নিজ জাতিৰ প্ৰতি সচেতন হৈ এক ৰাষ্ট্ৰ হোৱাটো প্ৰত্যাহ্বান কিন্তু অসম্ভৱ নহয়। ৰবীন্দ্ৰনাথ ঠাকুৰে এদিন এজন পাঞ্জাৰী ইংৰাজী লেখকক কৈছিল, যেতিয়া লেখকজনক তেওঁ সুধিছিল, “ তুমি কিয় ইংৰাজীত লিখা, পাঞ্জাবীত লিখিব পাৰা” লিখকজনে কৈছিল, “ ইংৰাজীত লিখিলে বিশ্বই পঢ়িব পাৰিব। ঠাকুৰে কৈছিল,“ মই বঙালীত লিখো, কিন্তু মোৰ কিতাপ বিশ্বই পঢ়ে।” - ই এক ধৰণৰ “জাতীয়তাবাদ” সেয়ে ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ব বিখ্যাত।

ভাষা অবিহনে জাতি অস্তিত্বশূন্য। উনৈশ শতিকাৰ পিছত সমগ্ৰ বিশ্বই নিজৰ পৰিচয় ভাষাৰেই দিব খোজে। সেয়ে জাতীয়তাবাদত ভাষাৰ প্ৰাধান্য আছে। ভাষাৰ প্ৰতি সচেতনাই ব্যক্তি এজনক জাতীয়তাবাদী কৰি গঢ়ি তোলো। ই জাতিটোৰ লগতে দেশখনৰ উন্নতিৰ কাৰণ হৈ পৰে। বিশ্বৰ দৰবাৰত চিনাকি লাভ কৰিবলৈ “জাতীয়তাবাদ” এটা প্ৰয়োজনীয় গুণ।■

# অসমৰ সামাজিক লোকাচাৰ

**প্ৰশস্তি বৰকাকতি**
*স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

সংস্কৃতিৰ পৰিসৰ অতিকে ব্যাপক। সংস্কৃতিৰ গুন-লক্ষণ বৈশিষ্ট্য আদিলৈ লক্ষ্য ৰাখি ইয়াক সাধাৰণভাবে ৩ টা ভাগত ভগাব পাৰি - ১) অভিজাত সংস্কৃতি, ২) লোক -সংস্কৃতি আৰু ৩) জনজাতীয় সংস্কৃতি।

লোকসংস্কৃতিৰ উদ্ভৱ, বিকাশৰ পটভূমিত সাধাৰণতে লোকসমাজ। অমসীয়া লোক-সংস্কৃতিক চাৰিটা ভাগত ভগাব পাৰি- ১) মৌখিক লোকবিদ্যা বা লোকসংস্কৃতি, ২) ভৌতিক সংস্কৃতি, ৩) সামাজিক লোকপ্ৰথা বা লোকাচাৰ আৰু ৪) লোক পৰিৱেশ্য কলা।

মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন, মৌখিক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। পৰম্পৰাগত জীৱনৰ এক প্ৰকাৰে সামাজিক লোকাচাৰ বা লোক আচাৰ-ব্যৱহাৰ আখ্যা দিব পাৰি। লোকাচাৰৰ অনুসংগত ব্যক্তিগত অন্যান্য ক্ৰিয়াতকৈ সমাজগত অন্যান্য ক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হয়। সমাজ আৰু পৰিয়ালৰ মাজত উদ্যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদি পৰম্পৰাগত জীৱনৰ পৰিসীমাত সামৰিব পাৰি। এনেধৰণৰ ৰীতি-নীতি আৰু আচাৰ-ব্যৱস্থাসমূহ মুখ্যতঃ লোকবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত যিবোৰে লোকবিদ্যাৰ এটা নতুন শ্ৰেণীৰ জন্ম দিছে। কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সুনিৰ্দ্দিষ্ট আৰু স্থানীয়।

ৰাজহুৱা উদ্‌যাপন আৰু আমোদ-প্ৰমোদত সমাজৰ অধিকাংশ লোকে যোগ দিয়ে। ইয়াৰ পৰিণতিস্বৰূপে অন্য এবিধ লোক প্ৰথাৰ জন্ম হৈছে আৰু এইবিধ লোক প্ৰথাক নিৰ্দ্দেশ কৰিবৰ বাবে উৎসৱ অনুষ্ঠান পদ দুটি সাধাৰণতে প্ৰয়োগ কৰা হয়। গীত, নৃত্য, আভৰণ, শোভাযাত্ৰা আদি বিভিন্ন আচৰণ, উৎসৱ-অনুষ্ঠানৰ পৰিধিয়ে সামৰে।

অসমীয়া সমাজত প্ৰচলিত জন্ম, মৃত্যু আৰু বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল -

**১) অসমীয়া সমাজৰ জন্ম সম্পৰ্কীয় লোকাচাৰসমূহঃ** অসমীয়া সমাজত মাতৃ হ'বলৈ আগবঢ়া তিৰোতা গৰাকীক শাহু নাইবা ওচৰ-চুবুৰীয়া অভিজ্ঞ মাতৃয়ে নানা দিহা- পৰামৰ্শ, নীতি- নিয়মৰ শিকনি দিয়ে।

যেনে ঃ গৰ্ভাৱস্থাত খং-ৰাগ, দুশ্চিন্তা - দুৰ্ভাৱনা, হিংসা-দ্বেষ পৰিহাৰ কৰাৰ লগতে বেয়া দৃশ্য চোৱা, ফুল চিঙা, পঘাৰে গৰু-ছাগলী বন্ধা, নিশা অকলে বাহিৰলৈ যোৱা, যজাকল খোৱা আদি কৰ্মৰ পৰা বিৰত থাকিবলৈ তিৰোতাগৰাকীক সজাগ কৰে। জীৱ হত্যা কৰিলে গৰ্ভস্থ সন্তান নষ্ট হ'ব পাৰে বুলি লোক-সমাজে বিশ্বাস কৰে। সেয়েহে, সন্তান সম্ভৱা পিতৃ-মাতৃ দুয়োকে কেতিয়াও জীৱ



হত্যা কৰিবলৈ দিয়া নহয়। সন্তান সম্ভৱা পিতৃক মৰাশ কান্ধত ল'বলৈ বা মৰিশালিলৈ যাবলৈ বাধা নিষেধ কৰা হয়।

অসমীয়া সমাজত গৰ্ভৱতী তিৰোতাক পাঁচ মাহত এঁৰা গাখীৰ, দৈ, গুৰ, ঘিউ আৰু মৌৰে 'পঞ্চামৃত' খুউৰা পৰম্পৰা প্ৰচলিত হৈ আহিছে। পঞ্চামৃত গৰ্ভৱতী তিৰোতাগৰাকীৰ মাকৰ ঘৰে খুৱায়। এই অনুষ্ঠান মহিলাসকলৰ মাজত হয়। পঞ্চামৃতৰ সময়ত গৰ্ভৱতী নাৰীগৰাকীয়ে নতুন বস্ত্ৰ পৰিধান কৰিব লাগে।

গৰ্ভধাৰণৰ ৭ বা ৯ মাহত 'জেউৰা খুউৰা বা জেউৰা দিয়া পতা হয়।' গৰ্ভৱৰ্তী নাৰীগৰাকীক মাকৰ পৰিয়ালবৰ্গই পঞ্চামৃতৰ দৰে পৰমান্ন, মিঠাই, মাছ আদি খোৱা বস্তুৰে ভাত এসাজ খুওৱাই। লগতে ওচৰ-চুবুৰীয়াকো নিমন্ত্ৰণ কৰা হয়।

নামনি অসমৰ কোনো কোনো অঞ্চলত গৰ্ভৱতী তিৰোতাই আঠ মাহ খটাৰ নিয়ম আছে। আঠ মাহত গৰ্ভৱতী তিৰোতাগৰাকীক অশুচি বুলি ধৰা হয়। অশুচি অৱস্থাত তিৰোতাগৰাকীক কাম-কাজৰ লগতে গোঁসাইঘৰ আদিত প্ৰৱেশ কৰিবলৈ দিয়া নহয়।

সন্তান ভূমিস্থ হলে বাঁহৰ চোঁচেৰে নাড়ী কটা প্ৰথাটো জনজাতীয় লোকসকলৰ পৰা অজনজাতীয় অসমীয়া লোকসকলৰ মাজলৈ আহিছে। বৰ্তমান সময়ত কিন্তু এই নিয়ম কমি অহা দেখা গৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে উন্নত চিকিৎসা পদ্ধতিৰ প্ৰচলনৰ ফলত পূৰ্বৰ এই ৰীতি প্ৰায় লুপ্তপ্ৰায়।

সদ্যোজাত সন্তান আৰু মাকে ভূত-প্ৰেতৰ পৰা ৰক্ষা পাবলৈ বুলি ঘৰৰ দুৱাৰমুখত বগৰী গছৰ কাঁইট, নেমুটেঙা আৰু জলকীয়া আঁৰি দিয়া হয় আৰু যিটো কোঠাত মাতৃ আৰু সন্তানক ৰখা হয় তাত জুই একুৰা ধৰি থোৱা থাকে। অসমীয়া সমাজত নৱজাতকৰ 'নাই' সৰিলে নাইটো মাকে সযতনে থৈ দিয়ে। ল'ৰা-ছোৱালীৰ পেটৰ বিষ বা পানী আদিত পৰিলে 'নাই'টো ঔষধ হিচাপে ব্যৱহাৰ কৰে। নৱজাতকক শুৱলৈ সৰিয়হৰ গাৰু কৰি দিয়া হয়। প্ৰসূতিৰ গা-শুকাবৰ কাৰণে নৰসিংহ, মানিমুনি, বনজালুক, ভেদাইলতা আদি বনৰীয়া শাক, আদা, নহৰু, জালুকেৰে ৰান্ধি খুওৱা নিয়মো অসমীয়া সমাজত প্ৰচলিত।

অসমীয়া সমাজত নৱজাতকক পাঁচ দিনৰ দিনা মাকে বাহিৰলৈ উলিয়াই আনি সূৰ্যলৈ চাই প্ৰনাম জনায়। গধূলি সন্তানৰ মূৰৰ শিতানৰ ফালে চাকি-বন্তি জ্বলাই আসন পাতে। আসনৰ ওচৰত কিতাপ-ফলি, ফলিগুটি, টকা-পইচা, সোন-ৰূপ, আইনা আদি থয় আৰু লগতে ধাই মাকলৈ বুলি ভোজনি এটা আগবঢ়ায়। অসমীয়া লোকবিশ্বাসৰ মতে, সেই ৰাতি বিধিয়ে সন্তানৰ কপালত ভাগ্যলিপি লিখে বুলি বিশ্বাস।

সন্তান জন্ম হোৱা ঘৰখনক অশুচি বুলি ধৰা হয়। সন্তান প্ৰসৱ হোৱাৰ পৰা এঘাৰ দিনলৈ পৰিয়ালবৰ্গই মন্দিৰ, পূজা আদিলৈ নাযায়। আনকি, ঘৰতো গোঁসাইৰ চাকি নজ্বলায়। মাক আৰু সন্তানৰ লগতে পৰিয়ালবৰ্গয়ো এঘাৰদিনীয়া অশৌচ পালন কৰে। অশৌচৰ দহ দিনৰ দিনা গৃহস্থৰ চৰু-হাড়ি ধুই ঘৰৰ সকলোবোৰ কানি-কাপোৰ তিয়াই বুৱাই গৃহস্থৰ অশৌচ খেদায়। সেইদিনৰ পৰা কেৱল মাকৰ গাতহে অশৌচ থাকে। ল'ৰা সন্তান জন্ম পালে ২১ দিনত আৰু ছোৱালী সন্তান জন্ম হ'লে এমাহৰ মূৰত অশৌচ গুচাই শুধি সবাহ পাতে।

সন্তান প্ৰসৱ হোৱাৰ পিছত অঞ্চল বিশেষে ৭ দিন, ১১ দিন, এমাহত নামকৰণ উৎসৱ পতা হয়। নামকৰণৰ দিনা জলাবটা, নিমখ, মাছ, হালধি আদি ৰাইজৰ মাজত বিতৰণ কৰে।

সন্তানটৰ ৭ বা ৯ মাহত যেতিয়া দাঁত ফুটি ওলায় তেতিয়া সন্তানটিক ভাত মুখত দিয়া বা অন্নপ্ৰসন্ন অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত মোমায়েক বা পিতৃয়ে প্ৰথমে শিশুটিৰ মুখত ভাত দিয়ে। কাঁহৰ কাঁহী বাটীত ভাত খুওৱা নিয়ম অসমীয়া সমাজত প্ৰচলিত। অন্নপ্ৰাসন্ অনুষ্ঠানৰ আৰম্ভনিতে এখন ডলাত ধান, মাটি, সোন, কিতাপ, কলম আদি বস্তু ৰাখি সন্তানটিয়ে কি বস্তু প্ৰথমে স্পৰ্শ কৰে তাৰ ওপৰত নিৰ্ভৰ কৰি সন্তানটি ভৱিষ্যতে কি হ'ব তাক নিৰূপণ কৰা হয়। যিবিধ সামগ্ৰী জাতকে প্ৰথমে স্পৰ্শ কৰে সেই বিধতে জাতকৰ অধিকাৰ হয় বুলি বিশ্বাস কৰে।

ছোৱালী সন্তান জন্ম হ'লে দুই বা তিনিবছৰ বয়সত কান বিন্ধনী অনুষ্ঠিত কৰে আৰু কান ফুটা কৰি সোন বা ৰূপৰ ফুলি পিন্ধোৱা দেখা যায়। জন্ম সম্পৰ্কীয় লোকাচাৰ সমূহৰ ভিতৰত চূড়াকৰনো অন্যতম। নৱজাতকৰ জন্মৰ প্ৰথম চুলিখিনি অশুচি বুলি ধৰা হয়। জাতকৰ জন্মৰ পৰা বিযোৰ বছৰত বা মাহত চুলি খুৰোৱা হয়।

এনেদৰে, অসমীয়া সমাজত জন্মৰ লগত বিভিন্ন ৰীতি-নীতি বা লোকাচাৰ পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে।

**২) অসমীয়া সমাজৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰসমূহ ঃ** জন্ম পোৱা শিশুটোৱে সময়ৰ সোঁতত আগবাঢ়ি গৈ বাৰ্ধক্যত উপনীত হয়। মৃত্যু মানৱ জীৱনৰ এক চিৰন্তন সত্য, কোনো মানুহে মৃত্যুৰ পৰা হাত সাৰিব নোৱাৰে। অসমীয়া সমাজত মৃত্যুৰ সময়ত ব্যক্তিজনৰ ওচৰত গীতা, কীৰ্তন আদি ধৰ্মপুথি পঢ়ি শুনোৱা হয় যাতে শেষ সময়ত আত্মাই মায়া-মোহৰ পৰা মুক্ত হয়। শেষ নিশ্বাস এৰাৰ লগে লগে মৃতদেহটো বগা কাপোৰেৰে ঢাকি ফুল ছটিয়াই দিয়ে।মৃতকক শ্মশানলৈ নিয়াৰ উদ্দেশ্যি বাঁহৰ চাঙি এখন গাঁৱৰ মানুহে তৈয়াৰ কৰে। মৃতদেহ শ্মশানলৈ নিয়াৰ আগতে ঘৰৰ সকলোৱে মৃতকৰ প্ৰতি মূৰ দোঁৱাই সেৱা আগবঢ়ায় শংখ, খোল-তাল, মৃদংগ, কাঁহ আদি বাদ্যৰ লগত হৰি কীৰ্তনেৰে ৰজন্জনাই মৃতকক শ্মশানলৈ নিয়া হয়।

মৃতকক শ্মশানলৈ উলিয়াই নিয়াৰ পিছত চোতালত

দেহটো থোৱা ঠাইখিনিৰ চাৰিওফালে খুঁটি মাৰি বেৰি থোৱা হয়। যিখিনি ঠাইত মৃতকক দাহন কৰা হয়। সেই ঠাইখিনি কিনি লোৱা হয়। মৃতকক চিতাত তোলাৰ পূৰ্বে পুৰোহিতে শ প্ৰায়চিত্ত কৰি লয়। মৃতকক চিতাত তোলাৰ সময়ত পুৰুষ হ'লে তলমুৰাকৈ আৰু নাৰী হ'লে ওপৰমুৰাকৈ শুৱাই দিয়ে। মুখাগ্নি কৰাজনে সাতবাৰ প্ৰদক্ষিণ কৰি শাস্ত্ৰৰ বিধি অনুযায়ী মৃতকক চিতাত তুলি দাহন কৰে।

অসমীয়া সমাজত গিৰিয়েকৰ মৃত্যু হ'লে ঘৈনীয়েকে শিৰৰ সেন্দুৰ চিৰদিনলৈ মচি দিয়ে। গাত পিন্ধি থকা অলংকাৰ খুলি বগা কাপোৰ শ্ৰাদ্ধ নোযোৱালৈ পিন্ধে। আনহাতে, সধবা তিৰোতাৰ মৃত্যু হ'লে মৃতকক শিৰত সেন্দুৰ দিহে সৎকাৰ কৰাৰ নিয়ম প্ৰচলিত।

শ্মশানলৈ যোৱা লোকসকলে গা-ধুই, ভৰি - হাত জুইত সেকিহে ঘৰৰ ভিতৰত সোমাব লাগে। মৃতদেহ দাহন কৰাৰ পিছত মৃতকৰ অস্থি আনি বাঁহৰ চুঙা এটাত ভৰাই তুলসীৰ গুৰিত পুতি থয় আৰু তাত পানী সদায় দি থকা হয়। মৃতকৰ পৰিয়ালৰ পত্নী, পুত্ৰ, আদিয়ে মাটিত বিচনা পাৰি শুব লাগে। মাটিত বহিলেও এখন কলপাত পাৰি ল'ব লাগে। মুখাগ্নি কৰাজনে হাতত ছুৰী বা কটাৰী লৈ ফুৰিব লাগে। হাতত লোৰ অস্ত্ৰ থাকিলে অপদেৱতা, ভূত-প্ৰেতে পাব নোৱাৰে বুলি বিশ্বাস।

মৃতকক কল, আৰৈ চাউল, মগুমাহ, গৰু-গাখীৰ, তিল, পঞ্চামৃত, দুবৰি, ফুল, চন্দন আদিৰে নদী, বিল, পুখুৰী আদিৰ পাৰত পিণ্ড দিয়া হয়। প্ৰথমদিনা যি ঠাইত পিণ্ড দিয়ে দহ দিনলৈ সেই ঠাইতে পিণ্ড দি থাকিব লাগে।

মৃতকৰ দহ দিনৰ দিনা দহা পতা হয়। সেইদিনা ৰাতিপুৱা গৃহস্থৰ সকলো কানি-কাপোৰ তিয়াই ঘৰ-দুৱাৰ মচা হয়। পুত্ৰ সন্তানসকলৰ মুণ্ডন কৰা হয়। তাৰ পিছত মৃতকৰ আত্মাৰ সদ্গতিৰ বাবে বিধিৰত কাৰ্য কৰি নাপিতক কাঁহী, বাটি, বস্ত্ৰ আদি দান কৰা হয়।

এঘাৰ দিনৰ দিনা আদ্যশ্ৰাদ্ধ পাতে। সেইদিনা মৃত্যুৰ সময়ত মৃতকে পোৱা দোষ অনুযায়ী মৃতকৰ দোষ নিবাৰণৰ কাৰণে পূজা-পাঠ আদি বিভিন্ন কাৰ্য্য কৰে।

তেৰ দিন বা তাৰ পিছত 'ভোজ' দিব লাগে।

এমাহৰ সলনি ১৩ দিনত ভোজ দিয়া প্ৰথা জনজাতীয় অসমীয়া সকলৰ পৰা জনজাতীয় অসমীয়া লোকসকলৰ মাজত প্ৰচলন হ'ব ধৰিছে। সেইদিনা গাঁৱৰ ৰাইজৰ লগতে ইষ্ট-কুটুম্বক আমন্ত্ৰণ কৰি এসাজ ভাত খুৱায়। লগতে এসাজ ভাত মৃতকলৈও আগবঢ়ায়। মৃতকক দিয়া ভাত সাজত মৃতকে যিবোৰ খাদ্য খাই ভাল পাইছিল সেই সকলোবোৰ ৰান্ধি দিয়া হয়। এনেদৰে, মৃতকৰ লগতে ৰাইজক ভাত খুৱাই গৃহস্থ শুদ্ধি হয়।

অসমীয়া সমাজত প্ৰথম বছৰত মৃতকক উদ্দেশ্যি প্ৰতিমাহে নাম প্ৰসংগ, ছয়মাহত ছয়মাহিলী আৰু বছৰত বছৰেকীয়া শ্ৰাদ্ধ কৰা হয়।

অশোকাষ্টমীৰ দিনা মৃতকৰ অস্থি বিসৰ্জন দিয়াৰ লগতে গংগা আদিত অস্থি বিসৰ্জন কৰি মৃতকৰ আত্মাৰ সদ্গতিৰ কামনা কৰে।

এনেদৰে, অসমীয়া সমাজত মৃত্যুৰ লগত বিভিন্ন লোকাচাৰ জড়িত হৈ থকা দেখা যায়।

**৩) অসমীয়া সমাজৰ বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহ ঃ** বিবাহ হৈছে জীৱনৰ এক বিশেষ অনুষ্ঠান, এক প্ৰাণময় উৎসৱ। ইয়াক ব্যক্তিজনে নিজে উপভোগ কৰিব পাৰে আনন্দ, বিষাদ। অসমীয়া সমাজৰ বিবাহ ৰীতি-নীতিয়ে ইয়াক এক অন্য মাত্ৰা প্ৰদান কৰে। হিন্দু ধৰ্মৰ ৮ প্ৰকাৰৰ বিবাহ হ'ল ক্ৰমে- ব্ৰাহ্মণ, দৈৱ, আৰ্য, প্ৰজাপত্য, গন্ধৰ্ব, অসুৰ পৈশাচ আৰু ৰাক্ষস। ইয়াৰে প্ৰথম চাৰিবিধ উত্তম আৰু পিছৰ চাৰি বিধ অধম বুলি শাস্ত্ৰত উল্লেখ আছে। অসমীয়া সমাজত প্ৰথম চাৰিবিধ বিবাহকে স্বীকৃতি প্ৰদান কৰা হয়। যদিও জনজাতীয় লোকসকলৰ সংস্পৰ্শলৈ আহি গন্ধৰ্ব বিবাহৰো প্ৰচলন হ'ব ধৰিছে।

অসমীয়া সমাজত একে পৰিয়ালৰ লোকৰ মাজত বিবাহ নিষিদ্ধ। তাৰোপৰি পুৰুষৰ ক্ষেত্ৰত ন-পুৰুষলৈকে আৰু মহিলাৰ ক্ষেত্ৰত সাত পুৰুষলৈকে একে বংশৰ ভিতৰত বিয়া পতাৰ নিয়ম নাই। অসমীয়া সমাজত ফাগুন আৰু ব'হাগ মাহক বিবাহৰ বাবে উপযুক্ত মাহ বুলি বিবেচনা কৰা হয়। ভাদ, আহিন, কাতি, পুহ, মাঘ আৰু চ'ত মাহক মতা মাহ বুলি গণ্য কৰি এইকেইটা মাহত বিয়া পতা নহয়। আঘোন মাহত পৰিয়ালৰ জ্যেষ্ঠ পুত্ৰৰ বিবাহ নিষিদ্ধ। এই মাহত জ্যেষ্ঠ পুত্ৰৰ বিবাহ হ'লে দাম্পত্য জীৱনত খেলিমেলি হয় বুলি বিশ্বাস। অসমীয়া লোকবিশ্বাস মতে, এই মাহতেই ৰাম-সীতাৰ সয়ম্বৰ হৈছিল। শাওন মাহত কন্যাৰ বিবাহ নিষিদ্ধ। এই মাহতেই বেউলা-লক্ষীন্দৰৰ বিয়া হৈছিল। লোকবিশ্বাস অনুসৰি এই মাহত বিবাহ হ'লে কন্যাই বেউলাৰ দৰে বৈধব্য জীৱন- যাপন কৰিব লাগে। আহাৰ মাহত বিয়া হ'লে দম্পতীৰ অকাল মৃত্যু হয় বুলি বিশ্বাস।

বিবাহ হৈছে মাংগলিক কাৰ্য। অসমীয়া সমাজত বিবাহ সম্পৰ্কীয় কথা-বাৰ্তা চলিলেই প্ৰথমে দৰা-কইনাৰ ৰাহিযোৰা চোৱাৰ নিয়ম প্ৰচলিত। দৰা-কইনাৰ ৰাহি-যোৰা মিলিলে আৰু দৰাঘৰৰ কইনা পছন্দ হ'লে শুভ দিন-বাৰ ক্ষণ অনুযায়ী বিবাহৰ বাবে প্ৰস্তুতি আৰম্ভ কৰা হয়। অসমীয়া বিবাহ অনুষ্ঠানত যাত্ৰা-সান্দহ খুন্দা এটি উল্লেখযোগ্য পৰ্ব। এই পৰ্বৰ পৰাই বিবাহৰ কাম-কাজৰ আৰম্ভণি ঘটে বাবে এই প্ৰথাটোক 'যাত্ৰা সান্দহ খুন্দা' বোলে। বেযুৰীয়া দিনত সধবাা তিৰোতাই এই সান্দহ খুন্দে।

জোৰণ পিন্ধোৱা পৰ্বটো অসমীয়া সমাজৰ বিবাহৰ এটি উল্লেখযোগ্য পৰ্ব। জোৰণ হৈছে বিয়াৰ এদিন বা দুদিন আগতে দৰাঘৰৰ পৰা কইনালৈ পঠোৱা সাজ-পাৰ, আ-অলংকাৰ, প্ৰশাধন সামগ্ৰী, অন্যান্য কিছুমান দ্ৰব্যৰ লগতে সেন্দুৰ। 'জোৰণ'ৰ প্ৰধান বস্তু হৈছে সেন্দুৰ। সেইদিনা দৰাঘৰৰ সধবা তিৰোতা বা দৰাৰ মাকে সোঁহাতৰ অনামিকা আঙুলিৰে কইনাৰ কপালত সেন্দুৰৰ ফোঁট দি শিৰৰ তলৰ পৰা ওপৰলৈ চানি তিনিবাৰ সেন্দুৰ দি উৰুলি দিয়া হয়। কইনাক সকলোবোৰ আ-অলংকাৰ পিন্ধোৱাৰ পিছত দৰাঘৰৰ পৰা নিয়া আইনাত কইনাক মুখ চাবলৈ দিয়া হয়। ইয়াৰ পছত জোৰনত অনা অন্য সামগ্ৰীসূহ যেনে - নাৰিকল, তামোল, কল, মাছ, চাউলৰ ঘট আদি কইনাক স্পৰ্শ কৰাব লাগে। ঠাইবিশেষে আকৌ, কইনাঘৰে দৰাঘৰলৈ ওলোটাই জোৰণ নিয়া প্ৰথাও প্ৰচলিত। অসমীয়া বিবাহ অনুষ্ঠানৰ আন এক উল্লেখযোগ্য পৰ্ব হৈছে পানীতোলা। পানীতোলা কাৰ্যত পাঁচজনী আয়তীয়ে ঘট ল'ব লাগে। দৰা-কইনাৰ মাকে অন্য ঘটতকৈ ডাঙৰ আগ ঘটতো লয় আৰু অন্যান্য সকলে বাকী ঘটবোৰ লয়। পানী তুলবলৈ যাওঁতে টেকেলি, দুনৰি, পছুনালৰ কটাৰী এখন, তামোল পান এযোৰ, মুদ্ৰা এটা, চাকি এযোৰ আয়তীসকলে লগত লৈ যাব লাগে। পানী তুলিবলৈ বাদ্য বজাই যোৱা নিয়ম প্ৰচলিত। প্ৰবাদ আছে যে, পানী তুলিবলৈ যাওঁতে আগে আগে বাদ্য বজাই গ'লে তাপদেৱতাৰ কোপদৃষ্টিৰ পৰা ৰক্ষা পোৱা যায়। পানী তুলি উভতি আহোঁতে পিছলৈ ঘূৰি চাব নাপায়।

অসমীয়া বিবাহ সম্পৰ্কীয় ৰীতি-নীতিৰ ভিতৰত দৰা-কইনাক নোৱাবলৈ নিয়াৰ আগতে দৰা-কইনাই নোৱনিসাজ পিন্ধিব লাগে। কলপুলি পুতি দৰা-কইনাক বহুৱাই মূৰত তামোল আৰু আঙুঠি ধৰি তেল দিয়া হয়। তাৰ পিছত গাত মাহ-হালধি সনা হয়। ইয়াৰ পিছত তুলি অনা পানী দৰা-কইনাৰ গাত ঢলা হয়। নোওৱাৰ পিছত দৰা-কইনাৰ ককায়েক, ভিনিহিয়েক বা অন্য কোনো জ্যেষ্ঠজনে দাংকোলাকৈ আনি মড়লৰ ওচৰত বহুৱাই দিয়ে। এই পৰ্বৰ পিছত দৰা-কইনাৰ মাকে সুৱাগুৰি তুলিবলৈ যায়। ইয়াৰ জৰিয়তে মাকে দৰা-কইনাৰ মংগল কামনা কৰে। দৰা আদৰাৰ সময়তো কিছুমন লোকাচাৰ পালন কৰা হয়। কইনা ঘৰৰ যাত্ৰা কলপুলিৰ তলত দৰা আদৰিবৰ বাবে পীৰা এখনৰ এপৰত দৰাক থিয় কৰাই কইনাৰ ভনীয়েকে দৈ, কল, গাখীৰেৰে দৰাৰ ভৰি ধুওৱাৰ পিছত কইনাৰ মাকে দৰাক আদৰি কইনা ঘৰৰ ভিতৰলৈ লৈ যায়। আদৰাৰ সময়ত সামৰ্থ অনুযায়ী দৰাক উপহাৰ দিয়া হয়। সমান্তৰালভাৱে কইনাঘৰ আৰু দৰাঘৰে পৰম্পৰৰ গাত চাউল ছটিয়ায়। আদৰা পৰ্ব শেষ হোৱাৰ পিছত কইনা পক্ষৰ কোনো লোকে দৰাক দাংকোলাকৈ দাঙি আনি ৰভাতলৰ মড়লৰ সন্মুখত সাজু কৰি থোৱা বৰপীৰাত বহুৱায়। নামনি অসমত কিন্তু কইনাৰ মাকে দৰা আদৰিবলৈ নাযায়; গোটেই বিবাহপৰ্বৰ সময়ছোৱাত কইনাৰ মাকে ৰভাতললৈ আহি বিবাহ চোৱাটো নিষেধ। বিবাহ কাৰ্য সম্পন্ন হোৱাৰ পিছত দৰা- কইনাক চাকিৰে ঘৰৰ ভিতৰলৈ আদৰি আনে। ইয়াৰ পিছত কিছুমান খেল খেলিবলৈ দি দৰা - কইনাৰ ভিতৰত নিজৰ সংসাৰখন স্বচ্ছল কৰি ৰখাত কোন পাকৈত তাক পৰীক্ষা কৰা হয়। যেনে ঃ আঙুঠি লুকোৱা খেল, পায়সৰ বাটি দুটা দৰা-কইনাই ঘড়ীৰ কাটাৰ বিপৰীতে ঘূৰাব লাগে। বাটি দুটা খুন্দা খালে দৰা-কইনাৰ মাজত পৰৱৰ্তী সময়ত খকা-খুন্দা লাগি থাকে বুলি বিশ্বাস।


দৰাঘৰলৈ যোৱাৰ আগেয়ে কইনাই ভঁৰালঘৰ, গোঁসাইঘৰত সেৱা কৰাৰ নিয়ম প্ৰচলিত। যাবলৈ গাড়ীত উঠাৰ পছত ঘূৰি চোৱাৰ নিয়মো আছে। কথিত আছে যে, পিছলৈ ঘূৰি নাচালে হেনো কইনা ঘৰৰ সকলো সা-সম্পত্তি কইনাৰ লগতে গুচি যায়। কোনো কোনো ঠাইত কইনাৰ হাতৰ পৰা এপদ সোনৰ অলংকাৰ খুলি ৰখা হয়। প্ৰবাদ আছে যে, মাকৰ ঘৰৰ পৰা যাতে লখিমী কইনাৰ লগত গুচি নাযায় তাৰ বাবে এই পৰ্বসমূহ পালিত হয়। দৰাঘৰ পোৱাৰ পিছত দৰা-কইনাক বৰপীৰাত থিয় কৰাই দুয়োৰে ভৰি দৈ পানীৰে ধুৱাই গামোচাৰে মচি দৰা-কইনাক ভিতৰলৈ আদৰি আনে। ঘৰৰ দুৱাৰমুখত এগছি মাটিৰ চাকি ৰখা হয় আৰু ন-কইনাই গোৰোহাৰে গচকি ভাঙিব লাগে। ভঙা চাকিৰ টুকুৰাৰ সংখ্যা অনুযায়ী ন-কইনাৰ সন্তানপ্ৰাপ্তি হ'ব বুলি বিশ্বাস কৰা হয়। বিয়াৰ তৃতীয় দিন খোৱা - খুবী অনুষ্ঠান হয়। খুৱা-খুবী এহাল ভূত-ভূত্নী বুলি বিশ্বাস কৰা হয়। জনপ্ৰবাদ আছে যে, পাৰ্বতীৰ খঙৰ পৰা জন্ম হোৱা খুবা-খুৰী (ভূত-ভূত্নী) হালক দৰা-কইনাৰ গাত লাগি থাকিবলৈ শ্ৰীৰামচন্দ্ৰই বৰ দিছিল। আকৌ খোৱা-খুৰী অনুষ্ঠান খাই সিহঁতহালক দৰা-কইনাৰ পৰা আঁতৰি যাবলৈ আজ্ঞা দিছিল। এই বিশ্বাসৰ ওপৰত ভিত্তি কৰি অসমীয়া বিবাহ অনুষ্ঠানত খুৱা-খুবী অনুষ্ঠান পালিত হৈ আহিছে।

অসমীয়া বিবাহৰ লগত জড়িত অন্য এক লোকাচাৰ হৈছে আঠমঙলা। সাধাৰণতে বিয়াৰ আঠদিনাৰ দিনাএই পৰ্বটি পালন কৰা হয়। আঠমঙলা হ'ল কইনাৰ ঘৰত দৰাক খুওৱা ভোজ। আঠমঙলাৰ দিনা দৰাঘৰৰ পৰা দৰাতকৈ জ্যেষ্ঠসকল নাহে। সেইদিনা অতি কমেও দৰাঘৰীয়াক আঠখন আঞ্জাৰে ভাত আৰু পৰমান্ন খুওৱা হয়। সেইদিনা কোনো ধৰণৰ তিতা- টেঙা খাদ্য খোৱাটো নিষেধ। সেইদিনা সেই তিতা-টেঙা খুৱালে শহুৰ-জোঁৱাইৰ সম্পৰ্কও তিতা-টেঙা হয় বুলি বিশ্বাস কৰা হয়। খোৱা-বোৱা পৰ্ব শেষ হোৱাৰ পিছত বেলি ডুবাৰ আগতে দৰা-কইনা দৰাঘৰলৈ যাত্ৰা কৰে।

এনেদৰে নানা ৰীতি-নীতি, ৰং-ধেমালীৰ মাজেৰে অসমীয়া বিবাহ অনুষ্ঠান সামৰণি ঘটে।■

# অসমৰ লোকনৃত্য
# অসমীয়া সংস্কৃতিৰ মন্ত্ৰমুগ্ধ প্ৰকাশ

আকাশদ্বীপ দাস




উত্তৰ-পূবৰ ৰাজ্যৰ সাতখন ভগ্নীৰ ভিতৰত এখন অসম আৰু ইয়াৰ চিত্ৰময় দৃশ্যপট, বন্যপ্ৰাণী, ৰেচম, আৰু হস্তশিল্পৰ বাবে পৰিচিত আৰু ইমান সুস্বাদু চাহৰ কথা কোনেও কেনেকৈ পাহৰি যাব পাৰে, ই আপোনাক হয়তো উন্মাদ কৰি পেলাব। অসম চহা জীৱনৰে ভৰা এক বিশেষ সংস্কৃতিৰ অধিকাৰী আৰ ৰাজ্যখনৰ লোকনৃত্যও ইয়াৰ ব্যতিক্ৰম নহয়। কিছু মৰমলগা অসমীয়া চাহ একাপ ধৰি অসমৰ কিছুমান জনপ্ৰিয় লোকনৃত্যৰ মহিমাত মোহিত হ'বলৈ আপুনিও সাজু হব পাৰে

**১) বিহু নৃত্য ঃ** উত্তৰ-পূৰ্বৰ 'বিহু'ৰ আটাইতকৈ ধুনীয়া লোকনৃত্যৰ ৰূপটো পৰিৱেশন কৰা দেখিলেই অসমৰ ৰাইজে নৃত্য কৰা আৰু উৎসাহেৰে আঞ্চলিক নৱবৰ্ষ উদ্‌যাপন কৰা ৰঙালী বিহুত হাঁহিবলৈ আৰম্ভ নকৰাকৈ থাকিব নোৱাৰে যিটো নৃত্যৰ নাম লোৱা হৈছে। এই নৃত্যটোক বিশেষ কৰি তোলা কথাটো হ'ল প্ৰথমে ইয়াৰ সজীৱ গতি আৰু গঠন যিবোৰত শক্তিশালী হাতৰ গতি আৰু খোজ জড়িত হৈ থাকে। ইয়াৰ ৰঙীন আৰু উজ্জ্বল সাজ-পোছাকে নৃত্যক আৰু অধিক অসাধাৰণ কৰি তোলে। মূলত ঃ ৰেচমৰ পৰা তৈয়াৰী 'চাদৰ-মেখেলা' নামৰ সাজ-পোছাক পিন্ধি ছোৱালীকেই জনীক সঁচাকৈয়ে ধুনীয়া দেখা যায়, যিটোৰ বাবেও অসম বিখ্যাত। ল'ৰাবোৰৰ সাজ-পোছাকত ধুটি আৰু গামোচা, এক প্ৰকাৰৰ পাগুৰি থাকে। তেওঁলোকে বিভিন্ন বাদ্যযন্ত্ৰৰ সুৰত নৃত্য কৰে, মূলত ঃ 'ঢোল' আৰু 'পেঁপা', যিটো হৰ্ণপাইপ। ইয়াৰ উৎপত্তি নৰম শতিকাৰ পৰাই তেজপুৰ আৰু দৰং জিলাৰ পৰাই অনুসন্ধান কৰিব পাৰি। বিহুৰ বিষয়ে অলপ জনা কথা এটা হ'ল যে ই প্ৰথমে নৃত্য আছিল আৰু সেয়েহে ইয়াক আনন্দ আৰু প্ৰলোভনৰ প্ৰতীক হিচাপেও গণ্য কৰা হয়। বিহুৱে বিশ্ব পৰ্যায়ত এক প্ৰভাৱ সৃষ্টি কৰিবলৈ সক্ষম হৈছে যিটো আমি সকলোৱে গৌৰৱ কৰিব পাৰো।

**চ) ঝুমুৰ নৃত্য ঃ** অসমৰ আন এক বিশিষ্ট নৃত্য হৈছে ঝুমুৰ, যিটো চাহ

জনগোষ্ঠীৰ মাজত জনপ্ৰিয় যিয়ে দিনটোৰ কষ্টৰ অন্তত কৰ্মৰ পৰা আপাত স্বাধীনতাৰ উপলক্ষে নৃত্যৰ দ্বাৰা স্মৰণ কৰে। ই তেওঁলোকৰ কামৰ বিৰক্তিকৰ স্বভাৱৰ পৰা আঁতৰি আহিবলৈ সহায় কৰে। সেইবাবেই এই নৃত্য ৰূপটোক চাহ বাগানাৰ ঝুমুৰ নাচ বুলিও কোৱা হয়। শস্য চপোৱাৰ উৎসৱৰ লগতে অন্যান্য আনন্দময় উৎসৱৰ সময়তো ইয়াক বিশেষভাৱে পৰিৱেশন কৰা হয়। এই নৃত্যক ঝুমুৰ বুলি কোৱাৰ কাৰণ হ'ল নৃত্যশিল্পীসকলে ভৰিৰ গোৰোহাত পিন্ধা ঘন্টাবোৰে 'ঝুমুৰ' শব্দ কৰে। অনুষ্ঠান অনুসৰি ঝুমুৰ নৃত্যৰ বিভিন্ন ভিন্নতা থাকে। ইয়াক ভক্তিৰ আচাৰ-অনুষ্ঠান হিচাপে, প্ৰেমৰ নৃত্য হিচাপে বা দেৱতাক বৰষুণ দি জনসাধাৰণৰ সেৱা কৰিবলৈ আৰু পিছলৈ একে কামৰ বাবে ধন্যবাদ দিবলৈ অনুৰোধ হিচাপে চিত্ৰিত কৰা হ'ব পাৰে। সাধাৰণতে মুকলি ঠাইত ইয়াক দেখা যায়, দীঘলীয়া পৰম্পৰাগত সাজ-পোছাক পৰিহিত পুৰুষে মাণ্ডাৰ বজায় যিটো এক প্ৰকাৰৰ ঢোল, আনহাতে মহিলাসকলে ইজনে সিজনৰ কঁকালত হাত থৈ বিভিন্ন গতিবিধি ৰূপৰতীভাৱে সম্পন্ন কৰে। সঁচাকৈয়ে ই কেৱল দৈনন্দিন জীৱনৰ মহাকাব্যিক উচ্চ-নীচৰ এক সতেজ প্ৰতীক যিটো খুব কমেইহে দেখা যায়।

**৩) বাগুৰুম্বা নৃত্য ঃ** বাগুৰুম্বা নৃত্য অসমৰ বড়ো জনগোষ্ঠীয়ে বেছিভাগেই পৰিৱেশন কৰে। যেতিয়া আপুনি নৃত্যৰ সাক্ষী হয় আৰু নৃত্যশিল্পীসকলে নিষ্পাদন কৰা গঠনসমূহ লক্ষ্য কৰে, তেতিয়া তেওঁলোকে আপোনাক প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ কথা মনত পেলায় য'ত কিছুমানত চৰাই, জীৱ-জন্তু, বৈ যোৱা নদী ইত্যাদিৰ চিত্ৰ অংকণ কৰা হয়, আৰু ডিঙিত কাপোৰখনৰ সৃষ্টিশীল ব্যৱহাৰ (যি বড়ো সম্প্ৰদায়ৰ বাবে বিশেষ) নৃত্যৰ সময়ত লগে লগে আপোনাৰ মনটোৱে ডেউকা জোকাৰি থকা পখিলাৰ ছবিৰ সৈতে অনুৰণ ঘটায় যাৰ বাবে ইয়াক 'পখিলা' নৃত্য বুলিও কোৱা হয়। ইয়াক মূলতঃ বৰাছাগু মহোৎসৱত মহিলাসকলে পৰিৱেশন কৰে যিয়ে বিভিন্ন বাদ্যযন্ত্ৰ যেনে চেৰ্জা, জোটা, গংগৰা আদিৰ সুৰত নৃত্য কৰে। মহিলাসকলে নিজৰ পৰম্পৰাগত স্পন্দনশীল সাজ-পোছাক পৰিধান কৰে যিয়ে কাব্যিকভাৱে প্ৰকৃতিক প্ৰতিনিধিত্ব কৰে।

**৪) সত্ৰীয়া নৃত্য ঃ** এই নৃত্য ৰূপৰ বৰ্ণনা কৰোতে প্ৰথম দুটা শব্দ মনলৈ আহে মাৰ্জিত আৰু ৰূপৱৰ্তী। সত্ৰীয়া হৈছে আঠটা নীতিগত ভাৰতীয় ধ্ৰুপদী নৃত্যৰ ভিতৰত অন্যতম (ই ২০০০ চনত সংগীত নাটক একাডেমীয়ে উক্ত মৰ্যাদা লাভ কৰিছিল) আৰু ইয়াৰ উৎপত্তি বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে স্থাপন কৰা 'সত্ৰ' নামৰ মঠসমূহৰ পৰাই পোৱা যায় পঞ্চদশ আৰু ১৬ শতিকাৰ সময়ছোৱাত অসমত। নৃত্যশিল্পীসকলে বৰগীত নামৰ অসমীয়া সংগীতৰ সুৰত পৰিৱেশন কৰে। সত্ৰীয়াই পৌৰাণিক কাহিনী আৰু ইয়াৰ পৰা লাভ কৰা শিক্ষাসমূহ মূলত ঃ তিনিটা বিষয়ত চিত্ৰিত কৰিছে ঃ ৰামদনি, গুৰু বন্দনা, গীত অভিনয়। এই নৃত্যৰ ৰূপটোও বিশেষভাৱে থিয় দিছে সাজ-পোছাকৰ মোহনীয় ৰঙৰ মিশ্ৰণৰ বাবে যিটো অসমীয়া সংস্কৃতিৰ এক নিখুঁত প্ৰতিনিধিত্ব।

**৫) দেওধনী ঃ** দেওধনী অসমত জনপ্ৰিয় আন এক নৃত্য। সাধাৰণতে এজন ব্যক্ত বা তিনিৰ পৰা চাৰিজনীয়া মহিলাৰ দলে সাপ দেৱী মনসাক সন্মান জনাই ইয়াক পৰিৱেশন কৰে। ই এক শ্বেমান লোকনৃত্য। 'দেও' শব্দৰ অৰ্থ হ'ল দেৱতা আৰু 'ধনি' শব্দটোৱে শ্বেমানক আৱদ্ধ কৰা নাৰীক বুজায়। নৃত্যশিল্পীসকলে হাতত তৰোৱাল প্ৰপছ হিচাপে লৈ চুলি খোলা ৰাখি যুদ্ধ নৃত্য উপস্থাপন কৰে। নৃত্যশিল্পীগৰাকীয়ে এগৰাকী শক্তিশালী মহিলা, এগৰাকী যোদ্ধা যি অবিবাহিত আৰু দেৱী পদ্মৰ বিশ্বাসী চিত্ৰিত কৰিছে আৰু বেহুলাৰ কিংবদন্তি অনুসৰণ কৰি তেওঁৰ ভাগ্যৰ দায়িত্ব লয়।

**৬) আলী-আই লিগাং ঃ** আলী আই লিগাঙে অসমৰ অন্যতম সুখ্যাত নৃত্যৰ তালিকাত স্থান লাভ কৰিছে, বিশেষকৈ মিছিং জনগোষ্ঠীৰ লোকসকলৰ মাজত বিখ্যাত। সাধাৰণতে ইয়াৰ অৰ্থৰ প্ৰতিফলনৰ বাবে ইয়াক কৃষিৰ লগত জড়িত কৰা হয়। 'আলি' শব্দৰ অৰ্থ শিপা আৰু বীজ, 'আই' শব্দৰ অৰ্থ ফল আৰু শেষত, 'লিগাং' শব্দৰ অৰ্থ হৈছে বীজ সিঁচা। কৃষিৰ সৈতে নৃত্যটোৰ উক্ত সংযোগৰ বাবেই আমাৰ পৃথিৱী মাতৃক শলাগ ল'বলৈ আহু ধান খেতিৰ সময়ত ল'ৰা-ছোৱালী উভয়েই ইয়াক উৎসাহেৰে উদ্‌যাপন কৰে, তীব্ৰ গতিবিধিৰে পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰে।

চাহ আৰু ৰেচমৰ বাহিৰেও অসমত আৰু বহুত কিবাকিবি আছে আৰু ইয়াৰ লোকনৃত্যও তাৰ ভিতৰত অন্যতম। সঁচাকৈয়ে এটা নিমজ্জিত অভিজ্ঞতা যিটো মই ব্যক্তিগতভাৱে আপোনালোকক সাক্ষী হ'বলৈ পৰামৰ্শ দিম। অৱশ্যে ইহঁতৰ বিষয়ে অতি কম জ্ঞানেই মোক হতাশ কৰে কাৰণ তেওঁলোক আৱিস্কাৰ নোহোৱাকৈয়ে ৰখা এক ৰত্ন। কোনো শিল নোহোৱাকৈ নাৰাখোঁ। আহকচোন আমাৰ চহকী সংস্কৃতি আৰু ঐতিহ্যৰ সৌন্দৰ্য্য উপভোগ কৰো।■

# ৰাষ্ট্ৰসংঘ

**বিপাশা বি. শৰ্মা**
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

দ্বিতীয় মহাযুদ্ধ (ছেপ্টেম্বৰ, ১৯৩০- আগষ্ট, ১৯৪৫) সভ্য মানৱে ঐতিহাসিক কালত নিজেই সৃষ্টি কৰা এটা সৰ্বগ্ৰাসী বিশ্ব ধ্বংসকাৰী ঘটনা আছিল। এই মহাসমৰত বিশ্বৰ প্ৰায় সকলো দেশেই যোগ দিছিল বা যোগ দিব লগা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ আনবোৰ বিশেষত্ব আছিল- বিমানেৰে নেৰানেপেৰা বোমাবৰ্ষণ আৰু পৃথিৱীৰ প্ৰায় সকলো ঠাইৰ আকাশ বিপদসংকুল কৰি



তোলা, জাৰ্মানীয়ে বুৰ জাহাজৰ (U. Boat) দ্বাৰা পৃথিৱীৰ সকলো সমুদ্ৰতে জাহাজ চলাচল বিপজ্জনক কৰি তোলা। আমেৰিকা ১৯৮৫ চনৰ আগষ্ট মাহত জাপানৰ হিৰোছিমা আৰু নাগাছাকি মহানগৰীত পাৰমাণৱিক বোমা পেলোৱাত দ্বিতীয় বিশ্বযুদ্ধৰ অন্ত পৰিল। এই ছবছৰীয়া মহাযুদ্ধত কেনে বিভীষিকা হৈছিল তাক কিছু উপলব্ধি কৰিব পাৰি দুটা তথ্যৰ পৰা। তেতিয়াৰ বিশ্বৰ সৰ্ববৃহৎ ৰুছ সৈন্য বাহিনীৰ এক তৃতীয়াংশৰ কেৱল ১৯৪১ চনৰ ৰুছ পশ্চিম সীমান্তৰ যুদ্ধতে বিনাশ হৈছিল আৰু আনৱিক বোমা পেলোৱাৰ ফলত জাপানৰ জনবহুল নগৰ দুখন প্ৰায় সম্পূৰ্ণৰূপে ধ্বংস হৈছিল। দ্বিতীয় বিশ্বযুদ্ধত সামৰিক-অসামৰিক সকলো লোকৰেই ক্ষতি বা মৰণ হৈছিল। এই যুদ্ধই সকলো ৰাষ্ট্ৰৰে কোনো নহয় কোনো ক্ষেত্ৰত বিনাশ বা ধ্বংস সাধন কৰিছিল।

দ্বিতীয় মহাযুদ্ধৰ বাবে বিশ্বৰ মানৱে যি দুৰ্দশা-দুৰ্গতি ভুঞ্জিলে, ভৱিষ্যতে যাতে তেনে বিভীষিকাৰ সন্মুখীন হ'ব নালাগে সেই উদ্দেশ্যেৰেই ১৯৪৫ চনৰ ২৪ অক্টোবৰত আমেৰিকাৰ ছান্ফ্ৰা্ছিছকো মহানগৰীত আনুষ্ঠানিকৰূপে ৰাষ্ট্ৰসংঘৰ জন্ম হ'ল। অৱশ্যে ইয়াৰ আগৰে পৰাই তাৰ বাবে প্ৰস্তুতি চলি আছিল। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী চাৰ্চিল আৰু আমেৰিকাৰ প্ৰেছিডেন্ট ৰুছভেল্টৰ মাজত এই সম্পৰ্কে আটলান্টিক মহাসাগৰত এখন জাহাজত ১৯৪১ চনৰ আগষ্টত আলোচনা হৈছিল আৰু অন্তত তেওঁলোকে স্থায়ী বিশ্ব শান্তিৰ এটা পৰিকল্পনা ঘোষনা কৰিছিল- যি পৰিকল্পনাই পৃথিৱীৰ সকলো ঠাইৰ সকলো মানুহক ভয় আৰু অভাৱৰ পৰা মুক্ত জীৱন-যাপন কৰিবলৈ সহায় কৰিব পাৰে। এই ঘোষনাটি আট্লান্টিক চনদ (Atlantic Chartes) নামে বিখ্যাত। ইয়ে ৰাষ্ট্ৰসংঘ গঠনৰ প্ৰথম পদক্ষেপ। ৰাষ্ট্ৰসংঘৰ জন্মৰ দিনা ৫০ খন ৰাষ্ট্ৰই ইয়াৰ সংবিধানত (Charter of the United Nations) স্বাক্ষৰ কৰি এই মহান বিশ্বসংঘৰ সভ্য হয়। বৰ্তমান ইয়াৰ সভ্য

সংখ্যা ১৮৫।

ৰাষ্ট্ৰসংঘৰ মুখবন্ধৰ সাৰাংশ এনে ঃ "আমি বিশ্বৰ সন্মিলিত ৰাষ্ট্ৰসমূহে সংকল্প লৈছোঁ যে আমাৰ উত্তৰপুৰুষসকলে যেন আমাৰ দৰে যুদ্ধৰ বিভীষিকা আৰু যাতনা ভুঞ্জিব নালাগে; বিশ্বৰ নাগৰিকসকলৰ মানৱীয় অধিকাৰ আৰু সৰু-বৰ সকলো ৰাষ্ট্ৰৰে সমান অধিকাৰ ৰক্ষা পৰে; আন্তঃৰাষ্ট্ৰীয় সকলো আইনকে যেন মানি চলা হয়; সামাজিক উন্নতি আৰু পৃথিৱীৰ সকলো লোকৰে জীৱন-মানৰ প্ৰগতি যেন অক্ষুন্ন থাকে। এইসমূহ উদ্দেশ্য পূৰণ কৰিবলৈ আমি সকলো ৰাষ্ট্ৰই সন্মিলিতভাৱে কাৰ্য কৰিম। ভৱিষ্যতে শান্তি ৰক্ষা কৰিবলৈ আমাৰ ৰাষ্ট্ৰসমূহৰ শক্তি ৰাষ্ট্ৰসংঘৰ জৰিয়তে প্ৰয়োগ কৰিম আৰু কোনো ৰাষ্ট্ৰই আন কোনো ৰাষ্ট্ৰক সামৰিক আক্ৰমণ নকৰিম। সেনা আৰু অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰা শান্তি ৰক্ষা কৰিবৰ প্ৰয়োজন হ'লে তেনে কাৰ্য ৰাষ্ট্ৰসংঘৰ দ্বাৰা অনুমোদিত ৰূপতহে পৰিচালিত কৰা হ'ব।"

ৰাষ্ট্ৰসংঘৰ সংবিধানত স্বাক্ষৰ দিয়া ব্যক্তিসকলে নিজ নিজ চৰকাৰৰ পৰা কৰ্তৃত্ব লৈ ছান্‌ফ্ৰান্‌ছিছকোলৈ গৈছিল। পিছত তেওঁলোকৰ চৰকাৰে নিজৰ সংসদত এই চনদখন অনুমোদন কৰাই লৈছিল। নতুন ৰাষ্ট্ৰ সভ্য ভৰ্তি হোৱাৰ বেলিকাও এই পদ্ধতিকে মানিব লাগে।

পৃথিৱীৰ ক'তো যাতে যুদ্ধ নালাগে বা লাগিলে যাতে সম্প্ৰসাৰিত নহয়, এইটো নিশ্চিত কৰাটো ৰাষ্ট্ৰসংঘৰ এটাহে দায়িত্ব। ইয়াৰ উপৰি চনদত মানৱ জাতিৰ উন্নতিকল্পে ৰাষ্ট্ৰসংঘক আৰু বহু দায়িত্ব ন্যস্ত কৰা হৈছে। এনেবোৰ দায়িত্ব পালন কৰিবৰ বাবে চনদ্‌ত ৰাষ্ট্ৰসংঘত ছ টা অংশ (Organ) আৰু কিছুমান বিশেষ সংগঠন (Agency) সৃষ্টি কৰিবলৈ অধিকাৰ দিয়া হৈছে। সেইবোৰৰ চমু বিৱৰণ তলত দিয়া হ'ল-

১) সাধাৰণ পৰিষদ (General Assembly) ঃ- ই সকলো সদস্য ৰাষ্ট্ৰৰ দ্বাৰা গঠিত। প্ৰত্যেক দেশে অধিৱেশনলৈ একোটা প্ৰতিনিধি দল পঠায়- অৱশ্যে 'ভোট' এটাহে। অন্ততঃ দুমাহ আগতে পোৱা জাননীসমূহৰ ভিত্তিত মহাসচিবে অধিৱেশনৰ বাবে এখন কাৰ্যসূচী প্ৰস্তুত কৰে আৰু সেইমতে অধিৱেশন পৰিচালিত হয়- প্ৰায় আমাৰ লোকসভাৰ দৰে। কিছুমান বিশেষ ক্ষেত্ৰত, যেনে- মহাসচিব নিৰ্বাচন, বিশ্ববিদ্যালয়ৰ বাবে বিচাৰকৰ নিযুক্তি, নতুন সভ্যভৰ্ত্তি কৰা সভ্যসকলৰ বছৰেকীয়া বৰঙনিৰ নিৰিখ স্থিৰ কৰা ইত্যাদি বিষয়ত পোনতে নিৰাপত্তা পৰিষদৰ পৰাহে প্ৰস্তাৱ আহিব লাগে। সাধাৰণ পৰিষদ বছৰি এবাৰহে বহে- প্ৰতিবছৰে ছেপ্টেম্বৰ মাহৰ তৃতীয় মঙলবাৰৰ পৰা অন্ততঃ তিনিমাহলৈ কেতিয়াবা বিশেষ অধিৱেশনো আহ্বান কৰা হয়। প্ৰত্যেক বছৰে সাধাৰণ পৰিষদৰ নতুন সভাপতি নিৰ্বাচিত কৰা হয়; অষ্টম সাধাৰণ পৰিষদৰ সভাপতি আছিল ভাৰতৰ বিজয়লক্ষী পণ্ডিত।

২) নিৰাপত্তা পৰিষদৰ (Security Council)ঃ ৰাষ্ট্ৰসংঘৰ সৰ্বাধিক শক্তিশালী অংগ হ'ল নিৰাপত্তা পৰিষদ। ৫ খন ৰাষ্ট্ৰ এই পৰিষদৰ স্থায়ী সভ্যঃ আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া, ব্ৰিটেইন, ফ্ৰান্স আৰু চীন। নিৰাপত্তা পৰিষদৰ স্থায়ী সভ্যসকলৰ পৰিষদত গৃহীত প্ৰস্তাৱৰ ওপৰত 'প্ৰতিৰোধ ক্ষমতা' (Veto Power) আছে। বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰ একমাত্ৰ মহাপৰাক্ৰমী ৰাষ্ট্ৰ। ই ৰাষ্ট্ৰসংঘক সৰ্বোচ্চ বৰঙণি আৰু অন্যান্য সাহায্য দিয়ে। নিৰাপত্তা পৰিষদৰ স্থায়ী সভ্যসকলৰ 'প্ৰতিৰোধ ক্ষমতা' থকাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘক কেৱল তেওঁলোকৰ নিজৰ স্বাৰ্থতে ব্যৱহাৰ কৰিব পৰা নাই আৰু ই এতিয়াও বিশ্বৰ সমূহ ৰাষ্ট্ৰৰ হিতাৰ্থে পৰিচালিত হৈ আছে। নতুন মহাসচিবৰ প্ৰাথমিক নিৰ্বাচন নিৰাপত্তা পৰিষদে কৰে, সাধাৰণ পৰিষদে পিছত অনুমোদন কৰিব লাগে।

৩) আৰ্থিক আৰু সামাজিক পৰিষদ (Economic and Social Council) ঃ ৰাষ্ট্ৰসংঘৰ সভ্যসকলে বিশ্বাস কৰে যে যেতিয়ালৈকে বিশ্বৰ কোটি কোটি মানুহ দাৰিদ্ৰ্যত ভুগিব, মহামাৰীত মৃত্যুমুখত পৰে, স্বাস্থ্যসেৱী, শিক্ষা আৰু আৱাসগৃহৰ পৰা বঞ্চিত হৈ থাকে তেতিয়ালেকে বিশ্বত শান্তি স্থাপন হোৱা সম্ভৱ নহয়। দৰাচলতে দেশবোৰৰ মাজত আৰ্থিক আৰু সামাজিক অসময়তাই যুদ্ধৰ সূত্ৰপাত কৰে। আৰ্থিক আৰু সামাজিক পৰিষদে ৰাষ্ট্ৰসংঘৰ বিশেষ সংস্থাবোৰৰ জৰিয়তে অনগ্ৰসৰ দেশবোৰৰ লোকসকলৰ আৰ্থিক আৰু সামাজিক উন্নতিৰ বাবে শ শ বিশেষজ্ঞৰ সহায় লৈ অহৰহ নানাবিধ প্ৰকল্পত কাম কৰি আছে। এই বিশেষ সংস্থাবোৰৰ উল্লেখনীয় কেইটামান হ'ল- বিশ্ব কৃষি আৰু খাদ্য সংস্থা (F.A.O), বিশ্ব স্বাস্থ্য সংস্থা (W.H.O.), বিশ্ব শিশু নিধি (UNICEF); বিশ্ব শিক্ষা, বিজ্ঞান আৰু কৃষ্টি সংঘ (UNESCO); বিশ্ব ডাক সংস্থা (UPU); বিশ্ব টেলি সংস্থা, (ITU); বিশ্ব বেংক (World Bank)। এই সংস্থাবোৰৰ বাবেই পৃথিৱীত বসন্ত, কলেৰা, মেলেৰীয়া আদি মহামাৰী নিয়ন্ত্ৰণ কৰা সম্ভৱ হৈছে। পৃথিৱীত দুৰ্ভিক্ষ আৰু আকাল প্ৰায় নোহোৱা হৈছে, দেশ-বিদেশলৈ চিঠি, টেলিগ্ৰাম, টেলিফোনৰ যোগাযোগ সূচল হৈছে। বিশ্ববেংকে ৰাষ্ট্ৰসংঘৰ সদস্য বিকাশশীল ৰাষ্ট্ৰবোৰৰ অৰ্থব্যৱস্থা সূচল কৰাত বিশেষ ভূমিকা লৈছে। বিশ্ব বেংকে প্ৰায় সকলো বিকাশশীল দেশকে নাম মাত্ৰ সুদত উন্নতিমূলক প্ৰকল্প গ্ৰহণ কৰিবলৈ ঋণ দি আহিছে।

৪) আন্তৰ্জাতিক ন্যায়ালয় (International Court of Justice) ঃ ইয়াক বিশ্ব আদালতো বোলা হয়। কোনো দেশৰ লগত কিবা বিবাদ হ'লে এই আদালতত গোচৰ দিব পাৰে; কিন্তু দুই পক্ষই আদালতৰ ৰায় মানি ল'ব বুলি প্ৰথমতে লিখিত

প্ৰতিশ্ৰুতি দিব লাগে। এই আদালতত সাধাৰণ পৰিষদ আৰু নিৰাপত্তা পৰিষদে নিৰ্বাচিত কৰা পোন্ধৰজন বিচাৰক থাকে। কোনো দেশৰ পৰা দুজন বিচাৰকক নিযুক্তি দিয়া নহয়।

৫) মহাসচিব আৰু আমোলাবৃন্দ (U.N. Secretariat)ঃ মহাসচিব গৰাকী ৰাষ্ট্ৰসংঘৰ প্ৰধান কৰ্মকৰ্তা। তেওঁৰ দ্বাৰা পৰিচালিত হৈ হাজাৰ হাজাৰ আমোলা আৰু বিশেষজ্ঞই ৰাষ্ট্ৰসংঘৰ কৰ্মসূচী সম্পাদনা কৰে। বিশ্ব ভিত্তিত অৰ্হতা বিচাৰ কৰি এওঁলোকক নিযুক্তি দিয়া হয়। এই কৰ্মচাৰীসকল যিকোনো দেশৰে হ'ব পাৰে। কিন্তু তেওঁলোকে নিজৰ দেশৰ বাবে নহয়, ৰাষ্ট্ৰসংঘৰ সকলো দেশৰ বাবেহে কাম কৰে, নিযুক্তিৰ সময়ত তেওঁলোকে তেনেদৰে এখন প্ৰতিজ্ঞাপত্ৰত স্বাক্ষৰ কৰে। ব্ৰহ্মদেশৰ উ. থান্ট (U. Thant), ১৯৬১ চনৰ পৰা ১৯৬৬ চনলৈ মহাসচিব আছিল। বৰ্তমান সচিব প্ৰধান গৰাকী হ'ল- এন্টনিঅ' গুৰেটেৰেছ (Antorio Guterres)। ৰাষ্ট্ৰসংঘৰ সদৰ কাৰ্য্যালয় আৰু সচিবালয় নিউয়ৰ্ক মহানগৰীৰ ইষ্টৰিভাৰ নৈৰ পাৰত ১৮ একৰ মাটিৰ ওপৰত সজা হৈছে।

১৯৯৫ চনত ৰাষ্ট্ৰসংঘৰ ৫০ বছৰ পূৰ্ণ হ'ল; পৃথিৱীৰ সকলো ঠাইতে ইয়াৰ সোণালী জয়ন্তী পালন কৰা হৈছে। ৰাষ্ট্ৰসংঘই লোৱা অনগ্ৰসৰ দেশবোৰত সামাজিক আৰু আৰ্থিক ক্ষেত্ৰত বহু প্ৰশংসনীয় কাম কৰি আছে। ৰাজনৈতিক দিশত আৰু যুদ্ধ ৰোধ কৰা কাৰ্যটো ৰাষ্ট্ৰসংঘই উল্লেখনীয়ভাৱে সাফল্য লাভ কৰিছে। কেইটামান দৃষ্টান্ত হ'ল- ১৯৪৮ চনত ইহুদীসকলৰ বাবে গৃহভূমি ইজৰাইল ৰাষ্ট্ৰ সৃষ্টি কৰা, ১৯৪৯ চনত ইণ্ডোনেছিয়াক ওলন্দাজসকলৰ পৰা মুক্ত কৰি স্বাধীন ৰাষ্ট্ৰত পৰিণত কৰা, ১৯৬০ চনত ছুয়েজ খালৰ বাবে ইজিপ্ত আৰু ইজৰাইলৰ মাজত হোৱা যুদ্ধ বন্ধ কৰা, ১৯৬৫ চনত ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা ব্যাপক যুদ্ধ বন্ধ কৰা ইত্যাদি। ৰাষ্ট্ৰসংঘৰ শান্তিবাহিনীৰ বাবে ভাৰতেও নিজৰ সৈন্য পঠাই আছে; ৰাষ্ট্ৰসংঘৰ প্ৰতি ভাৰতৰ এনে সমৰ্থন সকলো ৰাষ্ট্ৰই প্ৰশংসাৰে উল্লেখ কৰে। নামিবিয়া ৰাজ্যক দক্ষিণ আফ্ৰিকাৰ অধীনৰ পৰা মুক্ত কৰা আৰু দক্ষিণ আফ্ৰিকাত বৰ্ণ বৈষম্যৰ অন্ত পেলোৱা- ৰাষ্ট্ৰসংঘই অৰ্থনৈতিক হেঁচাৰে বিবাদ মীমাংসা কৰাৰ দুটি উজ্বল দৃষ্টান্ত।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাক পৃথিৱীৰ জ্বলন্ত সমস্যাবোৰৰ সম্যকৰূপে আলোচনা হয়। ৰাষ্ট্ৰসংঘ স্থাপিত হোৱাৰ অৰ্ধশতাব্দী কাল পাৰ হৈ যোৱাৰ পিছতো বিশ্বৰ পৰা দৰিদ্ৰতা লুপ্ত হোৱা নাই। ১৯৯৭ চনৰ সাধাৰণ সভাত ২০১০ চনৰ ভিতৰত পৃথিৱীৰ পৰা দৰিদ্ৰতা লোপ কৰিবলৈ সংকল্প গ্ৰহণ কৰা হয়।

প্ৰথম মহাযুদ্ধৰ পিছত সৃষ্টি হোৱা 'জাতিসংঘ' (League of Nations) ই দ্বিতীয় মহাসমৰ বন্ধ কৰিব নোৱাৰিলে। তাৰ প্ৰধান কাৰণ হ'ল- জাতিসংঘই এটা তৰ্ক-বিতৰ্কৰ অনুষ্ঠানৰ দৰেহে কাম কৰিছিল নিজৰ সিদ্ধান্ত বলৱৎ কৰিবলৈ সামৰিক হস্তক্ষেপ কৰাৰ অধিকাৰ ইয়াৰ নাছিল। তদুপৰি আমেৰিকা আৰু কেইবাখনো পৰাক্ৰমী ৰাষ্ট্ৰ জাতিসংঘৰ সদস্য নাছিল। জাতিসংঘৰ এইবোৰ দোষ আঁতৰাই নতুন আশাৰে ৰাষ্ট্ৰসংঘৰ গঠন কৰা হৈছিল। যোৱা পঞ্চাশ বছৰৰো অধিক কালত কোনো সদস্য ৰাষ্ট্ৰই ইয়াৰ পৰা ওলাই আহিব খোজা নাই। ইয়াৰ পৰাই ৰাষ্ট্ৰসংঘৰ সাফল্য ভালকৈয়ে সাব্যস্ত হৈছে। ■



# অনুপ্ৰেৰণাৰ অন্য নাম বিৰাট কোহলী



**অলকেশ হালৈ**
পদাৰ্থ বিজ্ঞান বিভাগ


মানুহে সপোন দেখে। সেই সপোনক বাস্তৱ ৰূপ দিবলৈ প্ৰয়োজন অধ্যাৱসায়, সুস্থিৰ মানসিকতা, পৰিশ্ৰম ত্যাগ ইত্যাদিৰ। জীৱনত যি সকল ব্যক্তিয়ে উন্নতিৰ উচ্চ শিখৰত আৰোহণ কৰে তেওঁলোকৰ যদি আমি জীৱন পৰিক্ৰমাটো ভালদৰে অধ্যয়ন কৰো তেন্তে দেখিবলৈ পাওঁ যে বহুতো ধুমুহা কালৰাত্ৰিৰ সন্মুখীন হৈ কেৱল মাত্ৰ নিজৰ লক্ষ্যৰ প্ৰতি থকা তীব্ৰ হাবিয়াসৰ বলত তেওঁলোকে সেই শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হয়। সফল ব্যক্তি সকলে সকলোৰে দৰে একেই কামবোৰেই কৰে কিন্তু তেওঁলোকে আনতকৈ পৃথককৈ কৰে। তেনেই এগৰাকী ব্যক্তিয়েই হৈছে বিৰাট কোহলী।

ক্ৰিকেট জগতখনত বৰ্তমান তাৰকা ক্ৰিকেটাৰৰ অভাৱ নাই। বিশেষকৈ ভাৰতত ক্ৰিকেট খেলুৱৈৰ সংখ্যা দিনে দিনে মাত্ৰাধিক পৰিমাণে বৃদ্ধি হৈ গৈ আছে। সকলোৰে উদ্দেশ্যে এদিন ভাৰতক প্ৰতিনিধিত্ব কৰা। সেয়েহে যিসকল খেলুৱৈয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ পোৱাৰ পিছত নিজৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম নহয় তেওঁলোক অতি কম দিনৰ ভিতৰতে দলৰ পৰা বাহিৰ হ'বলগীয়া হয় কাৰণ প্ৰতিদিনে হাজাৰৰ ঘৰত প্ৰতিভাৱান খেলুৱৈ ওলাই আছে। বহুতো প্ৰতিভাৱান খেলুৱৈয়েও নিজৰ দুৰ্বল প্ৰদৰ্শনৰ বাবে দলত সুযোগ পোৱাৰ পিছতো অতি কম সময়ৰ ভিতৰত বাহিৰ হোৱা পৰিলক্ষিত হয়। কিন্তু যি গৰাকী নিজৰ কঠোৰ পৰিশ্ৰমৰ বলত সকলো বাধাকে আওকান কৰি নিজৰ লক্ষ্যপথত আগবাঢ়ি যায় ভৱিষ্যতে তেওঁ জিকি যায় আৰু এটা সময়ত কিং বদন্তি বুলি স্বীকৃতি প্ৰাপ্ত হয়। ২০০৮ চনত ভাৰতীয় দলত সুযোগ পোৱাৰ পিছত থমকি নোৰোৱাকৈ অবিৰতভাৱে বৰ্তমানলৈকে ভাৰতীয় দলত স্থান লাভ কৰিবলৈ সক্ষম হোৱা সেই খেলুৱৈ গৰাকীয়ে হৈছে আপোনাৰ মোৰ চিৰ পৰিচিত বিৰাট কোহলী। বিৰাট কোহলীৰ জন্ম ১৯৮৮ চনৰ ৫ নৱেম্বৰ তাৰিখে দিল্লীৰ উত্তম নগৰত হৈছিল। দেউতাক প্ৰেম কোহলী এগৰাকী উকীল আছিল আৰু মাতৃ সৰোজ কোহলী এগৰাকী গৃহিণী আছিল। বিৰাটে যেতিয়া তিনিবছৰীয়া আছিল তেতিয়াৰ পৰাই ক্ৰিকেট বাটেৰে যিকোনো মুহূৰ্তত নিজৰ দেউতাকক ক্ৰিকেট খেলিবলৈ বাধ্য কৰাইছিল। বিৰাট যেতিয়া অলপ ডাঙৰ হৈছিল তেতিয়া দিনভৰ নিজৰ গাওঁত ক্ৰিকেট খেলি থাকিছিল বহুতো মানুহে বিৰাটৰ বেটিং দেখি তেওঁৰ পিতৃ প্ৰেম কোহলীক কৈছিল যে আপোনাৰ ল'ৰাটোৰে ইমান ধুনীয়া ক্ৰিকেট খেলে আপুনি তাক ক্ৰিকেট একাডেমীত নামভৰ্ত্তি কৰাই দিয়ক। বিৰাটে বিশাল ভাৰতী পাব্লিক স্কুলত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। ৯ বছৰ বয়সত দেউতাকে বিৰাটক পশ্চিম দিল্লী ক্ৰিকেট একাডেমীত নামভৰ্ত্তি কৰাই দিছিল। প্ৰশিক্ষক ৰাজকুমাৰ শৰ্মাৰ তত্বাৱধানত বিৰাটে পেছাদাৰী ক্ৰিকেট খেলিবলৈ আৰম্ভ কৰে। অতি কম সময়তে বিৰাটে ক্ৰিকেটৰ শ্বট বিলাক সুন্দৰকৈ আয়ত্ত কৰিছিল। ২০০১ চনত ১৪ বছৰ অনুৰ্ধ্ব দিল্লী দলত বিৰাট নিৰ্বাচিত নহ'ল। বিৰাটৰ বহুত দুখ লাগিছিল। তাৰ পিছত আৰু অধিক মনোযোগ দি নিজৰ ক্লাব আৰু জিলা পৰ্যায়ত দেখুওৱা শ্ৰেষ্ঠ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি তাৰ পিছৰ বছৰ ১৫ বছৰ অনুৰ্ধ্ব দিল্লী দলত বিৰাট নিৰ্বাচিত হৈছিল। ২০০২-৩ বৰ্ষৰ পলি ওমৰিগাৰ ট্ৰফীত বিৰাটৰ প্ৰদৰ্শন আছিল চকুত লগা প্ৰতিযোগিতাখনৰ তেওঁ সৰ্বাধিক ৰাণ কৰা খেলুৱৈ আছিল ২০০৮ চনৰ ডিচেম্বৰ মাহত ১৭ বছৰ অনুৰ্ধ্ব দিল্লী দলত বিৰাট নিৰ্বাচিত হ'ল। বিজয় মাৰচেন্ট ট্ৰফী

২০০৩-৪ বৰ্ষত বিৰাটে ৪ খন খেলত দুটা শতকেৰে সৈতে গড়ে ১১৭.৫০ ৰাণেৰে ৪৭০ ৰাণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছৰ বৰ্ষত এই প্ৰতিযোগিতাখনৰ বিৰাটে সৰ্বাধিক ব্যক্তিগত ৰাণ কৰা খেলুৱৈৰ সন্মান লাভ কৰিছিল প্ৰতিযোগিতাখনৰ ৭ খন খেলত চটা শতকৰ সহায়েৰে বিৰাটে বেটেৰে সৈতে ৭৫৭ ৰাণ কৰিছিল। জিলা পৰ্যায়ত তথা ৰাজ্যিক পৰ্যায়ত দেখুওৱা প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি ২০০৬ চনত বিৰাট ১৯ বছৰ অনুৰ্দ্ধ ভাৰতীয় দলত অন্তৰ্ভুক্ত হৈছিল। ২৩ নৱেম্বৰ ২০০৬ চনত ১৮ বছৰ বয়সত বিৰাটে নিজৰ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অভিযেক ঘটায়। ৰঞ্জীৰ ট্ৰফীৰ অভিযেক খেলত তামিললাড়ুৰ বিৰুদ্ধে বিৰাটে মাত্ৰ ১০ ৰান কৰিবলৈহে সক্ষম হয়। ২০০৬ চনৰ ১৯ ডিচেম্বৰত বিৰাটৰ দেউতাকৰ মৃত্যু হয়। বিৰাটে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰাৰ সপোন দেখিছিল দেউতাকে। দেউতাকৰ মৃত্যুৰ দিনা বিৰাটৰ বেটিং চলি আছিল। এনেকুৱা শোকাকুল পৰিৱেশকো বুকুত বান্ধি লৈ বিৰাটে খেল পথাৰত নামিছিল কৰ্ণাটকৰ বিৰুদ্ধে সেই খেলখনত বিৰাটে ৯০ ৰাণৰ এটা বিস্ফোৰকত ইনিংছ খেলি আউট হোৱাৰ পিছত ঘৰলৈ আহি দেউতাকৰ সৎকাৰ কৰিছিল। এই ঘটনাটোৰ পিছৰ পৰা বিৰাট বহুত পৰিপক্ক হৈ উঠা বুলি তেওঁৰ মাতৃয়ে কৈছিল। ২০০৭ চনৰ ৩ এপ্ৰিল তাৰিখে বিৰাটে T২০ খেলত অভিযেক ঘটাইছিল। চৈয়দ মুস্তাক আলীট্ৰফীৰ সেই বৰ্ষত বিৰাট দিল্লীৰ সৰ্বাধিক ৰান কৰা খেলুৱৈ আছিল। ২০০৮ চনৰ ১৯ বছৰ অনুৰ্দ্ধ বিশ্বকাপৰ বিৰাট ভাৰতীয় দলৰ অধিনায়ক আছিল। নিজৰ অধিনায়কত্বৰ যোগেদি বিৰাটে ভাৰতক বিশ্বজয় কৰাবলৈ সক্ষম হৈছিল। আৰু প্ৰতিযোগতাখনত তৃতীয় সৰ্বাধিক ৰাণ কৰা খেলুৱৈ আছিল। IPL ৰ প্ৰথমটো সংস্কৰণতে RCB য়ে কোহলিক নিজৰ দলত অন্তৰ্ভুক্ত কৰিছিল। ২০০৮ চনৰ জুন মাহত ক্ৰিকেট অষ্টেলিয়া চেন্টা ফৰ্ড এক্সেলেন্সত প্ৰশিক্ষণ লোৱাৰ সুবিধা পাইছিল। সেই বৰ্ষতে ভাৰতীয় উদীয়মান ক্ৰিকেট দলত বিৰাট নিৰ্বাচিত হৈছিল। প্ৰতিযোগিতাৰ ৬ খন খেলত তেওঁ ৪১.২০ গড় ৰাণেৰে কৰিবলৈ সক্ষম হৈছিল। সৰ্বাধিক ৰাণ আছিল ১২০ ৰাণ নিউজিলেণ্ডৰ বিৰুদ্ধে ব্ৰিদবেন খেল পথাৰত। BCCI মুখ্য প্ৰশিক্ষক দিলীপ ভেংগচৰকাৰে বিৰাটৰ এই ইনিংচৰ প্ৰতি আকৰ্ষিত হৈ শ্ৰীলংকা ভ্ৰমণৰ বাবে ঘোষিত হোৱা ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰে তেতিয়ালৈ বিৰাটে মাত্ৰ ৮ খন প্ৰথম শ্ৰেণীৰ ক্ৰিকেট কৰিছিল। এনে এক পৰিপেক্ষিতত অতি কম সময়ত ভাৰতীয় দলত অন্তৰ্ভুক্ত হোৱাটো বিৰাটৰ বাবে এটা আচৰিত তথা জীৱনৰ সৰ্ব্বোচ্চ উপহাৰ আছিল। India team ৰ নিয়মীয়া opening যুটি Sachin আৰু Schwag আঘাত প্ৰাপ্ত আছিল। বিৰাটক দলৰ এজন openar হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। ১৮ August ২০০৮ চনত বিৰাটে শ্ৰী লংকাৰ বিৰুদ্ধে ODI ক্ৰিকেটত অভিযেক ঘটায়। সেইখন খেলত তেওঁ মাত্ৰ ১২ ৰানতে থমকি ৰয়। ৪ৰ্থ খেলত কোহলিয়ে তেওঁৰ প্ৰথমটো অৰ্ধশতকীয়া ইনিংছ খেলে। ২৪ December ২০০৯ চনত বিৰাটে জীৱনৰ প্ৰথমটো ODI শতক অৰ্জন কৰে। ইয়াৰ পৰাই আন্তৰ্ৰাষ্ট্ৰীয় ক্ৰিকেটক কোহলি যুগৰ আৰম্ভণি ঘটে। ২০১১ চনত বিৰাট কোহলিয়ে প্ৰথম গৰাকী ভাৰতীয় হিচাপে World cup ৰ অভিযেক খেলত শতক অৰ্জন কৰে। ২০১১ চনৰ ২০ জুনৰ দিনা বিৰাটে টেষ্ট ক্ৰিকেটত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অভিযেক ঘটায়। সেই চিৰিজটোত বিৰাটৰ প্ৰদৰ্শন নিৰাশাজনক আছিল। ইয়াৰ পিছত ভাৰতীয় দলৰ ইংলেণ্ড ভ্ৰমণ শৃংখলাটোৰ পৰা বিৰাটক দলৰ পৰা বাহিৰ কৰি দিয়া হয়। ২০১২ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা শ্ৰীলংকাৰ বিৰুদ্ধে ১৩৩ ৰানৰ এটা শতকীয় ইনিংছ খেলি সকলোকে আকৰ্ষিত কৰে। প্ৰাক্তন অষ্টেলিয়াৰ ক্ৰিকেটৰ ডেন জনস্য়ে এই ইনিংছটোক এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ইতিহাসৰ আটাইতকৈ প্ৰসংশনীয় ইনিংছ বুলি ঘোষণা কৰে। ২০১৪ চনত বিৰাটে জীৱনৰ বেয়া সময় অতিবাহিত কৰিবলগীয়া হৈছিল। ইংলেণ্ড ভ্ৰমণত বিৰাটৰ বহুত বেয়া প্ৰদৰ্শন আছিল। কিন্তু মহান ব্যক্তিয়ে ভূলক শুদ্ধলৈ পৰিৱৰ্তন কৰিব ভালদৰে জানে। বিৰাটে নিজৰ খেলৰ ধৰণ সলনি কৰিলে। তাৰ পিছতেই বিৰাটৰ জীৱনৰ গতি ধুমুহাৰ বেগৰ দৰে পৰিৱৰ্তন হ'ল। ২০১৪ চনৰ শেষ ভাগত টেষ্টৰ অধিনায়কৰ দায়িত্ব, ২০১৬ চনৰ আই পি এল চিজনত আটাইতকৈ অধিক ৰান সংগ্ৰহকাৰী খেলুৱৈ, ২০১৭ চনত লিমিটেড অভাৰ ক্ৰিকেটৰ অধিনায়কত্ব লাভ কৰিছিল। ২০২১ চনত বিৰাটে সকলো ফৰমেটৰ পৰা অধিনায়ক পদ ত্যাগ কৰে। বিৰাটে অধিনায়কত্বহে বাদ দিলে কিন্তু বেটিংৰ সেই ধাৰবাহিক বিস্ফোৰণ আজিও বৰ্তি আছে। বিৰাটৰ অভিলেখৰ কথা এখন চিনেমাৰ যোগেদিও কৈ শেষ কৰা অসম্ভৱ। বিৰাটৰ সৰু কালৰ প্ৰশিক্ষক ৰাজ কুমাৰ শৰ্মাই এনেদৰে কৈ যে বিৰাটে আজিলৈ এটাও প্ৰেক্টিজচেচন (Session) ত অনুপস্থিত নাই অথচ গধূলি হ'লে জোৰ কৰিহে ঘৰলৈ পঠাবলগীয়া হয়। এজন সচাঁ যোদ্ধা যদি আমি চাব বিচাৰো তেন্তে বিৰাটৰ বিকল্প আন হ'ব নোৱাৰে। বিৰাটে প্ৰত্যাহ্বান ভাল পায় যিটোৰ বিৰাটক অন্য খেলুৱৈ সকলৰ পৰা পৃথক কৰে। যদি আমি আমাৰ নিজৰ কৰিবলগীয়াখিনি ভালকৈ কৰো তেতিয়াহ'লে টকা, সফলতা আমালৈ নিজেই আহিব। আমাৰ লক্ষ্য মাথো নিজক উন্নত কৰাত হব লাগে।

বিৰাট কোহলীৰ পৰা আমি জীৱনৰ সংজ্ঞা কি সেই উপলব্ধি কৰি ভৱিষ্যত জীৱনত আগবাঢ়ি যোৱাত অনুপ্ৰেৰণা লোৱা উচিত।■



# বিহংগ

**অংশুমিতা দাস**
*দ্বিতীয় ষাণ্মাসিক, নলবাৰী কলেজ*

আমাৰ অসম ৰাজ্য নানান প্ৰাকৃতিক সম্পদেৰে চহকী। অজস্ৰ নদ-নদী, খাল-বিল, পৰ্বত-পাহাৰ, গছ-গছনি আৰু পশু-পক্ষী আমাৰ আপুৰুগীয়া সম্পদ। চিত্ৰ-বিচিত্ৰ, পোক-পতংগ, মাছ-কাছ, সাপ-বেং, চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৱে আমাৰ হাবি-বন, নদ-নদী, খাল-বিল শুৱনি কৰি থৈছে। ইয়াৰ ভিতৰত আমাৰ মন-প্ৰাণ হৰি নিয়া, চালে চকু ৰোৱা আটাইতকৈ আকৰ্ষণীয় প্ৰাণী হ'ল চৰাইবোৰ। প্ৰতিজাত চৰাইৰে ৰং বেলেগ আৰু ঠোঁট, ঠেং আদিৰ আকৃতিও বেলেগ। কোনোজাত ডাঙৰ, কোনোজাত সৰু। কোনোজাত পানীত চৰে, কোনো জাত বামত চৰে। কোনোজাত দিবাচৰ, কোনোজাত নিশাচৰ। কাৰোবাৰ খাদ্য শস্যৰ গুটি, কাৰোবাৰ ফল-মূল, কাৰোবাৰ পোক-পতংগ, কাৰোবাৰ মাছ-শামুক আৰু কাৰোবাৰ মাংস। প্ৰতিজাত চৰাইৰে চৰিত্ৰ বেলেগ আৰু জীৱন ধাৰনৰ প্ৰণালীও বেলেগ। কিছুমান জাতৰ চৰাই আমাৰ ইয়াত বাৰ মাহেও থাকে আৰু কিছুমান জাতৰ চৰাই আমাৰ দেশত ফুৰিবলৈ আহে। আমাৰ বাৰীয়ে-চোতালে পিংপিঙাই ফুৰা চৰায়ো অনেক আছে। কাউৰি, ঘৰচিৰিকা, শালিকা, চেক্‌চেকী, কপৌ, কেঁচু, দহিকতৰা, ভদৰকলি, খোপাবন্ধা আদি এনে জাতৰ বৰণীয়া টোঁৰাকাউৰিৰ ৰং ডাঠ ক'লা। টোঁৰাকাউৰি সাধাৰণতে হাবিতহে থাকে আৰু সেইকাৰণেই আমি সাধাৰণতে নেদেখোঁ। কাউৰিয়ে আমাৰ উপকাৰো কৰে। বাৰীয়ে-চোতালে পৰি থকা গেলা-পচা খাদ্য, মাছ-মাংস আদি কাউৰিয়ে খায়েই ঠাইবোৰ পৰিস্কাৰকৈ থয়। ফেঁচু, চেক্‌চেকী, দহিকতৰা, খোপাবন্ধা, ভদৰকলি আদি পতংগভোজী চৰাই। শস্য আৰু ফল-মূলত পৰা নানা ধৰণৰ কীট-পতংগ ইহঁতৰ খাদ্য। গতিকে এই চৰাইবিলাকৰ পৰাও আমাৰ উপকাৰেই হয়।

অপকাৰী পোক-পতংগসমূহ নিয়ন্ত্রন কৰি থাকিবলৈ আৰু অনেক জাতৰ চৰাই আছে। তাৰ ভিতৰত কাওচা, কেঁচুখাইটি, চেট্‌চেটী, এৰা চৰাই, কুকুহা, গৰলি, ডাউক, লৰিয়ালি, ডৰিক, কুকুৰা, উলুম'ৰা, সাৰেং, শ্যাম, বালিমাহী, বালি ঘোঁৰা, বালি খোচৰা, গৰু বগ, পানী বগ, তেলটুপী, পানীপিয়া, চাতক, বতাহী, পাখিখোৰা, ভীমৰাজ, কৃষ্ণ, বাঢ়ৈ টোকা, নাচনি, হাঁহিয়তী, সাতভনী আদি চৰায়েই প্ৰধান। তাৰ উপৰি চাকৈ-চকোৰা, ম'ৰা, ঘৰচিৰিকা, দলপুঙা, টোকোৰা, শালিকা আদি অনেক এনে চৰায়ো আছে, যি ঘাঁহ, বন, শস্যৰ গুটি আদি খোৱাৰ উপৰি নানা ধৰণৰ পোক-পতংগ খাই আমাৰ উপকাৰ সাধে। আনকি শেন, চিলনী, হুদু আদি মাংসভোজী চৰায়েও মাংস খাবলৈ নেপালে পোক-পতংগতে মুখ দিয়ে। এই চৰাইসমূহে পোক-পতংগ নিয়ন্ত্রণ কৰি নৰখা হ'লে এই পৃথিৱীত মানুহ থকাই সম্ভৱ নহ'লহেঁতেন।

আমাৰ ইয়াত থকা প্ৰতিজাত চৰাইৰ মাত বেলেগ উৰাৰ ধৰণ বেলেগ। কাৰোবাৰ মাত মিঠা, কাৰোবাৰ মাত হুটা। কুলি, কেতেকী, সখিয়তী আদিৰ মাতে আমাক সদায় আকৰ্ষণ কৰি আহিছে। আনহাতে কাউৰি, চেক্‌চেকী, শালিকা, কুকুৰা আদিৰ মাত কৰ্কশ, হুঁটা। ফেঁচা, হুদু আদিৰ মাতে আকৌ আমাৰ মনত ভয়ৰে সঞ্চাৰ কৰে। ঘৰচিৰিকা, শালিকা, টোকোৰা আদি চৰায়ে হুলস্থুল কৰিয়েই সময় কটায়। বহুত চৰাইৰ আকৌ মতাটোৱেহে সুৰ লগাই মাত মাতিব জানে, মাইকীজনীয়ে নাজানে আনন্দতেই হওক বা আন কিবা কাৰণতে হওক বহুতো চৰায়ে নাচি-বাগিও ভাল পায়। ঘৰচিৰিকা, শালিকা আদিৰ জাপ, দহিকতৰা, বালিমাহী আদিৰ নেজ জোকৰা স্বভৱ মতা ম'ৰা চৰাইৰ চালি ধৰা, কপৌৰ মূৰ দুপিওৱা অভ্যাস আদিক আমি নাচোনৰ একো একোটা ভংগী বুলিও ধৰিব পাৰোঁ। আমাৰ ইয়াত থকা চৰাইসমূহৰ মাজত কামৰো ভাগ বতৰা আছে। একোটা কামত একোজাত চৰাই ইমান পাকৈত যে ভাবিলে আচৰিত লাগে। সিহঁতৰ মাজত টোকোৰৰ দৰে ভাল জালুৱৈ আছে; মাছৰোকাৰ দৰে লক্ষভেদ কৰিব পৰা সৈন্য আছে; পানী কাউৰী, মনিয়ৰীৰ দৰে সাঁতোৰা প্ৰতিযোগী আছে; বৰটোকোলা, হাড়গিলা, শামুক ভঙাৰ দৰে পথাৰ শুৱনি চৰাই আছে; শেন, চিলনী, কুৰুৱাৰ দৰে দিন উকাইত আছে, গেলা-পচা বস্তু চাফা কৰি থ'বলৈ কাউৰি, শগুনৰ দৰে জমাদাৰ আছে; বাৰীৰ ফল-মূল চুৰ কৰি খাবলৈ ফেচুলুকা, ভাটৌ আছে; প্ৰহৰে প্ৰহৰে ডাক দি সকলোকে সজাগ কৰি দিবলৈ কুকুৰা আছে; ৰাতিপুৱাৰ আগজাননী দিবলৈ ফেঁচু আছে আৰু গুৰগুৰীয়া মেল পাতিবলৈ পাৰ চৰাই আছে।

পানীত থকা চৰায়ো আমাৰ ইয়াত অনেক আছে। পেলিকান ভ্ৰমনকাৰী চৰাই হ'লেও আমাৰ কাজিৰঙা আৰু মানাহ অভয়াৰণ্যত ইহঁতক বাৰমাহ দেখা যায়। ইহঁত বেছিভাগ সময় পানীতেই থাকে। ইহঁত সাতুৰি ফুৰোঁতে ঠোটটো পানীত সুমুৱায়েই মাছ ধৰি ফুৰে। গঙাচিলনী চৰাইজাতৰ মূৰত বাদামী ক'লা ৰঙৰ চুটি চুটি পাখি থাকে। ইহঁত প্ৰধান বৈশিষ্ট্য হ'ল-ইহঁতে তলৰ ঠোটটো পানীৰ তলত সুমুৱাই আৰু ওপৰৰ ঠোঁটটো পানীৰ ওপৰত থৈ পানীৰ ওপৰে ওপৰে উৰি উৰি গৈ থাকে। এনেকৈ যাওঁতে ঠোঁটৰ ভিতৰত মাছ সোমালেই খাই থয়। সাঁতোৰা আৰু বুৰমাৰোতা পানী কাউৰি পাকৈত। ইহঁতে গোটেই গাটো পানীৰ তলত ডুবাই লয়, কেৱল মূৰ আৰু ডিঙিটোহে পানীৰ ওপৰত ৰাখে। কেতিয়াবা আকৌ পানীৰ তলে তলেই মাছ বিচাৰি ঘূৰি ফুৰে। মনিয়ৰী চৰায়ো দেখাত পানী কাউৰীৰ নিচিনাই কেৱল অলপ দীঘলীয়া। ইহঁতৰ ডিঙিটো সানৰ দৰে দীঘল আৰু সেয়ে ডিঙিটো অঁকাই-পকাই পানীৰ মাজেদি গৈ থাকে। অসমত থকা মাছৰোকা চৰায়ো তিনিবিধ। মূৰত চিকনি থকা ক'লা-বগা মাছৰোকা, সৰু নীলা মাছৰোকা আৰু বগা বুকুৰ মাছৰোকা। পানীৰ কাষৰ গছ-গছনি, টেলিফোন বা বিদ্যুতৰ তাঁৰ, দেৱাল, খুঁটা আদি যতেই ওখ ঠাই পায়, তাতেই মাছৰোকাই চুপে-চাপে বহি মাছৰ গতিবিধি লক্ষ্য কৰি থাকে। কিছুমান আকৌ আকাশত উৰি উৰিয়েই মাছৰ গতিবিধি লক্ষ্য কৰে। ঠোঁটটো জোঙা কাৰণে মাছৰ গাত খুঁটিবলৈ আৰু শক্তিশালী কাৰণে চেপা মাৰি ধৰিবলৈ সুবিধা হয়।

বগলি বহুতো জাতৰ আছে। তাৰ ভিতৰত গৰু বগ আৰু পানী বগকে আমি সাধাৰণতে দেখোঁ। গোবগ বৰকৈ পানীত নানামে। ইহঁতে গৰু-ম'হৰ পিঠিত থকা চিকৰা আৰু ঘাঁহনিত থকা পোক-পতংগহে খায়। পানী বগ সাধাৰণতে পানীত চৰে। ইহঁতে পোক-পতংগৰ উপৰি সৰু-সুৰা মাছো খায়। খাল-বিলৰ কাষত মাছজুপি থকা চৰাই এজাতো আছে। ইহঁতেই হ'ল কনামুচৰি। ইটাগুৰীয়া আৰু কালি মুকিও কনামুচৰিৰ দৰে মাছ বিচৰা চৰাই। কালিমুকিৰ ৰং ক'লা। কনামুচৰিৰ দৰে মাছ বিচৰা চৰাই। কালিমুকিৰ ৰং ক'লা। কনামুচৰি অলপ ওখ ঠাইত থাকে, কিন্তু বাকী দুজাত আৰু জোপোহাৰ মাজতহে থাকে। পানীকাউৰিতকৈ অলপ ডাঙৰ দেখাত হাহঁৰ দৰে চৰাই এজাতো আছে। কলা বৰণীয়া এই চৰাই জাতৰ নাম দহিকলা। অসমৰ বিল, পুখুৰী আদিত ইহঁতক দেখা যায়। ইহঁতে পানীৰ তললৈ গৈ মাছ ধৰি খায়। চাকৈ-চাকোৱাও পানীত চৰা চৰাই। ইহঁতে দিনৰ দিনটো পানীত থকা ঘাঁহ, বন, শেলাই, পোক-পতংগ, লালুকী মাছ আদি খাই ফুৰে। গ্ৰীষ্মকালি কণী পৰাৰ আগে আগে ইহঁত পাহাৰৰ ওপৰলৈ যায়গৈ। মাছ খোৱা আন এজাক চৰাই হ'ল কুৰুৱা। ডাঙৰ ডাঙৰ নৈ আৰু বিলবিলাকত ইহঁতে মাছ ধৰি খায়। কুৰুৱাতকৈ সৰু মৌখাপ নামৰ চৰাই জাতৰ খাদ্যও মাছেই। দলম'ৰা বা হয়কলি নামৰ চৰাইজাত দলনি, মেটেকা

আদিৰ ওপৰতেই ঘুৰি ফুৰা দেখা যায়। খাৰ চেলেকা, দলপুঙা আদি চৰায়েও পানীত থকা ঘাঁহ-বন, পোক-পতংগ খায়েই জীয়াই থাকে। কাম চৰাই, কোঢ়া চৰাই আদিও পানীৰ কাষতেই থাকে। ঘিলা, বৰমুখী, মিকা, লৰালি, চীনা, কাকৈয়া, ধৃতৰাজ, দেওৰাজ আদি অনেক জাতৰ হাঁহ অসমৰ নৈ, বিল, জান, জুৰি আদিত চৰি ফুৰা দেখা যায়। ধৃতৰাজ আকাৰত আমাৰ সৰু ৰাজহাঁহ একোটাৰ সমানেই হ'ব। মটীয়া, মুগা আৰু বগা পাখিৰে গাটো ঢাক খাই থাকে। ইহঁত আমাৰ দেশৰ স্থায়ী বাসিন্দা নহয়। শীতকালিহে আমাৰ ইয়াত ফুৰিবলৈ আহে। গ্ৰীষ্মকালীনৰ আৰম্ভণিতে পুনৰ গুচি যায়গৈ। শীতকালি আমাৰ ইয়ালৈ অহা আন এজাত চৰাই হ'ল- দেওঁহাহ। ইহঁতৰ গাৰ বৰণ মুগা, পাখিৰ বৰণ কজলা আৰু তপিনাৰ ৰং ধূসৰ বৰণীয়া। বৰমুখী হাঁহ বাৰমাহ আমাৰ দেশতে থাকে। ইহঁত আকাৰত আমাৰ পাতিহাঁহ একোটাৰ সমান হ'ব। ইহঁতৰ গাৰ বৰণ মুগাবৰণীয়া, সেয়ে ঠায়ে ঠায়ে ডাঠ আৰু ঠায়ে ঠায়ে পাতল। ডেউকাৰ আগৰ পিনে থকা বগা, ক'লা আৰু সেউজীয়া ৰঙৰ সংমিশ্ৰনে চৰাইটোক ধুনীয়া কৰি তোলে। বৰ্তমান লুপ্ত হ'ব খোজা বগা ডেউকাৰ হাঁহবিধো কেৱল অসম আৰু অৰুনাচলতহে দেখা যায়। মেটেকা, দলনি আদিত জাক জাক শৰালি হাঁহো দেখিবলৈ পোৱা যায়।

বৰটোকোলা, শামুকভঙা আৰু হাড়গিলা-তিনিবিধ একে ধৰণৰ চৰাই। বহুতে আকৌ বৰটোকোলা আৰু হাড়গিলাক একোবিধ চৰাই বুলিয়েই ভাবে। পাছে, প্ৰকৃততে নহয়। তিনিও বিধেই বেলেগ বেলেগ প্ৰজাতিৰ চৰাই। বৰটোকোলা গাৰ ৰং ডাঠ নীলা, সেয়ে দূৰৈৰ পৰা ক'লা যেন দেখি। হাড়গিলা বৰটোকোলাতকৈ ডাঙৰ। ক'লা, মটীয়া আৰু বগা তিনিও বিধ ৰঙেই ইহঁতৰ গাত থাকে। শামুক ভঙাৰ গাৰ বৰণ মটীয়া, ডেউকাৰ পাখিবিলাক আগৰফালে ক'লা। বৰটোকোলাৰ ৰং ক'লা, হাড়গিলাৰ ঠোঁটৰ ৰং হালধীয়া। বৰটোকোলাৰ ঠোঁটটো তৰোৱাল এখনৰ দৰে জোঙা। হাড়গিলাৰ ঠোঁটো জোঙা, কিন্তু চাৰিসিৰীয়া। শামুক ভঙাৰ ঠোঁটটোৰ মাজতে এটা ফাঁক। থাকে এই ফাঁকটোত শামুকটো থৈ শামুক ভঙাই চেপা মাৰি ভাঙে।

পাকৈচোৰা চৰাইজাত আকাৰত শগুন একোটাৰ সমানেই। বগা, কলা, গুলপীয়া আৰু সেউজীয়া- এই চাৰিওবিধ ৰঙৰ সংমিশ্ৰনত চৰাইটো ইমান ধুনীয়া হৈ পৰে যে আমাৰ বহুতো শিল্পীৰ তুলিকাতো তেনে চিত্ৰ ফুটাই তোলা সহজ নহ'ব। মাহদল চৰাইৰ বৈশিষ্ঠ হ'ল- তাৰ ঠোঁটটো। ঠোঁটটো পাতি হাঁহৰ দৰেই চেপেটা, কিন্তু দীঘলীয়া আগটো হালধীয়া আৰু বাকী অংশ ক'লা। ঠোঁটৰ আগটো চামুচখনৰ দৰে বহল। তেলীয়া সাৰেং চৰাইজাত ওখ। আকাৰত একোটা ডাঙৰ শগুনৰ সমানেই হ'ব। মূৰটো ৰঙা, গাৰ বৰণ মটীয়া। ইহঁতো পানীত চৰা চৰাই। আমাৰ ইয়াৰ খাল, বিল, জলাহ, পিটনি আদিত ঘূৰি ফুৰা আৰু সততে দেখা আন এজাত চৰাই হ'ল ডাউক। ইহঁতে শত্ৰু দেখিলেই দৌৰি মাৰি ঘাঁহনি, বননিৰ মাজত সোমাই পৰে।

আমাৰ ইয়াত পোৱা কপৌ চৰাইৰ জাত পাঁচটা। হাৰুৱা কপৌ, মাটি কপৌ, কটীয়া কপৌ, শিল কপৌ আৰু বৰ কপৌ। এই আটাইকেউজাত কপৌৱেই ঘাইকৈ শস্যৰ গুটি খায়েই জীয়াই থাকে। ফেঁচা দুবিধ। লক্ষ্মী ফেঁচা আৰু কাল ফেঁচা। আনচু চেহেৰা আৰু ভয় লগা মাতটোৰ কাৰণেই সিহঁতক মানুহে চকু পাৰিও দেখিব নোৱাৰে। কিন্তু প্ৰকৃততে সিহঁত আমাৰ বন্ধুহে। দুয়োবিধ ফেঁচাই আমাৰ অপকাৰী পোক-পতংগ এন্দুৰ-নিগনি আদি খাই আমাৰ উপকাৰহে কৰে। হুদুৰো মাতটোহে ভয় লগা। ভাটৌ চৰাই চাৰিবিধ- ভোলা ভাটৌ, মদনা ভাটৌ, গলমনিকা আৰু লটকন ভাটৌ। অসমৰ হাবিয়ে বননিয়ে এই চাৰিওবিধ ভাটৌৱেই পোৱা যায়। পাখি খোৱা চৰায়ো তিনিবিধ- নীলা নেজৰ পাখি খোৱা, বাদামী মূৰৰ পাখি খোৱা আৰু সেউজীয়া পাখি খোৱা। হেটুলুক হেটুলুককৈ চিয়ঁৰি ফুৰা হেটুলুকা, সাত জনীকৈ চৰাই একেলগে ঘূৰি ফুৰা সাতভনী, দীঘল নেজৰ পাখি দুডালেৰে সৈতে ভীমৰাজ আৰু নানান ৰং বিৰঙৰ মৌপিয়া, টুনি আদি চৰায়েও আমাৰ প্ৰকৃতিৰ ভঁৰাল মৌ মৰাকৈ চহকী কৰি থৈছে। পাকৈচোৰা চৰাই একালত এই অঞ্চলত যথেষ্ট পৰিমানে আছিল যদিও এতিয়া প্ৰায় নোহোৱাৰ দৰে হৈছে।ধনেশ চৰাই প্ৰায় বিলুপ্তিৰ পথতে বুলি ক'ব পাৰি। কিছুমান চৰাইক ভালকৈ শিকালে-বুজালে দুই-এষাৰ মাতো মাতিবলৈ শিকে। এনেকৈ পোহা চৰাইৰ ভিতৰত পাহৰী মইনা, ভাটৌ আৰু চুতিয়া শালিকাই প্ৰধান। গোটেই বছৰ আমি ইয়াত দেখা সকলো চৰাই আমাৰ স্থায়ী বাসিন্দাৰ নহয়। বালিমাহী, বালি ঘোঁৰা,বালি খোঁচৰা, লৰিয়লি, ধৃতৰাজ, দেওৰাজ আদি অনেক জাতৰ চৰাই আমাৰ ইয়াত শীতকালৰ আলহীহে।

অসমৰ প্ৰতিখন হাবি, ইকৰালি বিৰিনানি, নৈ, বিল, জলাহ পিটনি একালত নানান জাতৰ চৰাইৰে ঠাহ খাই আছিল। জাক জাক বগলি, ভাটৌ আদি চৰায়ে অসমৰ আকাশ কঁপাই তুলিছিল। সুৰদী সুৰীয়া বহুতো চৰাইৰ গীত-মাতে আমাৰ মন হৰষিত কৰিছিল। সিহঁতৰ আচৰণ-বিচৰণে আমাক মুগ্ধ কৰি ৰাখিছিল। কিন্তু আজি সেই সকলোবিলাক চৰাই আমাৰ মাজত নাই। কিছুমান ইতিমধ্যে লুপ্ত হৈছে আৰু আন কিছুমান বিলুপ্তিৰ পথত। তৰ কাৰণেও দায়ী আমিয়েই। বিভিন্ন কাৰণত হাবি-বন ভাঙি শেষ কৰিছোঁ, নৈ-বিল প্ৰদূষিত কৰি তুলিছোঁ আৰু নানান উপায়েৰে পক্ষী নিধনৰ কামত ব্ৰতী হৈছোঁ। আমাৰ এই মানসিকতাৰ পৰিৱৰ্তন নহ'লে প্ৰকৃতিৰ বিনন্দীয়া সৃষ্টি সকলো চৰায়েই হয়তো এসময়ত শেষ হৈ যাব।■

# শিক্ষা বনাম মানৱতা

**জিন্তু কলিতা**
*উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ ( বিজ্ঞান বিভাগ)*

ন শিক্ষাৰ জোৱাৰত আজি উজলি উঠিছে বিশ্ব। নতুনত্বই শিকাইছে মানুহক নতুন কৌশল. নতুনত্ব আনি জগতক দিছে অভূতপূৰ্ব পৰিবৰ্তন, শিকাইছে জীৱন উপভোগৰ ক'ত নতুন সূত্ৰ, পাৰ কৰিছে জ্ঞানৰ দিগন্ত। বৃদ্ধি আৰু উপলদ্ধিৰ জৰিয়তে যদিও মানুহ সকলো জীৱন্ত প্ৰাণীতকৈ শ্ৰেষ্ঠতম তথাপি এই শ্ৰেষ্ঠত্বই যেন মানুহক সন্তুষ্ট কৰিব পৰা নাই। মানুহে জীৱন উপভোগৰ নামত মানৱতাক ধংস কৰিব লৈছে। শিক্ষাৰ উৰ্ত্তীৰ্ণৰ হাৰে চুলে প্ৰায় এশ শতাংশৰ সীমাৰেখা। কিন্তু শিক্ষাৰ পৰিধিৰ ইমান বৃদ্ধিৰ পিছতো মানৱতাৰ যেন বিকাশ হ'ব পৰা নাই; প্ৰতিদিনেই বাতৰিৰ প্ৰথম পৃষ্ঠাৰ খবৰ ভৰি থাকে হত্যা, লুণ্ঠন, ধৰ্ষণ, ভাতৃঘাটা সংঘৰ্ষ আদি বতৰাৰে। শিক্ষাৰে শিক্ষিত স্নাতক ডগ্ৰীধাৰী একোজন ছাত্ৰই জড়িত থাকে ডাইনী হত্যা, যৌতুকৰ বাবে অত্যাচাৰৰ দৰে একো একোটা কু-প্ৰথাৰ কাৰ্য্যত।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা তথা শিক্ষাৰ এনে জয়জয় ময়ময় অৱস্থাত একো একোটা অমানবীয় কাৰ্য্যই যেতিয়া সমাজ জীৱনক জোকাৰি যায়, তেতিয়া আমি সকলোৱে ভাবিব বাধ্য হওঁ, একবিংশ শতিকাৰ নাগৰিক হিচাপে আমি কিমানদূৰ বিজ্ঞানসন্মত মানসিকতাৰে আগবাঢ়িছো। সেয়ে গান্ধীজীয়ে কৈছিল - যিটো পৰিবৰ্তন আমি জগতত বিচাৰিছো, সেই পৰিবৰ্তন নিজৰ জীৱনত আনা। নিজে গছ কাটি অট্টালিকা বনাবা আৰু আনক পৰিৱেশৰ পাঠ পঢ়িবলৈ কবা, গছপুলি ৰোপন কৰাৰ বাবে উপদেশ দিবা এয়া বাৰু কেনে ধৰণৰ মানসিকতা?

পাঠ্যপুথিৰ বিদ্যাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বশ্ৰেষ্ঠ হোৱা ছাত্ৰজনে যদি নাজানে শিক্ষা গুৰুক কিদৰে সন্মান কৰিব লাগে, শ্ৰেণীত পৰিৱেশৰ পাঠ পঢ়াই যোৱা শিক্ষকজনেই যেতিয়ালৈ ফটকা ফুটাই আনন্দ উৎসৱ কৰে, তেতিয়ালৈ সেই কিতাপৰ শিক্ষা কেবল পৰীক্ষাত নম্বৰ লাভৰ উত্তৰ হৈয়ে থাকিব। বাস্তৱ জীৱনৰ ব্যৱহাৰিক জ্ঞান হৈ সেই নৈতিকতা অথবা পৰিৱেশৰ পাঠ প্ৰয়োগ নহব। বৰ্তমানৰ শিশুসকল হ'ল আমাৰ দেশৰ ভৱিষ্যতৰ নাগৰিক আৰু সেই নাগৰিকৰ গঢ় দিওঁতা হ'ল শিক্ষকসকল। এজন শিক্ষকৰ এটা কথাই শ্ৰেণীৰ চল্লিশ জন ছাত্ৰ-ছাত্ৰীৰ মন-মগজুত সোমাই যাই, শিক্ষকে প্ৰদান কৰা নতুন নতুন জ্ঞানেৰে ভৰিবলৈ লয় শিশুমনৰ উকা কাগজখন, সেয়ে শিক্ষক একোজনৰ আদৰ্শ, জ্ঞান আৰু অভ্যাসৰ ওপৰত নিৰ্ভৰ কৰে দেশৰ ভৱিষ্যত। ছাত্ৰ-ছাত্ৰীৰ মনত বিজ্ঞজনৰ প্ৰতি শ্ৰদ্ধা, দেশৰ প্ৰতি প্ৰেম, পৰিৱেশৰ প্ৰতি সজাগতা তথা সমাজৰ অন্ধবিশ্বাস, কু-প্ৰথা আৰু জাতিগত ভেদভাৰ আতৰোৱাত আগভাগ লব লাগিব শিক্ষকে, কাৰণ গুৰুজন ছাত্ৰ-ছাত্ৰীবোৰৰ বাবে একোজন আদৰ্শ ব্যক্তি, যত তেওঁ নিজেই জ্বলন্ত উদাহৰণ তথা আদৰ্শ হৈ থিয় দিব লাগিব। উচ্চ শিক্ষাৰে শিক্ষিত হৈ, উচ্চ-পদস্থ বিষয়ত চাকৰি কৰি বহুতেই সমাজৰ নাম কৰিছে, কিন্তু উদ্দেশ্য আছিল জানো কাৰোবাৰ সেই শিক্ষাৰে শিক্ষিত হৈ পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থোৱাৰ। মানুহেই মানৱতাক হত্যা কৰিছে, মানুহকে পুজাৰ বেদীৰ আগত বলি সজাইছে, মানুহৰ শান্তিৰ বাবেই জীৱ-হত্যা চলাইছে। আজিৰ উচ্চ শিক্ষাৰে শিক্ষিত সমাজত পোহৰ হোৱাৰ লগে লগেই নামে বিভিষিকা, মাতৃভগ্নী সম নাৰীক বনাই উপভোগৰ পুতলা। পৃথিৱীৰ আদিম নদীটো হ'ল নাৰী। যাক বনাও আমি ভোগৰ সামগ্ৰী। সেই নদীৰ বুকুত বান্ধ দি আমি সৃষ্টি কৰো পুৰুষত্বৰ উৎসৱ। যেতিয়া সেই বুকুত বান্ধ দি সৃষ্টি কৰো ধৰ্ষনৰ দৰে এক অপ্ৰত্যাশিত কাণ্ড, তেতিয়াই সেই নদীত সৃষ্টি হব ঘৰ্ষন। তেতিয়াই প্ৰশ্ন হয় জীৱ-শ্ৰেষ্ঠ মানৱৰ এয়া কেনে ধৰণৰ মানসিকতা?

আমি বিচাৰো ধৰ্ষন নিপাত যাওঁক, নাৰীবোৰ চৰাইৰ দৰে উৰক। কিন্তু কেতিয়া উৰিব চৰাইৰ দৰে, কেতিয়া গুচিব বোৰ্খাৰ দৰে কলা বস্ত্ৰ? কেতিয়া গুচিব প্ৰেমৰ সম্পৰ্কত ধৰ্মৰ প্ৰশ্নবোধক? কিহত ভুল আমাৰ? নিতৌচোন হাজাৰ স্কুল-বাছ চলি আছে চহৰত। প্ৰতিখন বিদ্যালয়, মহাবিদ্যালয়ৰ আগত থাকে আদৰ্শ নামৰ শব্দ। তাৰ পিছতো কিয় জন্ম হোৱা নাই মানুহৰ? কিয় নিপাত যোৱা নাই ধৰ্ষণ? কিয় বন্ধ হোৱা নাই বৃদ্ধাশ্ৰম?

আজিচোন সকলোতেই ব্যৱসায় কি শিক্ষা? কি আধ্যাত্মিক? ধৰ্মৰ নামত হত্যা অথবা লুণ্ঠন। শিক্ষাৰ নামত এক নাটক। পৃথিৱীৰ শক্তিশালী ব্যক্তিজন কোনো শক্তিশালী দেশৰ ৰাষ্ট্ৰপতি হব নালাগে, হ'ব লাগে আদৰ্শবান শিক্ষক, হ'ব লাগে গ্ৰেটা থুলবাৰ্গৰ দৰে ভৱিষ্যতৰ নদী, মাৰ দৰে আদিম নদী।


মানুহ জীৱ-শ্ৰেষ্ঠ বুলি মানুহেই কৈছে আন কোনেও কোৱা নাই। যদি নিৰ্জীৱ ঘড়ীটোৱে আমাক উত্তৰ দি শিকাব পাৰে; তেন্তে আমি কিয় সমাজক শুদ্ধ পথেৰে পৰিচালিত কৰি জীৱ-শ্ৰেষ্ঠৰ প্ৰমান দিব নোৱাৰো।

গতিকে প্ৰতিজনে প্ৰকৃত অৰ্থত উচ্চ শিক্ষিত হৈ ধংসৰ গ্ৰাসৰ পৰা সমাজখনক ৰক্ষা কৰো। এই সমাগত সময়ত প্ৰতিজনে সমস্বৰে সমাজৰ জয় গান গাওঁ। ■

# ভাৰতীয় ভাষাত ‘অনুবাদ’ শব্দ বিশ্লেষণ

**চুম্পী কলিতা**
*ইংৰাজী বিভাগ, ষষ্ঠ যাণ্মাসিক*

‘অনুবাদ’ সংস্কৃত ভাষাৰ শব্দ। অসমীয়াকে আদি কৰি আধুনিক ভাৰতীয় ভাষাবোৰত ই ব্যৱহাৰ হয়, বিশেষকৈ ভাষান্তৰীকৰণ অৰ্থত। সংস্কৃত ভাষাত এই শব্দটোৱে প্ৰকাশ কৰা বহু অৰ্থৰ ভিতৰত অৱশ্যে ভাষান্তৰীকৰণো অন্যতম। ইংৰাজী ‘Translation’ শব্দটোৰো অৰ্থ কেইবাটাও। তাৰ বিতৰত অনুবাদ কি? ভাষান্তৰীকৰণ (rendering into another language) আৰু পুৰণি বা পূৰ্বৱৰ্তী বিষয়বস্তুৰ ওপৰত কৰা নতুন সৃষ্টি (Process of working up new things from old materials) ইয়াত প্ৰয়োজন সাপেক্ষে এই দুই অৰ্থৰ উল্লেখ কৰা হ’ল। ‘অনুবাদ’ আৰু ‘Translation’এই দুই শব্দৰ অৰ্থৰ মিল যথেষ্ট। ভাৰতীয় ভাষাত বা আমাৰ ভাষাত অনুবাদ সাহিত্যই কেইটামান বিশেষ অৰ্থ বাদ দি পোনে পোনে যি অৰ্থ (ভাষান্তৰীকৰণ) বুজায়, তাৰ স্বৰূপটো ইংৰাজীৰ ‘Translation’ শব্দৰ অৰ্থৰ পৰা আহিছে বুলিব পাৰি।



অনুবাদৰ ধৰণ অনুসৰি ইয়াক প্ৰধান ভাৱে তিনিটা শ্ৰেণীত ভগাব পাৰি - অবিকল অনুবাদ বা আক্ষৰিক অনুবাদ, ভাৱানুবাদ বা ছায়ানুবাদ আৰু ব্যাখ্যাত্মক অনুবাদ। মূলৰ কোনোটো শব্দকে বাদ নিদিয়াকৈ যি অনুবাদ কৰা হয়, তাকেই বোলা হয় অবিকল বা আক্ষৰিক অনুবাদ। মূলৰ প্ৰতিটো শব্দৰ অনুবাদত গুৰুত্ব নাৰাখি তাৰ ভাৱটো ঠিকমতে প্ৰকাশ কৰাত গুৰুত্ব আৰোপ কৰি যি অনুবাদ কৰা হয়, সিয়েই ভাৱানুবাদ। অনুবাদ সুন্দৰ কৰি তোলাৰ কাৰণে এইবিধ অনুবাদত অনুবাদকে মূলৰ কথনভংগীৰ কিছু পৰিৱৰ্তন কৰিব পাৰে আৰু ইয়াৰ মাজত তেওঁৰ অনুভূতি অধিক পৰিমাণে সোমাই যায়। তৃতীয়বিধ অনুবাদৰ সৃষ্টি কাৰ্যত অনুবাদকে মূলৰ প্ৰাসংগিক টীকা ভাষ্যৰ আদৰ্শ আৰু অৱলম্বনত, নাইবা নিজৰ জ্ঞান-অভিজ্ঞতাৰ আধাৰত অৰ্থ সুস্পষ্ট কৰাৰ উদ্দেশ্যৰে মূল পাঠতকৈ অনুবাদ বহল কৰি তোলে। সেয়েহে অনুবাদৰ এনেকুৱা সৃষ্টিক বোলা হয় ব্যাখ্যাত্মক অনুবাদ।

অনুবাদ যি শ্ৰেণীৰেই নহওঁক, ইয়াৰ মাজেদি

মূলৰ ভাৱাৰ্থ অবিকৃতভাৱে প্ৰকাশ হ'ব লাগে - এয়ে অনুবাদৰ বিশেষ কথা। মূল ভাষাটো অৰ্থাৎ যি ভাষাৰ পৰা অনুবাদ কৰা হয়, সেই ভাষা নুবুজা পাঠকক সেই ভাষাত ৰচিত গ্ৰন্থবিশেষৰ বিষয়বোধ দিয়াটোৱেই অনুবাদৰ প্ৰধান উদ্দেশ্য। সেয়েহে অনুবাদৰ মাজত মূলৰ অৰ্থ ঠিকমতে প্ৰকাশ নহ'লে বা সি বিকৃত হ'লে, অনুবাদ সাৰ্থক নহয়। কিছুমান বিষয়ৰ বিশেষকৈ বিজ্ঞান, জ্যোতিষ আদি বিষয়ৰ গ্ৰন্থানুবাদ আক্ষৰিক হোৱাটো স্বাভাৱিক, কিয়নো শব্দাৰ্থৰ যথাৰ্থতা প্ৰকাশেই তেনে গ্ৰন্থৰ মূলবস্তু। অনুবাদকে নিজৰ অনুভূতিৰ বোল সানিব নলগা কাৰণে এইবিধ অনুবাদৰ সৃষ্টি কিন্তু সহজ। বিশেষকৈ যি গ্ৰন্থ আধ্যাত্মিক বা তাত্ত্বিক - ভাৱাপন্ন, তাৰ অনুবাদ কম-বেছি পৰিমাণে ব্যাখ্যাত্মক হোৱা স্বাভাৱিক। ৰচনাৰ অন্তৰ্নিৰ্হিত নিগূঢ়াৰ্থ পাঠকৰ আগত সুস্পষ্ট কৰাৰ উদ্দেশ্যে অনুবাদকে ইয়াত ব্যাখ্যাত্মক ৰীতি গ্ৰহণকৰিবলগীয়া হয়। সৃষ্টিমূলক সাহিত্যৰ, বিশেষকৈ অনুবাদৰ ক্ষেত্ৰত কবিতা আদিৰ অনুবাদ কাৰ্য কঠিন। কাৰণ তেনে ক্ষেত্ৰত, মূল লেখক বা কবিৰ ভাৱানুভূতিৰ লগত অনুবাদকৰ ভাৱানুভূতি এক পৰ্য্যায়ত উঠিব লাগে। অনুবাদকে কবিৰ ভাৱানুভূতিৰ লগত নিজৰ ভাৱানুভূতি পূৰ্ণৰূপে এক কৰি লোৱাটো সহজ নহয়। কবিতা আদিৰ সৃষ্টিমূলক সাহিত্যৰ অনুবাদ কাৰ্যত অনুবাদকে বহু সময়ত ভাৱানুবাদ পদ্ধতিৰ আশ্ৰয় লয়।

ভাষান্তৰীকৰণ প্ৰসংগত উক্ত তিনিটা শ্ৰেণীৰ উপৰিও আন এটা কথা উল্লেখ কৰিবলগীয়া। কেতিয়াবা কানি মূলৰ বিষয়বস্তু, চৰিত্ৰাৱলী আদি যথাসম্ভৱ ঠিক ৰাখি জীৱন আৰু সমাজৰ লগত খাপ খোৱাকৈ কোনো গ্ৰন্থৰ বা গ্ৰন্থৰ অংশবিশেষৰ ৰূপ দিয়া হয়। এনেকুৱা পৰিৱৰ্তিত ৰূপক (বিশেষকৈ এক ভাষাত ক'বলৈ গ'লে) ইংৰাজীত adaptation বোলে। আমাৰ ভাষাত ইয়াক অভিযোজন বোলা হয়। এই ধৰণৰ ৰূপায়নে জনসাধাৰনক বিশেষভাৱে আকৰ্ষিত কৰে। আমাৰ প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ কোনো কোনো কবিৰ অনুবাদৰ কোনো কোনো অংশকো এই পৰ্য্যায়ৰ ভিতৰত ধৰিব পাৰি।

অনুবাদ কাৰ্যও সৃষ্টিধৰ্মী যান্ত্ৰিক নহয়, একপ্ৰকাৰ ই আৰ্ট নিৰূপিত সত্য বা তথ্য (science) নহয়। সেয়েহে সাৰ্থক অনুবাদে মূলৰ অৰ্থ অবিকৃতভাৱে দাঙি ধৰাৰ লগতে তাৰ ৰীতি-কৌশল, ভাৱ-সৌষ্ঠৱ আদিৰ যোগেদি পাঠকৰ মন আনন্দিত কৰি তোলে। এই ধৰণৰ অনুবাদ সৃষ্টি অৱশ্যে কঠিন কাম। কিয়নো মূলৰ অৰ্থ অবিকৃতভাৱে ৰাখিবলৈ অনুবাদ আক্ষৰিক হোৱাৰ লগতে প্ৰকাশভংগীও স্বাভাৱিক হয়। এনেকুৱা ক্ষেত্ৰত অনুবাদ হয় বস্তুধৰ্মী, ই সৰস আৰু সুখপাঠ্য নহয়।

এই প্ৰসংগতেই এটা বিশেষ কথা এই যে, প্ৰাচীন গ্ৰন্থৰ মাজত যিবোৰ অপ্ৰচলিতশব্দৰ (archaism) প্ৰয়োগ থাকে, অনুবাদত সেইবোৰৰ যথাযথ প্ৰয়োগ হ'লে অনুবাদকৰ সমকালীন পাঠকৰ বাবে সেইবোৰ বুজাত অসুবিধা হয়। আনহাতে, অনুবাদ যদি মূলৰ প্ৰকাশৰীতি নিৰপেক্ষ হৈ মুক্ত হয় আৰু বিশেষকৈ শ্ৰুতিমধুৰতাক অনুসৰণ কৰি আগবাঢ়ে তেতিয়া হ'লে ইয়াৰ মাজত মূলৰ অৰ্থ বিকৃত হোৱাৰ সম্ভাৱনা বেছি। এই ক্ষেত্ৰতো অনুবাদ হয় অসাৰ্থক। অথচ সাৰ্থক অনুবাদৰ উদ্দেশ্যে এই যে মূল গ্ৰন্থ, যি অৰ্থ প্ৰতিপাদন কৰে আৰু যি পৰিমাণে পাঠকগোষ্ঠীক প্ৰভাৱিত কৰে, অনুবাদেও সেই পৰিমাণে অৰ্থ প্ৰতিপালন আৰু প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব লাগে। সৰল আৰু সুখপাঠ্য কৰাৰ উদ্দেশ্যে প্ৰয়োজন সাপেক্ষে অনুবাদকে লগতে যথা সম্ভৱ ইয়াৰ প্ৰকাশৰীতি অৱশ্যে পৰিৱৰ্ত্তন কৰিব পাৰে। Edward Fitzgerald কৃত ওমৰ খায়ামৰ ইংৰাজী অনুবাদ সাৰ্থক অনুবাদৰ অন্যতম। সেই অনুবাদৰ পৰা আমাৰ যতীন্দ্ৰ নাথ দুৱৰাই কৰা অনুবাদ 'ওমৰ তীৰ্থ' ও অৱশ্যে সেই পৰ্য্যায়ৰেই অন্তৰ্গত। সেয়েহে সাৰ্থক অনুবাদৰ সৃষ্টি সহজ নহয়।

সাৰ্থক অনুবাদ সৃষ্টিৰ কাৰণে অনুবাদকৰ যোগ্যতা থাকিব লাগে। মূল গ্ৰন্থৰ ভাষা আৰু অনুবাদকৰ ভাষা, এই দুয়োটা ভাষা সূক্ষ্মভাৱে অনুবাদকে জানিব লাগে। দুয়োটা ভাষাৰে সূক্ষ্মাৰ্থবোধ নাথাকিলে অনুবাদত মূলৰ ভাৱ (spirit) আৰু অৰ্থ ঠিকমতে প্ৰকাশ কৰা টান হয়। দ্বিতীয়তে, অনুবাদক হ'ব লাগে নিৰপেক্ষ আৰু উদাৰ, যাতে মূলৰ ভাৱাৰ্থ তেওঁৰ মনে সহজতে গ্ৰহণ কৰিব পাৰে। তৃতীয়তে, অনুবাদৰ যোগেদি স্বকীয় কোনো মতবাদ প্ৰতিষ্ঠাৰ ভাৱ অনুবাদকৰ থাকিব নালাগে। অন্যথাই, স্বাভাৱিকতে তেওঁৰ মতবাদ সাপেক্ষে ভাৱৰ কোনো মূলৰ অৰ্থ বিকৃত কৰিব পাৰে বা কৰে।

পৃথিৱীৰ বিভন্ন দেশ আৰু বিভিন্ন জাতিৰ সাহিত্য- সংস্কৃতি, জ্ঞান-সভ্যতা আদিৰ কথা জনাৰ স্পৃহা মানুহৰ অন্তৰত ৰৈ গৈছে। বিজ্ঞানৰ ক্ৰমবিকাশৰ ফলত আজিৰ দিনত এই স্পৃহা আৰু বাঢ়িছে। অনুবাদেই হৈছে এই স্পৃহা পূৰণৰ সহজ উপায়। সেয়েহে প্ৰাচীন কালৰে পৰা পৃথিৱীৰ সভ্য দেশবোৰত বিভিন্ন ভাষাৰ গ্ৰন্থবিশেষৰ অনুবাদ কাৰ্য চলি আছে। বৰ্তমান যুগত ইয়াৰ প্ৰয়োজনীয়তা সভ্য আৰু উন্নত দেশবোৰত আৰু অধিক পৰিমাণে স্বীকৃত হৈছে। অনুবাদ সাহিত্যৰ মূল্য যে কম নহয়, এইকথা শিক্ষিত সম্প্ৰদায়ে বুজি উঠিছে। আমাৰ দেশত প্ৰাদেশিক ভাষাবোৰ গঢ় লৈ উঠাৰ পাছৰে পৰা সেই ভাষাবোৰত ক্ৰমে অনুবাদ কাৰ্য আৰম্ভ হয়। অসমীয়া সাহিত্যৰ অনুবাদৰ ঐতিহ্য মন কৰিবলগীয়া। চতুৰ্দশ শতিকাতে মাধৱ কন্দলীয়ে সমগ্ৰ বাল্মীকি ৰামায়ণ অসমীয়া পদত অনুবাদ কৰি তাক সদৌ ভাৰতীয়

সাহিত্যৰেই কীৰ্তিস্তম্ভ কৰি ৰাখিছে। পঞ্চদশ-যোড়শ শতিকাত শংকৰদেৱ আদি কবিসকলৰ যোগেদি আমাৰ সাহিত্যত অনুবাদৰ প্ৰবল ঢৌ উঠিছিল আৰু সেই ঢৌবোৰে বিভিন্ন শাস্ত্ৰ সমুদ্ৰৰ অতল গৰ্ভৰ পৰা মনিমুক্তাবোৰ তুলি আনি জনসাধাৰণৰ দৃষ্টিগোচৰ কৰিছিল। অনুবাদৰ ঢৌ ক্ৰমে অধিক ব্যাপক আৰু প্ৰবলভাৱে চলি আহি সাম্প্ৰতিক যুগত ই বিশ্ব সাহিত্য মহাবিধিৰ গৰ্ভৰ পৰা নানাবিধ ৰত্ন আনি অসমীয়া পাঠকৰ দৃষ্টিগোচৰ কৰিয়েই আছে।

পঞ্চদশ শতিকাৰ শেষভাগৰ পৰা যোড়শ শতিকাৰ মধ্য ভাগলৈ, এই কালছোৱাত মহাপুৰুষ শংকৰদেৱে অসম ভূমিত বিষ্ণু ভক্তি প্ৰচাৰ কৰে আৰু তাৰ ফলস্বৰূপে লগতে এটা বিষ্ণু-ভক্তিকেন্দ্ৰীয় সম্প্ৰদায় সৃষ্টি কৰিবলৈ সক্ষম হয়। সেই উদ্দেশ্যে বৈষ্ণৱ শাস্ত্ৰ কিছুমানৰ কোনো কোনো কথা, বিশেষকৈ ভাগৱত পুৰানৰ অধিকাংশ কথা মহাপুৰুষজনাই অসমীয়া পদত অনুবাদ কৰে। স্থানীয় পৰিৱেশ সৃষ্টি, ভাষা আৰু প্ৰকাশভংগীৰ মনোহাৰিত্ব, নানাবিধ অলংকাৰ প্ৰয়োগ, মূল কথা প্ৰসংগৰ কোনো কোনো সুৰুঙাত মৌলিক সৃষ্টি আদিবোৰ তেওঁৰ অনুবাদৰ সৌন্দৰ্য্য বৃদ্ধিকাৰক উপাদান। সৌন্দৰ্য্য সৃষ্টিকাৰক প্ৰাসংগিক সৃষ্টিবোৰ দেখি সাধুজনে যাতে নিন্দা নকৰে, সেই সম্বন্ধে কবিয়ে নিজেই কৈ গৈছে -

“যিবা কিছু বঢ়া দেখা ইটো অপৰাধ এৰা
ব্যাসো দেন্ত কথাত ৰঞ্জন।
আনো মহা কবিয়ে কাব্যৰস নিবন্ধয়
তাক নিন্দে কোন সাধুজন।।” ■

# অসমৰ লোকনাট্য- পৰম্পৰাগত ওজাপালি

**পৰিনীতা কলিতা**
*স্নাতকোত্তৰ প্ৰথম বৰ্ষ*

ওজাপালি অসমৰ এক অৰ্ধনাটকীয় পৰিৱেশ্য কলা। সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহকৰূপে ওজাপালি প্ৰাচীন কালৰে পৰাই অসমত জনপ্ৰিয় কলা হিচাপে প্ৰচলিত হৈ আহিছে।

ওজাপালি কি?

হাতে মুদ্ৰা



মুখে পদ

ময়ুৰ সদৃশ নাচ।

ওজাপালিৰ আন এটা নাম পাঞ্চালি। এই শব্দটো মূলতঃ সংস্কৃত পাঞ্চালিক বা পাঞ্চালিকাৰ পৰা আহিছে। পূৰ্বতে ইয়াৰ অৰ্থ আছিল নাচৰ পুতলা। কিয়নো আদিতে এই গীতবোৰ পুতলা নাচৰ লগত গোৱা হৈছিল।

তথ্য অনুযায়ী সময়ৰ লগে লগে এই পুতলা নাচৰ পাঞ্চালি আৰু ওজাপালি দুটা ভিন্ন অনুষ্ঠানত পৰিণত হ'ল। পুৰনিকালতে অসমৰ কামৰূপ জিলা, দৰং জিলা আৰু গোৱালপাৰা জিলাত কিছুমান সুৰ্কীয়া কলা কৃষ্টিৰ আৰিৰ্ভাৱ হ'ল বা প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিলে। ইয়াৰ ভিতৰত ওজাপালি অন্যতম। ইয়াত ব্যৱহৃত সুৰ, তাল, লয়, নৃত্য, ৰাগ তথা কাহিনীভাগে সকলো শ্ৰেণীৰ লোককে অভিভূত কৰি তোলে। সাধাৰণতে এজন ওজা আৰু পাঁচজন পালিয়ে এই অনুষ্ঠান পৰিৱেশন কৰে যদিও ঠাই বিশেষে ইয়াৰ ভিন্নতা দেখা যায়।

ওজাপালিৰ উদ্ভৱ আৰু বিকাশ ঃ মাগধী শৈলীৰ চৰিত্ৰৰ লগত ভালেখিনি খাপখোৱা ওজাপালি অনুষ্ঠান ভাৰতীয় মাৰ্গীয় সংগীত পৰম্পৰাৰ পৰা জন্ম হোৱা বুলি ধৰা হয়। এই কথাখিনিৰ যথাৰ্থতা প্ৰতিপন্ন কৰিব পাৰি ড° কপিলা বাৎসায়নৰ মন্তব্য এটিৰ দ্বাৰা -

"The dances of oja bear many resemblances to the classical dances. of India. the accompanying music is also close to the classical ragas." অৰ্থাৎ, ভাৰতীয় শাস্ত্ৰীয়নৃত্যৰ লগত ওজাৰ নৃত্যৰ অনেক সাদৃশ্য দেখা যায় আৰু নৃত্যৰ লগত জড়িত সংগীতো শাস্ত্ৰীয় ৰাগৰ নিকটৱৰ্তী। তদুপৰি ওজাপালি অনুষ্ঠানৰ জন্মৰ সৈতে দৈবিক মতবাদ (Myth) সংপৃক্ত হৈ আছে। আৰু এই দৈবিক মতবাদ অনুসৰি ওজাপালি সংগীতৰ উদ্ভৱ হৈছে দেৱতাসকলৰ অনুগ্ৰহত। অৰ্থাৎ পঞ্চ পাণ্ডৱৰ তৃতীয় পাণ্ডৱ অৰ্জুনে দেৱতাৰ শত্ৰুসকলক ৰনত পৰাজয় কৰাৰ পিছত অৰ্জুনৰ সন্মানৰ অৰ্থে দেৱতাসকলে উৰ্বশীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰাইছিল। নৃত্য প্ৰদৰ্শন কৰি থকা অৱস্থাতে উৰ্বশী অৰ্জুনৰ প্ৰেমত পৰে। নৃত্যৰ অন্তত তেওঁৰ অৰ্জুনৰ প্ৰতি উদয় হোৱা প্ৰেমৰ সম্ভেদ ইন্দ্ৰক দিয়ে আৰু ইন্দ্ৰই লগে লগেই অৰ্জুনক উৰ্বশীক বিয়া কৰোৱাৰ প্ৰস্তাৱ আগবঢ়ায়। কিন্তু অৰ্জুনে সেই প্ৰস্তাৱ গ্ৰহণ নকৰে। ফলশ্ৰুতিত ক্ৰোধান্বিতা উৰ্বশীয়ে অৰ্জুনক এবছৰৰ বাবে নপুংসক হ'বলৈ অভিসাপ দিয়ে। অৰ্জুনে মৰ্ত্যভূমিত বৃহন্নলাৰূপে বিৰাট পুত্ৰী উত্তৰাক গান্ধৰ্ব বিদ্যাৰ শিক্ষা দিয়ে। এই গান্ধৰ্ব বিদ্যাই হৈছে ওজাপালি বিদ্যা। এনেদৰেই পৃথিৱীত ওজাপালি পৰম্পৰাৰ আৰম্ভণি হয়। তদুপৰি দৰঙৰ ব্যাস সংগীতৰ ধাৰক আৰু বাহকসকলৰ মতে ওজাপালি বিদ্যাৰ শিক্ষা লাভ কৰে 'পাৰিজাতী' নামৰ এগৰাকী মহিলাই সপোনত। সপোনত লাভ কৰা বিদ্যা তেওঁ শিষ্যসকলক শিকায় আৰু এই শিষ্যসকল ব্যাস বুলি পৰিচিত। তেওঁলোকে পাৰিজাৰ্তী ব্যাসিৰ্নীৰ পৰা লাভ কৰা এই বিদ্যাই হৈছে বিয়াহৰ ওজাপালি বা ব্যাস ওজাপালি।

ওজাপালি অনুষ্ঠানৰ বিভিন্নৰূপ ঃ বিষয়বস্তু, অৰ্থাৎ গীত-পদৰ কথাবস্তুৰ ফালৰ পৰা এই অনুষ্ঠানক সামগ্ৰিকভাৱে দুটা ভাগত ভাগ কৰিব পাৰি। ভাগ দুটা ক্ৰমে ঃ মহাকাব্য আশ্ৰয়ী ওজাপালি মহাকাব্য অনাশ্ৰয়ী ওজাপালি।

মহাকাব্য আশ্ৰয়ী ওজাপালি ঃ যি ওজাপালিয়ে সাধাৰণতে ৰামায়ণ মহাভাৰত, পুৰাণ আদিৰ বিষয়বস্তু সম্বলিত গীত-পদ আবৃত্তি কৰে; সেই ওজাপালিক মহাকাব্য আশ্ৰয়ী ওজাপালি আখ্যা দিব পাৰি। বিযুওকথা বা কৃষ্ণ কথাৰ গীতপদসমূহক কলাত্মকৰূপত পৰিৱেশন কৰাই এই ওজাপালিৰ মুখ্য উদ্দেশ্য। মহাকাব্য আশ্ৰয়ী ওজাপালিক সাতোটা উপশ্ৰেণীত বিভক্ত কৰা হৈছে। সেই উপশ্ৰেণী কেইটা এনে ধৰণৰ ঃ

১) ব্যাস ওজাপালি

২) ৰামায়ন গোৱা ওজাপালি

৩) ভাউৰা বা ভাইৰা ওজাপালি

৪) দুৰ্গাবৰী ওজাপালি

৫) সত্ৰীয়া ওজাপালি

৬) পাঞ্চালী ওজাপালি

৭) দুলড়ী ওজাপালি

মহাকাব্য অনাশ্ৰয়ী ওজাপালি ঃ যি ওজাপালিয়ে সাধাৰণতে ৰামায়ন, মহাভাৰত, পুৰান আদিৰ বিষয়বস্তু সম্বলিত গীত-পদ আবৃত্তি নকৰে, সেই ওজাপালিক মহাকাব্য অনাশ্ৰয়ী আখ্যা দিব পাৰি. বিশেষকাব্য যি ওজাপালিয়ে মনসা বা পদ্ম বা বৰমানী পূজাৰ লগত সংপৃক্ত গীত পদ আবৃত্তি কৰে, সেই ওজাপালিক সামগ্ৰীকভাৱে মহাকাব্য অনাশ্ৰয়ী ওজাপালি বুলি কোৱা হয়। মহাকাব্য অনাশ্ৰয়ী ওজাপালি পাঁচোটা উপশ্ৰেণীত বিভক্ত কৰিব পাৰি। সেই উপশ্ৰেণীকেইটা এনে ধৰণৰ ঃ

১) সুকনান্নী ওজাপালি

২) বিষহী গীত গোৱা ওজাপালি

৩) মাৰে পূজাৰ গীত

৪) পদ্মা পূৰাণৰ গান

৫) তুকুৰীয়া ওজাপালি

**মহাকাব্য আশ্ৰয়ী ওজাপালি ঃ**

ব্যাস ওজাপালি ঃ ওজাপালি পদটো দুটা পদৰ সমষ্টি। ওজা আৰু পালি। ওজা শব্দটো আহিছে সংস্কৃত শব্দ উপধ্যায়ৰ পৰা আৰু পালিৰ অৰ্থ হৈছে সহায়কাৰী। গীত-পদ আদি আবৃত্তি

কৰোতে ওজাক যিসকলে সহায় কৰে, তেওঁলোককেই পালি বুলি কোৱা হয়।

পালিক আকৌ তিনিভাগত ভাগ কৰা হৈছে ঃ

১) দাইনাপালি, ২) গোৰপালি, ৩) আগপালি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেও ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ওজাপালিৰ সহায় লৈছিল আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পূৰ্বৰ পৰাই ওজাপালি অনুষ্ঠানৰ প্ৰচলন আছিল. তদুপৰি ওজাপালি অনুষ্ঠানটো সুৰ্কীয়া গীত পদ, নৃত্য, আৰু বাদ্যৰে প্ৰচলন আছে। ওজাপালি সংগীত পঞ্চ অংগযুক্ত। সেই পঞ্চ অংগকেইটা ক্ৰমে?

১) আলাপ, ২) গুৰুবন্দনা, ৩) বিষ্ণুপদ, ৪) সংগীতালাপ

৫) ঝুনা বা পুৰেলিগীত।

১) আলাপ ঃ সাংকেতিক অক্ষৰৰ সহায়ত আলাপ কৰা হয়। সেই সাংকেতিক অক্ষৰকেইটা হৈছে - হা-তা-না-ৰি-তা

এই অক্ষৰকেইটাৰ অৰ্থ হৈছে -

হা-ৰ অৰ্থ গণপতি
তা-ৰ অৰ্থ সদাশিৱ
না-ৰ অৰ্থ মহামায়া
ৰি-ৰ অৰ্থ কৃষ্ণ আৰু
তা ৰ অৰ্থ গন্ধৰ্ব

২) গুৰুবন্দনা ঃ গুৰুৰ কৃপাত আৰু গুৰুৰ আশিসত আয়ত্ব কৰা সংগীত বিদ্যাই হৈছে গুৰুবন্দনা। সেইবাবে ওজাপালিত গীত-পদ, নৃত্য আৰম্ভ কৰাৰ পূৰ্বে গুৰুৰ বন্দনা কৰা হয়। বিশেষভাৱে গুৰু বন্দনাত গুৰুস্থান লাভ কৰি আহিছে - বিষ্ণু, শিৱ আদি দেৱতাই। গুৰু কালত সিন্ধুৰ বা ৰামগিৰি বা গুঞ্জৰী বন্দনাৰ শুভাৰম্ভ হয় এটি শ্লোকেৰে- শ্ৰী কৃষ্ণায় সুদেৱায় দৈৱকী নন্দনায় চ। নন্দ গোপ কুমাৰায় গোবিন্দায় নামো নমঃ ।।

৩) বিষ্ণুপদ ঃ বিষ্ণুপদটো বিশেষভাৱে নৃত্যপ্ৰধান। এই স্তৰত গোৱা গীত পদৰ নাম বিষ্ণু পদ। বিষ্ণপদৰ এটি অংশবিশেষ তলত উল্লেখ কৰা হ'ল -

বোলা মুখে ৰাম নাৰায়ণ।
হৃদয়ে চিন্তা অৰুন চৰণ।।

৪) সংগীতালাপ ঃ সংগীতালাপক চাবৰবানা বা গানকাৰ ৰাগ আদি নামেৰেও জনা যায়। গীত পদৰ ক্ৰম অনুযায়ী সংগীতালাপক পাঁচোটা ভাগত ভাগ কৰা হৈছে। ভাগকেইটা ক্ৰমে - মালিতা, ৰাগ, বানা, দিহা, পদ বা ঘোষা।

৫) ঝুনা আৰু পুৰেলি গীত ঃ ব্যাস ওজাপালিৰ শেষ স্তৰটো হৈছে ঝুনা বা পুৰেলি গীত। ঝুনা আৰু পুৰেলি গীতবোৰ পাতল ধৰণৰ, শৃংগাৰ ৰসৰ প্ৰাধান্য এই গীতবোৰৰ এটি অন্যতম বিশেষত্ব। ঝুনা গীতৰ এটি স্তৱক তলত উল্লেখ কৰা হ'ল -

হাকুল বিয়াকুল কৰি কান্দে ৰাধা বিৰহিনী আজি প্ৰাণ নাসিল যদুমণি। বাসুদেৱ বা নাৰায়ন বা কৃষ্ণ ৰামৰ স্তুতিৰে ব্যাস ওজাপালি সংগীতৰ সামৰণি মৰা হয়।

মহাবাক্য অনাশ্ৰৰ্য্যী ঃ

সুকনানি ওজাপালি ঃ

সুকনানি বা সুকনামী ওজাপালি বোলাৰ কাৰণ হৈছে 'সুকনানি' পদটো সুকবি নাৰায়নদেৱ নিগদতি বাক্যটোৰ চমুৰূপ।

যেনে ঃ

সু - সু
ক- কবি
না- নাৰায়নদেৱ
নি- নিগদতি
সু - ক - না - নি

কামৰূপ অঞ্চলত 'সুকনানি' পদটো সুকনান্নী বা সুতনামীৰূপে উচ্চাৰণ কৰা হয়।।

মনসা পূজাৰ সৈতে জড়িত গীত - পদ, নৃত্য আদিক একেলগে মনসা সংগীত আখ্যা দিব পাৰি। বিশেষকৈ সুকবি নাৰায়ণদেৱে ৰচনা কৰা পদ্মপুৰাণৰ বা নাৰায়ণদেৱে ৰচনা কৰা পদ্মপুৰাণৰ বা নাৰায়নদেৱৰ নামত মৌখিক ৰূপত চলি অহা মনসা বিষয়ক গীত - পদ যিয়ে গায় সেই ওজাপালিকহে সুকনানি ওজাপালি বুলি কোৱা হৈছে।

সেয়েহে ওজাইও গায় - সুকবি নাৰায়ণদেৱৰ যোড়শো পাঁচালি বেউলাৰ ক্ৰন্দনে গায় একেই লাছাৰি।

বিষহৰী ওজাপালি ঃ 'বিষহৰী - গান' বা গীত গোৱা ওজাপালিৰ মুখ্য গায়কজনক 'ওজা' নোবোলে 'গীতাল' বা 'পাঠক' বোলে। গীতালবা পাঠক পদটোৱে গায়ক বা ওজাক সূচায়। বিষহৰী গান বা গীত গোৱা ওজাপালিৰ ওজা আৰু পালিৰ গায়নশৈলী সুকনানি ওজাপালিকলৈ বেলেগ হয়।

নগা ওজাপালি ঃ 'ব্যাস ওজাপালি' আৰু 'সত্ৰীয়া ওজাপালি'ৰ সংমিশ্ৰণৰ পৰিনতিত নগা ওজাপালিৰ জন্ম। নগাওঁ জিলাৰ বিশেষকৈ ৰণথলী, বঢ়মপুৰ, কলিয়াবৰ আদি অঞ্চলত প্ৰচলিত ওজাপালি ৰূপক নগএগ্রা ওজাপালি ' নৃত্য আখ্যা দিয়া হৈছে। এই কথাও প্ৰণিধানযোগ্য যে নগা ওজাপালিক অসমৰ প্ৰাচীন পৰিৱেশ্য কলা ওজাপালিৰ অন্তৰ্গত এটা স্বৰ্কীয় বা সুকীয়া ৰূপ দিয়া টান। তদুপৰি নগা ওজাপালি নত্যৰ সংযুক্তি, গীতৰ বিষয়বস্তু, প্ৰসংগ, বাদ্যযন্ত্ৰ ওজা আৰু পালিৰ অলংকাৰৰ সৈতে ব্যাস ওজাপালিৰ সাদৃশ্য স্পষ্ট।

ওজাপালিৰ পৰিৱেশনশৈলী, পোচাক- পৰিচ্ছদ/পদ-মুদ্ৰা ইত্যাদিঃ

পৰিৱেশন শৈলী ঃ নৃত্য-গীতৰ দ্বাৰা ওজাই দিহা, ৰাগ,

আদি লগাই দিয়ে আৰু পালিসকলে সহযোগ কৰে। দাইনাপালি, গোৰপালি আৰু আগপালিৰ দ্বাৰা ওজাই পৰিৱেশন কৰা গীতবোৰ কথিত গদ্যত ৰসালভাৱে অথবা অভিনয় ভংগীত দৰ্শকক বুজাই দিয়ে। মুখ্যতঃ ধৰ্মীয় দিশৰ সৈতে সংপৃক্ত হোৱা বাবে ওজা-পালিকসকলে শুভ্ৰ পোছাক পিন্ধে। ওজাই জামাৰ মূৰত বিশেষধৰণৰ টুপী অথবা পাগ মাৰে।

পোচাক - পৰিচ্ছদ/পদ - মুদ্ৰা ইত্যাদি ঃ ওজাপালি অনুষ্ঠানৰ এটি লক্ষনীয় দিশ হ'ল পোচাক-পৰিচ্ছদ। সুকনানি ওজাপালিত ওজাই বগা ধুতি, গাত বগা চেলেং চাদৰ আৰু কপালত বগা চন্দনৰ ফোঁট লয়। ওজাজনৰ পাগুৰিটো দেখাত সাধাৰণ যেন লাগিলেও ই ডিম্বাকৃতিৰ হয় আৰু সমুখৰ ফালটো এটা টেমুনাৰ দৰে হয়। কিন্তু ৰামায়ণ গোৱা ওজাৰ সাজ পাৰ কিছু পৃথক হয়। ৰামায়ণ গোৱা ওজাই সুকনানি ওজাৰ দৰে সাপকন চোলা পিন্ধে যদিও কপালত দীঘল ৰঙা-হালধীয়া বৰণৰ গামোচা বান্ধে। এনে ওজাই ভৰিত নুপুৰ, হাতত ৰূপৰ গামখাৰু আৰু কপালত চন্দনৰ ফোট লয়। আনহাতে এই দুয়োবিধ ওজাপালিতে পালিৰ পাগুৰিটোৰ ধৰণ একেই হয়। দেখাত সাধাৰণ যেন লাগিলেও এই পাগুৰিটোৰ সমুখভাগ ময়ুৰ চৰাইৰ পাখি সদৃশ হয়। ইয়াৰ বৰণ বগা হয় আৰু কাপোৰত দহটা ভাঁজ দি ইয়াক ময়ুৰপাখিৰ দৰে কৰি লোৱা হয়। সভা গোৱা ওজাই আখ্যানৰ লগত ৰিজাই কিছুমান খুহুতীয়া কথাৰ মাজেৰে বৰ্ণনা দি দৰ্শকক হাঁহিৰ খোৰাক যোগায় আৰু সেইদৰেই নৃত্যটোক আমোদজনক কৰি তোলে। সভা গোৱা ওজাই খুটিতাল বজায়। কিন্তু সুকনানি ওজাপালিত পালিয়ে এখন মণ্ডিৰা বজায়। নৃত্য-গীতৰ দ্বাৰা ওজাই প্ৰথমে স্বস্তি মুদ্ৰা আৰু তাৰ পাছত সংহাৰী মুদ্ৰাৰে অনুষ্ঠান আৰম্ভ কৰে। তাৰ পাছত দেৱ-দেৱীৰ বন্দনা কৰা হয় আৰু শেষত আহে গীত পদসমূহৰ সুৰ সঞ্চাৰিত পৰিৱেশন। এই পদ গোৱা সময়ত ওজাই প্ৰথমে দিহা ৰাগ আদি লগাই দিয়ে আৰু পালিসকলে লগত সহযোগ কৰে। দাইনাপালি আৰু অন্যপালিৰ দ্বাৰা ওজাই পৰিৱেশন কৰা গীতবোৰ কথিত গদ্যত ৰসালভাৱে অথবা অভিনয় ভংগীত দৰ্শকক বুজাই দিয়ে।



প্ৰাচীন ভাৰতৰ চৌষষ্ঠি কলাৰ ভিতৰত বিশেষকৈ সাহিত্য, সংগীত আৰু নৃত্যকলাৰ এক সমন্বয় হ'ল ওজাপালি। প্ৰাকশংকৰী যুগৰো বহুকাল আগতেই প্ৰচলিত আছিল ওজাপালি। ইয়াক ধৰ্মীয় অনুষ্ঠান হিচাপে গন্য কৰিলেও ই অসমীয়া জাতিৰ এটা অতি আপুৰুগীয়া আৰু প্ৰধান কলা হিচাপে গন্য কৰা হৈছিল। এই কলাক জীয়াই ৰাখিবৰ বাবে কেৱল অসমীয়া লোকেই অহোপুৰুষাৰ্থ কৰিছিল তেনে নহয়। এই লোকনাট্যনুস্থানৰ লগত আন জনগোষ্ঠীৰ লোকসকলো সমানে জড়িত আছিল।

১৯৭৪ চনত অসম চৰকাৰৰ জনসংযোগ বিভাগৰ সঞ্চালক লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা আৰু আনন্দমোহন ভাগৱতীৰ সহযোগত ওজাপালিয়ে ৰাষ্ট্ৰীয় নৃত্য হিচাপে স্বীকৃতি পায়। কিন্তু এই ওজাপালি নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আজিকোপতি কোনোধৰণৰ বিশেষ উদ্যোগ লোৱা পৰিলক্ষিত হোৱা দেখা নাই। সেয়ে সময় থাকোতেই আমি ওজাপালিৰ ক্ষেত্ৰত উচিত পদক্ষেপ নল'লে এটা সময়ত আন লোক নাট্যনুস্থানসমূহৰ দৰেই ওজাপালিও হেৰাই যাব সেয়া ধুৰূপ।■



# পৰ্যটন আৰু অসম

**দীপজ্যোতি তালুকদাৰ**
*চতুৰ্থ যাণ্মাসিক, নলবাৰী মহাবিদ্যালয়*

'পৰ্যটন'ৰ অৰ্থ হ'ল ভ্ৰমণ। ভগৱানৰ বিনন্দীয়া সৃষ্টি বিশ্বৰ বিভিন্ন প্ৰান্তত অনেক মনোৰম আৰু আকৰ্ষণীয় ঠাই আছে। ভ্ৰমণৰ যোগেদি এইবোৰ ঠাই দৰ্শন কৰি মানুহে আনন্দ উপভোগ কৰে। জ্ঞানপিপাসু আৰু অনুসন্ধিৎসু লোকে সেইবোৰ চাই মানসিক, আধ্যাত্মিক আদি বিভিন্ন দিশৰ উৎকৰ্ষ সাধন কৰিব পাৰে, নতুন তথ্য উদ্‌ঘাটন, বিভিন্ন কলা-সংস্কৃতি তথা ধৰ্মীয় ব্যৱস্থাৰ ক্ষেত্ৰতো জ্ঞান আহৰণ কৰিবলৈ সুযোগ পায়। লগতে নানাজনৰ সংমিশ্ৰণত ভাবৰ আদান-প্ৰদান হয় আৰু ফলস্বৰূপে ভাতৃত্বৰ প্ৰেম গঢ়ি উঠে।

প্ৰাচীন কালত অনেক অনুসন্ধিৎসু লোকে অশেষ কষ্ট স্বীকাৰ কৰি দেশ-বিদেশ ভ্ৰমণ কৰিছিল। সাত সাগৰ তেৰ নদী পাৰ হৈ দুঃসাহসিকতাৰে আগবাঢ়িছিল তেওঁলোকৰ গন্তব্য স্থানলৈ। যাতায়ত ব্যৱস্থা বুলিবলৈ তেতিয়া একোৱেই নাছিল। সাধাৰণতে জলপথেই আছিল তেওঁলোকৰ ভৰসা। অনেক সময়ত গভীৰ হাবি-বননি, শিলাময় পাহাৰ অতিক্ৰম কৰিবলগীয়া হৈছিল। বিশ্বৰ ইতিহাসৰ পাত মেলিলেই তাৰ প্ৰমাণ পোৱা যায়। ভাৰতবৰ্ষলৈ প্ৰাচীন কালত বহুতো বিদেশী পৰ্যটকৰ (পৰিব্ৰাজক) আগমন ঘটিছিল। উদাহৰণস্বৰূপে

চীনা পৰিব্ৰাজক ফাহিয়ান আৰু হিউৱেনচাঙৰ কথা উনুকিয়াব পাৰি। তেওঁলোকে আমাৰ দেশৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ লগতে বহুতো কথা লিপিবদ্ধ কৰি গৈছে। ভৌগলিক তথ্যকে ধৰি তেতিয়াৰ ৰাজনীতি, সমাজনীতি, ধৰ্মীয় ব্যৱস্থা, অৰ্থনীতিৰে ভৰপুৰ সেই বিৱৰণীসমূহে ভাৰতীয় ইতিহাসৰ ভঁৰাল চহকী কৰিছে।

সাম্প্ৰতিক কালত পৰ্যটন বিষয়টোক বিশ্বৰ সকলো দেশেই-অগ্ৰাধিকাৰ দি তাৰ বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। পৰ্যটনৰ যথাযথ উন্নতিৰ অৰ্থে ইয়াক উদ্যোগ হিচাপে গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত ইউৰোপীয় দেশসমূহ অধিক আগবাঢ়িছে। দেশী-বিদেশী সকলো পৰ্যটককে আকৰ্ষণ কৰিবলৈ ন ন আঁচনি গ্ৰহণ কৰিছে। পৰ্যটকৰ সা-সুবিধাৰ বাবে বাছকবনীয়া আকৰ্ষণীয় ঠাই নিৰ্ধাৰণ কৰি পৰিকল্পিতভাৱে যাতায়তৰ উন্নতি সাধন, থকা-খোৱাৰ সু-বন্দৱস্ত কৰিছে। ইয়াৰ জৰিয়তে চৰকাৰ অৰ্থনৈতিকভাৱে লাভৱান হৈছে। ৰাজহো বাঢ়িছে। উচ্চমানৰ হোটেল, ৰেস্তোৰাঁ, পৰিবহন ব্যৱস্থা আদিৰ চৰকাৰ তথা ব্যৱসায়ীয়ে আয়ৰ পৰিমাণ বঢ়াইছে। নিয়োগৰ ক্ষেত্ৰতো বহু লোক উপকৃত হৈছে। বিভিন্ন বিভাগৰ কাম-কাজ চলাবৰ বাবে লাখ লাখ মানুহে নিযুক্তি পাইছে। চৰকাৰে বিদেশী মুদ্ৰা অৰ্জন কৰিব পাৰিছে। লগতে সামাজিক উন্নয়নৰ পথো মুকলি হৈছে।

আঠখন ৰাজ্যক সামৰি লোৱা ভাৰতৰ উত্তৰ পূৰ্বাঞ্চল প্ৰকৃতিৰ ৰম্যস্থানেৰে সমাকীৰ্ণ নানা ধৰণৰ বন্যপ্ৰাণী, জলাশয়, নদ-নদী, পাহাৰ-ভৈয়ামেৰে সমৃদ্ধ এই অঞ্চলটি পৰ্যটনৰ বাবে অতি মনোৰম ঠাই। ইয়াৰ অন্যতম ৰাজ্য অসমত ১৯৫৮ চনত পৰ্যটন উদ্যোগ স্থাপন কৰা হয়। বিগত সময়ছোৱাত বহুতো ঠাই পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা বিশ্বৰ ঐতিহ্যপূৰ্ণ সত্ৰীয়া সংস্কৃতিৰ স্থানৰূপে স্বীকৃত একমাত্ৰ নদীদ্বীপ মাজুলীয়ে ইতিমধ্যে অনেক পৰ্যটকক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। ১৯০৮ চনত ব্ৰিটিছ চৰকাৰে কাজিৰঙা বনাঞ্চলক সংৰক্ষিত অঞ্চল বুলি ঘোষণা কৰে আৰু ভাৰত চৰকাৰে ১৯৮৯ চনত ইয়াক ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি দিয়ে। ইয়াৰ মাটিকালি ৪.২৫ বৰ্গ কিলোমিটাৰ।

নানা ধৰণৰ বন্যপ্ৰাণীৰ বসতিস্থল কাজিৰঙা। ইয়াৰ এশিঙীয়া (খৰ্গ) গঁড় পৃথিৱী বিখ্যাত। বৰ্তমান এই গড়ৰ সংখ্যা এহাজাৰতকৈয়ো অধিক। গঁড়ৰ উপৰি বাঘ, হাতী, ম'হ, গাহৰি, বিভিন্ন জাতৰ হৰিণা আদি ইয়াত আছে। বাৰেবৰণীয়া চৰাই-চিৰিকটি, মাছ-কাছেৰে ভৰপুৰ জলাশয়, গছ-গছনি আদিয়ে চৰাইবোৰক বিচৰণৰ স্থান দিয়ে। বেছিভাগ ঠাই নল-খাগৰি আৰু ঘাঁহেৰে আবৃত। উদ্যানখন পৰিচালনা কৰাৰ দায়িত্ব ৰাজ্যিক বন বিভাগৰ। পৰ্যটন বিভাগে পৰ্যটকৰ বাবে সা-সুবিধা আগবঢ়ায়। ৰাষ্ট্ৰীয় ঘাইপথৰ গাতে লাগি থকা কহৰা অঞ্চলত বহুতো উচ্চমানৰ পৰ্যটক নিবাস আছে।

ভাৰত-ভূটান সীমান্তৰ বৰপেটা জিলাৰ (বৰ্তমান বাক্সা) বিস্তৃত উত্তৰাঞ্চলটো মানাহ বনাঞ্চল। ১৯৮৭ চনতেই প্ৰাকৃতিক সৌন্দৰ্যৰে শোভিত এই অঞ্চলটোৱে ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি পায়। ইয়াৰ মাজেৰে মানাহ নদী বৈ গৈছে। মাটিকালি ৩৯১ বৰ্গ কিলোমিটাৰ। উদ্যানখন বহুতো দুষ্প্ৰাপ্য জীৱ-জন্তুৰ বাসভূমি। বিশেষকৈ ইয়াত শতাধিক ঢেঁকীয়াপতীয়া বাঘ আৰু সোণালী বান্দৰ আছে। সেয়ে ইয়াৰ সংৰক্ষণৰ বাবে বিশ্বৰ ঐতিহ্যপূৰ্ণ স্থান হিচাপে ইয়াক স্বীকৃতি দিয়া হৈছে। ভাৰত চৰকাৰৰ ব্যঘ্ৰ আঁচনিৰ (প্ৰজেক্ট টাইগাৰ) অন্তৰ্গত মানাহ বনাঞ্চল দেশৰ এঘাৰখন সংৰক্ষিত আঁচনিৰ অন্যতম। বাঘৰ উপৰি হাতী, কুৰাং কুকুৰ, এশিঙীয়া গঁড়, ম'হ, হনুমান বান্দৰ, ভালুক আদি অনেক জন্তু আৰু নানা প্ৰজাতিৰ পক্ষী আছে। পক্ষীৰ ভিতৰত ধনেশ, ম'ৰা, ভাটৌ, মইনা, কেতেকী, ঘোপ আদি। বিশেষভাৱে উল্লেখনীয় অৰণ্যভূমিও নানাবিধ মূল্যৱান গছ-গছনিৰে ভৰা। ব্যঘ্ৰ আঁচনিৰ বনাঞ্চলটোৱে পশ্চিমে অসম-বংগৰ সীমাৰ সোণকোষ নদী আৰু পূৱে দৰং জিলাৰ নদীলৈকে আৱৰি আছে। ইয়াৰ মাটিকালি ২৮৩৭ বৰ্গ কিলোমিটাৰ।

মানাহৰ প্ৰৱেশদ্বাৰ বাহঁবাৰী। ইয়াৰ পৰাই উদ্যানখনৰ সমীপৰ মথনগুৰিলৈ যাব পাৰি। দূৰত্ব ২০ কিলোমিটাৰ। বাহঁবাৰীৰ পৰা ৫৬ কিলোমিটাৰ নিলগত দক্ষিণে বৰপেটা টাউন। পৰ্যটক থকা-মেলাৰ সুবিধাৰ বাবে বাহঁবাৰীত নিবাস আছে। কাজিৰঙাৰ দৰে মানাহো সাধাৰণতে খৰালি দিনত নৱেম্বৰৰ পৰা এপ্ৰিল মাহলৈ পৰ্যটকৰ বাবে খোলা ৰখা হয়। মানাহত নাৱেৰে আৰু স্থলভাগত হাতীৰে অৰণ্যৰ মনোমহা সৌন্দৰ্য আৰু বন্যপ্ৰাণী চোৱা-চিতা কৰিব পাৰি। অসমত কেবাখনো অভয়াৰণ্য আছে। তাৰ ভিতৰত দৰং জিলাত অৱস্থিত ওৰাং, মৰিগাঁও জিলাৰ পবিতৰা আৰু কাৰ্বি আংলং, গোলাঘাট জিলাৰ নামবৰ উল্লেখযোগ্য। প্ৰথম দুখনত গঁড়কে ধৰি বিভিন্ন বন্যপ্ৰাণী আছে। দুয়োখনেই এতিয়া পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। শোণিতপুৰৰ নামেৰী বনাঞ্চল, ডিব্ৰু-চৈখোৱা, পাভ (লখিমপুৰ) আদি অৰণ্য বিৰল বন্যপ্ৰাণীৰ বাসভূমি। এইবোৰ এতিয়াও পৰ্যটকৰ বাবে মুকলি কৰা নাই।

বিশাল মহাবাহু ব্ৰহ্মপুত্ৰ অসমৰ বুকুৰেদি বৈ গৈছে। ইয়াৰ দ্বাৰা অসমবাসী বিভিন্ন ধৰণে উপকৃত হৈছে। এই নৈৰ ওপৰেদি নাও, জাহাজ আদিৰে ভ্ৰমণ কৰাৰ বাবে যথেষ্ট সুবিধা আছে। সম্প্ৰতি অসম পৰ্যটন উন্নয়ন নিগম আৰু 'ফাৰ হ'ৰাইজন' সংগঠনৰ উদ্যোগত 'এমভি মহাবাহু' নামৰ এখন বিলাসী জাহাজ পৰ্যটকৰ ক্ৰুজ (নৌ-ভ্ৰমণ) তথা আমোদ-প্ৰমোদৰ বাবে চলাচল

কৰি আছে। যাইকৈ বিদেশী পৰ্যটকক আকৰ্ষণ কৰিবৰ বাবেই এনেবোৰ ব্যৱস্থা কৰা হৈছে।

গুৱাহাটী মহানগৰৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠৰূপে ইতিহাস প্ৰসিদ্ধ কামাখ্যাধাম এখন ঐতিহ্যপূৰ্ণ তীৰ্থস্থান। ইয়ালৈ বছৰি লাখ লাখ পৰ্যটকৰ আগমন ঘটে। মা-কামাখ্যা মন্দিৰৰ সমীপতে দেৱী ভূৱনেশ্বৰী মন্দিৰ, পাহাৰৰ টিঙত অৱস্থিত। ইয়াৰ পৰা বিশাল ব্ৰহ্মপুত্ৰ তথা গুৱাহাটী মহানগৰৰ মনোৰম সৌন্দৰ্য উপভোগ কৰিব পাৰি। গুৱাহাটীৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ উত্তৰ-পশ্চিম দিশত পঞ্চতীৰ্থ নামেৰে খ্যাত হাজো এখনি ইতিহাস প্ৰসিদ্ধ স্থান। ইয়াত হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰকে ধৰি কেবাটাও মন্দিৰ আছে। পৰ্যটকৰ বাবে ই এখনি ৰম্যস্থান। দক্ষিণত অৱস্থিত বশিষ্ঠ মন্দিৰ। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ এই তীৰ্থস্থানখনি অতি প্ৰাচীন। ইয়ালৈ অনেক যাত্ৰীৰ আগমন হয় যদিও পৰ্যটকৰ সংখ্যা নিচেই তাকৰ। আন্তঃগাঁথনি, যেনে- উচ্চমানৰ হোটেল, ৰেস্তোৰা আদিৰে সজাই পৰাই তুলিব পাৰিলে দেশী-বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি হ'ব।

উত্তৰ কাছাৰ জিলাৰ বৰাইল পাহাৰৰ সুৰংগৰ মাজেৰে ৰে'ল চলাচল কৰে। গোটেই পাহাৰখনৰে প্ৰাকৃতিক সৌন্দৰ্য মনোমহা ৰে'ল ভ্ৰমণৰ যোগেদি এই সৌন্দৰ্য উপভোগ কৰিব পাৰি। ই এক হৃদয়স্পৰ্শী ভ্ৰমণ। ৰে'ল কৰ্তৃপক্ষ আৰু পৰ্যটন নিগমে যুটীয়াভাৱে পৰ্যটকৰ স্থান হিচাপে গ্ৰহণ কৰি আন্তঃগাঁথনি নিৰ্মাণ কৰিলে বহুতো দেশী-বিদেশী পৰ্যটকৰ মিলন ক্ষেত্ৰ হ'ব। লগতে হাফলং নগৰখনো আটক ধুনীয়াকৈ সজাই ল'লে আকৰ্ষণীয় স্থান হৈ উঠিব। এই জিলাতেই জাতিংগা নামৰ আন এখনি ঠাই আছে। ই সঁচাকৈয়ে ৰহস্যময় আৰু মায়াময় ঠাই। প্ৰতিবছৰে ছেপ্তেম্বৰ-নৱেম্বৰ মাহৰ কালছোৱাৰ সেমেকা বতৰত ইয়ালৈ দূৰ-দূৰণিৰ পৰা নানা ৰঙৰ নানা প্ৰজাতিৰ পক্ষী আহে। নিশাৰ আন্ধাৰত ফ্লাড-লাইটৰ পোহৰত এই পক্ষীবোৰ উৰি ফুৰে। আগতে স্থানীয় লোকে পক্ষীবোৰ ধৰি বজাৰত বিক্ৰী কৰিছিল। এতিয়া বন্ধ হৈছে।

উজনি অসমৰ শিৱসাগৰ নগৰ আৰু তাৰ আশে-পাশে বহুতো আহোম ৰজাদিনীয়া কীৰ্তিচিহ্ন আছে। তাৰ ভিতৰত ৰংঘৰ, তলাতল ঘৰ, দ'ল, পুখুৰী আৰু গড়গাঁৱৰ কাৰেংঘৰ উল্লেখযোগ্য। এই কীৰ্তি চিহ্নবোৰ দৰ্শন কৰি ঐতিহাসিক জ্ঞান অৰ্জন কৰাৰ লগতে অসমৰ পুৰণি ভাস্কৰ্য আৰু কলা-কৃষ্টিৰ বিষয়েও জানিব পাৰি। তদুপৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সিচঁৰিত হৈ থকা, বিশেষকৈ শোণিতপুৰ (তেজপুৰ) ৰ বামুনী পাহাৰৰ ভগ্নাবশেষ আদিয়ে প্ৰত্নতাত্ত্বিক আৰু ঐতিহাসিক দিশত গৱেষকসকলক সমল যোগাইছে। গোৱালপাৰা জিলাৰ সূৰ্য পাহাৰৰ পুৰণি কীৰ্তিচিহ্ন আৰু দেৱ-দেৱীৰ মূৰ্তিসমূহৰ দ্বাৰা অসম কামৰূপৰ ধৰ্মীয় ব্যৱস্থাৰ বিষয়ে জানিব পাৰি। এই জিলাতে টুক্ৰেশ্বৰী পাহাৰৰ ওপৰত অৱস্থিত টুক্ৰেশ্বৰী দেৱীৰ মন্দিৰ এখনি পীঠৰূপে জনাজাত।

এনে বহু প্ৰাচীন মঠ-মন্দিৰ পৰ্যটনৰ স্থানৰূপে গঢ়ি তুলিব পাৰি, কিন্তু আন্তঃগাঁথনিৰ অভাৱত সেয়া হৈ উঠা নাই। ৰাজ্যৰ লানিয়ে লানিয়ে থকা সেউজী চাহ বাগিচাবোৰো পৰ্যটকৰ বাবে আকৰ্ষণীয় ঠাই। কুটীৰ শিল্প, হস্তজাত শিল্প সামগ্ৰীৰ ৰাজ্যৰ বাহিৰত যথেষ্ট সমাদৰ আছে। পৰ্যটনৰ স্থানত এইবোৰ প্ৰদৰ্শন আৰু বিক্ৰী কৰি লাভৱান হ'ব পাৰি। পাট আৰু মুগা বস্ত্ৰ উৎপাদনৰ বাবে বিখ্যাত শুৱালকুছিও পৰ্যটকৰ বাবে এখনি আকৰ্ষণীয় ঠাই। বিভিন্ন জনগোষ্ঠীয় নৃত্য-গীত তথা বিহুনৃত্য-গীত পৰিৱেশনৰ যোগেদিও দেশী-বিদেশী পৰ্যটকক আমোদ-প্ৰমোদৰ খোৰাক যোগাব পৰা যায়। কহৰাত অৱস্থিত এখনি বিলাসী হোটেলত বিহুগীত-নৃত্য প্ৰদৰ্শনৰ ব্যৱস্থা আছে।


সাম্প্ৰতিক বিশ্বায়নৰ যুগত পৰ্যটনৰ যোগেদি দেশ-বিদেশৰ মাজত বিশ্বপ্ৰেম আৰু ভাতৃত্ববোধ এনাজৰী কটকটীয়া কৰিব পাৰি। পৰ্যটকসকলে বিভিন্ন দেশৰ আৰু প্ৰান্তৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে জ্ঞান আহৰণ কৰাৰ লগতে ভৌগোলিক, সামাজিক, ধৰ্মীয় আদি বিভিন্ন দিশতো জ্ঞান লাভ কৰিবলৈ সুযোগ পায়। তদুপৰি, মানসিক উৎকৰ্ষ সাধনো হয়।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষামূলক ভ্ৰমণৰ যোগেদি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে, বিভিন্ন জনৰ লগত ভাব বিনিময় কৰি স্বদেশ প্ৰেম, বিশ্বপ্ৰেমৰ ভেটি তৈয়াৰ কৰিব পাৰে। এই ক্ষেত্ৰত চৰকাৰৰ সহায়-সহযোগিতাৰ প্ৰয়োজন।

আনন্দৰ কথা যে সমগ্ৰ বিশ্বৰ বাবে আগত ২০২০ চনৰ এটি পৰ্যটন সংগঠন গঢ়ি উঠাৰ কথা। এই আন্তৰ্জাতিক অনুষ্ঠানটোৱে পৰ্যটন উন্নতিকল্পে অসমতো ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। ■

# সমস্যা

শ্ৰীসোণমণি কলিতা



সমস্যা! সমস্যা!! সমস্যা!!! আমাৰ পৃথিৱীখন আজি নানা সমস্যাৰে ভাৰাক্ৰান্ত। বায়ু মণ্ডলৰ সমস্যা, ভূগৰ্ভৰ সমস্যা, আকাশত থকা বেঙুনীয়া ৰশ্মিক বাধা দিয়া তৰপটোৰ ক্ষতি হোৱা এটা সমস্যা, পানীৰ সমস্যা, পানী প্ৰদূষণৰ সমস্যা, বায়ু প্ৰদূষণৰ সমস্যা, ভূগৰ্ভৰ পানী কমিছে সিও এক সমস্যা, আকৌ গ্লোবেলাইজেচনৰ বাবে ধৰাতলৰ উষ্ণতা বৃদ্ধি, বৰষুণৰ পৰিমাণ কমি যোৱা সমস্যা, পাহাৰ পৰ্বত কাটি, অৰণ্যত থকা গছবোৰ কাটিলে সিও এক সমস্যা। বানপানীৰ সমস্যা, গৰাখহনীয়া সমস্যা, চৰকাৰী ভূমি বেদখল এক সমস্যা, জনসংখ্যা বৃদ্ধি, জনসংখ্যাৰ প্ৰব্ৰজন, এক সমস্যা, বৰ্তমান চিকিৎসা বিজ্ঞানে মৃত্যুৰ হাৰ বহু পৰিমাণে কমাই দিলে কিন্তু বহু দেশত জন্মহাৰ নিয়ন্ত্ৰণ নকৰিলে ফলত ই এক জলন্ত সমস্যাত পৰিল। নিবনুৱা সমস্যা, যাৰ বাবে দেশত অশান্তি বেছিকৈ বাঢ়ে। প্ৰতিখন দেশৰ কিছু কিছু নিজা নিজা সমস্যা থাকে। কাৰোবাৰ ভৌগোলিক কাৰোবাৰ মানৰ সৃষ্ট। এই ফালৰ পৰা আমি যদি গভীৰ ভাৱে চিন্তা কৰি চাওঁ আমাৰ ভাৰত বৰ্ষত যিবোৰ সমস্যা দেখা পোৱা যায়। সেইবিলাকৰ বেছিভাগে মানৰ সৃষ্ট সমস্যা। সকলোতকৈ ডাঙৰ কথাটো হ'ল - যিবোৰ সমস্যা সমাধান কৰিব বুলি কিছু কিছুলোক আগবাঢ়ি যায় তেওঁলোকে সমস্যা সমাধান নকৰি তেওঁলোকেও একো একোটা ডাঙৰ সমস্যাত পৰিণত হয়। যাৰ কাৰণে আমাৰ ভাৰত বৰ্ষত সমস্যাবিলাক পাহাৰ হৈ থিয় দিছে। নতুন নতুন সমস্যা গা কৰি উঠি দেশৰ অৰ্থনীতিৰ যথেষ্ঠ খিনি অপব্যৱহাৰ হৈছে। ৰাইজখিনিয়ে কিছু কিছু ক্ষেত্ৰত সমস্যাবিলাক চাই চাই এই সমস্যা সমূহৰ লগত বসবাস কৰিবলৈ বাধ্য হৈ পৰিছে।

প্ৰতিবছৰে নতুন আচনি কৰা হয়। জনকল্যানৰ বাবে কৰা আচনি কিছুমানে কিন্তু সুফল দিয়া দেখা নাযায়। আৰু এনে বহু আচনি আছে যি বিলাক আচনি

কাৰ্যকৰী কৰিবলৈ দিয়া কিছুমান ব্যক্তিৰ হাতত পৰি ৰয় বা অপব্যৱহাৰ হয়।

উদাহৰণস্বৰূপে- এঘৰ মানুহৰ পাছখন বাছ আছে। তাৰে এখন বাছ অলপ বেয়া হ'ল। বেয়া হোৱা বাছখন অলপ টকা খৰচ কৰি ভালকৰিলে সেইখন বাছে টকা ইনকাম কৰিব। তাকে নকৰি বাছখন পেলায় থৈ আকৌ এখন বাছ কিনি আনিলে অৰ্থনীতিৰ কি উন্নতি হব? এটা অঞ্চলত এটা প্ৰাথমিক চিকিৎসা কেন্দ্ৰ লাগে, তাকে নকৰি ৰামভৰালৰ ধন খৰচ কৰি তিনিখন স্বাস্থ্যকেন্দ্ৰ কৰি উপযুক্ত ডাক্তৰ নাৰ্চৰ অভাৱত যদি তাৰে এখন স্বাস্থ্যকেন্দ্ৰ পৰি থাকে তেতিয়া দেশৰ কি লাভ হ'ল?

এটা পৰিয়ালৰ দমকলটো বেয়া হলে সেইটো ভাল কৰিব লাগে নে কাষত এটা এটা কৰি দুটা দমকল বহুৱাব? ব্যক্তিগত ঘৰত হ'লে প্ৰতিজন মানুহে দমকলটো ভাল কৰিব। আৰু যদি সেইটো চৰকাৰী হয় তেন্তে তাৰ ওচৰত দুটা দমকল বহুৱা হয়। ই এটা দেশৰ মাৰত্মক সমস্যা। দেশখন মোৰ বুলি ভবাৰ অভাৱৰ বাবে এইবিলাক হৈ আছে।

আমাৰ দেশৰ জলন্ত সমস্যা বুলি ধৰা বহুকেইটা সমস্যা আছে। তাৰে ভিতৰত জনসংখ্যা সমস্যা, কৰ্মসংস্থাপনৰ সমস্যা আৰু চৰকাৰী ভূমিৰ বেদখল সমস্যা। এখন দেশ তেতিয়াহে বিশ্বত এখন জাকত জিলিকা দেশ হব যেতিয়া সেই দেশত এই তিনিটা সমস্যা নাথাকিব। অৰণ্য ধ্বংশ কৰি মানুহে ঘৰ সাজে। ইটো কেনেকৈ সম্ভৱ? সমস্যাৰ ভৰাল চহকী হোৱা বাবে। কৰ্ম সংস্থাপনৰ সমস্যাই দেশত অশান্তিৰ সৃষ্টি কৰে। শিক্ষাগত অৰ্হতাই দেশ উন্নত কৰে সচা যদি তাত কৰ্ম সংস্থাপন নাথাকে?

ৰাস্তা ঘাট এক অত্যাৱশ্যকীয় অভাৱ। তাৰ লগে লগে লঘু উদ্যোগ, গুৰু উদ্যোগৰ প্ৰয়োজন অনুভৱ কৰিব পৰাটো চৰকাৰৰ প্ৰয়োজনীয় চিন্তা। ইয়াক বাদ দি উন্নয়ন সম্ভৱ নহয়।

ভাৰতবৰ্ষৰ প্ৰতিজন মানুহে অনুভৱ কৰিব লাগিব। এইখন মোৰ দেশ। প্ৰতিজন মানুহক পৰিয়ালৰ সদস্য বুলি নাভাবিলে, দেশৰ ৰাজভৰাল প্ৰতিজন ব্যক্তিৰ বুলি নাভাবিলে ৰাজহুৱা ধন সম্পত্তি নিজৰ বুলি নাভাবিলে কোনোদিনে আমি সমস্যাৰ পৰা মুৰ তুলিব নোৱাৰিম। সমস্যা সদায় সমস্যা হৈয়ে থাকিব। একো একোজন ব্যক্তিয়ে ৰাইজৰ কাম কৰিব গৈ যেতিয়া নিজৰ কামত ব্ৰতীহব তেতিয়া দেশৰ কি লাভ হব? আমি লক্ষ্য কৰিছো- আমাৰ দেশত কিছুমান ছদ্মবেশী সমাজ হিতৈশী, ছদ্মবেশী ভিক্ষাৰী, ছদ্মবেশী চিকিৎসক, ছদ্মবেশী ব্যাপাৰীৰ আৱিৰ্ভাৱ হ'ল। যাক চিনি উলিওৱাটো এক প্ৰকাৰ জটিল হৈ পৰিল। জানিলে আচৰিত হব - বাৰ/ যোল্ল লাখ টকাৰ গাড়ীলৈ চাকৰী কৰিব গৈ টেবুলত গৈ ভিক্ষাৰ জোলোঙা লয়। এইখিনি দিয়ক নহ'লে নহয়। দেখাত সমাজৰ কাম কৰি তৰণি নোপোৱা মানুহজনে খাবলৈ নোপোৱা জনতাৰ মুখৰ ভাত কাঢ়ি কৌটি পতি হোৱাটো সমস্যাঙ্গ

বাপুজী দেশখনৰ অৱস্থা এনে হব বুলি ভবা নাছিল নেকি?■

# PLASTISPHERE: AN ECOSYSTEM CONSTRUCTED OUT OF OUR TRASH

**Dhritashri Das**
*Assistant professor, Department of Botany*

We all are familiar with the term biosphere. But what is plastisphere, to put it simply, it is an ecosystem built on the surface of plastic waste. It consists of ecosystems that have evolved to live in human made plastic environments. As global plastics production, which approached 350 million tonnes in 2017 has continued to rise; public awareness of plastic pollution in our environment has increased. The plastic that does not reach a recycling facility or landfill, will most likely end up in our oceans due to accidental dumping of the waste, losses during transport, or direct disposal from boats. Using a combination of high-powered microscopy and state-of-the-art DNA sequencing, scientists found a diverse array of microscopic organisms living on plastic marine debris, and they are distinct from the "natural" community in the surrounding waters or on floating seaweeds There are thousands of different micro-organisms on a piece of plastic half the size of a fingernail, some of which appear to live specifically on the plastic.

**Discovery :** The plastisphere was first described by a team of three scientists, Dr. Linda Amaral-Zettler from the Marine Biological Laboratory, Dr. Tracy Mincer from Woods Hole Oceanographic Institution and Dr. Erik Zettler from Sea Education Association. They collected plastic samples from various locations of the Atlantic Ocean to study how microorganisms function and alter the environment. The researchers used scanning electron micrographs to determine what was colonizing the plastic surface.] They used a combination of microscopy and DNA sequencing to identify thousands of diverse organisms that were distinct from the "natural" environment.

**Types of microflora :** Plastisphere represents a little world of life that exists on the surface of plastic particles. This environment comes complete with predators and prey, organisms that photosynthesise to produce energy from light, (similar to plants on land), and even parasites and potentially disease-causing organisms harmful to invertebrates, fish and humans. Scientists have also found some "pit-formers", which are conspicuous cells that appeared to be embedded in pits on the plastic surface – somewhat likes eggs in an egg carton. It also harbors a group of bacteria called Vibrio, which causes disease like cholera when they come in contact with human.

**Concerns :** Plastic pollution acts as a more durable carrier than biodegradable material for carrying the organisms over long distances. This long-distance transportation can move microbes to different ecosystems and potentially introduce invasive species as well as harmful algae. The microorganisms found on the plastic debris include autotrophs, heterotrophs and symbionts. The ecosystem created by the plastisphere differs from other floating materials that naturally occur (i.e., feathers and algae) due to the slow speed of biodegradation and the different conditions. In addition to microbes, insects have come to flourish in areas of the ocean that were previously uninhabitable. The sea skater, for example, has been able to reproduce on the hard surface provided by the floating plastic.

Some microorganisms present in the plastisphere have the potential to degrade plastic materials. This could be potentially advantageous, as scientists may be able to utilize the microbes to break down plastic that would otherwise remain in our environment for centuries. On the other hand, as plastic is broken down into smaller pieces and eventually microplastics, there is a higher likelihood that it will be consumed by plankton and enter into the food chain. As planktons are eaten by larger organisms, the plastic may eventually be bioaccumulated in fish eaten by humans.■




# PUBLIC INTEREST LITIGATION (PIL)

**Bagmita Deka**
*B.A., 2nd Semester (Political Science)*

Public Interest Litigation (PIL) is a relatively new branch of law being practiced in India. One of the major objectives, rather the sole objective of a judicial system is to dispense justice to the people and for this end, to make the judicial system active, efficient, less costly and as for as possible simple. Public Interest Litigation (PIL) implies litigation for the protection of public interest. This is an important concept in law and polity and is often seen in the news. Any matter where the interest of the public at large is affected can be redressed by killing a PIL in a court of law such as Pollution, Terrorism, Road safety, Constructional hazards etc.

Public Interest Litigation Act focuses on a nations' population. It is a system of justice of legislation by a private function by the governance itself, not by the party who has been wronged. In India, they have been involved in many historic decision. Authorities have exposed the Sabarimala sites to women, abolishing instant triple talag and legalizing acceptable gay relations. Under the system, any citizen on a group of citizens on an organization can approach in writing, even on a postcard, to the highest court or a High Court bringing to its notice the need for the protection of public interest vis-à-vis a particular law on policy or action of the government. The judges can initiate the case in case they find it justified in public interest. Even the judges, after reading newspapers, or after reading about a particular case, can suo moto initiate action for securing a matter involving public interest.

The expression "Public Interest Litigation" has been borrowed from American Jurisprudence, where it was designed to provide legal representation to previously unrepresented groups like the poor, the racial minorities, unorganized consumers, citizens who were passionate about the environmental issues, etc. Justice Krishna Iyer first introduced the idea of public interest litigation in Mumbai in India

Kamagar Sabha Vs. Abdul Jhai in 1976. Hussainara khatoon V. State of Bihan was the first PIL case to be publicly known In 1979, Kapila Hingorani filed a petition and secured the release of almost 40,000 under trials from Patnas' Jails in the famous "Hussainara Khatoon" Case. Hingorani was a lawyer. This case was filed in the SC before a Bench led by Justice PN Bhagawati Hingorani is called the "Mother of PILs' as a result of this successful case. Justice Bhagawati did a lot to ensure that the concept of PIL was clearly enunciated. Justice Bhagawati and Justice Krishna Iyer were among the first judges in the country to admit PILs.

Some of the matters which are entertained under public Interest Litigation are neglected children, Bonded habour matters, Atrocities on women, Non-payment of minimum wages to workers, Exploitation of casual workers, Food adulteration, Environmental pollution, and Disturbance of ecological balance, Maintainence of heritage and culture etc. PIL is not defined in any statute or in any act. It is the power given to the public by courts through judicial activism. Women in India have been historically disadvantaged in a number of ways and often don't have access to the justice system when their rights are violated. India has pioneered PIL as a means of addressing this problem.

A public Interest Litigation is introduced in a court of law not by the aggrieved party but by aprivate or by the court itself. PILs have become a patent tool for enforcing the legal obligation of the executive and the legislature. The supreme court of India and the high courts have the right to issue PILs. It is generally used to safeguard group interests and not individual interests. PILs have played on important role in India's polity. They have been responsible for some landmark judgements in India such as the banning of the instant triple talag, opened up the doors of the Sabarimala and the Haji Ali Shrines to women, legalized consensual homosescxual relations, legalized passive euthanasia and so on.

Any Indian citizen on organization can move the court for a public interest by filing a petition. Then can file PIL in the supreme court under article 32 and in the High Courts under Article 226. The Court can treat a letter as a writ petition and take action on it. The court has to be satisfied that writ petition complies with the following : the letter is addressed by the aggrieved person or a public spirited individual or a social action group for the enforcement of legal or constitutional rights to any person who, upon poverty and disability, are not able to approach the court for redress. The court can also take action on the basis of newspaper reports if it is satisfied with the case. A PIL is a form of writ, with just one specification that the matter is related to the general wellbeing of the public instead of a particular litigant. The court fee for filing a public Interest litigation is Rs. 50 per respondent. There are two types of PIL : Representative Social Action and Citizen Social Action. The original purpose of PILs has been to make justice accessible to the poor and the marginalized. It is an important tool to make human rights reach those who have been denied rights. It helps in judicially monitoring state institutions like prisons, asylums, protective homes etc. It is an important tool in judicial review.

Of late, PILs have become a tool for publicity. People file frivolous petitions which result in the wastage of time of the courts. People have used them with a political agenda as well. They unnecessarily burden the judiciary. Even if the petition is eventually dismissed, the courts spend time and effort on them before dismissing them. At present, only judges have the power to dismiss a petition. Since it is an extraordinary remedy available at a cheaper cost to all citizens of the country, it should not be used by all litigants as a substitute for ordinary ones on as a means to file frivolous complaints. The court must be careful to see that the petitioner must be acting bona fide and not for personal gain.

Public Interest litigation has yielded great success that would have been impossible three decades ago. Through judicial action, humiliated bond workers abused criminal charges and imprisoned convicts, humiliated inmates of protected women's homes, blinded convicts, abused toddlers, homeless and many more have found relief. ■

# IMPORTANCE OF LANGUAGE IN NATIONALISM

**Niranku Barman**
*B.A., 2nd Semester (English)*




"Nationalism is the love which ties me to the blockheads of my country, to the insulators of my way of life, and to the desecrators of my language."- Karl Marx.

Language is intrinsically tied to identity and this often includes the identity of a nation. The German philosopher Johann Gottfried herder asked, : "Has a nation anything more precious than the language of its fathers?" And although many nations are, in fact, multilingual, pride and even arrogance- towards language is a trait often found at the core of nationalist ideologies. The relationship between language and a nation is a fundamental one, as language is often used in the very creation of nations. Language stands alongside, or perhaps above, architecture, flags and literature as an emblem of nationhood. The idea of a "nation" has been legitimized throughout the history partly on the basis of its citizens sharing a common language.

The ability of language to create instantaneous, even blind unity is a unique one. Take the way in which playing the national anthem can turn a group of strangers into a singularity singing the same words, keeping in time to the same tune and showing the same belief that the national anthem displays their nationhood. The unity conducted

through the means of language is not for from a mole mentality, which is why language can be a source and channel of nationalism as easily as it can be of a nation.

Nationalism is an ideology and movement that promotes the interests of a particular nation (as in a group of people), especially with the aim of gaining and maintaining that nation's sovereignty (self-governance) over its homeland. It further aims to build and maintain a single national identity based on shared social characteristics such as culture, language, religion, politics and belief in a shared singular history to promote national unity. It also encourages pride in national achievements and is closely linked to patriotism.

Indian Nationalism developed as a concept during the Indian Independence movement fought against the colonial British Raaj. Indian nationalism is an instance of territorial nationalism, inclusive of all its people, despite their diverse ethnic, linguistic and religious backgrounds.

The study of language movements in modern India, I believe, could provide richer resources for examining and analyzing the functioning of as well as the evolutions and challenges to democracy and politics in modern India. Language movements have been debated in numerous ways since the beginning of modern vernacular education and classificatory exercises during colonial rule. During the nationalist phase, the question of national language, became, politically and emotionally, a very charged issue. In the first few decades after independence, India witnessed numerous linguistic riots, the linguistic reorganization of states and clashes between supporters of Hindi and resistances to its imposition as the national language, especially from speakers of Tamil and other South Indian languages. Since then, the language is seen as more or less settled, although there have been various studies that critically examine the Hindi-Urdu debates, the making of Hindi as the national language, or the making of modern Tamil, Telugu, Bengali, Panjabi, and soon. At best, language movements are treated merely as an identity issue. Language, with the beginning of print and the expansion of nationalism, is at the root of all modern social and political imaginaries. In the imaginaries of the nation, the role of a national language is of prime ideological importance the growth and development of one's language is now seen as the growth & development of self and community. In modern India, Bhartendu Harishchandra's (1950-85, a Benaras leased Hindi writer and poet, also regarded as the father of Hindi Renaissance) idea of *nija bhaasa unnat ahai sab unnati ke mool* (in the development of one's language lies the roots of all development) became the rallying point for various linguistic communities in north India. Rammanohar Hohia (1910-67), the socialist ideologist, wanted the Indian languages to be elevated to the states of English. Language, although in limited sense, did provide a modern secular tool for people to connect together by transcending the boundaries of caste, religion, class and gender In this way, language movements in India provide a valuable source for understanding the trajectories of ideas like democracy, swaraj and nation in modern India.

Language is a multifaceted power : it can unite, bind, dissolve, separate but most importantly, its contribution towards national identity cannot be dismissed. As long as the importance of language is upheld in such a way, linguistic nationalism will continue within nations, another it seeks to synthesize different vernaculars in order to have been used to protect some groups while dominating others; to give freedom to some, whilst taking it away from others. As long as the importance of language is upheld in such a way, linguistic nationalism will continue within nations, whether it seeks to synthesize different vernaculars in order to form a sole national language or *pursue* a poling of eliminating competing linguistic influences in order to impose a single language. Although language serves as one cultural marker, one facet of what ties a group together, it also stands to be a sacrosanct aspect of group identity.■



# MY OPINION ON SOCIAL MEDIA

**Poli Deka**
*B.A., 5th Semester, English*

I think Social Media is a great way to stay in touch with family and friends. There is no doubt it is entertaining. It is a great tool to have access to. On the downside, I don't think people value face to face interactions as much any more. Social Media platforms allow us to share information and education to individuals in a great capacity and on a graft scale. But Social Media can also be extremely detrimental to our mental health and has been the trigger for increased anxiety and social problems in our world.

As a college student, it is a good way to stay in touch with some former teachers and friends back home. On the other hand, it is very important to know that social media can be a dangerous place as well. We hear lots of stories about online predators, crawfishing and other stories like that. It is important to know the dangers of social media and be wary of them. If used properly, social media can be a greet thing.

Today, social media is a topic of controversy. Many feel it's a boon, but a majority think it is a curse. Most believe Social Media has rapidly destroyed human interaction and modified modern human relationships. But others feel it is a blessing connecting us to every part of the world; we can meet our loved ones for, spread awareness, send securitywarnings etc. there is a let that social media can do but is an unarguable fact that social media has made our lives convenient, easier and much faster. We have access to any information at just a button push away. The power of social media is very high and affects each individual. It is not easy to imagine our lives with social media today. And we pay the price for excessive use. It is a good tool for education. It can create awareness for many social issues. It can provide great employment opportunities online today, platforms like Facebook, Twitter, Youtube etc. are most widely used by teachers, students and professors. It plays a very important role for students as it makes it easier for them to access and share information, get answers and connect with teachers. Students and teachers can connect and share content through social media platforms.■

# POPULATION AND POVERTY- IN INDIA'S CONTEXT

**Malabika Bharadwaj**
*B.A, 6th Semester, Economics*



India has recently overcome china being most populated country in the world with a total population of more than 1.4 billion. Prior to that, India was in the second position in the list of the most populated countries. The world population was under 1 billion in 1800 and now, only India has more population that the world population at that time, is, 1800 in recent decades, the greatest part of population growth has been entered in the developing world, in countries like India, Pakistan, Bangladesh etc. More than five sixth of total world population live in developing countries. The reason mainly lie in high birth rate and immigration. India has been experiencing very high population growth for decades and this severe population growth has led to the prime reason behind it not being a developed country yet. Light population growth attributes to problem like poverty, unemployment, food crisis etc. functioning as the main barrier in economic development of countries.

Poverty is the situation where house holds are unable to fulfil their basic needs. There fourth of total population under poverty live in underdeveloped and developing countries of Asia and south Africa. These are the countries with high population growth. So, poverty has a direct relation with population growth. With higher population and limited economic resources, the developing and under-developed countries have small amount of per capita income or income per head. Even with increase in national income, the real income of the major portion of the population doesn’t income. This is because the largest part of the total income is centered in a new hands, that is, in the hands of the capitalists. So, poor are getting poorer and rich are getting richer day by fay. With lack of family planning and awareness, the poorer section of society has a high birth rate. That is why the birth rate in backward villages in family size, the fulfilment of daily needs by the limited income becomes difficult and poverty rises to a miserable level. High population results in unemployment which pushes the families in critical economy. Poverty not only function as an economic problem of the country, but it is also a social calamity. Poverty discourages education. Healthcare and lifestyle. It breaks people's self esteem and creates inequality in society. These all hinder in economic development of the countries like India. Governments have to be so busy in the uplifting poverty alleviation programmes and fulfilling the needs of such a huge population, that it locks money for investment in industry and other fields crucial for economic growth.

In India. The government has initiated various poverty alleviation and employment generation programmes time to time. For example MGNREGA (Mahatma Gandhi National Rural Employment Guarantee Act) is a popular programme launched in 2005. This scheme helps enhancing Livelihood Security of the rural poor households by providing at least 100 days at guaranteed wage employment in a financial year to every household whose adult members volunteer to do unskilled manual work. Besides it Government launched like Saran Jayanti Shari Rodger Yolanda (1997), Saran Jayanti (1999) etc. to provide livelihood opportunity, free food-grains, affordable or no-cost health insurance, old-age pension, free house etc. ensuring food security and like security of the poor section. But some of their schemes dos't have the desired outcome for reasons like wrongly allocated found, and wrong determination of target and targeted population etc. The increasing population has led to chaos hindering in proper utilisation of those programmes. So, tracking down the excessive growth of population can be the solution to many severe problems of the country. To ease the growth rate of population to a desired level, the government should adopt family planning and awareness programmes. Establishing information centres to educate rural people about usefulness of a small family and distributing affordable and free contraceptive measures in health centres and the most elective step. Students should be made aware of population explosion and its consequences. Education changes the attitude of a person towards family. Marriage and member of children one should have. Educating women will help enhancing their lifestyle and boost their career life. Education changes the perspective of society towards women so that women don’t have to lee treated like some kind of machines to produce child. Actually, the government is already concerned about all there and many steps are already taken. By easing the administrative failures and corruption, the implementation and electiveness of various schemes can be enhanced. Moreover, it is our responsibility also to think about the deadly consequences of the current growing rate of population and to create better awareness among ourselves. It would help India to grow more economically to be a global superpower in near Future. ■



# SUB-GROUPS OF THE RABHA TRIBE

**Pankaj Priyam Dobakhal**
*M.A., 2nd* Semester, English

In our childhood, our grandparents told us that the appearance of a rainbow was a sign of the coming of Dhol*.Due to the migration of many ethnic groups to Assam at different times for various reasons, it's social environment takes the form of a rainbow. The rainbow heralded the coming of a massive dhol to Assam, which would cover many aspects like culture, festivals, food habits, social customs, ways of living etc. The Rabha Tribe is one of the chief contributors to this dhol.

In ancient times, Assam was known as Kamrupa. The Rabhas crossed the Patkai mountains from Siberia in southeast Asia via China, Tibet, Burma and entered Kamrupa, where they settled. At present the Rabhas live mainly in Assam, Meghalaya, West Bengal, Tripura, Bihar, Bangladesh and Nepal.Thus the Rabhas are living in various neighbouring

states and countries, the word 'Nikhil'** is used before the name of their national organizations.For example, the "Nikhil Rabha Satra Hontha", the "Nikhil Rabha Jatiya Parishad", the "Nikhil Rabha Mahila Parishad",the "Nikhil Rabha Sahitya Sabha" etc. The Rabha Tribe has a distinct identity through their language, arts, literature, folklore, legends, folk songs, folk beliefs, rituals, festivals etc.

In the beginning there were no Sub-groups or divisions among the rabhas. In time, however, it was devided into nine groups. There is a story behind it. The first king of the Rabha Tribe is Dodan. Dodan organized Rabhas' national festival "Baikho" or "Khokchi" in a place named Athiyabari. A huge number of the Rabha community members participated in that festival. King Dodan devided the works among the people so that everything went smoothly. Since then Sub-groups have been created according to their responsibilities during the festival.

i) Maitoriya (Maitori): In the Baikho dera*** held by King Dodan ,there was a feast. King Dodan gave the responsibility to a group of men to cook and distribute the food. In Rabha language 'mai' means rice and 'tori' means to distribute or devide.So, the people whom King Dodan employed to cook and distribute were called Maitoriya or Maitori.

ii) Rongdania: In the past the Rabhas were mainly dependent on nature. The Baikho dera organized by King Dodan, required a large amount of stone for various purposes. In Rabha language, 'Rong' means stone and 'dan' means to carry. Therefore, the people who were entrusted with the responsibility of bringing the stones for the festival are called Rongdania.

iii)Dahori: 'Dahori' means long bamboo. King Dodan held Baikho dera in an uninhabited place.Many birds came to the place of worship and caused them some trouble. So, king Dodan had to give responsibility to a group of men to get rid of it. They drove away the birds with long bamboo. This group got the name Dahori.

iv) Chunga: As mentioned earlier, in the past,the Rabhas were mainly dependent on nature. A huge number of bamboo cylinders were required for drinking wine and water during the festival. So, King Dodan asked some men to bring bamboo cylinders.They are known as Chunga.

v) Pati: The Baikho dera held by King Dodan required a large amount of leaves to feed the people. So, King Dodan entrusted with the responsibility of bringing the leaves to a group of men.These people are known as Pati.

vi) Bitolia: After completing the religious rituals, some people told various jokes to give joy to the people. These people are known as Bitolia.

vii)Koch: In the past,the Rabhas were known as 'Koch' or 'Kocha'. It became known as Rabha only in the 16th century. When King Dodan held Baikho dera, some people were unable to participate, probably due to geographical and social reasons. They remained as Koch.

viii)Totla: It can not be denied the Rabha Tribe was involved with shakta religion in the past.'Totol' means neck. Pigs were sacrificed in the name of their gods and goddesses. King Dodan gave the responsibility to a group to sacrifice pigs. They are known as Totla.

ix)Hana: Pigs have been very popular among the Rabha Tribe since ancient times. King Dodan ordered some people to kill pigs by stabbing them for Baikho dera. That group is known as Hana.

There are also barai or mahari (Clan) among these sub-groups. The total number of maharies in the Pati Rabha is twelve.These include Chung, Chinal, Rongrong, Fatho, Diya, Dogom, Daru, Kochu, Nafa, Nongdong, Nongbag, and Dobakhal. This is popular as 'Baro Mahari' in a Pati Rabha society. Similarly, the Rongdani and Maitori togather have about forty maharies. Such as Tara,Khanda,Rongkho,and so on.

**সহায়ক প্ৰবন্ধ ঃ**

১। ৰাভা জনজাতিৰ পৰিচয় (ভূবিন ৰাভা)
২। ৰাভা জনজাতিৰ চমু পৰিচয় (উমাকান্ত ৰাভা)■

# THE IDEOLOGY OF MARX

**Abhilasha Sharma**
*B.A., 4th Semester, Political Science*



We often hear about Communism or Marx-Vaad; in Televisions, in Newspapers, or in social media. Hence as a conscious citizen; it becomes important for us to understand about the topic — which occupies a great share in the contemporary era. So, what actually the term 'Marxism' means? Simply speaking; "Marxism" derives its origin from that of Karl Marx (1818-83), a famous German economist and an outstanding social and political philosopher of the nineteenth century. However, it is interesting to recall that the term 'Marxism' was unknown in Marx's own life time. Initially Marx and his fellow collaborator Friedrich Engels had preferred to use the term "Scientific socialism" as their Brand of Socialism in all their writings. Latter on, in order to distinguish their ideology from the other ideas of socialism- the followers of Marx decided to adopt the term 'Marxism' or 'communism'. However, despite this name, Marxism should not be regarded as a system of thought exclusively belongs to Marx. In fact, Marxism comprises rich tradition of social thought— A living tradition with immense possibilities. In a nutshell, the concerned ideology can be characteristically symbolized by Revolutionary socialism. Specifically, it is a "Left-wing" to "Far-left" method of socio-economic analysis to understand: class relations, social conflict and a dialectical perspective to view social transformation. Now this question may arise in the reader's mind— "Why Marx initiated his ideology?" Or "In what social context Marxism was needed?" At the outset, Marxism came as a response to the oppressive conditions, created by the Capitalist system which is characterized by tremendous economic inequality and social injustice. Hence, Marx and Engels together sought to replace it by Scientific Socialism for the analysis of social problems and finding their solutions. In this process Marx and Engels together published

several books, containing elements of Scientific Socialism or Communism. Such as— "Communist Manifesto" (1848); "A Contribution to the Critique of Political Economy" (1859); "Anti-Dühring" (1877). Again, apart from Marx and Engels; there are several other scholars who supported Marxist ideology. They were – Vladimir Lenin (The Russian revolutionary thinker), Rosa Luxemburg (The Polish activist), Mao Zedong (The Chinese revolutionary thinker) and so on. Now, we know that class is an important unit of the society. It is an economic unit. Marx mainly believed that in every society, there exist only two classes — the "Haves" and the "Have nots"; that is the rich class and the poor class; or the 'propertied' and the 'property-less' class. In the words of Karl Marx, the former was termed as "Bourgeoisie" and the latter as "Proletariat". It needs mention here that, Marx had a distinct view of State. He holds that State did not exist since the ancient period, it actually born out of class-struggle and the State had always been an instrument of exploitation in the hands of economically dominant class to exploit the weaker section. Hence, he believed in the complete abolition of the entire Capitalist class to establish equality in the society. We have already figured out why Marxism came into being! Now let us understand the process that Marx chose, to change current social order of that time- Initially, Marx identifies Five stages of social evolution: The Communal stage, The Slave stage, The Feudal stage, The Capitalist stage and the Communist stage. Each stage is followed by the other and the present "Capitalist stage" is bound to be followed by the "Communist stage". The transformation is to come, as always, through revolution. Marx opined that revolution can not come on its own. He believed revolution is a social, economic, technological, political, legal and ideological phenomenon. The people will have to bring revolution for which revolutionary consciousness among the people is very necessary. Marxian theory hold that the oppressed proletariat has to play a major role in bringing about revolution in the society – overthrowing the capitalist system and establishing dictatorship of the proletariat. It only under this condition that a "Communist society" (a Classless and Stateless society) will be successfully secured. Though this ideology attracted students and revolutionaries from all corners of the world, but when viewed in its practical reality, things looked very different. Even today, if we take a look at the number of countries pursuing Communism, we can find only a few. Why it is so? Is this ideology not really possible in reality? It is pertinent to note here that Karl Marx did not provide any blueprint for the practical application of his utopian ideas, due to which Communism did not get much success in the practical world. Moreover, there can be seen some weaknesses in the ideology of Marx which make it more irrelevant. Firstly; Communism completely opposes private property, religion and State system. Secondly; under Communism there are no incentives for worker to work in a better way which leaves no scope for competition, innovation, or growth. Thirdly; when we imagine a Stateless society, we can see an emergence of "Might is Right" kind of situation — leaving way for Authoritarianism and Dictatorship. Moreover, Marxist ideology always supports revolutionary or violent means to bring social changes – which is not and should not be accepted in the present world order. Hence, the practical implementation is difficult due to inherent drawbacks of Marx's philosophy. Though Marx's philosophy is not free from imperfections, but we cannot ignore its importance and the impact it created in the then social order. It is significant that the collapse of Socialism in Eastern Europe and its collapse in the former USSR by 1991 followed by the introduction of Market economy, necessitated new thinking on the adequacy of Classical Marxism. Hence, if the Framework of Marxism can be modified suitably to tackle all of its problems in the contemporary context, then it might be possible in near future to implement Marxist philosophy in practical world. *"Philosophers until now have only interpreted the world in various ways: The point however is to change it!"*■



# A MEMOIR OF THE DAYS IN DELHI

**Ivan Baruah**
*Ex-student*

I was a student of Nalbari College from 2015 to 2017 in the Arts stream. Two years of college imparted in me the much required foundation to fulfill the aspirations I had for myself. While I was a student in this college and aspiring for admission into the University of Delhi, a couple of things kept me motivated throughout, the vibrant list of alumni being noteworthy. From ardent research about these personalities, to later on actually attending their seminars, getting to listen to them closely, also speaking in front of them to finally adjudicating debates in their presence and eventually shifting back from Delhi, life did come a full circle from where it began in Delhi.

Initially one comes to terms with tough competition that exists in every sphere, where opportunities are bounty but making a mark for oneself requires tons of consistent effort, but with time, the zeal to prove a point, upskill and become the best version of oneself takes over nervousness. Irrespective of win or loss, learning never stops.

The most important gift of Delhi has been the kind of exposure that I got regarding the activities outside core academics. The culture of societies to cater to different interests of the students was something that was new to me. It gives access to a group of like minded people, enriching discussions and helps in holistic development of a student. The place also provides with an ecosystem wherein people are constantly in preparation mode for different prestigious exams of the country. Such an ecosystem helps in learning the insights of different competitive exams as well as in drawing inspiration from the students who passes them every year. Guidance and handholding is relatively easier to get when one starts preparing for such examinations.

I also got deeply involved in the activity of debating, besides academics, something I had no experience of, back at home. But with time, unlearning and relearning became hobby and from the streets of the capital to newsroom discussions to winning national debating events, all small and big experiences added to my love for the activity. Representing the university, lifting trophies boosts confidence and loses keeps one grounded and forever willing to upgrade and upskill. This exposure allowed me to meet people from different states, appreciate diverse culture and take back their insights and weave colorful memories of Delhi which I will certainly cherish forever. ■



# A WAY TOWARDS POSITIVITY

**Himashri Devi**
*B.A., 6th Semester, Englsih*

Positivity is interconnected with confidence. If we lack both of this, then our life may lead towards misfortune. Nothing will happen though we blame our fortune then. Everyone’s life is all about ups and downs. So, if we are well known how to hold positivity with confidence, then we never have to stop our way to the goal.

I would like to mention a film here. I think many of us are familiar with ‘English Vigils'. It is such a great movie I have ever watched. I always feel low when I speak English, due to my lack of confidence and positivity. This movie teaches me that it is important to accept your flaws and love yourself. Feeling good about oneself gives you a different kind of confidence that helps conquer your flaws. One should understand his/her value and makes sure people treasure their presence in their respective life. We often look at our loved ones to support us, respect us and love us irrespective of our flaws. However our self-confidence goes for a fall if our family belittle us. But we must try to look and observe it with a positive attitude and thus try to make this as our strength and be confident with our goal. In the movie Sushi is confident in speaking English though she doesn’t know much of it. But she does and gains her confidence through her positivity.

Here, Sushi seems like an example of pretty novel life what you make it. The book is centered on Ankita, Who later makes her life better after facing many traumas. It is a splendidly written book that touches your soul and rips your heart out but leaves you stronger. More in tune with your blessings and a faith that you are capable of about how life can take a totally different path from what is planned, and yet how one can make a success of it. But all this is only possible if you believe and you have the positive attitude like Ankita did and ultimately made her life the way she wanted. She won against all the adds. Hardships leaving behind those boys of depression, suicide attempts, uncontrolled rage and instability.

In the long Journey of life you may have to face something which you never wanted to. Like you wanted to be somewhere but you have to be somewhere. Then we never have to feel that we loss everything, nothing good gonna happen or improve. We just have to find some space of positivity- that where you are at the time, it is also a new experiencefer you and whatever good or bad you can learn from it. May be after that the good thing is waiting for you. The world is indeed a better place when there is acceptance, hope and positivity. Poured by these, you can indeed overcome anything, including destiny. We always keep it in our mind that everything happens for a good reason.

We all often say that we want our days back which were full of beautiful memories. But why we don’t try to make the present days beautiful rather than thinking and remembering the things which are impossible to have back. Our sape how we shape it.

There are lots of movies and books which are class to our heart. We feel very happy, cheers up with joy when the hero/heroine or the protagonist gains the happiness, fortune; conquer the miseries after handling the troubles. Then why we lass all the hopes and positivity for such problems, we must have to fight and have the positive attitude to make it better. If the hero/heroine can, then why cannot we?

It’s an amazing thing to mention here, I am actually surprised at myself that I am writing this today! Whatever it is, I am trying and everyone should. His moment a song is coming into my mind and I put it here at the end. So let’s feel the lines…

I am breathing in, I am breathing out
It’s here and now this life is a gift
I won’t look down
It’s here and now
This life is a gift
Hold on tight this moment is right.■

# The Unspoken Mess

**Ranggita Saroj Lahkar**
*H.S. 2nd year (Sc.)*

Imagine Being in a familiar gathering and still being in the deepest, darkest void. A void where you wish to fight against yourself. A restlessness, a feeling of panic, a fear of being left out, when all of a sudden you want to end all this, when you want a halt. And yes, at that moment nobody, literally not a single person will tell you that you are having a panic attack. Nobody will tell you that it is invariably affecting everything and gradually you start to normalize it and unwillingly you decide to just carry this baggage with you.



In today's hectic routine people just start to consider it as a part of life. But little do they know that this part of life will gradually and very silently end up being the major reason for the end of their happiness and in some cases, their lives. The little void in that familiar gathering will moderately end up being a black hole destroying the psychological health of the individual, effecting their memory ability, intelligence, creativity – the major elements of mankind. Anxiety – a tern we are all familiar with is an emotion specified by feelings of tension, worried thoughts and physical changes like increased blood pressure, irregular breathing etc. It is both a mental and physical state of negative expectation.

Everyone, everywhere at some point of their life faces this situation, and most people choose this point be their teenage. Teenage – as well all know is the period between the onset of puberty and the cessation of physical growth, mental growth; roughly from eleven to nineteen years of age. It has been recorded that every 1 in 3 of all adolescent age (13-19) experiences an anxiety disorder.

I personally have witnessed many circumstances of fellow students facing anxiety all of a sudden. No doubt even I have become a victim sometimes. Most recently one of my friends encountered an anxiety attack in the middle of our practical class. He started to shake his legs vigorously. He told me about it. I noticed but of course I couldn't tell him 'it was ok' because 'it was not'. It wasn't something one should ignore with just some shorts of useless comforting words which aren't comforting at all. He just moved on and continued his work and I distracted him. That is when I realized how easily we let this kind of topic slide. Whom should we blame for these situations? No-one? But if we look closely to it, there are certain factors which contributes it and in fact sometimes becomes the major cause. Most teenagers always stay under the guidance of their family and society they live in. Todays adolescence faces pressure to succeed in ways previous generations did not. And of course, our previous generations have to accept the fact that there is a huge generation gaping which we can't undo anymore. It is often seen that parents of the society judging their children according to their marks or achievements. Comparing their children with the neighbour level as well his/her interest on being social. There's a saying strict parents raise the best liars; Parents are the first teacher to their children, but in today's life they should be their first best friend too.

Nowadays teens are constantly connected to social media. It's not surprising that their self esteem and worldview becomes connected to response to the social media posts. It becomes hard for them to compare the real life with the social connections and that's where they need the biggest help, a friendly environment as well as a socially and physically active one. When spoken to a friend she informs that she doesn't prefer to talk about this topic with anyone. But when she actually doesn't does it all she gets is a silent reply, a reply filled with concern. But the reply she needed should be filled with a gentles smile and some advices. Yes, there isn't any specific advice for it but it we ask themor held them to open up about it with pure love and maybe there is a chance of their relief. We should influence them to become a positive person which will help them to self exercise, listening to soothing music, spending time with positively influenced people will help them a lot in a society where they have to pretend to be someone else, need some alone time to find the ulterior motives of their life.

Having a healthy mind is as important as having body. Teens always gets del's so immersed taking care about physique or life that forgets about mental and emotional health which will basically decide the personality they will adopt for the rest of their life.■

# HAPPINESS – CHANCE OR CHOICE?

**By Ananya Barman**
*B.Sc., 3rd Semester, Zoology*

What is happiness, if not one's obsessive desire for pleasure? Experts say happiness is a state of well – being and contentment. However, I firmly believe there are many more nuances to this, mainly how it comes down to a single question, is happiness something you full or something you do? Think about it, is it really your desire as an individual to strive for what you think can bring happiness, or have you been sculpted to think that it is a chance or fate. In my opinion happiness is highly impressionistic.

Believe it or not, many people say they make choices to find happiness and keep it, but many believe it is luck or fate when referring to circumstances in life. For a student, the idea of happiness is to have true friends, good grades, late night Maggie, fresher's party, farewell party etc. When we see happy people we say "how lucky" and jealousy or craving for happiness. This is an example of how humans underestimate their naked eye, it does much beyond just seeing things. It seeks accomplishment, observes opportunities and visualize our ideal happiness. Each being has a different dictionary, defining happiness according to their interests and passions, all because of the coordination between eye and mind.



Perfection should not be the idea for happiness or else we will caught up in the vicious cycle that is being perfect and never be able to live a happy life as we know it. Perfect is an illusion, a mirage, and as soon as you think you have touched it, it goes further away. Goals and Ambitions are one thing, reaching for something that is not constant is another.

Happiness is not one choice. When it comes to happiness finding joy in the journey is key. Happiness is rooted in all our choices. And remember, happiness is not something that you can just choose to feel without working on it. It is not as a gift from the universe. It requires effort and time and eventually when you experience it, you will see that everything was worth it. And to know the true meaning of happiness we need to feel all the other emotions. It's good to feel something than nothing.

It's okay not to be okay sometimes … ■



# OPTIMISM AND TOXIC OPTIMISM

**DhritismitaTalukdar**
*B.A., 4th Semester, English*

There are different definitions of optimism. The Cambridge Dictionary, for example, describes optimism as, the quality of being full of hope and emphasizing the good parts of a situation, or a belief that something good will happen.

And Oxford's language describes it as Hopefulness and Confidence about the future or the Success of something. Human beings are ambitious and good oriented creatures. Many, for example, aim at stable and fulfilling carers good health and happy families. With all the ambitions and goals come adversity. Having an optimistic mind is considered a good thing and it helps us reduce stress and depressive symptoms. Hence, optimism seems to be a healthy coping mechanism for dealing with the future when looking at the scientifically proven benefits.

Humans are embodiment of emotions and human life is like a roller coaster; it will have up and downs, twists and twirls, as like a roller coaster ride. Humans experience emotions likely one experiences while riding a roller coaster. The happiness, excitement, thrill, fear, pleasure etc. though the journey of life will hold much more than that. So having an optimistic mindset is very important to go through this journey of life.

Everyone should have optimistic views and seekpostiviy but the concept of optimism always get tangled and turns out to be something else. And these optimism turns into toxic optimism or toxic positivity.

Toxic positiity happens when people believe that magazine thoughts about anything should be avoided, even in response to wants which morally would evoke sadness. Space as less or hardships, positivity is encouraged as a means to cope but tends to overlook and dismiss true expression.

People often wand to say everything will be okay or things will work out and we expect a desirable outcome, even when ever directions and

the future is grim, we should often maintain an optimistic mind-set, optimistic future predictions can make us feel good in the present but that doesn't mean they're trustworthy or helpful, in dealing with future events. There's always a chance that everything will not be okay and things will not work out fine and if that happens, chances are were not just disappointed but also unprepared. When our beliefs chatter we tend to break down and these ultimately leave us in damaged and suffering situation. And such optimistic insights and optimism turns into toxic positivity. No one escapes the hand of fate. Fate is unpredictable and yet countless people believe that through hopefulness no great adversity will be bright. But none can escape fate and there are cirumstances that are unavoidable. When we lose someone, it's natural to grieve, it's a sign that we adore, love or respect that person. And likewise there will be many such situations, catastrophic or tragic, having an optimistic view can't prevent us from experiencing certain situations. In such situations toxic positivity can disguise itself as well-meaning comments or suggestions however they will make us feel like our opinions and feelings are not valid. Toxic positivity is an excessive, ineffective and over generalised happy or optimistic state across all situations, it typically results in denial, minimaliztion or invalidation of authentic human experiences and emotions, it masks our doubts, fears and worries with everything's okay. But, sometimes everything is not okay but that's fine. Though positive thinking is not a bad thing in itself it can become toxic and harmful to one's mental well-being. Toxic optimism often adds to masking ones true feelings. Pretending everything is all right or everything will be all right, putting ones emotion aside can turn terribly wrong if we report or consistently do so. Masking our feelings can create dissonance between who we are and what we are portraying to others to the point where it constraints our relation with others and our muntal health. Along with toxic optimism comes the tender of brushing off problems than facing them. When we start to brush off our problems instead of tracking them or addressing them, to avoid the emotional consequencs of the problems we often run away and running away will not solve any of it. It's important here that we don't feel that way. A poor outcome or setback is frustrating and are definitlly allowed to feel that way. Negative emotions like fear, insecurity usually avert us from acting or facing situations. Confronting ones emotions and vulneravle is very humane.

In tough times people usually try to offer advice or comfort but sometimes these well-intentioned statements can be harmful. Statements like just be positive can serve to pressure our feelings and invalid our expriences, they plant doubts in our mind making us feel that our emotional response is inadequate or wrong unfortunately these doubts can become infernalized and transform themselves into negative self-images of being weak or insufficient or making us feel wrong of our own notions.

A clear sign of toxic positivity is when we feel ashamed for experiencing negative emotions. While many prefer to categorise their emotions into positive and negative, emotions are much more nuanced and complex than that often, toxic positivity ends up shaming people who lack a positive attitude. However, there are moments where analysis and foresight are necessary before making a decision. Sometimes jumping into a choice, hoping for the best is not the best course of action. At the same time there is people who lack faith and are not motivated by good will, so it's important to have a balance. Not being optimistic in certain situation doesn't mean one should be pessimistic. Rather one should be a situation as it is and is prepared to deal with it accordingly. Embracing whatever comes our way and making best of it, what we are and why we are making best of it what we need. A good people balance of optimistic, views with foresight, realism with portions of optimism is what we need.

Prepare for the worst, hope for the best. This is a compromise of toxicism to stay optimistic and not falling into strong pessimism and paranoid without being overwhelmed by adversity. Or rather Prepare for the best, let go and accept the worse.■

# DARWIN’S WORK ON GALAPAGOS ISLAND

**BIDYUT BIKASH SARMA**
*B.Sc., 1st. Semester, Zoology*

Charles Darwin was born in 1809 in Shrewsbury, England. His father, a doctor, had high hopes that his son would earn a medical degree at Edinburgh University in Scotland, where he enrolled at the age of sixteen. It turned out that Darwin was more interested in natural history than medicine—it was said that the sight of blood made him sick to his stomach. While he continued his studies in theology at Cambridge, it was his focus on natural history that became his passion. Charles Darwin was 22 years old when he visited the Galapagos Islands on September 1835. An amateur geologist and had a very interesting curiosity on beetles. His social upbringing granted him a comfortable life and finally the chance of traveling with Captain Fitzroy, aboard the HMS Beagle. The Beagle was to travel the world for five years in search of geographical, botanical and military data.

Darwin had a good background in sciences, as he was a protégé of Henslow, the famous Botanist. He attended medical school in Edinburgh, Scotland, the Athens of the North and later, forced by his father, he studied Divinity in Cambridge. The Beagle was in Galapagos for five weeks. About one-quarter of Darwin’s notes and field book are dedicated to this location that most amazed him. During his time on the islands, Darwin was not aware of the importance the archipelago had as evidence for his theory, and he still had no clue of the information he was gathering on each excursion. He collected lots of reptiles, plants, and birds among which were the famous Darwin finches. “Considering the small size of these islands, we feel the more astonished at the number of their aboriginal beings, and at their confined range… Hence, both in space and time, we seem to be brought somewhere near to that great fact, that mystery of mysteries –the appearance of the new beings on this earth.” (Darwin, 1845).

1. San Cristobal: San Cristobal Island and named previously by the English as Chatham Island, is the easternmost island in the Galapagos archipelago. This Island was the first island, Charles Darwin visited arriving to the Galapagos on September 16th, 1835. The Beagle anchored in a calm bay on the south of the island, near the actual capital of the Galapagos. The Beagle spent eight days surveying the coast. Darwin landed five times pushed by his interest on the volcanic and cratered island. He studied carefully the lava flows and theorized about its formation. His first impression of the dry coast he saw was of a deserted and isolated place. He did not find the tropical richness he expected, instead he

encountered desert plants, almost all in flower, and some reptiles that he pointed on his notes. In this island he had the chance to collect the first specie that later on would be the base and foundation of his Theory of Evolution, the San Cristobal Mockingbird.

2. Floreana: Floreana is one of the four islands inhabited in the Galapagos archipelago and was the second island explored by the Beagle expedition. Here Darwin had three days to collect species and the second bird to lead him to important conclusions in the future, the Floreana Mockingbird. He realized the difference in between the previous specimen found in San Cristobal, and started to pay more attention to this specie. Later he would discover the four species to be found in the archipelago and understand a pattern of evolution due to the adaptation differences from each other according to the environmental features of each island. In this island, Darwin also met by chance an English vice Governor who gave him important information remarking the difference and variations in the shapes of the shells of tortoise in each island.

3. Isabela: Isabela is the largest island of the Galápagos. It was the third island to arrive in his voyage on September 29th, 1835. The trip around the island and through the channel in between Fernandina and Isabela was noted on his field book.

Darwin described the island as the most deserted and volcanically active. When sailing next to it, he observed the lava flows and the smoke coming out from the craters. The Beagle decided to anchor in a place named Tagus Cove because of the easy water bay this place forms. Darwin disembarqued on October 1st and explored the volcanic terrain. Here he found the land of iguanas, both marine and terrestrial that to him were ancient creatures that he describes more in Santiago visit. After Isabela, The boat sailed around Pinta, Genovese and Marchena, offering Darwin the chance to admire the different formations. 4. Santiago: Santiago was the last island were Darwin disembarqued on October 8th. This is the island where Darwin stayed the longest, by this time, he knew already that the islands were something bigger and more important than they seemed when he first arrived. On his visit he expend 2 weeks and walked the whole island with some crew members that helped him carrying the specimens he was collecting. Here he first noticed the difference in between the tortoises from different islands with his own eyes; he was impressed by the amount of tortoises, which had different shapes and sizes. He wrote a big deal of characteristics of their behaviour and also had the chance to try their meat in soup. In this island Darwin noticed that most species were similar but different from other in the other islands, giving enough evidence to theorize that species change and this is related to their feeding and surroundings. He collected finches that helped him to understand this resolution. These animals are now considered the world's fastest evolving birds because of the adaptations they rapidly developed to cope with their needs in such a changing environment. Darwin left the Galapagos on October 20th, 1835.

The Beagle's voyage lasted almost five years, starting on December 27th, 1831 from Plymouth bay. Captain Fitzroy on command of the ship had offered Darwin the opportunity to travel in the boat collecting scientific information and species. Most of the specimens he first collected were marine invertebrates and plankton that he picked from the boat. The journey was an educative and scientific experience for Darwin, he had started his studies on Geology and influenced by thoughts from Lyell and others, he started to theorize about all the landscapes and formations he encountered. Overpowering his great scientific curiosity, it was the desperate need to be away from the Beagle, which drove Darwin to spend on land three out of the journey's five years. He would always be the first to disembark and the very last to get back on board. This allowed Darwin to really get to know the geology, fauna and flora and all other aspects of each coast and location the Beagle reached, including the Galapagos Islands. Darwin was a keen Naturalist. He noticed and described about every single detail of the rocks, plants and animals

he saw. He hunted, purchased, stuffed and sent back to England many pounds of samples, including fossil rocks and letters to his sisters. By the end of the trip, in 1836, he had written hundreds of pages with ideas and data. His head was so full of it, that it would take him a quarter of a century to put them together. On his return to England, Darwin engaged into publishing his records and thoughts. What would not see the light was a crazy idea that he only shared privately with his mentors and scientific friends. Not until 1858. There are very few locations worldwide that portray so obviously and freshly the processes of evolution and adaptation of the species. This place gave humanity the key to have a better understanding of the origin and development of life. The Galapagos Islands are often called Laboratory of Evolution due to the following reasons:

1. The Galapagos Islands are very young geologically speaking. The Galapagos come from a hotspot located on the seabed in the middle of the Pacific Ocean and so, it was created by consecutive volcanic eruptions and lifting of the layers. Arrivals of fauna and flora had the chance to establish and adapt, or not, little by little. The theory states that foreign life came from far away, from the south pacific, the Caribbean, and North America. Almost all mammals failed to complete the journey, reptiles and birds where the most successful to populate after their arrival to the islands, probably in floating platforms formed in the river basins and coasts.

2. On the other hand, the islands are strongly influenced by marine currents. Despite being located through the Equatorial line, cold ocean currents coming from the South Pole and the west create very different environmental conditions and upwelling. These facts have created special and very different conditions to the ones the species came from. The great volcanic activity, the water amazing productivity and variability, and the extreme isolation from any other location pushed the species to change in very specific directions, adapting to this extreme conditions until today. This process happened rapidly, speaking in terms of biology and evolution due to the absence of resources, which accelerated the process of adaptation of the ones who survived. Therefore, the speed that the species evolution process had in this archipelago and the amount of living evidence to be found is why they are known today as "The Living Laboratory of Evolution". In fact, the Galapagos is the only place where these processes are to be witnessed and evidenced as evolution. This gives this location its fame. This is where Charles Darwin was inspired to draw up his theory of evolution and the origin of species. The process these species went through is the one known as Natural Selection, the path by which the species change thru time becoming better adapted to the environment and conditions.

In our times, the Galapagos Islands remain one of the most unique, scientifically important, and biologically prominent corners of Earth. This combination of both physical and biological factors has been studied for many scientists and still today cause interest and controversy. The Galapagos are an interesting place for ecologists and biologists because, in limited and small areas like the islands, it is easier to study and understand relationships and dynamics among the populations of species. Theory before Darwin stated that all the species were created in the beginning of the times, all perfect organisms living in harmony in paradise, and no change would occur to any of these beings. God had created a perfect equilibrium for nature to exist. It was a world of stable populations and immutable nature. However, many facts, studied in the beginning by philosophers and then scientists, suggested something different. The curiosity of man to understand and interpret the world has always been the engine for all human discoveries and evolution. Lamarck In 1809, Charles Darwin's year of birth, a French Naturalist, Jean-Baptiste Lamarck, theorized about the evolution of species on his work of The Inheritance of Acquired Characters or Soft Inheritance. This concept stated that species would pass their acquired improved characters to their descendants and so, modify their nature throughout every generation. Wallace

Alfred Russell Wallace, a British naturalist, theorized and extracted conclusions of every animal he saw. On his work he paid especial attention to isolated populations due to geography, so he did most of his research on the Malay Archipelago. As a castaway he also had the chance to observe isolated populations in islands and theorized about all his conclusions. In 1858, he finished a scientific paper that he

humbly sent to a senior and world respected Naturalist: Charles Darwin. The conflict When Charles Darwin received Wallace's work, he found himself in the position of publishing his junior's ideas or publishing his own ideas, which came to be almost the same with slight variations on the perspective. Most of Darwin's supporters got a bit upset when they heard about this, but Wallace was the one ready to publish his work, and got all the credit for the Theory of Evolution, which is considered a masterpiece of our culture. On the other hand, Darwin was just too shy to reveal his ideas; but finally, supported by some colleagues, he wrote an abstract of his secret ideas that had a lot of similarities with the work he had in his hands for months. Many say that Darwin had many more samples and evidence from his journeys than Wallace, so he deserves the tittle of the man who changed the world's view. Huxley Thomas Henry Huxley was an English biologist-anatomist, part of the British Scientific Community, philosopher and a passionate follower of Darwin's theory. He was one of the first people who found Darwin's revelations difficult to believe, and even though it went against his religious formation, he ended up becoming one of his greatest devotees, who was even called Darwin's Bulldog. He was a man who would trust what he would see, but his philosophy wouldn't completely make up his mind. He would face many groups and even the Bishop, Samuel Wilberforce, supported what everyone considered the anti-biblical beliefs of evolutionary naturalism. Darwin called him "my good and admirable agent for the promulgation of damnable heresies". The insinuation that man was not created, but was something like a developed ape, brought a big deal of controversy. His contribution to history could be understood as the link between the conservative religious beliefs and the scientific evolutionary ideas.

Lyell Charles Lyell was a British geologist and lawyer that developed his most known theory of uniformitarianism, and revealed the idea that the earth was older than the biblical beliefs, giving names to the geological eras. He strongly influenced Darwin with the concept that constantly geological variations occur with small slight changes over a large period of time. This information was the link that Darwin was missing in some of the evolutionary processes he was trying to understand. Lyell supported Darwin's theory on the publication of his work in 1858 even though it went against his religious point of view. After the Theory of Evolution saw light, Lyell's theory was better accepted and even he published information revealing man had existed on earth long time ago. Malthus Thomas Malthus was an English cleric and economist. The concepts exposed on his work "An Essay to the Principle of Population" (1798) suggested that population growth and success was related to the availability of resources. He stated that population growth would always overpower the food supply growth, resulting in competition and struggle for survival. Lyell thought this was a mechanism used by God to control the population and encourage man to work. Darwin saw a different outcome from this dynamic, adding the fact that the environmental conditions would let some (the fittest), but not all organisms survive.

"In October 1838, that is, fifteen months after I had begun my systematic inquiry, I happened to read for amusement Malthus on Population, and being well prepared to appreciate the struggle for existence which everywhere goes on from long-continued observation of the habits of animals and plants, it at once struck me that under these circumstances favourable variations would tend to be preserved, and unfavourable ones to be destroyed. The results of this would be the formation of a new species. Here, then I had at last got a theory by which to work". (Charles Darwin)■

# A Juxtaposition of Constitution and Religion in India

**Dikshita Das**
*B.A., 1st Semester, Political Science*

The preamble of the Indian Constitution unambiguously states that India is a Sovereign, Secular, Socialist and a Democratic Republic. What the Preamble declares is actually ensured by the various provisions of the Indian Constitution, and not by the preamble itself. India was a socialist and secular state even before the incorporation of the words in the Preamble by the Forty Second Constitutional Amendment Act of 1976. This particular treatise is focussed only on the secular nature of the Indian state. The secularity of the Indian state is mostly ensured by the Fundamental Rights under Articles 25 to 28 (Right to Religion) and Articles 29,30, and 14.

Now, if we try to understand the word secular in the context of the Indian Constitution, it has a totally different implication from the western understanding of the word. The western concept is based on mutual exclusion of state and religion; where religion can't interfere in the domain of the state and vice versa. However in India mutual exclusion of religion and state is not a scope. As Alladhi Krishnaswami Iyer pointed out in the Constituent Assembly, religion and social life in India are inextricably linked together, and is impossible to separate the both. We follow a concept of secularism where even state sanctioned religious reform is possible and religious freedom is subject to reasonable restrictions. This is why, Article 17 exists which abolishes untouchability in any form and is declared as an offence punishable in accordance with law. In the Sabrimala case, the Supreme Court allowed entry of women of any age group into the Sabrimala temple. And in the Shayara Bano case, the five-judge bench of the Supreme Court declared the tripletalaq as an unlawful practice by a 3:2 majority, and ordered the Parliament to pass a legislation prohibiting the practice.

Every citizen in India is entitled to freedom of conscience and right to freely profess, practice and propagate religion under Article 25. Article 26 protects the right of religious institutions to manage their own affairs. Article 30 provides for the right of religious and linguistic minorities to establish and administer educational institutions. These are subject to public order, morality, health and other provisions of the Indian Constitutions. Article 14 ensures that there is equality before law and equal protection of law for every person; not just citizens but also legal persons. So, the Indian Constitution is framed in a way to ensure religious harmony and brotherhood. If we closely observe the Independence Movement of India and its great leaders, this secular notion is not something we took from the west; and also not an invention of the freedom Movement itself. This secular notion is something that is found to be an inherent part of the Indian Civilization. For instance, Buddha's teachings, Asoka's idea of Dhamma Asoka's equal criminal and civil laws for all sections, and a huge pantheon with hundreds of gods and thousands of beliefs and practices, thousands of explantions about them often contrasting, shows that

difference in opinion and belief was not problem in India. India is so diverse that even in a single family, there are five different gods worshipped at the same temple. The fact that four major religions of the world were born in this land cannot be left unacknowledged. India is inherently not a land of one truth but of multiple. However, certain confusions and doubts arise in the sphere of religious life in the contemporary India that we are living in.

India, being one fifth of worlds population and a safe haven to all the major religious of the world, or rather any religion, has its own communal problems too. Recent was the hijab row in the state of Karnataka. Any pragmatic view in this matter would lead that educational institutions should be cleansed of any religious dispute or symbolism, simply because it is the schools, colleges and universities where we learn brotherhood, and practise cooperation and compassion. Karnataka High Courts take on this was also clear. Constitution protects the essential religious practices, that too, when it is not in conflict with any of the other crucial provisions of the fundamental Rights. Then there are often statements by political figures which create chaos in many places in India and outside. Some days ago, Ma kali (Goddess) was portrayed smoking in a film poster. Such degraded way of presentation or misrepresentation is highly targeted towards the Hindu faith system. Bollywood plays a great role in such parochial acts. Such things not only hurt the religious sentiments of believers, but also give rise to communal tension. Though the Indian Constitution under Article 19 guarantees right to freedom of speech and expression, it is subject to reasonable restrictions on the grounds of sovereignty, integrity, security of the state, public order and morality. The one exercising the right should be responsible. It should be kept in mind not to harm others while exercising one's own right. As argued by J.S. Mill in his On Liberty. However, this does not mean that we curtail the space of reform. In the space and context of reform, speech becomes very crucial because conveyance of ideas and solutions, and criticism is possible only by speech. (Here, speech encompasses expression of views, opinions, belief and convictions freely by writing, printing, picturing, or by any other manner, not merely by wordsof mouth)

Availability and usability of any right is also dependent on the society. Right to speech is also subject to the sensitivity of the section who is in the target of the speech. Certain sections become a little more sensitive and aggresive, which ends up truncating the usability of freedom of speech. Again some others are less reactive which give us the scope of raising our voice of reform. However, the very space of reform and tolerance is often mistaken to be weakness and exploited to denigrate the faith system, if we see the religions around the world, almost all of them are patriarchal, all are reforming in certain ways, though with different pace. In our post modern world, every religious practice and belief should be applied and practised only after testing it on the anvil of local and rational validity.

For us to live in harmony, it is importance to be responsible, to be open to opinion of others, to be mature enough to accept reform and to be tolerant, and mostly, to respect the Constitution and uphold rule of low there was not a single flow in framing the Indian Constitution in order to establish a nation society growing in every sector cannot afford to be stagnant in human values. As we grow, we must think of what is relevant for us in the present society, and what is not.

Nothing is better than the words of RamachandraGuha to end this discussion on religion and Constitution. Here I quote:

"In India the choice could never be between chaos and stability, but between manageable chaos and unmanageable chaos, between humane and inhuman anarchy, and between tolerable and intolerable disorder."■

# NATIONAL EDUCATION POLICY, 2020

**Nishita Deka**
*B.A., 4th Semester, Political Science*

The NEP 2020 replaces the National Policy on Education of 1986. In January 2015, a committee under farmer cabinet Secretary T.S.R Subramanian started the consultation process for the New Education Policy. Based on the committee report, in June 2017, the draft NEP was submitted in 2019 by a panel led by former Indian space Research Organisation (ISRO) chief Krishnaswamykasturirangan. The draft NEP 2019 was later released by Ministry of Human Resource Development, followed by a number of public consultations.

The National Education Policy of India 2020 (NEP 2020), aproned by the union cabinet of India on 29 July 2020, outlines the unison cabinet of the new education system of India. The vision of the policy is to build an education system rooted in Indian ethos that contributes directly to transform India by providing high-quality education to all, thereby making India a global Knowledge superpower.

Highlights of National Education Policy for school education

1.Focus on early childhood care and education (ECCE) &Foundational literacy & Numeracy (FLN)

2. Curtailing dropouts and ensuring uniursal access at all levels of school education.

3. Learning should be holistic, Integrated, Enjoyable and Engaging.

4. Teacher Empowerment.

5. Equitable and Inclusive Education – Tearing for all.

6. Standard and Inclusive Education for school education

7. Adoption of pedagogically sound teaching and learningpractices.

8. Adoption of technology in teaching, learning and assessments.

The new 5+3+3+4 Academic structure

10+2 refers to two years of Schooling post grade 10 According to India's new National Educational policy 2020, 10+2 schooling system in India is set to be replaced by a new 5+3+3+4 system. Here is the age wise breakdown of the different levels of the school education system based on the new education policy 2020.

Transforming Exams


As per the National Education Policy 2020, Exams will also be made easier they will lest primarily core competencies to eliminate the coaching culture. Students will be allouwed to take board Exams twice in any guan year, to eliminate the high stakes of board exams.

The3 language Policy.

The National Education Policy 2020 (NEP) has emphasised on the use of mother tongue or local language as the medium of instruction till class 5 while recommends that all students will barn three languages in their school udder the formula. The three languages taught by of course the students themselves. Houeeuer, at least two of the three languages the students themselves.Houenever, at lest two of the tree languages should be native to India, one of which is most likely to be the locae/regional languages. The rule will apply to both private and public schools.

The National Education Policy 2020 encourages teachers to use a bilingual approach. Including bilingual approach, including bilingual bilingual teaching – learning materials, with those students whose home language may be different from the medium of insruction.

The National Education Policy recommended extending the range of the right to Education Act, 2009 to include the early childhood and the secondary school education levels. It suggested the elimination of detention of children until class eight.■



# WOMEN'S EMPOWERMENT

**Dibakshi Bhattacharyya**
*B.A., 6th Semester, Botany*

Women's empowerment is a way to uplift women by giving them their correct rights, the right to have and determine their choices, the right to have the power of controlling their own lines, the right to have access to opportunities and resources in every field etc. In Indian history, women are considered as a godless we war ship goddesses and give them the top place in our house. Women with power and respect are responsible for developing a happy family.

In many places, people treat women as inferior. They thought that women are born to do household chores and due to this mentality many people donot send their daughters to school. The main hurdle to women empowerment is their safety but when they are given the chance, they proved that they are not less than men in any field. However, today the scenario is changing, women are ruling the world with their talent and intelligence.

To give women more power, we should also work to end child marriage and the dowry system across the country women's rights are still getting better is the west, but in India, it is still behind. India is one of the places where women don't feel safe. They are not allowed to go to college and they get married young. India also has a big problem with domestic violence. However, in the 20th century, women are getting their rights and proving their worth. Women like kalpana chawla, Saina Nehwal, Mary Kom etc. are setting good examples for the women in India.

How to provide women empowerment ?

Women empowerment can be provided by social empowerment, economic empowerment, educational empowerment, political and psychological empowerment.

Social empowerment : Social empowerment enables women and girls to act individually and collectively in family decisions, marriage decisions, childbirth and to change the institutions and discourses that exclude and keep them in poverty.

Economic empowerment : Economic empowerment is the capacity of women to participate in, contribute to, and benefit from growth processes in ways that recoguise the value of their contributions, respect their dignity and make it possible to negotiate a fairer distribution of the benefits of growth. Financially independent women are seen as powerful people. Many organizations have realized the importance of economic development and are actively working towards waking women entrepreneurs and setting up microfinance

facilities. Creating more employment opportunities for women can also reduce poverty in the country.

Educational empowerment : Girls education should be made compulsory until graduation. Girls that are allowed to attend school and keep learning can grow up to become upstanding citizens of India. Women's education not only empowers her but a family too. Nowadays, in most IT companies and leading business firms we can of ten find the top most positions occupied by women.

Political empowerment : politics, being one of the strongest and most compelling ways to make a difference in society, gives women the confidence and skills required to be equal to men in society. India has witnessed a lot of female politicians over the past few decades. Pratibha Patil, Nirmala Sitharaman, Indira Gandhi, Draupadi Murmu etc. are a few examples of strong women in Indian politics.

Psychological empowerment : It allows women to live a life where they are not controlled by fear. It entails creating a space where women are free to themselves without fearing for their safety and well being. It will elaborate the psychological empowerment in women involving the indicators such as self esteem, residence stress levels, decision making power, locus of control; especially, internal locus of control (in having control on situations from within) which directly or indirectly effects the psychological well being of women.


The various women empowerment schemes in India initiated by the government in the past decade are i) Beti Bachao Beti Padhao scheme : Ensure survival, protection and quality education for the girl child. ii) Nirbhaya : Ensure safety and security for women and confidentiality of women's indentity. iii) Mahila E-Haat : Providing online entrepreneurship opportunities for women and educate women on various aspects of online business. iv) Nari Shakti Puraskar : Strengthen the place of women in society and create and assist institutions that work towards women empowerment in society. v) SWADHAR Greh : Provide legal aid and guidance to women and cater to the primary neid for food, shelter, clothing and health of women. vi) Mahila shakti kendras : Create a positive environment for women with access to basic healthcare, education, employment etc. vii) Women helpline scheme : Provide 24 hours service to women suffering from violence and assault; facilitate appropriate and required internention from agencies such as hospital and spread information about the necessary support services, govt. schemes and programs available for women affected by violence. viii) Ujjawala scheme : Prevent women and children from trafficking, rescue victims and put them in safe place and provide rehabilitation services to the victims. ix) Mahila police volunteers : To fight crime against women and report incidents of violence against women such as child marriage, dowry harassment and domestic violence faced by women in public places.

Need and Benefits of women empowerment : Empowerment women is a must if the country wants a belter future. Empowered women help to shape the future of their families by teaching their kids the right things. If a women will be empowered she will not be a burden on anyone. Women can line their lines with self respect and pride. Women's self confidence goes up and they make progress which helps the country grow poverty is also lessened by giving women more power. Empowering women helps them stand on their own feet. Protecting women and girls from violence and abuse while challenging the stigmas against reporting crimes would overall create a much safer society. They can take care of themselves and can realized the importance of self concept. They create positive change with their neighbors and others around the world. Women who are able to decide where, when and how to spend their income see improvements in their social and economic status and the level of resources devoted to their children.

Conclusion : Women represent half the world's population, and gender inequality exists in every nation on the planet. Until women are given the same opportunities that men are, entire societies will be destined to perform below their true potentials. The greatest need of the hour is the change of social attitude to women.■

# SVANTE PÄÄBO : THE NOBEL PRIZE IN PHYSIOLOGY OR MEDICINE 2022

**Kaushik Kumar Das**
*B.Sc., 1st Semester, Zoology*



The Nobel Prize in Physiology or Medicine is one of the original five prizes donated by the Swedish inventor Alfred Nobel. It has been awarded annually since 1901 by the Swedish Karolinska Institute and is endowed with eight million Swedish crowns (approx. 775,000 euros). On 10 December, the anniversary of Alfred Nobel's death, the highest scientific award is solemnly presented by the Swedish King in Stockholm.


The Nobel Prize in Physiology or Medicine was awarded in 2022 to Swedish geneticist Svante Pääbo, honoring work that illuminates both the distant past and the genetic heritage of people living today. Svante Pääbo, (born April 20, 1955, Stockholm, Sweden), Swedish evolutionary geneticist who specialized in the study of DNA from ancient specimens and who was the first to contribute to the sequencing of the Neanderthal genome. Pääbo also discovered the hominin Denisova. For his groundbreaking research on hominin genomes and human evolution, Pääbo was awarded the 2022 Nobel Prize for Physiology or Medicine. The Nobel Prize in Physiology or Medicine isn't often awarded to a single scientist. But, Krause says, "Who else would you give it to?" Many groups are using Pääbo's tools, he adds, "but they are largely his scientific progeny. He has brought up so many professors, so many teams, so many labs that are spinoffs. … Clearly there's no one else who deserves it the way he does." The award is "also a great honor for the field in general," says paleoanthropologist Katerina Harvati of the University of Tübingen. "I couldn't be happier than to see human origins research highlighted in such a globally impactful way, underlining the importance of our field not only for understanding our past, but also how our past can affect our lives, our biology, and health today." Svante Pääbo's father, Sune Bergström, was already honoured with the highest scientific award: the biochemist, together with Bengt Ingemar Samuelsson and Sir John Robert Vane, received the Nobel Prize for Physiology and Medicine in 1982 for their pioneering work on prostaglandins and related biologically active substances. A director at the Max Planck Institute for Evolutionary Anthropology (EVA) in Leipzig, Germany, since 1997, Pääbo pioneered the now-booming field of ancient DNA research. He was the first to successfully retrieve and sequence bits of ancient DNA from a Neanderthal in 1997. Then, after refining his methods to avoid contamination, his team sequenced a complete Neanderthal genome in 2009 and a Denisovan, another archaic human, the following year. His research has offered insights into the genetic evolution of modern humans, including a better understanding of disease risks. His interest in ancient DNA originated in a childhood fascination with ancient Egypt. Svante Pääbo studied Egyptology and Medicine at Uppsala University. As a student at Uppsala University, he shifted his focus from archaeology to medicine, following in the footsteps of his father, As a Ph.D. student in immunology, he also demonstrated that DNA can survive in ancient Egyptian mummies, thus gaining professional fame as a pioneer of the new field of palaeogenetics research. Paleogeneticists investigate the genomes of ancient organisms and draw conclusions about the course of evolution. After his doctorate, Pääbo worked in the team of evolutionary biologist Allan Wilson at the University of California at Berkeley. From 1990, he headed his own laboratory at the Ludwig Maximilian University in Munich. In 1997, Pääbo became one of five directors at the newly founded Max Planck Institute for Evolutionary Anthropology in Leipzig, where he is still active today. As early as the mid-1990s, Pääbo and his team were able to decipher a relatively short component of the mitochondrial DNA of a Neanderthal male. Mitochondria are tiny power plants in cells that supply them with energy and have their own DNA. This Neanderthal DNA differed considerably from the genome of modern humans. This proved that Neanderthals are not the direct ancestors of today's humans. Since DNA sequencing methods became much more efficient in the early 2000s,

Pääbo began sequencing the entire Neanderthal genome present in the cell nucleus. The difficulty was that after thousands of years, the bones of Neanderthals are so heavily colonised by bacteria and fungi that up to 99.9 percent of the DNA found in them originates from microbes. In addition, the small amounts of remaining Neanderthal DNA are only present in short fragments that have to be assembled like a gigantic puzzle. Many scientists believed that this task could not be solved. However, Pääbo's team devised new solutions. The researchers worked under "clean room conditions" comparable to those in the chip industry. This enabled them to prevent the inadvertent introduction of their own DNA into the experiments. In addition, they developed more efficient extraction methods that improved the yield of Neanderthal DNA. Complex computer programs that compared the DNA fragments of ancient bones with reference genomes of chimpanzees and humans helped to reconstruct the Neanderthal genome.

In 2010, Svante Pääbo and his team succeeded in reconstructing a first version of the Neanderthal genome from bones tens of thousands of years old. Comparisons of the Neanderthal genome with the genomes of today's humans showed that modern humans and Neanderthals had produced common offspring at their meeting about 50,000 years ago, when modern humans left Africa and arrived in Europe and Asia. Even today, therefore, the genome of today's non-African people still contains about two percent Neanderthal DNA. This genetic contribution influenced human evolution: it strengthened the immune system of modern humans, for example, but still contributes to their susceptibility to several diseases. "Neanderthals are the closest relatives of humans today," said Svante Pääbo. "Comparisons of their genomes with those of modern humans and with those of apes enable us to determine when genetic changes occurred in our ancestors. In the future, it could also be clarified why modern humans eventually developed a complex culture and technology that enabled them to colonize almost the entire world. However, this required a more complete knowledge of the Neanderthal genome than the team had acquired in 2010. In 2014, the team at the Max Planck Institute for Evolutionary Anthropology succeeded in deciphering the Neanderthal genome almost completely. This made a comparison with the genomes of today's humans possible. "We have found around 30,000 positions in which the genomes of almost all modern humans differ from those of Neanderthals and great apes," said Pääbo. "They answer what makes anatomically modern humans 'modern' in the genetic sense as well. Some of these genetic changes may be the key to understanding what distinguishes the cognitive abilities of today's humans from those of now extinct hominids. Prior to this, Svante Pääbo's team had already achieved a sensation in 2012: They decoded the genome from a small bone found in the Denisova Cave in the Altai Mountains in western Siberia. The mysterious primeval humans were remotely related to the Neanderthals and contributed up to five percent to the genome of today's inhabitants of Papua New Guinea, Aboriginal Australia and other groups in Oceania. The researchers are currently working on new methods to reconstruct DNA fragments that are even more decomposed and present in even smaller amounts. The aim is to enable research into even older DNA and genetic material from parts of the world where the survival of DNA is even rarer due to hot and humid climates. ■

# বাৰ্তালাপ ...

সাম্প্ৰতিক অসমৰ বৌদ্ধিক, অৰ্থনৈতিক, সাহিত্য তথা সামাজিক ধাৰাসমূহৰ বিষয়ে আজিৰ প্ৰজন্মৰ ছাত্ৰ ছাত্ৰী সকলে বহু কথাই শিকিবলগীয়া আছে। এই উদ্দেশ্যেৰে অসমৰ বৌদ্ধিক তথা সামাজিক দিশটোৰ গুৰিধৰোঁতা ড° হীৰেন গোহাঁই ছাৰ, সাহিত্যৰ দিশটোক নৱপ্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তোলা অসমৰ আগশাৰীৰ সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী বাইদেউ আৰু যুৱ উদ্যমিতা বিষয়টোক ছাত্ৰ ছাত্ৰীৰ মাজলৈ লৈ যাবলৈ অসমৰ থলুৱা সামগ্ৰীৰে অৰ্থনৈতিক দিশৰ বাট কটা মনোৰম গগৈ ডাঙৰীয়াৰ ওচৰ চাপিছিলোঁ। তেখেতসকলৰ লগত হোৱা কথোপকথনে ছাত্ৰ ছাত্ৰী সকলক নিশ্চয়কৈ লাভান্বিত কৰিব-



**ড° হীৰেন গোহাঁই ঃ**

অসমৰ এজন আগশাৰীৰ বুদ্ধিজীৱী হোৱাৰ উপৰিও ড° গোহাঁই ডাঙৰীয়া একেধাৰে এজন সুদক্ষ লিখক, চিন্তাবিদ, ভাষা-পণ্ডিত আৰু এক সবল ব্যক্তিত্ব। কটন কলেজৰ পৰা আদি কৰি প্ৰেছিডেন্সি কলেজ, দিল্লী বিশ্ববিদ্যালয় আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা ড° গোহাঁই ডাঙৰীয়া উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান "গৌহাটী বিশ্ববিদ্যালয়"ৰ মহিমামণ্ডিত ইংৰাজী বিভাগৰ অধ্যাপক ৰূপে নিযুক্ত আছিল। অসমীয়া আৰু ইংৰাজী ভাষাত লিখা কেইবাখনো কিতাপৰ ভিতৰত , "সাহিত্য আৰু সৃষ্টি", "সমাজ আৰু সমালোচনা" , "The magic plant" আদি উল্লেখযোগ্য সৃষ্টি।



**অনুৰাধা শৰ্মা পূজাৰী ঃ**

বৰ্তমান অসমৰ আগশাৰীৰ সাহিত্যিক সকলৰ অন্যতম অনুৰাধা শৰ্মা পূজাৰীৰ লেখাই নৱপ্ৰজন্মক বাৰুকৈ প্ৰভাৱান্বিত কৰিছে। ১৯৬৪ চনত যোৰহাটত জন্মগ্ৰহণ কৰা শৰ্মা পূজাৰীয়ে 'অসম বাণী' কাকতত 'কলিকতাৰ চিঠিৰ জৰিয়তে সাহিত্য জগতত প্ৰৱেশ কৰে। তেওঁৰ প্ৰথম খন উপন্যাস ' হৃদয় এক বিজ্ঞাপন'ৰ যোগেদি তেওঁৰ নাৰীবাদী চিন্তা তথা নাৰীৰ শোষণৰ বিৰুদ্ধে বলিষ্ঠতা প্ৰকাশ পায়। প্ৰথিতযশা সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিয়ে অনুৰাধা শৰ্মা পূজাৰীৰ প্ৰসংগত কৈছিল - "তোমাৰ জন্ম উপন্যাস লিখিবলৈ হৈছে।" বৰ্তমান 'সাদিন' কাকতৰ সম্পাদক হিচাপে কৰ্মৰত শৰ্মা পূজাৰীৰ পৰৱৰ্তী তিনিখন উপন্যাসৰ সংকলন-"এজন ঈশ্বৰৰ সন্ধানত"। পৰৱৰ্তী উপন্যাস 'কাঞ্চন'; 'চাহেবপুৰাৰ বৰষুণ', 'বৰাগী নদীৰ ঘাট'; 'নাহৰৰ নিৰিবিলি ছাঁ' (কেম্পাচ উপন্যাস), 'ৰাগ অনুৰাগ', 'মেৰেং' (ইন্দিৰা মিৰিৰ জীৱন ভিত্তিক) 'সোণ হৰিণৰ চেঁকুৰ', 'নীল প্ৰজাপতি', 'জলছবি', 'ইয়াত এখন অৰণ্য আছিল', 'সুখৰ ৰামধেনু'। গল্প সংকলন 'বসন্তৰ গান', 'এজন অসামাজিক কবিৰ বায়'গ্ৰাফী', 'কেথেৰিণাৰ সৈতে এটা নিৰ্জন দুপৰীয়া', 'ন' মেনছ লেণ্ড' (চুটি গল্প)। 'সাতসৰী' মাহেকীয়া আলোচনীৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰীয়ে ২০২১ চনত 'ইয়াত এখন অৰণ্য আছিল' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰে।



**মনোৰম গগৈ ঃ**

অসমৰ এগৰাকী আগশাৰীৰ সাংবাদিক তথা যুৱ উদ্যোগী মনোৰম গগৈ সম্প্ৰতি 'থলগিৰি' নামৰ অসমীয়া পৰম্পৰাগত থলুৱা খাদ্য সম্ভাৰৰ অনুষ্ঠানখন চলাই আছে। পঁচিশ বছৰকাল সাংবাদিকতাৰ অভিজ্ঞতাৰে পুষ্ট গগৈ ডাঙৰীয়াই অসমীয়া জাতিটোক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ আন্দোলনখনৰ গুৰি ধৰোঁতা হিচাপে আগুৱাই আহিছে। ২০১৪ চনত সাংবাদিকতা এৰি ২০১৮ চনত আৰম্ভ কৰা থলগিৰি এতিয়া এক সৰ্বজনবিদিত অনুষ্ঠান।



# হীৰেন গোঁহাই ছাৰৰ সৈতে কথা-বাৰ্তা

**প্ৰশ্ন- ১ ঃ** অসমৰ এখন গাঁৱৰ পৰা আৰম্ভ কৰি কটন কলেজ, প্ৰেছিডেন্সি কলেজ, দিল্লী বিশ্ববিদ্যালয় হৈ কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ এজন নব্বৈৰ দশকৰ ছাত্ৰ হিচাপে আপোনাৰ এই যাত্ৰাত আপুনি কিমান প্ৰত্যাহ্বানৰ সম্মুখীন হৈছিল? এই যাত্ৰা আপোনাৰ সপোনৰ কিমান ওচৰৰ আছিল?

**উত্তৰ ঃ** মোৰ জন্ম আৰু শৈশৱ গাঁৱত নহয়, চহৰতে। জন্ম গোলাঘাটত , শৈশৱৰ পৰা বাহিৰত কটোৱা বাৰটা বছৰ বাদ দিলে বাকীখিনি সময় গুৱাহাটীত। মই সাধাৰণ মধ্যবিত্ত ঘৰৰ ল'ৰা, প্ৰেছিডেন্সি আৰু কেম্ব্ৰিজত বেছিভাগ ছাত্ৰ-ছাত্ৰী অন্ততঃ মোতকৈ ওপৰৰ শ্ৰেণীৰ পৰা অহা। তেওঁলোকৰ জীৱন প্ৰণালী আৰু আদব-কায়দা নকল কৰিবলৈ গৈ ব্যৰ্থ হৈছিলো। তথাপি সময়খিনি ভালে ভালে পাৰ হ'ল।

অতি মেধাৱী প্ৰতিযোগিতামূলক পৰিৱেশত কিছু অনুপ্ৰাণিত হ'লেও মাজে মাজে সংকুচিত হৈছিলো। কিন্তু ভাবিছিলো এওঁলোকে যদি পাৰে, মইনো কিয় নোৱাৰিম?

**প্ৰশ্ন- ২ ঃ** আমি সকলোৱে জানো , সৰুৰে পৰাই আপুনি অতি অধ্যয়নশীল ব্যক্তি । সৰুৰে পৰাই কাৰ লিখনিয়ে আপোনাৰ মনত সাঁচ বহুৱাইছিল?

**উত্তৰ ঃ** সৰুতে অসমীয়া কিতাপ বেছি পোৱা নাছিলো কাৰণ তেতিয়াও অসমীয়া সাহিত্য সিমান সমৃদ্ধ হোৱা নাছিল। বাঙলা শিশু আৰু কিশোৰৰ বাবে লিখা কিতাপ আছিল দেধাৰ। অসমীয়া কিতাপৰ ভিতৰত মনত সাঁচ বহুৱাইছিল মিত্ৰদেৱ মহন্তৰ "মৌ মহাভাৰত" , হৰিপ্ৰসাদ বৰুৱাৰ "মইনা" আৰু অতুল চন্দ্ৰ হাজৰিকাৰ মেটাৰলিংকৰ পৰা অনুবাদ কৰা 'নীলা চৰাই'য়ে। ৰঘুনাথ দেৱচৌধুৰীৰ "অতীতৰ কথা"ই প্ৰাগৈতিহাসিক কালৰ সভ্যতা বিলাকৰ বিষয়ে মন কৌতুহলী কৰিছিল।

**প্ৰশ্ন- ৩ ঃ** যোৱা কেইটামান বছৰ ধৰি আমি মন কৰিছো যে বাওঁপন্থী সম্পৰ্কে অনেক বিভ্ৰান্ত ধাৰণা মানুহৰ মাজত সোমাই পৰিছে । বাওঁপন্থা সম্পৰ্কে অনেক অপবাখ্যা ওলাইছে । আনকি "বাওঁপন্থা এটা অপৰাধ" এই ধৰণৰ প্ৰ'পাগাণ্ডা এটাও সাধাৰণ মানুহৰ মাজত সুমুৱাই দিয়াৰ চেষ্টা চলিছে। এগৰাকী বামপন্থাত বিশ্বাসী ব্যক্তি হিচাপে আপুনি

ইয়াৰ উৎস ক'ত বুলি ভাবে? এই সমস্যাৰ পৰা মুক্তি পাবলৈ আমি কি কৰা উচিত?

**উত্তৰ ঃ** দুটা কাৰণত আমাৰ মানুহে বাওঁপন্থী ধাৰণা বা আদৰ্শ বুজিবলৈ টান পায়। প্ৰথমতে নগৰকেন্দ্ৰিক ধাৰণাৰ লগত মিলিত হৈ " বিপ্লৱৰ জৰিয়তে সমাজ আৰু জীৱনৰ ৰূপ সলাই দিয়া " কথাষাৰ আমাৰ অদ্ভূত যেন লাগে। আমি পৰিবৰ্তনত অভ্যস্ত নহয় , তাৰ প্ৰতি আমাৰ কিছুমান সংশয়ো আছে। সেয়ে তেনেধৰণৰ কথাই আমাক ভয় খুৱায়। আনহাতে প্ৰতিক্ৰিয়াশীল, পৰিৱৰ্তন নিবিচৰা, ন্যস্ত স্বাৰ্থৰ মানুহে বাওঁপন্থাক ভূতপ্ৰেতৰ কাৰবাৰৰ লগ লগাই দিয়ে। বিশেষকৈ মাটি সম্পত্তি দুখীয়াৰ হাতলৈ যাব বুলি ভয় খুৱায়। অৱশ্যে ভয় - সংকোচ জয় কৰা মানুহ বিলাকে দেখে জীৱন আৰু জগৎ সম্পৰ্কে বাওঁপন্থা বা মাৰ্ক্সবাদে নতুনকৈ চকু মোকলাব পাৰে।

বাওঁপন্থী সকলৰ কথাত স্বভাৱগত অনীহাৰে সঁহাৰি নিদি তেওঁলোকেনো কি কৈছে বুজিবলৈ চেষ্টা কৰিলে দেখিম, আমাৰ মনত বহুত প্ৰশ্ন জাগিছে। সেয়ে আৰম্ভণি হ'ব।

**প্ৰশ্ন- ৪ ঃ** যোৱা ১১ মাৰ্চ তাৰিখে আপুনি দিল্লী বিশ্ববিদ্যালয়ৰ ৰামযশ কলেজত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক, সামাজিক আৰু অন্যান্য সমস্যা সমূহৰ ঐতিহাসিক ভিত্তি দাঙি ধৰি এক সাৰুৱা বক্তব্য দিয়ে। সেই অনুষ্ঠানটোত আপুনি নিশ্চিতভাৱে ভাৰতৰ অন্য প্ৰান্তৰ শিক্ষাৰ্থীকো লগ পাইছিল। বৰ্তমান সময়ত ভাৰতৰ অন্য প্ৰান্তৰ শিক্ষাৰ্থীয়ে উত্তৰ পূৱ সম্পৰ্কে কেনে ধাৰণা পোষণ কৰে?

**উত্তৰ ঃ** সেইখন সভাত মাত্ৰ ৩০-৪০ জন মান শিক্ষাৰ্থীহে আছিল। বাহিৰৰ চাৰি-পাঁচজন মান আছিল। বোধহয় উত্তৰ পূৰ্বাঞ্চলৰ সমাজ সংস্কৃতি সম্পৰ্কে তেওঁলোকৰ স্পষ্ট ধাৰণা নাই। এনে ধাৰণা হওঁতে সময় লাগিব।

হিন্দুত্ববাদী সংস্কাৰ আদিৰ পুনৰ প্ৰচাৰ কৰাৰ ফলত হয়তো তেনে ধাৰণা আৰু পলমকৈহে জন্ম পাব।

**প্ৰশ্ন- ৫ ঃ** ছাৰ, সাম্প্ৰতিক সময়ত অসমত ছাত্ৰ- ৰাজনীতিৰ ভূমিকা কেনে হোৱা উচিত? আপুনি দেখি অহা সময়ৰ পৰা বৰ্তমানলৈকে ছাত্ৰ ৰাজনীতিৰ কি কি দিশত পৰিৱৰ্তন হোৱা লক্ষ্য কৰিছে?

**উত্তৰ ঃ** এটা সময় আছিল যেতিয়া সমগ্ৰ সমাজখনেই নানা আন্দোলনৰ ঢৌত আলোড়িত হৈ আছিল। বিশেষকৈ স্বাধীনতা আন্দোলন আছিল গোটেই সমাজখনকেই আৱৰা এক গণতান্ত্ৰিক আন্দোলন । সেয়ে তেতিয়াৰ ছাত্ৰ সকলো আন্দোলনমুখী আছিল। অধ্যয়নত লিপ্ত ছাত্ৰ-ছাত্ৰী সকলেও আন্দোলনৰ খবৰ ৰাখিছিল। আৰু বিভিন্ন ভাৱধাৰাৰ উদয়, সহাৱস্থান, মত-বিনিময় আৰু সংঘাত হৈ মনবোৰ জীপাল কৰি ৰাখিছিল।

সত্তৰ দশকৰ ছাত্ৰ আন্দোলনত তেতিয়াৰ সমাজ জড়িত নহ'লেও তাৰ প্ৰতি কৌতুহলী আৰু সহানুভূতিশীল আছিল। তাতো আছিল বিভিন্ন ধাৰা।

আনহাতে অসম আন্দোলন অতি শীঘ্ৰেই এক মতাৱলম্বী, অসহিষ্ণু আৰু বৌদ্ধিকভাৱে বাগাড়ম্বৰ সৰ্বস্ব হৈ উঠিছিল। সকলোৱে একে যুক্তি দিছিল, একে ধাৰণা পোষণ কৰিছিল। সেয়ে সি বৌদ্ধিকভাৱে বিশেষ ফচল ফলাব নোৱাৰিলে। আজিকালিৰ ছাত্ৰ আন্দোলনত সাধাৰণ ছাত্ৰক জড়িত কৰাব নোৱাৰাতো এক চিন্তাৰ বিষয়। ছাত্ৰ আন্দোলনৰ নেতাসকলে সাধাৰণ ছাত্ৰ ছাত্ৰীৰ সমস্যাক নিজৰ বুলি লৈ সমাধান বা লাঘৱ কৰিবৰ চেষ্টা কৰিলে সাধাৰণ ছাত্ৰ জড়িত হ'ব। ধৈৰ্য্য আৰু অধ্যাৱসায় লাগিব।

**প্ৰশ্ন- ৬ ঃ** বৰ্তমান অসমীয়া সাহিত্যত গ্ৰন্থৰ তুলনাত গ্ৰন্থ সমালোচনাৰ অভ্যাস কমি যোৱা দেখা গৈছে। গ্ৰন্থ সমালোচকৰ সংখ্যা কমি যোৱা দিশটোৱে অসমীয়া সাহিত্যক কোনটো দিশলৈ লৈ যাব বুলি আপুনি ভাবে?

**উত্তৰ ঃ** মানুহ অত্যন্ত আত্মকেন্দ্ৰিক হৈ পৰাত আনৰ লিখনিক লৈ মূৰ ঘমোৱাটো সময়ৰ অপচয় বুলি ভাবিব লৈছে। কিবা লিখিবলৈ বাধ্য হ'লেও ওপৰে ওপৰে লিখি পাল মাৰে। কিন্তু জনাই জানে যে গ্ৰন্থ সমালোচনাৰ জড়িয়তেই সমালোচকে সাহিত্যৰ ধৰ্ম, চৰিত্ৰ, গতি - গোত্ৰ, বিষয়বস্তু সম্পৰ্কে নতুন নতুন ধাৰণা মনতে গঢ়ি পাঠকক জনাব পাৰে। সি সাহিত্য সমালোচনাৰ নতুন বাট কাটি দিব পাৰে। তাৰ ওজনো বঢ়াব পাৰে।

আনহাতে সমালোচনা বিৰূপ হ'লে ক্ষুব্ধ হোৱা বা অগ্ৰাহ্য কৰা যদি লেখকৰ স্বভাৱ হৈ পৰে, তেন্তে সি তেওঁৰ বাবেই সেইটো ক্ষতিকাৰক হ'ব পাৰে। অৱশ্যে সমালোচকে তেওঁক বুজি নাপালে বা ভুল বুজিলে বেলেগ কথা।

সৃষ্টিশীল সাহিত্যৰ ক্ষতি হ'ব এইকাৰণেই যে সমালোচনাই সৃষ্টিশীল কৃতি সাহিত্যিকৰ আদৰ বঢ়োৱাৰ ৰুচিৰ পুষ্টি আৰু উন্নতি ঘটায়, যি আকৌ নতুন সাহিত্য সৃষ্টিত সহায় কৰে। সেয়ে সমালোচনা সাহিত্যৰ এক প্ৰয়োজনীয় অংগ বা আহিলা।

**প্ৰশ্ন- ৭ ঃ** এখন মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কেনে হোৱা উচিত? লগতে এইটোওঁ জানিবলৈ বিচাৰিম যে কেনে হোৱা অনুচিত?

**উত্তৰ ঃ** এখন কলেজৰ আলোচনীত সকলোৱে জনা, সকলোৱে ভবা কথাবোৰ চৰ্চিত হ'লে একো উপকাৰ নহয়। যৌৱনকাল নতুন উপলব্ধি, নতুন চিন্তা, নতুন সৃষ্টিৰ সময়। আগৰ চামে কৰি যোৱা খিনি পুনৰাই কৰিলে নহ'ব। নতুন কালত নতুন সৃষ্টি কৰিব লাগিব, আৰু এইটো কৰিব পাৰে উঠি অহা চামে।

কলেজ আলোচনীত মুঠতে মই এইটোৱেই বিচাৰো। ■

# অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে কথা-বাৰ্তা

**প্ৰশ্ন-১ ঃ** সাহিত্যৰ প্ৰতি আপোনাৰ অনুৰাগৰ জন্ম কেতিয়া, কিদৰে হৈছিল ? সাহিত্য চৰ্চাৰ প্ৰাৰম্ভিক কালচোৱাত কোন কোন বিশিষ্ট সাহিত্যিকৰ কলমে আপোনাক অনুপ্ৰেৰণা যোগাইছিল ? বৰ্তমানৰ অনুৰাধা শৰ্মা পূজাৰীয়ে কৈশোৰৰ অনুৰাধালৈ যদি এক বাৰ্তা প্ৰেৰণৰ সুযোগ পায়, তেন্তে কি ক'ব বিচাৰিব ?

**উত্তৰ ঃ** প্ৰথম কথা, মই কৈশোৰলৈ ঘূৰি যাব লাগিব, যিহেতু কৈশোৰৰ পৰাই মই সাহিত্যানুৰাগী । মোৰ মা আৰু দেউতা দুয়োজনেই খুব কিতাপ পঢ়িছিল, দুয়োজনৰ নিজৰ পছন্দৰ কিতাপ ৰাখিবলৈ দুটা বুক চেল্‌ফ আছিল ।মই আজিৰ পৰা ৪০-৫০ বছৰ আগৰ কথা কৈ আছোঁ,আখৰ লিখিবলৈ শিকাৰ আগৰ পৰাই মই ছবি আঁকিছিলো । সেই সময়ত ছবি বিষয়ক কিছুমান কিতাপ বৰ সহজলভ্য নাছিল আৰু তেনেকুৱা কিতাপবোৰ দেউতাই দিল্লী, মাদ্ৰাজৰ পৰা অৰ্ডাৰ দি দি আনিছিল। সেই সময়ত মই দেখিছিলো দেউতাহঁতে দৰকাৰী বহুত ভাল ভাল কিতাপ ডাকযোগে আনিছিল। সেই সময়ত ডাকযোগে কিতাপ অহা দেখি মই ভাবিছিলোঁ দেউতাহঁতলৈ ইমান কিতাপ আহে, মোলৈ নাহে নেকি ?সেই সময়ত মই কিছুসংখ্যক অসমীয়া কিতাপ পঢ়া আৰম্ভ কৰিছিলোঁ ।সেই সময়ত অনুবাদ কিতাপ কিছুসংখ্যক আছিল কিশোৰ উপযোগী, ৰোমাঞ্চকৰ। যেনে- আশী দিনত পৃথিৱী পৰিভ্ৰমণ, সাগৰ তলিয়েদি কুৰি হাজাৰ লীগ ইত্যাদি কিতাপবোৰ মই পঢ়িছিলো । সেই সময়ত মোৰ প্ৰিয় কিতাপ আছিল আলেকজেণ্ডাৰ



ডুমাৰ “দ্য থ্ৰী মাস্কেটিয়াৰ্চ” । মোৰ স্কুলীয়া শিক্ষাৰ প্ৰথমচোৱা ইংৰাজী মাধ্যমত হৈছিল, সেইকাৰণে কিছুমান কিতাপ মই সৰুতে ইংৰাজীতেই পঢ়িবলৈ পাইছিলোঁ । লাহে লাহে যেতিয়া অসমীয়া কিতাপ পঢ়া আৰম্ভ কৰিলোঁ, তেতিয়াৰ পৰাই কিতাপৰ প্ৰতি এটা বেলেগ ধৰণৰ হাবিয়াস আৰম্ভ হ'ল। সেই সময়ত পৃথিৱীখনক কিতাপৰ মাজেদি জানিছিলোঁ। আজি টিভিৰ যোগেদি দেখা কথাবোৰ আমি কিতাপৰ যোগেদি দেখিছিলোঁ । মই ভাবো সকলো মানুহৰ বাবে কৈশোৰৰ সময়চোৱা খুউব গুৰুত্বপূৰ্ণ, কাৰণ এই সময়খিনিয়েই জীৱন গঢ়াৰ ভেটি, মনৰ দুৱাৰখন খুলি ৰখাৰ সময় । গতিকে ভাষা, সাহিত্য চৰ্চাৰ আৰম্ভণি সেই সময়তে কৰিব লাগে । জীৱন নামৰ মহাসাগৰখনত সাঁতুৰিবলৈ আৰম্ভ কৰাৰ এই সময়খিনিতেই মানুহক সঠিক অভিভাৱকত্ব লাগে ।সেই অভিভাৱকত্ব পিতৃ-মাতৃয়ে নোৱাৰিলে শিক্ষকৰ নাইবা ওচৰ চুবুৰীয়াৰ হ'লেও থাকিব লাগিব ।মোৰ বাবে এয়া সৌভাগ্যৰ কথা আছিল যে মোৰ পিতৃ- মাতৃ, শিক্ষক আৰু আত্মীয় স্বজন আটাইয়ে নানা বিষয়ৰ সমৃদ্ধ ব্যক্তি আছিল । বহু কথাই মই কিতাপ পঢ়ি জানিব পাৰিছিলোঁ, আনকি নিজৰ এটা পুথিভঁৰাল খুলি লৈছিলোঁ ঘৰত । বিহু- পূজাত অইনে কাপোৰ বিচাৰে, মই কিতাপ বিচাৰিছিলোঁ । যোৰহাটতৰ মোৰ ঘৰৰ ওচৰত পূৰ্বশ্ৰী প্ৰকাশন বুলি এখন ডাঙৰ কিতাপৰ দোকান আছিল । নতুন নতুন কিতাপ আহিলেই মই খবৰ লৈ কিনি আনিছিলোঁ । ডিষ্ট্ৰিক লাইব্ৰেৰীৰ কাৰ্ড বনাই লৈছিলোঁ ।সেই সময়ত লাইব্ৰেৰীলৈ যোৱাটো এটা অভ্যাসেই আছিল ।সেই সময়ত লাইব্ৰেৰীলৈ যোৱা আৰু নোযোৱাসকল দুটা ভাগত বিভক্ত আছিল । আমাৰ কৈশোৰৰ এটা উল্লেখনীয় অংগ আছিল ‘মইনা মেল’ । মইনা মেলেই আমাৰ জীৱন নিৰ্ণয় কৰিছিল । মইনা মেলৰ বিচাৰকসকল সেইসময়ৰ গুণী -জ্ঞানী, আদৰ্শবান ব্যক্তি আছিল । মই মইনা মেলৰ নায়িকা হৈছিলো । প্ৰতি দেওবাৰে আমি মইনা মেললৈ গৈছিলোঁ । তাত প্ৰত্যেকদিন একোটা বিষয় যেনে তৰ্ক, আকস্মিক বক্তৃতা আদি হৈছিল । মইনা মেলৰ লাইব্ৰেৰীৰ পৰা কিতাপ পঢ়িবলৈ আনিলে পিছৰ সপ্তাহত মেলত কিতাপখনৰ বিষয়ে কব লাগিছিল । মইনা মেলৰ নৈতিক শিক্ষাই কুমাৰে সযত্নে মাটিৰ কলহ গঢ়াৰ লেখীয়াকৈ আমাৰ চামৰ সকলোৰে জীৱন গঢ়িছিল । কৈশোৰৰ এইসমূহ প্ৰভাৱ মোৰ জীৱনত থাকি গৈছে । সেই সময়ত এখন উপন্যাসে মোৰ জীৱনত যথেষ্ট প্ৰভাৱ পেলাইছিল, সেইখন আছিল পাৰ্ল এছ বাকৰ “গুড আৰ্থ”খনৰ ৰুনাল্ড ৰ'চিডৰ অনুবাদ কৰা উপন্যাসখন ।যিসময়ত উপন্যাস পঢ়িব নালাগে বুলি কয় সেইসময়তেই উপন্যাসখন পৰিছিলোঁ ।এই কিতাপখনৰ মাজেদিয়েই মই গোটেই চীনদেশখন দেখিছো; সেই দেশৰ সংস্কৃতি, ইতিহাস বুজিছো । এই কিতাপখন পঢ়াৰ পিছত হাবিয়াসবোৰ গাঢ় হৈছিল । তাৰ পাছত পঢ়িছিলো বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ ইয়াৰুইংগম। তেনেকুৱা উপন্যাসবোৰ মই পঢ়িছিলো। এইবোৰকেই মই জীৱনৰ সম্পদ বুলি ভাবো ।

**প্ৰশ্ন-২ ঃ** সাহিত্যত বৌদ্ধিক সমৃদ্ধিৰ প্ৰয়োজন আছে বুলি আপুনি ভাৱেনে?

**উত্তৰ ঃ** হয়, বৌদ্ধিক সত্তা এটা লাগিবই । বৌদ্ধিক বিবেচনা নহ'লে মানুহৰ ভাষা, চিন্তা, কৰ্ম একোৱেই ভাল নহব, সাহিত্যত কাল বিসংগতি হব ।সাহিত্যত যুক্তি বৰ প্ৰয়োজনীয়। উদাহৰণস্বৰূপে মই যদি আজি এখন ২০০ বছৰ পুৰণি সমাজৰ কথা লিখিবলৈ যাওঁ, মই আজিৰ ভাষাত লিখিব পাৰিম জানো তাৰবাবে মোক অধ্যয়ন লাগিব । বৌদ্ধিক সমৃদ্ধি নাথাকিলে মই সাহিত্য কিদৰে চৰ্চা কৰিম সাহিত্য তৰল বস্তু নহয় । সাহিত্যৰ বাবে বৌদ্ধিক সত্তাৰ বিকাশ অতি জৰুৰী, অন্যথা ভাল সাহিত্যৰ সৃষ্টি নহয় । কাৰণ প্ৰথম কথা হৈছে, যিকোনো বিষয় লিখিবলৈ অন্তৰ্দৃষ্টি লাগিব, শক্তিশালী ভাষা লাগিব, চৰিত্ৰ বিশ্লেষণ লাগিব। কিছু কিছু সময়ত লেখকজন মনোবিজ্ঞানীও হৈ পৰিব লাগিব। গতিকে লেখকৰ অধ্যয়ন, বিশ্লেষণ, পৰ্যবেক্ষণ যিমানেই ভাল হব, সিমানেই সাহিত্য ভাল হব ।

**প্ৰশ্ন-৩ ঃ** সাম্প্ৰতিক সময়ৰ সাহিত্য আৰু আপুনি সাহিত্য চৰ্চা কৰাৰ সময়ৰ সাহিত্যৰ মাজত কিবা পৰিৱৰ্তন দেখা যায় নে ?যদি পৰিৱৰ্তন দেখা যায়, সেই পৰিৱৰ্তনে অসমীয়া সাহিত্যক কোন দিশে আগবঢ়াই নিছে?

**উত্তৰ ঃ** এটা পৰিৱৰ্তন মই দেখিছো । সেয়া হ'ল, আগৰ সময়ত কিতাপ প্ৰকাশ এটা সহজ কাম নাছিল। প্ৰকাশকে প্ৰকাশ নকৰিলে কোনেও নিজে কিতাপ প্ৰকাশ কৰিব নোৱাৰে । সেইদৰে লেখকসকলেও যথেষ্টখিনি পৰিশ্ৰম কৰি, অধ্যয়ন কৰি এখন কিতাপ লিখে । সেইদৰে লেখকসকলৰ একোটা পৰিচিতি গঢ় লয় পাঠক সমাজৰ মাজত। উদাহৰণস্বৰূপে আৱাহন যুগ, ৰামধেনু যুগৰ সাহিত্যিকসকলৰ কথা আমি কব পাৰো । সেইসময়ত পাঠকৰ মানদণ্ড খুউব উচ্চ আছিল । সকলো পাঠকেই লেখক হব খোজা নাছিল । কিন্তু বৰ্তমানৰ প্ৰেক্ষাপটত দেখিছো সকলো পাঠকেই লেখক হব খোজে। ফলস্বৰূপে উচ্চমানৰ পাঠকৰ সংখ্যা কমি গৈছে আৰু লেখকৰ সংখ্যা মাথো বাঢ়ি গৈছে। কেইহাজাৰ মান টকা দিলেই ডিটিপি কৰিব পাৰি, ডিটিপি কৰিয়েই বেটুপাত এখন কাৰোবাৰ হতুৱাই অঁকাই সেইখন কিতাপ কৰিব পাৰি আৰু কিতাপখন প্ৰকাশ পোৱাৰ লগে লগে তেওঁ ৰাতিৰ ভিতৰতে লেখক হ'ল। যদি কবিতা লিখিলে, যদিওবা তেওঁৰ কবিতাৰ মানদণ্ড কি আমি নাজানো, তেওঁ ৰাতাৰাতি কবি হ'ল, কাৰণ তেওঁ এখন কিতাপ উলিয়ালে । গতিকে এই পাৰ্থক্যটোৱেই মই আটাইতকৈ বেছি দেখিছো ।

**প্ৰশ্ন-৪ ঃ** "মূল্যবোধৰ সাহিত্য"ৰ সংজ্ঞা আপুনি কিদৰে দিব ? অসম সাহিত্য সভাকে ধৰি অন্যান্য মূধাফুটা সাহিত্যসেৱী অনুষ্ঠানসমূহে এই মূল্যবোধ অক্ষুন্ন ৰখাত সফল হৈছে নে ?

**উত্তৰ ঃ** সাহিত্য সভা এটা অনুষ্ঠান হে ,সাহিত্য সভাই সাহিত্যিক সৃষ্টি কৰিব নোৱাৰে । সাহিত্য সভাই খুব বেছি এটা পৰিৱেশ দিব পাৰে । দহজন মানুহৰ লগত কথা পতাৰ এটা সুযোগ দিব পাৰে । সাহিত্য সভাৰ বিভিন্ন অনুষ্ঠানলৈ যেতিয়া মানুহ যায়, বিভিন্ন স্থানৰ জনগোষ্ঠীয় সংস্কৃতিৰ সৈতে যি আদান প্ৰদান হয়, সেইখিনি পৰিৱেশ দিব পাৰে । যেনে কাৰ্বি আংলঙৰ অনুষ্ঠান পাতিলে, বা দৰঙত পাতিলে, তেতিয়া সেই ঠাইৰ জনসম্প্ৰদায়ৰ লগত ভাৱৰ আদান প্ৰদান হয় । কিন্তু সাহিত্য সৃষ্টি কৰিবলৈ সাহিত্য সভাৰ প্ৰয়োজন নাথাকে । আমাক সাহিত্য সৃষ্টি কৰিবলৈ কেৱল কলম এটা আৰু কাগজ কেইখিলামান লাগে । লেখকজন সদায় অকলশৰীয়া । তেওঁ অকলেই লিখিব লাগিব, সমাজ এখন লৈ তেওঁ লিখিব নোৱাৰে । গতিকে অনুষ্ঠান আৰু লেখক, সাহিত্য আৰু সাহিত্য সভাৰ মাজত এটা বৃহৎ পাৰ্থক্য আছে । সাহিত্য সভা আৰু সাহিত্য কৰ্মৰ মাজত সেইটোৱেই মূল পাৰ্থক্য যে সাহিত্য সভাই সাহিত্যিক সৃষ্টি কৰিব নোৱাৰে ।

**প্ৰশ্ন-৫ ঃ** গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত কল্পনাপ্ৰসূত কাহিনী আৰু বাস্তৱভিত্তিক অধ্যয়ন, এই দুয়োটাৰ কোনটোক বেছি প্ৰাধান্য দিয়া উচিত ?

**উত্তৰ ঃ** আনৰ কথা নাজানো, মই বাস্তৱভিত্তিক চিন্তাক প্ৰাধান্য দিওঁ । মোৰ কাহিনীৰ পৰিকাঠামো হিচাপে বাস্তৱক খামুচি ধৰিয়েই আগবাঢ়ো । সাহিত্যিক সৌন্দৰ্যৰ বাবেহে মই কল্পনাৰ সহায় লওঁ । অকল বাস্তৱতাৰ ওপৰত ভিত্তি কৰি লিখিলে সেয়া চৰিত্ৰবোৰৰ জীৱনী হব । তাত সাহিত্যিক অলংকাৰ সমূহ খটুৱাবলৈ কল্পনাশ্ৰয়ী হব লাগিব, ভাৱৰ বিশ্লেষণ কৰিব লাগিব । মোৰ পটভূমি সদায় বাস্তৱ । মাথো সাহিত্যক সাহিত্য কৰিবলৈ যিখিনি কল্পনাৰ প্ৰয়োজন সেইখিনিহে মই ব্যৱহাৰ কৰো ।

**প্ৰশ্ন-৬ ঃ** উঠি অহা নতুন লেখক সকলক লৈ আপুনি কিমান আশাবাদী ? তেওঁলোকৰ সাহিত্য চৰ্চাৰ দিশটো আগবঢ়াই লৈ যাবলৈ আপুনি কি পৰামৰ্শ দিব ?

**উত্তৰ ঃ** নতুন সকলে যথেষ্ট ভাল লিখিবলৈ লৈছে । কিন্তু ভাল লেখাৰ লগে লগে তেওঁলোকে যাতে এইটো নাভাবে যে মই তৎক্ষণাতে এজন সাহিত্যিক হ'ম । সাহিত্য এক সাধনা । সাধনা এদিনতেই হোৱা বস্তু নহয় ; ইয়াৰ বাবে যথেষ্ট ধৈৰ্য্য, কষ্ট, সহ্যৰ প্ৰয়োজন । নতুন লেখক লেখিকাসকল যথেষ্ট সম্ভাৱনাময় আৰু বুদ্ধিদীপ্ত । তেওঁলোকে সাহিত্যৰ বিষয় বাছনি কৰিব জানে । নানা বিষয়ত তেওঁলোকে সাহিত্য চৰ্চা কৰিছে । মই ইয়াকে বিচাৰো যে নানা বৃত্তৰ পৰিধি ভাঙি আহি তেওঁলোক আগবাঢ়ি যাওঁক আৰু পৰিশ্ৰমৰ যোগেদি সফল হওঁক । কিন্তু তেওঁলোকে এদিনতেই সাধনাৰ ফল আশা কৰিব নালাগিব । তেতিয়াহে সাহিত্যৰ ভৱিষ্যত উজ্বল হৈ থাকিব । আকৌ মূল্যবোধৰ ক্ষেত্ৰত কব বিচাৰো যে মূল্যায়ন সদায় পাঠকে কৰে । মূল্যবোধ সদায় সলনি হয় । এতিয়া অৰ্থাৎ প্ৰযুক্তিৰ আগমনৰ পিছৰ পৰা মূল্যবোধ আৰু সোনকালে সলনি হোৱা হ'ল । তাৰ আগতে মূল্যবোধৰ সলনিৰ হাৰ খুব খৰ নাছিল । সামাজিক বান্ধোনবোৰ সলনি কৰিবলৈ বহু বছৰ লাগিছিল । যেনে ধৰা উচ্চ জাতৰ মানুহে নিম্ন জাতত বিয়া নাপাতিছিল । কিন্তু এতিয়া কথাবোৰ সহজ হৈ গ'ল, এইবোৰ কথাত কোনেও আপত্তি নকৰে । আমি যদি ভাবো সেই সময়ৰ সেইটো মূল্যবোধ আছিল, তেন্তে এতিয়া সেইটো সলনি হৈ গ'ল । দহবছৰ পিছত সেয়া আকৌ বেলেগ ধৰণৰ হব, হয়টো এইবোৰ কথাই নাথাকিব । এটা কথাত মই সদায় গুৰুত্ব দিওঁ, পুৰণি মূল্যবোধ বিলাকক তেনেকৈয়ে থাকিবলৈ দিয়া উচিত । সেই সময়ৰ উপযোগীকৈ সেয়া নিয়ম আছিল, তেতিয়া তাত কোনেও বেয়া পোৱা নাছিল । গতিকে এতিয়াৰ প্ৰেক্ষাপটত তাক সমালোচনা ৰৰকৈ কৰিব নালাগে । মই নিজেই দেখিছিলো যোৰহাটত মোৰ দেউতাহঁতে লগৰ মুচলিম বন্ধুজনক ঐ গৰীয়া বুলি মাতিছিল, কোনেও বেয়াও নাপাইছিল । আজি কাৰোবাক তেনেকৈ মাতকচোন, কেনে এটা অৱস্থা হ'ব। গৰীয়া বুলি যাক মাতে, তেওঁৰ কাৰণে আকৌ জীৱন দিব পৰাকৈ বন্ধুত্ব। এই সৰু সৰু কথাবোৰ আছিল সেই সময়ত, আমি নিজেই দেখিছিলো । মোৰ ককাৰ ঘৰ গোলাঘাটত, তেওঁ নৈষ্ঠিক ব্ৰাহ্মণ। আমাৰ বাৰীৰ লগতে এটা মচজিদ আছে । সেই মচজিদত প্ৰত্যেক শুকুৰবাৰে ককাই জ্বলাবৰ কাৰণে মমবাতি পঠিয়াই। ঘৰত একদম কাঢ়া নিয়ম আছিল, যে সেই মচজিদৰ ভালে কোনেও একো চুৱা বস্তু, বেয়া বস্তু পেলাব নোৱাৰিব, কোনেও ভাত পানী খাই উঠি সেইফালে গৈ মুখ ধুব নোৱাৰিব । মচজিদটোক ইমানখিনি সন্মানেৰে ৰাখিবলৈ ঘৰৰ পৰিৱেশে আমাক শিকাইছিল । আবেলি সেই মৌলবীজন আহে । ককাৰ লগত আগফালে বহি কোৰাণ, গীতা দুয়োটাৰে কথা তেওঁলোকে পাতে । তাত কোনো ভেদভাৱ নাছিল । কাঁহৰ বাটি এটাত চাহ দিয়ে, চাহকাপ খাই তেওঁ নিজেই বাটিটো ধুই উবুৰিয়াই থৈ যায় । তেওঁটো বেয়া নাপায়। কেতিয়াও বেয়া নাপায় । কিন্তু তেওঁক চাহ নুখুৱালে হে ককাই হুলস্থূল লগাব । সেই মৌলবীজনৰ ঘৰৰ ওচৰৰে এজন মুছলমান মানুহৰ ল'ৰাৰ বিয়া,

তাত আশীৰ্বাদ দিবলৈও ককাক মাতিছে । ককা গৈছে, ককাক তামোল- চুপাৰী আদিৰে আপ্যায়িত কৰিছে । কোনেও কাৰো ধৰ্মীয় অনুভূতিত আঘাত নিদিয়ে । আনকি মচজিদৰ কুকুৰা আহি আমাৰ চোতালত ঘূৰি ফুৰে, মানুহ পঠিয়াই কুকুৰাটো লৈ যাবলৈ কয় । নিয়মমতে ইয়াক লৈ হূলস্থূল লগাব পাৰিলে হৈ, কিন্তু নকৰে । তেওঁলোকৰ মাজত আন্তৰিক টান আছিল, পৰস্পৰৰ প্ৰতি সন্মানবোধ আছিল। এইবোৰ কাৰণত সমাজখন বৰ ভাল হৈ আছিল । গতিকে এসময়ত কোনোবাই খাই উঠি বাটিটো উবুৰিয়াই থৈ যোৱা কথাটোক লৈ আমি আজিৰ প্ৰেক্ষাপটত যদি কাৰোবাক জাতত ধৰি গালি পাৰো, সেয়া অনুচিত কথা হব । মূল্যবোধৰ সংঘাত হব । তেনেকৈয়ে মূল্যবোধৰ সলনি হয় । আমাৰ নিজৰ ঘৰত চাৰিগৰাকী জনগোষ্ঠীয় বোৱাৰী আছে, জোৱাই আছে । সেইবোৰক লৈ আমাৰ কেতিয়াও সংঘাত হোৱা নাই । গতিকে সময়ে সময়ে মূল্যবোধ সলনি হব, আৰু কোনটো মূল্যবোধ ভাল, কোনটো বেয়া সেয়া সময়ে বিচাৰ কৰিব । আছলতে ভাল- বেয়াবোৰ আপেক্ষিক । ভাল কোনটো, বেয়া কোনটো আমি বিচাৰ কৰিব নোৱাৰো, সেই দায়িত্ব সময়ৰ হাতত ।কোনোবা সময়ত আটাইতকৈ বেয়া বুলি ভবা কথাটোও আজি গ্ৰহণযোগ্য । সেইদৰে প্ৰত্যেকজন মানুহৰ মনত প্ৰত্যেকৰ প্ৰতি সন্মানবোধ আৰু মানৱতাবোধ থাকিব লাগে । তেনে মূল্যবোধ হৈছে শ্ৰেষ্ঠ মূল্যবোধ আৰু সেয়া কাহানিও সলনি নহয় ।বাকী মূল্যবোধ সলনি হ'ব ,পিছে এই মূল্যবোধ কেতিয়াও সলনি নহয়।

**প্ৰশ্ন-৭ ঃ** মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনীখন কেনে হোৱা উচিত বা কেনে হোৱা অনুচিত ?

**উত্তৰ ঃ** বাৰ্ষিক আলোচনীখনত মহাবিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰীসকলে অগ্ৰাধিকাৰ পোৱা উচিত বুলি মই ভাবো। বহুতক দেখো বাহিৰৰ মানুহৰ দ্বাৰা বেছিভাগ লিখায় । বিদ্যায়তনিক দিশসমূহৰ ওপৰত বা অন্যান্য সময়োপযোগী বিশ্লেষণাত্মক লেখা অন্তৰ্ভুক্ত কৰিব পাৰে, কিন্তু ছাত্ৰ ছাত্ৰীসকলৰ ওপৰত গুৰুত্ব দিব লাগে, কাৰণ মহাবিদ্যালয় খনেই তেওঁলোকৰ প্ৰতিভা বিকাশৰ মঞ্চ। অন্যথা ছাত্ৰ ছাত্ৰীসকলৰ আগবাঢ়ি যোৱাৰ বাটত ব্যাঘাত জন্মে । আলোচনীখনৰ মানদণ্ডৰ নিৰূপণ কৰিবলৈ এজন অভিভাৱক থাকিবই লাগিব । সম্পাদকজন, শিক্ষকসকলে তেনে নিৰ্ণায়ক ভূমিকা লব পাৰে । কিন্তু তাৰ বাবে কুম্ভীলক বৃত্তি লোৱা অনুচিত । অইনৰ পৰা ধাৰ কৰা, মৌলিকতা বিহীনভাৱে, মিছা পাণ্ডিত্য দেখুৱাই কিবা এটা লেখাটো উচিত নহয় । দৰকাৰ হ'লে মানদণ্ড কমেই হওঁক, কিন্তু নিজৰ চিন্তাৰে সাহিত্য চৰ্চা কৰিব লাগে, মৌলিক সত্বাসমূহ তাত প্ৰকাশ পাব লাগে ।যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে আজিৰ লিখনিটো আজিৰ পৰা বহুবছৰ পাছত পঢ়ি তেওঁলোকে নিজেই নিজৰ চিন্তাধাৰাক বিচাৰ কৰিব পাৰিব ।আনৰ পৰা ধাৰ লৈ লিখা লিখনিৰ দ্বাৰা তেওঁলোকে নিজৰ চিন্তাধাৰা বিচাৰ কৰিব নোৱাৰিব ।সেইবাবে আলোচনীখনত ছাত্ৰ-ছাত্ৰীৰ মৌলিক চিন্তাধাৰা প্ৰকাশ পাব লাগে। ছাত্ৰ ছাত্ৰীসকলে বিভিন্ন উৎসৰ পৰা অধ্যয়নপুষ্ট হৈ নিজস্বতা সমৃদ্ধ লেখাসমূহ প্ৰস্তুত কৰিব লাগে । মই এনেকৈয়ে এখন আলোচনী হোৱাটো বিচাৰো । তেনেকৈয়ে ছাত্ৰ ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশ হব পাৰে।■

# মনোৰম গগৈদেৱৰ সৈতে কথা-বাৰ্তা

**প্ৰশ্ন-১ ঃ** প্ৰথমতে সাংবাদিকতাৰ পৰা আৰম্ভ কৰি ,অসমৰ মূল সুঁতিক ধৰি ৰাখিব পৰাকৈ এইয়া যি এক থলুৱা উদ্যোগৰ আৰম্ভণি, এই আৰম্ভণিৰ কথা কেনেকৈ মনলৈ আহিল ?আৰু এই উদ্যোগটি আৰম্ভ কৰাৰ অনুপ্ৰেৰণা আপুনি কৰ পৰা পালে ?

**উত্তৰ ঃ** মই ১৯৮৯ চনত সাংবাদিকতাত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰিছিলোঁ। তেতিয়া মই স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ আছিলো। ভাগ্যক্ৰমে স্বৰ্গীয় পৰাগ কুমাৰ দাসক লগ পাই মই সাংবাদিকতালৈ গুচি গ'লো। সুদীৰ্ঘ পঁচিশটা বছৰ সাংবাদিকতাৰ বিশটা বছৰ বাতৰি কাকত, আলোচনী আদিত আৰু বাকী পাঁচটা বছৰ টেলিভিছন মিডিয়াত আছিলো। সাংবাদিকতাৰ কালত মোৰ বাবে গুৰুত্বৰ বিষয় আছিল গাঁওবোৰ। মহাত্মা গান্ধীয়ে কোৱাৰ দৰে "ভাৰতৰ আত্মা গাঁৰত কেন্দ্ৰীভূত" এই কথাৰ পৰা এটাই বুজি উঠিছিলো যে এটা জাতিৰ অস্তিত্ব ধৰি ৰাখিবলৈ গাওঁ বিলাকৰ সামাজিক, অৰ্থনৈতিক উন্নয়ন কৰিব লাগিব।

বুৰঞ্জী অধ্যয়ন কৰিলে গম পোৱা যায়, এসময়ত অসমৰ চহা জীৱনৰ প্ৰত্যেক ঘৰ মানুহৰেই একোটা নিজা উৎপাদন ব্যৱস্থা আছিল। পথাৰৰ ধান, পুখুৰীৰ মাছ, বাৰীৰ খৰি-খেৰ, খেতিৰ শাক-পাচলিৰে সমৃদ্ধ জীৱন ।এইখন অসমৰ পৰাই এটা সময়ত কপাহ ৰপ্তানি হৈছিল। ২০১৪ চনত সাংবাদিকতা এৰাৰ পিছত এইবোৰ কথাৰ আলম লৈয়েই মই এই অনুষ্ঠানটোৰ আৰম্ভণি কৰো।

তোমালোকেওঁ জানি আচৰিত হ'বা যে অসমৰ ইমূৰৰপৰা সিমূৰলৈকে যিমান হোটেল ৰেষ্টুৰেন্ট আছে, তাত অসমীয়া থলুৱা খাদ্যৰ প্ৰচলন নাই, এইয়া জাতিটোৰ বাবে এক লজ্জাজনক কথা। অসমত ঘেঁহুৰ উৎপাদন নাই বুলিব পাৰি তথাপিও আমি ময়দা, আটাৰ পৰা তৈয়াৰী খাদ্য সম্ভাৰৰ মাজত এনেকৈ সোমাই এক ঘেঁহু ভিত্তিক ব্যৱস্থাৰ মাজত সোমাই পৰিছো, যত আমাৰ পইচাবোৰ বাহিৰলৈ গৈ আছে। অথচ অসমৰ মূলতঃ উৎপাদিত শস্য হ'ল ধান। অসমীয়া পৰম্পৰাগত আহাৰক বজাৰলৈ আনি অৰ্থনৈতিক উন্নয়ন সাধন কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই মই "থলগিৰি" আৰম্ভ কৰিলোঁ।

২০০৩ চনমানত দিচাংমুখৰ এক উল্লেখযোগ্য হোটেল," গুপ্তা হোটেল"ত তেওঁলোক অনা-অসমীয়া হোৱা স্বত্বেও চিৰা-দৈ পৰিৱেশন কৰা দেখি প্ৰভাৱান্বিত হৈছিলোঁ। সেয়ে সাংবাদিকতা এৰাৰ বহুত আগতে ভাবি লৈছিলোঁ যে গুৱাহাটীৰ মাজমজিয়াত এনে এখন ঠাই গঢ়ি তুলিম যত পুৱাৰ পৰা গধুলিলৈকে অসমীয়া পৰম্পৰাগত আহাৰ উপলব্ধ হ'ব। মুঠতে অসমীয়া পৰম্পৰাৰ বিষয়ে গাঁৱসমূহত এক যোগাত্মক জনমত গঢ়ি তুলিব পাৰিলে অসমীয়া জাতিটোৰ কৃষ্টি সমূহ আগুৱাই যোৱাৰ লগতে, জাতিটোৰ অৰ্থ-সামাজিক উন্নয়ন হোৱাটো ধ্ৰুৱপ ।

**প্ৰশ্ন-২ ঃ** অসমীয়াই ভাষা আন্দোলন কৰিলে, অসমৰ স্বাধীনতাৰ বাবে হাতত বন্দুকো তুলি ল'লে কিন্তু অৰ্থনৈতিক আন্দোলনখন অসমে সফলভাৱে আজিলৈ কৰিব নোৱাৰিলে। এই আন্দোলনখন আৰম্ভ কৰাৰ প্ৰথম পদক্ষেপ কি হোৱা উচিত ?

**উত্তৰ ঃ** মই আগতেই কোৱাৰ দৰে, আমি যোৱা চাৰিটাকৈ দশক আন্দোলনেই দেখি আহিছোঁ। প্ৰত্যেকটো আন্দোলনৰ লগত অসমীয়াৰ জাতীয় আৱেগ জড়িত হৈ আছে। অসমীয়াৰ অস্তিত্ব



ৰক্ষাৰ আন্দোলন ''অসম আন্দোলন''ত কোনোধৰণৰ অৰ্থনৈতিক উন্নয়ন সাধন কৰিবৰ বাবে কাৰ্য্যসূচী গ্ৰহণ কৰা নহ'ল। এই প্ৰভাৱশালী আন্দোলন কেইটাত অৰ্থনৈতিক কৰ্মসূচী অন্তৰ্ভুক্ত নকৰাটো জাতিটোৰ কাৰণে এক অভিশাপস্বৰূপ আছিল। কিন্তু এতিয়াও সময় পাৰ হৈ যোৱা নাই, আজিৰ বিশ্বায়নৰ যুগত আমি আমাৰ থলুৱা বস্তুৰ প্ৰচলনৰ হাৰ বৃদ্ধি কৰি মানুহক হাতে-কামে দেখুৱাই দিব লাগিব যে অসমত এতিয়াও বহুতো অৰ্থনৈতিক সম্ভাৱনাপূৰ্ণ দিশ আছে, যিয়ে হয়তো জাতিটোৰ অগ্ৰগতিত ব্যাপক অৱদান আগবঢ়াব। বক্তব্যৰ ফুলজাৰি এৰি হাতে কামে লাগিবৰ হ'ল। কৃষি নীতি সমূহ চৰকাৰে এনেদৰে গঠন কৰিছে যত অসমৰ থলুৱা উদ্যোগ সমূহৰ উন্নয়ন সাধন কৰাতো অসম্ভৱ। এতিয়া দেশত এক দেশ এক নীতি চলি আছে, কিন্তু এই নীতিসমূহৰ আলমত গোটেই ভাৰতবৰ্ষকেই একে বুলি ধৰা হৈছে কিন্তু কৃষিৰ ক্ষেত্ৰত সকলো ৰাজ্যৰে এক নিজা বৈশিষ্ট্য আছে, ঠিক তেনেদৰে অসমৰো এক সুকীয়া জলবায়ু আৰু মাটিৰ গুণাগুণ হোৱা হেতুকে ইয়াৰ ক্ষেত্ৰতো এক নীতি নচলিব। সকলো ৰাজ্যৰে এক নিজা নিজা পৰিচয় আছে, সেয়ে স্থানীয় ৰাজ্য চৰকাৰে পৰাম্পৰাগত কৃষি শৈলীৰ আলম লৈ বিজ্ঞান প্ৰযুক্তিৰ সহায়ত বিশেষ কৃষি নীতিৰ গঢ় দিয়া উচিত। ভাৰতবৰ্ষৰ কৃষি বিশ্ববিদ্যালয় সমূহক মাল্টি নেশ্যনেল কোম্পানী সমূহে ধন আগবঢ়াই কৃষি ক্ষেত্ৰত আধুনিকীকৰণৰ গুৰুত্ব বঢ়োৱাৰ উপদেশ প্ৰদান কৰিছিল। ইয়াৰ ফলত পৰাম্পৰাগত কৃষি পদ্ধতি সমূহ লোপ পাই আহিল আৰু কৃষিক্ষেত্ৰক লৈ আৰম্ভ হ'ল এক নতুন ব্যৱসায়ৰ। মৈ-হাল-নাঙলৰ ঠাই ল'লে পাৱাৰটিলাৰে। যান্ত্ৰিকীকৰণ হ'ব লাগিব কিন্তু নিজৰ খিনিক হেৰুৱাই নহয়।

বীজ সাৰ্বভৌমত্ব এতিয়া নষ্ট হোৱাৰ দিশত, চৰকাৰে নিজে আমাক হাইব্ৰিড বীজ প্ৰথমতে বিনামূলীয়া কৈ যোগান ধৰিছে, তাৰ পিছত কিনিব লাগে। তাৰ ফলত আমাৰ পৰাম্পৰাগত বীজ সংৰক্ষণ পদ্ধতিটো আমি এৰি দিছোঁ। উত্তৰ পূৰ্বাঞ্চলত এটা সময়ত ৩০০০০ বিধ ধানৰ সঁচ আছিল কিন্তু এতিয়া চৰকাৰী আঁচনিৰ অধীনত অধিক উৎপাদন কৰাৰ লক্ষ্যৰে যি হাইব্ৰিড বীজ দিয়া হৈছে তাৰ ফলত এই থলুৱা প্ৰজাতিৰ ধান হয়তো ভৱিষ্যতলৈ বিলুপ্ত হ'ব। সেই ধান সমূহৰ ভাল গুণাগুণ আছিল, এতিয়া অধিক উৎপাদনৰ স্বাৰ্থত আমি বহুত ৰাসায়নিক পদ্ধতি ব্যৱহাৰ কৰি ধানৰ গুণাগুণ নষ্ট কৰিছো। ভাৰতৰ পৰা ৰপ্তানিকৃত এই ধান জাপানেও ঘূৰাই পঠাইছে। আমি আকৌ আমাৰ পদ্ধতি সমূহ ধ্বংসৰ পথৰ পৰা ওভতাই আনি অসম আৰু অসমীয়া অৰ্থ ব্যৱস্থা টনকিয়াল কৰিব লাগিব।

**প্ৰশ্ন-৩ ঃ** অসমত এখন থলুৱা উদ্যোগৰ গঢ় দিবলৈ প্ৰথমে এক জনমত গঢ়ি তুলিব লাগিব বুলি আপুনি ক'লে। এই জনমত গঢ়ি তোলাত কোনখিনি মানুহে আগভাগ লোৱাটো উচিত? আৰু ইয়াত সংবাদ মাধ্যমে কেনে ভূমিকা পালন কৰিব পাৰে?

**উত্তৰ ঃ** জনমত গঠনৰ ক্ষেত্ৰত সমাজ সচেতক, শিক্ষিত, সমাজৰ ভাল ভবা সকলো মানুহেই আগভাগ ল'ব লাগিব। সকলোৱে লগ হৈ নিজৰ চিন্তাধাৰাৰে আগুৱাই নিব লাগিব।

সংবাদ মাধ্যমে খুব কম সময়ৰ ভিতৰতে মানুহক প্ৰভাৱান্বিত কৰিব পাৰে। সেয়ে সংবাদ মাধ্যমৰ মানুহখিনিয়ে বুজি উঠিব লাগিব যে কোনটো বিষয়ত আমি জনমত গঢ়ি তুলিব লাগে। যি দলৰে চৰকাৰ নহওঁক আৰ্থিক অনুদান পাবলৈ আমি দিল্লীৰ শৰণাপন্ন হ'ব লাগিবই, সেইকাৰণে এই কথাটো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিব লাগিব যে যদি স্বাভিমানেৰে জীয়াই থাকিব লাগে, তেন্তে জাতিটোৱে এক সবল অৰ্থনৈতিক ভেটী গঢ় দি তুলিব লাগিব। কাৰণ আজিকালি সকলো দিশসমূহ অৰ্থনীতিয়ে নিয়ন্ত্ৰণ কৰে। এসময়ৰ ইমান আৰ্থিকভাৱে সবল জাতি এটাই আজি নিজৰ উন্নয়নৰ স্বাৰ্থত বেলেগৰ আগত হাত পাতিব লগা হৈছে। আজি জাতিটো ইমানে বেছি ধাৰত পোত গৈছে যে যদি নিজেই নিজৰ আৰ্থিক পৰিকাঠামো এটা গঢ় দিয়া নহয়, তেন্তে বিপদ অনিবাৰ্য। কিন্তু আজি দৈনন্দিন ব্যৱহাৰ্য বস্তুবোৰৰ প্ৰায়ভাগেই বাহিৰৰ পৰা আহে। কণী, মাছ, মাংস, গাখীৰ, শাক-পাচলি সকলোবোৰৰে সিংহভাগ বাহিৰৰ পৰা আহি অসম পুৰাই আছে। আমি এইবোৰ চিন্তা কৰিব লাগিব।সকলো বিষয়কেই তথ্যসহ মানুহৰ মাজলৈ আগুৱাই দি জনমত গঠন কৰিব লাগিব। "We have to revive our Villages" আমি আমাৰ গাঁৱসমূহ ৰক্ষা কৰিব লাগিব। গাঁৱত কেন্দ্ৰীভূত হৈ থকা অসমীয়া জাতিৰ আত্মাক ৰক্ষা কৰিব লাগিব, কাৰণ চহৰ আমাৰ বাবে চিনাকি নহয়, গাওঁ বোৰহে আমাৰ আপোন। গাওঁখন আমি ভবামতে গঢ় দিব পাৰো। গাঁৱত উন্নয়ন হ'লে, মানুহ গাওঁমুখী হ'ব। আমি গাওঁবোৰ ধৰি ৰাখিহে থলুৱা অৰ্থনীতি উন্নয়ন সাধন কৰিবৰ বাবে কাৰ্য্যসূচী গ্ৰহণ কৰিব লাগিব।

**প্ৰশ্ন-৪ ঃ** অসমত উঠি অহা প্ৰজন্মক অসমীয়া সংস্কৃতি আৰু থলুৱা উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰিবলৈ আমি কেনেধৰণৰ ব্যৱস্থা হাতত লোৱা উচিত? শিক্ষা ব্যৱস্থাত এনে কি কি পৰিৱৰ্তন অনা উচিত যাৰ জৰিয়তে নতুন প্ৰজন্মই অসমীয়া সংস্কৃতি আৰু থলুৱা উদ্যোগৰ প্ৰতি আকৰ্ষিত হয়?

**উত্তৰ ঃ** খুব গুৰুত্বপূৰ্ণ প্ৰশ্ন। শিক্ষা হ'ল এটা ৰাজনীতিৰ প্ৰকাৰ । যদিও শিক্ষা ৰাজনীতিৰ পৰা দূৰত থাকে কিন্তু কেনেধৰণৰ পাঠ শিকোৱাৰ ফলত ছাত্ৰ সমাজৰ মানসিকতা কেনে হ'ব, সেয়া নিৰ্ধাৰণ কৰে ৰাজনীতিয়ে। আমি যিটো শিক্ষা ব্যৱস্থাৰ মাজেৰে আহি আজিৰ অৱস্থাত উপনীত হ'লো তাত কেতিয়াও ক'তো এনে এটা পাঠ পোৱা মনত নপৰে যত মুক্তভাৱে অসমৰ চাহ খেতিৰ

কথা শিকোৱা হয়। এনে এটা বিষয় নাপালোঁ যত অসমক মূখ্য বিষয় হিচাপে পঢ়োৱা হ'ল। প্ৰথমতে আমি নিজেই নিজক চিনি পাব লাগিব, শিক্ষা ব্যৱস্থাটোৱে আমাক চিনাকি কৰাই দিব লাগিব যে মই কিমান সমৃদ্ধিশালী, মোৰ জাতিটো অথবা মোৰ মাটিখিনি কিমান চহকী, মোৰ সংস্কৃতিৰ বৈচিত্ৰ্যতা কি। আমাক কেতিয়াও আমাৰ স্থানীয় বস্তুবোৰৰ সংৰক্ষণৰ কথা শিকোৱা হোৱা নাই। সেয়ে আমি নাজানো যে আমি কিমান সমৃদ্ধিশালী জৈৱ-বৈচিত্ৰময় অঞ্চলত বসবাস কৰি আছো। পৃথিৱীৰ Exo-sensitive অঞ্চল সমূহৰ ভিতৰত তিনিটা উত্তৰ পূৰ্বাঞ্চলত আছে, এই অঞ্চলত কিমান প্ৰজাতিৰ উদ্ভিদ , জৈৱিক সম্পদৰ ভাণ্ডাৰ আছে এই কথা আমাক কেতিয়াও শিকোৱা হোৱা নাই। কিন্তু বহিৰাগত ব্যৱসায়ী সকলে এই কথাৰ উমান পাই আহি আমাৰ এই ঠাইবোৰত আমাৰ সামগ্ৰী ব্যৱহাৰ কৰি বিভিন্ন সামগ্ৰী বজাৰত উলিয়াই দিছে। আমি সেয়ে ভাবো যে এইবোৰ কথাৰে সমৃদ্ধ কৰি আমাৰ ছাত্ৰ ছাত্ৰী খিনিক বাস্তৱ সম্পৰ্কীয় জ্ঞান দিয়া হ'লে আজিৰ নতুন চামে কথাবোৰ শিকিবলৈ চেষ্টা কৰিব। আমাৰ পাঠ্যক্ৰমত তাত্বিক (Theoretical) কথাৰ পয়োভৰ বেছি, এই তাত্বিক জ্ঞান খিনিৰ লগতে ব্যৱহাৰিক জ্ঞানৰ পৰিচয় কৰাই দিলে শিক্ষা ব্যৱস্থাই নিজৰ কাম ভালদৰে কৰিব বুলি আশাবাদী।


**প্ৰশ্ন- ৫ ঃ** পৰাগ দাৰ সান্নিধ্যই আপোনাক আজিৰ অসমৰ এজন শলাগ ল'বলগীয়া উদ্যোগী হোৱাত কেনেদৰে প্ৰভাৱান্বিত কৰিলে? আৰু পৰাগ দাৰ সান্নিধ্যত আপোনাৰ আটাইতকৈ স্মৰণীয় অভিজ্ঞতাটো কি?

**উত্তৰ ঃ** এইটো এটা ব্যক্তিগত পৰ্য্যায়ৰ প্ৰশ্ন। পৰাগ কুমাৰ দাসক লগ নোপোৱা হ'লে মোৰ জীৱনৰ গতি বেলেগ হ'লহেতেন। পৰাগ কুমাৰ দাসৰ সমান শক্তিশালী ব্যক্তিত্বৰ ইমান সৎ ,ইমান সাহসী মানুহ আজিলৈ মই লগ পোৱা নাই। অসমক ভাল পোৱাৰ যি এটা আবেগ তেওঁৰ আছিল, তেওঁৰ মেধা, প্ৰজ্ঞা, সাহসীকতা অতুলনীয়। তেওঁক মই জ্যেষ্ঠ ভাতৃৰ দৰে জ্ঞান কৰিছিলো, আমাৰ এক ঘৰুৱা সম্পৰ্ক আছিল। একেলগে কাম কৰি থকা সময়চোৱাত গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ আমি একেলগে আলোচনাৰ মাধ্যমেৰে লৈছিলো। আমি জানো যে পৰাগ কুমাৰ দাস অৰ্থনীতিৰ ছাত্ৰ আছিল, তেওঁ 'স্বাধীন অসমৰ অৰ্থনীতি ' লিখিছিল। আমি প্ৰায়ে অসমৰ থলুৱা অৰ্থনীতি গঢ় দিয়াৰ কথা পাতিছিলো, কিন্তু দূৰ্ভাগ্যজনকভাৱে পৰাগ কুমাৰ দাসৰ মৃত্যুই মোক অভিভাৱকহীন কৰি তুলিছিল। আমি ভৱিষ্যত পৰিকল্পনা কৰিছিলো, গ্ৰাম্য সম্পদৰ উন্নয়নৰ ভিত্তিত নিৱনুৱা সমস্যা কেনেদৰে নোহোৱা কৰিব পাৰি। দূৰ্ভাগ্যজনকভাৱে তেখেতৰ মৃত্যুৰ পিছত মই এইক্ষেত্ৰত অকলশৰীয়া হৈ পৰিলো, কাৰণ এইবোৰ কথা বুজিব পৰা মই কোনো বিশ্বাসযোগ্য সতীৰ্থ বিচাৰি নাপাই ২০১৪ চনত মই সাংবাদিকতা এৰি নিজেই অসমীয়া থলুৱা সম্পদৰ ভিত্তিত "থলগিৰি" ৰ গঢ় দিলো। তাৰ পিছত মই বিভিন্ন গাওঁ সমূহলৈ নিজেই গৈ অধ্যয়ন আৰম্ভ কৰিলোঁ। সভা-সমিতিত ভাগ লৈ এটা কথাত পতিয়ন গ'লো যে এতিয়াও আমাৰ গাওঁ সমূহ সমৃদ্ধিশালী হৈ আছে আৰু কোনোবাই এই দায়িত্ব লৈ সম্পদখিনি উলিয়াই আনি বিশ্বৰ আগত দাঙি ধৰিলে আমি আকৌ আগৰ অৱস্থালৈ উভতিম আৰু বজাৰো দখল কৰিব পাৰিম। এনেদৰেই ২০১৮ চনৰ ডিচেম্বৰত "থলগিৰি" আৰম্ভ কৰো। গতিকে পৰাগ কুমাৰ দাসৰ লগত আমাৰ হোৱা বিভিন্ন চিন্তা চৰ্চাৰ ফলশ্ৰুতিতেই "থলগিৰি"ৰ জন্ম আৰু আমি একেলগে কামকৰা দিনবোৰত যিবোৰ কথা পাতিছিলো, সেইবোৰ যদি বাস্তৱ ৰূপ দিব পাৰো তেন্তে সেয়া হ'ব পৰাগ কুমাৰ দাসৰ প্ৰতি শ্ৰেষ্ঠ শ্ৰদ্ধাঞ্জলি।

তেখেতৰ লগত বহুতো স্মৰণীয় মূহুৰ্ত আছে, তাৰ ভিতৰত এটা মই মানুহক প্ৰায়েই শুনাও যে পৰাগ দাস কিমান সৰল আৰু মাটিৰ মানুহ আছিল । এবাৰ কোকৰাঝাৰত গোষ্ঠীগত সংঘৰ্ষ লাগিল, বড়ো আৰু আদিবাসী সকলৰ মাজত । পৰাগ দাস এনেকুৱা এজন সাংবাদিক আছিল, যেতিয়ালৈকে তেওঁ ঘটনাস্থলীত গৈ অনুসন্ধান নকৰে তেতিয়ালৈকে তেওঁ বাতৰি নিলিখে আৰু আমাকো লিখিব নিদিয়ে। তেওঁ নিজেই কোকৰাঝাৰ যাবলৈ সাজু হ'ল । দুদিন দুৰাতি কোকৰাঝাৰ ভ্ৰমণৰ পিছত গোটেই তথ্যবোৰ লৈ আহি পালে। তাৰপিছত দেখিলোঁ যে তেওঁৰ হাত ভৰিত চকলা চকলে ফুলি উঠিছে। আমি শুধাৰ পিছত তেওঁ ক'লে যে তেওঁ হেনো এইকেইদিন আদিবাসী সকলৰ লগত আছিল। তাত উৰহ বহুত। তেওঁ ফটা বস্তা কম্বল হিচাপে লৈ আছিল। এইকেইদিন উৰহে কামোৰাৰ দাগ এইবোৰ। সাংবাদিকতাৰ স্বাৰ্থত সত্য উদ্‌ঘাটন কৰাৰ বাবে তেওঁ যিকোনো পৰিৱেশৰ প্ৰতিকুলতাক নেওচি অহাটো আমাৰ বাবে এক প্ৰেৰণাৰ বিষয়।

**প্ৰশ্ন-৬ ঃ** শেষত আপোনাৰ পৰা জানিব খুজিম যে, মহাবিদ্যালয়ৰ আলোচনী এখনত কি সন্নিৱিষ্ট কৰিব পাৰি যাতে ই অসমৰ সংস্কৃতি আৰু থলুৱা উদ্যোগত কিঞ্চিৎ হ'লেও অৱদান আগবঢ়াব পাৰে?

**উত্তৰ ঃ** আচলতে মহাবিদ্যালয়ৰ আলোচনী এখন সেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ চিন্তা চৰ্চাৰ প্ৰতিফলন। অসমৰ থলুৱা উদ্যোগৰ বিষয়টোক ছাত্ৰ ছাত্ৰীসকলে যদি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰে তেন্তে তেনেকুৱা ধৰণৰ চিন্তা চৰ্চা, তেনে ধৰণৰ প্ৰৱন্ধ -পাতি প্ৰকাশ হোৱা উচিত। সেইটো মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰো দায়িত্ব যাতে ভৱিষ্যতে ছাত্ৰ ছাত্ৰীৰ উদ্যমিতাৰ কথা তেওঁলোকে চিন্তা কৰে। এনেধৰণেই মহাবিদ্যালয়ৰ আলোচনীত তোমালোকৰ দৰে ছাত্ৰ ছাত্ৰীসকলে এইবোৰ কথা প্ৰকাশ কৰাই চিন্তাৰ খোৰাক যোগাব লাগে।■


আইনাত চাই জীৱনে
আজি-কাচি গুলোৱাৰ
নাবেই গল্প ...

# জীৱনৰ ভিন্ন ৰং

গল্প

**ড° নৰজ্যোতি ডেকা**
সহকাৰী অধ্যাপক, ৰসায়ণ বিভাগ



দিনটোৰ সমস্ত উৎকণ্ঠাৰ অন্ত পেলাই চাৰ্জনজন যেতিয়া অ'টিৰ পৰা ওলাই আহিল তেতিয়া হাত ঘড়ীত সময় আবেলি ৪.২০। যথেষ্ঠ ক্লান্ত খোজেৰে ওলাই অহা চাৰ্জনজনৰ চকুলৈ চাই আগুৱাই গ'লো, 'সকলো ঠিকে আছে, আধাঘন্টা মানৰ ভিতৰত ৰোগীৰ হুঁচ আহিব। তেতিয়া মাত লগাব পাৰিম। এনে লাগিল যেন সৰগৰ পৰা দেৱদূত এজন আহি কথা এষাৰ কৈ পুনৰ আন্ধাৰত বিলীন হৈ গ'ল। মাৰ সংজ্ঞা ঘূৰি অহালৈকে পৰৱৰ্ত্তী সময়খিনি বহুত দীঘলীয়া যেন অনুভৱ হ'বলৈ ধৰিলে। আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ উপমাটো বাৰুকৈয়ে মনত পৰিল। 'ধুনীয়া ছোৱালী এজনীৰ সংগত থাকিলে দুই ঘন্টা সময়ো দুই মিনিট মান যেনহে লাগে।' বাৰে বাৰে হাত ঘড়ীটোলৈ চাই থাকিলোঁ। ৫.৩০ বজাত 'মান ৰাইনো'খন আছে। সেইখন যেনে তেনে ধৰিব লাগিব। প্ৰায় চল্লিশ মিনিট পাছত মাৰ সংজ্ঞা ঘূৰি আহিল। ততাতৈয়াকৈ মাক মাত লগাই ওলাই আহিলো। ঘৰৰ বাকীবোৰ সদস্য মাৰ সৈতে থাকিব। সদা ব্যস্ত গুৱাহাটীৰ

ৰাজপথৰ মাজেদি আহি ষ্টেচন পাওঁতে ৫.৩০ বাজো বাজো হৈছিল। টিকট এটা কাটি কোনোমতে ট্ৰেইনখনত উঠিলো। অগণণ যাত্ৰীৰ ভিৰ। গুৱাহাটী আৰু নিউ বঙাইগাঁৱৰ মাজত চলাচল কৰা এই ট্ৰেইনখনত দৈনিক কেবা হাজাৰ মানুহ অহা-যোৱা কৰে। কমলপুৰ ষ্টেচনত বহু কেইজন যাত্ৰী নামিলত বহিবলৈ ঠাই অকণ বিচাৰি পালোঁ।

ৰাতিপুৱাই গুৱাহাটীলৈ আহিছিলোঁ। ৮.৩০ বজাত মাৰ পেটৰ এটা অপাৰেচন হ'ব। অপাৰেচনটো দীঘলীয়া হ'ব, গতিকে তেজ দিবলগীয়া হ'ব পাৰে। মা আৰু মোৰ ব্লাড গ্ৰুপ একে। নিজা বাহন নাথাকিলে জাৰকালি পুৱাঁই পুৱাঁই নলবাৰীৰ পৰা গুৱাহাটীলৈ আহি পোৱাটো যথেষ্ট অসুবিধাজনক। হস্পিতেল আহি পাওঁতে নলবাৰীৰ পৰা গুৱাহাটীলৈ আহি পোৱাটো যথেষ্ট অসুবিধাজনক। হস্পিতেল আহি পাওঁতে মোৰ ৭.৩০ মান বাজিছিল। ইতিমধ্যে বাইদেউ, ভিনদেউ, ভন্টি, ভনীজোঁৱাই, ভাইটি সকলো আহি পাইছে। মাৰ ৰখীয়া হিচাবে দেউতা আগদিনাৰে পৰা হস্পিতেলত আছে। দীঘলীয়া সময়ৰ বাবে ৰ'বলগীয়া হ'ব কাৰণেই হ'বলা প্ৰত্যেকেই একোখনকৈ বাতৰি-কাকত লৈ আহিছিল। ঠিক ৮.০০ বজাত মাক অপাৰেচন থিয়েটাৰলৈ লৈ গ'ল। খবৰ আহিল যে ডাক্তৰ আহি পাওঁতে পলম হ'ব। আমি কেইটা ৰোগীৰ কোঠাতে বহি আড্ডা মাৰিবলৈ ধৰিলোঁ। মাজে মাজে বাতৰি-কাকত এখনৰ হেড লাইনবোৰত চকু ফুৰাই আছো। হঠাৎ এচুকৰ এটা বাতৰিত চকু থৰ হৈ ৰ'ল। 'দুৰ্ঘটনাত দুজন নিহত। নগাঁৱৰ সমীপত ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত বৈ থকা ট্ৰাক এখনত পিছফালৰ পৰা অহা তীব্ৰবেগী কাৰ এখনে খুন্দা মৰাৰ ফলত দুজন লোক থিতাতে...।' বাকীখিনি পঢ়িবলৈ মন নগল, দুখ লাগিল। দুৰ্ঘটনাত আমাৰ দেশত বছৰি সহস্ৰাধিক লোক নিহত হয়। দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰত চৰকাৰৰ বিভিন্ন আঁচনি আছে। ঘাইপথৰ ওপৰত হোৱা দুৰ্ঘটনাবোৰো যদি দুৰ্যোগ বুলি গণ্য কৰা হ'লহেঁতেন। প্ৰায় বাৰ মান বজাত ডাক্তৰ আহি পোৱাত আমাৰ আড্ডাবোৰ স্তিমিত হৈ পৰিল। সময়বোৰ আগবাঢ়ি যোৱাৰ লগে লগে আমাৰ মনৰ উদ্বিগ্নতাও বাঢ়ি আহিবলৈ ধৰিলে। ইজনে-সিজনৰ চকুলৈ সেমেকা হাঁহি মাৰি নাৰ্ভাছ নোহোৱাৰ অভিনয় কৰি থাকিলোঁ। দেউতাৰ মুখলৈ ইতিমধ্যে চাব নোৱাৰা হৈ পৰিছে। অৱশেষত অপাৰেচনটোৰ সফল পৰিসমাপ্তিৰ খবৰ পালোঁ। মনতে ডাক্তৰক অশেষ ধন্যবাদ জনাই ভগৱানক স্মৰণ কৰিলোঁ।

পেটত অলপ ভোক অনুভৱ হ'ল। দিনৰ দিনটোত আচলতে আজি বিশেষ একো খোৱা নহ'ল। ফেৰীৱালা এটাৰ পৰা বাদাম অলপ কিনি ল'লো। বাদামবোৰ খাই থাকোতে ভাৱ হ'ল ঘৰত থাকিলে বাৰু বাদামৰ বাকলিবোৰ এনেদৰে সিঁচৰিত কৰি পেলাই ৰাখিম নে। ৰাজহুৱা সম্পত্তি এটা পৰিস্কাৰ পৰিচ্ছন্নকৈ ৰখা মানসিক প্ৰৱণতা আমাৰ নায়েই। নলবাৰী ৰেল ষ্টেচন পাওঁতে সন্ধিয়া ৭.৩০ বাজিলে। ইয়াতো ভালেকেইজন যাত্ৰী নামিল। ষ্টেচনত কেবাখনো ৰিক্সা বৈ আছিল। তাৰে এখনক সুধিলো 'অ' ৰিক্সা, যাবা?' 'ত্ৰিশ টকা লাগিব।' ৰিক্সাৱালাটোৰ উদ্ধতালিত খং উঠিল। ক'লৈ যাম নোসোধাকৈয়ে তাক ত্ৰিশ টকা ভাৰা লাগে। ষ্টেচনৰ পৰা মোৰ ঘৰলৈ ৰিক্সা ভাৰা দহ টকা। কিন্তু নিশা হ'লে ইহঁতে যিকোনো পৰিমাণৰ ভাৰা দাবী কৰে। তাক একো নকৈ ঘৰলৈ বুলি প্ৰায় এক কিল'মিটাৰ পথ খোজ ল'লো। ঘৰ পায়েই পোনে পোনে শোৱনি কোঠালৈ গ'লো। কণমানিটোক বুকুৰ উম দি এওঁ চকু মুদি বাগৰি আছে। দিনৰ ভাগত এওঁ কেবাবাৰো ফোন কৰি মোৰ পৰা সকলোবোৰ খবৰ লৈ আছিল। অথচ এতিয়া মোৰ উপস্থিতি অলপো ভ্ৰূক্ষেপ কৰা নাই। চাগে তেওঁৰ টোপনি আহিছে। মাথোঁ পোন্ধৰ দিন আগতেহে তেওঁৰ চিজাৰিয়ান অপাৰেচন হৈ গৈছে। এতিয়াও গা টঙাব পৰা নাই। তথাপিও আজি মাৰ অপাৰেচনটোৰ কাৰণে ৰাতিপুৱা পোহৰ নৌহওঁতেই ঘৰৰ পৰা ওলাই গৈছে। এওঁৰ লগত একমাত্ৰ সাৰথি আছিল ভতিজী এজনী। দিনৰ দিনটোত যদি এওঁৰ কিবা দিগদাৰী হ'লহেঁতেন তেন্তে কি কৰিলেহেঁতেন। কথাখিনি ভাবিবলৈ মুঠেও ভাল নালাগিল। এই মুহূৰ্তত এওঁক নজগোৱাই ভাল বুলি ভাবি ওলাই আহিলোঁ।

কাপোৰ-কানি সলাই ভালদৰে চকু-মুখ ধুই অলপ সতেজ হৈ ল'লো। একাপ গৰম চাহৰ তৃষ্ণা ইতিমধ্যে তীব্ৰ হৈ আহিছে। ভতিজীজনীয়ে আগবঢ়াই দিয়া চাহৰ কাপটোত চুমুক দিবলৈ লওঁতেই ম'বাইল ফোনটো বাজি উঠিল। এই মুহূৰ্তত ফোনটো বাজি উঠা কাৰণে যথেষ্ঠ বিৰক্তি অনুভৱ কৰিলোঁ। কিন্তু বন্ধু গোটৰ ৰিংটন হোৱা হেতুকে কলটো ৰিচিভ কৰিবলৈ উঠি গ'লো। 'পাৰ্টনাৰ, বেয়া খবৰ এটা পাইছানে? কালি ৰাতিৰ এটা মটৰ দুৰ্ঘটনাত দ্বিপনৰ মৃত্যু হ'ল। খবৰটো আজিৰ বাতৰি কাকতত ওলাইছে।' দ্বিপনৰ মৃত্যুৰ বাতৰিত মৰ্মাহত হৈ পৰিলোঁ। চাকৰি কালৰ আৰম্ভণি অৱস্থাত আমি কেইজনমান ডেকা ল'ৰা একেটা ঘৰতে কেইবছৰমান ভাড়া কৰি আছিলোঁ। সেইয়া আছিল তেনেই এক কাকতালীয় ঘটনা। কিন্তু আমাৰ মাজত অগাধ বন্ধুত্ব গঢ়ি উঠিছিল। তাৰ মাজৰ দ্বিপন আছিল মোৰ অন্যতম ভাতৃপ্ৰতিম বন্ধু। ৰবিবাৰৰ দিনটোত আমাৰ মাজত দীঘলীয়া আড্ডা জমি উঠিছিল। আড্ডাবোৰত দ্বিপনৰ খুহুতীয়া কথাই আমাক বেছ আমোদ দিছিল। মাজে মাজে আড্ডাবোৰত ৰীমা আহি যোগ দিছিল। ৰীমা তাৰ প্ৰেয়সী।

আজি তাৰ মৃত্যুৰ বাতৰি শুনি এনে লাগিল যেন এটুকুৰা ৰঙৰ খনি হেৰাই গ'ল, চিৰদিনৰ বাবে। আনহাতে ছমহীয়া কন্যা সন্তানটিৰ সৈতে ৰীমাঙ্গ আজি দুবছৰ আগতেহে সিহঁতৰ বিয়া হৈছিল। সিহঁতৰ বিয়াখনত দুয়োখন ঘৰৰে সন্মতি নাছিল। তাইক ফোন কৰি সান্ত্বনা দিবলৈ মোৰ ভাষা নাছিল।

অপাৰেচনৰ পাছত কেইমাহ মানলৈ মাৰ-সৰুসুৰা দুই-এটা সমস্যা হৈ আছিল। কিন্তু এতিয়া মা সম্পূৰ্ণ সুস্থ। মোৰ কণমানিটোৱেও থুনুক-থানককৈ দুই-এটা কথা ক'ব পৰা হৈছে। আধা ফুটা আধা নুফুটা মাতেৰে কোৱা তাৰ কথাবোৰ শুনি বৰ আমোদ লাগে। কিন্তু এই আমোদ ক্ষন্তেকীয়া। ইতিমধ্যে মোৰ মনত হয়তো কোৱান্টাম বিজ্ঞানৰ কোনো জটিল তত্ত্বই ক্ৰিয়া কৰি উঠে। মোৰ মনৰ এই পৰিৱৰ্তন এওঁ ঠিকেই ধৰিব পাৰে। ইয়াকে লৈ এওঁ প্ৰায়েই আপত্তি কৰে 'দিনৰ দিনটো কলেজত থাকেই। নিশাৰ সময়খিনি অন্ততঃ ঘৰত থাকক। কলেজখন মুৰৰ ওপৰত কিয় দাঙি লৈ আছে।' কিন্তু মই নিৰুপায়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থাকি মই ভালপাওঁ। সিহঁতৰ মনত মই চিন্তাৰ খোৰাক যোগান ধৰি থাকিবই লাগিব। তাৰ বাবে মই নিয়মীয়াকৈ পঢ়া-শুনা কৰি নিজকে পুষ্ট কৰি ৰাখিব লাগিব। শিক্ষকতা কেৱল এটা বৃত্তি নহয়, ই এক সেৱা। এটা সুস্থ-সবল জাতি গঢ় দিয়াৰ সেৱা। কোনোবা উদ্ভট মগজুৰ মুধাফুটা ব্যক্তিয়ে আমাৰ এই সেৱাৰ স্বীকৃতি নিদিব পাৰে। কিন্তু সিবোৰৰ কথাই আমাক অকণো বিচলিত কৰিব নোৱাৰে। সেয়েহে বছৰৰ পাছত বছৰ ধৰি চাকৰি সম্পৰ্কীয় জ্বলন্ত সমস্যাবোৰ মূৰ পাতি লৈয়ে আমি আমাৰ সেৱা অবিৰাম ভাৱে আগবঢ়াই আছো।

'দাদা এইফালে ক'লৈ আহিছিল? মোক চিনি পাইছেনে?' দুদিনীয়া কাজিৰঙা ভ্ৰমণ সামৰি উভতি আহোতে বোকাখাতত অলপ সময় ৰৈছিলো। বহুদুৰ গাড়ী চলাই আহিলে আধা বাটত চাহ একাপ খাবলৈ মন যায়। লগতে কেইটামান পেড়া কিনিম বুলি ভাবিছিলো। এনেয়েও বোকাখাতাৰ পেড়া অসম বিখ্যাত। দূৰণিবটীয়া মানুহেও বোকাখাতত ৰৈ পেড়া কিনি লৈ যায়। চাহ কাপ খাই ওলাই আহোতেই প্ৰায় দহ বছৰীয়া ছোৱালী এজনীৰ সৈতে মহিলা গৰাকীয়ে এনেদৰে বাট ভেটি মাত লগাওঁতে প্ৰথমতে থতমত খাই গ'লো। ৰীমাক এনেদৰে লগ পাই যাব পাৰো বুলি এবাৰো ভবা নাছিলো। কিন্তু লগ পাই ভালেই পালো। তাইক মনৰ স্বচ্চন্দতা দেখি ভাল লাগিল। তাই অন্ততঃ নিজকে ভালদৰে চম্ভালি লৈছে। ছোৱালীজনী সাইলাখ দ্বিপনৰ দৰে হৈছে। তাইক আকৌ এবাৰ দ্বিপনৰ ছোৱালী নেকি বুলি সোধাৰ কোনো অৱকাশ নাই। হঠাৎ তাইৰ শিৰত চকু পৰাত মোৰ সকলো চিন্তাৰ আউল লাগি গ'ল। ইমান দিনে তেন্তে মই এটা ভুল ধাৰণা লৈ আছিলো নেকি? মানে বন্ধুজনে মোক এটা ভুল খবৰ দিছিল নেকি? তাৰ ওপৰত মোৰ তামাম খং উঠিল। মোৰ চকুযুৰিয়ে দ্বিপনক বিচাৰি চাৰিওফালে ঘূৰি ফুৰিবলৈ ধৰিলে। কিন্তু বাৰে বাৰে আমালৈ সপ্ৰতিভ দৃষ্টিৰে চাই থকা যুৱকজনলৈ চকু যোৱাৰ বাহিৰে অইন কাকোৱেই চকুত নপৰিল।■

গল্প

# বজাৰত গোপাল

**অৰ্ণৱ জ্যোতি আৰ্য**
প্ৰাক্তন ছাত্ৰ, শ্ৰেষ্ঠ সাহিত্যিক ২০১৬ বৰ্ষ,
নলবাৰী মহাবিদ্যালয়, নলবাৰী

**গো**পাল...গোপাল মানুহজন কাল্পনিকঙ্গ মই কাকো প্ৰশ্ন কৰা নাই, যাৰ বাবে মোৰ হাতত এই পৰ্যন্ত ইয়াৰ সঠিক উত্তৰ আহি পৰাও নাই। উত্তৰ বিচাৰি মই এদিন ঠাইডোখৰলৈ যাম। অনতিপলমে কিন্তু তালৈ যোৱাৰ আগত মই মনত পেলাই ল'ব লাগিব মোৰ আৰু ঠাইডোখৰৰ অগভীৰ সম্পৰ্কৰ সূত্ৰটো। মই কাল্পনিক গোলাপক লৈ চিন্তিত নহয়; অহ গোলাপ নহয়- গোপালহে। দিনে দিনে মোৰ মন-মস্তিষ্কৰ স্মৃতি পৰীক্ষা চিন্তাৰ কাৰণ হৈ পৰিছে। মনত আছেনে কথাবোৰ? মনত পৰেনে গোপালক?

ঠাইখনৰ নাম এজন মানুহৰ নামেৰে যায়। বহুতে ভগৱান বুলিও কয়। মোৰ মতে, মানুহজন কাল্পনিক, কাৰণ তেওঁৰ ৰেহ-ৰূপ আমি কল্পনাহে কৰিব পাৰো। আনে তেনেকৈ নাভাবিলেও মোৰ ওজৰ-আপত্তি নাই। গোটেই ব্যাখ্যাটো এই নামটোলৈ কেন্দ্ৰীভূত হোৱা যেন লগা নাইনে? তেন্তে পোনতে কুৰি শতিকাৰ পৰা একবিংশলৈ সলনি হোৱা অসমীয়া কেলেণ্ডাৰখন হাতেৰে নুৰা কৰি আয়ে অট'খনৰ একেবাৰে মুৰলৈ দলিয়াই দিয়া সময়কণলৈ উভতি যোৱা হওঁক।

খুব সম্ভৱ পাছৰ চিটত আই, মই আৰু সৰু বাই বহিছিলো। আগৰ চিটত ড্ৰাইভাৰৰ লগত দেউতা। ডাঙৰ বাই চাইকেলত, দুলাল দাদাও। লগত আৰু কোনোবা থকাটোও মোৰ মনত পৰে।



প্ৰায় খালী হৈ যোৱা ঘৰটোৰ পৰা ওলাই, আঁঠুৰ ওপৰলৈ উঠি থকা (চুটি হোৱা) হাফপেন্ট এটা পিন্ধি অট'ত উঠালৈ সকলো ঠিকেই আছিল। গাঁৱৰ মন্দিৰ পোৱালৈ ৰাস্তাত এৰি অহা প্ৰতিজন মানুহৰ সেমেকা মুখ- কান্দোনৰ মাতবোৰে আমাৰ অবুজ মনটোক "কিয় কান্দিছে" প্ৰশ্নৰ উত্তৰ নোপোৱাৰ বেদনাতে হওঁক বা অন্য কাৰণত বৰকৈ কন্দুৱালে। ধমক দিয়া মানুহজনী আছিল আই। আয়ে জানিছিল, কোনে কিয় কান্দিছিল। কিন্তু তেওঁ এই কথাও জানিছিল কান্দোনত উটি-ভাহি গ'লে, অন্ততঃ এই ডাঙৰ সিদ্ধান্তটি লোৱাৰ পিছত, ভাল নহ'ব। আমি এইবোৰ একো বুজা নাছিলো। "নলবাৰী যায় কেনি দকানৰ পাৰা কিবা কিনি খাবি" বুলি দুটকা এটা চাদৰৰ আঁচলৰ বান্ধৰ পৰা খুলি দিয়া 'ভাল মা' জনীয়ে হাঁহিৰ আঁৰত লুকাই ৰাখিছিল তেওঁৰ ঘৰত ডালি বঁটা আৰু পঁইতা ভাতৰ মেলত আমি নবহাৰ নতুন ছবি এখন।

আমি সেই কথা জানিবলৈ ঘৰ এৰা- এৰাৰ আগত ২০০১ চনৰ কেলেণ্ডাৰখন সুমুৱাই লোৱা সেই অট'খনে এঘন্টাৰ সময় ল'লে। আমি আহি পাওঁ পকী ৰাস্তাৰ, গাড়ী-ঘোঁৰাৰ, দোকান-দোকানৰ পিছফালেৰে লুংলুঙীয়া পথেৰে গৈ মানুহৰ ঘৰ ওলাব পৰা আছুৱা ঠাই এডোখৰত।

ইংৰাজী 'এল'টোৰ দৰে ঘৰটো। আমি অহাৰ আগতেই ঠেলা দুখনৰ পৰা নমাই আছিল কুঁৰৰীকুছিত ঘূণে খোৱা বিচনাখন, এটা খুৰা নথকা মিটচেপটো আৰু আলনাকেইডাল। এজন এজনকৈ চাইকেলেৰে সোমাই আহে চিনাকি মুখবোৰ। তেতিয়া দুপৰীয়া। প্ৰথম পাকঘৰটো ঠিক কৰি লোৱাৰ প্ৰস্তাৱত সন্মতি জনোৱা মানুহখিনিৰ বাবেই যে আমি সময়তে দুপৰীয়াৰ ভাত সাজ পালো সেইটো কথাৰ আলোচনাত বহিব পৰা বয়স আমাৰ হোৱাই নাছিল। আমি খিৰিকীৰে জুমি-চাই বাৰীৰ চৰাই দেখা মানুহ; ইয়াত দেখিলো প্ৰকাণ্ড এটা ঘৰ। আচৰিত হৈছিলো যেতিয়া কোৱা হৈছিল এই ঘৰত থাকে মাত্ৰ চাৰিটা প্ৰাণী। মাক-বাপেক-পুতেক আৰু কাম কৰাকৈ এগৰাকী তিৰোতা। এই 'কাম কৰা তিৰোতা' শব্দটি আমি নতুনকৈ শুনিলোঁ। আমাক জনোৱা হ'ল এই শব্দটি কুঁৰৰীকুছিত আমাৰ চাউল জৰা জেঠীমা জনীৰ পৰা ভালেখিনি পৃথক। সেয়ে এই নতুনক চোৱাৰ হেঁপাহ কেতিয়াকৈ পুৰণ হ'ব ভাবিব লাগিলোঁ, অথচ চকুত ভাহি থাকিল-ইমান মস্ত ঘৰঙ্গ

ডাঠ ঘাঁহৰ তৰপ। অলপ বোকাও নথকা নহয়। সেইবাবে প্ৰথমেই ৰাস্তাৰ পৰা বাৰাণ্ডালৈ শাৰী শাৰীকৈ পাৰি দিয়া হয় ইটা। তাৰেই কিনাৰেৰে চাইকেলখন ঠেলি ঠেলি চুনিতা আহিল। আমাক কোৱা হ'ল দুলাল আৰু চুনিতা আমাৰ লগতে থাকিবহি। মই গণিলো- আমি পাঁচ, পাঁচে দুইয়ে সাত। হ'ব ভাল হ'ব।

ইয়াত কুঁৱাটো নাছিল। নথকা বাবে বেয়া লাগিছিল নে বুলি কাকো সোধা নহ'ল। দমকলত পানী ভৰাই ফিল্টাৰটোত ঢালি দিলেই আমি পিয়াহৰ পানীখিনি পাওঁ। ফিল্টাৰটো কুঁৰৰীকুছিৰেই। তাত চকমাটিৰে লিখা আছিল আমিহালৰ নাম-যাৰ আধাবোৰ এতিয়াও কুঁৰৰীকুছিৰে বাসিন্দা।

পাঁচটা কোঠাৰ ঘৰ ঠিক হওঁতে সময় লাগিবই। দুদিনমানৰ বাবে আমাৰ স্কুল যোৱাৰ কথা মনলৈও নাহিল। তাৰ পিছত আহিল নতুন খবৰটো- নতুন স্কুললৈ যোৱাৰ কথা। মোক দুলালে চাইকেলত উঠাই লৈ গ'ল। বাকীহালৰ কথা নাজানো। বৰষুণৰ বতৰ। পকী ৰাস্তাটোত পানী উঠা দেখি দাদাই কৈছিল, গাঁৱেই ভাল। টাউনটো পানী হয়নেঙ্গ পাৰ্থক্যটো বুজিব পৰা হোৱা নাছিলো নিশ্চয়। কিন্তু পানীৰ পৰা পৰিত্ৰান পাবলৈ বেলেগ এটা ৰাস্তাৰে মোক ঘৰলৈ ওভতাই আনোতে দাদাই কৈছিল- এইখন গৰ্ডন খেলপথাৰ। সেইটো পুখুৰী পাৰৰ ৰাস্তা। পুৱা আমি সেইফালেৰে গৈছিলো। কালিৰ পৰা তাই খোজকাঢ়ি আহিব লাগিব। এইফালেৰে।

কান্দিছিলো মই। পিছদিনাৰ পৰা অকলে যোৱাৰ ভয়ত নহয়; মোৰ স্কুলখন অদ্ভুত লাগিছিল বাবেহে। কৌতুহলৰ বিল্ডিং ঘৰটো, তাতে আকৌ কুঁৰৰীকুছিত পঢ়ি অহা অসমীয়া কিতাপখন ইয়াত নচলিব বুলি কোৱা মানুহজনী মোৰ যে অকনো ভাল লগা নাছিল।

লাহে লাহে গৰ্ডনৰ পুখুৰী পাৰৰ ৰাস্তাটো আপোন হৈ পৰে। কোনোবাই শুধিলেই ক'ব পৰা হ'লোগৈ ঘৰ ক'ত- গোপাল বজাৰ। ল'কৈল।

কাষৰ ঘৰৰ মানুহজন এদিন আহিল। কলা কোট-টাই লগোৱা। তেওঁৰ ঘৰলৈ গৈ আহিবলৈ কোৱা কথাত আমি আনন্দিত হওঁ। আবেলিলৈ সুন্দৰ চেহেৰাৰ ল'ৰা এজন হৈ আমি ভৰি দিও মাৰ্বল পাথৰৰ ঘৰটোত। কিমান শান্ত ঘৰটো। চাহ দিবলৈ "পুৰ্ণিমা লৈ আহ" বুলি কোৱা মানুহজনীক দেখি মনত আহিছিল এৱেই মানে আমাৰ কৌতুহল। ল'ৰা এজন ওলাই আহিছিল আধা ঘন্টামানৰ মুৰত। মাকে তাৰ পঢ়া কোঠালৈ আমাক লৈ যাবলৈ কৈছিল। আমি গৈছিলো। সবে কোৱা শুনিছিলো; বেদান্ত ! পঢ়াত বৰ চোকা। মেট্ৰিকত ষ্টেণ্ড কৰিবই। ষ্টেণ্ড কৰাৰ কোনো বিশেষ কৌশল কোঠাটিত নাছিল। অথচ মোৰ লাগিছিল কোঠাটো কিবা যাদুকৰী। সেইদিনাৰ পৰা আমাৰ ঘৰত আদৰ্শ এটাৰ জন্ম হয় - বেদান্ত। আমি নাজানিছিলো এই আদৰ্শ কোনে, কিয়, কেনেকৈ আমাক সুমুৱাই দিলে। পিছে তাৰ পৰাই আমাৰ আৰু গোপাল বজাৰৰ মাজত স্মৃতি কঢ়িয়াব পৰা এখন দীঘল ডায়েৰীৰ আৱিস্কাৰ হ'ল।

যিখন খিৰিকী খুলি প্ৰথম দিনা

আমি মস্ত ঘৰটিলৈ ভয় কৰিছিলো, সেইখন খিৰিকীয়েই হৈ পৰিল দুয়োঘৰৰ মনৰ ভাৱ প্ৰকাশৰ ঠিকনা। কৰ্ডলেছ ফোনটো "আমাৰেই ঘৰৰ ফোন" বুলি ক'ব পৰা সুবিধা কৰি দিয়া এই মানুহঘৰক আমি সঁচাই আদৰ্শ হিচাপে ল'লো। এনেকৈয়ে বেদান্তৰ ছত্ৰছায়াত আমি এখন নতুন পঢ়া-শুনাৰ, সংগীত, নৃত্যৰ, কলাৰ পৃথিৱী পালোঁ। য'ত কোনোবাখিনিত আমি কুঁৱৰীকুছিত বিছাৰি পাইছিলো। এই সৰু পৃথিৱীখন আমাৰ গোপাল বজাৰখনৰ সৈতে ঘূৰি থাকিল। বদলি হৈ থাকিল।

আমি বয়সত সৰু আছিলো। কিন্তু গোপাল বজাৰত ডাঙৰ হোৱা প্ৰতিজন শিশুৰ পৰা আমি আছিলো পৃথক। কুঁৱৰীকুছিত গছ বগাই, তামোলত উঠি, খালত ডুবিয়াই মাছ খুঁচৰি ফুৰা পোনাকেইটাই জানো দুবিঘা মাটিৰ (যাৰ আধা পানীত ডুবি থাকে) মাজত থাকিব পাৰোঁ। আবেলিৰ বজাৰত গৈ এমোনা বজাৰ আনিব পৰাটো আমাৰ বাবে ৰাহ ৰাহ লোৱাৰ কথা নাছিল। এয়া আছিল আমাৰ দ্বায়িত্ব। দেওঁবাৰৰ দুপৰীয়া ঘড়ীৰ কাঁটাইনো সময়ৰ সূচী কেনেকৈ দিয়ে তাকে শিকাই দিয়া আইজনীয়ে আমাক হাতত পইচা দি অংক কৰোৱাইছিল, তাকো সেই অংক আছিল সম্পূৰ্ণ ব্যৱহাৰিক ক্ষেত্ৰত।

এনেকৈ চিনাকী হৈছিলো আমি মানুহবোৰৰ লগত। ত্ৰিনয়ন এন্টাৰপ্ৰাইজ-কুঁৱৰীকুছিত যে আমি দহ পইচাৰ চকলেট বিচাৰি যোৱা বাপুটি খুড়াৰ দোকানখন এৰি আহিলোঁ, তাক চাটাৰ থকা ত্ৰিনয়ন এন্টাৰপ্ৰাইজে বুজাই দিছিল। জেঠা, তেওঁৰ তিনিজন ল'ৰা আৰু বগা নোমাল কুকুৰটো হৈছিল আমাৰ জীৱনৰ দ্বিতীয়জন বাপুটি খুড়াৰ ঠিকনা। পিছে এই ঠিকনা তেনেই ক্ষণিকত সলনি হৈছিল শৰ্মা খুড়াৰ দোকানলৈ। লক্ষী শিল্পালয়। এখন চাইকেল দোকান। দোকানৰ বিশেষত্ব হ'ল- এজন বয়সীয়া, আনজন ডেকা চাইকেল মেকাৰ আৰু তৃতীয় বিশেষত্ব খুড়া নিজেই। আমি খুড়াক তাহানি চিনি নোপোৱা লাফিং বুদ্ধটোৰ সৈতে তুলনা কৰিব পাৰোঁ।

দোকানত এটা জখলা আছিল। তেনেই সৰু। টিঙত বল পৰিলে দিনটোত চাৰিবাৰলৈ আমি সেই জখলাটো নিবলৈ আহোঁ। আহোঁতে কেনেকৈ যে চাইকেল ভাল কৰা মানুহ দুজনৰ ওচৰত বৈ বস্তু যোগান ধৰা হ'লো গমকে নাপালোঁ। এনেতে এদিন আমাৰ চকুত তুলি দিয়া হ'ল এখন সৰু চাইকেল। বচ। কাবৌ কৰি চাইকেলখন হস্তগত কৰাৰ পৰা পিচদিনা পুৱালৈ মই চাইকেলখন নেৰিলোঁ। আজিলৈ এদিনত চাইকেল চলাব শিকা মানুহ মই মোৰ বাহিৰে কাকো নাপালো বুলি কৰবাত লিখি ৰখা মনত পৰে।

ত্ৰিনয়নত চকলেট নাপাই। পঞ্চাছ পইচাৰ আচাৰ, পছিশ পইচাৰ চুটকীও পোৱা নগৈছিল। ক'লা ডাঠ ফ্ৰেমৰ চচমা পিন্ধা মানুহজনৰ গুমটিখন হৈছিল আমাৰ খুচুৰা পইচাৰ জলাঞ্জলি দিয়া ঠিকনা। ভালেমান দিন পিছত আমাৰ বিকল্প হিচাপে আহিল অন্য এখন গুমটি। পিছে, দ্বিতীয় গুমটিখন বেছিদিন নচলিল। আমি আগৰজনলৈ উভতি অহালৈ খুচুৰা খোৱাত ইতি পৰিল। ভালেখিনি আগুৱাই গ'ল সময়।

সময়ৰ আহ্বানত ঘৰৰ টিউব লাইটবোৰ বেয়া হৈ আহিছিল। বেদান্তৰ দৰে সুবিধা দিব নোৱাৰিলেও ডাঙৰ ছোৱালীৰ বাবে আনি দিয়া হৈছিল টিউচন মাষ্টৰ আৰু ডুপ্লিকেট কোম্পানীৰ দুটা লাইট একে সময়ত জ্বলাব পৰা এটা ইনভাৰ্টৰ। আৰু এই লাইট জ্বলোৱা কাৰবাৰটো ফিটিং কৰাবলৈ আমাৰ ঘৰত আহিছিল পুলক। কুঁৱৰীকুছিৰ মনোজে কৈছিল, "পুলকে লাইট ভাল কৰি দিব, ঘৰ ৰখি দিব পাৰিব। ভাল ল'ৰা।" লাহে লাহে পুলক ঘৰৰ হৈছিলগৈ। সি বাইক এখন কিনিছিল। প্ৰথমবাৰ আমাৰ ঘৰলৈ অনাৰ দিনা লগত কেইখনমান মিঠা পাণ আনিছিল সি। আৰু আমি গোটেই গোপালবজাৰ এক চক্কৰ দি কেমেৰাত ফটো উঠাই থৈছিলো সেই দিনটো। এদিন পুলকৰ বাইকত দেওবাৰৰ পুৱা তাৰ ঘৰ গৈছিলো আৰু উপহাৰ হিচাপে পাইছিলো ভনীয়েক তুলিকা আৰু ভায়েক মিথুনক।

গোপাল বজাৰ তেতিয়া আগবাঢ়ি গৈ আছিল। পাটোৱাৰী এন্টাৰপ্ৰাইজখন শৰ্মা খুড়াৰ দোকানৰ পৰা উঠি গৈ ৰাস্তাৰ সিপাৰে পাতিছিল। এনেকুৱা অন্য এখন দোকান গকুল খুড়াৰ। আজি ইয়াত- কালি তাত।

কুঁৱৰীকুছিত পীৰাত বহি চুলি কটা নাপিতজন গুচি গোপাল বজাৰত গকুল খুড়ালৈ সলনি হৈছিল। প্ৰথমে আচাৰ বনোৱা অফিচটোৰ সন্মুখত, তাৰ পৰা গৈ বেদান্তহঁতৰ কাষত, আকৌ মুচিৰ দোকানৰ লগত- এনেকৈ বহুবাৰ গকুল চেলুন বদলিল, নবদলিল তাৰ চুলি কটা ষ্টাইল আৰু বেদান্তৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'বলৈ দিয়াৰ উপদেশ। আমি পঢ়া টেবুলত বহু কথাই শুনিছিলোঁ। গকুল সম্পৰ্কীয় কথাও। "গকুল আদৰ্শবান। বেচেৰাৰ পঢ়িব মন আছিল। কষ্ট কৰিছে- ঘৰ চলাইছে। পিছে পঢ়িবহে নাপালে।" ঘৰ চলোৱা মানে কি আমি জানিছিলো, কিন্তু মই কেনেকৈ ঘৰ চলাম কাহানিও ভাবিব পৰা নাছিলো। তুলাচনীত জুখিব জনা হোৱা নাছিলো হেঁপাহ আৰু কৰ্মৰ কাক কোনফালে ৰাখিম। অথচ শৰ্মা খুড়াৰ দোকানৰ পিছফালৰ জোখমাখৰ চৰকাৰী অফিচটো আছিল আমাৰ বিজ্ঞানৰ কিতাপত থকা ছবিবোৰ চুই চাব পৰা এটা মিউজিয়াম। আৰু তাৰ ছিফালৰ ঘৰটো আছিল...

... আচলতে দুটা ঘৰ। এটা বিশ্ব-মমীৰ, আনটো ধনৰ। এই ঘৰ দুটা আছিল আমাৰ জীৱনৰ শৈশৱৰ খেল-ধেমালি আৰু হাঁহি-কান্দোনৰ উৎস। বিশ্বই আমাক

দিলে দাদা হৈও বন্ধু হোৱাৰ সোৱাদ। তাৰ পৰা আমি কুইজ শিকিলোঁ। ক্ৰিকেট-কেৰম জানিছিলোঁ, দেৱাল পাৰ হৈ চোৰ-পুলিছ খেলিবলৈ শিকিলোঁ, শহাপহু পুহিব শিকিলোঁ। বাৰ বাৰ খাটনি ধৰাৰ অন্তত জীৱ-জন্তুৰ মৰমক প্ৰশ্ৰয় দিবলৈ আমাৰ ঘৰত আলহী এটা অনা হৈছিল 'টম'ক। টম আমাৰ আছিল। কেতিয়া কোন টলকত গৈ সি গোপাল বজাৰৰ আপোন হ'লগৈ আমি তৰ্কিবই নোৱাৰিলোঁ। টম অহাৰ পৰা হেনো চোৰৰ উপদ্ৰৱ কমিছিল। কিয় নাজানো, কিন্তু মানুহৰ মাজত সি 'লাগান' নামেৰে চিনাকী হৈছিল। লাগানক গোপাল বজাৰৰ পথত নেদেখিলে ঘৰ আহি ওলোৱা মানুহ দেখি আয়ে কৈছিল, "চা কুকুৰটোলৈ কিমান মৰম"। তেনে এজন ল'ৰা আছিল টিকলি।

মাজে-সময়ে গিয়াছ খুড়া আহিছিল। কেৰাচিন বেচা দোকানখনত পাঁচটিন তেল লোৱাৰ পূৰ্বেই দুবস্তা চাউল দি গৈছিলহি খুড়াই। কুঁৱৰীকুছিৰ পৰা অনা চাউল। গিয়াছ খুড়াক আগবঢ়াই থৈ মই যাওঁ ৰাজীৱৰ ঘৰলৈ। কেইখনমান দোকান- দোকানৰ পিছফালে তাৰ ঘৰ। চোতাল নথকা ঘৰ। ভুপালীহঁতৰ ঘৰটোও তেনেকুৱাই। আকৌ অনুৰাগ বেকাৰীখন; তাৰ কাষৰ হোটেলৰ দোকানীহঁতৰ ঘৰটোও একে। দোকানৰ মাজেদি সোমাইহে ঘৰ গৈ ওলাব পাৰি। কতবাৰ অহৌ বলিয়া মানুহজনৰ উৎপাত চাব আমি দৌৰিছিলো সেইবাটেৰে।

চুনিতা কলেজত পঢ়িছিল। তাইৰ পৃথিৱীখন আমি চিনিব পৰা হোৱা নাছিলো। দুলাল এসময়ত বেলেগলৈ গুচি গ'ল। মোৰ অংকত যোগবোৰ বিয়োগ হৈ গ'ল। মাজতে এবাৰ চুনিতাও নোহোৱা হ'ল। আয়ে কৈছিল উভতি আহিব। নাই। ভালেমান দিন পাৰ হৈছিল। চুনিতা উভতি নাহিল।

'এল' টাইপৰ ঘৰটোৰ ভিতৰতেই বন্ধ পৰিৱৰ্তন আহিল। গোপাল বজাৰক কিনো কম। বেদান্তৰ পৰীক্ষা অহা বাবে আমি তাৰ ওচৰলৈ নগ'লো। এদিন ৰিজাল্ট ওলাল হয়, সি ষ্টেণ্ড কৰিছিল। দুটা পজিচন আগত থাকিব পাৰিলেহেঁতেন বুলি সবে কৈ থাকোতে বহুদিনৰ মুৰত বেদান্তক দেখিছিলো। সি শকত হৈছিল।

গোপাল বজাৰখনো মোটা তাজা হৈছিলগৈ। তিনিকোণীয়া পুখুৰীত পদুমে পাঁহি মেলিছিল। মানুহে কোৱাকুই কৰিছিল- দেওলগা পুখুৰী সেইটো। তাক কিদৰে চাফা কৰিব? কথাবোৰ মিছা প্ৰমাণিত কৰি এদিন ল'ৰাহঁতে তিনিকোণীয়া পুখুৰীত নাওঁ মেলি দিলে।

আমাৰ ডাঙৰজনীৰ তোলনি হৈছিল। গোটেই গোপাল বজাৰখন আহিছিল সিদনা আমাৰ চোতালত।

তাৰ পিছত কেইবাবাৰো আমাৰ ঘৰত মানুহৰ লানি নিচিগা সোঁত বৈছিল। এবাৰ মাৰ্জনাৰ বিয়াত। আমাৰ নিজৰ ছোৱালীৰ দৰে বিয়া দিছিল মাৰ্জনাক চোতালৰ পৰা। মাৰ্জনা কোন আৰু বিয়াখন কিয় এই চোতালত হ'ল, আমি বিয়া হৈ যোৱালৈ নাজানিছিলোই। একেই চোতালত দ্বিতীয়বাৰ সোঁত বৈছিল আমাৰ গাড়ী দুৰ্ঘটনাত। জুনু ঢুকাই গৈছিল। ভিনিহিয়ে চলাই গৈছিল এমহীয়া বগা মাৰুতিখন। চিঞৰ বাখৰ, হৈ-হৈৰ মাজত পাচদিনা পুৱা গকুল খুড়াৰ দোকানত মানুহ এজনে বাতৰি পঢ়িছিল। মই কৈছিলো বাতৰিটো ভুল হৈছে। মোৰ উপাধি ডেকা নহয়, মাজু দাদা নহয় ডাঙৰ দাদাহে আছিল গাড়ীত। আৰু মই তেতিয়াও বুজি পোৱা নাছিলো মৃতকৰ সংখ্যা এক মানে কি, আহতসকলৰ এজন মই কিয়!


চাৰিটা বছৰ এনেকৈ পাৰ হৈ যায়। লাহে লাহে ঘৰত কথা ওলাইছিল- গোপালবজাৰ এৰিব লাগিব। মানুহে ঘৰ-মাটি বিক্ৰী কৰাৰ কথা লৈ আহিব ধৰিলে আমাৰ ওচৰলৈ। লাহে লাহে এইটো স্পষ্ট হৈ যায় যে, মাটিডৰা বিক্ৰী কৰা হৈ গ'ল। ঘৰ খালী কৰিব লাগে। খং আৰু বেদনাত জৰ্জৰিত আপোনজনক দেখি আমি বুজিলো- কোনোবাই কাৰোবাক কথা দি কথা নাৰাখিলে কেনে অনুভৱ হয়। আকৌ আমি টালি-টোপোলা বান্ধিব লৈছিলো। বস্তু-বাহানি যোগাৰ কৰাৰ পাছত বুজা গ'ল- এইবাৰ ঠেলা চাৰিভাৰ হ'ব। আমাৰ 'টম'- গোপাল বজাৰৰ 'লাগান'ক এৰি যাব লাগিব বুলি জুৰিছিলো আমি। সিওঁ। সকলোৱে আচৰিত দিছিল। কুকুৰেও কান্দে এনেকৈঙ্গ

এটি নিস্তেজ পুৱা চাৰিভাৰ ঠেলাত বৈ আহিব কুঁৱৰীকুছিৰ ফিল্টাৰটো, গোপাল বজাৰৰ পৰা কাজিপাৰালৈ, সেই বাটেৰে, যি বাটেৰে প্ৰথম দিনা দুলালে মোক স্কুললৈ লৈ গৈছিল।

১৫ বছৰ পিছত...

প্ৰিয়ংকাৰ বিয়া। বিবাহ ভৱনটো নতুন। দেখিবলৈ ভাল। আহল-বহল। মোৰ কাষত বন্ধু বিতোপন বহিছে। তাৰ কাষৰ ছোৱালীজনীও চিনাকী। তাইৰ সৈতে বিতোপনৰ সম্পৰ্ক ভাল। বিতোপনে ক'লে, " এইখিনি ঠাইত এসময়ত আমাৰ ঘৰটো আছিল নহয়নে?" মই ক'লো, "অ' তোমালোকৰ আগতে আমি ইয়াতে আছিলো। ছোৱালীজনীয়ে ক'লে, "তাতোকৈ আগত আমি আছিলো ইয়াত। মাটিখিনি আমি কিনিম বুলি ভাবিছিলো। কিন্তু মালিকে বেলেগক বেছিলে।" বিতোপনে ক'লে, "ব'লা খানাটো খাই লওঁ। দৰা আহিবই।"

প্ৰিয়ংকাৰ বিয়া প্ৰায় শেষেই। ঘৰ উভতিবৰ পৰত এবাৰ গোপাল বজাৰৰ পথৰ মাজত থিয় দি চাওঁ। কাষেৰে বাইক এখন সাউৎকৈ পাৰ হৈ যায়। মই নিজকে চম্ভালি লওঁ। নিজকে কওঁ; গোপাল বজাৰে নিজক চম্ভালি লৈছে। কোনেনো ক'ব পাৰিব যে মই থিয় দি থকা এই ৰাস্তাটো ইমান আহল-বহল নাছিলেই। এই যে মোৰ



সন্মুখত এটা অসম চৰকাৰৰ এফিচ আছিল, কেতিয়াবা ইয়াত গকুল খুড়াৰ দোকানখন আছিল, এতিয়া খুড়াৰ দোকানখন সৌ তাত, আন পাঁচখন দোকানৰ লগত থিয় দি আছে। ইয়াত এই কানাড়া বেংক-চেংক নাছিল। ইয়াৰ সলনি এটা চুকত এখন ফাৰ্মাচীহে আছিল, আনটো চুকত অলপ সোমাই বেদান্তৰ দেউতাকৰ অফিচ মানে চেম্বাৰ। ভুপালীহঁতৰ ঘৰৰ বাওঁফালে আছিল বৃহৎ পিটনি। এতিয়া সেইবোৰ ঘৰ হ'ল। ত্ৰিণয়ন এণ্টাৰপ্ৰাইজ নাই। মিণ্টুৰ পিচিঅ'ও নাই। মানসৰ চিডি কেছেটৰ বেপাৰ নাই। লক্ষ্মী শিল্পালয়ৰ ভেটি ওখ হ'ল। এটলাচ চাইকেল অঁকা থকা দেৱালখন খহিল। পিছফালৰ অফিচটো বন্ধ। তিনিকোণীয়া পুখুৰীৰ পাৰতেই বহু দোকান হ'ল। হোমিঅ' ডাক্তৰৰ দোকানখনচোন হেৰাই থাকিল। ১০ টকাত বড়ি দিছিল তেওঁ। এবাৰ খালেই বেমাৰ শেষ। এই মাৰ্কেট প্লেছত আমাৰ চিনাকী গুমটিকেইখন আছিল। ডাঙৰ গেলামালৰ ষ্টোৰ হাউচ এটাও ইয়াত আছিল। মাংসৰ দোকানবোৰ একে ঠাইত নিশ্চয় আছে, কিন্তু মোৰ চিনাকী দোকানীজনৰ ছবিটো বহুত চিন্তাৰ পিছতো মনলৈ নাহিল।

তেওঁৰেই ল'ৰাটোক মোৰ সৰু চাইকেলখন বেচিছিলোঁ। অনুৰাগ বেকাৰী নাই- কেঁচা মজিয়াৰ হোটেলখনৰ ৰেহ-ৰূপেই বদলি হ'ল। তিনিকোণীয়াৰ পাৰত এখন চেলুন আছিল। এতিয়া নাই। অলপ আগত থকা আৰ্মি কেম্পটোও উঠি গ'ল। দুৰ্গা মন্দিৰ দুখলপীয়া হ'লগৈ। আসন্ন দুৰ্গা পূজাৰ দিনা শৰাই দি গোটেই দিনটো শৰাই হেৰাব বুলি ভয় খাই তাতেই বহি থকা দিনবোৰ। অসম চৰকাৰৰ অফিচ কেইটাৰ অৱস্থা ভাল হ'ল। কৰ্মচাৰীকেইজনক আজি এবাৰ শুধিব মন যায় 'পানী উঠা দিনবোৰত চাকৰি কৰি পাইছিলনে ইয়াত' বুলি এইফালেই আছিল বান্ধৱী ৰুমীৰ ঘৰ। ৰুমীহঁত থকা কোৱাৰ্টাৰবোৰ কেতিয়া ভাঙিল কোনোবাই মোক ক'ব নে। ইমান পুৰণা দিনৰ মানুহ আছেনে ইয়াত?

আকৌ এখন বাইক কাষেদি পাৰ হৈ যায়। মই মনতে কওঁ ঃ সময় অ', আকৌ এবাৰ ভাবিব দে মোক। মোৰ অতীতক। এনেতে, বাওঁফালৰ পৰা পোহৰ এটা মোৰ দিশে আগবাঢ়ি আহি থাকিল। মনত পৰিছে মোৰ এইবাটেৰে আমাৰ অট'খন আগবাঢ়িছিল কুঁৱলীকুছিৰ পৰা। পোহৰটো বাঢ়ি আহিল। মই এইবাৰ কিহঁবাৰ খুন্দাত ঢলি পৰিলো। কুকুৰ এটাই ভুকিলে। লাগান- লাগান চাগে সেইটো। ৰাৱণ পুলিচৰ দিনত সান্ধ্য আইন দিয়া সময়ত খালী ৰাস্তাত ক্ৰিকেট খেলি থকা ল'ৰা এটা মোৰ ওচৰত আহি ৰৈছেহি। কৈছে- চোৰা, এয়া তোমাৰ গোপাল বজাৰ। তাহানিৰ ইয়াতেই তোমাৰ দেউতাই মাছ পুহিছে, ধান ৰুইছে, শকতকৈ লগা তৰ্জা উদ্যোগৰ মালিকজনৰ পৰা তৰ্জা কিনি সীমা বেৰাইছে। ৰভা সাজি বিয়া দিছে মৰ্জনাক। মাৰ্জনাই কান্দি কান্দি ওলাই আহিছে। তুমি একো বুজা নাই কিন্তু তোমাৰ ঘৰৰ মানুহে কান্দিছে। সবে কান্দিছে।

ধেৎ সেইয়াচোন প্ৰিয়ংকাহে। কইনাৰ বিদায় বেলা হৈছে। মই থিয় হৈ কাপোৰ-কানি জোকাৰি ল'লো। এইমাত্ৰ কিহবাই যে মোক খুন্দিয়াই পেলাই থৈ গ'ল কাকো নক'লো। সময়ে খুন্দিওৱা দুখ আৰু প্ৰিয়ংকাৰ বিদায় একাকাৰ কৰি মই ঘৰলৈ খোজ ল'লো। গোপাল বজাৰ এতিয়া মোৰ পৰা বহু নিলগত। থাকক। নতুনকৈ বহা মাছ বজাৰখন প্ৰশাসনে উঠাই দিলেও বজাৰত গোপালে উশাহ লৈ থাকক। ■

দুখন গাঁৱৰ মাজেৰে যোৱা কেঁচা আলিটোৰেদি তিনি কিলোমিটাৰ বাট খোজকাঢ়ি যোৱাৰ পিছতহে তাই নিজৰ আপোন ঘৰখন পায়। ট্ৰেইনেৰে ৫০ কিলোমিটাৰ আহি আকৌ তিনি কিলোমিটাৰ খোজ কাঢ়ি আহিবলৈ যদিও আন মানুহৰ কষ্ট হয়। আজিৰ দৰে তাই সেইকণ কষ্ট কেতিয়াও অনুভৱ কৰা নাছিল। কাৰণ ট্ৰেইনৰ পৰা নামিয়েই তাই মৰমৰ ককায়েকটোৰ লগত এইকণ বাট নানান কথা পাগুলি পাগুলি আহিছিল। কথাৰ মাজতে ককায়েকটোৰে তাইক ৰাস্তাৰ মাজতে ধমকি দি কৈ উঠিছিল।

ইমান কথা কৈ কৈ তোৰ ভাগৰ নালাগেনে তৰা?

তাই খিলখিলাই হাঁহি উঠিছিল। হাঁহি উঠাৰে কথা। স্কুললৈ অকলে যাব নোখোজা ছোৱালীজনীয়ে চহৰৰ নামী-দামী কলেজখনলৈ অকলে যাবলগা হ'ল। ঘৰৰ পৰা দূৰৈত নথকা তাইজনীয়ে কলেজৰ হোষ্টেলত থাকি যাব লগা হোৱাত কথকী ছোৱালীজনীৰ কথা ক'বলৈকে লগ এটা নোহোৱা হ'ল।


ককায়েকটোক পালে আৰু তাই কথা ৰখাব পাৰেনে।

সেই কথা চহকী ছোৱালীজনীয়েই তৰালী চলিহা। মাক-দেউতাকৰ সৈতে সিহঁতৰ এটা সুখী পৰিয়াল। বেংকৰ চাকৰিয়াল ককায়েকটোৰ বিয়াৰ কথা ওলোৱাৰ দিনাৰ পৰা তৰালীৰ গাত ত'ত নাইকীয়া হৈছিল। কোনদিনা তাই ঘৰলৈ আহিব, কেতিয়া নবৌয়েকক জোৰণ পিন্ধাবলৈ যাব। মুঠতে তাইৰ মন উগুল থুগুল।

গল্প

# বন্ধ সপোনৰ দুৱাৰ

**পৰিণীতা কলিতা**
স্নাতকোত্তৰ, দ্বিতীয় ষাণ্মাসিক



বিয়া বুলিলে ঘৰ এখনত বহুত কাম ওলায়। তাতে তৰালী কলেজত পঢ়িবলৈ গুচি যোৱাৰে পৰা মাকে ঘৰখন অকলে চম্ভালিব নোৱাৰা হৈছে। সেয়ে দূৰ্গা পূজালৈ দহদিন থাকোতে তাই কলেজৰ পৰা ঘৰলৈ ছুটী লৈ আহিছিল। শৰৎ নিশাৰ আবেলিটোত ককায়েকৰ লগত বহি অহা তাইজনীয়ে

বুকু ভৰাই ভাললগা পৰিৱেশটো বুকুত সামৰি লৈছিল।

গোটেই ৰাস্তাটো ককায়েকক আমনি কৰি তাই খিলখিলাই হাঁহিছিল।

কথাবোৰ ভাবি ভাবি গৈ থাকোঁতে কেতিয়ানো তাই গাঁৱৰ মূৰৰ বকুলৰ তল পালেগৈ তাই গমকে নেপালে। সৌ সিদিনা ককায়েকটোৰে কৈ উঠিছিল -

তৰা, তই হ'লে বিয়াৰ দিনা বকুল ফুলৰ মালা গুঠি মোৰ মূৰত পিন্ধাবি। জানৰেই নহয় তোৰ দৰে বকুল ফুলৰ গোন্ধটো মোৰো প্ৰিয়।

হ'ব দে আমাৰ ঘৰৰ সৰু চৰাইটো। ইমান কিয় ভাল পাৱ মোক? মোৰ প্ৰতিটো ইচ্ছা-আগ্ৰহলৈ তোৰ ইমান মৰম।

বেঙাটো, তোৰ বাদে মোৰনো কোন আছে?

সেইবুলি নবৌ আহিলে তই আৰু মোক পাহৰি নেযাবিঙ্গ

পাগলী, তোক যদি পাহৰি যাম বুলি ভাবিছা। বিয়াই নকৰাও দে মইঙ্গ

ইহ, পাগলটো। চা তাৰ কথা।

হাঁহি-ধেমালী স্ফূৰ্তিৰে সিঁহত ঘৰ পাইছিল।

কিমান যে স্মৃতি বিজড়িত হৈ আছে এই গাওঁখনৰ লগত। অথচ গাঁৱলৈ আহিবলৈ আজি তাইৰ সাহে নুকুলায়।

কিমান দিননো হৈ গ'ল সেই ঘটনাটোৰ।

দুটা বছৰ সেই বছৰতে তাইৰ জীৱনটোৰ পৰাচোন বহু কিবাকিবিয়েই হেৰাই গ'ল। শৰৎ কালৰ সেই কালিকা লগা সন্ধিয়াটোৱে কিমানজন মানুহৰ বুকু উদং কৰি লৈ গ'ল। আজীৱন ৰঙা ৰঙেৰে ৰঙীয়াল হ'ব খোজা নবৌয়েকজনীৰ উকা কপালখন উকা হৈয়ে ৰ'ল। শৰতৰ শেৱালী শেৱালী সুগন্ধিৰে আমোল-মোলাই থকা নৱমী পূজাৰ দিনটোত মৰমৰ ককায়েকে দৰা সজাৰ কথা আছিল। মূৰত বকুল ফুলৰ মালা গুঠি পিন্ধাব খোজাত তৰাৰ দুহাতত বকুল ফুলবোৰ আৰু তুলি লোৱা নহ'ল।

সৌ সিদিনা বিয়ালৈ অহা তৰাক ঘৰলৈ আগবঢ়াই আনিয়েই মাকক সি কৈ উঠিছিল। - মা, মোনাটো দেচোন। তৰা আহিছে যেতিয়া আজি ডাবল পাৰ্টি হ'ব। বজাৰলৈ যাওঁ। নহ'লে বান্দৰীজনীয়ে মোৰ কাণ ঘোলা কৰি থাকিব। খকুৱাজনী আহিল যেতিয়া আৰু মোৰ ৰক্ষা নাই। - অই, কি কৈছ তই মোক? মই খকুৱা নে তই খকুৱা। মই অহাৰ চান্সতে পেট পূৰাই খোৱাৰ মন তোৰ হা?

ৰহচোন ৰহ। আহি পাইছেহি তাই। ইমান জোকাই নাথাকিবি চোন সোণা। ঠেহ পাতিলে ভাতকে নেখাব আৰু তইও চাহকণ খাই ল তাইৰ লগত। এইকণ বাটহে। অকণমান দেৰীকৈ যাবি।

সিদিনা দিনতে চোতালতে ৰভা দিয়া কাম শেষ হৈছিল। বিয়ালৈ মাজত মাত্ৰ দহদিন। দহদিনৰ পিছতে ঘৰখনত নবৌয়েক আহিব। তৰা কলেজত পঢ়িবলৈ যোৱাৰে পৰা মাকজনী তেনেই অকলশৰীয়া হৈছিল। নবৌয়েকজনী আহিলে মাকৰ অন্তত লগ এটা হ'ব। তাইৰো চিন্তা এটা কমিব। দিনটো অকলে মানুহজনীয়ে মনৰ কথা এষাৰ খুলি ক'বলৈও কোনো এটা নাথাকে। এতিয়াৰ পৰা ঘৰখনৰ লগতে মাক দেউতাক চম্ভালিবলৈ মৰমিয়াল নবৌয়েকজনী থাকিব।

আলহীৰ উদূলি-মুদুলিৰ মাজতে ককায়েক-ভনীয়েকৰ কাজিয়া-হাঁহিৰ খিলখিলনীৰ আন্ধাৰ নামিছিল। বজাৰলৈ দেৰী হ'ব বুলি তাইয়েই ককায়েকৰ হাতত মোনাটো দি তাক পদূলি মুখলৈ আগবঢ়াই থৈ আহিছিল।

দিনটোৰ যাত্ৰাৰ শেষত ভাগৰতে তাই বিছনাত বাগৰ দিবলৈ লৈছিল। একমাত্ৰ ককায়েকটোৰ বিয়া। আলহী-দুলহী বহুত আহিছে। ৰাতি হয়তো ভালকৈ টোপনি মাৰিবলৈ নেপাব। অকণমান শুইয়েই লওঁ বুলি তাই টোপনি যাবলৈ চেষ্টা কৰিছিল। হঠাতে বাহিৰত হুলুস্থুল লগাত তাই একেকোবে চোতাল পালেহি। এয়া কি?

চোতালত তাইৰ মৰমৰ একমাত্ৰ ককায়েকটোক শুৱাই থৈছে। তেজৰ মাজত নিৰৱে নিতালে শুই থকা ককায়েকক দেখি আচম্বিতে তাইৰ বুকুখন ধক ধক কৰিবলৈ ধৰিলে। কিবা ক'বলৈ মুখ মেলাৰ আগতে তাই ঢলি পৰিছিল।

আচম্বিতে বৰষুণজাক নামি আহিছিল। বৰষুণ টোপালবোৰ গাত পৰোতেহে তাই ভাৱ সাগৰৰ পৰা উভতি আহিল। বৰষুণজাক লাহে লাহে বেছি হৈ আহিছিল। গোটেই পথছোৱা শূণ্য আছিল। কোনোদিনে আৰু ঘৰলৈ অহা পথটোত তাইক নিবলৈ নাহিব বাইক-ট্ৰাকৰ মাজত হোৱা ভয়ংকৰ দূৰ্ঘটনাটোত আতৰি যোৱা মৰমৰ ককায়েকটোৱে। পথটোত এবুকু শূন্যতাৰে তাই আগবাঢ়িবলৈ ল'লে। তাই ভাবিলে - দুখবোৰেই আজি বৰষুণজাকক মাতিল নেকিঙ্গ কিন্তু আকাশখনে শুনিছে জানো তাইৰ দুখৰ কাহিনী। এনে এজাক বৰষুণে দুখবোৰ জানো ধুৱাই নিব পাৰিব। নোৱাৰে। এন্ধাৰে আৰৱা ঘৰখনলৈ বৰষুণত তিতিয়েই তাই বেগাই খোজ ল'লে।■

গল্প

# হেঙুল বিলাপ

**মৃদুল বৈশ্য**
*স্নাতকোত্তৰ, চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*



**সা**ধনা সাধনা আৰু সাধনা। মাথো সাধনাই নেকি মানুহৰ জীৱন মুক্তিৰ একমাত্ৰ অনিবাৰ্য্য পথা জন্মৰ পৰা মৃত্যুলৈ এই বাৰেৰহনীয়া সমাৰোহৰ ক্লান্তিকৰ যাত্ৰা। সাধনাই মানুহৰ প্ৰকৃত আনন্দৰ বাট কাটে নেকি! এটা পথৰুৱা পথত দুই আঁঠুৰ ওপৰত কিলাকুটি থৈ মূৰটো পোন কৰি বহি তাকে গমি আছিল মানিক বুঢ়াই। তেওঁ এতিয়া বৃদ্ধত্বৰ সাধনা কৰিব নে মৃত্যুৰ! মাজে মাজে পথৰুৱা চেঁচা বতাহ একোজাকে তেওঁৰ বৃদ্ধ দেহাত বৰভুঁইকপৰ কেঁচাতেজ সানি থৈ যায়।

তেওঁৰ পৰা সৌ পঞ্চাশ মিটাৰমানৰ আঁতৰতেই চাৰিখন মাটি খন্দা গাড়ীয়ে মাটি খান্দি আছে। গেছৰ পাইপলাইন বহিব হেনো। তাৰেই কাম আজি চাৰিদিনে ক্ষিপ্ৰ গতিত আগবাঢ়িছে। মানিক বুঢ়াই কঁপি কঁপি যেন আজি হাৰ মনা নাই সেই দানহৰূপী বতাহজাকৰ ওচৰত। মেচিনৰ পৃথিৱীৰ আন এক বাসিন্দা এই মাটি খন্দা গাড়ীবোৰ। বিমুগ্ধ অপলক দৃষ্টিৰে বুঢ়াই তাকেই চাই চাই কিবা এক অবুজ মায়াত বিভোৰ হৈছে।

সেই গাড়ীবোৰেতো কেৱল মাতিয়েই খন্দা নাছিল। মাটিৰ লগতে সিহঁতৰ লৌহমুঠিৰ বিৰাট খামোচত উঠি আহিছিল মানিক বুঢ়াৰ মদৰুৱা দিনবোৰৰ স্বৰ-ব্যঞ্জনবোৰ। পেটৰ তাৰণাই দৌৰাই লৈ ফুৰা সেই আদিমগন্ধী দিনবোৰৰ কথা সেইবোৰ। জুই। এই জুয়েইতো আদিম যুগৰপৰা শক্তিৰ মূল। সিদ্ধিৰ মূল। শুদ্ধিৰো মূল এই জুয়েই নহয় জানো। এই জুই নহ'লে বাৰু জীৱনে চলে নে সংসাৰে চলে। তেওঁৰ জীৱনলেই চোৱা যাওঁক। প্ৰাক বৈবাহিক দিনবোৰত মাকৰ মুখলৈ চাই খৰি খৰি কৰি হাহাকাৰ কৰি ফুৰিলে আৰু বিয়াৰ পাছত তেওঁ সহধৰ্মিনীৰ সুখৰ সাম্ৰাজ্যৰ অপৰাজেয় সম্ৰাট হৈ থাকিবলৈ গৈ তেওঁ খৰিৰ গাণ্ডীব ধৰিলে।

এনেকুৱা সময়তে তেওঁৰ পলসুৱা অনুভৱত গজি উঠিল এক লহপহীয়া পুলক। তেওঁৰ মনত পৰিল হাতত খৰিৰ বোজা লৈ ঘৰ সোমোৱাৰ লগে লগে তেওঁৰ পত্নীৰ মুখত সিজি উঠা পৰম প্ৰাপ্তি আৰু তৃপ্তিৰ হাঁহিটোৰ কথা। হয়তো এই হাঁহিটিয়েই একমাত্ৰ অগ্নি দেৱতাৰ অনুপস্থিতিত সিজা। সেই হাঁহিৰ যি সোৱাদ সেই সোৱাদ কিন্তু নতুন চিলিণ্ডাৰ এটা বিনা অভিযোগত আনি দিলেও বোৱাৰিয়েকহঁতৰ মুখত নাপায়। হয়তো পাইপলাইনৰ গেছ সংযোগ হোৱাৰ দিনাখনো বোৱাৰিয়েকহঁতৰ মুখত দেখা নাপায় সেই সোৱাদভৰা হাঁহিৰ সমদল।

মহে-দাহে, হুলে-জোঙে আৰ-বাৰীয়ে তাৰ-বাৰীয়ে সোমাই খৰি বিচাৰি ফুৰোতে কিমানৰ যে কটু কথাতো শুনিছিল। লগতে অতিৰিক্তকৈ শাওপাতো ভাগত হৈছিল। পুতেকহঁত সৰু থাকোতে সেইবোৰলৈ কেৰেপ কৰা ভকত আছিলনে বুঢ়া। কিন্তু কেনাটো লাগিল পুতেকহঁত জনা বুজা হোৱাতহে। খৰি চোৰৰ পুতেকৰ খিতাপ যেতিয়া অনিচ্ছা স্বত্বেও গ্ৰহণ কৰিব লগা হৈছিল স্বাবাৰিকতেই সিহঁত লজ্জানত হৈছিল। তেওঁ জানো পুতেকহঁতক সেইদৰে হীন ভাৱাপন্ন হৈ আনৰ মুখামুখী হ'বলৈ বাধ্য কৰাইছিল, তেওঁতো মহা আড়ম্বৰেৰে খৰি কিনি আনি প্ৰতিপত্তিশালী পিতৃৰ পৰিচয় দিছিল। মুঠতে অগ্নিদেৱতাৰ নিষ্ঠুৰ অনিবাৰ্য্যতাক তেওঁ সদম্ভে ৰক্ষা কৰিছিল।

তাৰ পাছত যেনিবা ডাঙৰটো পুতেকে বিয়াৰ আগে আগে গেছৰ কানেকচনটো ল'লে। লগে লগে চৌকা অপ্ৰয়োজনীয় হৈ পৰিল। ঠিক তেনেদৰে যেনেদৰে বৃদ্ধত্বই প্ৰয়োজনহীন কৰি তুলিলে তেওঁক। হঠাৎ অসন্তুষ্ট ভাৱ এটাই তেওঁক জুমুৰি দি ধৰিলে। তেওঁৰ পুতেকহঁতে কেৱল লাভ-লোকচানৰ অংকেৰে ঘৰখন চলাব খুজিছে। তেজ-মঙহৰ শৰীৰবোৰ, সম্পৰ্কবোৰ, দয়া-মমতাৰ দৰে মানৱীয় অনুভূতিবোৰ বাৰু সিহঁতৰ দৰিদ্ৰতাৰ দৰে দুদিনত উধাও হ'ল নেকি?

এই যে তেওঁক দিনৰ দিনটো কেটেৰ জেঙেৰ কৰে, ভোক লগা বুলি ক'লে গালি পাৰে, চাঁহ এটুপি খাব খুজিলে ঘৰৰ পৰা ওলাই আহিব দিয়ে, এইবোৰ বাৰু শিক্ষিত হোৱাৰ কেনে বিৰূপ প্ৰতিক্ৰিয়া। তেওঁতো ককাঁল কোঙা কৰি, লঘোণে থাকিও সিহঁতক মৰমেৰে মাতিছিল, সিহঁতৰ মুখৰ অনাবিল হাঁহিকন চোৱাৰ হাবিয়াসতেই নিয়তিৰ ওচৰত আত্মোৎসৰ্গা কৰিছিল। তেওঁৰ এতিয়াও মন যায় সিহঁতৰ মুখৰ অনাবিল হাঁহিকন চোৱাৰ। তেওঁৰ এতিয়াও মন যায় সিহঁতক কাষত বহুৱাই বুজাবলৈ। আজিয়েই সৰু পুতেকে কমখন কৰিলেনে। কাষৰ মানুহে জানিলে বাৰু পুতেকক কেনে বুলি ভাবিব। তেওঁ বাৰু ভোকৰ ভাত সময়মতে নাপাই খঙতে নাখালেই, তাৰ বাবেনো পুতেকে ঘৰৰ পৰা গতা মাৰি উলিয়াই দিব লাগেনে। এই সৰুটো একেবাৰে অঁকৰামূৰীয়া বিধৰ। ডাঙৰটো হ'লে বেছ সুচাৰু। এনেবোৰ চিন্তাত ভাৱাক্ৰান্ত হৈ থকা মাজতে তেওঁৰ সোতোৰা সোতৰি মুখখন এটা সেবেৰা হাঁহিয়ে মোহাৰি থৈ গ'ল।

আজি তেওঁৰ ঘৰৰ সন্মুখেৰে গেছৰ পাইপলাইনটো মহা ধুমধামেৰে আয়োজন কৰা বিবাহৰ আমোদেৰে গৈছে। তেওঁৰ বাবে আটাইতকৈ সন্তোষ আৰু আনন্দৰ কথা এইটোৱে যে উক্ত কামৰ ঠিকা লৈছে তেওঁৰেই ডাঙৰ পুতেকজনাই। তেওঁ আকৌ ভাবিব ধৰিলে এতিয়াৰপৰা মানুহৰ জীৱনবোৰ আৰু অধিক সহজ হ'ল। অধিকগতিশীল হ'ল। সঁচাকৈ টেকনোলোজীয়ে উদ্ভাৱন কৰা নন মেছিনবোৰে মানুহৰ পৃথিৱীখনেই সলাই পেলালে। আনহে নেলাগে মানুবোৰকো মেচিনৰপৃথিৱীৰ বাসিন্দা কৰাই ল'লে। তেওঁৰ পুতেকলৈকে চোৱা যাওঁকচোন। তেজ-মঙহৰ শৰীৰৰ নিজৰ দেউতাকতকৈয়ো আপোন হ'ল তাৰ সেই কিম্ভূত কিমাকাৰ চেহেৰাৰ মাটি খন্দা গাড়ীকেইখনহে। যোৱাবছৰতে সৰুটো ভায়েকৰ লগত কাজিয়া লাগি সি কৈ গ'ল যে তাৰ হেনো চাৰি-পাঁচখন গাড়ী। যোৱাবছৰতে সৰুটো ভায়েকৰ লগত কাজিয়া লাগি সি কৈ গ'ল যে তাৰ হেনো চাৰি-পাঁচখন গাড়ী চোৱাচিতা কৰোতে মাথা নষ্ট হৈ যায়। সেইবোৰৰে বেমাৰ ভাল কৰিব নে দেউতাকৰে ৰুগীয়া দেহা চাব। কামৰ প্ৰেচাৰৰ কথা যেনিবা নক'লেই। গতিকে সি সৰু ভায়েকৰ লগত বুজাপৰা কৰি থৈ গ'ল, বাচি থকা দিনকেইটা মাত্ৰ সৰু ভায়েকে দেউতাকক চোৱাচিতা কৰক। এনেও বেমাৰে ধৰিছেই, আৰু নো কেইটা দিন বাচি থাকিব। মৰাৰ পাছত সমস্ত খৰচৰ ভাৰ সি নিজে বহন কৰিব। মৃতদেহৰ কাপোৰখনৰ নামতো এটা ফুটাকৰি সৰুভায়েকক খৰচ কৰিব নিদিয়ে। গতিকে সৰু ভায়েকৰ কমখন সকাহ হ'বনে। নাই বুলিলেও দহা কৰ্মৰ পৰা মৎস্যস্পৰ্শলৈ অতি কমেও দুই লাখ ব্যয়।


অৱশ্যে অংকটো সঠিককৈয়ে কৰিব পাৰিছে ডাঙৰ জনাই। ব্যৱসায়ী সুলভ পৰিপক্কতা এটা ফুটি উঠিছে তাৰ চিন্তাত। মানিক বুঢ়াই দীঘল হুমুনিয়াহ এটি পেলালে। ঘুকুৰ ঘুকুৰকৈ কাঁহি একোবাৰ অৱশ হৈ পৰে তেওঁ। ডাক্তৰে কৈছে ঠাণ্ডা বেছিকৈ লাগিলে বেমাৰটোৱে সংকটজনক ৰূপ ল'ব পাৰে হেনো।

বুঢ়াই দেখিলে তেওঁৰ ঠিকাদাৰ পুতেকে মাটি খন্দাত ব্যস্ত গাড়ীকেইখনক হাত বাউলি ইংগিত দিছে। কাম সামৰাৰ ইংগিত। লগে লগে এখন এখনকৈ গাড়ী পথ অভিমূখে ৰাওনা হৈছে।

তেওঁ বহাৰ পৰাই সমুখৰ পিনে মূৰ তুলি দূৰণিৰ দিগ্বলয়ৰ বতৰা ল'লে.

এন্ধাৰৰ আঙুলিপৰশত জীৱনৰ শিপা হেৰুৱাবলৈ উদ্যত হৈছে অস্তবেলিৰ হেঙুলী।

তেওঁ চিন্তা কৰিছে তেওঁকো কোনোবাই ঘৰলৈ মাতি লৈ যোৱাৰ অপেক্ষাত তেওঁ ৰৈ থাকিব নে?■



গল্প

# জীৱন সংগ্ৰামৰ এক প্ৰেৰণাদায়ক কাহিনী

**প্ৰান্তিকা ৰাজবংশী**
*উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ*

**শী**তৰ কুঁৱলী সনা এটি কোমল পুৱা, শৰৎৰ বুকুত সুগন্ধি বিলাই পদূলিত শেৱালীবোৰ উপচি পৰি, দুৱৰিৰ বোকোচাত ওমলি আছিল। এয়া কি...! নিধি আৰু ৰিয়ানে এফালৰ পৰা শেৱালী বুটলিবলৈ ধৰিলে। বেলিমূৰৰ ওপৰ নোপোৱালৈকে, শোৱাপাটী নেৰা নিধি আৰু ৰিয়ানে আজি কুকুৰাই ডাক নিদিওঁতেই চৰায়ে কিৰিলি নৌপাৰোতেই ধলপুৱাতেই উঠি শেৱালীফুল বুটলাত লাগিল।

কিয় জানে...! আজি দেওবাৰ, ১৩ নৱেম্বৰ, অহাকালিলৈ ১৪ নৱেম্বৰ শিশু দিৱস' সিহঁতৰ দিন - ভাবিয়েই নিধি আৰু ৰিয়ানৰ মনটো ভাল লাগি গ'ল। সিহঁতৰ বিদ্যালয়ত আজি এসপ্তাহ আগৰে পৰাই ধুম-ধামেৰে প্ৰস্তুতি চলি আছে. এইবাৰ নিধিহতঁৰ বিদ্যালয় কৰ্তৃপক্ষই 'শিশু দিৱস' এক বৰ্ণাঢ্য কাৰ্যসূচীৰে, ব্যতিক্ৰমীভাৱে উদ্‌যাপন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। সিহতঁৰ অংকৰ বৰুৱা ছাৰে হেনো সিহঁতক কৈছে যে সেইদিনা প্ৰতিজন শিশুক নিজৰ প্ৰতিভা দেখুওঁৱাৰ সুযোগ দিব। বৰুৱা ছাৰৰ মন্তব্য শুনি শিক্ষাৰ্থীসকল আনন্দত কিৰিলি পাৰি উঠিল। সিহঁতৰ মাজৰে কোনোৱে গীত গাব, কোনোৱাই নাচিব আকৌ বহুতে বক্তৃতা প্ৰদান কৰিব। একেলেথাৰিয়ে কথাখিনি কৈ নিধিয়ে নাচৰ আখৰা কৰিবলৈ তাইৰ বান্ধৱী টিনাহঁতৰ ঘৰলৈ বুলি ওলাল। ইমান সময়ে মাক নিৰুপমাই ছোৱালীৰ উৎসুকতাপূৰ্ণ কথা শুনিয়েই বহি আছিল। তেওঁ জানিব পাই সুখী হ'ল যে নিধিয়ে অহাকালিৰ অনুষ্ঠানটোত নাচিব আৰু ৰিয়ানে তাৰ উৎপতীয়া বন্ধুকেইজনৰ সৈতে ধেমেলীয়া আচৰনেৰে দৰ্শকক হুহুৱাবলৈ কৌতুক কৰিব। মাকেও ৰিয়ানৰ idea টো ভালেই পালে।

ইতিমধ্যে নিধিহঁতৰ বিদ্যালয়ৰ পৰা অভিভাৱকলৈ নিমন্ত্ৰণী পত্ৰ আহিছে কিন্তু নিৰুপমাইহে কামৰ জুমুৰত চিঠিখন পঢ়ি চাবলৈ আহঁৰি পোৱা নাই। তাইনো অকলে আৰু কিমান কৰিবঙ্গ নিধিৰ দেউতাক দিনৰ দিনটো অফিচতে থাকে, ঘৰ আহি পাইও অফিচৰ কামতে ব্যস্ত। এইবোৰ ভাবি-চিন্তি তাই চিঠিখন হাতত তুলি লৈ কাৰ্যসূচীখন পঢ়িবলৈ ধৰিলে হঠাতে তাই থমকি ৰ'ল, মুখ্য অতিথি 'ড° প্ৰনৱকুমাৰ চলিহা' - নামটো তাইৰ চিনাকি, কিবা যেন আপোন অনুভূতি। কিছুপৰ নিৰুপমা ভাবৰ সাগৰত হেৰাই গ'ল, অলপ চিন্তা কৰি তাই দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি পাকঘৰলৈ গ'ল। আজি বিশেষ একো জোট নাই। নিধি আৰু

ৰিয়ানৰো স্কুল বন্ধ, দেউতাকো ঘৰতেই গতিকে দুপৰীয়া সিহঁতে মিলি-জুলি এসাজ তৃপ্তিৰে খোৱাহে কথা। দেওঁবাৰৰ দিনটো নিধি আৰু ৰিয়ানে কৌতুহলৰ মাজতে পাৰ কৰিলে।

সোমবাৰ অৰ্থাৎ, ১৪ নৱেম্বৰৰ দিনা পুৱা টোপনিৰ পৰা সাৰ পায়ে নিধিৰ প্ৰস্তুতি আৰম্ভ হৈ গ'ল। তাই বিচনাৰ ওপৰতে মাকক ক'লে, "মা মোক আজি বৰ ধুনীয়াকৈ সজাই দিবা দেই।" মাকে তাইৰ কথাত হয়ভৰ দিলে আৰু ক'লে 'তোমাক একেবাৰে পৰীজনীৰ দৰে লাগিব মাজনী'। তাইক মাকে তেনেকৈ কোৱা শুনি পিছফালৰ পৰা ৰিয়ানে একে জাপে উঠি বহিল। সি মাকক ক'লে "তুমি অকল জীয়েৰাক ধুনীয়া সজালেই নহ'ব, মোক ধুনীয়া সাজ পিন্ধাই দিব লাগিব।" ৰিয়ানৰ অভিমানী কথাখিনি শুনি মাকে বৰ আমোদ পালে আৰু হাঁহি হাঁহি ক'লে দুয়োটাকে বৰ ধুনীয়াকৈ সজাই-পৰাই দিম, কিন্তু এতিয়া তোমালোকে শোৱাপাটী এৰা নহ'লে বিদ্যালয় সময়ত গৈ নাপাবা।

নিৰুপমাই ঘৰৰ সকলো কাম শেষ কৰি বিদ্যালয় গৈ পাওঁতে অলপ পলম হ'ব। সেয়েহে তাই নিধি আৰু ৰিয়ানক খুৱাই-ধুৱাই দেউতাকৰ লগতে পঠিয়াই দিলে।

বিদ্যালয়ত উপস্থিত হৈ সিহঁতৰ মনটো আনন্দত উৎফুল্লিত হৈ উঠিল। অইন দিনাতকৈ এটি ব্যতিক্ৰমী পৰিৱেশ, চাৰিওফালে উখল-মাখল। ১০ বজাৰ লগে লগে মিটিং আৰম্ভ হ'ল "নমস্কাৰ- বুলি কৈয়ে এটি সাৰুৱা ভাষণৰ শুভাৰম্ভণি ঘটিল। আজি মই মোৰ শিশুকাল ছোৱাত সন্মুখীন হোৱা বহুতো ঘাট-প্ৰতিঘাট তোমালোকৰ আগত ব্যক্ত কৰিবলৈ ওলাইছো। আজিৰ পৰা পোন্ধৰ বছৰ আগৰ কথা, এজাক বলীয়া বতাহে সলাই থৈ গৈছিল মোৰ জীৱন।

মোৰ বিয়াৰ আগতে এদিন পেহীৰ ঘৰত ভাত খাবলৈ নিমন্ত্ৰণ পাইছিলোঁ। ঘৰৰ বিনানুমতিত বিয়া হোৱা বাবে পেহীৰ আমাৰ ঘৰৰ লগত সিমান অহা-যোৱা নাছিল যদিও পেহী মোৰ বৰ মৰমৰ আছিল, তাতোকৈ মৰমৰ আছিল পেহীৰ ল'ৰা প্ৰাণ। প্ৰাণ সৰু থাকোতেই পেহা ঢুকোৱা বাবে পেহীয়ে আনৰ ঘৰত কাম কৰিয়েই কোনোমতে চলি আছিল। কিন্তু কেতিয়াও পেহীৰ বিপদৰ কথা আমাক জানিবলৈ দিয়া নাছিল। আনৰ ঘৰত কাম কৰি যুগুতাই অনা পইচাকেইটাৰে পেহীয়ে প্ৰাণৰ পঢ়া-শুনাও নিয়মিতভাৱে চলাই নিছিল। প্ৰাণ পঢ়া-শুনাত খুউব ভাল আছিল, বিদ্যালয়ৰ শিক্ষকসকলেও তাক বৰকৈ প্ৰশংসা কৰিছিল। মই যিদিনা সিহঁতৰ ঘৰলৈ যাওঁ, হাতত বহুতো বস্তু, দেউতাই দি পঠিয়াইছে পেহীৰ বাবে। বতৰটো ডাৱৰীয়া, আকাশত কলীয়া মেঘবোৰে ঢাকি পেলাইছে হালধীয়া বেলিটো। গোটেই বাট বৰষুণ আহিব বুলি ভাবি ভাবি গৈ থাকোঁতেই পেহীৰ ঘৰ পালোঁ। খেৰীঘৰটোৰ বাৰান্দাত ভৰি থওঁতেই দিলে নহয় বৰষুণজাক। মুহূৰ্ততে পেহীৰ ঘৰটো পানীয়ে বুৰাই পেলালে। লাহে লাহে বৰষুণ জাকে ধুমুহাৰ ৰূপ ধাৰণ কৰিছে। তেনেতে মোৰ চকু পৰিল বাঁহৰ চাং খনৰ ওপৰত। তাত আছে কেইখন মান কিতাপ বহী আৰু কলমবোৰ। প্ৰাণে বুকু পাৰি ধৰি আছে তাৰ কিতাপ কেইবাখনো, কিন্তু লাভ একো হোৱা নাই। ইতিমধ্যে তাৰ বহুকেইখন কিতাপ বৰষুণৰ পানীত তিতি গৈছিল। হঠাতে আমাৰ গাত পানী পৰিবলৈ ধৰিলে, মোৰ বুজিবলৈ বাকী নাথাকিল যে ছালখন বতাহে উৰুৱাই লৈ গ'ল। প্ৰাণে লাজতে ৰঙা-চিঙা পৰি বৰমাকহঁতৰ ঘৰলৈ দৌৰ মাৰিলে। সি মোক খুউব ভাল পাইছিল, কিন্তু সেইদিনা সি মোৰ চকুলৈ এবাৰো নাচালে। পেহীৰ দুচকুৰে দুধাৰি অশ্ৰু বৈ আহিল। আমাক ভাত খাব মাতি নি কষ্ট দিয়া পেহীয়ে নিজকে দোষাৰোপ কৰিলে। মোৰ বুকুত শোকে হেঁচা মাৰি ধৰিলে। মই পেহীক বুজাই-বঢ়াই দেউতাই দিয়া বস্তুখিনি আৰু পইচা দুটিমান হাতত তুলি দি ক'লো 'এদিন পেহী তোমাৰ এই পঁজাত প্ৰাণৰ বিজয়ৰ ধ্বজা উৰিব, তাৰ কিতাপৰ প্ৰতি প্ৰেম দেখি মোৰ বুজিবলৈ অলপো টান নহ'ল যে এদিন সি ডাঙৰ মানুহ হ'ব।'

যথাসময়ত বৰষুণ কমিল, একো নোখোৱাকৈয়ে মই ঘৰলৈ উভতিলোঁ। এনেদৰে দিন বাগৰিল, প্ৰাণে খুউব কষ্টেৰে অধ্যয়ত ব্ৰতী হৈ আছিল। সৰুৰে পৰা দুখ-কষ্টক বুকুত সাৱটি জীয়াই থকা প্ৰাণ আজি 'ড° প্ৰনৱ কুমাৰ চলিহা' লৈ পৰিৱৰ্তন হ'ল। এয়া আছিল প্ৰাণৰ জীৱন সংগ্ৰামৰ এক প্ৰেৰণাদায়ক কাহিনী। বহু বছৰ তাৰ খবৰ পোৱা নাছিলোঁ, এতিয়া জানিলোঁ সি হেনো জাপানৰ দৰে চহৰ এখনত গৱেষণা কৰি আছে। বৰ্তমান তাৰ কি নাই ৭-৮ মহলীয়া উচ্চ-উচ্চ, অট্টালিকা, ৩-৪ খন নামি দামী গাড়ী, কিন্তু সকলো থাকিও তাৰ মনত এটাই দুখ। তাৰ সেই ওখ-ওখ অট্টালিকাত থাকিবলৈ নাই তাৰ মাক, তাৰ গাড়ীত বহি, কান্ধত হাত থৈ সাহস দিবলৈ আজি যেন সি মাকক বিচাৰি ফুৰিছে। তাৰ লগত হাঁহি-হাঁহি কথা পাতিবলৈ তাৰ ওচৰত মাক আজি নাই, আনৰ ঘৰত কাম কৰি থাকোঁতেই পেহীয়ে স্বৰ্গমুখী হ'ল। তাৰ সফলতা দেখিবলৈ পাই হয়তো পেহীয়ে স্বৰ্গৰ পৰাই প্ৰাণ খুলি পৰাণৰ হাঁহি মাৰে। বুজিলো মা, নিধি আৰু ৰিয়ানে মাত লগালে। আজি স্কুলত মুখ্য অতিথিৰ ভাষণ প্ৰদানৰ সময়ত তুমি কিয় মৌন হৈ আছিলা, তোমাৰ দুচকুত কিয় চকুপানী আছিল সকলো বুজিলোঁ। প্ৰণৱ মামাৰ সফলতাৰ কাহিনী আমি মনত ৰাখিম আৰু একাগ্ৰতাৰে অধ্যয়নত ব্ৰতী হ'ম। নিধি আৰু ৰিয়ানে একে মুখে মাকক ক'লে। নিৰুপমাই মৰমত দুয়োকে সাৱটি ধৰিলে।■

# বোপাই ! তই কিয় সলনি হ'লি ?

গল্প

**শ্রীনিশিতা চৌধুৰী**
*স্নাতক দ্বিতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ*

ব্যস্ততাৰ অন্ত নাই নিৰলাৰ। জেঠমহীয়া ভৰ ৰ'দত নিৰলাৰ টোপ-টোপকৈ সৰিছে ঘাম। নহ'বনো কিয় ? সপোন বিদ্যালয়ৰ জিৰণি সময়ৰ ঘন্টা বাজিলেই দৌৰ মাৰি ঘৰলৈ আহি ভাতৰ কথা সুধিব। বিদ্যালয়খন তাৰ ঘৰৰ নিচেই ওচৰত। মাকে আতোলতোলকৈ পিন্ধাই দিয়া গামোচাখনৰ মাজতেই যেন লুকাই থাকে সপোনৰ প্ৰতি থকা তেওঁৰ নিভাঁজ মৰম। সপোন-নিৰলা আৰু প্ৰমোদৰ একমাত্ৰ সন্তান। সপোন কোলাত থাকোতেই দেউতাক প্ৰমোদৰ মৃত্যু ঘটে এটি পথ দুৰ্ঘটনাত। তেতিয়াৰে পৰা ঘৰখনৰ আৰু সপোনৰ সমস্ত দায়িত্ব নিৰলাৰ ওপৰত। সপোনে খুব মৰম আৰু সন্মান কৰে তাৰ মাকক। মাকেও তাৰ মাজতেই পৃথিৱীৰ সমস্ত সুখ বিচাৰি পায়। ওৰে দিনটো তাঁত শালৰ কাম আৰু ঘৰৰ সমস্ত কাম কৰি ভাগৰে জুৰুলা কৰা নিৰলাই যেন পুতেকৰ দুচকুতেই দুখ-ভাগৰ পাহৰি যায়। ৰাতি মাকৰ কোলাতেই মূৰটো গুজি তৰা ভৰা আকাশখনলৈ চাই সপোন যেন তাৰ সপোনবোৰৰ মাজত হেৰাই যায়। সি মাকক কয়, "মাঙ্গ মই পঢ়ি-শুনি ডাঙৰ মানুহ হ'লে, তুমি আৰু এনেকৈ কষ্ট কৰিব নালাগে। আমি অইনবোৰৰ দৰে চহৰত থাকিম



আৰু তুমি তেতিয়া নিজ ইচ্ছামতেই ঘৰখন সঁজাবা।" কথাবোৰ শুনি নিৰলাই একো নকয়। কেৱল মাতৃসুলভ হাঁহি এটি মাৰি সপোনৰ কপালত চুমা এটি খায়।

এনেদৰে দিনবোৰ অতিবাহিত হ'ল। সপোন এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। ফলাফল ঘোষণাৰ দিনা সিহঁতৰ ঘৰখনত নেৰা-নেপেৰা ভিৰ আৰু সেইটো তেনেই স্বাভাৱিক; কাৰণ গাঁৱখনৰ ভিতৰত সি প্ৰথমজম ল'ৰা যিয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। সকলোৱে মাক নিৰলাৰ কষ্টৰ ভূয়সী প্ৰশংসা কৰিছে। মাকৰো সেই দিনা এনে অনুভৱ হ'ল যেন তেওঁ পৃথিৱীৰ ভিতৰত আটাইতকৈ সুখী মানুহ। সপোন সৰুৰে পৰা পঢ়াত চোকা আছিল। চহৰৰ ডাঙৰ ডাঙৰ মহাবিদ্যালয়ত পঢ়াৰ তাৰ খুব আগ্ৰহ। মাক নিৰলাইও কোনোদিন পঢ়াৰ ক্ষেত্ৰত তেওঁলোকৰ দৰিদ্ৰতাক হেঙাৰ হ'ব প্ৰশ্ৰয় দিয়া নাই। অলংকাৰ বুলিবলৈ নিৰলাৰ যি এযোৰ কাণফুলি আছিল, সেইযোৰ বিক্ৰী কৰি কোনোমতে টকা যোগাৰ কৰি সপোনক চহৰৰ মহাবিদ্যালয় এখনত নামভৰ্তি কৰালে। সপোন এতিয়া মাকৰ পৰা দূৰৈত হোষ্টেলত থাকে। প্ৰথম কেইদিনমান তাৰ মাকলৈ খুব মনত পৰিছে। মাকে বা কি কৰিছে? ভাত খালে নে নাই? - ইত্যাদি চিন্তাই তাক হেঁচা মাৰি ধৰে। মাকৰো তালৈ মনত নপৰা নহয়। তথাপি মাকে কোনোদিনে সপোনৰ পঢ়াৰ ক্ষেত্ৰত দুৰ্বল হৈ পৰা নাই। চহৰবোৰ নিৰলাৰ বাবে তেনেই অচিনাকি। সেয়ে ঘৰৰ কল, কঁঠাল কিবা থাকিলেই, মাকে পুতেকলৈ বুলি লৈ যায়, গাঁৱৰে ভতিজাক এজনৰ লগত। দিনবোৰ খুব সুন্দৰকৈ অতিবাহিত হৈ আছিল। সপোন ইটোৰ পিছত সিটো ডিগ্ৰী লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈ গৈ আছিল। গধূলিৰ সময়। তুলসীৰ তলত চাঁকি গছি জ্বলাই নিৰলাই ভিতৰলৈ বুলি সোঁমাওতেই ঘৰৰে কাষৰ ল'ৰা এজনে চিঞৰি ক'লে, "খুড়ীঙ্গ সপোনৰ হেনো চহৰত চাকৰি হ'ল। কাইলৈৰ পৰা সি নিজৰ কাৰ্যকাল আৰম্ভ কৰিব।" কথাষাৰ শুনি নিৰলাৰ গা সাতখন আঠখন হ'ল। এইবাৰ বিহুত সি ঘৰলৈ আহিব। পুতেকলৈ বুলি এসপ্তাহ আগৰে পৰা পিঠা-লাডু বনোৱাত ব্যস্ত নিৰলা। যথাসময়ত সপোন ঘৰলৈ আহিল। সপোনে এইবাৰ মাককো তাৰ লগত চহৰলৈ লৈ গ'ল। হওঁক দেউঙ্গ অন্ততঃ সপোনে মাকক যি সপোন দেখাইছিল, সেই সপোন পূৰণ কৰিবলৈ সি সক্ষম হ'ল।

ব'হাগৰ ২০ তাৰিখ। সপোনৰ বিয়া। গাঁৱৰ ঘৰতেই তাৰ বিয়াৰ আয়োজন কৰা হৈছে। ছোৱালীজনী দূৰৈৰ এখন গাঁৱৰ চহকী পৰিয়ালৰ জীয়াৰী। বোৱাৰীয়েকৰ পৰশত নিৰলাৰ ঘৰখন পোহৰ হৈ পৰিবঙ্গ নিৰলাই তাইক সপোনৰ দৰে আদৰ-মৰম কৰিবঙ্গ তাইও তেওঁক নিজৰ মাকৰ দৰে মৰম কৰিবঙ্গ - ক'ত যে সপোন নিৰলাৰ। কিন্তু কিয় জানো নিৰলাই ভবা মতেই একোকে নহ'ল। সপোন লাহে লাহে সলনি হ'ব ধৰিলে। মাকৰ প্ৰতি থকা তাৰ আন্তৰিকা, মৰম যেন সি ইচ্ছা কৰিও প্ৰকাশ কৰিব পৰা নাই। কিয়ঙ্গ কিয় এনে হ'ল বাৰু? কিজানি সৰুৰে পৰা লাহ-বিলাসত ডাঙৰ হোৱা দীপাই সপোন আৰু নিৰলাৰ ঘৰখনত আহি মিলিব পৰা নাই। সপোনক তাই লাহে লাহে মাকৰ পৰা আঁতৰাই আনিলে। ঘৰখন নিজৰ মতে সঁজাব কোৱা নিৰলাক সিহঁতৰ চহৰৰ ঘৰখনলৈও লৈ যোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলে।

নিৰলাৰ বয়স এতিয়া তিনি কুৰি অতিক্ৰম কৰিলে। যিখিনি সময়ত পুত্ৰ-বোৱাৰীয়েকৰ মৰমৰ মাজত কটাব লাগিছিল, সেইখিনি সময়ত তেওঁ গাঁৱৰ সেই সৰু পঁজাটোতেই দিন কটাব ধৰিলে। কাষৰে ল'ৰা এজনক মাহেকত কিছু টকা দি মাকক চোৱা-চিতা কৰাৰ বাবে ৰাখিছে সপোনে। মাহেকৰ মূৰত ল'ৰাজনক টকাকেইটা দিবলৈ সপোন ঘৰলৈ আহি চোতালৰ একোনত বহি থকা নিৰলাৰ চকুলৈ কিছুপৰ চাই ৰ'ল। মাকে তাক এযাৰেই কথা শুধিলে, "বোপাই! তই কিয় সলনি হ'লি?" উফ-কিমান যে বেদনা নিহিত হৈ আছে মাতৃমনৰ সেই প্ৰশ্নটিতঙ্গ মাকৰ কথাই যেন তাৰ বুকুখন হেঁচা মাৰি ধৰিলে। সি একোকে নামাতি তাৰ পৰা গুছি আহিল। বাৰ্দ্ধক্যই আগুৰি ধৰিছিল নিৰলাক। বিচনাখনকেই শেষ সাৰথি কৰি নিৰলাই সপোনৰ শৈশৱৰ দিনবোৰৰ কথা ভাবি চকুলো টুকিলে। পুতেকৰ এবাৰো মাকলৈ মনত নপৰে নে? বোৱাৰীয়েক দীপাই কেনেকৈ এজনী মাকক আপোন কৰি ল'ব নোৱাৰিলে? সপোনে দেখোন তাৰ ঘৰখন নিজ হাতে সঁজাবলৈ মাকক দায়িত্ব দিছিল। কি হ'ল আজি তাৰ? সংসাৰৰ পাক্‌চক্ৰত সি এনেকৈ বান্ধ খালে যে সি ইচ্ছাসত্বেও নিজৰ আইক প্ৰয়োজনৰ সময়খিনিত সেৱা শুশ্ৰূষা কৰিব নোৱাৰিলে। মাক নিৰলাই বিচনাৰ এচুকত শুই পুতেকলৈ বুলি এটা প্ৰশ্নৰেই বাট চাই থাকিল,

"বোপাই! তই কিয় সলনি হ'লি?"■

বিলডন নৈৰে উজাই গৈ ৰামিংহাৰ্ম পাবলৈ হ'লে আপুনি পাৰ কৰিব লাগিব হৰ্ণবিল পৰ্বতমালাৰ তিনি নম্বৰ কেম্পটো। হৰ্ণবিলৰ পশ্চিম প্ৰান্তৰ সেইটো কেম্প, যিটো ৮০ ৰ দশকৰ হৰ্ণবিল আৰোহীসকলে 'দ্যা হনেড্ কেম্প' বুলি জানিছিল। কোৱা হয় যে হৰ্ণবিলৰ সেই অমসৃপ উপলখণ্ডত কেতবোৰ এনেকুৱা ঘটনা ঘটে যিবোৰ মানুহৰ বোধ শক্তিৰ বাহিৰত। আনকি এতিয়াও আঁউসীৰ আন্ধাৰত তাত হেনো কেতবোৰ শুধবগা সাজ পিন্ধা নৰ-নাৰীয়ে মাজনিশা বিচৰণ কৰে, যিবোৰক হৰ্ণবিল আৰোহীসকলে দি মিড্নাইট ভিজিটৰ (মধ্যনিৰ্শাৰ আলহী) বুলি কয়।
আপুনি যদি নিশাৰ আন্ধাৰত সেই ফালেৰে অহা যোৱা কৰে তেন্তে নিৰ্দ্ধিবাই আপুনি সেই নিদাৰুণ আতংকৰ বলী হ'ব। সেয়া নিশ্চিত। কাৰণ তিনি নম্বৰ কেম্পৰ লগত আজিও সংলগ্ন হৈ আছে এটা বন্ধ আৰু জৰাজীৰ্ণ ৰেইলৰে টানেল। টানেল নং ৪৯ ...।।
তাহানিৰ বিলডন আজিও বৈ আছে আৱহমান কালৰে বেদনা লৈ। তাৰ গাতে গা লগাই থিয় হৈ আছে সুউচ্চহৰ্ণবিল। হৰ্ণবিলৰ নান্দনিকতাই সকলোকে আকৰ্ষণ কৰে। কিন্তু নিশাৰ হৰ্ণবিল তেনেই জয়াল হৈ পৰে। নেদেখিলেই হয়তো অনুমানেই কৰিব নোৱাৰি যে বিলডনৰ বুকুৰ পৰা অহা শীৰ্ণ বতাহজাকে মানুহক প্ৰেতাত্মাৰ এখন বিশাল পৃথিৱীত সোমাই দিব পাৰে। কোৱা হয় আঁউসীৰ ঘন আন্ধাৰত বিলডনৰ সোঁত কেতিয়াবা ওলোটা হয় আৰু পূৰ্ণ চন্দ্ৰমাৰ দিনা তাত দৃশ্যমান হয় ক্ৰূঢ়াকৃতিৰ কিছুমান কৃষ্ণকায় শৰীৰৰ অদ্ভুদ ছাঁ।

এবাৰ তাৰ অনুৰূপ ঘটনা এটাই ঘটিছিল। জেক থমছন আছিল এটি তেৰ বছৰীয়া কিশোৰ। ৰামিংহাৰ্মৰ পৰা খেল শেষ কৰি সি সদায় হৰ্ণবিলৰ লুংলুঙীয়া ৰাস্তাটোৰে অকলে ঘৰলৈ উভতে। খেলৰ শেষত হৰ্ণবিলৰ সিপাৰে উতনুৱা ডেকাচামৰ আড্ডা বহে। কিন্তু তালৈ নৰৈ সেইদিনা সি বেগাবেগীকৈ ঘৰমুৱা হৈছিল। বিলডনৰ পানীত পশ্চিমৰপৰা বলা বতাহজাকে সৰু ঢৌৰ সৃষ্টি কৰিছিল। ইফালে বাৰখৰীয়া মাহৰ দৰে দেহত তাৰ ঘামে জুৰুলি বটিছে। দূৰণিত দৃশ্যমান হ'বলৈ ধৰিছে হৰ্ণবিল। ততাতৈয়াকৈ ঘৰ পালে হয়।




গল্প

# টানেল নম্বৰ ৪৯

**পিযুষ বৰ্মন**
*প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

কিন্তু ইমানতে আকাশ ধূসৰ মেঘৰ আৱালৰে আড়ষ্ট হ'ল। তাৰ বেগ আৰু বাঢ়িল। নিৰৱতাৰ মাজত কেইটিমান পল খোজ কাঢ়ি সি দেখিলে, বৰষুণ দিবলৈ আৰম্ভ কৰিছে। ইফালে তাৰ খোজ হৰ্ণবিলৰ অমসৃণ ভূমিত পৰিল। বৰষুণজাক কমালৈকে তাতেই জিৰোৱা যাওঁক বুলি ভাবিলে সি। ওচৰে পাজৰে চাইছে সি, অকণমান আশ্ৰয়ৰ প্ৰয়োজন। বৰষুণ কমক চাৰি, দুগুনে বাঢ়িল। গতিকে ৪৯ নং টানেলৰ উৰুখা দেৱালবোৰে তাৰ আশ্ৰয় হ'ল। সন্ধিয়া হ'বলৈ আৰম্ভ কৰিছিল। বৰষুণৰ পানীয়ে হৰ্ণবিলৰ ৰঙা মাটিবোৰ ধুৱাই নামনিলৈ বোৱাই আনিলে। যেন পক্ষাঘাত হৈছে হৰ্ণবিলৰ বুকুত আৰু তাৰ বাবেই তেজ নিগৰিছে। জেকৰ ধৰফৰণি আৰম্ভ হ'ল। অকস্মাৎ বিজুলীৰ ভয়ংকৰ শব্দ শুনা যায়। ঘন অন্ধকাৰ হ'ল। ওচৰৰ বস্তু মনিব নোৱাৰি। কাণ উনাই উনাই সি টানেলৰ ভিতৰত সোমাবলৈ ধৰিছে। বিজুলীৰ পোহৰে মাজে মাজে হৰ্ণবিল চমকাই তোলে। এটা ভঙা ইটাৰ ওপৰতে সি বহিল হৰ্ণবিলৰ কিম্ভুত কিমাকাৰ ৰূপ তাৰ পৰা গোটেই দেখা গৈছিল। কিন্তু টানেলৰ আনফালে আন্ধাৰ। কানিমুনি আন্ধাৰ নহয়, ঘিত্‌মিতিয়া আন্ধাৰ।

এনেতে টানেলৰ ভিতৰৰ পৰা কোনো ৰমণীৰ নিষ্প্ৰভ হাঁহি শুনা গ'ল। তাৰ পিছতেই আৰম্ভ হ'ল শিহৰণ। প্ৰেতাত্মাৰ, নহ'লে ভূতৰ। টানেলত হাঁহিৰ প্ৰতিধ্বনি ইমানেই জোৰেৰে উচ্চাৰিত হ'ল যে যি উৰাদিহ হেৰুৱালে। কাৰ হাঁহি, সি ধৰিব পৰা নাই। হয়তো তাৰ ওচৰতে কোনোবা হ'ব পাৰে। কি ঠিক? দূৰৈতও হ'ব পাৰে। এইবাৰ হাঁহিৰ খিলখিলনি আকৌ শুনা গ'ল। হাতেৰে আঁঠু দুটি খামুচি ধৰি সি কঁপিবলৈ ধৰিছে। বিলডনতো কিবা আচৰিত প্ৰতিধ্বনি হৈছিল। তাৰ শ্বাস ৰখি চকু বাহিৰ হ'ল। বজ্ৰপাতে তেতিয়াও হৰ্ণবিল পোহৰাই তুলিছিল। হঠাতে হোৱা বজ্ৰৰ পোহৰত এইবাৰ অনুমান কৰিলে সি, তাৰ সন্মুখৰ দেৱালখনত শুধবগা সাজ পিন্ধা এগৰাকী তিৰোতা। মুখাবয়ব ধৰিব নোৱাৰি। পিছৰবাৰ বিজুলীৰ পোহৰত আকৌ নোহোৱা হয় অৱয়ববোৰ বুকুৰ হাওঁফাওঁৰ ধপধপনি সি নিজেও শুনিবলৈ পায়। বজ্ৰপাতৰ চিএঞৰবোৰতকৈ লোমহৰ্ষক চিএঞৰ তাৰ কাণত বাজে। তাৰ অনুভূতি বাহী স্নায়ুবোৰে কাম নকৰা হৈছে। তাতেই আকৌ প্ৰচণ্ড বতাহত গছ পাতবোৰ ঘঁহনি খাই কেৰ-মেৰ শব্দ কৰে। দুই এবাৰ বিজুলীৰ পোহৰত হৰ্ণবিলখনক এনে দেখি যে তাৰ আকাৰ দুগুণে বাঢ়িছে। দৃষ্টিভ্ৰম হৈছে যেনে লাগিছিল তাৰ। তাৰ মাজতে ক'ৰবাৰ পৰা হনহনাই আহি তাৰ কাণত বাজে কেইটিমান অস্ফুট শব্দ তৰংগ ক্ষন্তেকৰ বাবে আকৌ আন্ধাৰ হ'ল।

কোনো মৃত্যুৰ গহ্বৰত যেন সি চটফটাই আছে। সভ্যজনৰ অজ্ঞাতে থকা হৰ্ণবিলৰ প্ৰেতাত্মাৰ বিৰাট ৰঙ্গভূমিত সি মৃত্যুৰ পল গনিছিল। এটাও জনপ্ৰাণী নাছিল হৰ্ণবিলত। কিন্তু বাৰে বাৰে দেখা যায় মূছকছ বিহীন দুটিমান ছাঁ। হয়তো হনেউ কেম্পৰ বন্ধ টানেলত আছে কোনো অশৰীৰি আত্মা। ৪৯ নং টানেলৰ লগত সম্বন্ধ আছে বহুতো অতৃপ্ত আত্মাৰ। অংগাংগী সম্বন্ধ আছে। তাৰ টোপনি যেন ভাব হৈছিল, হয়তো বেহোচিও হ'ব পাৰে।

কিন্তু কোনো মৰনোন্মুখ বেদনাই তাক আজি শান্তিত মাৰিবলৈও নিদিয়ে। পুনৰবাৰ বজ্ৰপাতৰ ভয়ংকৰ শব্দ হয়। যেন হৰ্ণবিলৰ আঘাতবোৰত কোনোবাই খুচিবলৈ ধৰে, সেয়ে আস্ফালনৰ শব্দবোৰত মৃত্যুৰ ঘ্ৰাণ শুনা যায়। সেই বিজুলীৰ পোহৰত সি এইবাৰ ভালকৈ দেখিলে, জৰাজীৰ্ণ দেৱালৰ গাঁতবোৰে কোনোৰে যেন মনে মনে আহি তাৰ কাষতে বহিব। কিহৰ অৱয়ব হ'ব পাৰে? বজ্ৰপাতৰ পোহৰে এইবাৰ ভালকৈ দেখাই দিলে দুটি পীতবৰণীয়া চকুৰে সৈতে এজনী কুঁজি মহিলা, মুখত আমাতৰ চিন। ভয়ংকৰ প্ৰতিধ্বনি হ'ল ৪৯ নম্বৰ টানেলটোত।

এটা বিয়াগোম জাঁপ মাৰি সি তাৰ পৰাই দৌৰিবলৈ আৰম্ভ কৰিলে। তেতিয়া কাকতালীয় উন্মাদৰ ধ্বনি শুনা গৈছিল বিলডনৰ বিশাল বুকুত। বিলডনে যেন জেকক কাতৰস্বৰে মাতিছিল। কিন্তু তাৰ মনৰ অনুভূতি বুজাবলৈ যেন সুবিশাল বিলডনো ঠেক হৈ পৰে। সি অনুভৱ কৰে তাৰ দৌৰৰ দোপত দোপে কোনোবাই দৌৰে। তড়িত বেগত সি মাথোঁ দৌৰিছিল, বতৰৰ ভয়াবহতা, ধুমুহাৰ দয়া আৰু মৃত্যুৰ ঘ্ৰানক নেওচি।

এনেতে বিলডনৰ পাৰে পাৰে এটা টিমিক্ ঢামাক পোহৰ আহি আছিল। হৰ্ণবিলৰ আৰ্তনাদবোৰ কিছু ম্লান পৰিল। "হয়তো কোনে মানুহ আহিছে হৰ্ণবিলৰ ফালে"- এনে ভাব হ'ল জেক্‌ৰ। এতিয়া অলপ সকাহ বাঢ়িল, কাৰণ ককাদেউতাক আহিছিল, জেক্‌ক বিছাৰি। হাতত তেওঁৰ টৰ্চৰ লাইটটো। এমোকোৰা আন্ধাৰৰ মাজৰ বিন্দুমাত্ৰ পোহৰে কিমান সকাহ দিব পাৰে, তেনেভাৱ হ'ল।

আঁউসীৰ ঘন আন্ধাৰতো তাৰ মুখাবয়বত হাঁহিৰ চিন এটি ফুটি উঠা অনুমান কৰিব পৰা যায়।

"জেক্।"- ককাকৰ কণ্ঠত বিপুল আড়ষ্টতা।

তাৰ পিছত বিন্দুমাত্ৰ সকাহ। ককাকে নিয়া ছাতিটো ধৰি দুয়ো জপং জপং কৈ খোজ ল'লৈ ঘৰলৈ। কিন্তু নিৰৱতা তেতিয়াও অব্যাহত আছিল। হয়তো ককাকে অনুমান কৰিব পাৰছিল জেক্‌ৰ মানসিক অৱস্থা, হয়তো সি নোকোৱাকৈয়ে।

এশ একুৰিমান প্ৰশ্নই জেকৰ কোমল বুকুত চেপা খুন্দা কৰি আছিল।

"ককা, কি আছে তাত? হৰ্ণবিলৰ

৪৯ নম্বৰ টানেলত?"

তাৰ পিছত অনৰ্গল কথাৰ সোঁত বৈ গৈছিল। হৰ্ণবিলৰ বিষয়ে অনেক কৈফিয়ৎ আছিল।

এটা হুমুনিয়াহ কাঢ়ি ককাকে আৰম্ভ কৰিলে, "এই মহীতলত যেতিয়া অন্যায় অত্যাচাৰ বেছি হয়, তেতিয়া এনে কিছুমান ঐন্দ্ৰজালিক শক্তিৰে সিহঁতক বশ কৰিব লাগে যিবোৰ শক্তি আমাৰ ভাৱনাৰ বাহিৰত। এনেকৈয়ে তেওঁ জটিল প্ৰেতাত্মাৰ ৰঙ্গভূমিখনৰ কথা জেকক ভালকৈ বুজাই দিছিল। নিৰন্তৰভাৱে।

"১৯১৪ চনৰ বিশ্বযুদ্ধৰ প্ৰথম পৰ্যায়। হৰ্ণবিলৰ হৰ্নেড কেম্পৰ ৪৯ নং টানেলটো এটা ব্যস্ত ৰেইলৰে টানেল্ আছিল, য'ৰ পৰাই হৰ্ণবিলৰ বুকু ভেদি ৰাৰ্লিংটনলৈ যাব পৰা গৈছিল। সুদূৰ বাৰ্লিংটনৰ পৰা উকি বজাই অহা দি ৰাৰ্লিংষ্ট্ৰিম এক্সপ্ৰেছ আহিলে এনেকুৱা লাগিছিল, যেন পাহাৰ আৰু আকাশপট সংযোগী দিগন্তৰ পৰা ভাহি অঁহা পৰিস্ফুট শব্দবোৰে যেন ৪৯ নং টানেলত প্ৰচণ্ড সুহুৰি মাৰে। বিলডনৰ দি দেভিল ব্ৰীজৰ ওপৰেদি তীব্ৰগতিত ধোৱা উৰুৱাই চলে দি ৰাৰ্লিংষ্ট্ৰিম।

হৰ্ণবিলৰ এইকাবোৰতো যুদ্ধৰ প্ৰভাৱ পৰিছিল। জাৰ্মানী বাহিনীৰ অনৰ্গল বোমাই যেন হৰ্ণবিলৰ বুকু চপৰা চপৰে খহাই নিছিল। ১৪ চনৰ আজিৰ দিনটোৰ কথা। আন দিনাৰ দৰে আঁউসীৰ কুঁহক জালত দি ৰাৰ্লিংষ্ট্ৰিমে সহস্ৰাধিক তীৰ্থযাত্ৰী কঢ়িয়াই আনি আছিল। ইঞ্জিনেৰে সৈতে প্ৰায় পাঁচটা দবা বিলডনৰ বিশাল বুকুৰ বিৰাট ওপৰেদি পাৰ হ'বৰ উপক্ৰম হ'ল এনেতে বিলডনৰ বুকুত বিৰাট শব্দৰ উদ্ভৱ হয়। মানে ১৩০৯ তীৰ্থযাত্ৰীক কঢ়িয়াই অনা দি ৰাৰ্লিংষ্ট্ৰিম চেকেণ্ডতে দুভাগ হয় জাৰ্মানী বাহিনীৰ বোমাত। লগে লগে দি ৰাৰ্লিংষ্ট্ৰিমৰ এটা অংশ টানেল নং ৪৯ ত বিস্ফোৰণ হ'ল আৰু এটা অংশ ট্ৰেকৰ পৰা বাগৰি বিলডনত বিশাল বুকুত বিলীন হ'ল। লগে লগে সহস্ৰাধিক যাত্ৰীক বিলডনে নিজ বাহুত ঠাই দিলে। এজন মাত্ৰ বাছিল।"

"কোন?"

"কেপ্তেইন হেনৰি (পাইলট এজন)"

কুজৰ মুৰত কিল পৰাৰ দৰে কেপ্তেইন হেনৰিৰো আত্মহননৰ বাহিৰে বেলেগ ৰাস্তা নাথাকিব।

ককাকৰ দুগালে দুধাৰি চকুলো গোট খালে। আন্ধাৰত যেন সৰি পৰিব ধৰিছে চকুলো।

জেকে অনুভৱ কৰিব পাৰিছিল যে বোধ হয়। সেই সহস্ৰ বুক্ষুভৰ ক্ষুধাৰ তাড়নাই ৪৯ নং টানেলটোত আজিও চিঞৰ তোলে। আঁউসীৰ ঘন আন্ধাৰত টানেলত বিচৰণ কৰে শুধ্বগা সাজপিন্ধা বিবৰ্ণ নৰ-নাৰীবোৰ। হয়তো পাহাৰ আৰু দিগন্তৰ পৰাই ভাহি অহা দি ৰাৰ্লিংষ্ট্ৰিমৰ উকিৰ শব্দবোৰ কোনো পৈশাচিক মায়াৰ শব্দ যেন বোধ হয়। এইবোৰ ভাবি সি খোজ লৈছে। লগে লগে ককাক সি ভাবিছিল অন্তৰৰ হাঁ-হুমুনিয়াহে কিজানি মাকৰ মনটোক আজি হতাশাছন্ন কৰি তুলিছে। এটা বিৰাট ঘটনা ঘটি গ'ল তাৰ লগত মাকক সি আজি সকলোবোৰ ক'বই লাগিব।

"তুমি ঘৰলৈ যোৱা। ৰাতি ভালেখিনি হ'ল। মই আহোগৈ।"

ককাকৰ মুখৰ পৰা শুনা গৈছিল।

"ভয় নকৰিবা। যোৱা।"

জেকে ককাকৰ কথাত পতিয়ন গৈ দুনাই প্ৰশ্ন নকৰিলে। হয়তো তাৰ প্ৰয়োজনীয়তাও অনুভৱ নকৰিলে। সন্মুখৰ কেঁকুৰিটো পাৰ নোহোৱালৈকে সি ককাকৰ ফালে চাই ৰ'ল। তেতিয়া পৰ্যন্ত সকলো স্বাভাৱিক হৈ আছিল। কিন্তু মনৰ অস্বাভাৱিকতাই তেতিয়াও জেকৰ লগ এৰা নাই। কোজাগৰ নিশা। জোনৰ কৌমুদী কিৰণ, ৰাষ্টাতো উজ্বলাবলৈ নাই। আছে মাথো দুটি এটি জোনাকী পৰুৱা। এনেতে এটা পোহৰ আহি তাৰ চকুত পৰিল। টৰ্চৰ পোহৰ যেন লাগিল তাৰ। সি দেখিলে তাৰ ঘৰৰ পদূলিমুখত এজন গাঠলু বুঢ়া মানুহ। পিৰণ-পাইজামাৰ সৈতে। দুৰৈৰ পৰা দেখিবলৈ দৃষ্টিকটু যেন লাগিলেও কিছু চিনাকি যেন লাগিল তাৰ। মানুহজন সাইলাখ চোন তাৰ ককাকৰ দৰে। নে ...??

ককাক কেনেকৈ হ'ব, তেওঁটো নিজেই তাক মাত দি গুচি গ'ল। নহয়। এয়া ককাকেই হয়। অস্বাভাৱিকতাই তাৰ বুকুৰ দোমোজাত পুনৰবাৰ বুৰবুৰণি ধৰিলে। কঁপনি আৰু বেছি বাঢ়িবলৈ লৈছে। ককাক মানে সঁচাই তাৰেই ককাক। বুকুৰ ধপধপনি উদ্ভৱ হ'ল। ও হয়। তাৰ বুকুখন চিৰিংকৈ গ'ল। তেন্তে সেয়া কোন, যিজনে তাক ৪৯ নং টানেলৰ ঘটনা কৈ গ'ল?

নাই, তাৰ আৰু বুজিবলৈ বাকী নাই। তাৰ লগত ইমান পৰে খোজকাঢ়ি অহা মানুহজন নিশ্চয় দি ৰাৰ্লিংষ্ট্ৰিমৰ কেপ্তেইন মিষ্টাৰ হেনৰি, যিয়ে জীৱনৰ ৰক্তাক্ত পাঠ জেক্ক শিকাই গ'ল। বিৰৱাই ক'লে প্ৰেতাত্মাৰ লুকাই থকা পৃথিৱীখনৰ কথা, যি ন্যায়ৰ অভাৱত চট্ফটাই আছে, বহুদিন। অন্যায়ৰ প্ৰতিশোধ ল'বলৈ। আমৰণ বেকলৈ সদায় ম্ৰিয়মান হৈ থাকিব। সকলো চৰাচৰ হৈ থাকিব। হৰ্ণবিল থিয় হৈ থাকিব, মাথোঁ নিৰ্মাত হৈ। প্ৰয়োজন হ'লে ৪৯ নং টানেলত খুন্দা মাৰি সজীৱ প্ৰতিধ্বনি তুলিব চিঞৰবোৰে।

সেয়ে দুনাই হৰ্ণবিল নেওচি যাবলৈ জেক্ৰ সাহস হোৱা নাই। ইমানবোৰৰ পিছত আৰু সি সিপাৰলৈ অকলে নাযায়। কাৰণ বৰষুণ দিব, ভীষণ বৰষুণ দিব। হয়তো বজ্ৰপাতৰ মাজতে হৰ্ণবিল নিশা হ'লে দুনাই উত্তাল হ'ব।■

গল্প

# তথাপি জীৱন বয়...

**ঈষা পৰাশৰ**
*স্নাতক, দ্বিতীয় যাণ্মাসিক, অৰ্থনীতি বিভাগ*



বৰ্ষণ মুখৰ আবেলিটো দেখি যোৱা দুঘন্টা ধৰি বাৰাণ্ডাখনত বহি আছো যদিও এতিয়ালৈকে বৰষুণজাক কিন্তু নাহিল। এই বৰষুণজাকৰ যে কোনো নিশ্চয়তা নোহোৱা হৈছে। ঠিকমোৰ জীৱনটোৰ দৰেইঙ্গ পৃথিৱীক বৰষুণ জাকে অহাৰ আগজাননী দি যিদৰে নাহিল ঠিক একেদৰেই মোৰ জীৱনলৈও সুখৰ (ন্যায়ৰ) বৰষুণজাকেও অহাৰ আগজাননী দিছিল যদিও এতিয়ালৈকে কিন্তু অহা হ'লে নাই। তথাপি প্ৰিয় কবি প্ৰনৱ কুমাৰ বৰ্মণে লিখা 'দুখৰ অৰণ্য নাথাকিলে ক'ত জিৰাবহি সুখৰ চৰাই' শাৰীটোকে এতিয়া শান্তনা হিচাপে লওঁ। কি হ'ল আপোনালোক আচৰিত হৈছে? কথা প্ৰসংগত আং-বাং এসোপা বলকি থকা বুলি ভাবিছে? নাই, নাই আপোনালোক আচৰিত নহ'ব। আচৰিত এতিয়া মইহে হোৱা উচিত। আচলতে যেতিয়া মোৰ বিশ্বাসবোৰ বিশ্বাসঘাতকতালৈ পৰিণত হৈছিল তেতিয়া মই আচৰিত হৈছিলো; যেতিয়া মোৰ পিতা আৰু মাৰ সন্মানৰ সৌধটো অপবাদে ধূলিস্যাৎ কৰি দিছিল তেতিয়া মই আচৰিত হৈছিলোঁ; যেতিয়া মোৰ আত্মীয়ই এজন লম্পটক নিৰ্দোষী সজোৱাৰ কুচ-কাৱাজ চলাইছিল তেতিয়া মই আচৰিত হৈছিলোঁ। আৰু যেতিয়া মোৰ নিৰ্ভেজাল আবেগখিনি ভিত্তিহীন হৈ গৈছিল তেতিয়া মই আটাইতকৈ বেছি আচৰিত হৈছিলোঁ। এতিয়া কিন্তু এইবোৰৰ সৈতে অভ্যস্ত। থাকক, সেইবোৰ কলংকিত পৃষ্ঠা মনৰ মাজতে থাকক। আনক দেখুৱাই পুতৌ অৰ্জাৰ কি দৰকাৰঙ্গ সৰু চহৰখনৰ মাজমজিয়াত অৱস্থিত হাইস্কুলখনত পিতাই শিক্ষকতা কৰে। শিক্ষক হিচাপে পিতা ছাত্ৰ-ছাত্ৰীৰ লগতে চহৰখনৰ মানুহবোৰৰ মাজত প্ৰিয়। অৱশ্যে তেখেতৰ অতি স্পষ্টবাদীতাৰ বাবে দুই-এজনে তেওঁক বেয়া নোপোৱাও নহয়। মা গৃহিনী আৰু মই আৰু মাইনাৰে এক প্ৰকাৰ আমাৰ এটা সুখী পৰিয়াল। মায়ে অৱশ্যে মাজে-সময়ে পিতাই অতবছৰ চৰকাৰী চাকৰি কৰিও নিজৰ বাবে বিশেষ একো কৰিব নোৱাৰিলে বুলি আক্ষেপ কৰে যদিও পিতাৰ মতে এয়া ভিত্তিহীন। কাৰণ - পিতাৰ মতে খাবলৈ ভাতমুঠি, থাকিবলৈ এয়া সুন্দৰ ঘৰ আৰু পিন্ধিবলৈ কাপোৰসাজ যেতিয়া আমি নিয়মমতে পাইছো গতিকে আমি আপত্তি কৰা অনুচিত। সৰুৰপৰা মোক আৰু মাইনাক পিতাই নিজা আদৰ্শৰে ডাঙৰ কৰিছে। ঘৰখনত ল'ৰা নোহোৱাৰ আক্ষেপ কোনোদিন নুশুনিলোঁ। মা-পিতাই কোনোদিন আমাক এজন ল'ৰাতকৈ কম বুলি ভবা নাই। বৰং সকলো কামেই কৰিবলৈ আগবাঢ়ি যাবলৈ সুবিধা দিছে। এক কথা, পিতাই যদি জীৱন

যুদ্ধত যোদ্ধা হোৱাৰ আখৰা কৰাইছে তেন্তে মাই শিকাইছে নাৰী হোৱা আদিপাঠ।

এখন মধ্যবিত্ত ঘৰৰ নিয়মিত জীৱনযাত্ৰাৰ সৈতে অভ্যস্ত হৈ তথা নিজৰ চহৰখনৰ সৰলতাৰ সৈতে মিতিৰালি কৰি যেতিয়া সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হ'লো তেতিয়াই মোৰ সপোনৰ বাটত প্ৰথমটি খোজ দিয়াৰ তীব্ৰ হেঁপাহ হ'ল। নিজ চহৰখনৰ গণ্ডীৰ পৰা বাহিৰ হৈ বাহিৰৰ বিশাল পৃথিৱীখনৰ লগত বন্ধুত্ব কৰাৰ স্বাৰ্থতে মোৰ প্ৰথমটি সপোন আছিল কটন বিশ্ববিদ্যালয়ত পঢ়াৰ। সৰুতেই জন্মিছিল এই সপোনটি। যেতিয়াৰ পৰাই আমাক স্কুলত গণিত পঢ়োৱা নীলাক্ষি বাইদেৱে তেওঁ কটনত পঢ়ি থকা অৱস্থাত হোৱা বিভিন্ন অভিজ্ঞতাৰ কথা কৈছিল তেতিয়াৰ পৰাই এই সপোনটিৰ জন্ম আৰু বৰ্তমান মেট্ৰিক পৰীক্ষাত ভাল ফলাফলে যেন এই সপোনটিক নকৈ পোখা মেলি উঠাত সহায়হে কৰিছিল। পিতা আৰু মাই আগৰ পৰাই জানিছিল মোৰ এই হেঁপাহটিৰ কথা। পিতা-মাৰ বিশেষ একো আপত্তি নাছিল; আচলতে বান্ধি ৰাখিব বিচৰা ধৰণৰ মানুহ তেওঁলোক নহয়েই। নিজৰ সপোনৰ বাটত খোজকঢ়াৰ স্বাধীনতা মাইনা আৰু মোক তেওঁলোকে সম্পূৰ্ণৰূপে দিছে। তথাকথিত সমাজৰ পৰম্পৰা মতে কেৱল ডাক্তৰ, ইঞ্জিনীয়াৰবোৰেহে মানুহ এনেধৰণৰ মানসিকতা তেওঁলোকে পোষণ নকৰে। গতিকে দেৱদাৰু নগৰীলৈ বাটবোলাত মই বিশেষ সমস্যাৰ সন্মুখীন নহ'লো।

ঃ নিহাৰিকা বৰুৱা তুমিয়েই নেকি বাৰু? - পিছফালৰ পৰা হঠাতে অহা এটি গম্ভীৰ মাতত উচপ খাই উঠিলোঁ। তথাপি নিজৰ অপ্ৰস্তুতা ঢাকি কৈ উঠিলোঁ,

ঃ হয়, হয়।

ঃ সম্ভাৱত আজি প্ৰকাশ পোৱা তোমাৰ গল্পটো পঢ়িলোঁ। খুব ধুনীয়া লিখিছা। কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰী বুলি গম পাই এবাৰ লগ কৰাৰ হেঁপাহ এটা জাগিল আৰু এইবুলি কৈ তেখেতে সশব্দে হাঁহি উঠিল।

অচিনাকি এজনৰ লগত নিঃসংকোচে কথা পাতিব পৰা বিধৰ মানুহ মই নহয়। তথাপি যোৱা দুটা মাহে এইদেৱদাৰু নগৰীয়ে বহুত শিকালে জীৱন যুদ্ধৰ পাঠ। সেয়েহে সংকোচ থাকিলেও ভদ্ৰতাৰ খাতিৰতে তেখেতক সুধিলো-

ঃ আপোনাক পিছে মই চিনি পোৱা নাই।

ঃ এঃ নাপাবাতো, তুমি ইয়ালৈ অহাৰ দুমাহ হৈছেহে, নহয় জানো? মোৰ নাম নীলাভ মিশ্ৰ। ইতিহাস বিভাগৰ, এইবাৰ 3rd Semester। লিখা-মেলা ময়ো কৰো অৱশ্যে; গল্প, কবিতা এইবোৰেই আৰু মাজে মাজে সৌভাগ্যৰ দুই এখন বাতৰিকাকতত ছপাও হয়।

ঃ অ- আচলতে আগন্তুকৰ প্ৰগলভাত মই কেতিয়াবাই ম্লান হৈ গৈছো। ইমান নিঃ সংকোচভাৱে কথা ক'ব নোৱাৰাৰ যন্ত্ৰ নাই মোক বোবা কৰিছে ক্ৰমে। মোৰ অস্বস্তি দেখিয়েই নেকি তেওঁ কৈ উঠিল -

ঃ তুমি বাৰু এনেকৈ চিনাকি হোৱা বাবে বেয়াপালা নেকি?

ঃ নাই নাই।

ঃ ঠিক আছে বাৰু, যোৱা তেন্তে ক্লাছ আছে নহয়।

ঃ বাৰু যাবলৈ ওলাই তেওঁ পুনৰ ক'লে,

ঃ প্ৰথম চিনাকিতে তুমি বুলিয়েই ক'লো। কাৰণ বহুত সৰু হ'বা তুমি মাতকৈ। দাদা বুলি মাতিব নালাগে, নাম কাঢ়িয়েই মাতিবা। শব্দ সন্ধানী মানুহৰ লগত বন্ধুত্ব কৰি মই বেছি ভালপাওঁ। আহিছোঁ।

মনটো হঠাতে ভৰি উঠিল। এইকাৰণেই নহয় যে মোৰ গল্প পঢ়ি তেওঁ মোৰ লিখনিৰ প্ৰশংসা কৰিবলৈ আহিছে বৰং এই কাৰণেই যে কম কথা কোৱা মইনাজনীৰ অন্ততঃ হোষ্টেলৰ ৰূমমেট দুজনী আৰু ক্লাছৰ তিনিজনী ছোৱালীৰ বাহিৰে অন্য এজন বন্ধু হ'ল। দেৱদাৰু নগৰীখনক আজি আৰু বেছিকৈ ভাল লাগিল।

নীলাভৰ লগত এতিয়া বন্ধুত্ব সুদৃঢ়। মাজে মাজে মোৰ এনেকুৱা লাগে যেন বন্ধুত্বতকৈও বেছি অন্য কিবা ওচৰ সম্পৰ্কত যেন আমি বান্ধ খাই আছো। নীলাভেও অৱশ্যে মোক প্ৰকাৰান্তৰে আমাৰ সম্পৰ্কক অন্য নাম দিব বিচৰাৰ কথাও নোকোৱা নহয়। তথাপি মই যেন কৰবাত সংকুচিত হওঁ। নিজকে প্ৰতিষ্ঠা কৰিব বিচৰাৰ হেঁপাহটো কৰবাত নামহীন আবেগবোৰতকৈ তীব্ৰ হৈ উঠে। নীলাভ আৰু মোৰ মাজত এই অনামী আবেগবোৰৰ সৃষ্টি এই জগতখনেই কৰিছিল। শব্দৰ পিছত দৌৰি দৌৰি দুটি তৰুণ পখীয়ে যেন বন্ধুত্বৰ সীমা চেৰাই যৌৱনৰ আন এখন জগতত প্ৰৱেশ কৰিছিল।

নীলাভৰ লগত হোৱা বন্ধুত্বই মোক বহুত মানুহৰ লগত পৰিচয় কৰাই দিছিল। নীলাভৰ বন্ধুবোৰ মোৰো চিনাকি হৈছিল, বিশেষকৈ নীলাভৰ বাল্যবন্ধু আকাশ দা। আকাশ দাই খুব কম কথা কয় আৰু বিশেষকৈ নিজৰ মাজতে ব্যস্ত থাকে। সঁচা কথা ক'বলৈ গ'লে আকাশ দাৰ লগত মই পোনপটীয়াকৈ কথাপাতি পোৱাই নাই। সৌজন্যতাৰ খাতিৰত আমি পৰস্পৰে বিনিময় কৰা স্মিত হাঁহিটোতে আমাৰ সম্পৰ্ক সীমাবদ্ধ। এদিন নীলাভক মই কথাটো কওঁতে প্ৰত্যুত্তৰত নীলাভে মোক কৈছিল যে আকাশ দাৰ মাক-দেউতাক দুয়ো বেংকৰ চাকৰিয়াল। গতিকে ব্যস্ততাৰ বাবে তেওঁলাকে আকাশ দাক বেছি সময় দিব নোৱাৰে। ঘৰৰ একমাত্ৰ ল'ৰা আকাশ দা সেয়েহে অন্তৰ্মুখী। তাতে আকৌ একক

পৰিয়ালত ডাঙৰ হোৱা বাবে মনৰ কথা ক'বলৈ তেওঁৰ আন মানুহো নাই। সেই কথাখিনি জনাৰ দিনৰ পৰা তেওঁৰ প্ৰতি থকা ভাল ভাবটো বাঢ়িল। নীলাভৰ মতে আকাশ দাৰ দৰে নিৰ্জু আৰু সৰল মানুহজনৰ লগত বন্ধুত্ব কৰাটো খুবেই সহজ। নীলাভেও আকাশ দাক বহুত ভালপায় আৰু তেওঁলোকৰ নিৰ্ভেজাল বন্ধুত্বক মই অন্তৰৰ পৰা শ্ৰদ্ধা কৰো। থাকক, বন্ধুত্ববোৰ সদায় এনেদৰেই থাকক।

এদিন - দীঘলী পুখুৰীৰ পাৰত ফাগুনৰ এটি উন্মাদ আবেলিত এখন প্ৰতিষ্ঠিত আলোচনীৰ কৰ্মকৰ্তাসকলে পতা কাব্য সন্ধিয়াত নীলাভ আৰু মই স্বৰচিত কবিতা পাঠৰ বাবে উপস্থিত হৈছিলোঁ। নীলাভৰ লগত প্ৰতিদিনৰ দৰে আকাশ দা আহিছিল। সেইদিনা অনুষ্ঠানটো নিৰ্ধাৰিত সময়তকৈ বহু দেৰিকৈ আৰম্ভ হৈছিল। ফলত মই কবিতা পাঠ কৰি শেষ কৰালৈকে ভালকৈয়ে এন্ধাৰ নামিছিল। ইফালে আকৌ হোষ্টেলত বেছি ৰাতিলৈকে বাহিৰত থাকিব দিয়া নহয়। আনফালে আকৌ নীলাভে কবিতা পাঠৰ সুযোগ তেতিয়ালৈকে পোৱা নাছিল। মই অৱশেষত নীলাভৰ কবিতা পাঠ নুশুনাকৈয়ে আহিব ওলালোঁ। এন্ধাৰ হোৱা বাবে নীলাভে আকাশ দাক মোৰ লগত আহিবলৈ ক'লে। মই নালাগে বুলি কোৱাত জোৰ কৰিয়ে পঠালে আকাশ দাক মোৰ লগত। আকাশ দাৰ লগত থাকিলে নিৰ্জনতাৰ চিকাৰ হ'ব লগাতো খাটাং। হঠাতে এই পৰম্পৰা ভংগ কৰি তেওঁ কৈ উঠিল,

ঃ তুমি আন্ধাৰলৈ ভয় কৰা?

ঠাই জোখৰ এন্ধাৰচিতীয়া বাবেই হয়তো প্ৰশ্নটো কৰা বুলি ভাবি মই ক'লো,

ঃ ওম্ অলপ ভয় লাগে।

ঃ আৰু কিহলৈ ভয় লাগে তোমাৰ?

ঃ নাই বিশেষ তেনেকুৱা আন একো নাই।

ঃ কিয় মোলৈ ভয় নালাগে?


ভিত্তিহীন প্ৰশ্নটো শুনি যেতিয়া আচৰিত হৈ তেওঁলৈ ঘূৰি চাইছিলোঁ। তেতিয়া মোৰ সেই চিনাকি নিৰ্জু আকাশ দা জন কৰবাত হেৰাই গৈছিল। তাৰ সলনি যেন এটি ভোকাতুৰ বাঘে মোৰ ওচৰলৈ চোঁচা লৈছিল মোৰ এনে লাগিছিল। কি হৈছে বুজাৰ আগতে এখন সবল হাতে মোৰ বুকুৰ পৰা টানি নিছিল নীলাভে ভালপোৱা পাতল সেউজীয়া ৰঙৰ চূৰ্ণীখন। নিজকে বচাবলৈ দৌৰাৰ সময়তে এটি মানুহৰ মুখা পিন্ধা পশুৱে মোৰ ওপৰত সেই জন প্ৰাণীহীন আৰু প্ৰায় অন্ধকাৰ হোষ্টেললৈ সোমোৱা কেঁচা পথটোতে জপিয়াই পৰি নিৰ্লজ্জভাৱে খেপিয়াইছিল নাৰী দেহৰ ৰহস্য। সেই ঘিন লগা আদিমতাৰ সৈতে প্ৰাণেপনে যুঁজি যুঁজি এটা সময়ত মই ভাগৰি গৈছিলোঁ। তাৰ পিছত অন্ধকাৰ।

যেতিয়া সাৰ পাইছিলোঁ তেতিয়া মই আছিলোঁ GMCH ৰ এটা কেবিনত। বাগৰ সলাব লওঁতেই অনুভৱ কৰিচিলোঁ গাত অসহ্য বিষ। দেহৰ বহুত ঠাইত বেণ্ডেজ। অসম্ভৱ ধৰণে তেতিয়াও ব্লিডিং হৈয়ে আছিল। শিতানৰ ওচৰত মা আৰু ভৰি পঠানত পিতা আৰু মাইনা। গোটেই কেইটাৰ চকুকেইটা চকুপানী মচি মচি জুই যেন ৰঙা হৈ আছে।

শেষ হৈ গ'ল মোৰ মা-পিতাৰ আত্মসন্মান, শেষ হৈ গ'ল মোৰনতুনকৈ ফুলিব ধৰা জীৱন, শেষ হৈ গ'ল মোক দেখি মাইনাৰ মনত জন্ম হোৱা অজস্ৰ সপোন। যোৱা দুদিন আগতে হেনো মোৰ অৰ্ধ-উলংগ দেহটো এটা ব্যক্তিগত সংবাদ মাধ্যমে আৱিষ্কাৰ কৰিছিল হোষ্টেললৈ সোমোৱা পথটোত। তাৰ পিছত গোটেইখন একেবাৰে তোলপাৰ। পুলিছে অনুসন্ধান কৰাত মোৰ পৰিচয় ওলাল। ঘৰৰ মানুহক খবৰ দিলে আৰু তাৰ পিছত আন দহজনী ধৰ্ষিতাৰ দৰে এয়া গতানুগতিক পৰিক্ৰমা। এয়া মোক মাইনাই কোৱা কথা। পুলিছে মোৰ বক্তব্য ল'লে। সেয়াই মোৰ মনত থকা কথাখিনি বিৱৰি ক'লো। মা-পিতাই নীলাভ আৰু আকাশক চিনি পায়। ময়ে কৈছিলোঁ তেওঁলোকক। নিজৰ সন্তান সদৃশ জ্ঞান কৰা এটা নৰখাদকৰ চৰিত্ৰ জানি তেওঁলোক হতভম্ব; ঠিক মোৰ দৰেই। ১৫ টা দিনৰ চিকিৎসাৰ অন্তত ঘৰলৈ এটি দাগে ধোৱা শৰীৰ আৰু ৰুগীয়া হৃদয় লৈ ঘৰলৈ উভতিলোঁ।

ঘটনাটো হৈ যোৱা প্ৰায় এবছৰেই হ'ল। শাৰীৰিক আৰু মানসিকভাৱে ভালেখিনি সুস্থ হোৱাৰ বাবেই এতিয়া ঘৰৰ পৰাই ডিগ্ৰীটো লোৱাৰ যোজা কৰিছোঁ। দেৱদাৰু নগৰীলৈ গৈ আৰু পঢ়াৰ মানসিক শক্তি নাই। কেছটো এতিয়াও চলি আছে আদালতত। মোৰ সম্পৰ্কীয় বৰদেউতা এজনেই আকাশৰ উকীল হৈ তেওঁক নিৰ্দোষী সজোৱাৰ চেষ্টা চলাই আছে। নীলাভেও আকাশকে সমৰ্থন কৰে। তেওঁৰ মতে তেওঁৰ বিশ্বাসক তেওঁৰ প্ৰিয় বন্ধু আকাশে বিশ্বাসঘাতকতা কৰিবই নোৱাৰে। এতিয়া হয়তো তেওঁৰ বাবে মোৰ বিশ্বাসবোৰ, মোৰ আবেগবোৰ ভিত্তিহীন। জীৱনৰ অন্য দিশ দেখিলোঁ। তথাপি হাৰি নাযাবলৈ দেউতাই শিকায়, মায়ে প্ৰায়ে কয়- জানিবি গুণ, জীৱন কেতিয়াও থমকি নৰয়, ভালেই হওঁক বেয়াই হওঁক তথাপি জীৱন বয়।

**পৰিসংহাৰ ঃ** অতীত খুচৰি খুচৰি বহুদূৰ পালোগৈ। এতিয়া আৰু হাৰি নাযাওঁ। ন্যায় নোপোৱালৈকে যুঁজিম। যাতে মোৰ দৰে অন্য এজনী ধৰ্ষিতা নহয়। ভিতৰলৈ যাবলৈ উঠিবলৈ লওঁতেই বাৰাণ্ডাৰ মেজখনত মাইনাই আধা পঢ়ি তাতে এৰি যোৱা ৰীতা চৌধুৰীৰ মায়াবৃত্তখন দেখি মনত পৰিল মোৰ অমোঘ প্ৰিয়তম বাক্যশাৰী- "জীৱন জানো তুচ্ছ, কষ্টত নষ্ট হ'ব পৰা বিষয়।"■



# মুখাৰ আঁৰৰ মুখ

নেহা ভাগৱতী
গল্প উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

গুৱাহাটী চহৰৰ মাজমজিয়াত থকা এগৰাকী ভদ্ৰ মহিলা ‘এলি বাইদেউ’। বাইদেউ এগৰাকী সমাজ সেৱিকা আৰু শিশু কল্যাণ বিভাগৰ উচ্চ বিষয়া। শিশু শ্ৰমিক বন্ধ কৰাৰ কাৰণে হোৱা সভা এখনত বাইদেউক নিৰ্দিষ্ট ব্যক্তি হিচাপে মাতিছিল। বাইদেৱে সভাখনত নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ বুলি সেইদিনা ৰাতিপুৱাই উঠি নিজৰ কৰণীয় কামখিনি কৰি তেওঁ যাবলৈ বুলি সাজু হ’ল। বাইদেউক সকলো কামতে সহায় কৰি দিয়া ‘পুতুল’ক চিঞৰি ক’লে- ‘ঐ ল’ৰা, মোক অলপ সোনকালে ব্ৰেকফাষ্ট (Break fast) ৰেডি কৰি দে’। বাইদেউৰ নিৰ্দেশত পুতুলৰ গাত তত্ নোহোৱা হ’ল। সি খৰধৰকৈ ব্ৰেকফাষ্ট ৰেদি কৰি আনিলে। এইখিনিলৈকে সকলো ঠিকেই আছিল। তেওঁ যেতিয়া গৰম চাহকাপত মুখ লগালে তেতিয়া চাহত চেনি বেছি হোৱা বুলি পুতুলৰ ফালে চাহৰ কাপটো দলিয়াই দি তাক দুয়োখন গালতে দুচৰ দি খঙৰ ভমকত একো ক’ব নোৱাৰাহৈ সভালৈ বুলি ওলাই গ’ল।

সভাত উপস্থিত হৈ সকলোকে সম্ভাষণ জনাই সভাৰ মূল বিষয়-বস্তুৰ ওপৰত ৰহণ সানি বাইদেউৱে দুআষাৰ ক’বলৈ ধৰিলে। তেওঁ শিশু সকলৰ ওপৰত দিয়া সাৰুৱা ভাষণে সকলোকে আপ্লুত কৰিছিল। কিন্তু তেওঁৰ মাজত লুকাই থকা সেই নিৰ্দয় ৰূপৰ কথা কোনেও গম পোৱা নাছিল। একমাত্ৰ গম পাইছিল তেওঁৰ ঘৰত প্ৰতিদিনে অত্যাচাৰৰ বলি হোৱা শিশু শ্ৰমিক পুতুলেহে। বাইদেৱে কেতিয়াও অনুভৱ কৰা নাছিল যে তেওঁ ঘৰতে এটি শিশুক কামত নিয়োজিত কৰি আৱদ্ধ কৰি ৰাখিছিল।

আজিও এলি বাইদেউ সকলোৰে মাজত এগৰাকী ভদ্ৰ মহিলাৰূপে পৰিচিত; কিন্তু পুতুলৰ মনত তেওঁ এগৰাকী মুখা পিন্ধা ভদ্ৰ মহিলা।■




গল্প

# অপেক্ষাৰ ফল

**শ্ৰীকাকলি মজুমদাৰ**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ, বিজ্ঞান বিভাগ*


এদিনাখন ৰমেন নামৰ এজন মানুহে এখন গাঁওলৈ গৈ আছিল। বহুত সময় ধৰি ৰ'দত ভ্ৰমণ কৰা বাবে তেওঁৰ বহুত পিয়াহ লাগিল। এনেতে তেওঁৰ চকু পৰিল এটা সৰু নদীৰ ওপৰত। তাৰ পিছত তেওঁ সেই নদীটোৰ ওচৰত গ'ল আৰু গৈ দেখিলে যে তাত গাঁওৰ কিছুমান মানুহে কাপোৰ ধুই আছে কিছুমানে নিজৰ গৰু-ছাগলী আদি ঘৰচীয়া জন্তুবোৰক গা-ধুৱাই দি আছে। সেই লেতেৰা মলিবোৰ নদীখনৰ পানীত মিহলি হৈ নদীৰ পানী লেতেৰা হৈ পৰিছে। নদীখনৰ এনে অৱস্থা দেখি ৰমেনে অনুভৱ কৰিলে যে তেওঁ এনেকুৱা পানী খালে অসুস্থ হ'ব। ইফালে তেওঁৰ পানী নাপাই অণ্ঠ কণ্ঠ শুকাই গৈছে। উপায় নাপাই ৰমেনে নদীৰ পানীখিনি স্বচ্ছ আৰু নিৰ্মল হোৱা লৈ অপেক্ষা কৰিলে কাৰণ তেওঁ জানিছিল যে, নদীৰ পানীখিনি যদিওঁৱা লেতেৰা আছিল। কিছু সময় পিছত পানীত মিহলি হৈ থকা লেতেৰা মলিবোৰ নদীৰ তলত জমা হৈ সকলো লেতেৰাবোৰ মাটিত জমা হৈ পৰিব আৰু নদীৰ পানীও স্বচ্ছ আৰু নিৰ্মল হৈ পৰিব। এনেতে কিছু সময় পিছত নদীৰ পানী পৰিষ্কাৰ হৈ পৰিল আৰু তেতিয়া তেওঁ সেই পানী খালে আৰু তেওঁৰ তৃষ্ণা নিৰ্বাৰণ কৰিলে। তেতিয়া ৰমেনে চিন্তা কৰিলে যে আমাৰ জীৱনটোও নদীৰ পানীখিনিৰ দৰে। জীৱনত ভাল কাম কৰিলে সদায় বিশুদ্ধ হৈ থাকে। কিন্তু কেতিয়াবা এনেকুৱা সময় আহে যেতিয়া আমাৰ জীৱনত দুখ আৰু সম্যাবোৰে আমাক আগুৰি ধৰে। এই অৱস্থাত আমাৰ জীৱনটোও এই লেতেৰা পানীখিনিৰ দৰে হৈ পৰে। জীৱনৰ দুখ আৰু কষ্টবোৰ দেখি আমি কেতিয়াও সাহস হেৰুৱাব নালাগে বৰঞ্চ, আমাৰ জীৱনৰ দুখ-কষ্ট আৰু সমস্যাবোৰ আতৰি যোৱা সেই সময় চোৱালৈ অপেক্ষা কৰিব লাগে।■

Story

# BHULU

**Uddipana Choudhury**
*B.A., 5th Semester , English*

Sitting by the pond and chewing dry dates while listening to his stories were the best evenings of our summer vacations. Grandpa always had the best stories to tell. His stories were like watching movies, for he would do this thing evrytime there was a twist in the tale. by bringing his rocking chair to sudden stop!



Perhaps it was the sight of of our gaped mouths in shock that amused him, or maybe he himself was thrilled by the dramatic effect it added. The last story we heard was probably the best one he ever told. Wonder if he saved it to the last, like a kid would save his best toffee.

It was a story of himself and Bhulu, a boy who accopmpanied his mother to grandpa's childhood home, where Bhulus mother used to be a househelp. He was just two years older to grandpa, probably thirteen or fourteen, which might have made them friends instantly. While his mother would be busy with the chores, Bhulu would sneak out of her sight, meet grandpa near the pond as planned everyday, and grandpa too would wait eagerly with fishing rods to try their luck in the pond all the afternoon. It could have been their giggles that would to scare the fishes away, for they could hardly catch any fish at all.

one day while picking larvee for baits, grandpa was bitten by bees so ruthessly that he said it took three days to bring down his fever. Eventually it exposed their secret venture and their fishing rods were snapped in half. But none of it could stop them from going to the pond as then it turned into a revolt against the elders, which the two little rebels were proud of.

There were many things about Bhulu that fascinated grandpa. Like how he could make almost anything out of wood with his worn out knife, except for a new handle for the knife itslf (!) There were countless mango branches lying around the pond which would make good handles but he never changed the old one. It seemed as if he likes it that way, just how his father left it. The best of his craftmanship was the slingshot. He would carry it always, like an artist carrying his finest piece. He hardly let grandpa touch it, let alone shoot with it, as grandpa once pulled it so hard that the rubber ripped out from the knot. The slingshot was that little man's treasure.

But one afernoon near the pond, he mumbled that he would sell it to anyone for who would give ten rupees. It is such the graveness in his voice, grandpa would've thought he was just pulling his leg, but he sounded like he really needed the money. Grandpa, even thought it would mean that he wouldnot get to have Mohan *dadas* famous *Aam* papad on his way back from school for atleast ten days.

Bhulu seemed to undertand grandpas unwillingness to let go of the countless mangoes they had eaten those summers. He at last agreed, only with the condition that grandpa would keep his slinghot until he could return the whole amount. Bhulu was rigid about taking the money in exhange of something. He thought it was the right way to take money from someone, as the elders do, as his own mother borrowed money from Ratan Babu, the wealthy landlord of their Village in exchange of thier house, for the big bunglaow at nights too, sometimes she would comeback only the next moring. She looked like she did not blink for even a moment all night. But she would always come back with money stuffed in her blouse. Apparently it was not enugh save of his father but for Bhulu. The landlord was the kindest man he Knew, for he kept giving Bhulu's mother money even after his fathers death, until oneday she stopped going to the work she could keep her infant alive. Bhulu was somewhat four years old when he came to this town with mother.

Grandpa had to take the silngshot from him that day. He didnot see Bhulu for almost week after that day, neither his mother, until one afternoon, he finally came. He thought Bhulu was back with ten rupees, as so he wished, not because he wanted the money back but he was waiting to hand the slingshot back to Bhulu so that they could get back to shooting mangoes again. The mangoes had ripened already and the bats would not leave a single one for them if they delay any further. But Bhulu didnot come to get the slingshot back, rather to take the rest of the money his mother was to be payed with from her salary, as they were going back to their Village. They had to, since Bhulus mother could not pay even the half of the debt and their house was taken in custody by the landlord's son. Suddenly

grandpa didnot like being a lender anymore, it all sounded cruel to him.

Grandpa stopped crying out only when Bhulu promised to visit him evry week, as town was not that far from his Village, just the river was between them. Grandpa was eager to know his reason behind borrowing that much money and did not stop asking until Bhulu finally opened up. He said he needed the money to buy a ticket for the new movie that was coming to the cinema hall. Grandpa did not believe him at first, he said, as he never saw him being interested in movies before. Moreover, Bhulu being ready to sell his slingshot to buy a mere movie ticket didnot sound convincing to him, al all, so Bhulu had to tell him the whole story from the beginning as how few days before he borrowed the money, his uncle from village came to visit them and mentioned about the poster of the new movie he saw while coming there. He said the bald man on the poster resembled Bhulus father, the resemblance seemed uncanny to him. He could not tell the actors name, perhaps the name was not so renown at all, but Bhulu was eager to see the man. Bhulu hardly remembred his fathers face as he passed away in pneumonia when he was just three year old. Bhulu did not get watch the movie though. As he was leaving for the cinema hall, he heard his mother shrinking in pain, She had fallen near the well and broke a bone on her leg. Apparently it took more than 10 rupees to pay the doctors bill, rather, all the money he saved up by selling the wooden toys in the fair that he made with his half-broken knife.

Bhulu left early that day but promised to comeback with the ten rupees as soon as all his new batch of toys were sold in the Village fair, and he would even take grandpa to watch the movie with him this time, that too with his own money. Grandpa waited.

He waited as the posters changed on the hording of the cinema hall. As the black & white screens turned colorful, just like the mangoes on the tree by the pond changed colours. They ripened, bats ate half fell on the ground and few new plants sprouted through the seeds. Some became almost as tall as the old tree. Grandpa waited through all that.

Oneday. after many years. Grandpa met Bhulu's uncle outside his office. Grandpa was practicing then as an apprentice lawyer right after passing out of college. Bhulus uncle came to the district court for some paperwork that was left after reclaiming Bhulu's father's house from the land aiming son. He paid the debt money Bhulus mother took after selling most of his farm land. But the house he grew up in had to be saved. It was the least he could do for the elder brother and the sister-in-law who brought him up as their own child after Bhulus grandparents death. Bhulu's uncle was just few years old when both of their parents were away. So Bhulu's father had to marry early.

From him, grandpa got to know about the Cholera that wiped out the whole village of Bhulu, the same year he left this place. Bhulu's uncle was away in Kolkata then, working in factory. That day, Grandpa realised that he did not have to wait anymore. Bhulu was not coming back with the ten rupees. He could keep the slingshot now. It was not anger but something heavier he felt on his chest, not sure what it was for. Was it for himself as it was because of him, Bhulu had to take a debt? Or that Bhulu never got to see the man who looked like his dead father? Or that he himself would always remain a lender now? Something he never liked being. Whatever it was, it left heavier than the debt Bhulu left with.

The last time Grandpa told us a story. It did not feel like watching a movie at all. He did not slow down his rocking chair to a sudden stop for any dramatic effect. He sat there still. His eyes were not amused as they used to be, but frozen at the still water of the pond we were sitting by, as if they were looking for something. Perhaps, the reflection of a long lost Frined!■



# LOOKING BACK

Story

**Pratiksha Bhattacharyya**
*B.A., 5th Semester, English*

Sketches of light paint patterns on dump puffs of blue. Replicting their old sereng games. Sleepy passenger slowly moving their tidal heads lost in mysticism. Outside the view is fresh yellow as train pulled out of last station late in the dawn, away from my friends and teachers who become more like my own, all of whom had come to see me off and had huddled until the last moment by the window, waving to me from the long dusky howrah stations platfrom.

I had a second-class sleeper in fifth bogie, behind the air condition coach. The bogie was especially crowded coach. The bogie was especially crowded filled with wearing their best clothing the girls with brightly colored ribbon in their hair. Al thought I had lunch a few hours before. it does not feel like eating as there less than two hours left to reach the Guwahati station. There was a mid-aged bengali woman quitely sitting with a whinned kid who is bothering her with some contious questions.

how for now, to reach home?

Buy me uncle chips?

Where is dad?

So on...

Kamakhya express slowed down, slowly with a dusky eve. I dragged two of my suitcaese, one containing clothes second containing books, I walked down, carefully ripping throught the rushing crowds when i got sounds of hustle bustle were in my tone. I could alrady smell that openning up of those lost comfort and warmth of own land, it was August and a light drizzle in the early evening added to my comfort. Pale blue sweatshirt and blue leggings got stucked to my skin and soothing cold wind blew the rain across my face.

I stepped on my land on a spring eveing after the two rib breaking years. That same ancient man in the corner of railway platform, sipping Chai wearing dirty Khaki, chopping red onion in a bowl, adding some thin slinces of green chilli pepper, some mustard oil to pour into mix. It was the very same taste and smell of Rice krispies (Pokori) once I had two years before. I desperately crave for a cup of tea for myself, along with some spicy crispies.

My heart was losing several beats in ripples of excitement. Two hours thirty minutes more to reach your destination my watch notifiled. My village had no electricity but life there were full of lights, villagers there were simple and ever youthfull, amidst youthfull woods and bamboo reeds. The young boys and girls were playfully walking up and down trought the muddy village path, as it they are far removed from concrets of life. Passing the giant banyan tress, sheding a small village L P school where once I tought art lessons to small kids on every summer sunday is getting an ancient look. There come a pool that was wrapt with some albums where dark brown clay stairs were silent witnesses, suddenly when some stories flew by, stories from long back memories. The story kept coming in about the unkept promises, unsaid opologies and those kisses missed. I smiled and then cries a few happy tears. Those ice- Cream noons when neither of us wanted to leave and ended up with all angry arguments. It's funny how these things never matter in the grand scheme of things. Nothing really does, but how does it matter anyway? Does this apolycpse over? I asked myself. My mind restlessly rewiting those pictures. We passed the fields of grazing grains, a high scholl where children were stroving having their most awaiting lunch time. Passed an anciennt naam ghar. a few carriages in a straight row and an ancient mela. Bhathli has been very much a part of my grown up days, it bught me the smel of spring that i might have last in a huried life. A magical rite associated with the fertility of cult looked like too flimly to me. Villagers worship the bomboo god, they plant a big bomboo well decarated by different shades of cattan karchieves and a small hut close by. villagers offer eatables. luring mela flew my milennial stories. Those spectrums of colorful light. soft toys. sugory cattan candies that stains your tongue bright red and a lot of myteries hidden inside the cutains of glowing shaps. This was me runing around in those crowds. A giant wheel was lively rotating somewhere in the utmost corner of my mind. After years. I am seeing this fair once again, though my expirences were little differnt. This time I did not visit the shops holding Maas finger, did not weep for toys, whined in front of every toy shop that that i encountered. I already knew that people behind those colorfull masks did not came from the land of dreams. things felt a little smaller, as I realized place is not a dreamplace. but a crafted illusion, it does not thrill my soul

anymore. Passing the summer crowds.

there came a corner that is known for all sorts of trival arguements and issues that almost led to fights between village women used to gain and gothered lots of window viswers from ao many corners of all little huts, arguements vivdly though differ from those of city lovers. in the midst of all this arrived a very old beggor woman. She was more like hunched and looked shoky with age. almost an demonish look about her, a head full of white gair, wore a piece of dirty tottered cloth, dropping a piece of *Cotton Chadar* in a summer sunday. Thoroughly drenched, she is walking along with stuted walking stick in one hand remarkably steunted walking stick in one hand remarkobly steadily made her way towards her home. I wondered how she had managed to truge up there in the middle o hostility. I stretched my hands out to call her, Burimaa!! how are you?

Can you recall me? Overwhelmingly she cried to herself, *'Horibol', 'haribol'*, what my eyes get to see today! Aainu, my baby when did you come here, it is so happy my yes get you to see before they sleep for an eternal sleep! looked at her stick that she has thrown unknowing, runs both her hands throught my cheeks, her glowing eyes little brimming of tears. She smelled like of coconut oil even two years after, her brimming eyes had a tons of converstion till sun sets down. She inchanted prayers and blessings and i steadily waited and watched her fading into the soft glowing of the golden sunset. After a day of travelling, dry throats, taned skin standing stupidly in front of my own rusted housedoor with a beating heart. The blue sky starts hiding to clouds. It was end of August. At that moment there was a familiar sounds clack-click, click-clack, came in winds. I was sure this must be *Khuri* (aunty) in *Taat-xaal* (handloom), weaving *Gamosas* or *Makhelas*. This always has been her weaving time. Evrything seems very normal except the absence of that *Bokul* and bowing *Bogori* tree in the entrance. A neck deep in memories of *ng* four long gone hues, crispy castle cruble down, leaving four cracked pieces of dusty marble plate. I rub the dust throught bare hands, it whispered to me *Snehabandhan*, A family of love behind all this, it was also whispering a blant epitaph once a castle once a crown. *Snehbandhan* was once a castle. My home was once a castle.■





শব্দৰ লাখুটিত ভৰ দি মনৰ জঁট লগা
ভাবনাৰ টাকুৰীৰে উৰুৱাই দিয়া চিলাৰ
নামেই কবিতা

# দালিলৈ

**অৰ্ণৱজান তালুকদাৰ**
*তৃতীয় ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ*



তুমি আঁকিছিলা নে শিপাইছিলা
গলিত স্মৃতি
গলিত ঘড়ী
গলিত সময়?

তোমাৰ থিয় মোচ
তাত জানো স্মৃতি উৰা নাই
সময় পখী হৈ এৰা নাই কাল সন্ধ্যা
মৰুভূমিৰ কাষত পুখুৰীৰ মৰিচিকা খেদা নাই
কোনো অদ্ভূত প্ৰাণীৰ দেহত গলি যোৰা নাই সময় সাথৰ

মই চাইচো তোমাক
জানোচা তুমি তাতেই আছা
চুউৰিলিজমত দীঘল জোঙা মোচত
অলপ ৰিলেটিভিটি সানি লৈ

তোমাৰ ছবি অকল্পনীয় আছিল
ঠিক তোমাৰ দৰেই
অথচ তুমি কৈছিলা
"All the great people who realise
sensational achievement is impotant"
তোমাৰ ঘড়ীবোৰত বেলেগ বেলেগ সময়
এতিয়া তোমাৰ সময় নাই,
ক'ৰবাত তোমাৰ ফ্লুইড ঘড়ীত আছে লুকাই।

তোমাৰ জন্ম মৃত্যুৰ পৰা আৰু মৃত্যুৰ আহ্বান তুমি শুনা
তুমি আঁকিছিলা মৃত্যুক।
মৃত তোমাৰ পকেট ঘড়ীটোত পৰুৱাৰ মেল বহিছিল
বিয়োজনৰ মেল
তুমি সপোনত জানো আঁকিছিলা
তোমাৰ মৃত সময়ৰ বিয়োজন?

তুমি ফ্ৰান্সলৈ নাযাবা দালি
তাত ষাড়ৰ যুঁজ, সুন্দৰীৰ লগত সুৰাৰ তালত তুমি নাভাহিবা
মই তোমাৰ ফেডেৰিকো।

তুমি কোনজন ছালভাদোৰ
মাদ্ৰিদৰ মহান চিত্ৰকৰ নে প্ৰেমিক ছালভাদোৰ
কোন তুমি?
প্ৰথম সাক্ষাৎত পিকাচ'ৱে কি দিছিল তোমাক দালি?
কাৰ বস্ত্ৰহীন ফট'গ্ৰাফ?

অ' দালি মই ফেডেৰিকো
গ্ৰাণাডাৰ পৰা মোক লৈ আহিছে দালি
মোৰ চকুৰ কাপোৰ খুলি দিছে
সেউজ পথাৰৰ মাজত বন্দুকেৰে তোমাৰ পৰা কাঢ়িবলৈ।
ৰেডিঅ'ত মোৰ মৃত্যুৰ বাতৰি আহোঁতে
তুমি কোনখন ছবিত সানি আছিলা ৰঙ?
মই ফেডেৰিকো গ্ৰাচিয়া লোৰকাঞ্জ ,ছালভাদোৰ
তোমাৰ ফেডেৰিকো। ■

# মন

জংকি শৰ্মা

মন যায়
মন যাব পাৰে, আমি নোৱাৰো
কেতিয়াবা ব্যস্ততাৰ স'তে বিচ্ছেদ ঘটাই
দূৰণিৰ হিলষ্টেচন এটালৈ গুচি যাবলৈ আমাৰ মন যায়
সেই ঠাইলৈ যাবলৈ আমাৰ টকা আৰু প্ৰস্তুতি নাথাকিব পাৰে
অথচ মনৰ থাকে
কেতিয়াবা আমাৰ মন যায় দূৰ্ঘটনা এটাত
পিকাছোৰ বিমূৰ্ত ছবি এখনৰ দৰে মৰি যাবলৈ
মনে সেই মৃত্যু চাই আহিব পাৰে, অথচ আমি নোৱাৰো
কেতিয়াবা আমাৰ প্ৰাচীন প্ৰেয়সীৰ স'তে ৰ'দত তিতি-বুৰি
বহি থাকে মন
তেনেদৰে বহিবলৈ আমাৰ নাথাকে ইমান মহানতা
অথচ মনৰ থাকে
মনে সকলো কৰিব পাৰে
নোৱাৰে কেৱল আমাৰ ভগ্নতা আৰু অক্ষমতাৰ সৈতে
বৰ্তমানৰ বিচনাত শুবলৈ
কেতিয়াবা আমাৰ মন যায় উপন্যাসৰ আখৰবোৰৰ তলেৰে
যোৱা লুঙলুঙীয়া বাটটোৰে খোজ কাঢ়িবলৈ
আমাৰ নাথাকে ইমান বিশাল ক্ষুদ্ৰতা, অথচ মনৰ থাকে
মন গ'লেই মন থাকিব পাৰে মনে মনে
অথচ আমি নোৱাৰো



এই পৃথিৱীয়ে সহ্য নকৰে ইমান মৌনতা
কেতিয়াবা হাইৱে এটাৰে গৈ থাকোতে
অন্ধকাৰত পিছলি পৰা ক্ষীণমীন পথ এটাত ৰৈ এখন্তেক
চিগাৰেট হুপিবলৈ আমাৰ মন যায়
মনে উৰুৱাই থাকিব পাৰে তাত ধোঁৱাৰ চিলা
অথচ আমি নোৱাৰো
মনৰ দৰে আমাৰ ঘড়ীত নাথাকে ইমান অৱসৰ
ক'ৰবালৈ যাবলৈ মনক নালাগে কোনো লাইচেঞ্চ অথবা
পাছপৰ্ট
নাথাকে মনৰ বাবে কোনো নিৰ্ধাৰিত পাৰ্কিং যোন
আজি কালি মন মোৰ লগত নাথাকেই
মোক ব্যৰ্থতাৰ চাৰিবেৰৰ মাজত তলা মাৰি থৈ
মোৰ ইচ্ছাৰ অচিন অলি-গলিত ঘূৰি থাকে মন
মন যায়, মন যাবই
অ' মন, তুমি বাৰু গম পোৱানে
তোমাৰ অনুপস্থিতিৰ সুযোগ লৈয়েই
জীৱনে বাৰে বাৰে মোক জোকায় অমনোযোগী বুলি।■

# আইৰ সৰু পোনা

**বনদীপ শৰ্মা**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*



আই অ' আই
ঘৰত আছেনে আই
নঙলা মুখৰ পৰা
দুই তিনিবাৰ চাইছিলোহি আই
"মই উভতি যাব অহা
নাই। আত্ম সমৰ্পন
মোৰ ভাষাত নাই
মই যি বাটে
আহিছো মোক
যাব দে অ' আই"
ঃ এনেকৈ কৈ সি ওলাই
গৈছিল। গৈছিল মানে
আৰু যি উভতি চোৱা নাই।
তই নিশ্চয় সৰুপোৰ
কথাকে কৈছ আই
তাৰ কথা ভাবি আৰু
লাভ একো নাই।
আৰক্ষী থানাৰ কোনোবা
এটা মৰ্গত পৰি আছে আই !
ঃ কোন? উৎকণ্ঠা আৰু উৎসুকতা ভৰা
অথচ কৰুণ মাতেৰে আয়ে সুধিছিল
ঃ কোন হ'ব আৰু
তোৰ সৰু পো
অ' নহয়, সি এতিয়া আৰু
সৰু পো হৈ নাই।
নোদোকা অথচ হৃদয়, মানবতাহীন
পশুতকৈ ক'ম সি আৰু কোনো গুণে
নহয়। সেয়ে সি এতিয়া পৰি আছে !
ঃ মাংস নোখোৱা ল'ৰাটোই
যে কিমানৰ মাংস খাব পৰা হ'ল
মোৰ ভাবিলেই গা শিয়ৰি উঠে,
হাতত অস্ত্ৰ তুলি
লোৱাৰ পৰা এটা জীৱন্ত
অথচ যন্ত্ৰ হৈ পৰিল।
পিছে দোষ কাৰ?
তোৰ নে আমাৰ?
নে সেই শিক্ষাৰ?
সি সেইবোৰ সপোন
বাৰু কিয় দেখিছিল আই
যিয়ে সমাজত আমাক উলংগ
কৰি থৈ গ'ল ! আৰু অখণ্ডতাৰ কাঠ
টুকুৰাত ঘূণৰ সৃষ্টি কৰিলে আই
ধ্বংস হওক
এই সপোন
আমাৰ সৰুপোনাৰ দৰে,
কলাপ সনা বৰষুণৰ লগত
উটি যোৱা মেঘ চটাৰ দৰে !■

# এদিন মই যুদ্ধ ঘোষণা কৰিম

**পৰিনীতা কলিতা**
*স্নাতকোত্তৰ, দ্বিতীয় যাণ্মাসিক*


নদীৰ কোৰাল সোঁতক দুচোৰা কৰিম
ডিঙি চেপি ধৰিম বতাহক,
গছবোৰক ফাঁচি দিম
দিনক নাঙঠ কৰি
ৰাতিক দাহন কৰিম।
সেইদিনা শুকাই যাব পানী
স্তব্ধ হ'ব গতি,
চিৰাল ফাট দিব পথাৰ,
দুচকুৰ ৰক্তৰে আঁকি দিম
এখন আধা অঁকা ছবি।
ৰক্ত খোৰা পিশাচৰ হাতত
অৰ্পন কৰিম
সৃষ্টিৰ দুহাত,
এদিন তেজ চটিওৰা
এটা বাটত
শান্তিৰ কঠিয়া গুজিম
মাটি ফাটি ওলাব
মোৰ স্বপ্নৰ দেশ।
নিমিষতে শেষ হব
আন এক ভগ্ন চুক্তি,
অচিনাকী ৰং চটিয়াই
উৰি আহিব
এজাক সুখৰ চৰাই।
এদিন এনেকৈয়ে মই যুদ্ধ ঘোষণা কৰিম।■



# ধৰ্ম ধৰ্ম ধৰ্ম

**মমিনুৰ ৰহমান**
চতুৰ্থ যাণ্মাসিক, গণিত বিভাগ

"ধৰ্ম ধৰ্ম ধৰ্ম"
আপোনাৰ ধৰ্ম কি?
হিন্দু, ইছলাম, খ্ৰীষ্টান, শিখনে আন কিবা !
ধৰি লওঁক
আপোনাৰ ধৰ্ম হিন্দু বা ইছলাম
সেয়ে আপুনি নিজধৰ্মটোক সন্মান কৰিব
আৰু বাকীবোৰক?
ধৰ্মৰ নামত বেপাৰ
ধৰ্মৰ নামত ৰাজনীতি
উফ্, কত কি !
ধৰ্মৰ বীজ সকলোতে আজি
সকলোতে ধৰ্মৰ দাবানল
কিয় জানো সকলোতে ধৰ্মই একমাত্ৰ কাৰণ
তেনে ধৰ্মৰ প্ৰয়োজন ক'ত?
য'ত মছজিদৰ পৰা নামাজ পঢ়ি ওলাই মন্দিৰলৈ থুৰায়
য'ত মন্দিৰৰ পৰা পূজা কৰি আহি ভিক্ষাৰীজনৰ
বাটিটো ভৰিৰে লথিয়ায়
মানুহৰ তেজত জানো থাকে ধৰ্মৰ চিহ্ন
জীৱনৰ আধা সময় উকলি যায়
"কোন ধৰ্ম শ্ৰেষ্ঠ"
তাৰ অন্বেষণত
আৰে ভাই ভগৱান, আল্লা, গড়, ঈশ্বৰ এজনেই
সকলো ধৰ্মই শ্ৰেষ্ঠ
শ্ৰেষ্ঠ নহয় কেৱল মানুহে ডিঙিৰ ওপৰত
ওলমাই ৰখা মগজুবোৰ
শ্ৰেষ্ঠ নহয় কেৱল মুখা পিন্ধা মানুহৰ মনবোৰ !■



# জাগ্রত হোৱা হে নাৰী !


জুৰি দত্ত

জানানে তুমি কোন?
জানানে তুমি তোমাৰ পৰিচয় কি?
নাজানা
জানিব নিবিচাৰা
হয় ! তুমিয়ে নাৰী
তুমি সেইগৰাকী নাৰী যাৰ বাবেই এই সৃষ্টি
তুমিয়ে নাৰী
যাৰ অবিহনে পৃথিৱী শূন্য
তুমিয়ে নাৰী' তুমিয়ে মা !
যিয়ে নতুন প্ৰাণ এটিক পৃথিৱীলৈ লৈ আহা
আৰু জানিব বিচাৰিবানে তোমাৰ পৰিচয়?
শুনা তেন্তে
তুমি হ'লা ধৰ্ষিতা যাৰ লগত অতীতৰ পৰা
বৰ্তমাননৈ নিৰ্যাতন চলি আছে
তুমি দ্ৰৌপদী
যাৰ বস্ত্ৰ হৰণ কৰা হৈছিল কেৱল পাশা
খেলত হাৰি লোৱা বাবে
তুমি হ'লা সীতা
যাক ৰাৱনে হৰণ কৰিছিল আৰু অটল
প্ৰেম থকাৰ পিছতো ঘূৰি আহি ৰামক নিজৰ
সতীত্বৰ পৰিচয় দিব লগা হৈছিল।
শুনা তোমাৰ আন এক পৰিচয়
তুমি সেইগৰাকী নাৰী
যিয়ে জন্মৰ পৰা মৃত্যুলৈ আজীৱন কেৱল ত্যাগৰ
নৈ বোৱালা
তুমি সেইগৰাকী জীয়ৰী
যাৰ নিজৰ ঘৰত একো অস্তিত্ব নাই আনৰ
বোৱাৰী হোৱাৰ পিছত
তুমি সেইগৰাকী প্ৰেমিকা
যাৰ পত্নী হোৱাৰ পিছত মাথো নিজৰ স্বামীৰ
বাবে এটি যন্ত্ৰ হৈ যোৱা
তুমি সেইগৰাকী বোৱাৰী
যাক যৌতুক নোপোৱাৰ বিনিময়ত হত্যা কৰা হয়
তুমি সেইগৰাকী মাতৃ
যিয়ে ন মাহ নিজৰ গাত ৰাখি এটি প্ৰাণক
পৃথিৱীৰ পোহৰ দেখুওৱা
তুমিয়েই সেইগৰাকী মাতৃ
যিয়ে হাজাৰ সপোন ত্যাগ কৰি কেৱল নিজৰ সন্তানৰ
মাজতে জীয়াই থাকা
জানানে? তুমি সেইগৰাকী দেৱীও
যাৰ ওচৰত মূৰ দোৱাই ভক্তবোৰে দিনত আৰ্শীবাদ
লয় আৰু মাজৰাতি
সেই ভক্তবোৰে তোমাক কোনোবা অৰণ্যত নি
নৰপিশাচৰ ৰূপ লয়।
এয়াই তোমাৰ পৰিচয় হে নাৰী।
তুমি ত্যাগৰ প্ৰতীক
জাগ্ৰত হোৱা হে নাৰী
জাগ্ৰত হোৱা।
মাত্ৰ পাঁচদিনৰ বাবে নহয়
ওৰেটো জীৱন তুমি দেৱী দূৰ্গাৰ ৰূপ লোৱা
আৰু নিঃশেষ কৰি দিয়া পিশাচবোৰক চিৰদিনৰ বাবে
তোমাৰ অবিহনে সৃষ্টি শূণ্য
জাগ্ৰত হোৱা নাৰী ! জাগ্ৰত হোৱা !■

# ৰাজনীতি

**ধৃতিস্মান ডেকা**
*বি.এ., প্ৰথম যান্মাসিক*

বছৰে বছৰে আহে প্ৰতিশ্ৰুতি
বছৰে বছৰে যায় প্ৰতিশ্ৰুতি।
যিখন দেশৰ বাবে নাৰী যুজিছিল
সেইখন দেশতে জানো আজি নাৰী নিৰাপদ ।
জীয়ৰী, ভনী, পত্নী, মাঁ কিমান যে ৰূপ নহয়।
তাৰ পিছত কিয়, হয় তেওঁলোকৰ লগত নিৰ্যাতন।
সতীৰ দেশৰ নাৰীৰ পৰা কিয়
কাঢ়ি লোৱা হয় তেওঁলোকৰ সতীত্ব।
কিছুমান বগা চোলা পিন্ধা ক'লা মনৰ মানুহক
কব বিচাৰো একণমানটো সলনি হ'বলৈ চেষ্টা কৰা।
কিমান, কিমান হ'ব টকাৰ বাবে
জাতি মাটিৰ লগত খেলা।
ৰাজনীতিৰ লগত ইমানে খেলা নকৰিব
আপোনালোকৰ মিছা প্ৰতিশ্ৰুতিৰ বাবে,
সাধাৰণ মানুহে ভাৰে কাইলৈ এটা ভাল দিন আহিব
তেওঁলোকৰ আশাবোৰত এনেকৈ চেচাপানী নাঢালিব।
কেতিয়াবা এনে লাগে যে আমাৰ দেশখনে,
খোজ কাঢ়িবলৈ পাহৰি গৈছে।
কেতিয়াবা প্ৰশ্ন কৰিবলৈ মন যায়, ঐ বাপু
এই দিনবোৰৰ বাবে ৭০ বছৰ আগতে
ইমান কষ্ট কৰিছিল নেকি
বৰ দুখ লাগে যেতিয়া শ্বহীদৰ কেঁচা তেজৰে
পৰিণতি এনেকুৱা হয়, নহয় নে বাপু।
বৰ দুখ লাগে বাপু, যি টকাৰ বাবে
মানুহে মানুহক বিক্ৰী কৰিব পাৰে
নিজৰ জাতি মাটিক আনৰ হাতত দিব পাৰে
সেই টকাত তোৰ ফটো দেখিলে
সঁচাকৈ বৰ দুখ লাগে বাপু।■



# জীৱন নহয় এক অভিনয়

**চিন্ময় ভৰালী**
*প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

হৰ্ষমনে ভাহি আছা যিদৰে
কল্পনাৰ সৰত;
পাৰিবা জানো জিনিব সেইদৰে
জীৱন যুদ্ধত?
নিসংগতাক সাৰথি কৰি যিদৰে
ৰচিছা সপোন;
পাৰিবা জানো কৰিব সেইদৰে
বাস্তৱক আপোন?
অস্থিৰতাৰ বুকুত যিদৰে পাৰ হয় তোমাৰ
প্ৰতিটো নিশা;
দায়িত্বৰ সোঁতত বুৰ যাব তোমাৰ
সহস্ৰ প্ৰত্যাশা।
অক্লান্ত তোমাৰ এই চেষ্টা যেতিয়া হ'ব
তমসাত বিলীন?
তেতিয়া বুজিবা তুমি,
তোমাৰ অস্তিত্ব যে এই দুনিয়াত
মাথোঁ এখনি মূল্যহীন দলিল।।
বিশ্বাসৰ গঢ়া বুকুত
গঢ়িছা যিদৰে;
নহয় কোনো চিনেমাৰ নায়ক তুমি সকলো পাবলে।
বিজয়ৰ ঝংকাৰ গঢ়িব খুজিছা
তোমাৰ পৰিচয়;
সময়ে বুজাব তোমাক
জীৱন নহয় যে এক অভিনয়।।■



# পৃথিৱীৰ ৰং

**সৰুকন দাস**
*দ্বিতীয় যাণ্মাসিক*

সঁচাকৈয়ে আজি পৃথিৱীৰ ৰং
পুৰণি হ'ল...
আধুনিক মানৱ সমাজ
অৰ্ধনগ্ন হৈ ঘূৰি ঘূৰি ফুৰা
আদিম সমাজত পৰিণত হ'ল,
হত্যা হিংসা ধৰ্ষণ লুণ্ঠণে
চৌপাশে আৱৰিছে আজি
মিছা মিছা লাগিছে আজিৰ পৃথিৱী
এই মনোমোহা সেউজী প্ৰকৃতি।।
মানৱতাৰ যেন মৃত্যু হ'ল ...
হেৰাই গ'ল সাতামপুৰুষীয়া একতাৰ এনাজৰী,
আপোন মাটিত ভাইয়ে ভাইয়ে
আজি ঠাই ঠাই হৈ পৰিছে।
জাতিৰ বাবে দহৰ বাবে
নিশা ঘুৰি ফুৰা ডেকাজনও আজি
দিন দুপৰতে ৰাজপথত হত্যাৰ বলি হৈছে।
আজি চৌকাশে শুনো
হৃদয় ভঙা মাতৃৰ কৰুণ বিননী
কত শত জনৰ আশাৰ চাকি
পলকতে গ'ল মৰহি
মিছা মিছা লাগে আজিৰ এই পৃথিৱী।।■

# নিৰ্যাতন

**ধৃতিস্মীতা দত্ত**
*সংস্কৃত বিভাগ, প্ৰাক্তন ছাত্ৰী*


স্বাৰ্থপৰ এই সমাজ
এই সমাজতেই লুকাই আছে,
ভদ্ৰতাৰ মুখা পিন্ধা বহু অভদ্ৰ লোক
স্বাৰ্থক লৈ খেলা এই সমাজে
শুনিবনে সপোন ভঙাৰ ইতিহাস?
এই সমাজতেই প্ৰতিদিনে
নিৰ্যাতিত হয় বহু লোক,
কত মাতৃ পুত্ৰহাৰা হয়
ক'ত যে পত্নী স্বামীহাৰা হয়
ক'তযে নিৰ্যাতনৰ বলী হয়
বুজিবনে বাৰু সেই স্বাৰ্থপৰ দানৱসকলে
নিৰ্যাতিতসকলৰ হৃদয়ৰ বিননী,
কেতিয়া বন্ধ কৰিব ৰক্ত পিপাসুসকলে
তেজেৰে সৈতে খেলা কৰা?
সলনি হ'ব জানো কেতিয়াবা
স্বাৰ্থপৰসকলৰ ভাৱধাৰা?
পাৰিবনে কেতিয়াবা এখন নিকা,
স্বাৰ্থহীন সমাজ গঢ়িবলে?■

# এজাৰ

**নয়না বৰুৱা**
*ষষ্ঠ ষাণ্মাসিক*

কোনে কয় বসন্ত হেনো
কপৌ তগৰ
আৰু নাহৰৰ হে ঋতু
দেখিছা তুমি সৌ জোপা
এজাৰ...
তাৰ সৌন্দৰ্য্য,
তাৰ সেই মনোমোহা ৰূপ
যেন লৈ আহিছে প্ৰথম প্ৰেমৰ সুৱাস,
কোনোবা প্ৰেমিকৰ
মৰমৰ মাত এযাৰ
আৰু লগত আনিছে নতুন দিনৰ খবৰ।
দেখিছা তুমি সৌপাহ এজাৰ
মৰহি যোৱা এজাৰ পাহে
দি গৈছে এটি
সুমধুৰ দিন হেৰাই যোৱাৰ খবৰ
এজাৰৰ তাতেই জগৰ
আহে বহাগত কুলিৰ মাতত
নাৰাখে কোনেও এজাৰৰ খবৰ
মৰহি যোৱা এজাৰ নাহে
বহু কথা কৈ গ'ল
কিন্তু আমি চাই ৰলো
কেৱল কপৌ
তগৰ আৰু নাহৰ। ■





# তোমাৰ অনুপস্থিতিত

**শিৱানী কলিতা**
*ষষ্ঠ ষাণ্মাসিক, ইতিহাস বিভাগ*

তোমাৰ অনুপস্থিতিত আৱেলিৰ আকাশখনলৈ
চাই ৰ'লো
আৱেগ যেন হৈ পৰে সময়বোৰ
তোমাৰ বাবে ৰচি ৰখা কবিতাবোৰেও আজি
সময়ৰ সোঁতত দিশহাৰা হৈ পৰে
সন্ধিয়াৰ চেঁচা বতাহজাকে যেন
আজি তোমাৰ অনুপস্থিতিক অনুভৱ কৰালে
মই যে প্ৰেমৰ আতুৰতাত তৃপ্ত হৈ থকা এক
অজান প্ৰেমিক।
অলেখ স্বপ্ন ৰচি পাৰ কৰা উজাগৰি নিশাবোৰ
আৰু তোমাৰ বাবে সাচি ৰখা মৰমবোৰ
বৰ যন্ত্ৰণা অ
এতিয়া যেন সময়বোৰো নিষ্ঠুৰতাৰ মাজত আবদ্ধ,
আকাশৰ উৰণীয়া নেজাল তৰা
আৰু তোমাৰ সৈতে দেখা হোৱা একেই লগা হৈছে
তোমাৰ অনুপস্থিতিত
বৰ মনত পৰে অ'।■

# অনুভৱৰ প্ৰীতি

**হিমাক্ষী শৰ্মা**
*উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ*
*নলবাৰী কলেজ (কলাশাখা)*

তেওঁলোকেই গভীৰ স্পন্দনৰ বক্তা
যি নলবাৰী মহাবিদ্যালয়ৰ প্ৰবক্তা।
কণ্ঠত আছে এক মধুৰ প্ৰীতিৰ সুৰ,
শুনিলেই যেন হৃদয় পৰে জুৰ।
কোনোবা ছাত্ৰও আছে, মনোমোহা হাঁহি,
সিও কলেজ চৌহদত বজায় মধুৰ বাঁহী।
মধুৰ সুৰৰ অধিকাৰী, তেৰেঁই গায়িকা,
মনোমোহা হাঁহিৰ অধিকাৰী, তেৰেঁই নায়িকা।
স্মৃতিৰ কবিতা গাই যি সিহঁতেই কৰি
মৃদুভাষী তেওঁলোক বৰকৈ গুণী-জ্ঞানী
ময়ো আছোঁ, সবাৰে হাত-হাত ধৰি যাম,
এদিন সকলোৰে মিলি একতাৰ গান গাম।
সমূহৰ আগতে শেষত কৰিছোঁ মিনতি
অৰ্পন কৰিছোঁ প্ৰাণ ঢালি প্ৰাণৰ প্ৰণতি।।■





# পথ ভ্ৰষ্ট পথিক

**ভাস্বতী বৰুৱা**
*দ্বিতীয় সন্মাষিক, অৰ্থনীতি বিজ্ঞান*

নষ্ট আস্থা, নষ্ট জীৱন
ভৱিষ্যত সমীক্ষাৰ এটি বাস্তৱায়িত জুপুৰি।
মায়াপুৰীৰ কাৰেঙত
অলংকৃত শব্দ শৃংখলাবোৰ
যেন, বিশৃংখলিত কাহিনীৰ বুটাবচা দলিচা
হেৰালি নেকি মায়াজালত?
ময়ো হেৰালো দোকোল-টকা কবিতাৰ
কোনোবাটি ভাঁজত !
কাইটীয়া পাহৰতে স্পষ্ট তাৰ অস্থিৰতা,
সৌৰা তেজাল ঘোঁৰা।
হেৰ, আকৌ এবাৰ ৰৈ যা,
শুনি যা,
আৰু এটি অংকুৰিত আস্থাৰ গান।■



# ৰিক্সাৱালা

**মনস্বিতা শৰ্মা**
প্ৰাণী বিজ্ঞান বিভাগ

মই ৰিক্সাৱালা
ভিতৰৰ পৰা বাহিৰৰ
আকাশ দেখা কোঠাটোত
জন্মৰ সময়তে লোৱা এই নাম
আঁতৰা নাই মোৰ দেহৰ পৰা।

লিফ্‌টত উঠা,
গৰম-ঠাণ্ডাৰ মাজেৰে
বিলাসী গাড়ীত উঠি
ৰজাৰ দেশলৈ যোৱাতো
মোৰ বাবে সপোন।
তথাপিও যে
কল্পনাৰ জগতখনৰ পৰা মই
দূৰৈত অৱস্থান কৰিব পৰা নাই

ৰিক্সাত চিনাকি-অচিনাকি
বহুজনক কঢ়িয়াই
ঘৰ্মাক্ত দেহেৰে
ঘৰলৈ ওভতাৰ পথত
দোকানৰ বগা-আইনাখনত
নিজকে চাইছো
ছলমান অথবা শ্বাহৰুখৰ ৰূপত।
এয়াই জীৱন,
এয়াই পৃথিৱী।

মানুহৰ বন্দৰ নাই
সময়ৰ তট ৰেখা নাই
আমিও গৈ থাকোঁ অহৰহ।
এই যে গৈ থাঁকো,
হঠাৎ কেতিয়াবা
দুখ লাগে
ভাগৰ লাগে
আৱেগ বয়
চিন্তা হয়
সেই তেতিয়াই
ভাব হয়
জীৱনৰ পৰা পলাই যাওঁ।
কেনিও পলাই যোৱাৰ বাট নেদেখি
থিতাতেই থমকি ৰওঁ,
ৰিক্সাত বহা যাত্ৰীবোৰলৈ
ঘূৰি চাওঁ
সফল বিশ্বাসী হাঁহি
বিফল সেমেকা মুখ
সহস্ৰ স্পন্দন বুকুত।

নিজকে প্ৰশ্ন কৰোঁ
দুখ মোৰ ক'ত আছে?
সুখ-জীৱনৰ আকাশে-বতাহে।
শীতত ফটা কাগজৰ জুইলৈ যেতিয়া
বাইকত অহাজনে হাতখন আগবঢ়াই
দিয়ে,
ভাৱ হয়,
তেৰোঁ মোৰ দৰেই নিচল।
বিল্ডিঙৰ ওপৰৰ গৰাকীৰ
থৈয়া-নথৈয়া ৰনখনে কৈ যায়
সিহঁতো ক'ৰবাত নিচলা।
এইদৰে প্ৰতিচ্ছবি খেপিয়াই খেপিয়াই
সঞ্চিত কৰিছোঁ মই বহু অভিজ্ঞতা।
মই ৰিক্সাৱালা,
কিন্তু আত্মসন্তুষ্টিৰ পৃথিৱীত
হৈ আছোঁ এতিয়াও অবিচলিত।■

# आधुनिकयुगे संस्कृतस्य प्रासंगिकता

गारगी देवी

विश्वस्य महाभाषासु संस्कृतं प्राचीनतमं सिद्धं च अस्ति। अस्य ज्ञानस्य भण्डारः अतुलनीयः, जगतः अमूल्यः च निधिः अस्ति। इयं भाषा महाभारतीयपरम्परायाः यथार्थं प्रतीकं वर्तते, सत्यस्य अन्वेषणे पूर्णश्वतन्त्रतां प्रदर्शयन्त्याः विचारः सार्वभौमसत्यं प्रति कैथोलिकतां दर्शितवान्। अस्याः अद्वितीयाभाषायां न केवलं अस्य देशस्य जनानां कृते प्रज्ञायाः अन्तमं विवरणं भवति, अपितु सम्यक् ज्ञानप्राप्तेः अप्रतिमः सम्यक् च मार्गः अपि अस्ति, अतः सम्पूर्णविश्वस्य जनानां कृते महत्त्वपूर्णा अस्ति।

भारते संस्कृते देवभाषा इति प्रसिद्धा अस्ति। तदतिरित्कं भारतीयभाषानां जननी इति अपि अस्य मान्यता अस्ति। परन्तु एषा केवलं शास्त्रीयभाषा न, अपितु अस्माकं पुरातनसांस्कृतिकविरासतां महतः भागस्य भण्डारः अपि अस्ति। संस्कृतसाहित्ये सर्वविधं विद्याः अर्यात् विज्ञानं वा ज्ञानं वा भवति इति वत्कु स्पष्टम्।

वेदाः भारतीयसंस्कृतेः परस्परायाः च आत्मा अस्ति। समाजे स्वस्थं तनावमुक्तं च जीवनं निर्वाहयितुम् अत्यत्तं उपयोगिनो भवन्ति सर्वप्रकारस्य ज्ञानस्य अर्थात् प्रज्ञायाः भण्डारः अस्ति। भौतिकशास्त्रं, रसायनशास्त्रं, वनस्पतिशास्त्रं, प्राणीशास्त्रं, गणितं, कृषिं, पर्यावरणविज्ञानं, धातुविज्ञानं, चिकित्साशास्त्रं, वास्तुविज्ञानं, ज्यामितिः, ज्योतिषशास्त्रं, मौसमविज्ञानम् इत्यादयः सन्ति संस्कृतस्य विशालसाहित्यस्य विविधग्रन्थेषु भाष्येषु च विषयाः पृथक् पृथक् चर्चा कृताः सन्ति। पारम्परिकस्य अपि च आधुनिकस्य विद्यस्य वा विज्ञानस्य रहस्यं अस्माकं प्राचीनद्रष्टकैः, कविभिः, लेखकैः, भाष्यकारैः च सम्पूर्णतया ज्ञातम् आसीत्। अतः इदानीं सर्वेषां कृते प्रायः आवश्यकं भवति, भारतीयसंस्कृतेः, एतानि रोचकपारम्परिकानि आधुनिकमुन्यानि च पठितुं, अवगन्तुं सम्यक् विश्लेषितुं च समग्रमानवजातेः सर्वतोमुखविकासाय।

संस्कृतं विश्वस्य सर्वाधिक रोचकं वैज्ञानिक च भाषा अस्ति। भाषारुपेण संस्कृतं भाषाविज्ञानस्य, भाषाविज्ञानस्य च निपुणैः संचारस्य सम्यक् वाहनम् इति मन्यते। १७८६ तमे वर्षे यदा पश्चिमः भारतात् भौतिकं वौद्धिकं च निधिं हर्षेण प्रापोति स्म, तदा सर विलियम जोन्सः बङ्गालस्य रायल एशियाटिक सोसाइटी इत्यस्मै सम्बोधने उक्तवान् यत् (संस्कृतभाषा, तस्याः प्राचीनता वा, अद्भुतसंरचना, ग्रीकभाषायाः अपेक्षया सिद्धा, लेटिनभाषायाः अपेक्षया अधिका प्रचुरता, तदा अपि परिष्कृता च अस्ति।)

व्यावहारिकक्षेत्रे अवश्यमेव स्वीकारणीयं यत् व्याकरणस्य, ध्वन्यशास्त्रस्य, शब्दावलीयाः, देवानआगरललिप्याः च दृष्टया संस्कृतं संचारस्य अद्भुतं कुशलं वाहनं भवति न आञ्चर्यं यत् सङ्गणकप्रोग्रामिङ्ग सञ्चालनयोः उपयोगाय भिन्न भिन्न भाषा लिपिनां सापेक्षिक-अपयुक्ततायाः विषये अधतन- अनुभवात्मक- अध्ययनेन सूचितं यत् देवनागर लिप्यां संस्कृतं त केवलं उपयुक्तम् आसीत् अपितु उपयोगाय इष्टतम माध्यमत्वेन प्रत्येकं आवश्यकतां सम्यक् पुरयति इति।

संस्कृत-संस्कृत साहित्यस्य संस्कृतिः वस्तुतः संश्लेषणस्य, आत्मसातस्य च संस्कृतिः एव। संस्कृतसाहित्यस्य संन्देशः मानववादस्य, मानवजातेः एकतायाः, मूल्यानां, शान्तिस्य, परस्परवोधस्य च, व्यक्तिस्य समाजस्य च सामास्यपूर्णस्य विकासस्य च सन्देशः अस्ति। भारतस्य लोकाचारास्य पुनरुत्थने साहास्यं करिष्यति, यत. संश्लेषणं, सामाञ्जस्यं मेलतं च संस्कृतसंस्कृतेः सारं समावेशर्यात। अस्माकं प्राचोनसाहित्ये सकारात्मकविज्ञानसम्बद्धानां वैज्ञानिकदृष्टिकोणानां, शोधपरिणामानां च निधिस्य-गृहस्य तालान् उद्घातयितुं अस्मान् साहास्यं करिप्यति। तदतिरित्कं सङ्गणकसञ्चालने संस्कृतस्य उत्तममाध्यमरूपेन नुतनप्रौद्योगिक्याः भाषारुपेण च उपयोगे अस्मान् साहास्यं करिष्यति स्म। एतेषां अतिरिक्तं भारतस्य विविधानां भाषाणां सजीवीकरणाय अस्मान् साहास्यं करिष्यति स्म। यथा महात्मा गान्धी सम्यक उक्तवान्-

"संस्कृतं अस्माकं भाषाणां कृते गंगानदी इव अस्ति। अहं सर्वदा मन्ये यत् यदि शूष्कं भवति तर्हि प्रादेशिकभाषा अपि स्वस्य जीवनशक्तिं शक्तिं च नष्टं करिष्यति। संस्कृतस्य मौलिकं ज्ञानं अत्यावश्यकम् इति मम मनसि प्रतीयते। न मम भागे भावः एव मां तत् वत्कुं प्रेरयति। अपितु अस्याः महान् भाषायाः अस्माकं देशस्य कृते उपयोगितायाः, तथा धारितस्य विशालस्य ज्ञानस्य च व्यावहारिकविचारः" इति।

१९८३ तमस्य वर्षस्य एप्रिल-मासस्य ८ दिनाङ्के सम्पूर्णन-संस्कृत-विश्वविद्यालये संस्कृत-विद्वान सम्बोधयन्ती श्रीमवी इन्दिरा गान्धी उक्तवती आसीत्- "यदि संस्कृतं सरलं स्यात तर्हि जन-उदासीन- राज्यानां मध्ये उत्तम-कडि रुपेण कार्य कर्तुं शक्तोति, भाषा-समस्यायाः समाधानं च कर्तुं शक्तोति (हिन्दु, दिनांक ९.४.८३)

सत्यमेव यत् संस्कृतं बहवः अस्माकं भाषासमस्यायाः समाधानं कुर्वन्ति, यदि सरलं भवति। अतः अस्याः भाषायाः प्रमुखीपयोगितायाः कृते व्याकरणनियमादि ध्वनिप्रयोगानाम् सरलीकरणं संस्कृतंविद्धिः कर्तव्यम्। ■

# भारती यैकतासाधनं संस्कृतम्

**काकलि दास**
संस्कृत विभागः, प्राक्तन छात्री

भारतवर्षः निसर्गतः एव एकभखण्डराष्ट्रं विद्यते। अस्योन्तरस्यां दिशि नगाधिराजी हिमालयः नदीयस्य उन्तरस्य दिशायाः सीमां निर्धारयति। चूर्वस्यां पश्चिमस्यां दक्षिणस्यां च दिशि समुद्रवलयः विराजन्ते। यथोक्तम-

हिमालयादासमुद्रं पुण्यक्षेत्रं च भारतम्।
श्रेष्ठपर्वतस्थलानाञ्व मुनीनां च तपः स्थलम्।।

इत्थं भारतदेशस्य सीमाः पुराणेषु कालिदासादीनां कवीनां काब्येषु निर्धारिताः सन्ति। देशस्यास्यान्तर्थानी विद्यभानान् पर्वतात प्रवहत्यः नद्यः प्रति अत्रत्यानां जनानां महती आस्था, प्रशंसनीया भक्तिभावना च सुविराजते।

भहेन्द्रो भलयः सह्यः सुक्तिमान ऋक्षपर्वतः।
विध्यश्च पारियात्रञ्व सप्तैते कुलपर्वताः।।
गंगे च यमुने चैव गोदावरि सरस्वति।
नर्भदे सिन्धु कावेरि जलेऽस्मिन सन्निधिं कुरु।।

देशेऽस्मिन सर्वत्र सर्वेषु प्रदेशेषु नगरे-नगरे ग्रामे-ग्रामे वैदिक धर्मावालम्बितः तस्यातुयायिनः च निवसन्ति। सर्वत्राश्रयाणां वर्णानाञ्वास्तित्वं दरीदृश्यते। संस्काराः सम्पाद्यन्ते। ईश्वरस्य सन्तायां विश्वासी विद्यते, मोक्षस्यावाधारणा स्वीकृता जायते। देवीदेवताऋषिमुनीन् प्रति आस्था विराजते स्वर्गतरकयोः प्रति विश्वासः वर्तते, स्वाश्युदयार्थमतिष्टपरिहार्थञ्व व्रतोपवासादीनां स्वीकरणं समुपलभ्यते। एवं विधायाः भारतीयसंस्कृतेः समुल्लेखः संस्कृतभाषायामेव सुरक्षितः विद्यते। कस्यापि प्रदेशस्य स्थानास्य वा निवासी संस्कृतज्ञः देवशस्य अत्येष्वपि प्रदेशेषु, विभिन्नभाषाभाषिणां जनानां मध्ये धर्मानुष्ठानानि सम्पादयति। तेन सर्वेऽपि जनाः समानरूपेण स्वाभाविकतया परितुष्टाश्च भवन्ति।

वर्तमानराष्ट्रियचेतनायाः दृष्टयापि संस्कृतमेव सामान्यतः वर्धमानं दृश्यते। साम्प्रतिके समयेऽपि प्रशासनिकरूपेण देशस्यास्य भारतं नाम स्वीकृतं वर्तते। परञ्व ''सत्यमेव जयते'' इत्युविषद वाक्यः सैद्धान्तिकरुपेण स्वीकृतः जातः। बङ्किमचन्द्रप्रणीतं ''वन्देमातरम्'' इति देशगीतं प्रायेण संस्कृतपदैरेवात्वितं विद्यते। एवमेव रवीन्द्रनाथप्रणीतं ''जनगणमन'' इति राष्ट्रगानमपि संस्कृतपदविपुलत्वेन समन्विभस्ति। अनयीः गानयोः अर्थावबीधः सर्वैः भारतीयैः सारल्येनानुमूयते। आकाशवाव्या प्रयुक्तः आदर्शवाक्यः ''बहुजनहिताय बहुजनसुखाय ''दुरदर्शनेन'' सत्यं शिवं सुन्दरम् चिकित्सालयेषु ''सर्वे सन्तु निरामया'' भारतीयजीवनवीमानिगमेन ''योगक्षेम्यं वहाम्यहम'' जलसेनया ''शं ती वरुणः'' विदेशतीतेः ''पञ्वशीलय'' एवं विविधानि चादर्शवाक्यानि एवयेव अन्यैरपि प्रशासनिक विभागैः स्वीकृतानि आदर्शवाक्यानि प्राचीनर्षभिः संस्कृतभाषायां प्रणीतेश्यः ग्रन्थेभ्यः उद्घृतानि विद्यते। इत्थं ज्ञायते यत् संस्कृत सर्वैः भारतीयजनैः समादरितं वर्तते।■

# संस्कृत पण्डित कालिदास संस्कृतसाहित्ये च तस्य कार्यम्

**दिक्षिता बरुवा**

कालिदास एकः शास्त्रीयः संस्कृतलेखकः आसीत् यः प्रायः प्राचीनभारतस्य महान् कविः नाटककारः च इति मन्यते। तस्य नाटकानि काव्यानि च मुख्यतया वेद- रामायण-महाभारत-पुराण- आधारितानि सन्ति। तस्य जीविताः कृतयः त्रयः नाटकानि, द्वौ महाकाव्यौ, द्वौ लघुकाव्यौ च सन्ति। कालिदासः मेघदूतस्य रचनां कुर्वत् कालिदासस्य २० शताब्धाः कलाकारस्य आभासः उपजोविका, कवि, नाटककार, भाषा-संस्कृत, प्राकृत।

संस्कृत नाटक, शास्त्रीय साहित्य विषयः महाकाव्य, पुराण, उल्लेखनीयाः कृतयः कुमारसम्भवं, अभिज्ञानशाकुन्तलं, रघुवंशं, मेघदूतं, विक्रमोर्वशीय च तस्य जीवनस्य विषये बहु किमपि अज्ञातं केवलं तस्य काव्य-नाटकयोः अनुमानं कर्तुं शक्यते तस्य कृतीनां तिथिः सटीकतया ज्ञातुं न शक्यते, परन्तु तेषां लेखकाः ५ शताब्धाः पूर्वं भवितुं शक्तुवन्ति।

कालिदासस्य अतेकेषु संस्कृतग्रन्थेषु सर्वेषु भारतीयसाहित्येषु महत् प्रभावः अस्ति। रवीन्द्रनाथ टैगोरस्य उपरि अपि तस्य महत् प्रभावः अभवत् मेघदुतस्य रोमान्तिकता टैगोरस्य मानसुनविषये काव्येषु दृश्यते। कालिदासस्य संस्कृतनाटकानि अष्टादशशताब्धाः अन्ते नवदशशताब्धाः आरम्भे च युरोपीयसाहित्यं प्रभावितवन्तः। आधुनिकचिकित्सायाः जनकः सर विलियम औस्लरः डेल् कार्नेगी इत्यस्य मते कालिदासस्य लिखितं काव्यं सर्वदा स्वस्य मेजस्य उपरि एव स्थापयति स्म।

**महाकाव्यानि सम्पादन** : कालिदासः कुमारसम्भवः कुमारः कार्तिकिय इत्यर्थः सम्भवः च घटनायाः सम्भावता इत्यर्थः, अस्मिन् सन्दर्भे जन्म। कुमारसंभवः एवं कार्तिकियस्य जन्म इत्यर्थः। रघुवंशः इति द्वयोः महाकाव्ययोः रचयिता अस्ति। पार्वतीया जन्म किशोरावस्था च शिवविवाहं तदनन्तरं तेषां पुत्रकुमारस्य (कार्तिकियस्य) जन्म च वर्णयति। रघुवंश इतिमहाकाव्यं रघुवंशराजानां विषये।

**लघुकविताएँ सम्पादन** : मेघदूतं इति खण्डकाव्यं (लघुकाव्यं) अपि लिखितवान्। मेघद्वारा कान्तं प्रति सन्देशं प्रेषयितुं यक्षस्य कथा वर्णिता अस्ति। कालिदासः इदं काव्यं गीतामाधुयेणा प्रसिद्धे मण्डाक्रान्तमीटरे स्थापयति स्म। कालिदासस्य लोकप्रियकाव्येषु अन्यतमम् अस्ति। अस्य ग्रन्थस्य अनेकाः भाष्याणि च लिखितानि सन्ति। कालिदासः अपि मातङ्गीदेव्याः सौन्दर्यस्य वर्णनं कृत्वा श्यामलदण्डकं लिखितवान्।

क्रोडति सम्पादन : कालिदासः त्रीणि नाटकानि रचितवान्। तेषु अभिज्ञानशाकुन्तलम् (शकुन्तलाप्रत्यभिज्ञानस्य) सामान्यतः कृतित्वेन गण्यते। आङ्ग्लभाषायां अनुवादितानां प्रथमसंस्कृतग्रन्थानां मध्ये एषा आसीत् ततः परं बहुषु भाषासु अनुवादिता आस्ति। शकुन्तला दुष्यन्तं राजारविवर्मी इति पश्चात् पश्यन् स्थगयति।

मालविकाग्निमित्रम् इत्यत्र मालविका नाम निर्वासिनायाः दासीयाः चित्रे प्रेम्णा पतति राजा अग्निमित्रस्य कथा अस्ति। यदा राज्ञी भर्तुः अस्या बालिकायाः प्रति अनुरागं आविष्करोति तदा सा क्रुद्धा भुत्वा मालविकां कारागारं पातयति, परन्तु यथा दैवं इच्छति तथा मालविका वस्तुतः सच्चिदानन्दराजकुमारी अस्ति, अतः प्रकरणस्य वैधतां प्राप्नोति अभिज्ञान-शाकुन्तलम् राजा दुष्यन्तस्य कथां कथयति यः मृगयायात्राणां कानुऋषिदत्तकन्या विश्वामित्रमेनकस्य च वास्तविकपुत्रीं शकुन्तलां मिलित्वा विवाहं करोति। न्यायालये आहुते सति तेषा दुर्घटना भवति शकुन्तला तेषां बालकगर्भवति अप्रमादेन आगन्तुकं दुर्वासं शापं प्राप्नोति, येन दुष्यन्तः तां यावत् तथा सह त्यक्तं वलयम् न पश्यति तावत् तां सर्वथा विस्मरति उन्नतगर्भावस्थायां दुष्यन्तस्य दरबारयात्रायां सा वलयम् नष्टं करोति, तस्मात् अपरिचिता आगन्तुं भवति। वलयं मन्स्यजीविता लभ्यते यः राजमुद्रां ज्ञान्वा दुष्यन्तं प्रति प्रत्यागच्छति, सः शाकुन्तलायाः स्मृतिं पुनः प्राप्य तां अन्वेष्टुं प्रस्थायति। कालिदासस्य अभिज्ञान शकुन्तलम् इति ग्रन्थे आङ्गलभाषायाः जर्मन भाषायां अनुबाद कृत्वा यूरोपे प्रसिद्धं जानम् इति गोएथे मुग्धः अभवत्। विक्रमोर्वशीयं इत्यत्र राजा पुरुरवस्य, आकाशीय अप्सरा उर्वशी च प्रेमणा पतितानां कथां कथयति। अमरः इति नाम्ना तस्याः स्वर्ग प्रत्यागन्तुं भवति, यत्र एकेन दुर्भाग्यपुर्णेन दुर्घटनायाः कारणात् सा मर्त्यरुपेण पुनः पृथिव्यां प्रेषिता भवति यत् सा म्रियते यस्मिन् क्षणे तस्याः प्रेम्णः दृष्टिपातं करोति यत् बालकं सा तं प्रसविष्यति। ऊर्वशीयाः क्षणिकं बेलरुपान्तरणं सहितं दुर्घटनानां ऋङ्खलायाम् अनन्तरं शापः उत्थापितः भवति, कान्ता पृथिव्यां एकत्र स्थातुं शक्तुषन्ति।■

# वेदेषु नैतिक तत्वम्

**चन्द्रास्मिता कलिता**
*प्रक्तन छात्र, संस्कृत विभाग*

भारतीय सभ्यतया आदिम ग्रन्थः तु वेदः। अयं वेदः सर्वेषां ज्ञानानां भाण्डारस्वरूपम्। वेदाः खलु मानव ज्ञानस्य विश्वकोषः। वेदः धर्मक्तवस्य ब्रह्मतत्वस्य च प्रातिपादिक अपौरुषेय ग्रन्थः। वेद वाक्यं शाज्वतं नित्यञ्व इति एव मन्यते। 'वेद' इति शब्दः विद धातोः अच् प्रत्ययेन निष्पन्नो भवति। वेद शब्दस्य अपर नामानि यथा-आम्नायः, आगमः, श्रुतिः, छन्द इत्यादिनी। वेदः तु सर्वधर्मस्य मुलमेव वर्तते। मनुना प्रोक्तम् 'वेदोऽखिलो धर्ममूलम्'। वेदेषु ज्ञान-विज्ञान-धर्म-दर्शन-सदाचार-संस्कृति-नैतिक-सामाजिक-राजनैतिक प्रभृतीनां जीवनीपयोगि विषयाणां सन्निवेशोऽस्ति। तदुक्तं महर्षि याज्ञवल्कोनापि-

प्रत्यक्षेणानुमित्या वा यस्तुपायो न विद्यते।
पनं विदन्ति वेदेन तस्माद वेदस्य वेदता।।

वेदस्य बहुनि लक्षणानि अस्माभिः प्राप्यन्ते। सायणाचार्यमतेन वेद लक्षणं यथा- (अपौरुषेयं वाक्यं वेदः।) पुनः सायणाचार्येण एव उक्तम्-

(इष्टप्राप्तिनिष्टपरिहारयोरलौकिकमुपायं यो वेदयति स वेदः।) आपस्तम्बो यज्ञ परिभाषायां वेद संज्ञाम् एवमाह- (मन्त्रब्राह्मणयो-र्वेदनामधेयम्। वैदिक साहित्ये चत्वारो वेदाः सन्ति। यथा ऋगवेदः, यजुर्वेदः, सामवेदः, अथर्ववेदञ्व।

ऋगवेद : ऋगवेदः ऋचां महान् संग्रहः विद्यते। ऋक शब्दस्य व्युत्पत्तिः यथा- (ऋच्यते स्तुयते अनया देवविशेषः क्रियाविशेषः तत्साधन विशेषो वा इति।) अर्थात् यथा देवतानां स्तुतिः क्रियते सैव ऋगिति कथ्यते। चतुर्षु वेदेषु ऋगवेदस्य गौरवं सर्वातिशायिनमस्ति। ऋगवेद अग्निदेवताविषयकमाग्नि सूक्तेन प्रारम्भो भवति। तत्र प्रथमो मन्त्रः-

अग्निमोळ्ळे पुरोहितं यज्ञस्य देवमृत्विजम्
होतारं रत्नधातमम्।।

ऋगवेदः दशतयी इति नाम्ना अभिधीयते। ऋगवेदे दशमण्डलानि सन्ति। ऋगवेदस्य प्रथमं तथा दशममण्डलमर्वाचीनमिति कथ्यते। द्वितीयमण्डलादारभ्य सप्तमण्डलपर्यन्तम् एतानि षट्संख्यकानि मण्डलानि ऋगवेदस्य केन्द्रीयभागाः कथ्यन्ते। ऋगवेदस्य ऋत्विजो नाम होता तथा मुख्याचार्यो स्ति पैलः। ऋगवेदे ८५ संख्यकाः अनुवाकाः सन्ति। २०५८० संख्यकाः मन्त्राः सन्ति। ४३२००० संख्यकानि अक्षराणि सन्ति। ऋगवेदस्य ब्राह्मणारण्यकोपनिषद ग्रन्थाः यथा-

ब्रह्मणग्रन्थः ऐतरेयब्राह्मणम्, शांख्यायनब्राह्मणम्
आख्यकग्रन्थः ऐतरेयारण्यकम्, शांख्यायनारण्यकम्
उपनिषदग्रन्थः ऐतरेयोपनिषद, कौषितकि उपनिषद

ऋगवेदस्य पञ्चशाखाः प्राप्यन्ते। ताः यथा-

क) शाकलशाखा ख) वाष्कलशाखा
ग) आश्वलायन शाखा घ) शांखायन शाखा
ङ) माण्डकायन शाखा

तत्र शाकल शाखामते ऋगवेदस्य दिविधं विभाजनम् परिदृश्यते। तत् यथा- मण्डलविभाजनम्, अष्टक विभाजनम् च। मण्डल विभाजनं तु क्रमशः मण्डलम्, अनुवाकः, सूक्तम् ऋक् च इति एवं विभक्तम्। पुनः च अष्टक विभाजनं तु क्रमशः अष्टकः, अध्यायः, वर्गः मन्त्रः च इति एवं विभक्तम्। समग्र ऋगवेदे

दशसंख्याकानिमण्डलानि, ८५ संख्यकाः प्रपाथकाः, २०२७ संख्यकानि मुक्तानि, २०६०० संख्यकाः ऋचः सन्ति। तदविपरीते अष्टकविभाजनमते समग्र ऋगवेदे अष्टसंख्यकाः अष्टकाः, ६४ अध्यायाः, २००६ संख्यकाः वर्गाः च सन्ति। ऋगवेदे अनेकानां वैदिक देवानां स्तुति प्रार्थनादिकं प्रधानत एव परिदृश्यते तेषु वैदिक देवेषु मध्ये अग्निः, इन्द्रः, वायुः, सोमः, उषाः, सविता, वरुणः, प्रजापतिः इत्यादयः एव समुल्लेखनीयाः।

**ऋगवेद नीतिशिक्षा** :प्राचीनकालात् एव पवित्रभूमि भारतवर्षे नितिशिक्षादानीपरि ऋषिः वेदज्ञपण्डितादयः गुरुतम् आरोपयन्ति। वैदिक साहित्ये विशेषतः चतुर्षुर्वेदेषु, वेदाङ्गेषु, उपनिषद ग्रन्थेषु, नीतिशिक्षणस्य प्राचुर्यम् परिदृश्यते। ऋगवेदः तु भारतीय साहित्यस्य प्राचीनतम ग्रन्थोऽस्ति। वेदेऽस्मिन् अनेकं नीतिमूलकं सुक्तं सन्निविष्टम्। ऋगवेदे वैदिक देवाः तु प्रायशः प्राकृतिक पदार्थानां प्राकृतिक दृश्यानां वा मानव विकृतस्वरुपाः भवन्ति। नैतिक मुल्यबोधः नैतिक शिक्षणं च अनेकेषु सुक्तेषु देवानां स्तुतिविषये परिदृश्यते। तथाहि ऋगवेदे पञ्चम मण्डले मित्रावरुणो तु 'सत्यधमा' रुपेन पार्थितो। सत्यकथन विषये ऋगवेदे समूद्रघोषितं यत् सत्यस्य एव विजयलाभ सम्भवति, असत्यस्य च पराजयः निच्छितः। एवं ऋगवेदे लोक समाजे सत्यं तु नैतिक मूल रुपेन स्थापितम् आसीत्। ऋगवेदे नैतिक शिक्षणस्य अहिंसाभावस्य उदात्वभावना सुस्पष्टा भवति। नैतिक शिक्षणस्य अन्तर्गतः अन्यतम विषयः अस्ति मैत्रिभावस्य उदात्वभावना।

ऋगवेदे विशेषतः भिक्षु सुक्ते, अक्षसुक्ते, ज्ञानसुक्ते, संज्ञान सुक्ते च बहुलरुपेण देवान प्रति मन्त्र माध्यमेन नीतिशिक्षनं लभ्यते। अधूना तेषु सुक्तेषु प्रतिफलनम् नीति शिक्षणम् अस्माभि अत्र संक्षेपेतम् उपस्थाप्यते।

**भिक्षुसुक्तम्** : ऋगवेदे दशम मण्डलस्य अन्तर्गते २२७ संख्यकम् सुक्तम् अस्ति भिक्षुसुक्तम्। अत्र नवसंख्यकाः मन्त्राः सन्ति, येषु नैतिकविषयं संसारिनं प्रति उपदिशति। अत्र दानमहिमा वर्णनेन दानकार्याय नैतिकशिक्षणं सर्वसाधारणलोकसमीपे प्रदीयते। अत्र क्षुधातुरजनं प्रति अन्नप्रदानरुपं धन प्रदान रुपं च कार्यस्य प्रशंसति। अन्नलाभाय भिक्षाव्रतचारिणी कृशपुरुषाय अन्नदानादिकं कर्तव्याम्। अतः पुरुषः तु यथासाध्यं भिक्षुकं धनहीनं प्रति दानादिकं कार्य साधयेत् इति।

**अक्षसुक्तम्** : ऋक् संहितायाः १०/३४ संख्यकं सुक्तं तु 'अक्ष सुक्तम्' इति नाम्ना प्रसिद्धम्। सुक्तेऽस्मिन् चतुर्दशसंख्यकेषु ऋक्षु दयुतकारस्य मानसिक दैर्वल्यं, अन्तद्रवन्दं, अक्षक्रीडाया जीवने विपर्यमादिकं प्रकाशितमस्ति। विशेषतः प्रथम मन्त्रात् आरभ्य एकादशमन्त्र पर्यन्तम् एषु ऋक्मन्त्रेषु अक्षक्रीयाया मनुष्यजीवने यत् विचित्र विपर्ययं दुर्दशा वा जायते तस्य वर्णनेन लोक समाजं प्रति नीति शिक्षणं प्रदीयते ऋषिणा। अस्मिन सुकते द्वादश, त्रयोदश, चतुर्दश च मन्त्रे तु अक्षक्रोडापरिहारः कृषिकार्य साधनं, बन्धुभिः सह च सौहार्दरूपं आचरणाय नीति शिक्षणं परिदृश्यते।

**ज्ञान सुक्तम्**: ऋगवेदस्य धर्मनिरपेक्ष सुक्तेषु १०/७२ संख्याकं सूक्तमपि सर्वथा सु प्रसिद्धमोऽस्ति। सुक्तमिदं 'ज्ञानसूक्तम्' इति नाम्ना सुविदितम्। बुद्धिमान पुरुषस्य विद्यबान जनस्य च संगलाभः, इहकाल परकालयोः चिन्तनं इत्यादिकं नीतिज्ञानं तु एषु मन्त्रेषु प्रतिफलितम्। तथैव विद्यवान मित्रं तु न हि कदापि कथमपि परित्यजेत्, अन्यथा तस्य जनस्य वचनमपि निष्फलं जातम्। तादृशः संसारी पुरुषः स्तुति पाठादिकं सोमयागादिकं च अनुष्ठानं कुर्यात्।

**संज्ञान सूक्तम्** : ऋक् संहितायाः दशम मण्डलान्तर्गतं २९२ संख्यकं मुक्तं तु संज्ञान सुक्तम् इति नाम्ना प्रसिद्धम्यस्ति। अनेनैव प्रकरन्तरेन च सर्वेषु मानवेषु एकत्वस्थापनाय नीति शिक्षणं प्रदर्शयति ऋषिः। अस्माकम् मध्ये गमनं, वाक्यवचनं, भाव चिन्तनं, प्राप्तिः च इत्यादिषु वैविध्यं वैपरीत्यं वा परिदृश्यते। सर्वेषां संकल्पः हृदयः अन्तकरणं चेति एतेषु सर्वेषु निषयेषु सहमतनं स्थापनाय ऋषिः संज्ञानदेवः प्रार्थयति एवम् अस्माकं संकल्प अर्थात् अध्यावसायः अन्तकरणं च सुशोभनम् एकविधं च अस्तु इति एसा कामना अत्र परिदृश्यते। तदुक्तं ऋषिणा-

'समानी व आकुतिः समाना हृदयानि वः।
समानमस्तु वो मनो यथा वः सुसहासति।।'

एवं ऋगवेदीय संज्ञान सुक्ते अपि इह संसारे मनुष्यानां मध्ये पदविरोधं वैमत्वं वा अस्ति तत् परित्यज्य सर्वेषा मध्ये सर्वत्र सदभावस्थापनाय, विरुद्रधभावं परित्यज्य एकत्वं पोषणाय नीतिमूलकम् उपदेश वचनम् उपलभ्यते।

**उपसंहारम्** : संज्ञानसुक्तमिदं मानव समाजाय श्लाधनीयमादर्श च अस्ति। अस्य भावस्यावबोधनं तदनुकूलाचरणम् च संसारिकेभ्यो हितकराय कल्याण साधनाय च भवति। वेदे मानवमात्रेभ्यः कल्याणकरों भावनां अग्रेसारयति। वेदः अपौरुषेयोऽस्ति। वेदो नित्योऽस्ति। वेदो रहस्यमयोऽस्ति। वेदस्य ज्ञानं गम्भीरमस्ति। स न केवलं एकस्य कस्यापि समाजस्य सम्प्रदायस्य च ग्रन्थोऽस्ति। ■

# ভিন্ন তথ্য

**কুলদ্বীপ কলিতা**
প্ৰাণী বিজ্ঞান বিভাগ, ষষ্ঠ ষাণ্মাসিক

১। এবাৰ লাল বাহাদুৰ শাস্ত্ৰীয়ে মনোজ কুমাৰৰ 'শ্বহীদ' (১৯৫৫) চিনেমাখন চাই খুব আপ্লুত হ'ল আৰু মনোজ কুমাৰক জনালে যে 'জয় জৱান জয় কিষাণ' শ্ল'গানক প্ৰতিফলিত কৰাকৈ এখন চিনেমা নিৰ্মাণ কৰিব লাগে। সেই মৰ্মে মনোজ কুমাৰে নিৰ্মাণ কৰিলে 'উপকাৰ' (১৯৬৭) আৰু এই চিনেমাখনতে আছিল বিখ্যাত 'মেৰে দেশ কী ধৰতী সোনা উগ্লে' শীৰ্ষক গীতটি।

২। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ দ্বাৰা ৰচিত উপন্যাস 'মৃত্যুঞ্জয়'ৰ আধাৰত একে নামেৰে চাৰুকমল হাজৰিকাই দূৰদৰ্শনত এখনি ধাৰাবাহিক নিৰ্মাণ কৰিছিল। এই ধাৰাবাহিক খনতেই বিখ্যাত অভিনেতা ইৰফান খানে 'ধনপুৰ' নামৰ মূল চৰিত্ৰত আৰু ৰামায়ণৰ ৰামখ্যাত অৰুণ গোভিলে মহদা গোঁসাইৰ চৰিত্ৰত অভিনয় কৰিছিল।

৩। আমি জানো যে ২০০১ চনৰ পৰা ভাৰতত 'সৰ্বশিক্ষা অভিযান' আৰম্ভ হৈছে কিন্তু আপুনি জানেনে যে ১৯০১ চনতে বৰোদা ৰাজ্যত বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে, ছায়াজীৰাও গাইকোৱাড তৃতীয়ই ভ্ৰাম্যমাণ পুথিভঁৰালৰ ব্যৱস্থা কৰিছিল আৰু প্ৰায় ৫০০ খন মান গাড়ীৰে ৰাইজৰ মাজলৈ এই পুথিভঁৰাল সমূহ লৈ গৈছিল।

৪। ক্ৰিকেট আমাৰ সকলোৰে প্ৰিয় আৰু ক্ৰিকেটৰ লগত জড়িত বিভিন্ন তথ্যৰ প্ৰতি আমি জিজ্ঞাসু হৈ থাকো। আৰু তেনে এক আমোদৰ তথ্য হৈছে সময়ৰ বিখ্যাত বেটচ্‌মেন সনথ জয়সুৰীয়া, যাৰ নামত আছে ১৩ হাজাৰতকৈও অধিক এদিনীয়া ৰাণ আৰু ২৮ টাকৈ এদিনীয়া শতৰাণ সেই বেটচ্‌মেনজনৰ নামতে আছে আকৌ আটাইতকৈ বেছিকৈ এদিনীয়াত শূন্যত আউট হোৱা ৰেকৰ্ড।

৫। মুম্বাইৰ কালা মোৰা স্থানত অনুমানিক ১৯৩০ চন মানত এজন পাৰ্চী শক্তিয়ে এখন ৰেষ্টুৰেণ্ট আৰম্ভ কৰিছিল। আছিল 'দি ওৱেছাইড ইন' (The wayside inn)। আৰু এই ৰেষ্টুৰেণ্টখনতে প্ৰায়ে আহি, টেবুল নম্বৰ চাৰিত বহি ভীমৰাও আমেদকাৰে আমাৰ দেশৰ সংবিধানৰ কিছু অংগ লিখিছিল।

৬। ৰৰচাইৰ চুক্তিৰ (Treaty of versailles) বিষয়ে আমি সকলোৰে জানো। যি চুক্তিৰ ফলত আনুষ্ঠানিকভাৱে প্ৰথম বিশ্বযুদ্ধৰ সমাপ্ত হৈছিল। কিন্তু আপুনি জানে নে এই চুক্তিখনত এজন ভাৰতীয়ও চহী কৰিছিল। প্ৰিন্সনি ষ্টেট অৱ বিকানেৰৰ মহাৰাজা গংগা সিঙে, ব্ৰিটিছ ইণ্ডিয়াৰ হৈ এই চুক্তিত চহী কৰিছিল। ব্ৰিটিছ ইণ্ডিয়াৰ হৈ দুজন ব্যক্তিয়ে এই চুক্তিত চহী কৰিছিল।

৭। বৰ্তমান গুগ'ল ইমেজ চাৰ্চ আমাৰ সকলোৰে চিনাকি কিন্তু এই ইমেজ চাৰ্চৰ উৎপত্তিৰ আৰতো আছে এক আমোদজনক ঘটনা। ২০০০ বৰ্ষৰ গ্ৰেমী বঁটা বিতৰণী সভালৈ জেনিফাৰ ল'পেজে এযোৰ ভৰচাজেৰ (Versace) জংগল প্ৰিণ্টেত কাপোৰ পিন্ধি গৈছিল, কাপোৰযোৰ ইমান ধুনীয়া আছিল যে সেই সময়ৰ গুগ'লৰ আটাইতকৈ বেছি চাৰ্চ কৰা বস্তু আছিল এই কাপোৰযোৰ আৰু তেতিয়া যিহেতু অকল টেক্স চাৰ্চৰ পদ্ধতি আছিল আৰু মানুহে কাপোৰযোৰৰ তথ্য বিছাৰি পোৱাত অলপ অসুবিধাৰ সন্মুখীন হৈছিল। গুগ'লৰ প্ৰাক্তন CEO এৰিক স্মিথৰ মতে এই অসুবিধাৰ সমাধান হিচাপেই গুগ'লৰ সদস্যসকলৰ মনত ইমেজ চাৰ্চ পদ্ধতিৰ বাবে ভাব উদয় হয়।■

# ২০২১-২২ বৰ্ষৰ 'শ্ৰেষ্ঠ নৃত্য শিল্পী' বঁটা পোৱাৰ কিছু অনুভৱ

**কাকলি দাস**

জীৱনৰ মানচিত্ৰখন মেলি চালেই অনুভৱ কৰিব পাৰি যে জীৱনটো এখন তুলুঙা নাওঁৰ দৰে। কেতিয়াবা যদি পানীত কেতিয়াবা পাৰত, কেতিয়াবা যদি প্ৰচণ্ড আকৌ কেতিয়াবা নিস্তব্ধ ৰূপত। কেতিয়াবা যদি আশা কেতিয়াবা নিৰাশা, কেতিয়াবা যদি প্ৰাপ্তি কেতিয়াবা অপ্ৰাপ্তি। জীৱনত এই প্ৰাপ্তি-অপ্ৰাপ্তি শব্দৰ গুৰিতেই হৈছে চেষ্টা।

নৃত্যৰ জগতখনত খোজ দিয়াৰ দিনৰে পৰাই নৃত্যক সংগী কৰি মই মোৰ সাধনা অব্যাহত ৰাখিছো। বছৰধৰি কৰা সাধনাৰ ভিতৰত মোৰ জীৱনৰ এটি স্মৰণীয় বৰ্ষ ২০২২। এই বৰ্ষৰ মে মাহত অনুষ্ঠিত ২০২১-২২ বৰ্ষৰ নলবাৰী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহত মই একক শাস্ত্ৰীয় নৃত্য আৰু একক আধুনিক নৃত্য দুয়োটা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি উভয় প্ৰতিযোগিতাতেই প্ৰথম স্থান পাবলৈ সক্ষম হওঁ আৰু শ্ৰেষ্ঠ নৃত্যশিল্পী' বঁটা লাভৰ দ্বাৰা সোভাগ্যশালী হওঁ। এই প্ৰাপ্তি মোৰ বাবে চিৰস্মৰণীয়। প্ৰাপ্তি শব্দটো বৰ মধুৰ কিন্তু ই সুমধুৰ হৈ পৰে যেতিয়া অনিশ্চিতভাৱে ইয়াক লাভ কৰা যায়। প্ৰাপ্তিয়ে আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে ইয়াৰ সামাজিক স্বীকৃতিয়ে সমাজৰ প্ৰতি অধিক দায়বদ্ধ কৰি তোলে। আন প্ৰতিযোগীৰ দৰে মোৰো মাথো এটাই আশা আছিল যে মই যাতে মোৰ পৰিবেশন শৈলী সুন্দৰ কৰিব পাৰো। ইমান কেইগৰাকী প্ৰতিযোগীৰ মাজত শ্ৰেষ্ঠ হিচাপে মোক বাচনি কৰাতো মোৰ বাবে সঁচাই অনাকাংক্ষিত। এয়া মোৰ জীৱনৰ আটাইতকৈ সুন্দৰ অনুভৱ। যেতিয়া 'শ্ৰেষ্ঠ নৃত্য শিল্পী' হিচাপে মোৰ নামটো ঘোষণা কৰা শুনিছিলো, এক বুজাব নোৱাৰা আবেগে মোক হেঁচা মাৰি ধৰিছিল। বন্ধু-বান্ধৱীৰ কিৰিলি আৰু হাত-চাপৰিৰে মুখৰিত সেই পৰিবেশটো মোৰ মন দেৱালত সদায় অংকিত হৈ ৰব। এই চেগতে প্ৰতিযোগিতাৰ আৰম্ভণিৰে পৰা মোক উৎসাহ যোগাই প্ৰতিটো মুহূৰ্ততে মোক সহায় কৰা বন্ধু-বান্ধৱী, মোৰ অগ্ৰজ আৰু অনুজ সকলোলৈ মই মোৰ অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো। আজি এই প্ৰাপ্তিত মোৰ কিছু কষ্ট আৰু বহু পৰিমাণে তেওঁলোকৰ উৎসাহ, সহায় জড়িত হৈ আছে। তেওঁলোকৰ সহায় আৰু উৎসাহ অবিহনে আজি এই প্ৰাপ্তি মোৰ বাবে অসম্ভৱ। এয়া মোৰ যাত্ৰাৰ আৰম্ভণিহে মাথোন। লগুলৈ আৰু বহু দূৰ বাট। শিল্পী নামৰ মহান সত্বাৰ অধিকাৰী হ'বৰ বাবে মই আজি পৰ্যন্ত যোগ্য নহয়। এইয়া মোৰ চেষ্টাৰ সফল ৰূপহে মাথো। এনেদৰে এই নৃত্যৰ যাত্ৰাত সাধনাৰ মাজেৰে যাতে সদায় শুদ্ধ ৰূপে পৰিবেশন কৰি যাব পাৰো, তাৰ বাবে আপোনালোকে মোক আশীৰ্বাদ জনাব, এইয়াই মোৰ কাম্য।

নৃত্য প্ৰেমী হিচাপে শেষত মই এইয়াই ক'ব বিচাৰো যে শ্ৰদ্ধা, আগ্ৰহ, সাধনা আৰু চেষ্টা এই চাৰিটাই হ'ল মানুহৰ লক্ষ্যৰ চাবিকাঠী। সংস্কৃতত এশাৰি বাক্য আছে- "শ্ৰদ্ধাবান লভতে জ্ঞানম্"। সেয়ে সদায় শ্ৰদ্ধাৱান হৈ লক্ষ্যৰ প্ৰতি আগ্ৰহেৰে, শুদ্ধ সাধনাৰ মাজেৰে চেষ্টা কৰি যাব লাগে তেতিয়াহে সফলতা উজলিব। লক্ষ্যৰ বাটত চেষ্টাই হৈছে অভ্ৰভেদী বান। শেষত এযাৰি ক'ব বিচাৰো- "নৃত্য নহয় মনোৰঞ্জন ই জীৱন অন্বেষণ"। ■

# ২০২১-২২ বৰ্ষ শ্ৰেষ্ঠ গায়িকা হোৱাৰ অনুভৱ

**কুঁৱলী শাণ্ডিল্য**, *তৃতীয় যাণ্মাসিক, অৰ্থনীতি বিভাগ*

পোন প্ৰথমতে সেই মহান ব্যক্তিসকললৈ শ্ৰদ্ধা নিবেদিছোঁ যাৰ অহৰহ চেষ্টাৰ ফলত আমাৰ আপোন নলবাৰী মহাবিদ্যালয় প্ৰাণ পাই উঠিছে। ২০২১-২২ বৰ্ষৰ নলবাৰী মহাবিদ্যালয়ে আয়োজন কৰা মহাবিদ্যালয় সপ্তাহত এই বছৰ শ্ৰেষ্ঠ গায়িকাৰ পুৰস্কাৰ পাবলৈ সক্ষম হ'লো। নিজৰ প্ৰতিভাখিনি দেখুওৱা আৰু নিজকে জুখি চোৱাৰ বাবে এক সুবিধা পালো। প্ৰতিযোগিতাৰ আৰম্ভণিতে খুব ভয় খাইছিলো কাৰণ নলবাৰী মহাবিদ্যালয়ত মই প্ৰথমবাৰৰ বাবে সংগীত বিভাগৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলো কিন্তু অগ্ৰজ সকলৰ উৎসাহ আৰু শিক্ষাগুৰুৰ আশীৰ্বাদত মই আশা কৰাতকৈ বেছি ভাল ফল পাবলৈ সক্ষম হলো।

লঘু শাস্ত্ৰীয় সংগীত, ভূপেন্দ্ৰ সংগীত, জয়ন্ত হাজৰিকাৰ গীত, বিষ্ণুৰাভা সংগীত আৰু আধুনিক গীতত প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হ'লো লগতে বৰগীত, পাশ্চাত্য সংগীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, শাস্ত্ৰীয় সংগীতত দ্বিতীয় আৰু লোকগীত, ৰবীন্দ্ৰ সংগীতত তৃতীয় পুৰস্কাৰ পালো। ভগৱানৰ কৃপা আৰু গুৰুজনৰ আশীৰ্বাদ শিৰত লৈ ভৱিষ্যতেও ভাল ফলাফল কৰিবলৈ যথেষ্ট চেষ্টা কৰি যাম।

শেষত নলবাৰী মহাবিদ্যালয়ত কৰ্মৰত শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ সমন্বিতে সমূহ কৰ্মকৰ্তা, ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দৰ লগতে অনুজ-অগ্ৰজ সকললৈ মোৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু নলবাৰী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ। জয়তু নলবাৰী মহাবিদ্যালয়।। ■

# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

## নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০২১-২২ বৰ্ষ



### সভাপতি

পাতনিৰ প্ৰাক মুহূৰ্তত অসমী আইৰ সেইসকল মহান সন্তানক শ্ৰদ্ধাৰে সুঁৱৰিছো যিসকলে অসমীয়া জাতীয় সত্বা, ভাষা, সংস্কৃতি ৰক্ষা কৰাৰ যুঁজত শৰীৰৰ ৰক্তৰে লিখি থৈ গ'ল ইতিহাস আৰু এই যুঁজতে ঘুণীয়া হৈ চিৰজীৱন পংগুত্বক আকোঁৱালি লোৱা সকলৰ আশু আৰোগ্যৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

সেৱা লৈছোঁ সেই মহান মণিষীসকলৰ যাৰ হাতৰ পৰশত পাগলাৰ পাৰত তাহানিতে প্ৰাণ পাই উঠিছিল শিক্ষাৰ নৱদ্বীপ, নলবাৰীৰ সৌষ্ঠৱ নলবাৰী কলেজ, যাৰ জ্ঞানৰ জ্যোতিৰে মুখৰিত শিক্ষাৰ নৱদ্বীপৰ চৌপাশ। নলবাৰী কলেজ, স্বাধীনোত্তৰ কালতে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত ১৯৪৫ চনৰ ৪ জুলাই তাৰিখে প্ৰতিষ্ঠা হোৱা অসমৰ গ্ৰামাঞ্চলৰ প্ৰথমখন মহাবিদ্যালয়।প্ৰাণৰ মহাবিদ্যালয়খনত অধ্যয়ন কৰি এই মহাবিদ্যালয়খনৰ বাবে কাম কৰাৰ হেঁপাহ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ সপোন। এই সপোন বুকুত বান্ধিয়েই কলেজখনৰ বাবে নিঃস্বাৰ্থভাৱে কৰি গৈছিলো ইটো-সিটো।এই সুযোগতে মই নলবাৰী মহাবিদ্যালয় ছাত্ৰ সমাজক মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জনাইছোঁ তেওঁলোকৰ আস্থা আৰু অপৰিসীম বিশ্বাসৰ বাবে যাৰ পৰিপ্ৰেক্ষিতত মই নলবাৰী কলেজ ছাত্ৰ একতা সভাৰ সভাপতিৰ দৰে এটা গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ সুবিধা লাভ কৰিছোঁ।

ক'ভিডে কোঙা কৰি যোৱা বিশ্বত আকৌ স্বাভাৱিক অৱস্থা ঘূৰাই পোৱাৰ বাবে কৰা এই অক্লান্ত যুঁজৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ লগতে বৌদ্ধিক দিশটোৰ উত্তৰণৰ বাবে কাম কৰাৰ উদ্যমেৰে আগবাঢ়ি আহিছিলোঁ। বহু অনাকাংক্ষিত বাধা বিঘিনিৰ পিছত অলপ পলমকৈ আমাৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাক এখন মঞ্চ দি বৌদ্ধিক দিশৰপৰা মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে অনুস্থিত কৰা এই মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনৰ দ্বিতীয় কাৰ্যসূচী হিচাপে ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰো।এই মহাবিদ্যালয় সপ্তাহত সাধাৰণতে মোৰ ভাগত পৰে সাংস্কৃতিক শোভাযাত্ৰাটো। কিন্তু দুৰ্ভাগ্যবশতঃ বিভিন্ন অনিয়ন্ত্ৰিত কাৰণত তথা নলবাৰী চহৰত উদ্ভৱ হোৱা কৃত্ৰিম বানপানীৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই এই সাংস্কৃতিক শোভাযাত্ৰাটো বাতিল কৰে। গতিকে তাৰ পৰিৱৰ্তে নলবাৰী মহাবিদ্যালয়ৰ স্বৰ্ণিলি ইতিহাসত পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা হয় "শব্দ-ছন্দ-সংগীতৰ জিঞ্জিৰি" শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ। এই অনুষ্ঠানত উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে গীতৰ শৰাই আগবঢ়াই অসমৰ আগশাৰীৰ কণ্ঠশিল্পী গীতালী দেৱী বাইদেৱে। এই অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে আমাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা নলবাৰী কলেজ শিক্ষক গোটৰ সভাপতি ড° গৌতম কুমাৰ সন্দিকৈদেৱে।

মোৰ এই কাৰ্যকালৰ বিভিন্ন ক্ষেত্ৰত মোৰ পথ প্ৰদৰ্শক হিচাবে থাকি দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰী ছাৰ, বৰ্তমানৰ উপাধ্যক্ষ ড° দীপক কলিতা ছাৰ, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° বিষ্ণু ভট্টাচাৰ্য্য ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰীলৈ থাকিল অশেষ শ্ৰদ্ধা।

মোৰ কাৰ্যকালত প্ৰতিটো মুহূৰ্ততে মোৰ লগত ছাঁৰ দৰে থাকি মোক শাৰীৰিক আৰু মানসিক সহায় আগবঢ়োৱা নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিভাগীয় বিষয়ববীয়াল, মোৰ মৰমৰ সতীৰ্থবৃন্দ তথা ভাইটি ভন্টিসকল,মহাবিদ্যালয় এন.চি.চি. গোট আৰু এন এচ এচ. গোট, মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ পুনৰ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জনাইছোঁ।

অৱশেষত, অজানিতে মোৰ হৈ যোৱা অনিচ্ছাকৃত ভুল- ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছো। নলবাৰী মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি, আমাৰ এই প্ৰাণৰ মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যাবলৈ সকলোকে অনুৰোধ জনাই মোৰ প্ৰতিবেদনৰ ইমানতেই সামৰণি মাৰিছোঁ।

**— বিজুমনি শৰ্মা**



# উপ-সভাপতি

গণতান্ত্রিক মাধ্যমত বিশ্বাস ৰাখি ২০২১-২২ বৰ্ষৰ নলবাৰী মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ভোটাদান কৰি জয়যুক্ত কৰোৱা প্ৰতিজন এনচিয়ানক পোনপ্ৰথমে মই ধন্যবাদ জ্ঞাপন কৰিছো। নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২১-২২ বৰ্ষৰ উপ সভাপতি হিচাপে মই দায়িত্বভাৰ গ্ৰহণ কৰিছিলো । মোৰ দৰে এজন তেনেই সাধাৰণ জ্ঞানৰ ছাত্ৰৰ বাবে এই গধুৰ দায়িত্ব আছিল এক সন্মান।

আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰে পৰা নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ মাজৰে একোজন হৈ তেওঁলোকে সন্মুখীন হৈ থকা সমস্যাসমূহৰ পৰা মোকলাবলৈ প্ৰয়াস কৰিছিলো আৰু প্ৰায় সকলো ক্ষেত্ৰত আমি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিলোঁ। আমাৰ কাৰ্যসূচীসমূহ মহাবিদ্যালয় সপ্তাহকে ধৰি কাব্য সন্ধিয়া , শিক্ষা গুৰুৰ বিদায় অনুষ্ঠান, NSS গোটৰ দ্বাৰা অনুষ্ঠিত অনুষ্ঠান, NCC অনুষ্ঠান কুজ কাৱাজ প্ৰতিযোগিতা আদি অনুষ্ঠান সমূহে সফলতা লাভ কৰিছিল। নলবাৰী মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহত ন ন প্ৰতিযোগিতা সংযোজন কৰা হৈছিল। নলবাৰী মহাবিদ্যায়ত অনুষ্ঠিত অনুষ্ঠান বিলাকৰ অন্যতম আকৰ্ষণীয় আৰু উপ সভাপতিৰ একমাত্ৰ অনুষ্ঠানটোৱেই হৈছে উপ সভাপতিৰ বিশেষ অনুষ্ঠান। কিন্তু কিছু বিশেষ কাৰণত এই অনুষ্ঠানটো অনুষ্ঠিত নহ'ল। আকৌ সেইবেলি নলবাৰী মহবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহত উপ সভাপতিৰ দ্বাৰা দুটি নতুন অনুষ্ঠান ' বক্তৃতা অনুষ্ঠান ' আৰু ' স্বৰ তাল বাদ্য ' প্ৰতিযোগিতা সংযোজন কৰা হৈছিল লগতে অনুষ্ঠানটোৱে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। নলবাৰী মহবিদ্যালয়ৰ PGA প্ৰভাত গোস্বামী প্ৰেক্ষাগৃহৰ সন্মুখত ছাত্ৰ একতা সভাৰ তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত প্ৰাণ পাই উঠিছিল এখনি ফুলৰ বাগিচা , যিয়ে মহাবিদ্যালয়ৰ চৌহদৰ সৌন্দৰ্য্যত তথা শিক্ষা আহৰণৰ পৰিবেশৰ মানদণ্ড বঢ়াই তুলিছিল।

মোৰ এই কাৰ্যকালত মোক সফলতাৰ বাট দেখুওৱা নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰী ছাৰ, অৱসৰি উপাধ্যক্ষা ধনদা ডেকা বাইদেউ, অৱসৰি উপাধ্যক্ষা গীতিমা বুজৰ বৰুৱা বাইদেউ লগতে বৰ্তমান ৰ উপাধ্যক্ষ ড° দীপক কলিতা ছাৰ, ছাত্ৰ একতা সভাৰ তত্বাবধায়ক বিষ্ণু ভট্টাচাৰ্য্য ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী লৈ থাকিল অশেষ শ্ৰদ্ধা।

শেষত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ দৰে এটা ৰাষ্ট্ৰীয় সংগঠনৰ মনোনীত প্ৰাৰ্থী হিচাপে নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ সভাপতি পদত নিৰ্বাচিত হোৱাৰ সুযোগ দিয়াৰ বাবে এই সংগঠনৰ সমূহ সদস্যৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

**— বিবেক তালুকদাৰ**



# সাধাৰণ সম্পাদক

নলনিৰ মাজেৰে গজালি মেলি "বিদ্যয়া বিন্দতে অমৃতম" মূলমন্ত্ৰ সাৰোগত কৰি সাতটা দশক জুৰি মহীৰূহৰ দৰে সহস্ৰজনক জ্ঞানৰ শীতল ছায়াৰে সামৰি কালৰ বুকুত খ্যাতিৰ স্বৰ্ণিল গাঁঠা লিপিবদ্ধ কৰিবলৈ সক্ষম হোৱা নামনি অসমৰ গ্ৰামাঞ্চলৰ প্ৰথমখন উচ্চশিক্ষাৰ অনুষ্ঠানেই হ'ল 'নলবাৰী মহাবিদ্যালয়'। আমাৰ প্ৰাণ, স্বপ্ন, আৱেগ, জীৱনৰ দাপোণ এই নলবাৰী মহাবিদ্যালয়। প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেইসকল সমাজ সচেতন, পোহৰানুৰাগী, জ্ঞানান্বেষী মহান মণিষীক যিসকলৰ ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ বলত আমাৰ প্ৰাণৰ মহাবিদ্যালয়খনি আই অসমীৰ শিৰত জোন হৈ

জিলিকিবলৈ সক্ষম হৈছে। আন্তৰিক প্ৰণিপাত জনাইছোঁ সেই সকল মহান সত্বাৰ শ্ৰীচৰণত, যাৰ শৌৰ্য্য, বীৰ্য্য, আত্মাহুতিৰ মহিমাই জাতি, মাটি আৰু মানুহৰ স্বাভিমান জীয়াই ৰাখিছে।

মই অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ আদৰ্শ বুকুত বান্ধি, কলেজখনৰ উত্তৰোত্তৰ উন্নতি চিন্তা সাৰোগত কৰি, ইয়াৰ শিক্ষাৰ্থী সমাজৰ হকে নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াই ১২ জানুৱাৰী, ২০২২ ইং তাৰিখে নলবাৰী কলেজৰ ২০২১-২২বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক পদত আপোনালোকৰ আশীৰ্বাদত বিজয়ী হ'বলৈ সক্ষম হওঁ । সেই মৰ্মে ৩ ফেব্ৰুৱাৰী, ২০২২ ইং তাৰিখে আমি ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ আনুষ্ঠানিক ভাৱে গ্ৰহণ কৰোঁ।

সমগ্ৰ পৃথিৱীৰ জনসাধাৰণ সেই সময়ত এক জটিল সন্ধিক্ষণত আছিল। কোভিদসৃষ্ট প্ৰতিকূল পৰিৱেশত কাম- কাজ সমূহ আৰম্ভ কৰোতে আমি যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো। ছাত্ৰ একতা সভাৰ প্ৰথম কাৰ্যক্ৰম হিচাপে বিশ্বত আতংকৰ সৃষ্টি কৰা ক'ৰনা মহামাৰীৰ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ নলবাৰী কলেজৰ চৌহদটো চেনিতাইজ কৰাৰ লগতে শিক্ষাৰ্থী সকলৰ বাবে এটা বিনামূলীয়া কোভিড-১৯ টিকাকৰণ শিবিৰ অনুষ্ঠিত কৰো।

বসন্তৰ কুঁহিপাত ঃ বিভিন্ন জাতি,জনগোষ্ঠীৰে পৰিপূৰ্ণ এই অসমভূমিত বাৰে ৰহণীয়া ভাষা-সংস্কৃতিৰে ৰঙৰ উৎসৱ ৰঙালী বিহুটি আদৰাৰ উদ্দেশ্যে এক বিশেষ পৰম্পৰাৰে ১৩ এপ্ৰিল ২০২২ ইং তাৰিখ বুধবাৰে দিনৰ ১২.৩০ বজাৰ পৰা নলবাৰী কলেজৰ বাকৰিত "বসন্তৰ কুঁহিপাত" শীৰ্ষক ব'হাগক আদৰা এক বৰ্ণাঢ্য অনুষ্ঠান নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজন কৰা হৈছিল ।

মহাবিদ্যালয় সপ্তাহ ২৩-২৮ মে, ২০২২ ঃ ক'ভিডসৃষ্ট প্ৰতিকুল পৰিস্থিতিৰ বাবে সুদীৰ্ঘ দুবছৰৰ মূৰত এইবাৰ, ২০২২ চনত নলবাৰী কলেজত "মহাবিদ্যালয় সপ্তাহ" আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয় । ২৩ মে' ২০২২ তাৰিখৰ পৰা ২৮ মে' ২০২২ তাৰিখলৈ " মহাবিদ্যালয় সপ্তাহ"ৰ প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰা প্ৰতিগৰাকী ব্যক্তিক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ । ২৩ মে' তাৰিখে ৰাতিপুৱা ৮ বজাত কলেজৰ পতাকা উত্তোলন কৰি অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰীদেৱে এই অনুষ্ঠানৰ শুভাৰম্ভণি কৰে । ইয়াৰ পিছতেই মহাবিদ্যালয় সপ্তাহৰ কাৰ্যক্ৰমণিকা আৰু প্ৰতিযোগিতাসমূহ পৰ্যায়ক্ৰমে আৰম্ভ কৰা হয়। ক্ৰীড়া, সংগীত, সাহিত্য, তৰ্ক, কুইজ, নাটক, বক্তৃতা, নৃত্য, সুকুমাৰ কলা শিতানৰ বিভিন্ন প্ৰতিযোগিতা সুচাৰুৰূপে সম্পন্ন হৈ যায় । এইবাৰ মহাবিদ্যালয় সপ্তাহত পোন প্ৰথমবাৰৰ বাবে মুকাভিনয় প্ৰতিযোগিতা আৰু দিহা নাম প্ৰতিযোগিতা আয়োজন কৰা হৈছিল আৰু তাৰ প্ৰতি ছাত্ৰ ছাত্ৰীসকলৰ আগ্ৰহ দেখি আমি অভিভূত হৈছো। লগতে শিক্ষক-কৰ্মচাৰীসকলৰ মাজত আয়োজিত খেল-ধেমালি প্ৰতিয়োগিতাই সমগ্ৰ অনুষ্ঠানটোক এটা নতুন মাত্ৰা প্ৰদান কৰে। সেইদৰে পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয় সপ্তাহৰ এই শুভ সময়ছোৱাত কলেজৰ বাকৰিত 'নলবাৰী কলেজ ত্ৰৈলোক্য নাথ গোস্বামী গ্ৰন্থাগাৰ' আৰু 'নলবাৰী কলেজ ছাত্ৰ একতা সভা' ৰ যৌথ প্ৰচেষ্টাত এখন সৰ্বাংগসুন্দৰ গ্ৰন্থমেলাৰ আয়োজন কৰা হয় ।

অসমৰ জনপ্ৰিয় অভিনেত্ৰী প্ৰীতি কংকনা বাইদেৱে এই বৰ্ষৰ একাংকিতা নাট প্ৰতিযোগিতা খন শুভ উদ্বোধন কৰে। মহাবিদ্যালয় সপ্তাহৰ একাংকিকা নাট প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ নাটৰ খিতাপ অৰ্জন কৰিছিল "বৰষুণ" নামৰ নাটখনে। শ্ৰেষ্ঠ অভিনেতা আৰু অভিনেত্ৰী আছিল ক্ৰমে প্ৰাঞ্জল কলিতা আৰু তন্ময়ী চৌধুৰী। পূৰ্বতে কোনো বৃহৎ অনুষ্ঠান আয়োজন কৰাৰ অভিজ্ঞতা নথকা সত্বেও ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে এই মহাবিদ্যালয় সপ্তাহখনি সাফল্যমণ্ডিত কৰাত যি পটুতা দেখুৱালে, তাৰ বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ।

**বান সাহায্য বিতৰণ ঃ** প্ৰকৃতিৰ সংহাৰী ৰুদ্ৰ ৰূপৰ আগত মানুহ এটা তুচ্ছ উপাদান মাথোন । প্ৰতিকূল পৰিস্থিতিৰ সৈতে মানুহৰ সংগ্ৰাম চিৰকলীয়া। ২০২২ বৰ্ষৰ বিধ্বংসী বানে নলবাৰী জিলাৰ বিস্তৰ অঞ্চলৰ বাৰুকৈয়ে ক্ষতি কৰিলে। প্ৰকৃতিৰ এই তাণ্ডৱলীলাত অতি বেছি ক্ষতিগ্ৰস্ত হ'ল ছাত্ৰ ছাত্ৰীসকল। সেয়েহে "নলবাৰী কলেজ ছাত্ৰ একতা সভা"ৰ উদ্যোগত নলবাৰী কলেজত অধ্যয়নৰত বানাক্ৰান্ত ছাত্ৰ - ছাত্ৰীসকলক কিছু সাহায্য দিয়াৰ নিমিত্তে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। প্ৰথম পৰ্যায়ত, অৰ্থাৎ ২২ তাৰিখে নলবাৰী জিলান্তৰ্গত সন্ধা আৰু পাইকাৰকুছি অঞ্চলত সাহায্য প্ৰদান কৰা হয় । দ্বিতীয় পৰ্যায়ৰ সাহায্য প্ৰদান কৰা হয় ২৩ তাৰিখে বৰভাগ অঞ্চলত আৰু ২৪-০৬-২০২২ তাৰিখ, এই কাৰ্যসূচীৰ তৃতীয় তথা অন্তিম পৰ্যায়ত আবেলি ৪ বজাৰ পৰা নলবাৰী কলেজ প্ৰাংগণত বানাক্ৰান্ত শিক্ষাৰ্থীসকলৰ মাজত বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বিশুদ্ধ খোৱা পানী, খাদ্য সামগ্ৰী, ব্লিচিং পাউদাৰ,বহী কলম, খোৱা সামগ্ৰী বিতৰণ কৰোঁ । আমাৰ এই সামান্য প্ৰচেষ্টাত ছাত্ৰ- ছাত্ৰীসকলৰ সঁহাৰি দেখি আমি অভিভূত হৈছিলোঁ।

"গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ " - সাংঘাতিক সন্মোহনীয় শক্তিৰে ভৰপূৰ এটা নাম । শ- শ তৰুণ- তৰুণীৰ আশা- আকাংক্ষা আৰু স্বপ্নৰ ঠাই, প্ৰতিভা বিকাশৰ অত্যুত্তম মঞ্চ । বছৰজোৰা পৰিকল্পনাৰ অন্তত অনুষ্ঠিত হয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ। সেইমৰ্মে সৰভোগৰ বৰনগৰ মহাবিদ্যালয়ত ১৯ চেপ্টেম্বৰ, ২০২২ তাৰিখৰ পৰা ২১ চেপ্টেম্বৰ,২০২২ তাৰিখলৈ অনুষ্ঠিত হয় দক্ষিণ পশ্চিম মণ্ডলৰ আন্তঃমহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ । পূৰ্বৰ গৌৰৱ অক্ষুন্ন ৰাখি নলবাৰী কলেজৰ শিক্ষাৰ্থীসকলে বিভিন্ন প্ৰতিযোগিতাত স্বকীয় প্ৰতিভাৰে উজ্বলি উঠিবলৈ সক্ষম হৈছিল। আপোন কলেজখনৰ নাম উজ্বলাই জাকত জিলিকা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা বাবে

প্ৰতিগৰাকী বিজয়ী সতীৰ্থ ধন্যবাদৰ পাত্ৰ ।

নলবাৰী কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মইও নৱাগত আদৰণি সভা খন আটক ধুনীয়াকৈ আয়োজন কৰিবলৈ আপ্ৰান চেষ্টা কৰিছিলোঁ কিন্তু ক'ৰনা মহামাৰীৰ প্ৰভাৱত বিভিন্ন ক্ষতি হোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ সময়সূচীও বহু পৰিমাণে সলনি হৈছিল ।আগৰ অৱস্থালৈ উভতাই আনিবলৈ এমাহ দুমাহৰ ভিতৰত যি পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লৈছিল তাৰ বাবে আৰু বিভিন্ন অসুবিধা ৰ বাবে আমি নৱাগত আদৰণি সভা খন আয়োজন কৰাত ব্যৰ্থ হৈছিলোঁ যদিও নৱাগত আদৰণি সভাৰ ধনৰাশি মই প্ৰভাত চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহৰ সন্মুখত এখন উদ্যান নিৰ্মাণ কৰাৰ বাবে কলেজ কৰ্তৃপক্ষৰ হাতত ধনৰাশিখিনি তুলি দিও আৰু কলেজ কতৃপক্ষই অতি কম সময়ৰ ভিতৰতে উদ্যান খন নিৰ্মাণ কৰি উলিয়াই । মোৰ আশা সকলো শিক্ষাৰ্থীয়ে এই উদ্যানৰ দ্বাৰা উপকৃত হ'ব।

**আমাৰ ছাত্ৰ একতা সভাৰ দিনত হোৱা কিছুমান স্থায়ী সমাধান ঃ** ১ জুন, ২০২২ ইং তাৰিখে নলবাৰী মহাবিদ্যালয়ৰ Science Block ৰ সন্মুখভাগত ৰাতিৰ এন্ধাৰত পোহৰ নথকাৰ সুযোগ লৈ একাংশ অচিনাক্ত মানুহে নিচাযুক্ত দ্ৰব্য সেৱনৰ সুবিধা লৈ আছিল ইয়াৰ প্ৰতি লক্ষ্য ৰাখি KMBHৰ বেৰত লাইট লগোৱাত Science Block ৰ সন্মুখভাগত পোহৰৰ ব্যৱস্থা কৰি এটা সমস্যাৰ সমাধান কৰোঁ। ২ জুলাই ইং তাৰিখে নলবাৰী কলেজৰ west block (Computer Science আৰু Sanskrit বিভাগ) লৈ অহা-যোৱা কৰা ঠাইখিনিৰে বাৰিষা সময়ত ছাত্ৰ-ছাত্ৰীয়ে অহা-যোৱা কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছিল। ছাত্ৰ একতা সভাই আবেদন জনোৱাৰ পিছত ঠাই খিনি পকী কৰি দি ছাত্ৰ-ছাত্ৰী সকলক এই সমস্যাৰ পৰা সকাহ দিয়ে।

নলবাৰী কলেজৰ তোৰণৰ সন্মুখৰ পথত গতিবেগ নিয়ন্ত্ৰক আৰু সাংকেতিক চিহ্নৰ ব্যৱস্থা কৰি দিয়াৰ বাবে নলবাৰী কলেজ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা গড়কাপ্তানী পথ বিভাগৰ কাৰ্য্যবাহী অভিযন্তা মহাশয়ক আবেদন জনাইছিলোঁ। গড়কাপ্তানী পথ বিভাগৰ কাৰ্য্যবাহী অভিযন্তা মহাশয়ে অতি কম সময়ৰ ভিতৰতে গতিবেগ নিয়ন্ত্ৰক আৰু সাংকেতিক চিহ্নৰ ব্যৱস্থা কৰি দিছিল।

নলবাৰী কলেজৰ এগৰাকী ছাত্ৰ হ'বলৈ পাই মই গৌৰৱান্বিত তাতেই আকৌ মহাবিদ্যালয়ৰ হকে তথা মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ হকে কাম কৰি প্ৰতিবেদনত কথাখিনি উল্লেখ কৰাৰ সুযোগকণ লাভ কৰাতো আছিল মোৰ বাবে সৌভাগ্যৰ বিষয়।

ধুমুহাৰ গতিৰে আহে জীৱনৰ অক্ষয় সংগ্ৰাম। জীৱশ্ৰেষ্ঠৰ শ্ৰেষ্ঠত্বৰ পৰিচয় ডাঙি ধৰি সেই সংগ্ৰামৰ মাজেদি উজ্বলি উঠাব পৰাতেই মানুহৰ সফলতা । যোৱা এটা বৰ্ষ নলবাৰী কলেজৰ এগৰাকী ছাত্ৰ প্ৰতিনিধি হিচাপে কলেজখনৰ লগতে সমগ্ৰ নলবাৰী জিলাৰেই বৌদ্ধিক আৰু সামাজিক ক্ষেত্ৰসমূহত ওতঃপ্ৰোতভাৱে জড়িত হৈ মই যি অভিজ্ঞতা লভিলো, সেয়া অনাগত দিনবোৰত মোৰ বাবে আশীৰ্বাদস্বৰূপ হৈ থাকিব । সফলতা- বিফলতাৰ হিচাপবোৰ হৈ থাকিব, কিন্তু তাৰ মাজত অক্ষয় হৈ ৰব স্মৃতি । পৰিশেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল- ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত কৰযোৰে মাৰ্জনা বিছাৰিছোঁ, আগন্তুক জীৱনৰ বাটত আশীৰ্বাদ আৰু শুভাশিষ কামনা কৰিছোঁ ।

**— প্ৰবাল জ্যোতি শৰ্মা**



# Fine Arts and Cultural Affairs Secretary

Dear NCians,

At the very outset of my report I would like to express my heartfelt thanks to all of you for selecting me as the Fine Arts and Cultural Affairs Secretary of the session 2021-22.And now looking back to my journey,I would like to pen down a few lines about my experience as the Fine Arts and Cultural Affairs Secretary of Nalbari College

It gives me immense pleasure to present before you the reports and results of the events that took place during my tenure.First I would like to thank all my teachers,all other staff members,juniors,seniors and fellow batchmates for trusting and supporting me all that time.The very first event where I got a chance to represent our college as the Cultural Secretary was the *Azadi ka Amrit Mahotsav* in Rangia which was celebrated through dance and songs presented by

our college students and after that a long list continued for a year.In the college week that year highest number of students participated so enthusiastically it was indeed a grand success for me.For the very first time I took the initiative of organising "Diha Naam" in Nalbari College as a step towards preserving our culture,and each and everyone cooperated in it so well. The events that were organised in College Week during my tenure were - Clay modeling, Sketch, Cartooning, Collage, Song competition- Borgeet, Lokgeet, Classical song, Semi classical song, Jyoti sangeet, Parbati Prasad's song, Bhupendra Sangeet, Jayanta Hazarika's song, Assamese modern song, Assamese Sugam sangeet, Bongeet, Western song and Group song,

Dance - Solo classical dance, Solo modern/ Semi classical dance,Group creative dance,

Group Indian Folk dance.

The Best Performers of 2021-22 College Week were-

Best Singer- Kuwoli Shandilya

Best Fine Arts Artist-Malabika Bharadwaj

Best Dancer-Kakali Das

Also I got the chance to represent my college in Youth Zonal Festival held in Sarbhog Barnagar College from 19th September,2022-21st September,2022.The participants showcased their zeal and talent and got selected too for Youth Festival that was held in Guwahati University.

Also as the Fine Arts and Cultural Secretary I represented Nalbari College in the Youth Festival which was held in Gauhati University from 27th October,2022-31st October,2022.Students who earned accolades in Youth Festival for our colleg are-

1- Semi Classical Song-Kuwoli Shandilya - 1st prize

2- Quiz - Chinmoy sarma, Bhusan das, Kuldeep Kalita- 1st prize

3- Spot photography - Suman Barman- - 1st prize

4- Solo classical dance - Kakali das - 1st prize

5- Debate - Raj Das and Isha parashar - 2nd prize

6- Parbati Prasad's song - Kuwoli Shandilya - 2nd prize

7- Tanmoyee choudhury - 2nd best co-actor

8- Classical Song-Kuwoli Shandilya - 3rd prize

On 14th March,2022 we the Students Union 2021-22, Nalbari College on behalf of the collge hold a felicitation ceremony for the students who earned the top position in UG 6th semester under Gauhati University.For the very first time on 13th March,2022 a Rongali Bihu event named "বসন্তৰ কুঁহিপাত" was celebrated in our college campus by the Students Union graced by our respected guests and all our teachers and students showed immense support to that event,it was a success for us.On the Nalbari District Day our college participated in the Cultural Rally and also on the cultural events under my tenure.A Fine Arts Workshop was also held during my tenure.The college was in need of a musical instrument that I felt the college was in need of,so with my budget,a scale changer Harmonium was presented to the college.Also during the time of floods we the members of Students Union donated whatever we can as flood relief to many students and their families.

The Nalbari College Students Union 2021-22 tried their best to do whatever possible in such a small period of time,many things were still left to be done because of time limitation and other reasons as well,we tried our best to help out the students as much as we can,also we made sure of giving free admissions to the students,we tried to be there representating our students who keep their faith on us and supported us all throughout the one year journey.

I would like to thank my Fine Arts and Cultural Affairs in-charge Rintu Deka Sir for all your guidance and supervision.

Atlast as I am wrapping up my report here,I feel very grateful towards each and everyone who trusted me,supported me and advised me,without you all I wouldn't have been able to be where I am now.I wish all the very best to all my fellow Union Member mates,seniors who guided me,juniors who supported me.A heartfelt "Thank You" to all.

**- Rashmita Kalita**



# তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদক

প্ৰতিবেদনৰ আৰম্ভণিতে, স্বদেশ-স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱনতকৈ দেশপ্ৰেমক উৰ্দ্ধত ৰাখি নিজৰ মূল্যবান বৰ্তমানটোক আমাৰ উজ্জ্বল ভৱিষ্যতৰ গঢ় দিবলৈ জীৱন পাত কৰা বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ। দ্বিতীয়তে, মই অৰ্ঘ্য যাচিছোঁ সেইসমূহ ব্যক্তিক যাৰ ত্যাগ, কষ্ট, অধ্যাৱসায়ৰ ফলস্বৰূপে ১৯৪৫ চনৰ ৪ জুলাই তাৰিখে প্ৰতিষ্ঠা লাভ কৰিছিল নলবাৰী মহাবিদ্যালয়ে। শিক্ষাৰ নৱদ্বীপ নলবাৰীৰ চিৰযৌৱনা প্ৰাণচঞ্চল নলবাৰী মহাবিদ্যালয়ৰ বৌদ্ধিক ক্ষেত্ৰখনৰ গাম্ভীৰ্যতা তথা ঈৰ্শনীয় চৰিত্ৰ সৰ্বজনবিদিত, এই ধাৰাত নৱপ্ৰাণ সঞ্চাৰৰ হেতু ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাত সন্নিবিষ্ট কৰা হৈছিল এক নতুন পদ 'তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক'।

ক'ৰনাৰ বিভীষিকাই মানৱ সভ্যতাক বহুদিন পিছুৱাই নিছিল। ক'ৰনাৰ প্ৰকোপ প্ৰায় হ্ৰাস হোৱা পিছতে আমি লাভ কৰিছিলো নলবাৰী মহাবিদ্যালয়ৰ দায়িত্বভাৰ। দায়িত্ব ভাৰ লাভ কৰাৰ লগে লগে, পোন প্ৰথমবাৰৰ বাবে নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাত সংযোজিত তৰ্ক আৰু আলোচনাচক্ৰ বিভাগটোৰ মূল আদৰ্শ তথা ইয়াত সংযোজিত হৈ থকা কাম কাজ সমূহ কেনেদৰে ছাত্ৰ ছাত্ৰীৰ বৌদ্ধিক বিকাশ তথা সামাজিক পাৰদৰ্শিতাৰ ক্ষেত্ৰত খাপ খোৱাকৈ মই মোৰ বিভাগৰ কাম কাজ সমূহ চলাই নিব পাৰো তাক লৈ নিজস্ব দায়িত্বপালন কৰিব লৈছিলো, ভিন্ন দিশত ভিন্ন সমস্যা পৰিলক্ষিত হৈছিল , কিন্তু আমাৰ হাতত সময়ো কম আছিল । আমাৰ ছাত্ৰ সমাজত এশাৰী মুখে মুখে প্ৰচলিত কথা আছে যে নলবাৰী জিলা কুইজৰ ৰাজধানী , এই নলবাৰী জিলাৰ শৈক্ষিক দিশৰ মূল খুটি ৰূপে পৰিচিত নলবাৰী মহাবিদ্যালয়ত কুইজৰ অনুশীলন নোহোৱাকৈ কিয় থাকিব, সেয়েহে দায়িত্ব লাভ কৰাৰ পিছতে কুইজৰ পিতৃ পুৰুষ স্বৰ্গীয় দিলীপ কুমাৰ বৰুৱা দেৱৰ জন্ম দিনৰ দিনা অৰ্থাৎ ১৬ মাৰ্চ তাৰিখে নলবাৰী মহাবিদ্যালয়ত তৰ্ক আলোচনা চক্ৰ বিভাগ , নলবাৰী কলেজ ডিবেট ছোচাইটি তথা নলবাৰী কলেজ কুইজ ফ'ৰামৰ সহযোগত 'কুইজৰ দিন' শীৰ্ষক এখনি জিলা ভিত্তিক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰো । নিজৰ কাৰ্যকালত শ্ৰদ্ধাৰ দিলীপ কুমাৰ বৰুৱা দেৱলৈ স্মৰিত দিনটোত নলবাৰী মহাবিদ্যালয়ত অনুষ্ঠিত কৰা এই কুইজ প্ৰতিযোগিতাখন সকলো ছাত্ৰ ছাত্ৰীৰ সহযোগিতাত তথা নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অৰ্ণৱজ্যোতি তালুকদাৰ দাদাৰ লগতে মানসপ্ৰতীম ভূএগ্ৰা দাদাৰ পৰিচালনাত সুন্দৰভাৱে অনুষ্ঠিত হয়, প্ৰতিযোগিতাখনত নলবাৰীৰ বহুতো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ সমাগম ঘটে। ক্ৰমান্বয়ে দিন বাগৰাৰ লগে লগে নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয় । সেয়েহে এজন দায়িত্বশীল সম্পাদক হিচাপে নিজৰ বিভাগটোৰ কুইজ প্ৰতিযোগিতা খন লগতে তৰ্ক প্ৰতিযোগিতাখন সুন্দৰ ভাৱে অনুষ্ঠিত কৰাটো মোৰ দায়িত্ব। নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত ভিন্ন দিশৰ সম্পাদকৰ কাৰ্যসূচী সমূহৰ মাজতে তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদক হিচাপে মোৰ বিভাগৰ কাৰ্যসূচী আছিল কুইজ আৰু তৰ্ক প্ৰতিযোগিতা, এই দুয়োখন প্ৰতিযোগিতা ছাত্ৰ ছাত্ৰীৰ বৌদ্ধিক বিকাশ ৰ উন্নতি ৰ লগত খাপ খোৱাকৈ অনুষ্ঠিত কৰিবলৈ অপ্ৰাণ চেষ্টা চলাইছিলো । সেয়েহে ২৪-০৫-২০২২ তাৰিখে কুইজ প্ৰতিযোগিতা খন অনুষ্ঠিত কৰিবলৈ মই কুইজ পৰিচালক হিচাপে নিমন্ত্ৰণ জনাইছিলো 'পিতামহ' ৰ সমল ব্যক্তি তথা নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দেৱাজউদ্দিন আহমেদ ডাঙৰীয়াক , অসমৰ দিহিং পাইটকাইৰ পৰা আৰম্ভ কৰি ব্ৰাজিলৰ ৰিঅ'দি জেনেৰেঅ' চহৰলৈকে বিস্তৃত কুইজৰ ৰোমাঞ্চকৰ প্ৰশ্ন সমূহে প্ৰতিযোগিতাখন আমোদজনক কৰি তুলে।

অন্যহাতে তৰ্ক আলোচনা চক্ৰ ৰ সম্পাদক হিচাপে মোৰ গুৰু দায়িত্ব আছিল তৰ্ক প্ৰতিযোগিতা খন সুকলমে চলাই নিয়াৰ । ২৫-০৫-২০২২ তাৰিখে অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগীতা খনৰ বিষয় আছিল' সদনৰ মতে : ''চৰকাৰৰ শূন্য সহনশীল নীতি কাৰ্য্যত অন্তঃসাৰশূণ্য ''In the opinion of the house : "The government's zero tolerance policy is futile Approach'' উক্ত প্ৰতিযোগিতা খনত সদনৰ অধ্যক্ষৰ আসন গ্ৰহণ কৰে টিহু মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক

বিপুল বৰুৱা ছাৰে।

মহাবিদ্যালয় সপ্তাহত নিজৰ বিভাগীয় অনুষ্ঠান সমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰি ২৬ জুন তাৰিখে নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ মাজত নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰো এখনি আন্তঃ বিভাগীয় কুইজ প্ৰতিযোগিতা। " কুইজৰ ৰাজধানীত কুইজৰ অনুশীলন" শীৰ্ষক এই কুইজ প্ৰতিযোগিতা খনি উদ্বোধন কৰিছিল বিশিষ্ট কুইজ পৰিচালক তথা সাহিত্যিক পংকজ গোবিন্দ মেধি ডাঙৰীয়াই। উক্ত প্ৰতিযোগিতা খন সুন্দৰ ভাৱে তথা অতি আমোদজনক ভাবে পৰিচালনা কৰে নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট কুইজ পৰিচালক বিজিত দাস ডাঙৰীয়াই।

নলবাৰী মহাবিদ্যালয়ত এজন তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদক হিচাপে নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক তৰ্ক-বিতৰ্কৰ বিষয়ে সঠিক ধাৰণাৰ সৈতে চিনাকি কৰি দিয়াটো মোৰ প্ৰধান কৰ্তব্য, সেয়ে নিৰ্বাচনৰ প্ৰতিশ্ৰুতি অনুসৰি নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী খিনিৰ মাজত আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত তথা তৰ্ক আৰু আলোচনা চক্ৰৰ উদ্যোগত এখন তৰ্ক আৰু আলোচনা চক্ৰৰ ওপৰত সাধাৰণ জ্ঞান আবাসৰ বাবে তৰ্ক আৰু বক্তৃতাৰ কৰ্মশালা অনুষ্ঠিত কৰো। উক্ত কৰ্মশালা খনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নৰ্থ ইষ্ট ডিবেটাৰ ছোচাইটিৰ সম্পাদক প্ৰাণজিৎ কুমাৰ দাস ডাঙৰীয়া। উক্ত কৰ্মশালাখন নলবাৰী মহাবিদ্যালয়ৰ বুকুত অনুষ্ঠিত কৰাটো মোৰ বাবে সপোন আছিল। বৃহত্তৰ নলবাৰী মহাবিদ্যালয় ছাত্ৰ সমাজৰ সহযোগত নিজৰ কাৰ্যকালৰ অন্তিম সময়চোৱাত এই কৰ্মশালা খন অনুষ্ঠিত কৰিবলৈ চেষ্টা চলাইছিলো আৰু সফলো হৈছিলো ।

**হে যোৱা সোণালী আখৰৰ ঘটনাবোৰ ঃ** কম সময়ৰ কাৰ্যকালত কেতবোৰ সফলতাই মোক অনেখ সুখ দিছিল। গৌহাটী বিশ্ববিদ্যালয়ৰ আন্তঃযুৱ মহোৎসৱৰ মাণ্ডলিক পৰ্যায়ত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ ভূষণ দাস, কুলদ্বীপ কলিতা আৰু চিন্ময় শৰ্মা ই প্ৰথম আনহাতে তৰ্ক প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ ৰাজ দাস আৰু ঈষা পৰাশৰে প্ৰথম স্থান পাবলৈ সক্ষম হোৱাৰ লগতে বক্তৃতা প্ৰতিযোগীতাত ৰাজ দাস প্ৰথম হৈছিল। তদুপৰি মাণ্ডলিক পৰ্যায়ত নিৰ্বাচিত হৈ মূল পৰ্যায়ত নলবাৰী মহাবিদ্যালয়ৰ কুইজৰ দলটোৱে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল আনহাতে তৰ্ক প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয়ে দ্বিতীয় শ্ৰেষ্ঠ দল লাভ কৰিছিল। যিয়ে মোক এজন তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে অধিক সুখ প্ৰদান কৰিছিল। তেওঁলোকৰ জয়তে মই নিজৰ সফলতা লাভ কৰিবলৈ সক্ষম হৈছিলো ।

**ধন্য আৰু কৃতজ্ঞতাৰ দুশাৰী মনোভাৱ ঃ** নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাই পোন প্ৰথমবাৰৰ বাবে সংযোজিত কৰা তৰ্ক আলোচনা চক্ৰ পদটিৰ সম্পাদক ৰূপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা যিখিনি কাম কাজ তথা নিজস্ব বিভাগীয় অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ মোক দিহা পৰামৰ্শ দিয়া প্ৰতিগৰাকী নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ একতা সভাৰ প্ৰতিনিধি লগতে অগ্ৰজ অনুজ সকলক মই ধন্যবাদ জ্ঞাপন কৰিবই লাগিব, আজিৰ ছাত্ৰ সমাজ কাইলৈৰ দেশৰ ভৱিষ্যত, গতিকে ছাত্ৰ সমাজৰ বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত কি ধৰণে কোনবোৰ কাম তথা কি অনুষ্ঠান অনুষ্ঠিত কৰিলে কি ধৰণে লাভ হব তাক লৈ মোক দিহা পৰামৰ্শ দিয়া প্ৰতিগৰাকী ছাত্ৰ ছাত্ৰী লগতে নলবাৰী মহাবিদ্যালয় অধ্যাপক মণ্ডলীৰ লগতে ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক ড° বিষ্ণু ভট্টাচাৰ্য ছাৰ তথা বিভিন্ন বিভাগৰ বিভাগীয় তত্ত্বাৱধায়ক সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত পাগ্লাপাৰৰ এজাৰৰ দেশক প্ৰজ্ঞাৰ পোহৰেৰে জিলিকাব বিচৰা মোৰ মনোভাবক দৃঢ় কৰি তোলাত সহায় কৰা প্ৰতিগৰাকী ব্যক্তিক মই এই প্ৰতিবেদনৰ মাজতে শ্ৰদ্ধা জনাইছোঁ।

**—দ্বীপজ্যোতি শৰ্মা**



# সমাজসেৱা বিভাগৰ সম্পাদক

জয়তু নলবাৰী কলেজ। তোমাক মোৰ শতকোটি প্ৰণাম। সম্পাদকীয় একলমৰ প্ৰাক মুহূৰ্তত ইতিহাসে গৰকা ঐতিহ্যমণ্ডিত

নলবাৰী কলেজৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, সন্মানীয় সমূহ শিক্ষাগুৰু বৃন্দ,কৰ্মচাৰীবৃন্দ, বন্ধু বান্ধৱী তথা মহাবিদ্যালয় পৰিয়ালৰ সমূহ অগ্ৰজ অনুজলৈ মোৰ আন্তৰিক শ্ৰদ্ধা, একাজলি মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সেইসকল মণিষীৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছো যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে এই জ্ঞানৰ মন্দিৰ নলবাৰী কলেজ প্ৰতিষ্ঠিত হৈছিল, যিয়ে ইতিমধ্যে মহাৰজত জয়ন্তী বৰ্ষক স্পৰ্শ কৰিবলৈ সক্ষম হৈছে।

প্ৰতিবেদন আগবঢ়াবলৈ কলমটো হাতত লৈয়েই যেন বিমোৰত পৰিলো। মনলৈ আহিল সেই গভীৰ অৰ্থবহ ইংৰাজী বাক্যটো "Where wants are more there words are little"। জনপ্ৰিয় ঔপন্যাসিক কাঞ্চন বৰুৱাই তেখেতৰ অমৰ সৃষ্টি "অসীমত যাৰ হেৰাল সীমা" উপন্যাস খনত বাক্যটো বৰ সুন্দৰকৈ অনুবাদ কৰিছে। অন্তৰ যেতিয়া আৱেগেৰে ভৰি পৰে, তেতিয়া ভাষা হয় দুৰ্বল। এয়া স্বাভাৱিক। নলবাৰী কলেজ মোৰ বাবে কেৱল এখন কলেজেই নহয়, ই আৱেগ, অনুভূতি সকলো।

এবছৰীয়া কাৰ্যকালত ছাত্ৰ একতা সভাৰ এজন বিষয়ববীয়া হিচাপে মহাবিদ্যালয়ৰ উন্নতিৰ স্বাৰ্থত কি সেৱা আগবঢ়ালো বা কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিবেচনাৰ অধীন, তথাপিও মই কৰা কিছু কামৰ বিৰৰণ আগবঢ়ালোঁ

২৫ মে ২০২২ ঃ ঐতিহ্যমণ্ডিত নলবাৰী কলেজৰ ২০২১-২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ " উপলক্ষে ১০ জেঠ ২৫ মে' ইং তাৰিখে নলবাৰী কলেজৰ বাকৰিত অইন বেলিৰ দৰে ভেশচন প্ৰতিযোগিতা "অনুষ্ঠিত কৰা হয়।

২২ জুন ২০২২ ঃ সাম্প্ৰতিক সময়ত ৰাজ্যৰ বান পৰিস্থিতিয়ে সকলোকে দুৰ্ভোগ ভুগিবলৈ বাধ্য কৰিছে। সেয়েহে "নলবাৰী কলেজ ছাত্ৰ একতা সভা"ৰ উদ্যোগত এই কলেজত অধ্যয়নৰত বানাক্ৰান্ত ছাত্ৰ- ছাত্ৰীসকলক কিছু সাহায্য দিয়াৰ নিমিত্তে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। সেই মৰ্মে ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়া ৰ পুঁজিৰ কিছু অংশ, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক মহোদয়ৰ সাহায্যৰ ধনেৰে যোৱা ২২-০৬-২০২২ তাৰিখে দুটা অঞ্চলত সাহায্য সামগ্ৰী বিতৰণ কৰা হয় ।

নিৰ্বাচনত নিৰ্বাচিত হৈ বহুখিনি কৰিব পাৰিলোঁ, সময়ৰ অভাৱত হয়তো কৰিব খোজা বহুতো কৰিব নোৱাৰিলোঁ। সমাজ সেৱা সম্পাদকৰ অনুমোদিত ধনৰাশিৰ ৰাহি হোৱা ধনখিনি মহাবিদ্যালয়ৰ নৱ নিৰ্মিত বাগিছাখনৰ নিৰ্মাণ কাৰ্যৰ বাবে অধ্যক্ষ মহোদয়ৰ হাতত জমা দিয়া হয়। বৰ্তমান বাগিছাখনৰ কাম সম্পূৰ্ণ ৰূপে হৈ উঠিছে।

সদৌ শেষত মোৰ এই যাত্ৰাৰ অংশীদাৰ হোৱা প্ৰতিজন শুভাকাঙ্খী সতীৰ্থক ধন্যবাদ জ্ঞাপন কৰিছোঁ। নিৰ্বাচনৰ প্ৰাক্ক্ষণৰ পৰা বৰ্তমানলৈ মোৰ সাহস হোৱা মহাবিদ্যালয়ৰ শিক্ষাগুৰু-কৰ্মচাৰী, অগ্ৰজ-অনুজ,সহপাঠী-বন্ধু প্ৰতিজনৰ ওচৰত মই চিৰঋণী হৈ ৰ'ম চিৰকাল। এই চেগতে মই অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, নলবাৰী নগৰ শাখা আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, নলবাৰী কলেজ গোটৰ প্ৰতিজন কাৰ্যকৰ্তালৈয়ো ধন্যবাদ তথা সেৱা জনাইছোঁ, তেখেতসকলৰ অবিহনে হয়তো এই সম্পূৰ্ণ যাত্ৰা মোৰ পক্ষে অসম্ভৱ হ'লহেঁতেন।

**— চুমন বৰ্মন**



# সম্পাদনা সমিতি



হীতেশ ঠাকুৰীয়া
তত্ত্বাৱধায়ক



ড° সুব্ৰত বৰ্মন
শিক্ষক সদস্য



ড° ৰঞ্জনা ভট্টাচাৰ্য্য
শিক্ষক সদস্য



ড° প্ৰদ্যুম্ন শৰ্মা
শিক্ষক সদস্য



প্ৰিয়ংকা শৰ্মা
ছাত্ৰ সদস্য



ঈষা পৰাশৰ
ছাত্ৰ সদস্য



নীলোৎপল ডেকা
সম্পাদক



সোণমনি কলিতা
ছাত্ৰ সদস্য



ভাৰ্গৱ কমল বৈশ্য
ছাত্ৰ সদস্য

# স্থিৰচিত্ৰত নলবাৰী মহাবিদ্যালয়














# অহা বাটেৰে ঘূৰি চাওঁতে বছৰটো



কুচ-কাৱাজ প্ৰতিযোগিতা



ছাত্ৰ একতা সভাৰ উদ্যোগত নিৰ্মিত ফুলৰ বাগিছা




স্বাধীনতা দিৱস উপলক্ষে ত্ৰিৰংগা যাত্ৰা



বসন্তৰ কুঁহিপাত



আন্তঃ বিভাগীয় কুইজ প্ৰতিযোগিতা




ছাত্ৰ একতা সভাৰ উদ্যোগত বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীলৈ সহায়ৰ হাত

# মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিভা

**ঈষা পৰাশৰ**
*শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী*





**ৰাজ দাস**
*শ্ৰেষ্ঠ তাৰ্কিক*

**প্ৰাঞ্জল কলিতা**
*শ্ৰেষ্ঠ অভিনেতা*





**তন্ময়ী চৌধুৰী**
*শ্ৰেষ্ঠ অভিনেত্ৰী*

**কুঁৱলী শাণ্ডিল্য**
*শ্ৰেষ্ঠ কণ্ঠশিল্পী*





**কাকলি দাস**
*শ্ৰেষ্ঠ নৃত্যশিল্পী*

**মালবিকা ভৰদ্বাজ**
*শ্ৰেষ্ঠ সুকুমাৰ শিল্পী*





**শ্ৰেষ্ঠ নাট্যদল**

# মহাবিদ্যালয় সপ্তাহ



















গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাণ্ডলিক যুৱ মহোৎসৱত অংশ লোৱা নলবাৰী মহাবিদ্যালয়ৰ দলটো




স্বাধীনতা দিবসত কুচ-কাৱাজত অংশ লোৱা নলবাৰী মহাবিদ্যালয়ৰ এন. চি. চি. দলটো



মণিকা দাস
(প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, ভূগোল বিজ্ঞান বিভাগ)



গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত অংশ লোৱা নলবাৰী মহাবিদ্যালয়ৰ সমবেত সংগীতৰ দলটো



মৃন্ময়ী ৰাজবংশী
(প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান, অৰ্থনীতি বিভাগ)

# কৃতিকথা



দ্বীপম তালুকদাৰ
(প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, ভূগোল বিজ্ঞান বিভাগ)



চিন্ময় শৰ্মা
(প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, সংস্কৃত বিভাগ)

# কৃতিকথা

গুৱাহাটী বিশ্ববিদ্যালয় যুব মহোৎসৱ- ২০২২

**কুঁৱলী শাণ্ডিল্য**
প্ৰথম (লঘু শাস্ত্ৰীয় সংগীত)
দ্বিতীয় (পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত)
তৃতীয় (শাস্ত্ৰীয় সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত)





**কাকলি দাস**
প্ৰথম (একক শাস্ত্ৰীয় নৃত্য)

**তন্ময়ী চৌধুৰী**
দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী





**কুলদ্বীপ কলিতা**
**চিন্ময় শৰ্মা**
**ভূষণ দাস**
শ্ৰেষ্ঠ কুইজৰ দল

**চুমন বৰ্ম**
প্ৰথম (স্পট ফটোগ্ৰাফী)





**মালৱিকা ভৰদ্বাজ**
তৃতীয় (স্পট পেইন্টিং)

**সৃষ্টিকা তালুকদাৰ**
তৃতীয় (পাশ্চাত্য সংগীত)





**বাগ্মিতা ডেকা**
তৃতীয় (বনগীত)

# কাব্য সান্নিধ্যে














# মহাৰজত জয়ন্তী




NALBARI COLLEGE, NALBARI
২২ আৰু ২৩ অক্টোবৰ, ২০২২






মহাৰজত জয়ন্তী ঃ সামৰণি অনুষ্ঠান


সামৰণি অনুষ্ঠান
সাংস্কৃতিক অনুষ্ঠান

এই কবিৰ আৰু একো নাই



ভাৰ্গৱ কমল বৈশ্য

সমাধিস্থ সত্য



প্ৰিয়ম আদিত্য

মন-প্ৰজাপতি



কুলদ্বীপ শৰ্মা

# কেনভাচৰ কাহিনী

কোন তুমি লাস্যময়ী ?




জংকি শৰ্মা

শাৰদস্নাতা আগমনী



ধ্ৰুপৰাজ কৃষ্ণত্ৰয়

# ছবিশিল্প











ছবিশিল্প

১৯৫১ চনত 'নলবাৰী কলেজ
আলোচনী' নামেৰে প্ৰাণেশ্বৰ মিশ্ৰৰ
সম্পাদনাত আৰম্ভণি ঘটা
ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ
আলোচনীখনে কালস্ৰোতত আহি
আহি আজিৰ ৰূপ পাইছেহি।
মহাবিদ্যালয়খনৰ
ছাত্ৰ-ছাত্ৰীসকলৰ ভাবৰ বেঙুনিৰ
প্ৰতিফলনেৰে আলোচনীখনে নিজৰ
স্বকীয়তা বজাই ৰাখিছে। বৃহত্তৰ
নলবাৰী অঞ্চলটোৰ বিভিন্ন স্থানীয়
সাহিত্যভংগীৰ প্ৰকাশন মাজেৰে
কেৱলমাত্ৰ নলবাৰী মহাবিদ্যালয়ৰ
বাবেই নহয়, সমগ্ৰ নলবাৰী
জিলাবাসীৰ বাবেই এই আলোচনীখন
এক উন্নত মানদণ্ডৰ সাহিত্য চৰ্চাৰ
পৰিক্ৰমাতো। নানা পৰিচিত ও
বিখ্যাত কবি-সাহিত্যিক , গল্পকাৰ,
প্ৰবন্ধকাৰৰ অৱদানেৰে পুষ্ট 'নলবাৰী
মহাবিদ্যালয় আলোচনী' নামেৰে
নামাংকিত এই আলোচনীখনৰ
এইবাৰ ৬৯তম তাঙৰণ।



তোমৰ তুমি পাহ্ৰানৰৰ
শিকোৱা পাঠ
জীৱনৰ
নলবাৰী কলেজ
তুমি আমাৰ
গৌৰৱ।।